ভাষণমালা

অসম ছাত্র সন্মিলনৰ ভাষণ-সংগ্ৰহ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
সঙ্কলিত আৰু সম্পাদিত
তপোবন : গুৱাহাটী

প্ৰকাশন পৰিষদ, অসম
গুৱাহাটী

Bhasan Mala : Presidential Addresses of the Assam Students' Conference compiled and edited by Prof. Atulchandra Hazarika M.A. B.L. B.T. and published by Shri B.N. Shastri M.A , Publication Board : Assam, Gauhati. Printed by Shri Kusha Dutta, Progressive Publishers, Calcutta-4

প্ৰকাশক :
শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
প্ৰকাশন পৰিষদ
অসম : গুৱাহাটী

প্ৰথম প্ৰকাশ
ডিচেম্বৰ, ১৯৬০

মুদ্ৰক :
শ্ৰীকুশ দত্ত
প্ৰ'গ্ৰেচিভ্ পাব্লিচাৰ্চ
কলিকতা-৪

মূল্য :
পকা বন্ধা—১০৲
কেচা বন্ধা—৮৲

ভূমিকা

অসম ছাত্ৰ-সন্মিলনৰ বিষয়ে সুঁৱৰিলেই উনবিংশ শতিকাৰ চতুৰ্থ পাদৰ অসমীয়া ভাষা-সাহিত্যৰ কথা মনলৈ আহে। অসমীয়া ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগেই অসমীয়া ছাত্ৰক সাহিত্য সেৱাৰ বাবে সঙ্ঘ স্থাপনৰ প্ৰেৰণা দিছিল। আনফালে অসমীয়া ছাত্ৰৰ সমূহীয়া কৰ্ম্মপ্ৰচেষ্টাৰ জন্ম হয় কলিকতাত। উনবিংশ শতিকাৰ শেষলৈকে, অসমত বৃটিছ ৰাজত্বৰ তিনি কুৰি পোন্ধৰ বছৰৰ ভিতৰতো উচ্চ শিক্ষাৰ অনুষ্ঠান নোহোৱাত অসমীয়া ছাত্ৰই কলিকতাত প্ৰৱাস খাটিব লগা হৈছিল। প্ৰৱাসীচিত্তৰ গৃহপ্ৰৱণতাৰ অনুভূতিয়েও অসমীয়া ছাত্ৰক অসমীয়া সাহিত্য-সেৱালৈ উদগনি দিছিল। লগতে আছিল ইংৰাজী শিক্ষাৰ যোগেদি লাভ কৰা স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মোহন মন্দিৰলৈ যোৱাৰ প্ৰেৰণা।

ভাৰতত ইংৰাজী শিক্ষা বিস্তাৰৰ ফালে ঘূৰি চালে দেখা যায় ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজত্বৰ শেষৰ ফালেহে ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচাৰ হয়। ১৭৮১ খৃষ্টাব্দত ৱাৰেণ হেষ্টিংচে কলিকতাত এখন মাদ্ৰাছা স্থাপন কৰে আৰু তাৰ ঠিক দহ বছৰৰ পিছত ১৭৯১ খৃঃত কাশীৰ ৰেচিডেণ্টে কৰ্ণৱালিচৰ সমৰ্থনত কাশীত এখন সংস্কৃত কলেজ স্থাপন কৰে। ভাৰতীয় লোকৰ শিক্ষাৰ বিষয়ে শিক্ষাৰ ক্ষেত্ৰত কোম্পানীৰ এয়ে প্ৰথম কাম। এই দুয়োটা শিক্ষানুষ্ঠানেই দেশীয় ৰীতিৰ।

১৭৯৭ খৃষ্টাব্দতে চাৰ চাৰ্লচ্ গ্ৰাণ্ট্ নামে এজন কৰ্ম্মচাৰীয়ে কোম্পানীৰ ডাইৰেক্টৰসকললৈ ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচাৰৰ বিষয়ে এখন প্ৰতিবেদন দিছিল কিন্তু ডাইৰেক্টৰসকলে এই প্ৰতিবেদনৰ ওপৰত কোনো গুৰুত্ব নিদিলে।

১৮০১ খৃষ্টাব্দত কলিকতাত ফোৰ্ট ৱিলিয়াম কলেজ স্থাপন হয় কিন্তু এই কলেজত ইংলণ্ডৰ পৰা ভাৰতলৈ নতুনকৈ অহা কৰ্ম্মচাৰীসকলক দেশীয় ভাষা শিকোৱাহে হৈছিল। খৃষ্ট ধৰ্ম্ম প্ৰচাৰৰ বাবে কলিকতাত ১৮২০ খৃঃত বিছপ কলেজ স্থাপন হয়।

১৮১৬ খৃঃত ডেভিদ্ হেয়াৰ আৰু ছাৰ হাইদ্ ইষ্টৰ যত্নত ৰাজা ৰামমোহন ৰায়ৰ সহযোগত কলিকতাত হিন্দু কলেজ স্থাপন হয়। এই কলেজৰ নামেই পিছত প্ৰেচিডেঞ্চি কলেজ হয়গৈ। কিন্তু এই কলেজো বেচৰকাৰী যত্নত প্ৰতিষ্ঠিত।

কোম্পানীয়ে অৰণ্তে ১৮১৩ খৃষ্টাব্দতে শিক্ষাৰ বাবে খৰচ কৰিবলৈ কোম্পানীৰ ৰাজস্বৰ পৰা বছৰি এক লাখকৈ টকা মঞ্জুৰ কৰিছিল কিন্তু এই টকা প্ৰকৃততে কলিকতাৰ 'বুক্ চচাইটি' আৰু 'স্কুল চচাইটি'ক দিয়া হৈছিল।

ইয়াৰ পিছত কোম্পানীয়ে ১৮২৪ খৃষ্টাব্দত কলিকতাত আৰু ১৮২৫ খৃষ্টাব্দত দিল্লীত এখন কলেজ খোলে। কলিকতাৰ কলেজত সংস্কৃত আৰু দিল্লীৰ কলেজত আৰবী, ফাৰ্চী পঢ়োৱাৰ ব্যৱস্থা আছিল। এই সকলোবোৰ দেশীয় ভাষাৰ শিক্ষাদানৰ ব্যৱস্থাহে আছিল। ভাৰতীয় মানুহক ইংৰাজী শিকোৱাৰ কথা তেতিয়াও কোম্পানীৰ কৰ্তৃপক্ষই চিন্তা কৰা নাছিল।

ইয়াৰ পিছত মেকলে চাহাবে কোম্পানীৰ কৰ্তৃপক্ষক ভাৰতৰ শিক্ষা-ব্যৱস্থা সম্পৰ্কে প্ৰতিবেদন দিয়ে। এই প্ৰতিবেদনৰ মৰ্ম্ম অনুসাৰে লৰ্ড বেণ্টিঙ্কৰ আমোলত ১৮৩৫ খৃষ্টাব্দত ভাৰতৰ শিক্ষা-ব্যৱস্থা ঘোষণা কৰা হয়। এই ঘোষণামতে ইংৰাজী ভাষা শিকোৱাৰ আৰু প্ৰত্যেক জিলাতে জিলা স্কুল স্থাপনৰ ব্যৱস্থা হয়।

সেই ঘোষণা অনুসাৰেই ১৮৩৫ চনত অসমত প্ৰথম জিলা স্কুল (আজি-কালিৰ হাই স্কুল) স্থাপন হয়। শিক্ষানুষ্ঠানৰ পুৰণি ব্যৱস্থা ক্ৰমে লোপ পোৱাত আৰু নতুন ব্যৱস্থাও নোহোৱাকৈ থকাৰ পোন্ধৰ-বিশ বছৰৰ পিছত জিলা স্কুল স্থাপন হোৱাত প্ৰথমে বহুতে সন্দেহৰ চকুৰে চাইছিল যদিও অলপ দিনৰ ভিতৰতে সকলোৱে ইয়াক আগ্ৰহেৰে গ্ৰহণ কৰিলে।

১৮৩৬ চনৰ শেষ ভাগত অসমীয়া ভাষাৰ স্বীকৃতি চৰকাৰে তুলি লয়। অসম দেশত কোম্পানীৰ আধিপত্য বিস্তাৰৰ পিছত অসমীয়া ভাষাই শিক্ষা আৰু শাসনৰ মাধ্যম হৈছিল কিন্তু বেছি দিন এই ব্যৱস্থা নাথাকিল। অসমীয়া ভাষা উঠি গ'ল। কোম্পানীৰ চৰকাৰৰ এই কাৰ্য্য ১৮৩৫ চনত ঘোষিত নীতিৰ বিৰোধী আছিল। তথাপি অসমত এনে নোহোৱা-নোপজা কাম হ'ল। বৃটিছ শাসনৰ লগত অহা সেই সময়ৰ বঙ্গ দেশৰ এক

শ্ৰেণীৰ কৰ্ম্মচাৰীৰ প্ৰৰোচনাত অসমীয়া ভাষা বঙলা ভাষাৰে বিকৃত ৰূপ আৰু অসমীয়া এটা দোৱান বুলি কোৱা কথাই শাসকৰ সমৰ্থন লাভ কৰিলে আৰু অসম দেশত অসমীয়াৰ ঠাইত বঙলা ভাষা চলিল। ঠিক এই সময়তে আমেৰিকাৰ বেপটিষ্ট মিছনৰ কেইজনমান উৎসাহী প্ৰচাৰক অসমলৈ আহে। ১৮৩৬ চনৰ মাৰ্চ্চ মাহত এই মিছনৰ এটা দল শদিয়া পায়গৈ। এনেকুৱা আৰু দুটামান সৰু দলে উজনি অসমৰ জয়পুৰ, শিৱসাগৰ আদিত থিতাপি লৈ ধৰ্ম্ম প্ৰচাৰৰ কামত মন দিয়ে।

মিছনেৰীবিলাকে তেওঁলোকৰ স্বীকৃত নীতি অনুসাৰে স্থানীয় ভাষাৰে খৃষ্ট ধৰ্ম্মৰ বাণী প্ৰচাৰ কৰিবলৈ গৈ অসমত প্ৰচলিত এই অদ্ভুত অৱস্থা উপলব্ধি কৰিলে। তেওঁলোকে অসমীয়া লোকৰ সহায়ত অসমীয়া ভাষাৰ ব্যাকৰণ আৰু অভিধান কেই বছৰমানৰ ভিতৰতে প্ৰকাশ কৰিলে। ইতিপূৰ্ব্বে বঙ্গ দেশৰ শ্ৰীৰামপুৰত মিছনেৰীসকলে বঙ্গ ভাষাত বাইবেলৰ অনুবাদ কৰিবলৈ গৈ ডাঙৰ সমস্যাৰ সন্মুখীন হৈছিল। বঙ্গ ভাষাত তেতিয়া বাইবেল অনুবাদ কৰিব পৰা গদ্যৰ সৃষ্টি হোৱা নাই, গদ্য সাহিত্যৰ আৰ্হিও নাই। স্বৰূপতে ঘৰুৱা চিঠি আৰু ফাৰ্চী মিশ্ৰিত চৰকাৰী চিঠি-পত্ৰৰ বাহিৰে গদ্য-সাহিত্যৰ কোনো নিদৰ্শনেই নাই। গতিকে উৎসাহী মিছনেৰী কেৰী চাহাবে ৰাম দত্ত আদিৰ সহায়ত ফোৰ্ট ৱিলিয়ামত ১৮০১ খৃঃত প্ৰতিষ্ঠিত কলেজত বঙলা গদ্যৰ সৃষ্টি কৰিবলৈ উঠি-পৰি লাগিল।

শ্ৰীৰামপুৰৰ মিছনেৰীসকলে ১৮১৩ খৃষ্টাব্দ মানতে ২৪টা ভাৰতীয় ভাষাত বাইবেলৰ অনুবাদ প্ৰকাশ কৰে। অসমীয়া ভাষালৈ অনুবাদ কৰে ৺আত্মাৰাম শৰ্ম্মাই। ১৮৫৭ খৃষ্টাব্দত কলিকতা বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হ'ল। বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগতো অসমৰ পৰা কেইজনমান উৎসাহী ডেকাই সেই কালতে কলিকতাত শিক্ষা লাভ কৰিবলৈ গৈছিল। এওঁলোকৰ ভিতৰত প্ৰাতঃস্মৰণীয় ৺আনন্দৰাম ঢেঁকিয়াল ফুকন ১৮৪১ খৃষ্টাব্দত কলিকতাৰ হিন্দু কলেজত ভৰ্ত্তি হয়। কলিকতাত থকা তিনি বছৰ কালত ঢেঁকিয়াল ফুকনে নিজৰ দেশৰ আৰু মাতৃ ভাষাৰ দৈন্যৰ কথা মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিছিল। গতিকে শিক্ষা সাং কৰি অসমলৈ ঘূৰি অহাৰ পিছত ঢেঁকিয়াল ফুকনে ছদ্ম নামত 'অৰুণোদয়'ত আত্ম প্ৰকাশ কৰিছিল। অসমীয়া ভাষাৰ স্বকীয়া অস্তিত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰতিপাদন

কৰিবলৈ ঢেঁকিয়াল ফুকনে কাৰ্য্যকৰী পন্থা বাছি ললে। তেখেতে ছাত্র-ছাত্রীৰ বাবে 'অসমীয়া লৰাৰ মিত্র' নাম দি দুছোৱা কিতাপ প্রকাশ কৰিলে। ভাষাৰ শব্দৰাশি সংগ্রহ কৰি অসমীয়া-ইংৰাজী আৰু ইংৰাজী-অসমীয়া অভিধান লিখিলে (দুৰ্ভাগ্য যে অভিধান প্রকাশ নহ'ল)। জটিল শাসন কাৰ্য্যৰ পৰা ন্যায় বিচাৰলৈকে, ঘৰুৱা কথা-বতৰাৰ পৰা উচ্চ দাৰ্শনিক চিন্তালৈকে সকলো প্রকাৰ ভাৱ প্রকাশৰ বাবে অসমীয়া ভাষাৰ বাক্য-ৰীতি যে সবল আৰু শব্দ-সম্ভাৰ পৰ্য্যাপ্ত তাকে প্রমাণ কৰিবলৈ ঢেঁকিয়াল ফুকনে বিবিধ বিষয়ৰ একোছোৱা গদ্য অসমীয়ালৈ ভাঙি তেখেতৰ 'এজন দেশীয় লোকৰ অসমীয়া ভাষা সম্পৰ্কে মন্তব্য' (এ ফিউ ৰিমাৰ্কচ অন্ দি এছ্‌মিজ্ লেন্‌গুৱেজ্ বাই এ নেটিভ্) নামৰ তথ্য বহুল পুস্তিকাত সন্নিবিষ্ট কৰিছিল। এই পুস্তিকাখনি প্রকাশ হয় ১৮৫৬ খৃষ্টাব্দত।

অসমৰ শাসন-ব্যৱস্থা আদিৰ তদন্ত কৰিবলৈ অহা মিল চাহাবৰ ঢেঁকিয়াল ফুকনে দিয়া লিখিত বিবৰণে মিলচ্ ৰিপ'ৰ্টৰ পৰিশিষ্ট ৰূপে ঠাই পাইছিল। প্রায় কুৰি বছৰ কাল মূক হৈ থকা অসমীয়া ভাষা ঢেকা ঢেঁকিয়াল ফুকনৰ কণ্ঠত প্রথমে ধ্বনিত হ'ল বুলি ক'ব পাৰি। যদিও ঢেঁকিয়াল ফুকন ১৮৪৭ খৃষ্টাব্দত গ্রটিছ চৰকাৰৰ কামত সোমায় আৰু মৃত্যুৰ সময়লৈকে (১৮৫৯ খৃঃ ১৬ জুন) চৰকাৰৰ বিবিধ দায়িত্ব বহন কৰি থাকে তথাপি তেখেতে অসমীয়া ভাষা-সাহিত্য সম্পৰ্কে ছাত্র জীৱনত আৰম্ভ কৰা ব্ৰতৰে এয়া উত্তৰ সাধনা বুলি ধৰিব পাৰি।

অসমীয়া ভাষাৰ আৱশ্যকীয় স্বীকৃতি আৰু যথাযোগ্য স্থান নোহোৱাৰ প্রতিক্রিয়া বিভিন্ন ৰূপে প্রকাশ হৈছিল। বিশেষকৈ সেই যুগৰ অসমীয়া ছাত্রসকলৰ মনত আত্মপ্রত্যয় আৰু আত্মগৰিমাতো ই আঘাত কৰিছিল আৰু তাৰ ফল শিক্ষাক্ষেত্রত বিষময় হৈছিল। এনে বেমেজালিৰ বাবেই ১৮৩৫ খৃষ্টাব্দতে অসমত জিলা স্কুল স্থাপন হোৱা সত্ত্বেও আৰু কলিকতা বিশ্ববিদ্যালয় স্থাপনৰ আগৰে পৰা অসমীয়া ছাত্র কলিকতালৈ পঢ়িবলৈ গৈ থকাতো ১৮৯৭ চনলৈকে কোনো অসমীয়া ছাত্র এম, এ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। অসমীয়া ছাত্রৰ মেধা আৰু প্রতিভা কম বাবে এনে হোৱা নাছিল—হৈছিল সুবিধা নোহোৱা বাবেহে, শিক্ষা ক্ষেত্রৰ বেমেজালিৰ বাবেহে।

১৮৭২ খৃষ্টাব্দত কেম্প্‌বেল চাহাবৰ দিনত অসমীয়া ভাষাই অসমৰ পঢ়াশালি আৰু আদালতৰ ভাষা ৰূপে স্বীকৃতি পালে সঁচা কিন্তু কাৰ্য্য-ক্ষেত্ৰত বিশেষ পৰিৱৰ্ত্তন নহ'ল। পূৰ্ব্বাৱস্থাৰ প্ৰতিধ্বনিয়েই বহু দিনলৈ থাকি গ'ল। .

অৱস্থাৰ এই ৰূপটো উপলব্ধি কৰিলে কলিকতা প্ৰৱস্থুৱা অসমীয়া ছাত্ৰসকলে। উপলব্ধিৰ প্ৰেৰণা যোগাইছিল ঢেঁকিয়াল ফুকনৰ খোজতে খোজ দিওঁতা গুণাভিৰাম বৰুৱাদেৱৰ সাহিত্যিক কাৰ্য্য-কলাপে আৰু 'হেমৰ কোষেৰে ভাষাৰ ওখ দৌল বান্ধি ভাষাক সাৰথি কৰি, মুমাৱলগীয়া অসমীয়া নাম' জিলিকাই ৰখা ৺হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ নিৰলস সাহিত্য সাধনাই। কলিকতা প্ৰৱস্থুৱা অসমীয়া ছাত্ৰ কেইজনমানে কোনোবা এদিন (১৮৮৮খৃঃ) চাহ খোৱা মেলত কথা চোবাওঁতেই 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' নামে এখন সভাৰ কথা চিন্তা কৰিলে। যি সময়ত (১৮৮৫ খৃঃ) ভাৰতৰ কেইজনমান চিন্তাশীল লোকে জাতীয় উন্নতিৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম দিছিল, ঠিক প্ৰায় সেই সময়তে অসমীয়া ছাত্ৰ কেইজনৰ অন্তৰত অসম আৰু অসমীয়াৰ উন্নতিৰ মূল স্বৰূপে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কথাই তোলপাৰ লগাইছিল। স্বৰূপতে এই দুই চিন্তাধাৰাৰ প্ৰকৃতি একে—আকৃতি অৰ্থাৎ উপলক্ষ আৰু প্ৰকাশহে বেলেগ ৰূপত।

সেই সময়ত ভাৰতত কোনো প্ৰকাৰৰ নিশ্চিত ৰাজনৈতিক চিন্তাধাৰাৰ সোঁত বোৱা নাছিল। ৰাজনৈতিক চেতনা আছিল সঁচা কিন্তু সি সুনিশ্চিত ৰূপ লোৱা নাছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল যদিও জনপ্ৰিয় হৈ উঠা নাছিল। গতিকে এনে অৱস্থাত অসমীয়া ছাত্ৰৰ প্ৰগতিশীল আৰু কাৰ্য্যপ্ৰৱণ চিন্তাধাৰা স্বাভাৱিকতে অনিশ্চিত ৰাজনীতিৰ পৰা নিশ্চিত ভাষা-সাহিত্যৰ ক্ষেত্ৰলৈ ঢাল খাইছিল। গতিকে ভাষা-সাহিত্যৰ এই আলোড়ন বা কাৰ্য্যক্ৰম, সামান্য সঙ্কীৰ্ণ বা ভাৱপ্ৰৱণতাপূৰ্ণ বুলি ধৰিলে ভুল কৰা হ'ব। ইয়ো আছিল তেতিয়ালৈকে স্বপ্নমগ্ন (নিদ্ৰামগ্ন নহয়) হৈ থকা বিৰাট জাতীয় আন্দোলনৰ অন্ত এটি কাল মাথোঁ। পৃথিৱীৰ বুৰঞ্জীৰ পাত মোকলাই চালে এনে দৃষ্টান্ত বহুত ওলাব। আয়াৰলণ্ডৰ জাতীয় জাগৰণো আৰম্ভ হৈছিল আয়াৰলণ্ডৰ ভাষা-সাহিত্যক কেন্দ্ৰ কৰি।

কলিকতাত 'অসমীয়া ভাষা-উন্নতি সাধিনী সভা'ৰ প্ৰথম অধিবেশন ১৮৮৮ খৃষ্টাব্দৰ ২৫ আগষ্ট তাৰিখে হৈছিল। এই অধিবেশনৰ আলোচনাৰ মাজেদি বিভিন্ন চিন্তাধাৰা সংহত হৈ নিৰ্দ্দিষ্ট পথেদি আগবাঢ়িল। তাৰ ফল স্বৰূপে 'জোনাকী' নামৰ আলোচনীখনে জন্ম লাভ কৰিলে। জোনাকীৰ যোগেদি অসমীয়া ছাত্ৰই অসমীয়া ভাষাৰ উন্নতি সাধন আৰু সাহিত্য চৰ্চ্চাৰ বাট সকলোলৈকে মুকলি কৰি দিলে। অসমীয়া সাহিত্যৰ সেৱা সেই কালৰ অসমীয়া ছাত্ৰৰ কাৰণে পঢ়া-শুনাতকৈও ডাঙৰ হৈ পৰিছিল। ৺বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই লিখিছে যে জোনাকীলৈ প্ৰবন্ধ লিখি আৰু পঢ়া-শুনাৰ ক্ষতি নকৰে বুলি অভিভাৱকৰ ওচৰত প্ৰতিশ্ৰুতি দিহে তেখেতে এবাৰ কলিকতাত পঢ়িবলৈ যাব লগা হৈছিল। অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা (কেনে দীঘলীয়া নাম) ৰ শাখা-প্ৰশাখা অসমতো ঠায়ে ঠায়ে হৈছিল আৰু সেইবিলাকতো প্ৰতিষ্ঠাৰ গুৰিতে আছিল ছাত্ৰসকল। এই শাখা সভাবোৰেও অসমীয়া সাহিত্যৰ উন্নতিৰ বৰঙনি যোগাইছিল। অ, ভা, উ, সাৰে ৰূপান্তৰ হ'ল কলিকতাত এ, এছ, এল, ক্লাব। অসমৰ তেজপুৰ আদিত অ, ভা, উ, সা, একে নামেৰেই থাকি গ'ল।

বিংশ শতিকাৰ প্ৰথম বছৰতে গুৱাহাটীত কটন কলেজ স্থাপন হ'ল। লগে লগে কলিকতা প্ৰৱসুৱা অসমীয়া ছাত্ৰৰ সংখ্যাও কমি আহিল। তাৰ ফল স্বৰূপে সাহিত্য সাধনাৰ কেন্দ্ৰও কলিকতাৰ পৰা গুৱাহাটী-লৈ কাৰ্য্যতঃ স্থানান্তৰিত হ'ল। কলিকতাৰ এ, এছ, এল ক্লাবৰ আৰ্হিৰে গুৱাহাটীতো ১৯০৩ চনত এ, এছ, এল ক্লাবৰ প্ৰতিষ্ঠা হ'ল। এই তিনিওটি অনুষ্ঠানৰ উমৈহতীয়া কাৰ্য্যসূচী নাছিল যদিও উদ্দেশ্য আৰু কাৰ্য্য-পদ্ধতি একে আছিল। এই তিনিওটি অনুষ্ঠানে নিজা পদ্ধতিৰে কিছু কিছু কাম কৰিছিল কিন্তু গোটেই অসম জুৰি বা গোটেই অসমৰ ছাত্ৰশক্তিক একত্ৰ কৰি কাম কৰাৰ সুযোগ তেতিয়াও হোৱা নাছিল।

১৯১৬ চন। গুৱাহাটীৰ কেইজন মান ছাত্ৰই সেই সময়ত গুৱাহাটীত বহা অসম 'এডুকেছনেল কনফাৰেঞ্চ'লৈ অহা শিক্ষাবিদ্‌সকলক নিমন্ত্ৰণ কৰি নবীন বৰদলৈ হলত (কাৰ্জ্জন হল) এখন সভা পাতি সমূহীয়া ছাত্ৰ অনুষ্ঠান গঢ়াৰ পৰামৰ্শ লয়। শিক্ষাবিদ্‌সকলৰ পৰামৰ্শ বেলেগ বেলেগ হোৱাত ছাত্ৰসকলে কোনো সিদ্ধান্ত নাপালে।

শিক্ষাবিদ্সকলৰ অনুকূল-প্ৰতিকূল মতে ছাত্ৰসকলৰ উৎসাহত চেঁচা পানী ঢালিলে যদিও গুৱাহাটীৰ একতা সভাত আকৌ উৎসাহৰ জোৱাৰ উঠিল। কলিকতাৰ এ, এছ, এল, ক্লাবৰ সদস্যসকলে বিহাৰ ছাত্ৰ সম্মিলনৰ কথাৰে অসমৰ ছাত্ৰসকলক উদগনি দিলে। ছাত্ৰসকলৰ এখন সভা পাতিবৰ বাবে অভ্যৰ্থনা সমিতি গঠিত হ'ল আৰু ৺চন্দ্ৰনাথ শৰ্ম্মাদেৱ অভ্যৰ্থনা সমিতিৰ সম্পাদক নিৰ্ব্বাচিত হ'ল। ১৯১৬ চনৰ ২৫ ডিচেম্বৰ তাৰিখে গুৱাহাটী নগৰত অসম এচোছিয়েচনৰ সভামণ্ডপত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত "অসমীয়া ছাত্ৰৰ সাহিত্য সম্মিলনী"ৰ প্ৰথম অধিবেশন বহিল।

'অসমীয়া ছাত্ৰৰ সাহিত্য সম্মিলনী' নামৰ ঠাইত নতুন নাম হ'ল 'অসম ছাত্ৰ সম্মিলন'। অসমৰ সকলো ছাত্ৰৰ এইখনেই প্ৰথম অনুষ্ঠান। ছাত্ৰসকলৰ সমূহীয়া অনুষ্ঠান সাহিত্য সাধনাৰ উদ্দেশ্যেহে আৰম্ভ হৈছিল; কিন্তু প্ৰথম অধিবেশনতে নাম সলনি হৈ ইয়াৰ উদ্দেশ্য আৰু কাৰ্য্যক্ৰমো বিস্তৃত হৈ পৰিল। প্ৰথম অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক ৺চন্দ্ৰনাথ শৰ্ম্মাদেৱে প্ৰতিবেদনত উল্লেখ কৰা কেইটামান কথাত সেই সময়ৰ ছাত্ৰসকলৰ সমূহীয়া চিন্তাৰ প্ৰতিধ্বনি শুনা যায়।

"………প্ৰকৃত কামৰ ভিতৰতো ছাত্ৰৰ কৰিবলৈ বহুত আছে। পুৰণি পুথি সংগ্ৰহ, অসমীয়া বৰগীত, দেহ বিচাৰৰ গীত, গৰখীয়া গীত, আই নাম, বিয়া নাম, ধাই নামবোৰ সংগ্ৰহ কৰি প্ৰকাশ কৰিলে আমাৰ সাহিত্যৰ নতুন অধ্যায় সৃষ্টি হ'ব।……আমাৰ ইতিহাস আৰু প্ৰত্নতত্বৰ বিষয়েও ছাত্ৰসকলে ইচ্ছা কৰিলে যথেষ্ট কৰিবলৈ আছে।"

১৯১২ চনত অসমৰ পুৰাতত্ত্ব গৱেষণাৰ বাবে গুৱাহাটীত কামৰূপ অনুসন্ধান সমিতি স্থাপন হয়। অনুসন্ধান সমিতিৰ কাৰ্য্যকলাপে কোনো কোনো ছাত্ৰৰ মন সম্ভৱ পুৰাতত্বৰ ফালে ঢাল খুৱাইছিল। সেই বাবেই সাহিত্যৰ লগতে পুৰাতত্বয়ো ঠাই পাইছিল। প্ৰকৃততে ইয়ো দেশাত্মবোধৰে প্ৰকাশ।

গোটেই অসমৰ ছাত্ৰসকলৰ মাজত পৰস্পৰ ভাব বিনিময়ৰ দ্বাৰা সৌহাৰ্দ্দ সৃষ্টি কৰাটো সম্মিলনৰ অন্যতম উদ্দেশ্য বুলি শৰ্ম্মাদেৱে প্ৰতিবেদনত উল্লেখ কৰিছিল। লগতে তেখেঁতে কৈছিল—"মাতৃভাষাৰ প্ৰতি স্নেহ, স্বদেশৰ প্ৰতি প্ৰেম সকলে পৰা শিকিব লাগে।"

নানা উপদেশপূৰ্ণ কথাৰ লগতে সভাপতি বেজবৰুৱা ডাঙৰীয়াই কৈছিল—"আমাৰ মাতৃভাষা আৰু সাহিত্যসেৱাৰ নিমিত্তে এই দল ডেকাই আহাগুধীয়া ভাৱে লাগিব লাগিব, তেহে আমাৰ মাতৃভাষাৰ আৰু সাহিত্যৰ দাৰিদ্ৰ্য গুচিব। বিশ্ববিদ্যালয়ৰ বি-এ, আই-এ পৰীক্ষাত কোৰ্চ বা টেক্সট্ বুক হ'বৰ উপযোগী কিতাপ বা সংগ্ৰহ আজিলৈকে হোৱা নাই। এই কালে আমাৰ এই দলৰ ডেকাসকলৰ দৃষ্টি আকৰ্ষণ কৰোঁ।"

অসম ছাত্ৰ-সন্মিলনৰ তৃতীয় অধিবেশনৰ সভাপতি ৺পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াই সন্মিলনৰ ৰূপ পৰিৱৰ্ত্তনৰ কথা এইদৰে উনুকিয়াইছে, "এই সন্মিলনৰ পোনপ্ৰথম অধিবেশন গুৱাহাটীত যেতিয়া হয়, তেতিয়া আমাৰ এই বিশ্বাস হৈছিল যে সেইখন অসমীয়া সাহিত্য সন্মিলনী। তাত নবীন আৰু প্ৰবীন সকলো সাহিত্যিকৰ যোগ থাকিব।...... বাস্তৱতে পোনেই এনে ভাৱেহে আমি ইয়াৰ সন্দেহ পাওঁহক। এই অধিবেশনৰ পিছতে আচল তত্ত্ব পোৱা হয় যে সেই সন্মিলন স্বকীয়াকৈ ছাত্ৰসকলৰহে। তাত অভিভাৱক বা ছাত্ৰশ্ৰেণীৰপৰা বাদ পৰা বা বাজ হোৱা দলৰ ভাগ নাই। তাত এইবিলাকৰ সহানুভূতি মাথোন থাকিব আৰু তাত সাহিত্য চৰ্চ্চাৰ এদনীয়া দাও নাই, মাথোন ছাত্ৰ-সকলৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰাৰ উদ্দেশ্যৰ যোগ থাকিব।"

গোহাঞি বৰুৱা ডাঙৰীয়াই ছাত্ৰ-সন্মিলনৰ নিয়মাৱলীত থকা "এই সন্মিলনত কোনো ৰাজনৈতিক আলোচনা হব নোৱাৰে" কথাৰো সমালোচনা কৰি ৰাজনৈতিক আলোচনা হোৱাটো বাঞ্ছনীয় বুলি কৈছিল। ছাত্ৰ সন্মিলনৰ ত্ৰয়োদশ অধিবেশনৰ সভাপতি দেশভক্ত তৰুণৰাম ফুকন আৰু চতুৰ্দ্দশ অধিবেশনৰ সভাপতি শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱেও ৰাজনীতি আলোচনা কৰা দোষণীয় নহয় বুলি মত প্ৰকাশ কৰিছিল।

প্ৰথম অধিবেশনতে অসম ছাত্ৰ সন্মিলনে সাহিত্য সেৱাৰ বাহিৰেও বহুত বিষয় সামৰি লৈ উদ্দেশ্য ব্যাপক কৰিছিল যদিও সাহিত্যসেৱা আৰু সাহিত্য-চৰ্চ্চাই সকলোতকৈ প্ৰধান আছিল। প্ৰথম অধিবেশনৰ পৰা চতুৰ্দ্দশ অধিবেশনলৈকে অসম ছাত্ৰ সন্মিলনে গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ আৰু অধিবেশনৰ কাৰ্য্য-বিৱৰণীত এবাৰ চকু ফুৰালে নিঃসন্দেহে বুজা যায় যে অসমীয়া সাহিত্য সম্পদশালী কৰিবলৈ ছাত্ৰ সন্মিলনে সমূহীয়া ভাৱে চেষ্টা কৰাৰ লগতে সন্মিলনে ব্যক্তিগত প্ৰচেষ্টাতো উদগনি

দিছিল। ছাত্র সম্মিলনৰ অধিবেশন উপলক্ষে প্ৰকাশ কৰা ‘সম্মিলন প্ৰবন্ধাৱলী’ত প্ৰকাশ হোৱা প্ৰবন্ধসমূহত অধ্যয়ন, চিন্তা আৰু অধ্যৱসায়ৰ পৰিচয় পোৱা যায়। ইয়াৰে দুই চাৰিটা প্ৰবন্ধৰ কালজয়ী মূল্যও আছে। লগতে সম্মিলনে বিজ্ঞান বিষয়ক গ্ৰন্থ ৰচনাৰ বাবে পুৰস্কাৰ ঘোষণা কৰিছিল, পুৰস্কাৰ দিছিলে। বিজ্ঞান, স্বাস্থ্য, বাণিজ্য আৰু সাহিত্য বিষয়ক পুথি বিনামূলীয়াকৈ বিতৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ উল্লেখযোগ্য।

অসমীয়া ছাত্ৰৰ প্ৰথম প্ৰচেষ্টাত ‘জোনাকী’ প্ৰকাশ হয়। জোনাকীয়ে কৰা অসমীয়া সাহিত্যৰ সেৱা চিৰদিন অবিস্মৰণীয় হৈ থাকিব। তাৰ বহুত দিনৰ পিছত অসম ছাত্ৰ সম্মিলনৰ কেইজনমান উৎসাহী কৰ্ম্মীয়ে প্ৰথমে ‘জন্মভূমি’ নামে এখন আলোচনী উলিয়ায, কিন্তু এইখন ছাত্ৰ সম্মিলনৰ স্বীকৃত আলোচনী নোহোৱা বাবে ছাত্ৰ সম্মিলনে ‘মিলন’ প্ৰকাশ কৰে। ‘মিলনে’ অসমীয়া ছাত্ৰছাত্ৰীসকলক সাহিত্যসেৱাৰ সুযোগ দিয়াৰ উপৰিও জাতীয় ঐক্য আৰু উন্নতিৰো বাট দেখুৱাইছিল।

‘ভাষণমালা’ৰ ভাষণকেইখন সংগ্ৰহ আৰু সম্পাদনা কৰিছে অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱে। সম্পাদনা কামৰ বাহিৰেও ভাষণমালাৰ প্ৰকাশন সম্পৰ্কীয় বিবিধ কাম তেখেতে কৰিছে। প্ৰকাশন পৰিষদৰ পক্ষৰ পৰা শ্ৰীযুত হাজৰিকাদেৱলৈ ধন্যবাদ জনালোঁ।

ছাত্ৰ সম্মিলনৰ সভাপতিসকলৰ আলোকচিত্ৰ [কট’] কেবাগৰাকী সদাশয় লোকে আৰু অনুষ্ঠানে ছপাবলৈ দি সহায় কৰিছে। সেই সকলোৰে ওচৰত ঋণ স্বীকাৰ কৰিলোঁ। নানা কাৰণত একে শব্দৰে বেলেগ বেলেগ আখৰ জোটনি ভাষণমালাৰ দুই এঠাইত থাকি গ’ল। ভাষণমালাই সকলোৰে সমাদৰ পাব বুলি আশা ৰাখিছোঁ।

১ ডিচেম্বৰ ১৯৬০
 গুৱাহাটী

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
 সচিব, প্ৰকাশন পৰিষদ, অসম

নৱম বছৰ 'মিলন'ৰপৰা

* * *

"এইখিনিতে কথা এষাৰ খুলি ক'বৰ মন গৈছে—অৰণ্যে বেজবৰুৱাহে। ছাত্ৰ সম্মিলনৰ কোনো বিপৰ্য্যয় হোৱাটো ভাল কথা নহয় আৰু 'মিলনৰ' গাতো সেই বিপৰ্য্যয়ৰ হেঁচা পৰাটো উচিত নহয়। বুঢ়াৰ চকুত চলিছাই ধৰে, মনত মলিয়ে কবাল বান্ধে, কামত সোৰোপালিয়ে গোট বান্ধে। কলত বুঢ়াই ৰাতি হ'লে জুহালৰ কাষত বহি সাত হাল বায়,—যদিও দিনত বুঢ়াৰে সৈতে এহালৰো দেখা-সাক্ষাৎ নাই। বয়সীয়া বুঢ়া বা আদহীয়াৰ সম্মিলন, সঙ্ঘ, সভা-সমিতিক, এলাহ জড়তা, দীনতাৰ বুঢ়া ভালুকে কামুৰি ধৰাটো মই বুজিবলৈ টান নাপাওঁ কিন্তু ক-কৰাই বাঢ়ি অহা ন বাঢ়নি পানী যেন ছাত্ৰ সমাজৰ উদ্যম, উৎসাহ আৰু কাৰ্য্যত বুঢ়া ভালুকৰ তো কথাই নাই, বাটত তাক ভূত, প্ৰেত, ৰাক্ষস, পিশাচে আগুৰি ধৰাটো অকল অস্বাভাৱিকেই নহয়—.ক'লেপাও। ছাত্ৰসকলৰ 'সম্মিলন' আৰু 'মিলন' ন পানীৰ ধাৰ নিছিগা যোগান হোৱাটোহে আশানুৰূপ কাৰ্য্য। চামে চামে ছাত্ৰৰ প্ৰৱাহ গৈ থাকিব, আহি থাকিব আৰু তেওঁলোকৰ উদ্যম নৱনৱোন্মেষিত ভাবৰ কাৰ্য্য প্ৰখৰ বেগেৰে বৈ গৈ থাকিব আৰু তাৰ বিপুল সোঁতে অসমৰ দুই কূল জীপ দি গোটেই অসমক জকমকীয়া কৰি ৰাখিব, এইটোহে স্বাভাৱিক। তাৰ ওলোটাটো অস্বাভাৱিক অকাল বৃদ্ধত্ব আৰু সেই বাবে যদি কোনেও নিজৰ দোষ গাত পাতি নলয় তেন্তে বিচাৰকসকলে ক'ব—এইটো 'খোদাৰ গজপ'। এতেকে কোৰাণ ক'ত?—এই বিষয়ে ছাত্ৰ-ছাত্ৰী, অছাত্ৰ-অছাত্ৰী সকলোৰে দ-কৈ ভাবিবৰ বিষয়। ফুলতে বাঁৰী, দুপতীয়াতে পোক, তিনিপতীয়াতে শুকান পাত ভয়ঙ্কৰ ব্যাপাৰ। এনেকুৱা অৱস্থাই দেশৰ ভৱিষ্যতৰ ঘোৰ অন্ধকাৰহে সূচায়। এতেকে ছাত্ৰসকলে এই কথা দকৈ ভাবি চাই চলাটো ভাল। হে ঈশ্বৰ! দুখুনী আইৰ শুকান মুখৰ কালে এবাৰ চকু মেলি চোৱাঁ! আমাৰ চকল ডেকাসকলৰ হৃদয়ত অসম মাতৃৰ সেৱা কৰিবলৈ দুৰ্দ্দান্ত প্ৰতাপৰ বল দিয়া।"

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

মিলন (৯ম বছৰ, ১ম সংখ্যা)

নিবেদন

অসম ছাত্ৰ সম্মিলনৰ জন্ম হৈছিল আমাৰ চকুৰ আগতে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত—১৯১৪ চনত, গুৱাহাটীৰ লতাশিল খেলমাটিত। আমি আছিলোঁ তেতিয়া ইংৰাজী স্কুলৰ নিচেই তল শ্ৰেণীৰ ছাত্ৰ। আলেঙে-আলেঙে সেই ছাত্ৰ সম্মিলনৰ প্ৰথম অধিবেশনৰ কাৰ্য্যাৱলী চাইছিলোঁ। সভাৰ শেষত সেই সময়ৰ এজন বিখ্যাত অসমীয়া পুথিপ্ৰকাশক বৰপেটাৰ ৺লোহিতচন্দ্ৰ ভূঞাদেৱে সৰু ল'ৰা-ছোৱালীবিলাকৰ মাজত বিলাই দিয়া ফুলনি, নিচুকনি, পুৰী-ভ্ৰমণ আদি খনচেৰেক পুথি ৰথযাত্ৰাত দলিয়াই দিয়া আম-কঠাল বুটলি লোৱাৰ নিচিনাকৈ বুটলি লৈছিলোঁ। দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মাদেৱে পঢ়া আদৰণি ভাষণ, ডেকাফুকন মহেন্দ্ৰনাথৰ কবিতা, আবৃত্তি, নিশা সেই উপলক্ষে পতা কুমাৰ ভাস্কৰৰ 'ভাগ্য-পৰীক্ষা'ৰ অভিনয়ত শ্ৰীযুত জগতচন্দ্ৰ বেজবৰুৱাদেৱৰ পানীৰামৰ ভাও আজিও আমাৰ চকুৰ আগতে যেন ভাহি আছে। তদুপৰি আমাৰ সাহিত্যৰ বিৰাট পুৰুষ বেজবৰুৱা ডাঙৰীয়াকে প্ৰমুখ্য কৰি সাহিত্যিক ৰথী-মহাৰথীসকলক সোঁ-শৰীৰে দেখা পাই তেতিয়া যে আমাৰ শিশু মনত এনে ভাল লাগিছিল—সেই কথা সুঁৱৰিলে আজিও সিৰাই সিৰাই আনন্দৰ শিহৰণ বৈ যাব খোজে। তাৰ পিছত ক্ৰমে বছৰে বছৰে সেই চালুকীয়া ছাত্ৰ সম্মিলনখনি দোপতদোপে বাঢ়ি আহিবলৈ ধৰিলে। আমিও ক্ৰমাৎ তাৰ ওচৰ চাপি যাবলৈ সুবিধা পালোঁ। অৱশেষত আমাৰ কলেজীয়া জীৱন সাং হোৱাৰ লগে লগে ১৯২৮ চনত ছাত্ৰ সম্মিলনৰ লগত আমাৰো পোন-পটীয়া সম্পৰ্কৰ ছেদ হ'ল। পণ্ডিতপ্ৰৱৰ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱৰ সভাপতিত্বত বহা গোলাঘাটৰ অধিবেশনত আমি 'মিলন' সম্পাদনাৰ ভাৰ শ্ৰীযুত দেবেন্দ্ৰনাথ শৰ্ম্মাদেৱক গতাই দি অব্যাহতি লওঁ। তাৰ পিছৰ অধিবেশনবোৰত ক'ত কি হৈছিল আমি ভালদৰে নেজানো। মুঠতে একেষাৰ কথাৰে ক'ব পাৰি যে তেতিয়াৰ পৰাই অসম ছাত্ৰ-সম্মিলনৰ পূৰ্ব্বৰ সৌষ্ঠৱো বোধকৰোঁ বহুখিনি কমিল।

আমি সম্পৰ্ক ৰখা প্ৰথমৰ পৰা চতুৰ্দ্দশ অধিবেশনলৈকে ভাষণসমূহ আৰু সেই কালছোৱাৰ ইতিবৃত্ত এই ভাষণ-মালাত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ পিছৰ কালছোৱাৰ ৰচনাৰ ভাৰ অনা জনলৈ এৰা হ'ল। ইয়াৰ দ্বাৰা পৰৱৰ্ত্তী কালৰ বৃত্তান্ত আমি উলাই কৰিব খোজা নাই আৰু চতুৰ্দ্দশ অধিবেশনৰ পিছতে অসম ছাত্ৰ সম্মিলনৰ পৰিসমাপ্তি ঘটিল বুলি যেন কোনেও ধৰি নলয়। ভাষণমালাত চৈধ্যজনা সভাপতিৰ মূল্যৱান অভিভাষণখিনিৰ উপৰিও সেই কালছোৱাৰ ইতিবৃত্ত আৰু আদৰণি সমিতিৰ সম্পাদকসকলৰ ভাষণৰ অংশ-বিশেষো এই গ্ৰন্থৰ ওপৰঞ্চিত গাঁথি দিয়া হৈছে। অভ্যৰ্থনা সমিতিবোৰৰ সকলো কেইখন ভাষণ আৰু আন লাগতিয়াল, কাকত-পত্ৰ এতিয়া আৰু বিচাৰি পাবলৈ টান হৈছে। যিখিনি বহু যত্ন কৰি পোৱা গৈছে তাকেই চাই-চিন্তি আগবঢ়োৱা হ'ল। মূল ভাষণসমূহৰ ভিতৰতো এখন অসম্পূৰ্ণ আৰু অধ্যাপক খোদাবক্স চাহাবৰ ইংৰাজী ভাষণখনি শেষ মুহূৰ্ত্ততহে কোনোমতে সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছোঁ—অসম ছাত্ৰ-সম্মিলনৰ অন্যতম গুৰিয়াল শ্ৰীযুত ডিম্বেশ্বৰ নেওগদেৱৰ অনুগ্ৰহত। আন সভাপতি কেইজনাৰ ভাষণৰ দৰে এইখন ভাষণ পুস্তিকাৰ আকাৰত ছপা হোৱা নাছিল আৰু সেই কালৰ কোনো স্থানীয় কাকতত তাৰ সাৰাংশও প্ৰকাশ হোৱা নাছিল। সেই বাবে শ্ৰীযুত নেওগে এই মূল ভাষণখনি প্ৰবন্ধৰ আকাৰত ছপা হৈ ওলোৱা ইংৰাজী আলোচনী এখন সাঁচি নোখোৱা হলে সেই ভাষণ এই গ্ৰন্থত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা নাছিল। কেৱল সিমানেই নহয়—শ্ৰীযুত নেওগে তেখেতৰ সম্পাদনাত ওলোৱা ছাত্ৰ-সম্মিলনৰ মুখপত্ৰ 'মিলন'ত তেতিয়াই ডক্টৰ ভাণ্ডাৰকাৰৰ পুৰণি অভিভাষণখনিৰ অনুবাদ প্ৰকাশ নকৰা হলে সিও আজি দুষ্প্ৰাপ্য হ'লহেঁতেন। মুঠতে নেওগ, তালুকদাৰ-গোস্বামী সম্পাদিত 'জন্মভূমি,' অসম ছাত্ৰ-সম্মিলনৰ মুখপত্ৰ 'মিলন' আৰু 'সম্মিলন প্ৰবন্ধাৱলী'ত এই বহুমূলীয়া ভাষণবোৰ সঞ্চিত হৈ নথকা হলে আজি এই ভাষণমালা আমাৰ দ্বাৰা যুগুত কৰাটো সম্ভৱ নহ'লহেঁতেন। প্ৰথম ভাষণখনি বেজবৰুৱা সম্পাদিত 'বাঁহী' আৰু চন্দ্ৰনাথ শৰ্ম্মাদেৱৰ ভাষণখনি পুৰণি 'আলোচনী'ৰ বুকুৰ পৰা আহৰণ কৰা হৈছে।

আমি ওপৰত নাম লোৱা আলোচনী আৰু পুথি নানা ঠাইৰ পৰা ধাৰলৈ আনি এই সংগ্ৰহ যুগুত কৰিবলগীয়া হৈছিল। সেই কাৰণে

সহায় কৰোঁতাসকলৰ ভিতৰত অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ গুৰিয়াল ডক্টৰ শ্ৰীযুত প্ৰতাপচন্দ্ৰ চৌধুৰী, অসম সাহিত্য-সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী, বিহগী কবি শ্ৰীযুত ৰঘুনাথ চৌধাৰী, 'ইন্দ্ৰধনু'ৰ কবি শ্ৰীযুত ডিম্বেশ্বৰ নেওগ, শ্ৰীমান নন্দ তালুকদাৰ আৰু 'জয়ন্তী'ৰ সম্পাদক শ্ৰীযুত গুৰুেশ্বৰ বৰাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই সকলৰ পৰা সহায় নোপোৱা হলে ভাষণমালাই এই ৰূপত দেখা দিব নোৱাৰিলেহেঁতেন।

সদৌ শেষত আমি অসম প্ৰকাশন পৰিষদৰ সকলো কেইজন গুৰিয়াল-লৈকে অশেষ ধন্যবাদ জনাইছোঁ কিয়নো তেখেতসকলে এই গ্ৰন্থখনি প্ৰকাশন পৰিষদে ল'ব লাগে বুলি একবাক্যে সমৰ্থন নজনোৱা হলে আমাৰ দ্বাৰা এই গ্ৰন্থ প্ৰকাশ কৰাৰ কোনো সম্ভাৱনাই নাছিল। সেই কাৰণে লাভালাভৰ কোনো প্ৰশ্ন নোতোলাকৈ আমি এই গ্ৰন্থখনিৰ সকলো স্বত্ব প্ৰকাশন পৰিষদক আনন্দমনেৰে সমৰ্পণ কৰিবলৈ পাই ভাল পাইছোঁ। আমাৰ নিজা ভুল-ভ্ৰান্তি ৰাইজে মৰমৰ চকুৰে চাব বুলিও আশা কৰিলোঁ। অসমৰ বৰ্ত্তমান আৰু ভৱিষ্যত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পূজনীয় আৰু অগ্ৰজসকলৰ কীৰ্ত্তি-কলাপ নখদৰ্পণৰ দৰে এই ভাষণমালাত চাই লৈ নদনবদন ৰমকজমক সোণৰ অসম গঢ়ি তুলিবলৈ সমৰ্থ হওক—এয়ে আমাৰ ভগৱন্তৰ ওচৰত একান্ত প্ৰাৰ্থনা।

গুৱাহাটী : তপোবন	বিনীত
২৬।১।৬১	শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

সূচী

[সভাপতিসকল]

মূল ভাষণ		পৃষ্ঠা
১। প্ৰথম ভাষণ	ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা	১
২। দ্বিতীয় ভাষণ	কৰ্ণেল পি, আৰ টি গৰ্ডন চি, এচ, আই	২৮
৩। তৃতীয় ভাষণ	পদ্মনাথ গোহাঞি বৰুৱা	৩৫
৪। চতুৰ্থ ভাষণ	আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়	৫৫
৫। পঞ্চম ভাষণ	ডক্টৰ ডি, আৰ, ভাণ্ডাৰকাৰ	৭০
৬। ষষ্ঠ ভাষণ	অধ্যাপক আৰ, আৰ, টমাছ এম, এ, বি, এল	৮৪
৭। সপ্তম ভাষণ	পণ্ডিত হেমচন্দ্ৰ গোস্বামী	১০৫
৮। অষ্টম ভাষণ	দীনবন্ধু চি-এফ এণ্ড্ৰুজ	১২৪
৯। নৱম ভাষণ	কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ বি-এল	১৩৯
১০। দশম ভাষণ	ছাৰ দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰী এম, এ, ডি, এল, চি, আই, ই	১৬৫
১১। একাদশ ভাষণ	ৰেভাঃ জে, জে, এম, নিকলাচ ৰয় পি-এইচ ডি, ডি-ডি-ডি	১৭৯
১২। দ্বাদশ ভাষণ	অধ্যাপক চালাউদ্দিন খোদাবক্স	১৯৮
১৩। ত্ৰয়োদশ ভাষণ	দেশভক্ত তৰুণৰাম ফুকন বাৰ্-এট-ল	২১৮
১৪। চতুৰ্দ্দশ ভাষণ	শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম-এ	২২৬

উপৰঞ্চি

(ক) অভ্যৰ্থনা সমিতিৰ ভাষণৰ অংশ-বিশেষ ঃ

(১) দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মা বি-এল

(২) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম-এ

(৩) শ্ৰীযুত যাদবেন্দ্ৰনাথ ঠাকুৰ বি-এল

(৪) শ্ৰীযুত অমিয়কুমাৰ দাস বি-এ

(৬) শ্ৰীযুত দৈৱচন্দ্ৰ তালুকদাৰ

(৮) শ্ৰীযুত মতিৰাম বৰা এম-এ, বি-এল

(১১) শ্ৰীআলোকচন্দ্ৰ বাজখোৱা বি, এল

(১২) শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা এম-এ, বি-এল, বি-টি

(খ) অসম ছাত্ৰ সন্মিলনৰ চমু ইতিবৃত্ত ঃ

(১) শ্ৰীযুত মোহনচন্দ্ৰ মহন্ত বি-এল

(২) শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা এম-এ, বি-এল, বি-টি

ভাষণমালা

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

ভাষণমালা

প্ৰথম ভাষণ

সভাপতি :— ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

গুৱাহাটী—২৫ ডিচেম্বৰ, ১৯১৬ চন

লগৰীয়া ছাত্ৰ আৰু বন্ধুসকল! পৰমেশ্বৰৰ কৃপাত আমি আজি এই সভাঘৰত গোট খাইছোঁহঁক। তেওঁৰ অশেষ করুণা, যে উদ্যোগী ডেকাসকলৰ মনত তেওঁ খুন্দিয়াই দি অসমত প্ৰথম এই ছাত্ৰসকলৰ মহাসভা, তেওঁলোকৰ দ্বাৰাই আহ্বান কৰোৱাইছে। বন্ধুসকল! কাৰ্য্য আৰম্ভণৰ আদিতে আহক, আমি তেওঁৰ চৰণত নমস্কাৰ কৰি প্ৰাৰ্থনা কৰোঁহঁক, যেন আমাৰ সভাৰ সকলো কাৰ্য্য সুফলমে সম্পাদিত হয়।

মই পোন প্ৰথমতে একে আষাৰেই কওঁ যে এই আসন গ্ৰহণ কৰিবৰ যোগ্যতা মোৰ সমূলি নাই। সেইটো মই বঢ়িয়াকৈ জানিও যে তালৈ নিৰ্ভয়ে আহিছোঁ, তাৰ কাৰণ—আপোনাসকলৰ একান্ত ইচ্ছা আৰু অনুৰোধ আৰু মোৰ প্ৰতি মৰম। মোলৈ আপোনাসকলৰ মৰম আৰু দয়া যে অধিক সেইটো মই বুজিছোঁ, নহলে নিশ্চয় মোৰ অযোগ্যতাৰ ফালে আপোনাসকলৰ চকু পৰিলহেঁতেন আৰু এনে গুৰুভাৰ মোৰ ওপৰত আপোনাসকলে কেতিয়াও অৰ্পণ নকৰিলেহেঁতেন। আজি ত্ৰিশ বছৰ মই অসম মাতৃৰ কোলা এৰি বিদেশত থাকি একপ্ৰকাৰ বিদেশী হৈ পৰিছোঁ; এনেস্থলতো যে আপোনাসকলে এই নিঃকিনলৈ নাপাহৰি, বিদেশৰ এচুকত নগণ্যভাৱে পৰি থকা এই অধম অযোগ্য ভাইক মৰমৰ জৰীৰে টানি আনি এনে সন্মানৰ আসনত বহুৱাইছে, সেইটোৱেই আপোনা-সকলৰ কেনে উদাৰ হিয়াৰ চিনাকি দিছে, সেই কথা আপোনাসকলে মন

কৰি চাইছে নে নাই কব নোৱাৰোঁ, কিন্তু কথাটো হলে জল্‌জল্‌ পট্‌পট্‌। আপোনাসকলৰ এই উদাৰতা আৰু মৰম-চেনেহৰ প্ৰতিদান দিবলৈ মোৰ যোগ্যতা নাই সঁচা; কিন্তু অসম আৰু অসমীয়াৰ প্ৰতি শ্ৰদ্ধা, কৃতজ্ঞতা, আৰু উপচি যোৱা প্ৰেম, এই নিঃকিনৰ হিয়াত আছে এইটো হলে ধ্ৰুপ আৰু তাকে সমল কৰি লৈ আজি লাজ নকৰাকৈ আপোনাসকলৰ আগত থিয়ও হৈছোঁ। অসম আয়ে এই সভাক নিমিত্ত কৰি আপোনাসকলৰ হতুৱাই মোক যি আদৰ সাদৰ কৰিছে, সি বাইবেলত লিখা Prodigal Son অৰ্থাৎ অপব্যয়ী অপৰাধী পুত্ৰৰ ইতিহাস মোৰ মনত পেলাই দিছে।

আৰু একাষাৰ কথা এতিয়াই কৈ থওঁ যে, মোৰপৰা যদি কিবা নতুন কথা শুনিব বা কোনো নতুন জ্ঞানৰ শিক্ষা পাব বুলি আপোনাসকলে আশা কৰিছে তেন্তে নিশ্চয় নিৰাশ হব; কাৰণ আপোনাসকলৰ বহুতে মোতকৈ সৰহ লিখা-পঢ়া শিকিছে, সৰহ কিতাপ পঢ়ি সৰহকৈ জ্ঞান উপাৰ্জ্জন কৰিছে, সৰহ বহুদৰ্শিতা লাভ কৰিছে,—যদিও মোৰ বয়স সৰহ। দুখৰ বিষয় এই পৃথিৱীত বয়স-বৃদ্ধিৰ লগে লগে জ্ঞান-বিদ্যাৰ আহল-বহল বৃদ্ধি সকলো লোকতে সদায় নঘটে আৰু দুখৰ বিষয় যে সেইটো আপোনাসকলে বঢ়িয়াকৈ জানে নতুবা আজি পকা চুলিৰে, লুইতৰ চপৰা যেন এই জপৰা মূৰ গহীনকৈ জোকাৰি, নিস্তেজ চকুত তেজাল বিতচকু লগাই, গহীনকৈ আষাৰচেৰেক পলসুৱা কথা কৈ, ভব্য গব্য সভাপতি বোলাই আপোনাসকলৰপৰা হাত-চাপৰি এভাৰমান কিজানি লৈ যাব পাৰিলোঁহেঁতেন। কিন্তু তেনে দুৰাশা নকৰোঁ, কাৰণ কৰিলে সি সফল হবৰ আগন্তুকো নাই আৰু বাস্তৱিক পক্ষত হবৰ সকামো নাই; কিয়নো, এই পৰদেশবাসী অপদাৰ্থ অসমীয়াৰ আকাঙ্ক্ষা তেওঁৰ ভাইসকলৰপৰা ভ্ৰাতৃস্নেহহে, টপ্‌টপ্‌ কৰে শব্দ ওলাই থিতাতে মাৰ যোৱা হাত-চাপৰি নহয়।

বন্ধুসকল! আজি সঁচাকৈয়ে আমাৰ বৰ আনন্দৰ দিন। আমাৰ দেশৰ চাৰিওফালৰপৰা ছাত্ৰসকল আহি একে ঠাইতে গোট খাইছে। যিসকলৰ ওপৰতে অসমৰ ভৱিষ্যত নিৰ্ভৰ; যিসকলেই আজিৰ ছাত্ৰ, কিন্তু কাইলৈ অসম আইৰ মুখ পোহৰ কৰোঁতা গোটেই সৰ্ব্বহ অতি লাগতিয়াল প্ৰজা। একান্তমনেৰে বাগ্দেৱীৰ মন্দিৰত জ্ঞান চৰ্চ্চা কৰোঁতা এই ব্ৰহ্মচৰ্য্য ব্ৰতাৱলম্বী ছাত্ৰসকলৰ উৎসাহদীপ্ত মুখ দেখি এনে কোন আছে যাৰ

হৃদয়ত বিমল আনন্দৰ সোঁত নবলিব? এনে কোন আছে, যি আজিৰ এই সভাঘৰত পুঞ্জীভূত হোৱা প্ৰফুল্ল উদ্যম আৰু প্ৰস্ফুটিত আশা সমষ্টিৰ একে ঠাইতে সমাৱেশ দেখি আৰু তাৰ সংসৰ্গলৈ আহি, নিজেও তেনেৰূপে অনুপ্ৰাণিত হৈ প্ৰদীপ্ত নহব? নিশ্চয়কৈ কৈছোঁ, সংসাৰ চক্ৰৰ শত আঘাতত জৰ্জ্জৰিত ব্যথিত এই বুঢ়াৰ শুকান হৃদয়তো আজি আনন্দৰ ধল আহিছে আৰু ডেকা বন্ধুসকলৰ উৎসাহ-বসন্তৰ বা লাগি এই শুকান গছতো আজি পোখা মেলিছে।

গুৱাহাটীত ষ্টুডেণ্টছ্ কনফাৰেঞ্চ্ বা ছাত্ৰসকলৰ সম্মেলনী কৰিবৰ এই ভাৱ অতি সুন্দৰ ভাৱ আৰু নিশ্চয় এই কাৰ্য্যৰপৰা আগলৈ অনেক সুফল ফলিব। প্ৰথমতেতো ই ছাত্ৰসকলৰ ভিতৰত ভ্ৰাতৃভাৱৰ গুটি সিঁচিবই, তাৰ উপৰি ই তেওঁলোকক একতাৰ বান্ধোনেৰে বান্ধি নিজৰ মঙ্গলকৰ আৰু স্বদেশহিতকৰ কাৰ্য্যলৈ বলৱন্ত কৰি তুলিব। উঠি অহা ছাত্ৰসকলৰ সমৱেত শক্তি বৰ ডাঙৰ শক্তি, সি উপলুঙাৰ পাত্ৰ নহয়। জগতৰ ইতিহাসৰ পাতে পাতে ছাত্ৰসকলৰ সম্মিলিত শক্তিৰ মহাপ্ৰভাৱ জিলিকি আছে। ইটালি, গ্ৰীচ, ৰুছিয়া প্ৰভৃতি দেশৰ উদগতিৰ মূলত প্ৰৱল ছাত্ৰশক্তিয়ে কাৰ্য্য কৰাৰ কথা কোনে নেজানে? অক্সফোৰ্ড, কেম্ব্ৰিজ, ইটন, হেৰোৰ বিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰতেই যে ঘাইকৈ বৃটিছ সাম্ৰাজ্যৰ জনম, চিন্তাশীলসকলে এই কথা স্বীকাৰ কৰিবই লাগিব। আজিৰ সুসভ্য জাপানৰ উদগতিৰ বুৰঞ্জীৰ সোঁতৰ আঁতিগুৰি বিচাৰিলে জাপানৰ বিশ্ববিদ্যালয়ৰ খোটালিত নোলাই নোৱাৰে। পুৰণি চীনৰ টোপনিৰ ব্যাঘাত ঘটাই তাক আজিৰ নতুন চীন কৰি তোলোঁতাসকলৰ গুৰিত ছাত্ৰসকলৰ প্ৰভাৱ। এই কালৰ কথাকে নেলাগে, প্ৰাচীন কাললৈ চকু দিলেও দেখি যে পৃথিৱীৰ ভিতৰত পুৰণি ভাৰতক সকলোৰে নমস্য কৰি তোলোঁতাসকল সেই কালৰ বিদ্যাৰ আলয় তপোবনবাসী, আশ্ৰমবাসী আৰ্য্য ঋষি গুৰু আৰু ছাত্ৰসকল।

কিন্তু ছাত্ৰশক্তি যদিও প্ৰৱল শক্তি, সি সংযত হলহে দেশ-হিতকৰ হয়; নতুবা সি অনৰ্থ উৎপাদন কৰে। প্ৰৱল ভাপ-কল (ষ্টীম্ ইঞ্জিন) সংযত আৰু নিয়মৰ বশীভূত হলেহে তাৰ দ্বাৰাই মহোপকাৰ সাধিত হয় নতুবা অসংযত আৰু উদ্দাম শক্তিপুঞ্জৰদ্বাৰাই অনৰ্থহে সংঘটিত হয়। সংযম দুই ভাৱে হব লাগিব। ব্যক্তি আৰু সমষ্টিভাৱে,

ব্যক্তিগতভাৱে আৰু সমাজগতভাৱে। অৰ্থাৎ উজুকৈ কবলৈ গলে—গাইগোটা ভাৱেও আৰু সৈযা ভাৱেও। গাইগোটা-সংযম ছাত্ৰসকলে দিনৌ সকলো ৰকমে নিজৰ জীৱনত কৰি থকা উচিত। কিন্তু সৈয়া-সংযম আজিৰ এই ছাত্ৰ সম্মেলনীৰ নিচিনা সভা-সমিতিৰ বান্ধোন আৰু শাসনৰ তলতহে ওপজে আৰু বাঢে। ঈশ্বৰে কৰক যেন অসমত প্ৰথম এই ডাঙৰ ছাত্ৰ-সম্মেলনীয়ে অসমীয়া ছাত্ৰসকলৰ ওপৰত সকলো প্ৰকাৰৰ সুপ্ৰভাৱ বিস্তাৰ কৰি তেওঁলোকক ভৱিষ্যতৰ আদৰ্শ নাগৰিক কৰি তোলে।

জগতত সকলো শৃঙ্খলিত সংযত আৰু নিয়মৰ তলতীয়া। উদ্দাম উশৃঙ্খলতালৈ ঈশ্বৰৰ ৰাজ্যত ঠাই নাই। চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰবপৰা গছ লতা পছু পতং আৰু ক্ষুদ্ৰ তিক্ষুদ্ৰ ধূলিকণালৈকে সকলো অখণ্ডনীয় নিয়মৰ বশীভূত হৈ চলিছে। তেন্তে কিয় আমি উদ্দাম অসংযতভাবে চলি নিজৰ আৰু পৰৰ অনৰ্থ ঘটাওঁ আৰু ঈশ্বৰৰ নিয়মৰ বিৰোধী হৈ থিয় হৈ এই জীৱন দুখময় আৰু অসাৰ্থক কৰোঁ?

ছাত্ৰবন্ধুসকল! এইটো মই বিশেষভাৱে আপোনাসকলক কওঁ যে যদি আপোনাসকলে নিজৰ এই মূল্যৱান জীৱন সাৰ্থক কৰি স্বদেশ স্বজাতি আৰু বিৰাট মনুষ্য সমাজৰ উপকাৰত লগাব খুজিছে, তেন্তে ঈশ্বৰবিশ্বাসী হৈ ঈশ্বৰৰ অভিপ্ৰায আৰু নিয়ম-কাৰণৰ প্ৰণালীয়েদি নিজৰ জীৱন ব্যৱস্থিত কৰক; কাৰণ কৰিবই লাগিব, নকৰিলে নচলে। পাহৰিলে নচলিব যে এইটো ছাত্ৰজীৱন গঠনৰ প্ৰথম আৰু ঘাই কথা (ফাৰ্ষ্ট প্ৰিন্সপল)। দুখৰ বিষয় আজিকালি শিক্ষিত ডেকা ছাত্ৰসকলৰ ভিতৰত ভালেমানে এই কথাটোৰ গুৰুত্ব ভালকৈ উপলব্ধি নকৰে আৰু ফলত তেওঁলোকৰ জীৱন নৈৰাশ্যৰ এন্ধাৰৰ ধেমালিৰ পুতলা হয়। এই ডাঙৰ কথাটোলৈ যথোপযুক্ত মন নিদি চলি কত মেধাবী সুন্দৰ ডেকাই অনাহকত পেচিমিষ্ট (দুখবাদী) হৈ নিজৰ দুখ নিজে মাতি আনিছে,—দেখিলে মনত বৰ বেজাৰ লাগে। ঈশ্বৰ "সত্যং শিৱং সুন্দৰম্"। তেওঁৰ ৰাজ্যত অসত্য, অশিৱ, অসুন্দৰৰ আদৰ কিয়? তেওঁ ভূমানন্দ। তেওঁৰ অংশ আমি নিৰানন্দক বৰণ কৰোঁ কি বুলি? তেওঁ অখণ্ড সুখ; তেওঁৰ সন্তান আমি অসুখক আদৰি আনি আমাৰ ৰঙঘৰত বৰপীৰা পাৰি দি বহুৱাই নিজক অসুখী কৰোঁ কোন কাৰণত? আমাৰ লগৰীয়া ছাত্ৰ বন্ধুসকলৰ ভিতৰৰ অনেকে নানা দৰ্শন বিজ্ঞানৰ

শাস্ত্র পঢ়িছে, নানা শ্ৰেণীৰ দাৰ্শনিকসকলৰ অনেক কূটতৰ্কৰ সূক্ষ্ম আলোচনা নিজৰ মনতে, মালিনীয়ে মালা গোথাদি গুথি লৈছে আৰু তেওঁলোকৰ ভিতৰৰ কোনো কোনোজন ফ্ৰেঞ্চ দাৰ্শনিক কম্‌টৰ পদাঙ্ক অনুসৰণ কৰি পজিটিভিষ্ট হৈছে, বিলাতী দাৰ্শনিক হিউম. মিল, আদিৰ মতাৱলম্বী হৈ. সন্দেহবাদী, অজ্ঞেয়বাদী বা নাস্তিকমত সমৰ্থনকাৰী হব খুজিছে,—নহলেও তৰ্কৰ নিমিত্তে তেনে ভাৱ তেওঁলোকে মনত পোষণ কৰিছে। কিন্তু এইটো নিশ্চয় যে তেনে মত বা ভাৱৰ বিষময় ফলৰ কথা তেওঁলোকৰ মনত ভালকৈ এতিয়াও খেলোৱা নাই দেখিহে তেনে বাট তেওঁলোকৰ মনমোহা হৈ পৰিছে। ঈশ্বৰত বিশ্বাসেইহে যে আমাৰ স্বাভাৱিক অৱস্থা, ঈশ্বৰৰ বিহিত নিয়মমতে আৰু ঈশ্বৰৰ অভিপ্ৰায়মতে আমাৰ জীৱন গঠন আৰু পৰিচালনাহে যে আমাৰ সহজ ভাৱ আৰু তাৰ বিপৰীতটো অস্বাভাৱিক, এইটো নুবুজা বা নেদেখাৰ নিমিত্তেহে এনে ভুল বাটে বাট বুলা হয়।

আমি যে এই জ্ঞান বুদ্ধি আৰু শক্তিসম্পন্ন জীৱন পাইছোঁ, কৰপৰা পালোঁ? নিশ্চয় এনে এঠাইৰ আৰু এগৰাকীৰপৰা পাইছো। সি সেই-বোৰৰ অনন্ত, অখণ্ড, ধাৰ নিছিগা ভঁৰাল। জড়, চেতন সকলোৰে গুৰিত এনে এজন আছে, যাৰ পৰা অবিশ্ৰামৰূপে সেইবোৰ আহিব লাগিছে। সেই অনন্ত অব্যয় শক্তিমন্ত পুৰুষে নিৰৱচ্ছিন্নভাৱে সৃষ্টি কৰিব লাগিছে, অমৰ অচৰ বিধি বিহিব লাগিছে। আমাৰ জীৱনৰ প্ৰত্যেক মুহূৰ্ত্তৰ প্ৰত্যেক কামতে সেই জনৰ হাত বৰ্ত্তমান। ক্ষুদ্ৰ বালিচাটী, ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰমাণু এটিও যে নিয়মৰ বহিৰ্ভূত নহয়, সেইটো আমি সততে দেখি আছোঁ। যদি এইটো সঁচা, তেন্তে কাজে কাজেই এইটোও সঁচা নহয় নে যে এই আইন বা নিয়ম কৰোতাজন আৰু এই নানাৰূপে বিকাশিত শক্তিৰ নিয়ন্তাজন, আমি দেখা নিয়ম আৰু শক্তিতকৈ ডাঙৰ? সেইজনকেহেতো আমি পৰমেশ্বৰ বোলোঁ। এখন মহাসমুদ্ৰৰপৰা পানী ওলাই আহি নানা হ্ৰদ তড়াগ হলেও যেনেকৈ সেই হ্ৰদ তড়াগৰ পানী মহাসমুদ্ৰৰ পানীৰে একে, মাথোন আয়তন আৰু পৰিমাণত তাকৰ বা সৰু, সেইদৰে ক্ষুদ্ৰ আমি, সৰু আমি সেই মহান ঈশ্বৰৰপৰা ওলাই আহিছোঁ যদিও তথাপি তেওঁৰে সৈতে একে। আমি ক্ষুদ্ৰাতিক্ষুদ্ৰ সেই বাবে আমাৰ শকতি তেওঁৰ শক্তিৰ তুলনাত ক্ষুদ্ৰাতিক্ষুদ্ৰ হবই। সমুদ্ৰৰপৰা উৎপন্ন হোৱা ক্ষুদ্ৰ হ্ৰদ তড়াগৰ গুৰি

সমুদ্র আৰু সমুদ্ৰৰ পানীৰ প্ৰৱাহেহে সেইবোৰক পূৰাই ৰাখে নতুবা সেইবোৰ শুকাই যাব। সেই দৰে আমাৰ অস্তিত্ব, আমাৰ তেজ সেই মহেশ্বৰৰপৰা সততে পাই থাকিলেহে আমি সুখুৰুৱাকৈ সতেজ হৈ জীয়াই থাকিব পাৰোঁ।

তেনেহলে আমি আমাৰ হৃদয়ৰ দুৱাৰ এনেকৈ মেলি ৰাখিব লাগিব, যাতে সততে সেই পৰমপুৰুষ ঈশ্বৰৰ প্ৰৱাহ আমাৰ ভিতৰলৈ আহি থাকিবলৈ পায়। ঈশ্বৰেৰে সৈতে যে আমি অভিন্ন, আমাৰ গুৰি যে তেওঁ, এই কথা আমি পাহৰিব নেলাগে। কিন্তু এটোপা পানীতকৈ যেনেকৈ মহাসমুদ্ৰ লক্ষ কোটিগুণে শক্তিশালী আৰু মহান, সেইদৰে আমাৰ ঈশ্বৰো যে আমাতকৈ লক্ষ কোটিগুণে ডাঙৰ, সেই-কথাও পাহৰিব নেলাগে আৰু তেওঁৰে সৈতে সততে আমাৰ যোগ ৰাখি তেওঁৰ শক্তি, সামৰ্থ্য, প্ৰেম, করুণা, জ্ঞান, বিদ্যাৰসোঁত আমাৰ ভিতৰলৈ ধাৰ নিছিগাকৈ আহি থাকিবলৈ দিব লাগিব নতুবা আমাৰ আধ্যাত্মিক মৃত্যু নিশ্চিত। এই যোগ ৰাখিবৰ উপায় তেওঁৰ বিহিত নিয়ম বিধি-বিধানেৰে পৰিচালিত হৈ তেওঁৰে সৈতে সদায় আমাক মিলাই ৰখাটোৱেই। পৃথিৱীৰ ভিতৰত যিসকলে মহাপুৰুষ বুলি খ্যাতি লাভ কৰি গৈছে, সেইসকলে এইদৰে নিজৰে সৈতে পৰমেশ্বৰৰ শক্তিৰ প্ৰৱাহৰ মিল ৰাখিহে তেনে কৰিব পাৰিছে। তেওঁলোকে নিজৰ জীৱনৰ দুৱাৰ মুকলি কৰি সেই অনন্ত শক্তিশালীৰ শক্তিৰ সোঁত তালৈ বলাই নি নিজৰ জীৱনকো শক্তিশালী কৰি মহাপুৰুষ বা ঐশ্বৰিক পুৰুষ বা (গড্ মেন্) হৈছে। ঈশ্বৰৰ গুণ আৰু শক্তি সৰহকৈ যি মানুহত বিকশিত হয়, সেই জনেই মহাপুৰুষ বা শ্ৰেষ্ঠ মনুষ্য। অসীম শক্তিশালী অনন্ত ঈশ্বৰৰ অংশ বা সন্তান মানুহৰ শক্তিকো বেটি সীমাবদ্ধ কৰিব নোৱাৰি। সি সুস্থ হৈ থাকিলে, বেৰ ভাঙি ওলাই বিয়পি যাবই। যি যিমান পৰিমাণে পৰমেশ্বৰৰ শক্তিৰ প্ৰৱাহ নিজৰ জীৱনত সোমাবলৈ দিব, সি সিমান পৰিমাণে (গড্ মেন্) ঐশ্বৰিক শক্তিশালী পুৰুষ হব। আমি এই কথা নাভাবি নাজানি, অনাহকত নিজকে সৰু কৰি কোঁচাই লৈহে বাওনা হওঁহঁক। মজাৰ কথা এইটোহে যে আমি যিমান নিজক অক্ষম অপাৰগ মানুহ ভাবি সৰু কৰিম, সিমান আমি সৰু হৈ যাম আৰু যিমান ঈশ্বৰৰ সন্তান বা অংশ আৰু বাস্তৱতে আমাৰ সৈতে তেওঁৰ প্ৰকাৰৰ

কোনো প্রভেদ নাই বুলি ভাবি তেওঁৰে সৈতে আমাৰ সংযোগ আৰু মিল ৰাখিম, সিমান আমি উন্নত হৈ যাম।

ঈশ্বৰক আমি চৰ্ম্ম-চকুৰে দেখিবলৈ নাই পোৱা বুলি যে তেওঁ নাই এনে নহয়। বাস্তৱিক পক্ষত আমি এই জগতৰ নিচেই তাকৰ ভাগ বস্তুহে আমাৰ চকুৰে দেখিবলৈ আৰু কাণেৰে শুনিবলৈ পাওঁ। আজিকালিৰ বিজ্ঞানে (চায়েঞ্চ) বিশেষভাৱে প্ৰমাণ কৰি দেখুৱাইছে যে আমি একপ্ৰকাৰ অন্ধ আৰু কলা। এই চকুৰে নেদেখা আৰু কাণেৰে নুশুনা এনে অনেক বস্তু আছে, যাৰ অস্তিত্বৰ বিষয়ে সন্দেহ নাই। অধ্যাপক জগদীশ বসুৰ প্ৰস্তুত (আৰ্টিফিচেল আই) কলৰ চকুৱে আমাৰ চকুৱে নেদেখা অনেক বস্তু দেখে। আমাৰ কাণে নুশুনা এনে শব্দ ইমান বেছি বিধৰ আছে যে সেইবোৰৰ বিষয়ে শব্দবিজ্ঞানে কোৱা বৃত্তান্ত অৱগত হলে আমি নিজক ধুমকলা নুবুলি থাকিব নোৱাৰো। আমাৰ চকু কাণ আদি ইন্দ্ৰিয় কিমান চোকা তাক জানিবলৈ বিজ্ঞানৰ কাষলৈকে যাব নেলাগে, দিনৌ আগতে ওলাই আছে। এটা কুকুৰে আমাতকৈ ভালকৈ শুনিবলৈ পায়। এটা মেকুৰীয়ে আমাতকৈ ভালকৈ দেখিবলৈ পায়। এইটো আমাৰ ইন্দ্ৰিয়ৰ ক্ষমতা। এতেকে ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে ইন্দ্ৰিয়ক সাক্ষী মানোতা প্ৰত্যক্ষবাদীসকলৰ ভেটি কিমান শকত বুজা গল। বাস্তৱিক পক্ষত প্ৰত্যেক বস্তুৰেই, আমাৰ দৃষ্টিৰ গোচৰ হোৱাৰ আগতে যে দৃষ্টিৰ অগোচৰত তাৰ অস্তিত্ব, তাক নুহ কৰিব কোনে? সৃষ্ট দৃষ্ট পদাৰ্থৰ অস্তিত্ব অদৃষ্ট অৱস্থাত থাকিবই লাগিব নতুবা সি কৰ পৰা দৃষ্ট হবহি? শূন্যৰপৰা শূন্যহে ওলাব পাৰে, অশূন্য বা বস্তু ওলাব নোৱাৰে। দৃষ্ট বস্তু পৰিৱৰ্ত্তনশীল, সেই দেখি অদৃষ্ট বস্তুহে বৰং ৰিয়েল অৰ্থাৎ প্ৰকৃত। মুঠতে চিন অৰ্থাৎ দৃষ্ট বস্তু নেদেখাৰ অৰ্থাৎ অদৃষ্ট বস্তুৰ ক'জ অৰ্থাৎ কাৰণ। থট্ অৰ্থাৎ চিন্তাক কোনেও দেখিবলৈ নেপায়, কিন্তু সিয়েই পৰিব্যক্ত কাৰ্য্য আৰু সিয়েই বস্তুৰ সৃষ্টিকাৰক। বাক্য, চিন্তাৰ বাহিৰৰ পৰিব্যক্তি মাথোন। বাক্যই চিন্তাশক্তিক ব্যৱস্থিত কৰি এটা বিশেষ বাটত পেলায়। চিন্তাবোৰ একো একোটা শক্তি। এইটো বৈজ্ঞানিক সত্য যে “Like attracts like” অৰ্থাৎ সমধৰ্ম্মী বস্তুৱে সমধৰ্ম্মী বস্তুক আকৰ্ষণ কৰে। আমি চকুৰে দেখা জগতত এইটো যেনে সত্য, নেদেখা জগততো এইটো

তেনে সত্যই। সেই দেখি আমাৰ চিন্তা এনে গঢ়লি সুনিৰ্ম্মল, ওখ আৰু পৱিত্ৰ হোৱা আৱশ্যক যে সি যেন নিৰ্ম্মল নিৰঞ্জন ঈশ্বৰৰ thoughts এৰে বিপৰীতধৰ্ম্মী নহৈ সমধৰ্ম্মী হয়। তেনে হলেহে আমাৰ অধঃপতন নহৈ উদগতি হব। সজ চিন্তা, সজ আলাপ সৎসঙ্গ সজ কিতাপ পঢ়া সেই দেখি আমাৰ অতি আৱশ্যকীয়,—কায়বাক্যমনেৰে আৱশ্যকীয় আৰু তেনেহলেহে আমাৰ উন্নতি অনিবাৰ্য্য। তেনেকৈ ইয়াৰ বিপৰীতমুখী জীৱনৰ অধোগতিও অনিবাৰ্য্য। স্পিৰিচুৱেল আধ্যাত্মিক উন্নতিৰ কথা এৰিলেও, শৰীৰ নিকুগীয়া কৰি ৰাখিবলৈ সজ চিন্তা, সজ আৰু উন্নত thought ভাৱ নহলে নহয়। কাৰণ যেনে চিন্তা আমাৰ শৰীৰৰ ভিতৰত সোমাব, সি তেনেকৈ আমাৰ শৰীৰক গঢ়ি নিব। চিন্তাৰে সৈতে যে শৰীৰৰ ঘনিষ্ঠ সম্পৰ্ক, তাক অস্বীকাৰ কৰিবৰ উপায় নাই। ভয়ৰ চিন্তাই গা থৰকবৰক লগোৱা কোনে দেখা নাই? খং আৰু আনন্দ আদিয়ে শৰীৰৰ পৰিৱৰ্ত্তন ঘটোৱা দিনৌ চকুৰ আগৰ ঘটনা। বৰ খঙৰ পিছত মূৰকামোৰণি ৰোগ ভুগা অনেক লোক দেখিছোঁ। হঠাৎ বৰ বেয়া বাতৰি, বৰ শোকৰ কথা শুনি মানুহ বিবৰ্ণ হৈ মূৰ্চ্চা যোৱাটো আপোনাসকলে অনেকে দেখিছে। ডাক্তৰী শাস্ত্ৰত আছে যে তেনে অৱস্থাত মানুহৰ মুখৰ লেলাউটি বিষাক্ত হয়। চেনচুৱেলি তলশ্ৰেণীৰ ৰিপুবিলাকৰ চিন্তাই শৰীৰক অধইচ প্ৰকাৰে উত্তেজিত কৰে। এইবোৰ শৰীৰৰ ওপৰত চিন্তাৰ প্ৰভাৱৰ কথা নহয় নে?

আমাৰ ডেকাসকলৰ বহুতক পেচিমিজিম অৰ্থাৎ জগৎ দুঃখময় বুলি দুঃখবাদক বৰণ কৰা দেখা যায়। সংসাৰত নানা দুঃখ কষ্ট দেখি আৰু নিজেও ভুগি, ঘাইকৈ নিজৰ প্ৰদীপ্ত কল্পনাৰে সেইবোৰকে আৰু বেছিকৈ প্ৰদীপ্ত কৰি যে তেওঁলোকৰ মনৰ ভাৱ তেনে হয়, সেইটো বুজিব পাৰি। কিন্তু এইটো ঠিক যে সেইটো তেওঁলোকৰ অল্পদৃষ্টি বা অদীৰ্ঘদৰ্শিতাৰ ফল। নিজৰ দৃষ্টিক সীমাৱদ্ধ কৰি ললেই অৰ্থাৎ দুঃখবাদলৈ ঠাই ওলায় আৰু সীমা বহলাই সম্পূৰ্ণকৈ চাব পাৰিলেই পোহৰৰ আগত এন্ধাৰ পলোৱাদি অপ্টিমিজিমৰ অৰ্থাৎ ঈশ্বৰৰ ৰচনা এই বিশ্বসংসাৰ সৰ্ব্বোৎকৃষ্ট আৰু সুখময়, আৰু মধুময় ঈশ্বৰৰ এই সৃষ্ট জগতো মধুময়—এই মতৰ আগত পেচিমিজিম পলায়। অখণ্ড অব্যয় ভূমানন্দ ঈশ্বৰৰ ৰাজ্যত নিৰানন্দ কত? সকলো সুখৰ অনন্ত আধাৰৰ সৃষ্টিত

অসুখ কত? কিন্তু তুমি কবা অনেক, অনেক।ময়ো তোমাৰ সৈতে একে মত হৈ কওঁ 'অনেক' হয়, কিন্তু সেই অসুখ সেই নিৰানন্দবোৰ কাৰ সৃষ্টি? তোমাৰ নে তেওঁৰ? নিশ্চয় তেওঁৰ নহয়। তেন্তে কাৰ? নিশ্চয় তোমাৰ। তুমি ঈশ্বৰৰ বা স্বভাৱৰ নিয়ম লঙ্ঘন কৰি তোমাৰ ওপৰলৈ আৰু তোমাৰে সৈতে সম্পৰ্ক কৰোঁতাসকলৰ ওপৰলৈ দণ্ড আনা আৰু সেই দণ্ড পাই পিছত সংসাৰ দুখৰ ঠাই বুলি কৈ দুঃখবাদী হোৱা। দুখ-কষ্টক তুমি দিনে-ৰাতিয়ে মনতে পাগি পুৰি থাকি তাক পোহপাল দি ডাঙৰ কৰি বঢ়াই লোৱা আৰু আন ঠাইৰো দুখ-কষ্ট যত পাৰামানে মনৰ জৰীৰে টানি আনি তাৰে একেলগ কৰা আৰু শেহত তাৰ চেপাত পৰি কোৱা—"সংসাৰ দুখৰ ঠাই!" তুমি আনন্দ আৰু সুখৰ চিন্তাক আহ্বান কৰি পৰমানন্দ পৰম সুখময় ঈশ্বৰৰ অংশ বুলি নিজক সম্পূৰ্ণৰূপে সেই চিন্তাত প্ৰতিষ্ঠাপিত কৰি চোৱাঁচোন তোমাৰ কি বিমল আনন্দ হয় আৰু পেচিমিজিম কলৈ লৰি পলায়। তেনেহলে "Like attracts like" এই নিয়মে তোমালৈ চাৰিওফালৰপৰা সুখৰ ভাৱবোৰ আকৰ্ষণ কৰি আনি তোমাক আশাতীত সুখীয়া কৰিব। চিন্তা আমাৰ নিজৰ সম্পত্তি, তাক আমি ব্যৱস্থিত কৰি সু ও কৰিব পাৰোঁ, কু ও কৰিব পাৰোঁ। সু কৰিলে আমাৰ সৰ্ব্বতোভাৱে মঙ্গল, কু কৰিলে সৰ্ব্বতোভাৱে অমঙ্গল। সুখ-দুখ আমাৰ নিজৰ হাতত নিশ্চয়। মঙ্গলজনক সু ভাৱ ক্ৰমাগত ভাবোঁতে ভাবোঁতে আৰু সু কাৰ্য্যৰ দ্বাৰাই তাক পোহ দিওঁতে দিওঁতে সি ভাবোঁতাজনৰ স্বভাৱৰে এটা অঙ্গ হৈ আৰু চাৰিওফালৰপৰা সমধৰ্ম্মী ভাৱৰ সোঁত বলাই আনি মহাশক্তিশালী হৈ উঠে আৰু শেহত তাৰ প্ৰবল প্ৰভাৱত কু-ভাৱ তেওঁৰ মনৰ চাৰি ঢাপৰ কাষৰপৰা পলায়। বিশ্বাসৰ অশেষ ক্ষমতাৰ কথা যে প্ৰচলিত সেইটো এটা unscientific sentiment অৰ্থাৎ সৰ্ব্বসাধাৰণ অবৈজ্ঞানিকৰ অসাৰ কু-সংস্কাৰৰ কথা নহয়, তাৰ ভেটি বিজ্ঞানৰ ৰাজ্যত প্ৰতিষ্ঠাপিত। যেনে বিশ্বাস কৰা যায়, তেনে চিন্তাই মনত বাহ লয়হি আৰু তেনে লগৰীয়া চিন্তাকো নিজৰ কাষলৈ টানি আনি সি শক্তিশালী হয়। সেই চিন্তাই কাৰ্য্য কৰি তাৰ আধাৰ শৰীৰত প্ৰতিফলিত হয়। বেজে পানী এটোপাকে মহৌষধ বুলি ৰোগীক দি তেওঁত সম্পূৰ্ণ বিশ্বাস কৰা সেই ৰোগীক ভাল কৰাৰ উদাহৰণ অনেক আছে। এই বাবেই বিশ্বাসত সিদ্ধিলাভ আৰু অবিশ্বাস বা

সংশয়ত নিষ্ফলতা বুলি কয়। ইচ্ছা-শক্তিৰ প্ৰভাৱৰ কথা সকলোৱে শুনিছে। কিন্তু ইচ্ছা শক্তি আন একো নহয়, মাথোন বিশেষভাৱে কোনো এটা চিন্তাক নিয়মিত কৰি কোনো এটা কাৰ্য্যত লগোৱাটোৱেই। আমাৰ ইচ্ছা-শক্তি মানুহৰ ইচ্ছা-শক্তিৰে মিলাই ৰাখিলে সি সীমাৱদ্ধ আৰু খৰ্ব্ব হয়, কিন্তু ঈশ্বৰৰ ইচ্ছা-শক্তিৰে মিল কৰি ৰাখিলে, সি মানুহৰ ইচ্ছা-শক্তিৰে সৈতে মিলিল নে বেঙালে সেইটো ভাৱনাৰো সকাহ নেথাকে, যদিও সজ মানুহৰ সজ ইচ্ছাৰে সি মিলি যোৱাত কোনো সন্দেহ নাই। মুঠতে আমি ঈৰ্ষা, দ্বেষ আদি পাশৱিক ভাৱ আমাৰ জীৱনত সোমাবলৈ নিদি আমাৰ জীৱনক যিমান ঈশ্বৰৰ ফালে মুকলি কৰি ৰাখিম, সিমান তালৈ মঙ্গলময় উন্নত ভাৱৰ প্ৰৱাহ বব আৰু আমি যিমান ভালকৈ অনুভৱ কৰি আহিব পাৰিম অৰ্থাৎ নিজক ভালকৈ জানি আহিম যে আমি ঈশ্বৰৰে এক অংশ, আমাৰ প্ৰকৃতিৰে সৈতে ঈশ্বৰৰ প্ৰকৃতিৰ বিভিন্নতা নাই, সিমান আমাৰ কাণত ঈশ্বৰৰ বাণী পৰি আহিব। আৰু লাহে লাহে আমি যিমান সেই বাণী মানি চলিম সিমান আমি জীৱনৰ কাৰ্য্যত নিৰ্ভুল নিঃশঙ্ক হৈ পৰিম। ঈশ্বৰ শিৱ সত্য সুন্দৰ, তেওঁৰ সন্তান তুমি, তেওঁৰ অংশ তুমি, তুমিও তেনে ;—অৱশ্যে যদি তুমি তোমাক তেওঁৰপৰা আঁতৰ নকৰা।

বন্ধুসকল! আপোনাসকলে কিজানি ভাবি পোৱা নাই যে "ষ্টুডেণ্টছ্ কন্‌ফাৰেঞ্চত" সভাপতি মহাশয়ে আন কথা এৰি, ওপৰত কোৱা এই শুকান জৰাজীৰ্ণ পুৰণি কথাবোৰ কলে কোন আশয়েৰে? এইখন ধৰ্ম্মসভা নে ববসবাহ যে তাত এনে ধৰ্ম্ম ধৰ্ম্ম গোন্ধোৱা বক্তৃতাৰ সকাম পৰিল? এনে প্ৰশ্নই আপোনাসকলৰ মনত কিজানি খেলাইছে আৰু খেলোৱাটো আচৰিতো নহয়।

উত্তৰত ইয়াকে কওঁ যে নিশ্চয় মোৰ এটা উদ্দেশ্য আছে। উদ্দেশ্য-বিহীন হৈ মই ছাত্ৰ-সম্মেলনীত এনে কথাৰ অৱতাৰণা কৰা নাই। সেইটো হৈছে—কোমল মন, কোমল বয়সৰ ছাত্ৰসকলক তেওঁলোকৰ ভৱিষ্যত জীৱন সাৰ্থকৰূপে গঠন কৰিবলৈ, পাৰিলে উদ্গুকিয়াই দিয়াটো। মোৰ মনেৰে মই ওপৰত যিবোৰ কথাৰ অলপ অচৰপ আভাস দি গলোঁ। সেইদৰে ছাত্ৰসকলে নিজ নিজ জীৱনৰ ভেটি গঢ়ি লব পাৰিলে তাৰ ওপৰত ভৱিষ্যত জীৱনৰ সুন্দৰ অট্টালিকা প্ৰস্তুত হব আৰু যি দেশ,

যি নগৰ, যি গাঁৱতে তাৰ অৱস্থিতি হয় সেই দেশ, সেই নগৰ, সেই গাঁৱকেই সি সকলো প্ৰকাৰে ঐশ্বৰ্য্যশালী, সমৃদ্ধিশালী আৰু শক্তিশালী কৰিব।

Healthy thoughts, clean thoughts, elevating noble thoughts অৰ্থাৎ সুস্থ পবিত্ৰ আৰু ওখ ভাৱেৰে যদি ছাত্ৰসকলে এতিয়াৰেপৰা তেওঁলোকৰ জীৱনক পোহ-পাল দি ডাঙৰ-দীঘল কৰি তুলিব পাৰে, তেনেহলে ভবিষ্যত সাৰ্থক জীৱনৰপৰা তেওঁলোকে নিজক বঞ্চিত কৰিবৰ আৰু তেওঁলোকৰ মাতৃভূমিকো বঞ্চিত কৰিবৰ কোনো ভয় নেথাকে। এনে সুস্থ, পবিত্ৰ জীৱন লভিবৰ একমাত্ৰ উপায়—শুদ্ধ, বুদ্ধ, নিৰ্ম্মল, নিৰঞ্জন পৰমেশ্বৰৰ শুদ্ধ, পবিত্ৰ, নিৰ্ম্মল প্ৰৱাহ প্ৰৱেশৰ নিমিত্তে নিজৰ জীৱনক কায়মনোবাক্যেৰে মুকলি কৰি প্ৰস্তুত কৰি ৰখাটো। নিজৰ জীৱন-তন্ত্ৰীৰ সুৰ সেই জগৎ-যন্ত্ৰীৰ সুৰত মিলাই ৰখাটো। নিজৰ ইচ্ছাক ইচ্ছাময়ৰ ইচ্ছাত পেলাই দিয়াটো। নিজৰ কাৰ্য্যক সেই অবিশ্ৰাম কাৰ্য্যকৰোঁতা কৰ্ম্মী বিভুৰ কাৰ্য্যেৰে একে প্ৰকৃতিৰ কৰাটো। এইটোৱেই এক মাথোন উপায়। তেনেকৈ চলিবৰ নিমিত্তে উপদেশ পৰামৰ্শৰ অভাৱ কেতিয়াও অনুভৱ কৰিব নোৱাৰা, যদি তুমি নিজৰ হৃদয়ৰপৰা অপবিত্ৰ অশুচি ভাৱৰ জঞ্জালবোৰ গুচাই লৈ ইন্‌টিউচন অৰ্থাৎ তোমাৰ অন্তৰত থকা সেইজনৰ বাণীলৈ ভালকৈ কাণ দিয়া। তুমি হয়তো কব পাৰা যে সেই বাণী কতা, শুনিবলৈ নেপাওঁ দেখোন? ভাই! শুনিবলৈ পাবা, ভালকৈ শুনিবলৈ পাবা, সততে শুনিবলৈ পাবা, যদি অসাৰ্থক, অসাৰ, অপবিত্ৰ, নিজৰ আৰু পৰৰ হানিকৰ, গ্লানিকৰ, সৰ্ব্বনশীয়া ব্যৱধান আৰু জঞ্জাল-জাবৰবোৰ তোমাৰ অন্তৰত সুমাই লৈ সেইবোৰেৰে সেই গুহানিহিত অন্তৰাত্মাক ঠেলি হেচি ঢাকি নেৰাখা। আজিৰপৰা—এই ঘণ্টা এই মিনিট, এই মূহূৰ্ত্তৰপৰা ডেকা ভাইসকল! তোমালোকে তোমালোকৰ জীৱন এইদৰে গঢ়িবলৈ দৃঢ়প্ৰতিজ্ঞা, অটল সঙ্কল্প কৰি লাগাচোন। দেখিবা তোমালোকৰ জীৱন সুদৃঢ়, সুন্দৰ, সুবিমল হৈ আহিছে; বিদ্যাচৰ্চ্চা, জ্ঞানচৰ্চ্চা, সাহিত্যচৰ্চ্চাত তোমালোক আশাতীতৰূপে সফলকাম হৈ আহিছাহঁক, আৰু বিদ্যা-জ্ঞান-ঋদ্ধি সকলোৰে আধাৰ তোমালোকৰ শৰীৰ নিৰাময়, নিৰোগ, সুস্থ, সবল হৈ গঠিত হৈছে। এক্সপেৰিমেণ্ট অৰ্থাৎ পৰীক্ষা কৰি চোৱা, অনিষ্ট একো নহয়। ইষ্ট নহলে, সুফল নেপালে, এই

বুঢ়াক পিছত লাগে যদি মন মেলি, হেঁপাহ পলুৱাই কটু-কাটৰকে কৰি দিবা।

কটু-কাটৰ? তেতিয়া কেতিয়াও কৰিব নোৱাৰা। কাৰণ তেতিয়া তোমালোকে সম্পূৰ্ণৰূপে আপোন চকুৰেই দেখিবা যে লোকক কটু-কাটৰ কৰিলে, লোকৰ মনত কষ্ট দিলে, লোকৰ অনিষ্ট কৰিবলৈ গলে, লোকৰ অনিষ্ট হওক নহওক, তাতকৈ নিজৰ অনিষ্ট, নিজৰ লোকচান বেছি হয়। দিনে-ৰাতিয়ে নৰিয়াৰ কথা ভাবি থাকিলে যেনেকৈ আমি স্বাস্থ্যলাভ কৰিব নোৱাৰোঁ, সেইদৰে লোকৰ অনিষ্ট, লোকৰ দায়-দোষ ভাবি থাকিলে নিজৰ ইষ্ট কৰিব নোৱাৰোঁ আৰু নিজে নিৰ্দ্দোষ হব নোৱাৰোঁ; বৰং সততে অনিষ্টকৰ চিন্তাক নিজৰ মনত পুহিলে সি স্বজাতীয় চিন্তাক চাৰিওফালৰপৰা টানি আনি পুত্ৰ পত্নী নাতি-পুতিৰে সৈতে স্থানদাতাৰ সম্পূৰ্ণ ঠাই, সপৰিবাৰে অধিকাৰ কৰি তাক নৰকৰ এটা "ডিপাৰ্টমেণ্ট" কৰি তুলিব। এনে "ডিপাৰ্টমেণ্টৰ হেড" অৰ্থাৎ এনে বিভাগৰ বৰমূৰীয়া লোক আমাৰ সমাজৰ ভিতৰত কত দিনৌ আমি দেখিবলৈ পাওঁহঁক। সেইসকলে বঙালী কৃত্তিবাসে তেওঁৰ ৰামায়ণত বিভীষণৰ হতুৱাই ৰাৱণক কোওৱাৰ দৰে—"আপুনি মজিলে ভাই, লঙ্কা মজাইলে।" সেইসকল নিজেও বেগেৰে সোঁ সোঁ কৰে তলফালে যাব লাগিছে, ওচৰচুবুৰীয়াকো যি পাৰে লগতে টানি লৈ যাব লাগিছে।

বন্ধুসকল! আপোনাসকলৰ ভিতৰত কিমান কলিতে পকা বা অকালবৃদ্ধ আছে আপোনাসকলে দেখিছেনে? অলপ মন দি চাওক, চালেই চকুত অনেক পৰিব। কিহে তেওঁলোকৰ মুখৰ জেউতি হৰিলে, মনৰ আনন্দৰ পুং শুকালে, হিয়াৰ কোমলতাত কাঠ বান্ধিলে, কব পাৰেনে? বয়সে? ওহোঁ। খোৱা-পিন্ধাৰ দুখে? ওহোঁ। বয়সেতো মানুহক বুঢ়া নকৰে। সাধুলোক সজলোকক বয়সে ধেনুভিৰীয়া কৰিলেও তেওঁলোকৰ মনৰপৰা ডেকাকলীয়া উদ্যম, আনন্দ আৰু নবীনত্ব নেযায়। যিশুখ্ৰীষ্টে কৈছিল,—"Suffer the little children to come unto me, for such is the Kingdom of Heaven." অৰ্থাৎ সৰু সৰু লৰা-ছোৱালীবোৰক মোৰ ওচৰলৈ আহিবলৈ দিয়া, বাধা দি নেৰাখিবা, কাৰণ ঈশ্বৰৰ স্বৰ্গৰাজ্য এনেখনেই। আমাৰ শাস্ত্ৰতো কৈছে যে সাধু আৰু মহৎলোকৰ স্বভাৱ শিশুৰ সদৃশ। সনক, সনাতন আদি চাৰি

সিদ্ধৰ বৰ্ণনা "পাঞ্চ বয়সীয়া শিশুসঙ্কাশ।" য়ুৰোপ, এছিয়া য'ৰে হওক, সকলো প্ৰকৃত মহৎ লোকৰ প্ৰকৃতি শিশুৰ নিচিনা। কিয় তেওঁলোকৰ এনে প্ৰকৃতি হয়? কাৰণ কি? কাৰণ এইটোৱেই যে তেওঁলোকে ঈশ্বৰৰ প্ৰকৃতি পায়। তেওঁলোকৰ ভিতৰখন এনে শুচি, এনে বিমল যে তাতে ঈশ্বৰৰ কৰুণাবাৰি বৈ আহিবলৈ কোনো প্ৰতিবন্ধক নঘটে। তেওঁলোক যে ঈশ্বৰৰ অংশ একে প্ৰকৃতিৰ, "সোঽহং" সেইটো তেওঁলোকে নেপাহৰি আৰু কু-ভাৱ, কু-কাৰ্য্যৰ দ্বাৰাই সেই ঈশ্বৰৰে সৈতে একত্ব নেহেৰুৱাই উন্নত হোৱাৰ নিমিত্তেই নিৰ্ম্মল, নিষ্পাপ শিশু-প্ৰকৃতি ৰক্ষা কৰি থাকিব পাৰে।

আমাৰ পৰমপিতা পৰমেশ্বৰ যে ইটাৰনেল গুড্ শুদ্ধসত্ব দয়াময় আৰু "তোমাৰেসে অংশ আমি যত জাৱজাক" এই কথাত গলৰ আচৰুভাৱে বিশ্বাস কৰি, এই ভাৱৰ শিলৰ খুটি পুতি, সততে তেওঁৰ সৈতে অৰ্থাৎ তেওঁৰ উপাধি তেওঁৰ গুণ—পবিত্ৰ চিন্তা, পৰহিতব্ৰত, পৰৰ প্ৰতি কৰুণা, জীৱৰ প্ৰতি দয়া আৰু ঈশ্বৰৰ প্ৰতি ৰুচি ৰাখি সকলো কৰ্ত্তব্য কাৰ্য্য কৰিলেহে আমি ঈশ্বৰ সাদৃশ সুন্দৰ হব পাৰিম। নিজৰ দুখ, শোক, নৰিয়া, পৰৰ প্ৰতি ঈৰ্ষা, দ্বেষ, হিংসা, পৰশ্ৰীকাতৰতা, নিৰাশা, ভয় এইবোৰেৰে নিজৰ জীৱন নিজে আবৰি ৰাখিলে আমি অকালতে বুঢ়া, বুৰুপ, কুশ্ৰী নহৈ আৰু কি হম? বন্ধু সকল! যদি তোমালোক চিৰযৌৱনসম্পন্ন হৈ থাকিব খুজিছা, আনন্দত আপোনাক বুৰাই ৰাখি বুঢ়া বয়সলৈ লৰাকালৰ আনন্দ আৰু স্বাস্থ্য ভোগ কৰি সুখী হৈ থাকিব খুজিছা, তেন্তে এইটো কথা ভালকৈ মনত ৰাখিবা,—তোমালোকে তোমালোকৰ চিন্তা ৰাজ্যত কি ভাৱে বাস কৰা। মনেই সকলো। "যাদৃশী ভাবনা যস্য সিদ্ধিৰ্ভবতি তাদৃশী।" তুমি যেনে ভাৱা তেনেকুৱাই হবা। মনত অশুচি অস্বাস্থ্যকৰ চিন্তাক ঠাই দিয়া, তুমিও অচিৰতে অশুচি অস্বাস্থ্যকৰ হবা যে তাত সন্দেহ কি? তেনেহলে হেৰা ডেকাবন্ধুসকল! তোমালোকে অপবিত্ৰ, নীচ ভাৱবোৰ পৰিহাৰ কৰি, ওখ পবিত্ৰ ভাৱ নিজৰ মনত ঠাই দিলে ভাল নহবৰ কাৰণ কি? তোমাৰ ভাল বেয়া তোমাৰ নিজৰে হাতত নহয় নে?

"আপুনি আপোন শত্ৰু, আপুনি আপোন মিত্ৰ,
আপুনি আপোন ৰাখে মাৰে।"

এইবাৰ বৰ মূল্যৱান, বৰ ডাঙৰ কথা আৰু বৰ জ্ঞানী লোকৰ অশেষ পৰীক্ষা আৰু সূক্ষ্মদৃষ্টিৰ মূল্যৱান সিদ্ধান্ত জানিবা। কাচৰ লণ্ঠনৰ ভিতৰত চাকি লগালে যেনেকৈ কাচৰ ঢাকোন ফুটি জুইৰ পোহৰ বাহিৰলৈ ওলায়, সেইদৰে পৱিত্ৰ চিন্তাই মনৰ ভিতৰত স্থিতি লাভ কৰিলে সি সেই লোকৰ সৰ্ব্বাঙ্গ ফুটি বাহিৰলৈ ওলায়। অপৱিত্ৰ চিন্তাৰো তেনে গতিয়েই। মন শৰীৰৰ যেনে সহায়ক, শৰীৰো মনৰ তেনে সহায়ক। সেই দেখি দৃষ্টি দুইফালে সমানে ৰাখি চলিব লাগিব। বন্ধু সকল! যদি চিৰানন্দ চিৰযৌৱন ৰাখি সুখী হব খুজিছা, তেন্তে আনন্দম্ আনন্দম্ ধ্যান কৰি আনন্দত মজি থাকা। সদায় হৰিষত, সদায় আনন্দত থাকিব পাৰি অভ্যাস কৰি আৰু আনন্দৰ শত্ৰুক দূৰতে বিদূৰ কৰি ৰাখি। ৰং-ধেমালি মনেৰে থাকিব পাৰি—নিজক বহুৱাৰ শাৰীলৈ নমায়ো। প্ৰেফুল আৰু চিয়েৰ্ফুল হৈ থাকিবলৈ পিউৰাইল আৰু চিলি হবৰ সকাম নাই। আমাৰ অনেকভাগ মানুহৰ মনৰ ভাৱ এনেটো যে ডাঙৰ মানুহ আৰু ভদ্ৰ মানুহ হৈ positionৰ সন্মান ৰক্ষা কৰি থাকিবলৈ হলে গম্ভীৰ হব লাগে। "গহীন মেঘে গহীনাই" মতা দি কথা কব লাগে নাইবা তেওঁ তুলা যেন পাতল হৈ উৰিল অৰ্থাৎ তেওঁৰ আদৰ্শ সেই পখীটি, যাক আমাৰ ভাষাত ফেঁচা বা বৰহুদু বোলে। দুখৰ বিষয় কেওঁলোকৰ মনত এবাৰো নেখেলায় যে এইটো মানুহৰ অস্বাভাৱিক অৱস্থাহে। মানুহ ঈশ্বৰৰ সন্তান। মানুহ হৈ থকাটোহে স্বাভাৱিক—যি ঈশ্বৰে ডাঙৰৰপৰা সকলৈকে, ৰজাৰপৰা ভিকহুলৈকে সকলোৰে হৃদয়ত থাকি কথাবাৰ্ত্তা কৈ আপোনাতকৈও আপোনাত হৈ আছে। মানুহে মনুষ্যত্ব এৰি ফেঁচাত্ব প্ৰাপ্তিৰ আকাঙ্ক্ষা কৰাটো মনুষ্য স্বভাৱৰ বিপৰীত অৱস্থাহে। ভীমটোকা চামোন ডাঙৰ চামোন হব পাৰে, কিন্তু সি মানুহ হলে নহয়।

আমাৰ দেশত ডাঙৰ হোৱাৰ আৰু এটা হাঁহি উঠা কিন্তু মাৰাত্মক লক্ষণ আছে। সেইটো হৈছে—ডাঙৰ হলেই নৰিয়াৰ ভাও জুৰিব লাগে। "ডাঙৰীয়া বা ডাঙৰীয়ানীৰ গা ভাল নহয়। ডাঙৰীয়াই খাবই নোৱাৰে। টেমীৰ মুখেৰে এমুঠি চাউলৰ ভাতহে খায়। ডাঙৰীয়ানীৰ গাত বিষ, গা বিষত কেকোৰা, সমূলি ভাল নহয়।" এনেবোৰ ফাকটিৰে এশ্ৰেণীৰ ডাঙৰীয়া ডাঙৰীয়ানীয়ে নিজৰ ডাঙৰীয়াত্বক পোহ-পাল দি ডাঙৰ কৰাটো দেখা যায়। এনেকৈ আত্মবঞ্চনা আৰু পৰক বঞ্চনা কৰি কিছুমান ডাঙৰীয়া ডাঙৰীয়ানীয়ে

তেওঁলোকৰ ডাঙৰীয়াৰটো অতি সন্তর্পণে ৰাখে যদিও, ফলত বতাহেৰে ঠাহখোৱা বৌমাছৰ পেটত থকা হিলৈৰ নিচিনাকৈ ডাঙৰীয়া-হিলৈটো কিমানদূৰ টিকে আৰু সিকাৰ উপকাৰত লাগে কব নোৱাৰোঁ, কিন্তু এইটো হলে নিশ্চয় যে শেহত এই আত্ম আৰু পৰবঞ্চনাৰ ফলত সঁচাসঁচিকৈয়ে তেওঁলোকৰ শৰীৰ নৰিয়াৰ বাহ হয় আৰু তেওঁলোকে ৰোগক লগৰীয়া কৰি জীৱন কটাবলগীয়াত পৰে। এই পৃথিৱীত অনেক মানুহে সুস্থ শৰীৰেৰে জীৱন কটাব পাৰিলেহেঁতেন যদি তেওঁলোকে নিজক নৰিয়া বুলি সঁচাই বা মিছাই ভাবি ভাবি নৰিয়াক আহ্বান কৰি নানিলেহেঁতেন। এইটো কিন্তু নিশ্চয়, যি নিজৰ শৰীৰত গতি-গোত্ৰৰ বিষয়ে ভাবি বেছি সময় কটায়, ৰোগতে তাৰ সৰহখিনি সময় যায়। ৰোগক ধ্যান কৰি থাকিলে ৰোগহে আহিব, স্বাস্থ্য নাহে। শৰীৰ ভালে ৰাখিবলৈ সুচিন্তা, সুখাদ্য, সুৰতাহ আৰু পৱিত্ৰতাৰ সহায় লব লাগিব। মোৰ নৰিয়া হব, নৰিয়া হব এনে ভাৱৰ আৰাধনাৰ সহায় নহয়।

সকলোৱে দেখিছে যে বঙ্গদেশৰ স্কুল-কলেজৰ কিছুমান ছাত্ৰৰ ভিতৰত ৰাজবিদ্ৰোহ, ডকাইতি, নৰহত্যা ইত্যাদি ভীষণ চিন্তা আৰু কাৰ্য্যই ঠাই লৈছে। ঈশ্বৰক ধন্যবাদ যে আমাৰ অসমত আমাৰ অসমীয়া ছাত্ৰসকলৰ ভিতৰত সেই সৰ্ব্বনাশী পাপ প্ৰৱেশ কৰা নাই। স্কুল-কলেজৰ ঈশ্বৰ বিবৰ্জ্জিত শিক্ষাৰেই এনেকুৱা ফল বুলি মোৰ মনে ধৰে। হিন্দুৰ ঘৰৰ, হিন্দু সমাজৰ সাত্ত্বিক শিক্ষাক—যি শিক্ষাই উঠোঁতে ঈশ্বৰক, বহোঁতে ঈশ্বৰক, শোওঁতে ঈশ্বৰক, খাওঁতে ঈশ্বৰক সোঁৱৰায়, যি শিক্ষাই পুৰণি বৈবস্বত মনুৰ দিনৰেপৰা এতিয়ালৈকে হিন্দুৰ জীৱনৰ দোঘ-বাণি বৈ আহিছে—তেনে শিক্ষাক সৰুৰেপৰা ডেকাসকলে মামৰে ধৰা পুৰণি আৰু বৰ্ত্তমান কালৰ অনুপযোগী তামাদি বুলি ভাবি তাৰপৰা আঁতৰ হৈ পৰিছে আৰু তেনে শিক্ষা পোৱা ককা, বুঢ়ীআই, বোপাই, আইক ভীমকলৰ মধুনা নাইবা গ্ৰেণ্ডমাদাৰ্চ্ ককন অৰ্থাৎ বুঢ়ী আইৰ লেটাগুটি বুলি মনৰ ভিতৰতে বা মুখ ফুটাই ভাবিছে আৰু ভাবি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ পাশ্চাত্য সমাজ আৰু সভ্যতাকে নিখুঁত বুলি ধৰি লৈ—অথচ এবাৰো অকণকে নেভাৱে, যে সকলো প্ৰকাৰে সেই শিক্ষা, সেই সভ্যতা আৰু সেই দেশৰ ৰাষ্ট্ৰনীতি সাত্ত্বিক প্ৰকৃতিৰ ভাৰত বাসীৰ আৰু যাইকৈ হিন্দুৰ প্ৰকৃতিৰে সৈতে মিলিব নে

নিমিলে আৰু হিন্দুস্থানত সেই য়ুৰোপীয় ওক গছৰ পুলি বাঢ়িব নে নেবাঢ়ে।

ছাত্ৰজীৱনৰ দায়িত্ব বৰ ডাঙৰ দায়িত্ব, এইটো ছাত্ৰসকলে চৌপৰত হৃদয়ঙ্গম কৰি থাকিবলগীয়া। ছাত্ৰজীৱন, ভৱিষ্যতৰ মানৱৰ সাৰ্থক, সফল আৰু লাগতিয়াল জীৱনৰ ভেটি। এই ভেটি পকা হলেহে সমাজৰ অঙ্গীভূত মানুহৰ জীৱন সুদৃঢ় সৌষ্ঠৱ হব। এই জীৱন হেলেক্‌লেক্‌ভাৱে, দায়িত্বশূন্যভাৱে, অসাৱধানভাৱে গঠিত হলে গোটেই জীৱন ভগা, ফটা, খাজ-নোখোৱা লৰক্‌ফৰক্‌ হব। তেতিয়া নিজৰ ভুল পদে পদে বুজি অনুতাপ কৰি কটাব লাগিব আৰু জোৰা ফোন্দা বান্ধ-ছাট দি কোনোমতে তাক মজপুত কৰি ৰাখিলেও তাৰ তলডোখৰৰ দুৰ্ব্বলতাৰ বাবে সি top heavy অৰ্থাৎ মূৰ গধুৰ, ভৰি চিঁয়া দুৰ্ভগীয়াৰ দৰে বোজাৰ ভৰত বাগৰি পৰিব। ছাত্ৰজীৱনত কৰা একোটা মহাভুলৰ বাবে আৰু সেই কালত ভৱিষ্যত জীৱনলৈ লক্ষ্য নাৰাখি চৰিত্ৰ হেৰুৱাই তমোময়ভাৱে চলা বাবে আমাৰ বয়সিয়ালসকলৰ ভিতৰত কত এনেকুৱা পৰোঁ পৰোঁ হোৱা থৰক্‌ বৰক্‌কৈ থকা মানুহ আছে, যাৰ অনুতাপ মাথোন তপত উস্‌-আসতে অন্ত।

সেই দেখি চৰিত্ৰ গঠন (যাক ইংৰাজীত character বোলে) ছাত্ৰ-জীৱনৰ প্ৰধান অঙ্গ। চৰিত্ৰ গলতো তোমাৰ সকলো গল আৰু চৰিত্ৰ ৰলতো তোমাৰ সকলো ৰল। হোৱা ধনৰ দুখীয়া, তাত হানি নাই; হোৱা সামাজিক সম্মানৰ খাপত লোকৰ চকুত ভিকহু, তাত হানি নাই; হোৱা লোকে নাম নজনা, ধাম নজনা, তাত হানি নাই। কিন্তু চৰিত্ৰৱান তুমি—ঈশ্বৰৰ চকুত আৰু দীৰ্ঘদৰ্শী লোকৰ চকুত, সজ্জলোকৰ চকুত, মহা ঐশ্বৰ্য্যশালী আৰু সকলোৰে আগশাৰীত। তাৰ উপৰিও চৰিত্ৰৱান তোমাৰ অন্তৰ যে বিমল সুখ আৰু পৰম আনন্দৰ আকৰ হব তাত সন্দেহ নাই।

বন্ধুসকল! ছাত্ৰজীৱন গঠন কৰিবৰ নিমিত্তে যি দুটা চাইটা কথা ঘাই বুলি মোৰ মনত খেলাইছিল তাকে জনাই-নজনাই আৰু ভালকৈ কব নজনাৰ নিমিত্তে আপচু ভাৱেই আপোনাসকলৰ আগত কলোঁ; অৱশ্যে এইবোৰ কথা যে আপোনাসকলে নেজানে বা আগেয়ে শুনা নাই এনে হিচাপ কৰি মই যে কৈছো এনে নহয়, মই মাথোন চেষ্টা কৰিছোঁ—পুৰণি

কথাকে ঘাটি-ঘুটি আপোনাসকলৰ মনত পেলাই দিবলৈ। ভাল কথাৰ পুনৰুক্তি এই বাবে মাৰ্জ্জনীয় যে পুনৰুক্তিৰ আজোৰত সি আন কথাৰ তল পৰিবৰ ভয় নেথাকে।

এই গুৱাহাটী চহৰত আজি মই আপোনাসকলক লগ পাই, আপোনাসকলৰে লগৰীয়া এজন বুলি প্ৰাণেৰে সৈতে অনুভৱ কৰি অলপ-অচৰপ সজ কথাৰ আলচ কৰিবৰ চেষ্টা কৰিছোঁ, ইয়াত যে মোৰ কি আনন্দ হৈছে, মই কথাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। মই এক মুহূৰ্ত্তলৈকে ভৱা নাই যে আপোনাসকল যদিও বয়সত মোতকৈ সৰু, মই আপোনাসকলৰ উপদেষ্টাৰ বাব পাইছোঁ আৰু সেই বাবৰ বলত মোৰ সাৰুৱা উপদেশেৰে আপোনাসকলৰ জ্ঞানৰ পৰিসৰ বহলাই দিম। মই আন একো নেজানিলেও মোৰ এটা কথাৰ জ্ঞান আছে, সেইটো হৈছে মোৰ জ্ঞানৰ সঙ্কীৰ্ণতাৰ জ্ঞান। মোক যদিও আপোনাসকলে দয়া কৰি নিজৰ উদাৰতাৰ গুণেৰে আপোনাসকলৰ সভাৰ সভাপতি কৰি এই আসনত বহুৱাইছে, মই কেতিয়াও এনে আসন লবলৈ সাহ কৰি নাহিলোঁহেঁতেন, যদি মোৰ মনত এইটো ভাৱে বৰকৈ নেখেলালেহেঁতেন যে মই অনেক কালৰ মূৰত মোৰ নিজৰ দেশত মোৰ দেশীয় ভাইসকলৰ সঙ্গ লভি দুই চাইটা (লাগতিয়ালেই হওক বা অলাগতিয়ালেই হওক) কথা কৈ পৰম সুখ ভোগ কৰিবলৈ পাম আৰু মোৰ ফপহুতা কথা আষাৰ চেৰেকেৰে তেওঁলোকৰ কিবা উপকাৰ অপকাৰ হওক নহওক বৰং মই তেওঁলোকেৰে চিনাকি হৈ আলাপ পৰিচয় কৰি, তেওঁলোকৰ মুখৰপৰাও অনেক ভাল কথা শুনি মোৰ নিজৰে জ্ঞানৰ সীমা বঢ়াব পাৰিম। গুৱাহাটীত এই সভা বহাটো অতি শোভন কাৰ্য্য হৈছে। এই প্ৰাগ্‌জ্যোতিষপুৰতে আৰ্য্যসকলৰ জ্যোতিৰ্ব্বিদ্যাৰ প্ৰথম বিকাশ আৰু উন্নতিৰ চৰম প্ৰকাশ। জ্ঞানৰ অৰুণ কিৰণ পুবৰ এই আকাশৰপৰাই বিকীৰ্ণ হৈ চাৰিওফালে বিয়পি পৰিছিল। অসমক এতিয়া 'বেক্‌ৱাৰ্ড' পাছলৈ যোৱাকে বোলক বা 'বিনাইটেড' এন্ধাৰকে বোলক, নাইবা ঘৰুৱা মাতেৰে কোনোৱে ইয়াক জকাইচুককে বোলক, এইটো স্বীকাৰ কৰিবই লাগিব যে জ্যোতিৰ্ব্বিদ্যাৰ জনম আৰু চৰম উন্নতি ইয়াতে, তন্ত্ৰৰ জনম আৰু চৰম উন্নতি ইয়াতে, বৈষ্ণৱ ধৰ্ম্মৰ সম্পূৰ্ণৰূপে মহাবিকাশ ইয়াতে আৰু ইয়াতে তাৰ চূড়ান্ত পয়োভৰ; ইয়াতেই এই প্ৰাগ্‌জ্যোতিষতেই অজ্ঞান "ৰজনী বিদূৰ দিশ ধৱলি বৰণ" আৰু সেই অজ্ঞান "তিমিৰ ফিৰিয়া বাজে"

জ্ঞান "ৰবিৰ কিৰণ।" ঈশ্বৰে কৰক, এতিয়াও যেন অচিৰতে ইয়াত আকৌ বিদ্যাৰ "শতপত্ৰ বিকশিত" হয় আৰু বিদ্যাৰ্থী ছাত্ৰ-ভ্ৰমৰসকলে শতপত্ৰত উৰি পৰি বিদ্যা-মধু পান কৰি আৰু জ্ঞানচৰ্চ্চা কৰোঁতাসকলে জ্ঞানৰ গুণ গাই শাস্ত্ৰ-দধি মথি সকলোকে জ্ঞান-লৱণু মাখন বিতৰণ কৰে। সদায় আঁউসী নেথাকে। কোনো এটা জাতিৰ জীৱনতো আঁউসীৰ নেৰানেপেৰা নিশা নেথাকে। আঁউসীৰ পিছত প্ৰতিপদ, দ্বিতীয়া আদি আৰু শেহত পূৰ্ণিমা আছেই। এই কটন কলেজ অসমৰ শুক্লা দ্বিতীয়া। ই নিশ্চয় কলা-কলাকৈ বাঢ়ি যাবই যাব। এই অলপ দিনৰ ভিতৰতে এই কলেজৰ যহত আমাৰ শিক্ষিত ডেকাৰ লেখ কত বাঢ়িছে। এই কলেজৰ যহতে ইয়াৰ ভিতৰতে আমাৰ ডেকাসকলে সুবিধা পাই অঘটন ঘটাইছে; বিশ্ববিদ্যালয়ৰ পৰীক্ষাত আন দেশৰ মেধাবী ছাত্ৰসকলেৰে সৈতে সমানে অৰিয়াঅৰি কৰি জয়লাভ কৰিছে। এই কলেজ হবৰ আগেয়ে কোনো-বাই ভাবিব পাৰিছিল নে যে অসমীয়া ছাত্ৰে—যি অতি কষ্টেমষ্টেহে তৃতীয় বা দ্বিতীয় বিভাগত বিশ্ববিদ্যালয়ৰ মহলাত উঠিব পাৰে—প্ৰথম দ্বিতীয় ঠাই অধিকাৰ কৰিব পাৰিব? যি ভোটাবুধীয়া, অজগৈ ইত্যাদি বিশেষণেৰেহে অসমীয়া ছাত্ৰক বিভূষিত কৰিছিল, এতিয়া তেনেলোকে অসমীয়াৰ কৃত-কাৰ্য্যতা দেখি অবাক হৈছে। বন্ধুসকল! ঈশ্বৰত মতিগতি ৰাখি, সু-ভাৱ, সজ চিন্তাৰ সমল বুকুত বান্ধি লৈ আপোনাসকলে এহাশুধীয়াভাৱে নিজৰ কৰ্ত্তব্য পালন কৰি যাওক। দেখিব, যি ফললাভ এতিয়া হৈছে তাতোকৈ এশগুণে সৰহ আৰু বহুমূলীয়া ফললাভ অচিৰতে হব। তাহানি প্ৰথমতে গুৱাহাটীত যেতিয়া এই কলেজ স্থাপন কৰা হবৰ কথা হয়, তেতিয়া এই প্ৰস্তাৱৰ বিপক্ষে কত আপত্তি কত তৰ্ক চলিছিল, তাৰ লেখ-জোখ নাছিল। অসমৰ উজ্জ্বল ৰত্ন অশেষগুণভাজন স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাৰ কত যত্ন, কত চেষ্টা, এই কলেজ ইয়াত হবলৈ। সকলো বাধা-বিঘিনি অতিক্ৰম কৰি শেহত তেওঁৰ জয় হল। গুৱাহাটীত কলেজ হল আৰু সেই কলেজৰ প্ৰথম সুফল তেওঁ নিজ চকুৰেই দেখি গল। আজি আপোনাসকলৰ সভাত যাক যোগ্য পাতি সভাপতিৰ আসন আপোনাসকলে অযথা কৃপা কৰি দিছে, সেই অযোগ্য নগণ্যৰো এই কলেজৰ সাৰ্থকতাত যে কি আনন্দ তাক কৈ ওৰ পেলাব নোৱাৰি—বিশেষকৈ আৰু এই বাবে যে কেৰ্‌কেটুৱাই বাঁহ-পাতেৰে ৰামৰ সেতুবন্ধনত সহায় কৰাৰ দৰে তেৱোঁ, গুৱাহাটীত কলেজৰ

সলনি কলিকতাত হোষ্টেল হব লাগে, এই প্ৰস্তাৱৰ বিপক্ষে আৰু গুৱাহাটীত কলেজ হোৱাৰ সপক্ষে তেওঁৰ দুৰ্ব্বল লেখনীৰে যথাশক্তি সহায় কৰিছিল।

অসমৰ নিচিনা এখন দেশে সকলো আৱশ্যকীয় বিষয়ত লোকক হাত পাতিব নলগীয়া হোৱাটো যে কিমান লাগতিয়াল কথা তাক কৈ ওৰ পেলাব নোৱাৰি। আমাৰ ঘাই অভাৱ "আৰ্টচ্ কলেজ", তাৰ পিছত "ল কলেজৰ"। এই অভাৱ ব্যৱস্থাপক সভাই মোচন কৰিলে। ইয়াৰ পিছত বাকীবোৰ যেনে কলিকতা বিশ্ববিদ্যালয়ৰ চিনেটত আৰু চিণ্ডিকেটত আমাৰ অসমীয়া "ফেলো" আৰু তাৰ পিছত আমাৰ অসমৰ নিমিত্তে স্বকীয়া বিশ্ববিদ্যালয়, অসমত চিফ কোৰ্ট বা হাইকোৰ্ট, সম্প্ৰতি কলিকতাৰ হাইকোৰ্টত অসমীয়া জজ ইত্যাদি আমি অচিৰতে পাম বুলি আশা কৰিব লাগিছোঁ। ঈশ্বৰে আমাৰ আশা নিশ্চয় সোনকালে সাফল কৰিব।

কিন্তু এইবোৰ পাবলৈ আমি সকলোপ্ৰকাৰে যোগ্য হোৱা আৱশ্যক। যোগ্য আমাৰ হাতলৈ এনেবোৰ বস্তু এতিয়া নহয় অথনিকৈ, আজি নহয় কাইলৈ আহিবই। আমি বুঢ়াৰ তৰপ যোগ্য অযোগ্য যি হলোঁ। হলোঁ, আমাৰ আৰু ন-কৈ ককালত টঙালি বান্ধি উঠিবলৈ বল নাই, ককাল বয়সৰ ভৰত কেকোঁৰা, ভৰি বাতৰ বিষত পেঙৰা। আমি বুঢ়া শালিকা, আমি আৰু কি ন-কৈ মাত লম? লব পাৰিলে অৱশ্যে সুখৰ বিষয়। কিন্তু কত পাৰিম হবলা। এতেকে আমাৰ আশাৰ চকু আমাৰ উঠি অহা ডেকা সকলৰ ফালেহে। তেওঁলোক এতিয়াৰেপৰা ভালকৈ জীৱন-সংগ্ৰামলৈ প্ৰস্তুত হব লাগে। আমাৰ জাতীয় আকাঙ্ক্ষা যেন তেওঁলোকৰ দ্বাৰাই পূৰণ হয়। তেওঁলোকৰ জীৱন এতিয়া আমাৰ জাতীয় জীৱনৰ ডাঙৰ মহীত (মেল্টিং পট) ভালকৈ আউটা হওক, যাতে তাৰে আমাৰ মূল্যৱান সোণৰ অলঙ্কাৰ, কৰ্ম্মৰ উপযোগী শণাইত অস্ত্ৰ আৰু নিভাঁজ উপকৰণ আদি প্ৰস্তুত হয়। তেওঁলোকে সেই দেখি, আমি ওপৰত উন্মুকিয়াই অহা কথাবোৰৰ বাহিৰেও আৰু এটা কথা মনত ৰাখি প্ৰস্তুত হব লাগিব। যথা—অকল কলেজৰ পাঠ্য নিৰ্দ্দিষ্ট কিতাপকেখন পঢ়িয়েই মহলাত সৰহ নম্বৰ ৰাখি ওখ বিভাগত উঠিলেই নহব। তেওঁলোকে তাৰ লগে লগে সৰ্ব্বতোভাৱে জ্ঞান উপাৰ্জ্জন কৰি, ভাল কিতাপ (কেৱল নভেল নহয়) পঢ়ি জ্ঞানৰ সীমা বঢ়াই আৰু পৃথিৱীৰ সকলো সভ্য দেশত ঘটা

জ্ঞান বিদ্যা কাৰ্য্যকলাপ আদিৰ নিয়মিতৰূপে ভু ৰাখি, চৌকস হব লাগিব, যাতে ভৱিষ্যতত এওঁলোকৰ প্ৰত্যেকজন একো-একোজন পূৰ্ণৰূপে বিকশিত অসমীয়া মানুহ হব পাৰে। অকল মুখস্থ কৰি, স্কুল-কলেজৰ কিতাপ: কেইখন ঘনে ঘনে ইপাৰ সিপাৰ হৈ অৰ্থাৎ সেই সৰু সৰু দিহিং, দিচাং, দিখৌ কেইখনৰ ইপাৰৰপৰা সিপাৰলৈ একো একোবাৰ পাৰি দি শেহত বি-এ, এম-এ পাছ কৰি, নিজক একো একোজন বিদ্যা-বাৰিধিৰ ভইব নাৱৰীয়া বুলি তেওঁলোকে ভাবিলে, তেওঁলোকে নিজৰ মনত সম্প্ৰতি সন্তোষ লভিলেও সদায় যে তেনে সন্তোষ তেওঁলোকে ৰাখিব পাৰিব এনে মনে নধৰে; কাৰণ যেতিয়া তেওঁলোকে আজিকালিৰ বিদ্যাৰ হাজাৰ হাজাৰ ড্ৰেক্, মেগেলিন্, কুক্‌সকলক জীৱন-যাত্ৰাত আৰু জীৱন-সংগ্ৰামৰ ক্ষেত্ৰত লগ পাব, তেতিয়া তেওঁলোকৰ কাষত নিজৰ ক্ষুদ্ৰত্ব আৰু অসামৰ্থ্য তেওঁলোকে ভালকৈ দেখি নিজৰ জীৱনক ধিক্কাৰ দিব লাগিব আৰু বিদ্যাৰ সেই সুনিপুণ সামৰ্থ্যশালী মহাৰথীসকলৰ প্ৰভাৱত জীৱন-যুদ্ধত তেওঁলোক এনেকৈ হাৰিব যে তেওঁলোকে নিজৰ অস্তিত্বকে ৰাখিব নোৱাৰিব। "বি-এ পৰীক্ষা পাছ" বিদ্যাৰ অন্ত নহয়, বিদ্যাৰ আৰম্ভণহে। যদিও আমাৰ বহুত বি-এ—গ্ৰেজুৱেটে আগৰটো বুলি ভৱা যেন দেখা যায়। তেওঁলোকে "বি-এ পাছ" কৰি অঁতাই তেওঁলোকৰ পঢ়া-শুনা বা বিদ্যাচৰ্চ্চাৰ সজুলি সোপাকে সাৱধানেৰে সৈতে ৰৰপেৰাৰ ভিতৰত সুমাই থৈ তাত বাহুলিসঁচাৰ মাৰি তাৰ ওপৰত ধোবাং জুৰি বিদ্যাৰ ডাঙৰ ঘুমটি দিয়ে আৰু একো একো ঘুমটিৰ পিছত ইকাতি-সিকাতি কৰিব লাগিলে হাতেৰে সাৱটি ধৰি থকা বিদ্যাৰ দীঘল গাৰুটোৰ (যাক বঙলা ভাষাত পাশ বালিশ বোলে) বিচ্ছেদ নঘটাকৈ সেই বিদ্যাৰ বৃহৎ অভিনয় কৰে আৰু দেশত কোনো সভাৰ সভাপতি নাইবা মিউনি-চিপেলিটিৰ কমিছনৰ নাইবা তাতকৈয়ো ডাঙৰ আজিকালি ওলোৱা অনৰেবোল মেম্বৰ হবৰ হাই-উকমি, তেনে অৱস্থাতে তেওঁলোকৰ কাণত পৰিলে, লাহেকৈ তেওঁলোকে উঠি বিদ্যাৰ ডাঙৰ দীঘল হামি আৰু তেওঁলোকৰ প্ৰতিদ্বন্দ্বী হব খোজাৰ প্ৰতি সমসাময়িক সৰু সৰু টিলিকি মাৰি, ডাঙৰীয়াৰ ডাঙৰ আসন গ্ৰহণ কৰি, তেওঁলোকৰ আশ্ৰিত আৰু উপাসকসকলৰ ফালে বিদ্যাৰ একো একোটা ডাঙৰ ডাঙৰ পানীৰ মিঠৈ, বা পচিমীয়াসকলে কবৰ নিচিনা "দিল্লীকা লাড্ডু" পঠিয়াই দিয়ে

আৰু "আমাৰ ডাঙৰীয়াৰ নিচিনা বিদ্বান আৰু জ্ঞানী কোন আছে, কোনে আমাৰ ডাঙৰীয়াৰে সৈতে জোৰ দিব পাৰিব ?" উপাসকসকলৰ এনে সুমধুৰ স্তোত্ৰৰ ধ্বনি শুনি বা তাৰ গেছত ওফন্দি বিদ্যাৰ একোখন মানসিক "জেপেলিনত", "বেলুনত" 'অভাৱে' উঠি সকলোৰে ওপৰেদি গগনমাৰ্গত বিচৰণ কৰে।

শিক্ষা অকল ইণ্টেলেক্‌চুৱেল অৰ্থাৎ মানসিক বা বুদ্ধি জ্ঞানৰ চৰ্চ্চাতে মাথোন আবদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা নৈতিক আৰু দৈনিক জীৱনৰ লাগতিয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্য্যবোৰৰ সহায়ক হব লাগে তেহে শিক্ষা, স্কুল-কলেজৰ বিদ্যা-শিক্ষা, সম্পূৰ্ণ আৰু সৰ্ব্বাঙ্গসুন্দৰ হয় নতুবা সি এধাডুখৰীয়া। এধাডুখৰীয়া শিক্ষা একেবাৰেই নিষ্ফল নহলেও, সি যে অনেক সময়ত বিপদজনক তাক স্বীকাৰ নকৰি নোৱাৰি। নৈতিক শিক্ষা নোপোৱা বা কম পোৱা বা সেই শ্ৰেণীৰ শিক্ষাক অগ্ৰাহ্য অৱহেলাকৈ পেলাই থওঁতা, অকল ইণ্টেলেক্‌চুৱেল শিক্ষাকে সৰ্ব্বহ বুলি ধৰি লওঁতাৰ পৰিণামৰ উদাহৰণ আজিকালিৰ অদ্ভুত জীৱ ডকাই গ্ৰেজুৱেট অণ্ডৰ-গ্ৰেজুৱেট কেইজনেই। অকল ইণ্টেলেক্‌চুৱেল আৰু মৰেল শিক্ষা হলেই আজিকালি গা নবয়, সেই দুটাৰ লগতে শিক্ষা সাংসাৰিক ক্ষেত্ৰত জীৱন-যাত্ৰাৰ নিমিত্তে অৰ্থকৰীও হব লাগিব। নতুবা এই যুগৰ অপৰূপ জীৱন-যুদ্ধত তোমাৰ হাৰ আৰু ৰান্ধনি-ঘৰত সোমাই দেখিবা তোমাৰ চাউলৰ টেকেলি কাতি। আৰু একাষাৰ কথা ইয়াতে জোৰা দিওঁ যে আমাৰ শিক্ষা অৰ্থাৎ ভাৰতীয়সকলৰ শিক্ষা পাশ্চাত্য হব লাগিব কিন্তু প্ৰাচ্য সাঁচত। উদ্দালকৰ গুৰুগৃহৰ শিক্ষাৰ প্ৰণালী আজিকালিৰ নিমিত্তে শুকাল। সেই পবিত্ৰ সৰস্বতী নদীৰ সোঁতো আমাৰ উপকাৰৰ অৰ্থে নবৈ, জড়জগতত অন্তঃসলিলাৰূপে আৰু শব্দজগতত মন্ত্ৰাত্মকৰূপে হে এতিয়া বিদ্যমান। সেই কাল, সেই লোক, সেই সমাজ, সেই জীৱন-যাত্ৰাৰ লক্ষণ, সকলো গল। আজিকালিৰ অৱস্থা অনুযায়ী শিক্ষা-প্ৰণালী হবই লাগিব, নতুবা আগৰ কালৰ ঘূৰণীয়া বিন্ধাত আজিকালিৰ চাৰিচুকীয়া গজাল সুমাবলৈ যোৱাৰ নিচিনা হব। এতিয়া আমি য়ুৰোপীয় ৰজাৰ প্ৰজা আৰু য়ুৰোপীয় প্ৰজাৰ ওচৰচুবুৰীয়া "ভাই-ব্ৰাদাৰ"; তেওঁলোকৰ চিন্তা, বিদ্যা, জ্ঞান, কাৰ্য্যৰ আমি ইচ্ছাপূৰ্ব্বকেই হওক বা

অনিচ্ছাপূৰ্ব্বকেই হওক অংশীদাৰ। তেওঁলোক নহলে আমাৰ নচলে, আমি নহলেও তেওঁলোকৰ নচলে। এনেস্থলত এই কালৰ উপযোগী পাশ্চাত্য শিক্ষা যে আমাক লাগে, তাত ভুল কি? কিন্তু সেই শিক্ষা দেশভেদে পৃথক হবই লাগিব অৰ্থাৎ ভাৰতীয় স াঁচত তাক মৰা হব লাগিব। আমি পাশ্চাত্য শিক্ষা পালেও আমি যে য়ুৰোপীয় নহওঁ, ভাৰতীয়হে, সেইটো নেপাহৰি আমাৰ শিক্ষাৰ গাত ভাৰতীয় ছাব-মোহৰ থাকিব লাগিব। এনে ভাবেহে য়ুৰোপীয় শিক্ষা জাপানে গ্ৰহণ কৰিছে আৰু তাৰ ফলত এতিয়া জাপান কি, কাঁক কব লাগিছে? পশ্চিমৰ শিক্ষাৰে পূবৰ শিক্ষাৰ সঙ্গমহে আমাৰ আকাঙ্ক্ষিত শিক্ষা আৰু এই দুধাৰাৰ সংযোগেইহে আজিকালি পৃথিৱীৰ শিক্ষাৰ আদৰ্শ প্ৰয়াগ-তীৰ্থ। চিন্তাশীল প্ৰাচ্য আৰু প্ৰতীচ্যসকলৰ অনেকে আজিকালি এই তত্ত্ব হৃদয়ঙ্গম কৰি আহিছে। "East is east and west is west, and never the twain shall meet." এইষাৰ যদিও এজন বৰ্ত্তমানকালৰ ডাঙৰ ইংৰাজ কবিৰ কথা আৰু সকলোৰে মুখ-বাগৰা বচন, কিন্তু বাস্তৱিক পক্ষত সি আধা সত্যহে (হাফ্-ট্ৰুথ)। ওপৰ-চকুৱাই নিশ্চয় দেখিব যে পূব পূবত, পশ্চিম পশ্চিমত, দুয়ো বিপৰীত ফালে। এতেকে দুইৰো যোগ মিল কেতিয়াও নহয়। কিন্তু সূক্ষ্মদৰ্শীয়ে দেখিব যে পশ্চিম পূবৰ মাজত ছেদ নাই আৰু ঘূৰণীয়া বস্তুৰ দুয়ো দুফাল। এফালৰ অবিহনে আনফাল থাকিব নোৱাৰে। এফালেৰে সৈতে সিফালৰ দৃঢ় সংযোগতেই দুইৰো অস্তিত্ব আৰু তোমাৰ যিডোখৰ পূব, আন এজনৰ সেইডোখৰেই পশ্চিম আৰু সেইজনৰ তুমিয়েই পূব। আমি যাক 'লজিক্' বোলোঁ অৰ্থাৎ সকলোৱে পঢ়া বা স্বীকাৰ কৰা লজিকে জগতৰ মহা মহা সত্য আৰু জটিল সমস্যাৰ সম্পূৰ্ণ উত্তৰ যে দিব নোৱাৰে, এই কথা আমি অলপ ভাবিলেই দেখিবলৈ পাওঁ। যি নহওক সেই বিষয়ে কৈ আজি আপোনাসকলৰ সময় নষ্ট নকৰোঁ।

আমাক "প্ৰাইমেৰি শিক্ষা" (প্ৰাইমাৰী এডুকেছন) অৰ্থাৎ প্ৰাথমিক শিক্ষা লাগে আৰু সেই এডুকেছন ফ্ৰী আৰু কম্পলচৰি অৰ্থাৎ সেই প্ৰাথমিক শিক্ষা অবৈতনিক আৰু বাধ্যতামূলক অৰ্থাৎ সকলোকে পাবলৈ বাধ্য কৰা হব লাগে। য়ুৰোপত প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাৰ বাবেই যে য়ুৰোপৰ সৰ্ব্বসাধাৰণৰ উন্নতি, এই কথা

আজিকালি আৰু কাকো বুজাই দিব নালাগে। প্ৰাথমিক শিক্ষা আমাৰ দেশত কম্পালচৰিকৈ অৰ্থাৎ বাধ্যতামূলককৈ নচলালে আমাৰ দেশৰ নিচিনা অনুন্নত আৰু অশিক্ষিত ঠাইত বিদ্যাৰ বিস্তাৰৰ আশা অনেক দূৰৈত। মহামতি গোখেলে যি প্ৰণালীত ভাৰতবৰ্ষত "প্ৰাইমেৰি এডুকেছন" অৰ্থাৎ প্ৰাথমিক শিক্ষা চলাবৰ প্ৰস্তাৱ কৰিছিল, সম্প্ৰতি সেই প্ৰণালীতে আমাৰ দেশত তাক চলালেই আমাৰ উপকাৰ। দেশৰ তল খাপৰ মানুহবোৰ নিৰক্ষৰ হৈ থাকিলে ওপৰ খাপৰো যে উন্নতিত ব্যাঘাত জন্মে, সেইটো অলপ ভাবি চালেই দেখিবলৈ পোৱা যায়। সমাজ শৰীৰৰ তলৰ শ্ৰেণীৰ অঙ্গত বল নেথাকিলে আৰু উন্নতি আৰু বৃদ্ধিৰ গঢ় ওখ শ্ৰেণীৰে সমধৰ্ম্মী নহলে, কাৰো যে উপকাৰ নহয়েই অপকাৰহে সংসাধিত হয়। সমাজৰ তলৰ শ্ৰেণী অশিক্ষিত বা বিপৰীতভাৱে শিক্ষিত হলে ওখ শ্ৰেণীৰে সৈতে যোগভ্ৰষ্ট হৈ বিপৰীত পথগামী হয় আৰু ফলত সমাজ শৰীৰে নিজৰ সকলো সম্মিলিত অঙ্গৰ সহায়ৰপৰা বঞ্চিত হৈ ৰসাতলৰ ফালে ঢাল লয়। অসমীয়া দুখীয়া। তেওঁৰ গাত ধনৰ বল নাই। আন দেশৰ মানুহৰ দৰে অসমীয়াই অকল নিজৰ বলেৰে এনেবিলাক কাৰ্য্য কৰিব নোৱাৰে। সেই-দেখি অসমীয়াই গৱৰ্ণমেণ্টৰ মুখৰ ফালে সতৃষ্ণ-নয়নেৰে সদায় চায়। সুখৰ বিষয়, আমাৰ পৰম উপকাৰী প্ৰজাৰঞ্জক চিফ কমিছনৰ আৰ্ল বাহাদুৰৰ অনুগ্ৰহত আমাৰ দেশত প্ৰাইমেৰি এডুকেছন ফ্ৰী হোৱাত আমাৰ দুখীয়া প্ৰজাৰ অশেষ উপকাৰ হৈছে ; এই বাবে আমাৰ সকলো অসমীয়া ৰাইজ মহামতি আৰ্ল বাহাদুৰৰ ওচৰত সদায় কৃতজ্ঞ থাকিব।

টেক্‌নিকেল এডুকেছন অৰ্থাৎ যাক যন্ত্ৰবিদ্যা সম্বন্ধীয় বিদ্যা, শিল্প আৰু ব্যৱসায় সম্বন্ধীয় বিদ্যা বোলা যায়, আমাক বৰকৈ লাগে। আমাৰ বাৰিষ্টৰ, উকিল, ডাক্তৰ, প্ৰফেছৰ, মনচুপ, চব্‌ডেপুটী হব নোৱাৰা-সকলে যি বিদ্যা শিকিলে নিজৰ ভাত মোকোলাই খাব পাৰিব আৰু সেই সম্বন্ধে নিজৰ দেশৰ অভাৱ মোচন কৰি দেশক সমৃদ্ধিশালী কৰিব পাৰিব, তেনে বিদ্যা যে আমাক বৰকৈ লাগে, তাত সন্দেহ কি ? আমাৰ সকলো মানুহেই চাকৃচেচ্‌ফুল অৰ্থাৎ পয়ছা পোৱা ডাক্তৰ-উকিল হব নোৱাৰে, তালৈ ঠায়ো কম। অথচ আমাৰ দেশত আজিকালিৰ নতুন গঢ়ৰ কমাৰ, কুমাৰ, বাঢ়ৈ, চৰ্ম্মকাৰৰ বিদ্যা আৰু কল-কাৰখানা আদিৰ বিদ্যা জনা লোকৰ যে কি ভয়ানক অভাৱ, তাক কৈ শেষ কৰিব নোৱাৰি। আমাৰ ডেকাসকলৰ

এইফালেও বৰকৈ লক্ষ্য থকা উচিত আৰু এই শ্ৰেণীৰ বিদ্যা আমাৰ ডেকাসকলে শিকিবলৈ সুবিধা আৰু সম্ভৱ হবৰ নিমিত্তে আমি গৱৰ্ণমেণ্টৰ ফালে স্বভাৱতে চাবই লাগিব। আমাৰ যি কেইজন ডেকাক গৱৰ্ণমেণ্টে য়ুৰোপ জাপান আদি ঠাইলৈ পঠিয়াই শিক্ষিত কৰি আনিছে, সেইসকলৰ দ্বাৰাই যাতে অসমে সুফল পায় তাৰ দিহা কৰিবলৈকো আমি গৱৰ্ণমেণ্টৰ ফালে চাবলগীয়াত পৰিছোঁ, কাৰণ আমাৰ ককালত বল নাই। য়ুৰোপ আদি দেশলৈ নগৈয়ো আমাৰ ডেকাসকলে যাতে সাধাৰণ প্ৰকাৰৰ টেক্‌নিকেল্ এডুকেছন পাব পৰা হয়, তাৰ দিহা আমাৰ গৱৰ্ণমেণ্টে কৰে যেন, এই আশা কৰিলোঁ।

কিন্তু ইঞ্জিনিয়াৰিং আৰু মেডিকেল বিদ্যা শিকিবলৈ গবৰ্ণমেণ্টে আমাক অনেক সুবিধা দি থৈছে। আমাৰ ডেকাসকলে সেই দুই বিদ্যা শিক্ষাৰ ফালে আৰু আগ্ৰহেৰে যোৱা উচিত। আমাক সৰহকৈ ডাক্তৰ আৰু ইঞ্জিনিয়াৰ লাগে, সেই দুটা বিদ্যাৰ বিভাগত আমি এতিয়াও মহাদুখীয়া। উচ্চ শিক্ষা পোৱা ডেকাসকলৰ সৰহভাগে ল অৰ্থাৎ আইনৰ চমক্‌লগা মায়া-বন্ধন আৰু টান আকৰ্ষণৰপৰা আঁতৰি এই দুটা বিদ্যাৰ ফালে গলে বৰ ভাল কথা হব।

কম শিক্ষা পোৱাসকলে মেকানিকেল্ ইঞ্জিনিয়েৰিং শিকিবলৈ মন মেলা উচিত। ৰেলৰ ৱৰ্কচপত, কলিকতাৰ ইঞ্জিনিয়েৰিং ফাৰ্ম্মবোৰৰ ৱৰ্কচপত আৰু শিবপুৰৰ স্কুলত তেনে কাম শিকিবলৈ যোৱা উচিত। তেনেহলে তেওঁলোক ভাতৰ দুখত নপৰে। মটৰ গাড়ী চলাবলৈ শিকাটোও ভাল কাম। আজিকালি মটৰগাড়ী চলাওঁতাৰ দৰমহাও কম নহয় আৰু সেই বিদ্যা জানোতাৰ চাকৰীৰো আটক নেথাকে। অনেক লেখা পঢ়া নজনা পাঞ্জাবী আৰু জনা বঙালী ডেকাই কলিকতাত এই কাম কৰি ভালকৈ জীৱিকা উপাৰ্জ্জন কৰি খাই-বৈ আছে।

ইলেক্‌ট্ৰিক ইঞ্জিনিয়েৰিং অৰ্থাৎ বিজুলীৰ চাকি আৰু পাখা আদি চলাবলৈ মানুহৰ ঘৰত যি বিজুলীৰ তাঁৰ আদি খটাব লাগে তেনে বিদ্যাতো পয়ছা আছে। আমাৰ অলপ লিখা-পঢ়া শিকা ডেকাসকলে এইফালে দৃষ্টি কৰিলেও বেয়া নহয়।

চৰ্ট-হেণ্ড্ আৰু টাইপ ৰাইটিং এই দুটা শিকিও অনেক ডেকাই ভাল দৰ্ম্মহা পাই ভালকৈ থাকিব পাৰে। মেট্ৰিকুলেছন ‘ফেল’

বা 'পাছ' কৰোঁতা অনেক ডেকাই এই দুই বিদ্যালৈকো মন মেলা উচিত। ভালকৈ চৰ্টহেণ্ড আৰু টাইপ্-ৰাইটিং জনা একো একোজন মানুহৰ দৰমহা কলিকতাত, এশ, ডেৰশ, দুশ, তিনিশ, চাৰিশ, পাঁচশলৈকে থকাটো আমি জানো।

যিসকল ডেকাৰ সাহিত্যৰ প্ৰতি অনুৰাগ আছে, সেইসকলে সাহিত্য চৰ্চ্চাতে মনপুতি লাগক। তাতো তেওঁলোকে সুফল পাব। আমাৰ মাতৃভাষা আৰু সাহিত্য সেৱাৰ নিমিত্তে এইদল ডেকাই এহাগুধীয়াভাৱে লাগিব লাগিব, তেহে আমাৰ মাতৃভাষাৰ আৰু সাহিত্যৰ দাৰিদ্ৰ্য গুচিব। বিশ্ববিদ্যালয়ৰ বি-এ, আই-এ, পৰীক্ষাত "কোচ" বা "টেক্সট্-বুক" হবৰ উপযোগী কিতাপ বা সংগ্ৰহ আজিলৈকে হোৱা নাই। সেইফালে আমাৰ এইদলৰ ডেকাসকলৰ দৃষ্টি আকৰ্ষণ কৰোঁ।

দেশ-সেৱা দেশহিতকৰ কাৰ্য্যত সকলো ডেকা ছাত্ৰৰ অনুৰাগ থকাটো উচিত। অৱশ্যে আজি দেখি সন্তোষ পাইছোঁ যে সেইফালেও তেওঁলোকৰ মনোযোগৰ ক্ৰুটী হোৱা নাই। ডেকা বন্ধুসকল! আপোনা-সকলে কৰিব পৰা অনেক কাম আছে, সেইবোৰ আপোনাসকলৰপৰা সুফলমে হবও যে তাত সন্দেহ নাই। আপোনাসকলৰ অনেক গাঁৱৰপৰা আহিছে। গাঁৱৰ স্বাস্থ্য কি ভাৱে ৰক্ষা কৰা যায়, গাঁৱলীয়া মানুহে গেলা পুখুৰী বা পচা বিলৰ পানী খাই আৰু বেমাৰী মানুহৰ মলিযন কাপোৰধোৱা পুখুৰীৰ পানী খাই কেনেকৈ মাউৰ আদি নৰিয়াত পৰে, ভৰিত চবকা লাগি কেনেকৈ গাঁৱলীয়া মানুহৰ হালৰ গৰু, খীৰতী গাই ধ্বংস হয়, ইত্যাদি আপোনাসকলে দেখিছে আৰু জানে। আপোনা-সকলৰ কৰ্ত্তব্য আৰু লগৰীয়া নগৰীয়া ছাত্ৰসকলৰো কৰ্ত্তব্য যে, সেইবোৰৰ হাত এৰাই কেনেকৈ থাকিব পাৰি, কেনেকৈ গাঁৱৰ স্বাস্থ্য উন্নত কৰিব পাৰি, সেইবোৰ বিষয়ে গাঁৱলীয়াসকলক জনাই দিয়া, বুজাই দিয়াটো। মহাত্মা গোখেলৰ 'চাৰ্ভেণ্ট অৱ ইণ্ডিয়া চচাইটি'ৰ আহিত আপোনাসকলে, পলিটিক্সৰ কাষলৈকো নগৈ, অন্ততঃ চাৰ্ভেণ্ট অৱ অসম চচাইটি এখন স্থাপন কৰি অসমীয়া গাঁৱলীয়া আৰু নগৰীয়া মানুহৰ ভালৰ নিমিত্তে যত্ন কৰিব নোৱাৰে নে? আপোনাসকলে কলেজ-স্কুল বন্ধ থকা এই দীঘল অৱসৰৰ সময়ডোখৰ আন কামৰ লগতে এনে কামত ব্যয় কৰিলে ঈশ্বৰৰ

আশীৰ্বাদ আৰু স্বদেশী গ্ৰামবাসীসকলৰ আশীৰ্বাদ লাভ কৰি নিশ্চয় ধন্য হ'ব।

এইবোৰ কথা মোৰ কোৱাৰ সকাম এইটোৱেই যে প্ৰতিভা আৰু কাৰ্য্য সৰ্ব্বতোমুখী হোৱা উচিত, তেহে মহানেৰে সৈতে সমধৰ্ম্মী হোৱা যায়। মানুহৰ যত্ন আৰু সৎকাৰ্য্য সেই "মহান্ বৈ পুৰুষ"ৰ গ্ৰাহ্য হ'ব লাগিলে সি বহুমুখী হ'বই লাগিব। গঙ্গা-ব্ৰহ্মপুত্ৰই সাগৰত আত্মসমৰ্পণ কৰি সাগৰৰ গ্ৰহণীয় হ'বৰ সময়ত শতধাৰা হৈহে পৰিছে।

পঢ়াশুনা কৰাৰ পিছত ব্যৱসায় বাণিজ্য কৰিবলৈকো আমাৰ ডেকা-সকলে চকু ৰাখিব লাগিব। কিন্তু ব্যৱসায় বাণিজ্য কৰিবলৈ সেই বিষয়ে ভালকৈ শিক্ষাৰ আৱশ্যক। দুখৰ বিষয় তেনে শিক্ষা পাবৰ সুবিধা আমাৰ ডেকাসকলৰ নাই বুলিলেই হয়।

স্ত্ৰী-শিক্ষাৰ বিষয়ে ডেকাসকলক যত্ন কৰিবলৈ কোৱাটো নিশ্চয় বেহিৰ ভাগ। কাৰণ আজিৰ দিনত এনে শিক্ষিত ডেকা বোধকৰোঁ নাই, যি স্ত্ৰী-শিক্ষাৰ উপযোগিতাৰ বিষয়ে ভালকৈ হৃদয়ঙ্গম কৰা নাই। শিক্ষিতা স্ত্ৰী, শিক্ষিতা মাতা যে শিক্ষিত সমাজৰ পক্ষে অপৰিহাৰ্য্য আৰু অত্যাৱশ্যকীয় সেইটো আজিৰ দিনত আমাৰ স্কুল-কলেজত শিক্ষিত ডেকা-সকলক ন-কৈ কবলৈ যোৱাটো বাহুল্য মাথোন।

বন্ধুসকল! পুৰণি কথাৰে, অনেক পলসুৱা কথাৰে আজি আপোনাসকলৰ সময়ৰ অপব্যৱহাৰ কৰিলোঁ সেই বাবে আপোনাসকলে মোক নিজগুণে ক্ষমা কৰিব। মোক আপোনাসকলে এই সভাৰ সভাপতিৰ আসনত বহিবলৈ দিয়াৰ-বাবে আকৌ আপোনাসকলৰ প্ৰতি মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাও। আকৌ কওঁ যে ঈশ্বৰৰ কৃপাত এই সভাৰপৰা যেন এনে সুফল ফলে, যাৰ দ্বাৰাই আমাৰ জননী জন্মভূমিৰ অশেষ কল্যাণ সাধিত হয়। এতেকে বন্ধুসকল! এনেভাৱে কাম কৰি যাওক, যাতে আপোনালোকৰ দ্বাৰাই জননীৰ মুখ উজ্জ্বল হয়। আপোনালোক লেখত তাকৰ, তাত একো কথা নাই। লেখত সৰহ হলেই যে মনুষ্যত্বৰ যোগফল (চামটোটেল) সৰহ হয় এনে নহয়। কোনে জানে, আপোনালোকৰ একো একোজনৰ ভিতৰত ঈশ্বৰদত্ত কি শক্তি নিহিত আছে? কোনে জানে কোন ক্ষুদ্ৰ বীজটিৰ ভিতৰত কি প্ৰকাণ্ড বটবৃক্ষ লুকায়িত? ঈশ্বৰৰ অংশ, ঈশ্বৰৰ সন্তান মনুষ্যৰ ভিতৰত ঈশ্বৰৰ শক্তি নিঃসংশয়ৰূপে নিহিত আছে।

এতেকে এনে এদিন অসমৰ সু-কপালৰ গুণত আহিব পাৰে আৰু পাৰে কি আহিবই যে সেই নিহিত শক্তিয়ে ঈশ্বৰৰ অনুগ্ৰহত মাহেন্দ্ৰক্ষণৰ সুযোগ পাই সম্পূৰ্ণৰূপে বিকশিত হৈ জগতক আচৰিত কৰিব। অসমীয়াৰ ভিতৰৰপৰাই, ঢেকীয়া কচুৰে গঢ়া অসমীয়াৰ শৰীৰৰ পৰাই মোমাইতামুলী বৰবৰুৱা, লাচিত বৰফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁই, শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱ, আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱাৰ জন্ম হৈছিল। History repeats itself এইটো বহুদৰ্শিতাৰ সিদ্ধান্ত নহয় নে? কোনে জানে, কোনে কব পাৰে যে ৰত্নগৰ্ভা অসমৰ গৰ্ভত আকৌ তেনেকুৱা প্ৰতিভাশালী সন্তানৰ জন্ম নহব? নানা বিপদ নানা বিপ্লৱে জুৰুলা কৰা অসম পুনৰ সুস্থ সবল হৈ আকৌ যে বিদ্যা-জ্ঞান, ধন-ধান্য, সুপুত্ৰ-সম্পদেৰে বিভূষিত নহব এইকথা কোনে কব পাৰে? ঈশ্বৰৰ অনুগ্ৰহ হলে মূক বাচাল হয়, পঙ্গুৱে গিৰি লঙ্ঘন কৰে। আপোনালোকে সত্য, ন্যায়, ধৰ্ম্মৰ পথৰপৰা বিচলিত নহৈ, এহাশুধীয়াভাৱে নিজৰ কৰ্ত্তব্য কৰি যাওক, নিশ্চয় দেখিব, স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিৰ মঙ্গল সাধিত হৈছে।

দ্বিতীয় ভাষণ

সভাপতি :— কৰ্ণেল পি-আৰ-টি গৰ্ডন, চি-এচ্-আই

যোৰহাট—অক্টোবৰ, ১৯১৭ চন

ছাত্ৰবৃন্দ আৰু বন্ধুসকল! যেতিয়া মই এই ছাত্ৰসকলৰ সভাৰ সভাপতি হবলৈ নিমন্ত্ৰণ পালোঁ তেতিয়া মোৰ মনত এই ভাৱ আহিল যে কেনেকৈনো এজন বিদেশী মানুহে অসমীয়া ছাত্ৰসকলৰ সভাৰ সভাপতি হব পাৰিব; কিয়নো এজন বিদেশী চাহাবে অনেক কথা বুজিব নোৱাৰে আৰু বহুত কথা বুজাবও নোৱাৰে। কিন্তু মই ভাবিলোঁ যে কিজানি মোক বহু কালৰপৰা কাৰ্য্যকাৰক পুৰণা চাহাব বুলি জানিহে মাতিছে আৰু যিজনে নেকি আজিকালিতে তেওঁৰ কমিছনাৰৰ কাম পৰিত্যাগ কৰিব। এইবোৰ কথা ভাবি চিন্তি মোৰ মনত উৎসাহ আহিল আৰু সভাপতিৰ ভাৰ লবলৈ মান্তি হলোঁ। আৰু এটি ভাৱ মনত উদয় হল যে এই বাৰেই দেখা-সাক্ষাৎ হোৱাৰ আমাৰ শেষবাৰ। ছাত্ৰবন্ধু আৰু যোৰহটীয়া বন্ধুসকলৰ লগত এই দেখা-সাক্ষাতেই শেষ দেখা-সাক্ষাত বুলি জানিলো। এই কাৰণেই মই মনস্থ কৰিলোঁ যে সভালৈ আহি সভাৰ সভাপতিত্ব গ্ৰহণ কৰিব লাগিব।

বন্ধুসকল! মোৰ প্ৰাৰ্থনা এই যে মই অসমীয়া কথা কওঁতে যি ভুল-চুক হয় তাক আপোনালোকে ক্ষমা কৰিব। ছাত্ৰসকলক কিছুমান দৃষ্টান্ত দিবলৈ বেয়া নহব আৰু যি দৃষ্টান্ত দিয়া যাব তাক ভাল ভাল ডাঙৰ অসমীয়া মানুহৰ জীৱন-বৃত্তান্তৰপৰা কোৱা যাব।

প্ৰথমতে আনন্দৰাম ঢেকিয়াল ফুকনৰ কিছু কথা কওঁ। ১৭৫১ শকত (ইংৰাজী ১৮২০ চনত) এওঁৰ জন্ম হয়। এওঁ ৰাতিপুৱাই অৰ্থাৎ ব্ৰহ্ম মুহূৰ্ত্তে উঠি গা-পা ধুই স্কুললৈ গৈছিল। এওঁ সকলোপৰা নিয়মৰ অধীন হৈ চলিছিল। সকলো কাম নিৰ্দ্ধাৰিত সময়ত কৰিছিল। সেই দেখিয়েই

কর্ণেল পি, আর, টি, গর্ডন চি, এচ, আই

এওঁ আমাৰ অসমৰ ইমান উপকাৰ কৰিব পাৰিছিল আৰু এজন ডাঙৰ মানুহ হৈ আমাৰ দেশত অসমীয়া জীৱনৰ এটি উজ্জ্বল চানেকি থৈ যাব পাৰিছিল। এওঁ শিক্ষাৰ কাৰণে কলিকতালৈ গৈছিল। সেই দিনত অসমৰপৰা কলিকতালৈ যোৱা আজিকালি ইয়াৰপৰা বিলাতলৈ যোৱাৰ দৰে আছিল। এওঁ আৰু কেইজনমান অসমীয়া লৰাবে সৈতে মেথী চাহাবৰ নাৱত গুৱাহাটীৰপৰা গৈ একুৰি পাঁচ দিনৰ মূৰত কলিকতা পাই-ছিলগৈ। বাৰ বছৰ বয়সত এওঁ ইমান দূৰ দেশলৈ গৈছিল। দেশী আৰু ইংৰাজী শিক্ষা-গুৰুৰ মৰম-স্নেহ পাই ভালকৈ পঢ়ি ১৮৪৭ চনত ছিনিয়ৰ বিভাগৰ তৃতীয় শ্ৰেণী পালেগৈ। এওঁৰ ঘৰৰ মানুহে বৰকৈ ধৰাত এওঁ অসমলৈ উভতি আহে। এওঁ সকলো সময়তে নিজৰ পঢ়া পাঠ কৰিছিল আৰু কোনো মাদক-দ্ৰৱ্য কেতিয়াও নাখাইছিল। ঘৈণীয়েক মাহিন্ত্ৰী দেৱীক এওঁ নিজে লিখা-পঢ়া শিকাইছিল। ঘৈণীয়েকে বাপেকৰ ঘৰত ৰন্ধা-বঢ়া আৰু কাপোৰ-বোৱা কাম ভালকৈ শিকিছিল; কিন্তু বিয়াৰ পিছত মাহিন্ত্ৰী দেৱীক লিখা-পঢ়া ভালকৈ ফুকনেহে শিকালে।

১৮৪৬ চনত "অৰুণোদয়" নামে এখন কাকত ওলায়। শিৱসাগৰৰ মিছনেৰীবিলাকে এই কাকত উলিয়ায়। ফুকনে এই কাকতত লিখিছিল। তেতিয়া আদালতত বঙলা ভাষাৰে কাম চলিছিল। সেই দেখি বহুত মানুহৰ অসুবিধা হৈছিল। ফুকনে অসমীয়া ভাষা চলাবলৈ বৰ যত্ন কৰিলে। এওঁ "অসমীয়া লৰাৰ মিত্ৰ" নামেৰে দুই খণ্ড কিতাপ অসমীয়াত উলিয়ালে। এওঁ অসমীয়া ভাষাৰ প্ৰথম উৎসাহদাতা। মেথী আৰু জেনকিনচ্ চাহাবেও এই বিষয়ত সহায় কৰিছিল। দুখৰ বিষয় এই যে এওঁ অসমীয়া ভাষাৰ উন্নতি দেখিবলৈ নাপালে। ১৮৭২ চনত ছাৰ জৰ্জ্জ কেম্বেলে অসমীয়া ভাষা চলায়। যি নহওক ফুকনেই অসমীয়া ভাষাৰ উন্নতিৰ মূল। এই বাবে আৰু অসমীয়া ভাষাৰ উন্নতিৰ লগে লগে আনন্দৰাম ফুকনৰ নাম চিৰকাল জিলিকি থাকিব। এওঁ সদায় পৰিমিতাচাৰী আৰু পৰিমিতব্যয়ী আছিল। কোনো প্ৰকাৰ অপব্যয় নকৰিছিল। নিজে হিচাপ-পত্ৰ ৰাখিছিল। এওঁ খাতা পৰগণাৰ চৌধাৰী পদত ১৮৪৭ চনত নিযুক্ত হৈছিল আৰু এই কাম সুকলমে কৰিছিল। ১৮৪৫ চনৰ নবেম্বৰ মাহত এওঁ নলবাৰীৰ মুনচিপ্ হয়। ১৮৪৯ চনত

বিজ্ঞনীৰ দেৱান হয়। ১৮৫০ চনত নগাৱঁৰ চব্-এচিষ্টেণ্ট হয়। ১৮৫০ চনত সদৰ দেৱানী নিষ্পত্তিৰ কাম বঙলা ভাষাত ছপায়। বঙলা ভাষাত ছপাইছিল, কিয়নো এই ভাষাই চৰকাৰী আদালতৰ কাৰ্য্য চলোৱা ভাষা আছিল। অসমীয়াই শুনি ভাল পাব নালাগেনে এই জন অসমীয়াই এনে এখন কিতাপ প্ৰথমে লিখে? আগেয়ে বঙলা ভাষাত এনে এখন কিতাপ নাছিল। স্কুলৰ ছাত্ৰসকল সদায় ফুকনৰ তালৈ গৈছিল। এওঁ ছাত্ৰসকলক পঢ়িবলৈ উৎসাহ দিছিল। গৱৰ্ণমেণ্টে মিল চাহাবক ১৮৫৩ চনত এই দেশলৈ পঠায় আৰু ফুকনে মিল চাহাবক এই দেশৰ বহু বিষয়ে চিঠিৰে লিখি জনাইছিল। তাত অসম দেশৰ বহু বিভাগৰ আৰু গৱৰ্ণমেণ্টে কাণ দিবলগীয়া বহু কথা আছিল। এনে অনেক কথা আছিল, য'ত গৱৰ্ণমেণ্টে সেই পৰ্য্যন্ত কৰ্ণপাত কৰা নাছিল। ফুকনে নিজে গৈ মিল চাহাবৰ হাতত এই লাগতিয়াল কথা থকা চিঠিৰ থোহা দিছিল আৰু এওঁৰ মুখৰপৰা বহু কথা তেওঁ শুনিলে। The Assamese language for Assam—এই মত মিল চাহাবে দিছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ বিষয়ে বহু কথা কব পাৰোঁ কিন্তু সময়ৰ নাটনি। ফুকনৰ মৰণ নগাৱঁত হয়। বৰ দুখৰ বিষয় এই যে তেতিয়া এওঁ মজলীয়া বয়সকে নাপালে। আনন্দৰাম ফুকনৰ জীৱন-চৰিত্ৰৰ ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে এখন পুস্তক লিখিলে। এই পুস্তক সকলো অসমীয়া ছাত্ৰই পঢ়িব লাগে।

আৰু আন এজন বৰ ভাল মানুহৰ জীৱন-বৃত্তান্তৰপৰা অনেক উপদেশ পোৱা যায়। তেওঁ হেমচন্দ্ৰ বৰুৱা। তেওঁৰো আৰু এটি অসমীয়া জীৱন বৃত্তান্তৰ ভাল চানেকি আছে। তেওঁ অসমীয়া ভাষাৰ হিতাকাঙ্ক্ষী আৰু বৰ ভাল কৰোঁতা। তেওঁ প্ৰথমে সংস্কৃত আৰু অসমীয়া শিকিছিল, কিন্তু তেওঁৰ অপাৰ ইচ্ছা ইংৰাজী ভাষা শিকিবলৈ আছিল। ইংৰাজী ভাষা গুপ্ত ৰূপে শিকিবলৈ যোগাৰ কৰিছিল। গুপ্ত ৰূপে কেলেই যে তেওঁৰ ঘৰৰ পৰিয়ালৰ মানুহে তেওঁ ইংৰাজী শিকিব এই কথা ভাল নেপাইছিল। "হেমকোষ" তেওঁৰ ঘাই কৰ্ম্ম আছিল—এইখন বৰ মূল্যৱান অসমীয়া অভিধান। এই বিষয়ে মই নিজে কব পাৰোঁ, কেলেইনো শ্ৰীযুত হেমচন্দ্ৰ গোস্বাই আৰু মই—এই দুজন এই অভিধানৰ সম্পাদক আছিলোঁ। হেমচন্দ্ৰ বৰুৱা বৰ যত্নৱান লোক আছিল আৰু কাম এবাৰ আৰম্ভ কৰিলে সেই কাম কেতিয়াও শেষ নকৰাকৈ নেৰিছিল। পৰিশ্ৰমী

মানুহৰ নিমিত্তে তেওঁ এজন ভাল দৃষ্টান্তৰ লোক আছিল। নিজৰ দেশলৈ বহু শিক্ষালাভ কৰাব পাৰিছিল।

আনন্দৰাম বৰুৱা আৰু এজন অসমীয়া মানুহৰ চানেকি। তেওঁতকৈ জ্ঞানী মানুহ আজিকালি অসমত এতিয়ালৈকে ওলোৱা নাই। তেওঁ অসমত প্ৰথম ইণ্ডিয়ান চিভিলিয়ান। দুখৰ বিষয় এই, তেওঁৰো অতি কম বয়সতে মৃত্যু হয়। তেওঁৰ নিজৰ ভায়েকক ইংৰাজী শিক্ষা লাভ কৰিবৰ কাৰণে বিলাতলৈ পঠালে কিন্তু দুখৰ বিষয় তেওঁৰ ফ্ৰান্স দেশত মৃত্যু হল। আনন্দৰাম বৰুৱাই এই দেশত চৰকাৰী কাম কৰা নাছিল, বঙ্গদেশতহে কৰিছিল। তাত তেওঁ অতি সুখ্যাতিৰে কাম কৰিছিল। বঙ্গদেশত থাকোঁতে তেওঁৰ মিঃ আৰ, চি, দত্তৰ লগত মিত্ৰতা আছিল। তেওঁৰ জীৱন-বৃত্তান্তৰ পৰা অনেক শিক্ষালাভ আৰু উপদেশ পাব পাৰি।

ৰায়বাহাদুৰ জগন্নাথ বৰুৱাও অসমৰ আৰু বিশেষকৈ যোৰহাটৰ ডাঙৰ মানুহ। তেওঁ উজনি অসমৰ প্ৰথম বি-এ আছিল। তেওঁ বিলাতলৈ গৈছিল আৰু তেওঁৰ লগত শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্যও গৈছিল। ৰায়বাহাদুৰে অসমীয়া মানুহৰ বহুত উপকাৰ কৰিছিল। অসমীয়াৰ সকলো গোচৰ চৰকাৰলৈ তেওঁ গোহাৰি জনাইছিল। যোৰহাটৰ ৰেলৰ অভিপ্ৰায়ে তেওঁ বহু উৎসাহদাতা আছিল। তেওঁ নিজে নিজৰ চাহবাগিচা উলিয়াই অসমীয়া মানুহক দেখুৱালে যে এজন অসমীয়াই চাহখেতিৰপৰা বহু লাভ কৰিব পাৰে।

আৰু এটি অসমীয়া জীৱন-বৃত্তান্তৰ ভাল চানেকি আছে। তেওঁ আমাৰ নিজৰ পুৰণি বন্ধু ৰায়বাহাদুৰ বিষ্ণুৰাম বৰুৱা। তেওঁ নিজ যত্নেৰে কেইবাখনিও চাহবাগিচা উলিয়াই এতিয়াও চাহবাগিচাৰ অধিকাৰ আৰু বহু ধন লাভ কৰি আছে। তেওঁ বহু টকা খৰচ কৰি এটি সুন্দৰ ঘৰ (বিষ্ণুৰাম হল) যোৰহাটৰ মানুহক দান কৰিলে। তেওঁৰ এই বৰ ভাল কামৰ নিমিত্তে যোৰহাটৰ মানুহ আৰু গোটেই অসমীয়া কৃতজ্ঞ হব লাগে। এইবোৰ চানেকিৰপৰা অৰ্থাৎ যিবোৰৰ কথা ওপৰত কোৱা হৈছে সেইবোৰৰ প্ৰধান প্ৰধান গুণ তলত কোৱা কথাৰপৰা দেখা যায়—

১। আনন্দৰাম ঢেকিয়াল ফুকনে নিজৰ দেশৰ নিমিত্তে আত্ম-পৰিত্যাগ কৰিছিল।

২। হেমচন্দ্র বৰুৱাই নিজৰ কৰ্ত্তব্য কামৰ সিদ্ধিৰ কাৰণে লেলেটীয়াকৈ লাগিছিল।

৩। আনন্দৰাম বৰুৱা শিক্ষালাভৰ আৰু শিক্ষা দিওৱাৰ উন্নতি-পথত আছিল।

৪। ৰায়বাহাদুৰ বিষ্ণুৰাম বৰুৱা দানশীল আৰু বাণিজ্যৰ উন্নতিৰ বিষয়ত অগ্ৰসৰ হৈছে।

ওপৰত কোৱা অসমীয়া মানুহ কেইজনে যে অতি সুখ্যাতিৰে জীৱন-ধাৰণ কৰিছিল এই বিষয়ে এই পৰ্য্যন্ত কোৱা হল।

আৰু এজন ডাঙৰ মানুহৰ নাম কবলগীয়া আছে তেওঁ মিঃ আব্দুল মজিদ, এল-এল-বি, বাৰ-এট-ল'। তেওঁ আচল যোৰহটীয়া মানুহ। মহম্মদ চাহ মৌজাদাৰৰ পুতেক। তেওঁ অসমীয়া গিল্‌ক্ৰাইষ্ট্‌ স্কলাৰ। তেওঁ প্ৰথমে একষ্ট্ৰা এচিষ্টেণ্ট্‌ কমিছনৰ হৈ জজৰ পদলৈ উঠিল। তেওঁ বঙ্গদেশত জজৰ কাম কৰি অসমলৈ উভতি আহিল। এতিয়া লিগেল ৰিমেম্ব্ৰাঞ্চাৰ কামত নিযুক্ত আছে। আমি আশা কৰো তেওঁ আৰু ওপৰ পদলৈ উঠিব।

আৰু নাম কবলগীয়া আছে। মিঃ বলিনাৰায়ণ বৰা পি-ডব্লিউ-ডি একৃজিকিউটিভ্‌ ইঞ্জিনিয়েৰ আৰু কৰ্ণেল শিৱৰাম বৰা চিভিল চাৰ্জ্জন আছিল।

ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱা ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ পুতেক। তেওঁ কলিকতাত ডাক্তৰী পঢ়ি বন্দুৱাদলৰ অভিভাৱক হৈ ব্ৰিটিছ গিনিলৈ গৈছিল। তেওঁ অতি সুখ্যাতিৰে কাম কৰি পিছত ডাক্তৰৰ ডিপ্লোমা গ্লাছগ' আৰু এডিনবৰা বিশ্ববিদ্যালয়ৰপৰা পালে।

এতিয়া মই এই মহাৰণৰ এজন প্ৰতাপী ৰণুৱাৰ দৃষ্টান্ত দিওঁ। মেজৰ জেনেৰেল ছাৰ প্ৰতাপসিংহ ৰাজপুত মহাৰজা, মহাপ্ৰতাপী আৰু সাহিয়াল। প্ৰথমে যেতিয়া মহাযুদ্ধ আৰম্ভ হয় তেতিয়া তেওঁ নিজক আৰু নিজৰ তৰোৱালক চৰকাৰক গতাই দিলে। তেওঁ ডেকা মানুহ নহয়। তেওঁক বুঢ়া বুলিব পাৰি। তেওঁ কৈছিল যে ৰজা-মানুহ ৰণত মৰিব লাগে; নিজৰ ঘৰত মৰিব নালাগে কিয়নো ৰণৰ কুকুৰা ৰণত মৰে। তেওঁৰ নিজৰ দেশৰ কিছু কামৰ নিমিত্তে চৰকাৰে তেওঁক ৰণৰপৰা ওভোতাই আনিলে। মহাৰজাই ৰণৰপৰা উভতি অহাত ভাল নেপালে। তেওঁ কৈছিল যে

আমাৰ নাম সিংহ আৰু সিংহই যুদ্ধ এৰিব নেলাগে। যদি সিংহই যুদ্ধ এৰে তেতিয়া সিংহ নাম নেথাকে। সেই নিমিত্তে মই মোৰ নামৰ পাছত সিংহ উপাধি লিখিব নোৱাৰোঁ। পুনৰ যেতিয়া তেওঁক ৰণলৈ ঘূৰি যাবলৈ অনুমতি দিলে তেতিয়া তেওঁ কলে যে এতিয়া মই আকৌ সিংহ উপাধি লিখিব পাৰোঁ। ছাৰ প্ৰতাপসিংহ ৰণলৈ উভতি গল আৰু এতিয়াও সম্ৰাট জৰ্জ্জ—আমাৰ মহাৰজাৰ ৰণুৱাৰ লগত ৰণ কৰি আছে। তেওঁ বয়সত বৃদ্ধ কিন্তু সাহত চিৰ যুৱা। এই মহাবীৰৰ জীৱন-চানেকিৰপৰা আমাৰ কিমান মহৎ শিক্ষালাভ হব পাৰে। চোৱাচোন সাহ কিমান ডাঙৰ গুণ!

ওপৰত দিয়া দৃষ্টান্তবোৰৰ এটিৰ বাহিৰে সকলোবিলাকেই ভাল ভাল অসমীয়া মানুহৰ জীৱন-বৃত্তান্তৰপৰা কোৱা হৈছে আৰু আশা কৰোঁ যে তোমালোকৰ ছাত্ৰবিলাকেও সেইবোৰ দৃষ্টান্তৰপৰা উপদেশ লাভ কৰিবা।

"Lives of great men all remind us,
We can make our lives sublime,
And departing leave behind us,
Footprints on the sands of time
Footprints that perhaps another,
Sailing o'er life's solemn main,
A forlorn and shipwrecked brother,
Seeing shall take heart again.
Let us then be up and doing,
With a heart for any fate,
Still achieving, still pursuing,
Learn to labour and to wait".

প্ৰিয় ছাত্ৰবিলাক আৰু সকলো যোৰহটীয়া বন্ধুসকল! আমাৰ এটি কথা শুনিব যে আমি আমাৰ কমিছনাৰৰ পদেৰে যি আপোনালোকৰ লগত কথাবাৰ্ত্তা হৈছোঁ এই আমাৰ কিজানি শেষ বাৰ বুলি জানিছো। অসমীয়া মানুহৰ লগত ত্ৰিশ বছৰৰ ওপৰ কালৰপৰা কামকাজ কৰি

আহিছোঁ। সেই নিমিত্তে আপোনালোকৰপৰাও বিদায় লোৱা হৈছে। অসমীয়াৰ লগত বহু কাল কটালোঁ। আৰু এই দীৰ্ঘকালৰ ভিতৰত বহু মানুহৰ লগত চিনা-পৰিচয় হ'ল আৰু তেওঁলোকৰ নিমিত্তে বহু কামো কৰা হ'ল। যদি কোনো মানুহক নেজানি কিম্বা অকস্মাতে বেয়া কৰিছিলোঁ। মই সেই নিমিত্তে তেওঁলোকৰ ওচৰত ক্ষমা মাগিছোঁ। ছাত্ৰ বন্ধুসকল! তোমালোকৰ ভিতৰত আৰু গোটেই অসমীয়াৰ ভিতৰত আমাৰ বহু মিত্ৰতা আছে আৰু এই মিত্ৰতাৰপৰা মই অতি সন্তোষ পাই আহিছোঁ। মই আশা কৰোঁ যেন আমাৰ যোৱাৰ পিছত আমাৰ বন্ধুসকলেও সেই মিত্ৰতা নেৰে আৰু অন্তঃকৰণত মৰম বেথা ৰাখে। ঈশ্বৰৰ ওচৰত এই প্ৰাৰ্থনা, অসমৰ আৰু অসমীয়া মানুহৰ যেন কুশল হয় আৰু তেওঁবিলাক যেন উন্নতিপথত আগবাঢ়ে। অৱশেষত মই ছাত্ৰ-কমিটীক আমাৰ কৃতজ্ঞতা জনাওঁ যে সেই কমিটীয়ে আমাক সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ কৰিছিল।*

* সভাপতিয়ে অসমীয়া ভাষাৰে ৰচনা কৰি এই অভিভাষণ পঢ়িছিল। অৱশ্যে সুবিধাৰ বাবে ৰোমাণ আখৰেৰে লিখি লৈছিল। —সংগ্ৰাহক।



পদ্মনাথ গোহাঞি বৰুৱা

তৃতীয় ভাষণ

সভাপতি ঃ—পদ্মনাথ গোহাঞি বৰুৱা

ডিব্রুগড—ডিচেম্বৰ ১৯১৮ চন

প্রিয় ছাত্রবন্ধুসকল আৰু লগৰীয়া ৰাইজ! ঈশ্বৰৰ ইচ্ছাত, এটি সমজুৱা মহান ভাৱত আজি আমি এই ঠাইত সম্মিলিত হৈছোঁহিহঁক। এই সম্মেলনৰ উদ্দেশ্য অতি মহৎ। এই মহৎ মানে সততে আমি যেনে ধাৰণা কৰোঁহঁক, ঠিক তেনে নহয়;—এই মহৎ মানে অতি গভীৰ, অতি উচ্চ, অতি প্রশস্ত। ইয়াৰ গভীৰতাই পাতাল ভেদিছে, উচ্চতাই স্বৰগ চুইছে, প্রশস্ততাই জগত জুৰিছে। এনে এটি মহৎ উদ্দেশ্যে আজি শুভক্ষণত এই মহাসম্মেলন ঘটাইছে, যাৰ মহা আকর্ষণে এই অতি ক্ষুদ্র ছিগা বেজীৰ মামৰে ধৰা আগ এটিকো টানি আনি আপোনাসকলৰ মাজত পেলাইছেহি। ক্ষুদ্রক মহৎ সাজি আত্ম-মহত্ত্ব দেখুৱাৰ মহান ভাৱেৰে আজি আপোনাসকলে এই অভাজনক এই মহাসম্মেলনৰ সভাপতি পাতি যি কৰুণভাৱে তেওঁক সম্মানিত কৰিছে, সেই বাবে তেওঁ হিয়াৰ সমল উবুৰিয়াই দোণমূৰীয়াকৈ থাপি এখনি শলাগৰ শৰাই বিনীতভাৱে আপোনাসকললৈ আগবঢ়াইছে; তাক নিজগুণে গ্রহণ কৰি যেন তেওঁক চৰিতার্থ কৰে, তেওঁৰ এই বাঞ্ছা। এই সন্মান দানত আপোনাসকলে যি দয়া দেখুৱাইছে, সি নিশ্চয় নিঃস্বার্থ ভাৱৰ; কিন্তু শলাগৰ শৰাই আগবঢ়াওঁতাৰ উদ্দেশ্য তেনে নির্ম্মল নহয়, তাত এফেৰি স্বার্থৰ চেকা আছে—সেই স্বার্থ ক্ষমা লাভ। কাৰণ আজি এই অপাত্রই সভাপতিৰ পাত্র হবলৈ গৈ যে হাঁহিয়াতৰ পাত্র হব, তাত লেশমানো সন্দেহ নাই। তাৰ প্রমাণ অলপ পিছৰপৰাই আপোনাসকলে ক্রমাৎ পাই যাব। এতেকে ইমানৰেপৰা ক্ষমা ভিক্ষালৈ আঁজলি পাতি আমনি কৰাৰ বাবেও যেন তেওঁ ক্ষমা পায়। তথাপি আপোনাসকলে নিজগুণে মানিছে যেতিয়া, তেওঁ পতান হৈয়ো ধানৰ কাম দিবলৈ সাহ কৰি এই আসন লবলৈ আগবাঢ়িছে। এতিয়া আহক,

সকলোটিয়ে একেচিতীয়া হৈ জয়জয়তে সিদ্ধিদাতা ভগৱন্তৰ চৰণত গোহাৰি কৰোঁহঁক, সেই ইচ্ছাময়ৰ ইচ্ছাত আমাৰ আজিৰ মহৎ উদ্দেশ্যৰ আগত লোৱা শুভকাৰ্য্য সুকলমে সম্পাদিত হয় যেন।

বক্তৃতাৰ পাতনি মেলাটো আজিকালি আমাৰ দেশ-দস্তুৰ, যদ্যপি ইংৰাজী দস্তুৰ ধৰোঁতাসকলে তাক চমু কৰিবলৈ শিকিছে। আমি সৰহভাগে কিন্তু সেই সাময়িক শিক্ষাৰ এতিয়াও ভাল গুণ ধৰাব পৰা নাই। গতিকে, আমাৰ পাতনিৰ দীঘ আগৰ সমানেই আছে আৰু সেই সমানেই আৰু কিছু কাললৈ থাকিব। সেই পাতনিৰ পাতৰ আঁৰ লৈয়ে এই অপাত্ৰই তেওঁৰ উপস্থিত অসুবিধাৰ বিষয়ে আভাস দি থবলৈ এইখিনিতে ছেগ বিচাৰিছে, যাতে ইয়াৰ গুণত পিছত ক্ষমালাভ এফেৰি উজু হৈ পৰে। কোৱা বাহুল্য মাথোন যে এই নিঃকিনৰ শক্তিতকৈ বিবিধ উদ্দেশীয়া ভক্তিৰ বাব ভালেমান গুণে চৰা হৈ উঠিছে। যি সময়ত আজিৰ এই সন্মেলনৰ সভাপতিৰ বাব তেওঁৰ শিৰলৈ টোঁৱাই আগবঢ়োৱা হয়, সেই সময়ত আন এটা তেনে গুৰুতৰ বাবৰ ভৰত তেওঁৰ মূৰ দোঁ খাই আছিল, তেতিয়া আহোম কেন্দ্ৰ-সভাৰ কৰ্ত্তব্যই তেওঁক তল নিয়াই থৈছিল। সেই একে সময়তে, অসম এছোচিয়েচনৰ অহা বছেৰেকীয়া অধিবেশনৰ সভাপতিৰ বাবলৈকো মূৰ পাতিব লাগে বুলিও আদেশ-অনুৰোধ আহি উপস্থিত। তদুপৰি ৰণসংক্ৰান্ত কিছুমান ৰজাঘৰীয়া কাৰ্য্যৰ ভাৰে তেওঁক ভিৰ খুৱাই থৈছেই। এনে অৱস্থাত এই সন্মেলনৰ সভাপতিৰ দায়িত্ব ভাৰ লবলৈ আগবঢ়াটো পোনেই অসম্ভৱ যেন লাগিছিল; পিছে, ছাত্ৰৰ লগত সততে বৈ-বৈ থকা এই জীৱনৰ সৰল সহানুভূতিয়ে ওপৰত কোৱা ভাৱনা ততালিকে তল পেলালে। এই নিশকতীয়াই এক আচৰিত শক্তিৰ বলত উত্তেজিত হৈ আজিৰ গধুৰ কৰ্ত্তব্যৰ ভাৰ মূৰ পাতি ধৰিলে। এতিয়া শক্তিৰ নাটনি পৰিলেও যেন ভক্তিৰ নাটনি নপৰে, ঈশ্বৰৰ চৰণত এই প্ৰাৰ্থনা।

অসমত ছাত্ৰ-সন্মেলনৰ উৎপত্তিৰ বিষয়ে সবিশেষ আমি নেজানোহঁক। এই মহৎ অনুষ্ঠানৰ বিষয়ে কাৰ মূৰত কেতিয়া, কি ভাৱে খেলাইছিল তাৰ সম্ভেদো আমি নাপাওঁ। মাথোন এই সন্মেলনৰ পোনপ্ৰথম অধিবেশন গুৱাহাটীত যেতিয়া হয়, তেতিয়া আমাৰ এই বিশ্বাস হৈছিল যে সেইখন "অসমীয়া সাহিত্য সন্মেলনী"। তাত নবীন আৰু প্ৰবীণ সকলো

সাহিত্যিকৰ যোগ থাকিব। তাক সততে ‘অসম এছোচিয়েচনৰ’ গঢ়িলা লৈ বছৰি পতা হব, ইত্যাদি। বাস্তৱতে পোনেই এনেভাৱেহে আমি ইয়াৰ সম্ভেদ পাওঁহঁক আৰু সেই ভাৱেই নিমন্ত্ৰণ পোৱাও মনত পৰে। দুৰ্ভাগ্যক্ৰমে উপস্থিত হবগৈ পৰা নহল যদিও সেই অধিবেশনৰ পিছত আচল তত্ত্ব পোৱা হয় যে সেই সম্মেলন সুকীয়াকৈ ছাত্ৰসকলৰহে তাত অভিভাৱক বা ছাত্ৰশ্ৰেণীৰপৰা বাদ-পৰা বা বাজ হোৱা দলৰ ভাগ নাই। তাত ইবিলাকৰ সহানুভূতি মাথোন থাকিব আৰু তাত সাহিত্য-চৰ্চ্চাৰ এদনীয়া দাও নাই, মাথোন “ছাত্ৰসকলৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা উদ্দেশ্যৰ যোগ থাকিব।” আনকি “ইয়াত অসমীয়া অভিধান, ব্যাকৰণ বা ভাষাৰ গঢ় লৈ বাদ-প্ৰতিবাদও হব নোৱাৰে।” কিন্তু এই সম্মেলনৰ জন্মৰ পূৰ্ব্বেই ইয়াৰ পোনপ্ৰথম অধিবেশনৰ আগৰ বছৰতে ডিব্ৰুগড়ত বহা “অসম এছোচিয়েচনৰ” বছেৰেকীয়া অধিবেশনৰ সংসৰ্গত “অসমীয়া সাহিত্য সম্মেলনীৰ” গুটি পচোৱা হৈছিল। পিছে এই ছাত্ৰ-সম্মেলন সেই গুটি পচোৱাৰ গছ নহয় বুলি চিন ওলোৱাত ছাত্ৰশ্ৰেণীৰ বাজ সাহিত্যিকসকলে সাহিত্য সম্মেলনী এখন সুকীয়াকৈ পাতিবলৈ আয়োজন কৰে। তাৰ ফলত আজি “অসম ছাত্ৰ-সম্মেলন” আৰু “অসম সাহিত্য সভা” নামে দুখন সুকীয়া সম্মেলনী আমাৰ লাভ হৈছে। ই আমালৈ বৰ সন্তোষ আৰু সৌভাগ্যৰ বিষয়। দুয়োখনি সম্মেলনীৰ উদ্দেশ্য একে জাতৰ আৰু দুইৰো গঢ় একে বান্ধৰ। দুয়োখন সম্মেলনীৰপৰা যে আমাৰ দেশৰ অশেষ উপকাৰ হব, তাক কোৱাৰ সকাম নাই। কিন্তু এই দুইৰ ভিতৰত ছাত্ৰ-সম্মেলনীৰ সৃষ্টি নতুন আৰু ইয়াৰ উদ্দেশ্য যুটীয়া কণাধাৰী। গতিকে ইয়াৰ উদ্ভাৱক, প্ৰস্তাৱক আৰু প্ৰৱৰ্ত্তক বেছি প্ৰশংসাৰ পাত্ৰ। বয়সতো ই সাহিত্য সভাতকৈ এবছৰৰ আগ হৈছে, কাৰ্য্যতো সেই অনুক্ৰমে আগ হব বুলি আশা কৰোঁহঁক। এইখিনিতে কাৰোবাৰ মনত এনে আসোঁৱাহ বাজি উঠিব পাৰে যে ছাত্ৰই অভিভাৱকতকৈ বয়সত আগ হয় কেনেকৈ? কিন্তু আচৰিত মানিবলগীয়া কথা নহয়, অলপ টং কৰি চালেই বুজা যায় যে ই নিচেই স্বাভাৱিক কথা। কাৰণ ছাত্ৰ হৈহে অভিভাৱক হয়গৈ। এতেকে সেইপাকত ছাত্ৰ বয়সত অভিভাৱকতকৈ আগ নহল জানো? সি যিহওক, আৰু বেলি শিৱসাগৰত পতা “অসমীয়া সাহিত্য সভাৰ” পোনপ্ৰথম অধিবেশনত সভাপতিৰ সম্ভাষণত এই দুই সম্মেলনীৰ যুটীয়া উদ্দেশ্যৰ

বিষয়ে যি উন্নুকিওৱা হৈছে, তাক সম্পূৰণকৈ বহলাই কাৰ্য্যত লগাবলৈ যেন হুয়ো সম্মেলনীৰ লক্ষ্য থাকে, এই বাঞ্ছা।

এতিয়া সুকীয়াকৈ ছাত্র-সম্মেলনৰ উদ্দেশ্যৰ উদ্দেশ্যে দু-আষাৰ কব লাগে। "অসম ছাত্র-সম্মেলনৰ" নিয়মাৱলীয়ে কয় যে সেই উদ্দেশ্য ঘাইকৈ তিনি খাপি। যেন,—

(১) সমূহ অসমীয়া ছাত্রৰ উন্নতিৰ অৰ্থে তেওঁবিলাকক যথাসম্ভৱ সুবিধা দি গুটীয়া কাৰ্য্যত সহায়তা কৰা।

(২) তেওঁবিলাকৰ সাহিত্যিক শক্তিৰ ক্রমোন্নতি সাধন কৰা।

(৩) স্কুল-কলেজৰ শিক্ষাৰ ওপৰঞ্চি স্বৰূপে তেওঁবিলাকৰ মানসিক আধ্যাত্মিক, শাৰীৰিক শক্তিৰ পৰিচালনাত সহায়তা কৰা।

প্রথম খাপি উদ্দেশ্যক উদ্দেশ্য বোলাৰ উপৰি ছাত্রজীৱনৰ জীৱনা-মন্ত্র বা সঞ্জীৱনী শক্তি বুলিলে অত্যুক্তি নহব। কাৰণ তাৰ বিহনে ছাত্রজীৱন স্বৰূপাৰ্থত টিকিব নোৱাৰে। সেই মন্ত্র মুখস্থ নাথাকিলে ছাত্রজীৱনত খোজেপতি অপৰাধ সুগুচে। সেই শক্তি সবল নাথাকিলে ছাত্রজীৱন বাঢ়িবৰ সম্ভাৱনা নাই। "গুটীয়া কাৰ্য্যত সহায়তা কৰা" প্রত্যেক ছাত্রৰে সুকীয়া লক্ষ্য, আনকি "সমূহ ছাত্রৰ উন্নতিৰ অৰ্থে সুবিধা দিয়া" কাৰ্য্যেও পাক লাগি সেই গুটীয়া কাৰ্য্যতে সহায়তা কৰে। এই কাৰ্য্যৰ আঁহি সাংসাৰিক জীৱনত ঠিক এইদৰে পোৱা যায় ;—যেনে পৰিয়ালক পালিবলৈ কৰা যত্নতে নিজেও প্রতিপালিত হোৱা যায় ; জাতিৰ উপকাৰ চিন্তোতে নিজৰো উপকাৰ চিন্তা কৰা হয় ; জাতীয় উন্নতি সাধন কৰোঁতে নিজৰো উন্নতি সাধিত হয়। এই কথা ইয়াতকৈ উজু কৰিবৰ অৰ্থে ইয়াৰ ব্যাখ্যা বহলাবৰ সকাম নেদেখো ; কিয়নো ছাত্রসকলে যোৱা দুবছৰত এই কথাৰ কাৰ্য্যতঃ প্রমাণ পাই আহিছে। তথাপি কব লাগিলে সমূহ ছাত্রৰ উন্নতিৰ অৰ্থে যি সুবিধালৈ সম্মেলনৰ উদ্দেশ্যই ঠাই থৈছে, সেই সম্পৰ্কত আৰু একোষাৰ দোহাৰি কবলৈ এই আছে যে সাধাৰণতে সম্মেলনৰ ধৰ্ম্মই হৈছে সেই। অৰ্থাৎ সমূহক সুবিধা দি তাৰ লাটতে গুটীয়াৰ উপকাৰ কৰাটোৱেই সম্মেলনৰ ধৰ্ম্ম আৰু তাক পালন কৰাই ইয়াৰ কৰ্ম্ম। ছাত্র সম্মেলনহে নালাগে আন সকলো সম্মেলনেই সেই একে জাতৰ আৰু সেই একে বান্ধৰ। সামাজিক, ৰাজনৈতিক, ধৰ্ম্মবিষয়ক সকলো সম্মেলনৰেই মুখ্য উদ্দেশ্য হৈছে, সমূহক সুবিধা দি সমূহ আৰু গুটীয়া জীৱনৰ উন্নতি সাধন কৰা। আজিকালি

সকলো উন্নত সমাজৰ ধৰণী হৈছে সম্মেলন। সকলো ওখথাপৰ ৰাজনীতিৰ ভেঁটি হৈছে সম্মেলন। সকলো সত্য আৰু পৱিত্ৰ ধৰ্ম্মৰ গঢ়িলা হৈছে সম্মেলন। সভ্য আৰু শিক্ষিত জাতিৰ কথা কবই নালাগে, অসভ্য আৰু অশিক্ষিত জাতিৰ মাজতো সম্মেলনৰ আৱিৰ্ভাৱ আৰু প্ৰাদুৰ্ভাৱ চিৰকাল চলি আহিছে। আপোনাসকলৰ ভিতৰত যিসকলৰ পৰ্ব্বতীয়া আৰু গাঁৱলীয়া মানুহৰ জাতীয় জীৱনৰ বিষয়ে অভিজ্ঞতা আছে সেইসকলে এই ঠৌৰতে কোৱা কথা বহলাই বুজিবলৈ টান পোৱা নাই চাগে। পৰ্ব্বতীয়া জাতিৰ মেল-দোৱান, গাঁৱলীয়া সমাজৰ চালিচ পঞ্চায়ত, শিক্ষিত নগৰীয়াৰ সভা-সমিতি এইবিলাক সম্মেলনৰ সৰু আহি নহয় যে কি? কোৱা বাহুল্য মাথোন যে শাসন-পদ্ধতিৰ গাতো সম্মেলনৰ সৰু আহি বৰ্ত্তমান। এতেকে 'অসম ছাত্ৰ-সম্মেলনৰ'পৰা সমূহ অসমীয়া ছাত্ৰৰ উন্নতিৰ অৰ্থে সুবিধা লৈ গুটীয়া কাৰ্য্যত সহায়তা আশা কৰাটো অসমীয়া ছাত্ৰৰ পক্ষে যে সঙ্গত হাবিয়াস, তাক দোহাৰি কোৱাত বাজে তাৰ পাত বঢ়োৱাৰ সকাম নাই।

সম্মেলনৰ শক্তি যেনে প্ৰৱল, তাৰ কাৰ্য্যও তেনে প্ৰখৰ আৰু তাৰ বিফলতাও বিৰল। 'ৰাইজে নখ জোকাৰিলে নৈ বয়', 'সৰহীয়াৰ ছালশিঙীয়াই হওক' এই নীতি বাক্যই পাক লাগি তাকেইহে সমৰ্থন কৰে। আন কথাৰে কবলৈ গলে সম্মিলিত শক্তিয়েই একতাৰ বল, যি বলৰ বিষয়ে আপোনাসকলে অনেক গ্ৰন্থ অনেক প্ৰৱন্ধ লিখিছে আৰু পঢ়িছে আৰু যি বিষয়টো আজি ইমান পুৰণি, ইমান চিনাকি আৰু ইমান ঘৰুৱা হৈ পৰিছে যে তাৰ সম্পৰ্কে পঢ়াশলীয়া সৰু সৰু ছাতৰেও দুআষাৰ কবজনা হৈছে। শক্তিৰ সম্মিলন বা একতাৰ অৰ্থে যি একাগ্ৰতাৰ প্ৰয়োজন সেই একাগ্ৰতা ছাত্ৰজীৱনত ভৰপূৰ। এই বিষয়ে যথাঠাইতে আকৌ উমুকিওৱা হব। এতেকে ছাত্ৰশক্তিৰ সম্মেলনত যে অনেক অসাধাৰণ কাৰ্য্য সাধিত হব পাৰে আৰু তাৰ বিফলতাও যে বিৰল তাক পাগুলিবৰ সকাম নাই। ছাত্ৰৰ সম্মিলিত শক্তিৰ দ্বাৰা পৃথিৱীত যিবিলাক মহৎ কাৰ্য্য সম্পাদিত হৈছে, তাৰ অলেখ পটন্তৰ আপোনাসকলে গ্ৰন্থাদিত অৱশ্যে পাইছে।

এইখিনিতে ছেগ বুজি সম্মেলনৰ ছাত্ৰমণ্ডলীক সিবিলাকৰ এটি বৰ লাগতিয়াল সঙ্কল্পলৈ সোঁৱৰাই দি, একোবাৰ কোৱা যায় যে চৰ্চিয়েল চাৰ্ভিচ লীগ বা "সমাজ সেৱক সমিতি" বুলি সম্মিলিত ছাত্ৰশক্তিত

এটি সুঁতি বোৱাই অসমীয়া সমাজ-ক্ষেত্ৰৰ ক্ৰমোন্নতি সাধিবলৈ যি সুপ্ৰস্তাৱ চলিছে তাক সোনকালে কাৰ্য্যত লগাবলৈ যুগুত দিহা হয় যেন। মহাত্মা গোখেলৰদ্বাৰা প্ৰতিষ্ঠিত 'চাৰ্ভেণ্ট অব ইণ্ডিয়া চচাইটি' ইয়াৰ আহিঁ হোৱা বাঞ্ছনীয়। এই শক্তিসুঁতিৰ আগত ছাত্ৰৰ কৰ্ত্তব্য ভালেমান জিলিকি আছে। তাৰ ভিতৰৰ ঘাই ঘাই গোটাচেৰেকলৈ আঙুলিয়াই মাথোন দিয়া যায়। যেনে, (১) গাঁৱলীয়া স্বাস্থ্যৰ উন্নতি বিধানৰ অৰ্থে ছেগ বুজি উপদেশ আৰু কাৰ্য্যৰ পটন্তৰে সৈতে সহায়তা কৰা, (২) খেতি-পথাৰ, বেহাবেপাৰ, শ্ৰমশিল্প ইত্যাদিৰ উন্নতি সাধিবলৈ অশিক্ষিত গাঁৱলীয়া সমাজক চলপালেই সাৰুৱা উপদেশেৰে উদগনি দিয়া, (৩) অসম দেশৰ এৰী, পাট, মুগা, মেজাঙ্কৰী আদি অতি উত্তম আৰু বহুমূলীয়া সূঁতা আৰু তাৰদ্বাৰা যুগুত কৰা বিচক্ষণীয়া কাপোৰ-কানিৰ বেহাবেপাৰ আৰু ব্যৱহাৰৰ পৰি যোৱা কাৰবাৰ আকৌ তুলিবলৈ বৰ্ত্তমানৰ বিজতৰীয়া ডিজেনেৰেটেদ্ অসমীয়া সমাজক বুদ্ধি পৰামৰ্শ দিয়া, (৪) অসমীয়া তিৰোতাৰ হাতৰ কাম, অসমীয়া গৃহিণীৰ সবাতো ভাল গুণ, অসমীয়া জীয়াৰীৰ সৰ্ব্বোচ্চ সাংসাৰিক মহলাৰ বিষয় অসমীয়া শিপিনী-কাৰ্য্যৰ শ্ৰীবৃদ্ধিৰ অৰ্থে ঘৰে-পৰে উৎসাহ আৰু উপদেশ দিবলৈ ছেগ লোৱা, (৫) অসমীয়া সমাজত অন্ধ-বিশ্বাস বা কুসংস্কাৰে ঘটোৱা অপায় অমঙ্গল আদি খণ্ডাবলৈ অশিক্ষিত মানুহক জ্ঞানৰ পোহৰেৰে প্ৰকৃত তত্ত্ব দেখুৱাই দি সমাজ-সংস্কাৰ সাধিবলৈ সুযোগ বিচৰা, (৬) গাঁৱলীয়া মানুহৰ মাজত পাঠক সমাজ (ৰিডিং-পাব্লিক) গঠন কৰাই তাত দেশৰ আৰু সমাজৰ উপকাৰী সজ গ্ৰন্থ, সহজ প্ৰবন্ধ, বাতৰি কাকত আদি পঢ়াৰ বাপ বহুৱাবলৈ পাৰ্য্যমানে চেষ্টা কৰা, (৭) গাঁৱলীয়া লৰা আৰু অভিভাৱকৰ মানত ধৰাবন্ধা শিক্ষাৰ (কম্পালচৰী এডুকেছন) বাগী বহুৱাবলৈ যত্ন কৰা ইত্যাদি। ইয়াত বাজেও এনে অনেক কৰ্ত্তব্য আছে যিবোৰ আপোনাআপুনি কাৰ্য্য ক্ষেত্ৰত আপোনাসকলৰ চকুত পৰি গৈ থাকিব। এনেবিলাক উদ্দেশ্যে চচিয়েল চাৰ্ভিচ লীগ নামে যি সেৱক সমিতি অসম ছাত্ৰ সম্মেলনে গঠিত কৰিবলৈ পাতিছে, সি যে দেশহিতকৰ এটি মহৎ অনুষ্ঠান তাত অলপো সন্দেহ নাই। বৰ সুখৰ বিষয়, এই সম্মেলনৰ নিৰ্দ্ধাৰিত-কাৰ্য্যৰ সামৰণিৰ পিছত, এই মণ্ডপতে সেই সমিতি গঠনৰ বিষয়ে আলোচনা কৰা যাব বুলি ছাত্ৰ-নেতা এভাগৰপৰা আগধৰি জানিবলৈ পোৱা গৈছে। আশা কৰোঁ ইয়াৰ

নিয়ম-প্ৰণালী বান্ধোনত উপস্থিত সমজুৰা বিজ্ঞলোকসকলৰপৰা ছাত্ৰ-সকলে সহানুভূতি আৰু সৎ পৰামৰ্শ লাভ কৰিব।

কিন্তু এইখিনিতে এফেৰি সতৰ্ক হবলগীয়া যে সমূহৰ কৰ্ত্তব্য পালন কৰোঁতে যেন গুটীয়াৰ কৰ্ত্তব্যলৈ পিঠি দিয়াটো কেতিয়াও নহয়। কিয়নো যি গুটীয়াকৈ গা কৰিব নোৱাৰে, তাৰ সহযোগিতাই সমূহৰ শ্ৰীবৃদ্ধিত ভাল গুণ দিব নোৱাৰে। ছাত্ৰৰ গাত এই কথা বিশেষকৈ ফলিয়ায়। যি ছাত্ৰই সমূহৰ কামত উধাতু হৈ লাগি স্বকীয়া শিক্ষালৈ আওকাণ কৰে, সেই ছাত্ৰই প্ৰথমতে গুটীয়াকৈ আগুৱাব নোৱাৰি পাছ পৰে, শেহত তেওঁ সমূহৰ লগত উধাবলৈকো অপাৰগ হয়। গতিকে সেই ছাত্ৰৰ সেই ধাউতিৰপৰা স্বকীয়া আৰু সমূহীয়া লাভতকৈ ক্ষতি বেছি হয়। বৰ সন্তোষৰ কথা যে এতিয়ালৈকে অসম ছাত্ৰ-সম্মেলনত এই আশঙ্কাৰ কেৰোণে ধৰা আমি দেখা নাইহঁক। যোৱা দুবছৰে এই সম্মেলনে গন্তব্য বাটে যিদৰে আগুৱাইছে, তাৰ আভাসৰ পোহৰেৰে চাই পঠিয়ালে ইয়াৰ ভৱিষ্যত বৰ পোহৰ দেখা যায়।

দ্বিতীয় খাপি উদ্দেশ্যৰ সঙ্কল্প হৈছে ছাত্ৰসকলৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা। এইখাপি উদ্দেশ্য প্ৰথম খাপিৰ সৰ্বাতো ভাল লক্ষ্যস্থল বুলিলে বঢ়াই কোৱা নহব। গুটীয়াৰ উন্নতিৰে সমূহক আৰু সমূহৰ উন্নতিৰে গুটীয়াক সহায়তা কৰা এই দুয়োতে দ্বিতীয় উদ্দেশ্যৰ অধিকাৰ অধিক। ছাত্ৰজীৱনেই সাহিত্যিক জীৱনৰ গা-গজালি। এই গজালিৰপৰাই গছ, আৰু সেই গছৰপৰাই গুটি। আনফালে গছ চাইহে গুটি আৰু গজালি চাইহে গছ। গতিকে গজালিৰ গঠনৰ ওপৰতহে গুটিৰ গুণাগুণে ঘাইকৈ নিৰ্ভৰ কৰে। এতেকে জাতীয় সাহিত্য-গছৰ শ্ৰীবৃদ্ধি সাধি তাৰপৰা উন্নত আৰু পৈণত ফল পাবলৈ হলে প্ৰথমে ছাত্ৰ-গজালিৰ গুৰিত সাহিত্যৰ সাৰ-শক্তি যতনেৰে যোগাব লাগে। গজালিৰ কুমলীয়া গাত যাতে কেৰোণে ধৰিবলৈ নাপায়, তাৰ নিমিত্তে সততে সতৰ্ক থাকিব লাগে। মুঠতে গছ হৈ নুঠালৈকে গজালিয়ে যুগুত আপডাল পাব লাগে। পিছে সেই সাৰ-শক্তিনো কি আৰু তাক কি প্ৰণালীৰে যোগান দি, কিভাৱে গজালিৰ সাৱধান লোৱা যুগুত? সেই সাৰ হৈছে সাহিত্য-চৰ্চ্চাৰ আভাস, তাক যোগান দিয়াৰ প্ৰণালী হৈছে ছাত্ৰৰ দৈনন্দিন অধ্যয়নৰ লগৰীয়াকৈ তাৰ অনুশীলন বঢ়োৱা আৰু সতৰ্কতাৰে বিধিমতে সেই অনুশীলন এনে বান্ধৰ হব লাগে যাতে অধ্যয়নৰ অপৰাধৰ অজলৈ পিঠি দি ছাত্ৰই অকল

সাহিত্যিক চৰ্চ্চাৰ বাটে ছুঁয়াকাটি নাযায়গৈ। অৱশ্যে যি ছাত্ৰৰ স্বাভাৱিক ৰাপ এই বিষয়ত প্ৰবল, তেওঁৰ ধাউতি সেইকালে কোবাল নহৈ নোৱাৰে। তাৰপৰা সেই ছাত্ৰৰ অনিষ্ট নহৈ কালত গুটীয়াৰ আৰু সমূহৰ ইষ্ট লাভ হবলৈহে আছে। বিশেষতঃ যাৰ সেই ৰাপ আজন্ম, তেওঁৰ ধাউতিও অবাৰিত। তাত ভেটা দিবলৈ গলে প্ৰৱাহিত নৈৰ দৰে সি ওপচনি হৈ পাৰ বাগৰি কাষৰীয়া ক্ষেত্ৰ ঢৌৱাই ৰবলৈ ধৰিব। তাৰপৰা গুটীয়াৰ আৰু সমূহৰ লাভ হবলৈকো আছে, ক্ষতিৰ আশঙ্কাও মুগুচে। লাভ এই যে আজন্ম প্ৰতিভাই প্ৰতিভাত হবলৈ অবাৰিত বাট পালে সি সংসাৰত অসাধাৰণ উদাহৰণ থিয় কৰাব পাৰে। ক্ষতি এই যে, সংসাৰৰ পাকত মুঘূৰা স্বভাৱজ কোবাল সাহিত্যিক-শক্তিয়ে থল বুজি ওখ-চাপৰ ভেঁটা চেৰাই ৰবলৈ নাপালে অপৰিমিত বোৱনৰ ফলত সোনকালে মূলত সাৰ শক্তি শূন্য হৈ অকালত সি অস্তিত্ব হেৰুৱাৰো আশঙ্কা থাকে। দুয়ো বিধৰ পটন্তৰৰ অভাৱ নাই আৰু তেনে পটন্তৰ এই বক্তাতকৈ বোধ কৰোঁ আপোনাসকলে সৰহকৈহে দিব পাৰিব। গতিকে বক্তৃতাৰ দীঘ বঢ়োৱাৰ ভয়ত তাৰপৰা ক্ষান্ত হোৱা গল। ছাত্ৰৰ সাহিত্যিক-শক্তিয়ে যে সংযতভাৱে বাট পোৱা বিধেয়, সংসাৰৰ অভিজ্ঞতা থকা জ্ঞানীজনে তাত ভুল নাই বুলি কয়। এনে সংযতভাৱে বাট পোৱা ছাত্ৰৰ সাহিত্যিক শক্তিয়ে কালত দেশৰ অশেষ কল্যাণ সাধন কৰাৰ পটন্তৰ পৃথিৱীৰ বুৰঞ্জীত বুৰি বুৰিকৈ পোৱা যায়। তাৰ ভিতৰৰ এটি মাথোন আপোনাসকলৰ নিজৰ দেশৰ, নিজৰ ঘৰৰ সুপৰিচিত পটন্তৰ দাঙি ধৰোঁ। তেওঁ অসমীয়া সাহিত্যৰ ওজা মহাত্মা হেমচন্দ্ৰ বৰুৱা। কাষলতিৰ তলত লুকাই ইংৰাজী সাহিত্যৰ আদিপাঠ লৈ পাত্ৰী চাহাবৰ ওচৰত ইংৰাজী শিকি আৰু সেই ছেগতে চাহাবক অসমীয়া শিকাই পণ্ডিত হোৱা হেমচন্দ্ৰই অসমীয়া আৰু ইংৰাজী সাহিত্যত যি অসাধাৰণ ব্যুৎপত্তি লাভ কৰিছিল তাক আপোনাসকলে বেছকৈ জানে। সেই হেমচন্দ্ৰ বৰুৱাই স্কুল-কলেজ দেখা নাছিল যদিও তেওঁ ছাত্ৰ, কাৰণ 'ছাত্ৰ' শব্দৰ অৰ্থক অসম ছাত্ৰ-সম্মেলনৰ নিয়মাৱলীয়ে সীমাৰ ভিতৰত আটক কৰি ৰাখিছে, তাক এইখিনিত এই বক্তাই সেই ঠেক ঢোলৰ ভিতৰত থৈ সেই বিষয়ে কোৱা নাই। এইখিনিত ছাত্ৰ-জীৱন মানে মানুহৰ অধ্যয়ন আৰু শিক্ষাৰ গোটেই কালটো বুলিহে ধৰা হৈছে। সেই কাল কোনো কোনো জনৰ পক্ষে আজীৱনো হব পাৰে।

ছাত্ৰ-সম্মেলনে ছাত্ৰৰ সাহিত্যিক-শক্তিৰ ক্ৰমোন্নতি কেনেকৈ সাধিব তাৰ অলপ আলচ পাতি চোৱা হওক। ছাত্ৰজীৱনত গুটীয়াকৈ যি সাহিত্যিক জ্ঞান লাভ হয়, সি নচঁচা বাঁহৰ নিচিনা 'ৰ মেটেৰিয়েল'। কামত লগোৱাৰ আগলৈকে বাঁহ যিদৰে বাঁহেইহে, বিষয়ত বিন্নপি নপৰালৈকে সেইদৰে সেই জ্ঞান জ্ঞানেইহে। গোটা বাঁহ ফালি কাঠী কামি চাঁচি তাক সংসাৰৰ বিবিধ ব্যৱহাৰত লগালেহে তাৰ উপযোগিতা উপলব্ধি কৰা যায়। সেইদৰে গুটীয়া ছাত্ৰৰ সাহিত্যিক শক্তিও বিভিন্ন বিষয়ত লগালেহে তাৰ কাৰ্য্যকৰী গুণ বুজা যায়। বাঁহৰ উপযোগিতা ফলিয়াবলৈ যেনেকৈ বৈষয়িক কাৰ্য্যক্ষেত্ৰ, সাহিত্যিক শক্তিৰ বিকাশলৈকো তেনেকৈ সাহিত্য চৰ্চ্চাৰ সম্বন্ধযুক্ত বিবিধ উদ্দেশ্য বিশিষ্ট সম্মেলনী। অসম ছাত্ৰ-সম্মেলনত সাহিত্য অস্ত্ৰেৰে চাঁচিবলগীয়া যিবিলাক বিষয় আগত লোৱা হৈছে, সেইবিলাক বিষয় চৰ্চ্চা আৰু আলোচনাত ধৰিবলৈ গ্ৰন্থ, প্ৰবন্ধ, কবিতা, সঙ্গীত ইত্যাদি ৰচনাৰ নিয়ম বন্ধ হৈছে। পাৰ্য্যমানে পুৰণি সাহিত্য-সম্পদ সংগ্ৰহ কৰি তাৰ সংস্কাৰ সাধন কৰাও ছাত্ৰ-সম্মিলনৰ আন এটা নিয়ম। লোপ পাবলৈ ধৰা অসমীয়া সাধুকথা, ফকৰা, যোজনা, বিয়ানাম, পূজা-প্ৰসঙ্গীয়া নাম, বিহুনাম, গৰখীয়া গীত এইবোৰ উদ্ধাৰ কৰি যতনেৰে ৰক্ষা কৰাও সম্মেলনৰ অন্যতম নিয়ম। এইবোৰ নিয়ম পালন নকৰিলে অসম ছাত্ৰ-সম্মেলনৰ মাজত টিকিবলৈ টান, গতিকে সেই নিয়মেই পাক লগাই ছাত্ৰৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতিলৈ বাট চোঙাই থৈছে। এনে পোন, মুকলি আৰু স্বৰূপ পথেদি যে ছাত্ৰৰ সাহিত্যিক শক্তিয়ে ক্ৰমাৎ উন্নতি লাভ কৰিব তাত সংশয় নাই।

সাহিত্য মাত্ৰেই সেৱনীয়। পৃথিৱীৰ সমস্ত সাহিত্যত যাৰ অধিকাৰ তেওঁ পৃথিৱীৰ প্ৰধান সন্তান। তেওঁ মানৱৰ জনক-জননীৰ স্থানীয়। যি যিমানবিলাক সাহিত্যত অধিকাৰ লাভ কৰে সি সিমান সেই আদৰ্শ সন্তানৰ ওচৰ চাপে। কিন্তু সকলো সাহিত্যত সমান যদিও চৰ্চ্চাৰ স্থলত কাৰোবাৰ ৰুচি-বৃত্তিয়ে কোনোবা সাহিত্যলৈ বেছিকৈ ঢাল লয় আৰু সেই অনুযায়ী সেই জনৰ স্বকীয়া সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি হবলৈ ধৰে। ইয়াৰ পটন্তৰক লেখ বঢ়াই বক্তৃতাৰ দীঘ নবঢ়াই আপোনাসকলৰ দেশৰে, আপোনাসকলৰ ঘৰৰে এজন অসাধাৰণ পণ্ডিতৰ নাম লৈয়ে তাৰ অন্ত পেলাওঁ। তেওঁ মহাত্মা আনন্দৰাম বৰুৱা। ইংৰাজী সাহিত্যৰ সেৱক, ইংৰাজী

সাহিত্যৰ সাজেৰে বিভূষিত আনন্দৰামৰ সংস্কৃত সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি কেনেকৈ হৈছিল, তাক আলচি চোৱাৰ বাব আপোনাসকলকে দিয়া গল। এই বক্তৃতাত তালৈ ঠায়ে নাটিব। একে ছেগতে আৰু এজন মহা সাহিত্যিকৰ নাম লব পাৰি। তেওঁ মহাত্মা মেক্সমুলাৰ। এই জাৰ্ম্মান ছাত্ৰজনৰ আকৌ সংস্কৃত সাহিত্যত কেনেকৈ সিমান ৰাপ বাঢ়িছিল, কেনেকৈ তেওঁ তাত অগাধ ব্যুৎপত্তি লাভ কৰি সংস্কৃত সাহিত্যিক শক্তিৰ প্ৰভাৱে জগতক চমক লগাইছিল, সি কৌতূহলৰ বিষয়। সেই বিষয়েও আপোনাসকলে এই সম্মেলনৰ নিৰ্দ্ধাৰিত সময়ৰ পিচত আলচি চাবলৈ আগবঢ়াই দিয়া হল।

তৃতীয় খাপি উদ্দেশ্য তিনিমুৰীয়া—'মানসিক, আধ্যাত্মিক আৰু শাৰীৰিক শক্তিৰ পৰিচালনাত সহায়তা কৰা।' মানৱ জীৱনৰ যেনে খাপিত মানুহ তিনিমুৰীয়া হয়গৈ, ছাত্ৰ-সম্মেলনৰ তেনে খাপিতে তাৰ উদ্দেশ্য উক্ত তিনি শক্তিত তিনিমুৰীয়া হৈছে। কিন্তু এই বক্তৃতাত সেই তিনিৰ শাৰীৰিক শক্তিক আগত লৈ, মানসিকক মাজত থৈ, আধ্যাত্মিক শক্তিক শেহলৈ নি, অসম ছাত্ৰ-সম্মেলনৰ নিয়মাৱলীত বন্ধা এই খাপি উদ্দেশ্যৰ সূত্ৰত অলপ সালসলনি ঘটোৱা হব। কিয়নো শৰীৰেই মন আৰু আত্মাৰ জিৰণি স্থল। শৰীৰৰ বল-বৃদ্ধিয়ে মনক সবল কৰে আৰু সবল মনে আত্মাক বলী কৰে। শৰীৰ দুৰ্ব্বল হলে মনো দুৰ্ব্বল হয় আৰু মনৰ দুৰ্ব্বলতাই আত্মাকো দুৰ্ব্বল কৰে। সেই কাৰণে শাৰীৰিক শক্তিৰ ক্ৰমোন্নতি আটাইতকৈ আগ। মানসিকৰ মাজ আৰু আধ্যাত্মিক শক্তিৰ উন্নতি শেহ কৰি চলাটো বেছি স্বাভাৱিক যেন বোধ হয়। প্ৰাচ্য শিক্ষা-পদ্ধতিত ইয়াৰ বিপৰ্য্যয় ঘটিলেও, পাশ্চাত্য পদ্ধতিত এই নিয়ম নিয়াৰিকৈ পালন কৰা দেখা যায় আৰু এই বিভিন্ন পদ্ধতিৰ গুণানুসাৰেই প্ৰাচ্য আৰু পাশ্চাত্য ছাত্ৰৰ জীৱন গঠনতো হীন-ডেঢ়ি ঘটে। মানসিকক মাজৰপৰা এফলীয়াকৈ থৈ যদি শাৰীৰিক আৰু আধ্যাত্মিক শক্তিৰ জোখত সুকীয়াকৈ জুখি চোৱা যায় তেন্তে শাৰীৰিকত পাশ্চাত্য আৰু আধ্যাত্মিকত প্ৰাচ্য ছাত্ৰই গধুৰ বোলাব। তাৰ ফলস্বৰূপে আজিকালি সততে দেখা যায় যে পাশ্চাত্য ছাত্ৰ হৃষ্টপুষ্ট আৰু প্ৰাচ্য ছাত্ৰ জীৰ্ণ-শীৰ্ণ। স্কুল-কলেজৰপৰা ওলাই সংসাৰত সোমাবৰ সময়ত পাশ্চাত্য ছাত্ৰ সবল আৰু প্ৰাচ্যৰ ছাত্ৰ দুৰ্ব্বল। সেই অনুক্ৰমে সিবিলাকৰ সাংসাৰিক জীৱনৰ প্ৰতিপত্তিতো হীন-ডেঢ়ি আছে।

আগৰ দিনত অৱশ্যে প্ৰাচ্য ছাত্ৰৰ পক্ষে এই ৰীতি অহিতকৰ নাছিল বৰঞ্চ তাৰ গুণত তেতিয়া সিবিলাকে প্ৰতিপত্তিহে লাভ কৰিছিল। কিন্তু এতিয়া সেই দিন নাই। পাশ্চাত্য শিক্ষা আৰু সভ্যতাৰ ইয়াত এক অপূৰ্ব্ব আধিপত্য চলিছে। গতিকে প্ৰাচ্য ছাত্ৰই আজিকালি সেই কালৰ ৰীতি সম্পূৰ্ণে এৰাটো বিধেয় নহয় যদিও তাৰ সাময়িক সালসলনি ঘটাব লগা হৈছে। প্ৰাচ্য আৰু পাশ্চাত্যৰ সামঞ্জস্য ঘটাই এটি অভিনৱ পন্থা অৱলম্বন কৰিবৰ দিন পৰিছে। সেই সামঞ্জস্যৰ কথা উনুকিওৱাহে হল। তাৰ বহুল ব্যাখ্যা আন এটা ছেগত সুকীয়াকৈ আন এগৰাকী বিজ্ঞতম বক্তাৰপৰা লাভ কৰিবলৈ আপোনাসকলৰ মনত থাকে যেন; কাৰণ আন কথা প্ৰসঙ্গত কৈ পালমৰা-বিধৰ বিষয় ই নহয়। সেই বুলি যে সেই বিষয়ত নিশ্চেষ্ট হবলৈ কোৱা গৈছে এনে নাভাবিব বৰঞ্চ তাৰ আভাস মাত্ৰ আগত লৈ চলিলেও সেই বাঞ্ছিত সামঞ্জস্য স্বভাৱতে লাভ নহৈ নাথাকে। কিন্তু দেশ-কাল-পাত্ৰ ভেদে অগা-পিছা হলেও ওপৰত কোৱা তিনিও বিধ শক্তিৰ পৰিচালনা যে ছাত্ৰ-জীৱনত হব লাগে তাত সন্দেহ নাই মাথোন আধ্যাত্মিক শক্তিৰ পৰিচালনা নিয়মীয়া কৰি শাৰীৰিক আৰু মানসিক শক্তিৰ কাৰ্য্যক্ষেত্ৰ পাৰ্য্যমানে বহলাবলৈ চাব লাগে। প্ৰকৃতপক্ষে আধ্যাত্মিক শক্তি বা চিন্তা যি, তাৰ কাৰ্য্যক্ষেত্ৰ ছাত্ৰজীৱন নহয়, সাংসাৰিক জীৱনহে শেহ ছোৱাহে। ছাত্ৰ-জীৱনত আধ্যাত্মিক চৰ্চ্চা ইমানেই যথেষ্ট যাৰদ্বাৰা ছাত্ৰৰ চৰিত্ৰ সংগঠিত হব পাৰে। গতিকে এই বক্তৃতাত সেই বিষয়ে বহল ব্যাখ্যা শুনিবলৈ আশা নৰখাই ভাল, বিশেষতঃ আধ্যাত্মিকত এই বক্তাৰ অধিকাৰ এতিয়াও বহুল নৌ হয় এথোন। এই প্ৰসঙ্গত তেওঁ ইমানকে মাথোন সঙ্কেত দিব খোজে যে অসম ছাত্ৰ-সম্মেলনৰ পোনপ্ৰথম অধিবেশনত তাৰ সুবিজ্ঞ সভাপতিৰ সম্ভাষণত আধ্যাত্মিক তত্ত্ব আপোনা সকলে যি পাই থৈছে তাক নিজা কৰি লব পাৰিলেও সেই বিষয়ক জ্ঞান ছাত্ৰজীৱনৰ আৱশ্যকতাতকৈও অধিকহে হব। কিন্তু ছাত্ৰজীৱনত শাৰীৰিক আৰু মানসিক শক্তিৰ পৰি-চালনা যে সমভাৱে হোৱা উচিত তাক দোহাৰি কোৱা যায়। আনকি এই সম্পৰ্কত প্ৰাচ্য আৰু পাশ্চাত্যৰ ‘ভেদাভেদো নাই। দুয়ো বিধ ছাত্ৰৰ পক্ষে এই নিয়ম অপৰিহাৰ্য্য। পিছে পাশ্চাত্য ছাত্ৰই তাক মানিছে দেখি আজিকালি সিবিলাক সততে সবল আৰু দীৰ্ঘায়ু আৰু প্ৰাচ্য ছাত্ৰই তালৈ অৱজ্ঞা কৰে কাৰণে ইবিলাক সাধাৰণতে দুৰ্ব্বল আৰু অল্পায়ু। দীৰ্ঘায়ুৰ

পটন্তৰ দিবলৈ হাবাথুৰি খোৱাৰ সকাম নাই। অল্পায়ুৰ উদাহৰণ আপোনা-সকলৰ স্মৃতি-ভক্তিৰ অধিকাৰী আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা আৰু গোপালকৃষ্ণ গোখেল। এই তিনিজন অসাধাৰণ প্ৰতিভাশালী ভাৰত সন্তানৰ নাম ললেই যথেষ্ট হব। শাৰীৰিক আৰু মানসিক শক্তিৰ পৰিচালনা সমানে হবলৈ নোপোৱাৰপৰাই যে প্ৰতিভাৰ সেই বন্তি তিনটি অকালতে মুমাল তাত সন্দেহ নিচেই নাই। কিন্তু এটা জটিল প্ৰশ্ন এই হব পাৰে যে সেইসকলৰ নিচিনা গুণী-জ্ঞানী আৰু প্ৰতিভাশালী পুৰুষেনো সেই সাধাৰণ নীতি নুবুজিছিল নে? বুজিছিল যদি কিয় তালৈ সিবিলাকৰ আওকাণ হৈছিল? ইয়াৰ উত্তৰ অলপ পিছতে আপোনা আপুনি ওলাই পৰিব।

অসম ছাত্ৰ-সম্মেলনৰ নিয়মতন্ত্ৰত ব্যৱহৃত 'ছাত্ৰ' শব্দটোৱে কোনো বিদ্যালয়ৰ শিক্ষাৰ্থী দলত নামভুক্ত জনকহে বুজায় আৰু তাৰ আগেয়ে আৰম্ভণতে এইটোও কৈ থোৱা হৈছে, এই সম্মেলনত কোনো ৰাজনৈতিক আলোচনা হব নোৱাৰে। গতিকে সেইমতে ছাত্ৰ-শিক্ষাত সংসাৰৰ কিছুমান শ্ৰেষ্ঠ আৰু লাগতিয়াল বিষয় বাদ পৰি যায়; যিবিলাক বিষয়ৰ অনুশীলন আৰু কাৰ্য্য ছাত্ৰজীৱন পাৰ হৈ ধৰিবলৈ থোৱা হৈছে। এই নিয়মতন্ত্ৰ আজিৰ নহয়, অসম ছাত্ৰ-সম্মেলনে ইয়াৰ অৱতাৰণা নতুনকৈ কৰা নাই। ই প্ৰাচ্য সমাজৰ পুৰণিকলীয়া নীতি। এই নীতি আজিৰ প্ৰাচ্য ছাত্ৰসমাজে যিভাৱে আগত লৈছে, ইয়াৰ পূৰ্ব্বপুৰুষতে ইয়াক সেই ভাৱেই বা তাতকৈও নিমজকৈ পালন কৰা হৈছিল। কিন্তু আজিৰ সংসাৰত এনে কিছুমান অতি লাগতিয়াল আৰু দায়িত্বপূৰ্ণ বহুল বিষয় আছে, যাক সহজে আৰু সোনকালে আয়ত্ত কৰি উঠা টান। অথচ দেশৰ অভাৱ আৰু অৱস্থা চাই দেশ-হিতৈষিতাৰ আলোচনা আৰু অনুশীলনলৈ যথেষ্ট সময় আৰু সুবিধা দিবও নোৱাৰি বা স্বদেশপ্ৰেমিকে সেই অভাৱ আৰু অৱস্থা চাই সময় আৰু সুবিধালৈ বাট চাবও নোৱাৰাত পৰে। গতিকে ভোকত গৰাহ ডাঙৰ কৰি মুখ ফলাৰ দৰে, অনেকে শক্তিৰ অতিৰিক্তকৈ দেশ-হিতকৰ কাৰ্য্যত ধৰি অকালত স্বাস্থ্য হেৰুৱাই মাৰ যাবলগাত পৰে। এই ৰীতিত প্ৰাচ্য সমাজৰ ৰাপ 'বেছি কাৰণেই প্ৰাচ্য ছাত্ৰৰ অকাল পতনৰ লেখ সৰহ। অসমৰত্ন আনন্দৰাম ঢেকিয়াল ফুকন, ভাৰতৰত্ন গোপালকৃষ্ণ গোখেল এইসকল তাৰ জ্বলন্ত পটন্তৰ।

আপোনাসকলে জানে, ঢেকিয়াল ফুকনৰ জীৱনকাল মুঠেই ২৯ বছৰ। ইয়াৰ ভিতৰতে তেওঁ মানৱ জীৱনৰ আটাই কেওখাপি পাৰ হৈছিল। ইয়াৰ ভিতৰতে তেওঁ ছাত্ৰ, গৃহস্থী আৰু দেশ-হিতৈষীৰ আদৰ্শ পুৰুষ হৈ জিলিকিছিল। ইয়াৰ ভিতৰতে তেওঁ যিমানখিনি মহৎ কাম কৰি উঠিছিল, সেইদৰৰ সিমানখিনি কাম এটা সুদীৰ্ঘ জীৱনতো কৰি উঠা অনেকৰ পক্ষে সম্ভৱপৰ নহয়। দুখৰ বিষয় আমাৰ দেশত আমাৰ ভাষাত আমাৰ জাতীয় সম্পূৰ্ণ জীৱন চৰিত নাই। থকা হলে আপোনাসকলে আনন্দৰাম ঢেকিয়াল ফুকনৰ সামাজিক, সাহিত্যিক আৰু ৰাজনৈতিক জীৱনৰ অসাধাৰণ কাহিনী পঢ়ি আনন্দত বিস্ময় মানিলেহেঁতেন। সামাজিক জীৱনত আনন্দৰাম গাঁৱলীয়াৰ লগত গাঁৱলীয়া, নগৰীয়াৰ সঙ্গত নগৰীয়া, চাহাবৰ মাজত চাহাবী ভাৱৰ আছিল। এনেকি এই সুকীয়া আচৰণৰ মানুহৰ লগত বহা-মেলাৰ ব্যৱস্থাও তেওঁৰ ঘৰত সুকীয়া আছিল,—গাঁৱলীয়া ভদ্ৰলোকক সোধোঁতে তেওঁ কঠ-ঢৰা ব্যৱহাৰ কৰিছিল। নগৰীয়া বন্ধুৱে সৈতে বহোঁতে মূঢ়া-মাচিয়া ব্যৱহাৰ কৰিছিল। চাহাবসকলক সুধিবলৈ চাহাবী ধৰণেৰে সজোৱা সুকীয়া কুঠৰী ৰাখিছিল। সাহিত্যিক জীৱনত আনন্দৰাম ফুকনে অসমীয়া আৰু ইংৰাজী সাহিত্যত তেওঁৰ অধিকাৰৰ যি চিন থৈ গৈছে, তাক মন পাৰি চালেই আপোনাসকলে তেওঁৰ সাহিত্যিক প্ৰতিভাৰ বিষয়ে স্বৰূপ ভাৱ লব পাৰিব। 'লৰা-মিত্ৰ' পুথি বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ ভঁৰালত লখিমী। ৰাজনৈতিক জীৱনতো ঢেকিয়াল ফুকন অসাধাৰণ প্ৰতিভাৰ এটি উজ্জ্বল বন্তি আছিল। যি কেইপৰ সেই বন্তি জ্বলিছিল, সেই কেইপৰত চেঁচুকীয়া ভেঁকুৰা অসম তাৰ পোহৰত ভকৃভকীয়াকৈ জ্বলিছিল। অসমত বৃটিছ শাসন-পদ্ধতি সংঘটন কৰোঁতা বিখ্যাত ৰাজনৈতিক পণ্ডিত মিল চাহাবৰ অসম শাসন-প্ৰণালী বিষয়ক ৰিপোৰ্টৰ এটি প্ৰধান অঙ্গস্বৰূপে আনন্দৰাম ঢেকিয়াল ফুকনৰ শাসন-নীতি জ্ঞানৰ নিদৰ্শন অভগন হৈ জিলিকি আছে। কিন্তু হায়! অসমৰ সেই উজ্জ্বল বন্তি ছাত্ৰজীৱনৰ পিছত মুঠেই দহ বছৰমান জ্বলিয়েই অকালতে মুমাবলগীয়া হল। 'সৰস্বতীৰ বৰপুত্ৰ' নাম পোৱা অসমৰ অগাধ পণ্ডিত আনন্দৰাম বৰুৱাৰ বিষয়েও সেই একে দশা। এই অসাধাৰণ জীৱনীৰ বিষয়ে চমুকৈ কৈও আপোনাসকলৰ সময় খৰচ কৰিবৰ মন নাই, কাৰণ এই

জীৱনী ছাত্রসকলৰ উপস্থিত আলোচনাৰ বিষয় হৈ আছেই। ভাৰতৰত্ন গোপালকৃষ্ণ গোখেলৰো নাম ললেই তেওঁৰ অসাধাৰণ জীৱনীৰ বিষয়ে কোৱা হয়। কাৰণ এইজনা ক্ষণজন্মা পুৰুষৰ অকাল বিয়োগ ঘটিবৰ সৰহ দিন হোৱা নাই। তেওঁৰ জীৱনীৰ সোঁৱৰণী আপোনাসকলৰ মনত তেজাল হৈয়ে আছে। আনন্দৰামৰ ৩৯ বছৰত আৰু গোখেলৰ ৪৯ বছৰত বিয়োগ ঘটে। ই অকাল বিয়োগ নহয় নে? পিচে ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ বৰ্ত্তমান প্ৰাচ্য প্ৰথাৰ দোষ নহয় নে? কিন্তু সেই বুলি যে প্ৰাচ্য প্ৰথা নিন্দা কৰা হৈছে, তেনে ধাৰণা যেন গ্ৰহণ কৰা নহয়। বৰঞ্চ প্ৰাচীন প্ৰাচ্য প্ৰথা সৰ্ব্বাঙ্গীন পৰিপাটি আছিল। তেতিয়াৰ ব্ৰহ্মচৰ্য্য শিক্ষাৰ বলত শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক তিনিওৰে, সমভাৱে উৎকৰ্ষ সাধিত হৈছিল। তেতিয়া ৰাজযোগত শাৰীৰিক বিপুল উন্নতি লাভ হৈছিল। মানসিক উন্নতিয়েও তেতিয়া চৰম সীমা চুইছিল। আধ্যাত্মিক উন্নতিৰ কথা কৰই নেলাগে। সি প্ৰাচ্য প্ৰথাৰ নিজস্ব গুণ। সেই কাৰণে প্ৰাচীন প্ৰাচ্য প্ৰথা অনুগামীসকলৰ ভিতৰত দীৰ্ঘজীৱী বীৰ পুৰুষৰ আটক নাছিল। সৃষ্টি-তত্ত্বগ্ৰাহী মানসিক উন্নতিশীল মুনি-ঋষিৰ লেখ তাকৰ নাছিল। আধ্যাত্মিক উন্নতিৰ শীৰ্ষস্থান লাভ কৰা সিদ্ধপুৰুষৰ অভাৱো নাছিল। মাথোন আজিৰ বিকৃত প্ৰাচ্য প্ৰথাইহে তাৰ অৱনতি ঘটাইছে আৰু তাৰ প্ৰধান কাৰণ হৈছে পাশ্চাত্য বিলাসিতা। এই বিলাসিতাৰ ৰাগীত মতলীয়া হৈ পূৱৰ ভাৰতে পছিমৰ বিলাতী আও-ভাও, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ সাজ সলাবলৈ যাওঁতে, ঘনচিৰিকাই ৰাজহংসৰ খোজ ধৰিবলৈ গৈ নিজৰ খোজো পাহৰি যি দশা পাইছিল, সেই দশা আজি প্ৰাচ্য সমাজৰ ভাগ্যত মিলিছে। পৰৰ দোষ এৰি গুণ লব নজনা অনুকৰণ প্ৰিয় জাতি মাত্ৰৰেই সেই দশা। আজিৰ প্ৰাচ্য প্ৰথামতে ছাত্ৰজীৱনত চাকৰি বা জীৱিকাৰ উপযোগী সাধাৰণ বা বিশেষ বিষয়ক লিখাপঢ়াত বাজে আন বিষয়ক শিক্ষা বা তাৰ অনুশীলন বৰ্জ্জিত। আজিৰ প্ৰাচ্যমন্ত্ৰ মতে 'পঢ়ে পঢ়ায়, ৰোৱে পাণ, এই তিনি নিশ্চিন্তে আন।' কিন্তু ইয়াৰ ভাৱাৰ্থ গ্ৰহণ কৰাত সেই নীতিৰ সেৱক সকলে সততে ভ্ৰম প্ৰমাদত পৰে। সেই ভ্ৰান্তিৰ ফলস্বৰূপে আজিৰ প্ৰাচ্য ছাত্ৰই জীৱিকা আৰ্জ্জনৰ উপযোগী লিখাপঢ়াৰ বাজে আন লাগতিয়াল বিষয়ক শিক্ষাত মন লগাবলৈ বাধা পায়। ৰাজনৈতিক শিক্ষাতো চাৰিঢাপৰ বাজ। গতিকে ছাত্ৰজীৱন পাৰ হোৱা মাত্ৰকে সংসাৰৰ অপৰাপৰ

লাগতিয়াল অথচ জটিল বিষয়ত অনাভুৱাকৈ ধৰিব লগাত পৰে। তাৰ পৰিণাম অভাৱনীয় ভ্ৰমপ্ৰমাদ আৰু অকাল নিৰ্ব্বাণ।

নিয়ম অমান্য কৰিব নোৱাৰি। অসম ছাত্ৰ-সম্মেলনৰ নিয়মে দঢ়াই কৈছে যে সেই সমাজত ৰাজনৈতিক বিষয়ক আলোচনা কৰিব নাপায়। গতিকে এই বিষয়ে চু-আষাৰমান কৰলৈ এই বক্তাৰ প্ৰবল ইচ্ছা থকা স্বত্তেও তাৰপৰা ক্ষান্ত হোৱা গল। কিন্তু ৰাজনৈতিক আলোচনা ছাত্ৰ-সমাজত হব নাপায় কিয়, সেই বিষয়ে এনে সমাজত চু-আষাৰ বুজনি দিবলৈ গলেও কিয় দায় লাগে, তাকেহে সুধিবলৈ মন যায়। ছাত্ৰজীৱনত ৰাজনৈতিক শিক্ষা লাভ নোহোৱাত অন্ততঃ তাৰ আভাসগ্ৰাহী হব নোৱাৰাত যে পিছত বুঢ়া শালিকা দেশহিতৈষীয়ে ৰাজনৈতিক মাত লবলগাত পৰে আৰু তাৰ ফলত সেই গুৰুতৰ বিষয়ে কেৰ ভাঙি কথা কব নাজানি অনেকে অনেক বিধৰ প্ৰমাদ ঘটায়, এই কথা কোনে নাজানে? পিছে, ৰাজনীতি শিক্ষা কৰিলে ছাত্ৰ-ধৰ্ম্ম নষ্ট যোৱা নীতি প্ৰাচ্য নে পাশ্চাত্য? পাশ্চাত্য ৰাজনৈতিক পুৰুষৰ জীৱনী আলোচনা কৰি চালে জনা যায় যে সেইটো পাশ্চাত্য নীতি নহয়। হোৱা হলে সৰহ কব নালাগে, তাহানি ২৫ বছৰত মিঃ পিট চাহাবে বৃটিছৰাজৰ প্ৰধানমন্ত্ৰীৰ আসন লোৱা আৰু আজি মিঃ মণ্টেগু চাহাবে ৩৭ বছৰত ভাৰতমন্ত্ৰীৰ বিষয় খোৱাটো সম্ভৱপৰ নহল-হেঁতেন। আপোনাসকলে অৱশ্যে কব পাৰে যে আপোনাসকলৰ দেশনেতা পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ নিচিনা অসাধাৰণ ৰাজনৈতিক পুৰুষ উপজিছিল আৰু তেওঁ নিচেই ডেকাকালতে আহোমৰাজৰ প্ৰধানমন্ত্ৰীৰ বাব লৈ ৰাজনীতিৰ অসামান্য প্ৰতিভা প্ৰকাশ কৰিছিল। সেইটো সঁচা, কিন্তু বুঢ়াগোহাঁই ডাঙৰীয়াৰ কথা সুকীয়া। তেওঁ স্কুল-কলেজ নেদেখা ছাত্ৰ। পুৰুষানুক্ৰমে ৰাজকীয় বিষয়-বাব ভোগ কৰা অসম দেশৰ ৰীতিয়ে লৰাকালতে তেওঁক ৰাজনীতি শিকিবলৈ সুবিধা দিছিল। কিন্তু 'বিদ্যালয় শিক্ষাৰ্থীদলত নামভুক্ত' মিঃ পিট চাহাবে স্কুল-কলেজত ৰাজনীতি শিকিছিল কাৰণেহে ছাত্ৰজীৱন পাৰ হোৱা মাত্ৰকে ৰাজনৈতিক শিক্ষাৰ মহলাত যশস্যাৰে সৈতে উত্তীৰ্ণ হৈ ততালিকে জিলিকি উঠিব পাৰিছিল। মিঃ মণ্টেগুৰ সহপাঠী ভাৰতীয় ছাত্ৰৰ মুখে শুনা যায় যে আণ্ডাৰ গ্ৰেজুৱেট কালতে তেওঁ ৰাজনৈতিক কাৰ্য্যক্ষেত্ৰত নামি দোপতদোপে উধাবলৈ ধৰে। আজি সেই মণ্টেগুৰ ভাৰত শাসন-সংস্কাৰৰ প্ৰস্তাৱনাই সভ্য জগতত,

বিশেষকৈ ভাৰতবৰ্ষত এটি অপূৰ্ব্ব ৰাজনৈতিক আন্দোলনৰ অভ্যুদয় ঘটাইছে। আশা কৰা যায়, এই প্ৰস্তাৱনা কাৰ্য্যত পৰিণত হোৱাৰ লগে লগে ভাৰতৰ বৰ্ত্তমান প্ৰাচ্য ৰীতিৰো পৰিৱৰ্ত্তন ঘটিব। ভাৰতৰ স্কুল-কলেজীয়া ছাত্ৰকো ৰাজনীতি শিক্ষা দিয়াৰ ব্যৱস্থা দি এই দেশৰ ৰাজ-নৈতিক প্ৰমাদ গুচোৱা হব। কাৰণ ছাত্ৰজীৱন কঠীয়াতলী; তাত ৰাজনীতিৰ সঁচ নিসিঁচিলে সংসাৰ-পথাৰত ৰুবলৈ সেই জাতৰ কঠীয়া ক'ৰ পৰা হব? নহয় দেখিতো পৰৰ পথাৰৰপৰা তাৰ লেছেৰি চপাই ভঁৰাল বান্ধোতা ভাৰত-সন্তানে ৰাজনৈতিক আন্দোলনত সততে প্ৰমাদ ঘটায়।

ছাত্ৰশক্তি প্ৰবল শক্তি আৰু সেই প্ৰবলতাৰ বল হৈছে বয়সৰ বল। সাধাৰণতে প্ৰাচ্য জীৱনত সেই বল ১৫ বছৰৰপৰা ২৫ বছৰলৈ আৰু পাশ্চাত্য জীৱনত ২০ বছৰৰ পৰা ৩০ বছৰলৈকে বুলি প্ৰাচ্য-পাশ্চাত্য তত্ত্ববিদ কোনো কোনো পণ্ডিতে ঠাৱৰাইছে। সেই বয়সত ছাত্ৰশক্তি অতিশয় প্ৰবল। কাৰণ সেই বয়সত মানুহৰ মানসিক প্ৰবৃত্তি আৰু শাৰীৰিক শক্তি স্বভাৱতে প্ৰখৰ থাকে। সেই কালত সেই শক্তি আৰু সেই প্ৰবৃত্তিয়ে সাংসাৰিক জীৱনৰ বাধা-বিঘ্ন আৰু অপায়-অমঙ্গল আদিত খুন্দা খাই ভোটা হোৱাৰ আশঙ্কা অধিক নাথাকে। গতিকে সেই অৱস্থাত মানৱ-সন্তানে দুঃসাধ্যক সুসাধ্য কৰিবলৈ সমৰ্থ হয়, অসাধ্যক সাধ্য কৰিবলৈ পাৰ্গতালি লাভ কৰে। সেই কাৰণেই পৃথিৱীত যতবোৰ মহৎ কাৰ্য্য সম্পাদিত হৈছে, তাৰ সৰহ ভাগৰ মূলত ছাত্ৰশক্তি। সৰহ ভাগেই সম্মিলিত ছাত্ৰশক্তিৰ উদাসীন পৰিচালনাৰ ফল। পৃথিৱীৰ বুৰঞ্জীয়ে ইয়াৰ ভুৰি ভুৰি প্ৰমাণ দাঙি ধৰিছে। আপোনাসকলৰ স্বদেশৰ বুৰঞ্জীতো তাৰ অভাৱ নাই। সিদিনা মাথোন আপোনাসকলৰ দুখাপিমানৰ আগৰ খাপি অসমীয়া ছাত্ৰৰ সম্মিলিত শক্তিয়ে আপোনাসকলৰ জাতীয় সাহিত্যক শত্ৰুৰ গৰাহৰপৰা কেনেকৈ ৰক্ষা কৰিলে তাৰ চমু কাহিনী 'অসম সাহিত্য-সভাৰ' পোনপ্ৰথম অধিবেশনৰ সভাপতিৰ সম্ভাষণত দিয়া আছে। এতেকে আজিৰ ছাত্ৰশক্তিয়েও যে ভালেমান অসাধ্য সাধি জাতীয় উন্নতিৰ সোঁত প্ৰবল কৰিব, তাত সংশয় নাই। বিশেষতঃ উপস্থিত অসমীয়া ছাত্ৰশক্তিৰ সঙ্কল্প আৰু কৰ্ত্তব্য আগতকৈ ভালেমান গুণে শকত আৰু বহল দেখা গৈছে। এই সম্মেলনেই সেই শকত অৱস্থাৰ সাক্ষী আৰু বৰ্ত্তমান ছাত্ৰ-সম্মেলনে আগত লোৱা বিবিধ কৰ্ত্তব্যপুঞ্জই সেই বহলতাৰ

ভেটি। অসম ছাত্র-সম্মেলনৰ যিবোৰ কৰ্ত্তব্য ওপৰত উন্মুকিয়াই অহা হৈছে, তাৰ উপৰিও এটি বৰ ডাঙৰ আৰু লাগতিয়াল বিষয় সেই কৰ্ত্তব্যপুঞ্জত নতুনকৈ সোমাইছে, সি আত্মৰক্ষক ফৌজ গঠনত যোগদান। ইয়াৰ দ্বাৰা অকল দেশৰ মঙ্গলেই যে সাধিত হব এনে নহয়, ছাত্র-জীৱনৰ শাৰীৰিক শক্তিৰ ক্রমোন্নতিত ই বিশেষকৈ সহায়তা কৰিব। গতিকে অসমৰ ছাত্রশক্তিৰ সাৰ্থকতা সাধন কৰিবলৈ বৰ্ত্তমানত বিবিধ ছেগ অযাচিতে চাপিছেহি। এনে ছেগতে দেশৰ নেতাসকলেও যদি সিবিলাকৰ লগত সৰল সহানুভূতি যোগ দিয়ে, তেন্তে আজিৰ ছাত্র-শক্তিয়ে যে অচিৰে অসম মাতৃৰ মুখ পোহৰাব পাৰিব সেইটো ডাঠি কব পৰা যায়। কিন্তু এইখিনিতে এটি কথা মনত ৰাখিবলগীয়া যে সংসাৰত সৎ আৰু অসৎ দুটা বাট সমান্তৰালভাৱে সদায় আছে। প্রবল ছাত্রশক্তি সৎ বাটে নিয়মীয়াকৈ পৰিচালিত হলে যেনেকৈ তাৰ পৰা সম্পদ লাভ আছে, সেই শক্তিৰ অসৎ বাটে বাট পালে সেইদৰে তাৰপৰা আপদ মিলিবলৈকো আছে। সেই কাৰণে এই প্রবল শক্তিৰ ওপৰত শাসন-দণ্ডধাৰী এটি প্রবলতৰ বলৰ প্রভুত্ব থকাৰ প্রয়োজন। সেই বল হৈছে চৰিত্রবল। সেই বল নাথাকিলে সকলো মিছা। তাৰ অভাৱে প্রবল ছাত্রশক্তিয়ে সজ গতি ধৰা অসম্ভৱ। এতেকে ছাত্রজীৱন চৰিত্রৰ গাঠনিৰে সংগঠিত হব লাগে। চৰিত্রৰ চালনেৰে পৰিচালিত হব লাগে আৰু চৰিত্রৰ লক্ষ্যত সম্মিলিত হবগৈ লাগে। সেই চৰিত্রনো কি আৰু সি কিহেৰে গঢ়িত তাৰ ব্যাখ্যালৈ এই বক্তৃতাত ঠাই নহব। তাক আপোনাসকলে বিবিধ নীতিগ্রন্থ আৰু সাধুজনৰ উপদেশৰপৰা সংগ্রহ কৰি ললেহে হব।

যিবিলাক গুণেৰে চৰিত্র সংগঠিত হয়, তাৰ ভিতৰত সংযম গুণ ছাত্রজীৱনত আটাইতকৈ বেছি লাগতিয়াল কিয়নো ছাত্রশক্তি যেনে প্রবল, সংযতভাৱে পৰিচালিত নহলে সময়ত সি অসৎ বাটেদি ছুঁয়া কাটি গৈ মহা অনৰ্থ ঘটাবৰ আশঙ্কা থাকে। আনকি সজ বাটে ঢাল খোৱা ছাত্র-শক্তিও সততে সংযত ভাৱেহে পৰিচালিত হোৱা বাঞ্ছনীয়। সংযমৰ অভাৱ ঘটিলে সি তাতো হিতে বিপৰীত ঘটোৱাৰ আশঙ্কা আছে। তাৰ প্রমাণ বঙ্গীয় স্কুল-কলেজৰ ছাত্র-এভাগৰ বিগত শোচনীয় কাৰ্য্য। সেই ভাগ ছাত্রশক্তিত সংযমৰ অভাৱ পৰাৰ হেতুকেই যে তাৰ দ্বাৰা ৰাজদ্রোহ, ডকাইতি আদি অতি গৰ্হিত পাপকাৰ্য্য সংগঠিত হৈছিল, তাক এতিয়া কোনে দুই

কৰিব ? সেই দেখিছে দোহাৰি কবলগা হৈছে যে চৰিত্ৰবলৰ শাসনত নথকা ছাত্ৰশক্তিয়ে সময়ত হিতে বিপৰীত ঘটায়। মঙ্গলতকৈ অমঙ্গলৰ মাত্ৰা অতিপাতকৈ চৰায়। চৰিত্ৰবলৰ ব্যাখ্যা দিয়ালৈ এই বক্তৃতাত ঠাইৰ নাটনি বুলি আগতে উল্লুকিয়াই অহা হৈছে। তথাপি সেই বলৰ লক্ষণ কি, তাক কি উপায়েৰে লাভ কৰা যায় আৰু তাক কি ব্যৱস্থাৰে সৈতে ৰক্ষা কৰিব পাৰি তাৰ সঙ্কেত মাথোন দিয়াৰ প্ৰয়োজন হৈছে। মুঠতে যি শুদ্ধ, সত্য, পৱিত্ৰ সেয়ে চৰিত্ৰ। য'ত পাপ নাই তাতে চৰিত্ৰৰ থিতি। হিংসা, দ্বেষ, পৰশ্ৰীকাতৰতাই যাক চুব নোৱাৰে চৰিত্ৰই তাকে আশ্ৰয় লয়। দয়া, ক্ষমা, পৰোপকাৰ যাৰ ধৰ্ম্ম তাৰ গাতে চৰিত্ৰই জিৰণি লয়। বিনয়, নম্ৰতা, শিষ্টতা যাৰ স্বভাৱৰ গুণ তাৰ লগতে চৰিত্ৰৰ ঘনিষ্ঠ সম্বন্ধ। ভক্তি, শ্ৰদ্ধা, প্ৰীতি যাৰ আচৰণ তাৰ লগতে চৰিত্ৰৰ সৰ্ব্বসঙ্গতি। পিছে সেই চৰিত্ৰবল লাভ কৰাৰ উজু উপায় কি ? সেই বলৰ আধাৰ ঈশ্বৰত একান্ত ভক্তি। সেই বল সংৰক্ষণৰ সুব্যৱস্থা কি ? সেই বলদাতা ভগৱন্তত অটল বিশ্বাস। পৰমেশ্বৰত ভক্তি থাকিলেই চৰিত্ৰ সংগঠিত হয় আৰু পৰমেশ্বৰত বিশ্বাস থাকিলেই চৰিত্ৰ সংৰক্ষিত হয়। কাৰণ সত্য, সুন্দৰ, পৱিত্ৰ ঈশ্বৰক ভক্তি কৰোঁতে তেওঁৰ ঐশ্বৰিক বল মানৱাত্মাত প্ৰতিভাত হয় আৰু তেওঁত বিশ্বাস থাকিলেই সেই ঐশ্বৰিক বলৰ অপব্যৱহাৰ নোহোৱাকৈ সি ৰক্ষিত হয়। ঈশ্বৰৰ অপ্ৰিয়ভাজন হোৱাৰ ভয়তে পাপ কাৰ্য্যৰপৰা বিৰত হোৱা যায় আৰু ঈশ্বৰৰ প্ৰিয়পাত্ৰ হোৱাৰ আকাঙ্ক্ষাতে পুণ্য কৰ্ম্ম সাধনলৈ ধাউতি বাঢ়ে।

এই গল চৰিত্ৰৰ ওপৰত আলৌকিক শাসন। সেই দৰেই তাৰ ওপৰত লৌকিক শাসনো আছে,—সি ৰাজভক্তি আৰু ৰজাত বিশ্বাস। ব্ৰহ্মাণ্ডৰ পতি যেনে ঈশ্বৰ, তেওঁৰ আৰ্হিৰেই তেওঁৰে সৃষ্ট ভূমণ্ডলৰ পতি ভূপতি। ঈশ্বৰভক্তি আৰু ঈশ্বৰ বিশ্বাসত যিদৰে চৰিত্ৰ সংগঠিত আৰু সংৰক্ষিত হয়, ৰাজভক্তি আৰু ৰাজবিশ্বাসতো সেইদৰে চৰিত্ৰ গঠিত আৰু ৰক্ষিত হয়। এই ৰাজভক্তি অসমীয়া ছাত্ৰলৈ নতুন ভাৱ, নতুন কথা, নতুন ক্ৰিয়া নহয়; অসমীয়া ছাত্ৰই আজন্ম সেই গুণৰ গৰাকী হৈ আহিছে। সৰহ নহয়, এটা শতাব্দীও পুৰা হোৱা নাই, চাৰিকুৰিমান বছৰৰ আগতে মাথোন অসমীয়া ছাত্ৰৰ পিতৃ-পুৰুষে ৰাজভক্তিৰ পৰাকাষ্ঠা দেখুৱাই গৈছে। "ৰজাৰ হৈ জীৱন আৰু ৰজাৰ হৈ মৰণ" এনে ওখ ভাৱৰ গৰাকী

ৰাজভক্ত প্ৰজা পৃথিৱীত অসমীয়াৰ সমনীয়া নাছিল বুলিলে বঢ়াই কোৱা নহব। সেই অসমীয়া পিতৃপুৰুষৰ, সেই অসমীয়া ৰাজভক্ত প্ৰজাৰ সন্তি-সন্তানৰ পক্ষে ৰাজভক্তি যে স্বভাৱত পৰিণত হোৱা এটা মহৎ গুণ, তাক কোৱা বাহুল্য মাথোন। এতেকে ছাত্ৰ-শক্তিয়ে, বিশেষকৈ অসমীয়া ছাত্ৰৰ সম্মিলিত শক্তিয়ে নেদেখা ভাগত ঈশ্বৰ আৰু দেখা ভাগত ৰজা এই দুই মহা শাসন-শক্তিৰ অধীনে গন্তব্য বাটত সংযতভাৱে বাট পালে সংসাৰৰ অপায় অমঙ্গললৈ যে ভয় নাথাকে তাত সন্দেহ নাই।

নগৰীয়া ৰাইজ আৰু ছাত্ৰবন্ধুসকল! কোৱাৰ সকাম নাই যে বক্তাৰ ভাগ্যত চাবুকৰ চাট আৰু লেকামৰ টান দুইটা সমানে সহিব লাগে। এই দুবিধ হুকুমৰ পিঠিয়া-পিঠি লক্ষ্যৰ সামঞ্জস্যত ৰব পৰাটোৱেই সুবক্তাৰ চিন। পিছে এই বক্তাই কেনে বিধৰ চিন দেখুৱাইছে সেইটো তেওঁৰ বক্তব্যৰ অতীত, যদিও আপোনাসকলে অৱশ্যে ঠাৱৰাই উঠিছে; তেওঁৰ নিজৰ ধাৰণা হলে এইহে যে, লেকামৰ টানে কোৱাবি ছিঙালৈকো কটাহি নকৰি, চাবুকৰ চাটত ৰব নোৱাৰি তেওঁৰ নিৰ্দ্ধাৰিত সীমা চেৰাই আগবাঢ়িছে আৰু তাৰ দ্বাৰা তেওঁ আপোনাসকলৰ মূল্যৱান সময়ৰ ভালেখিনি অপব্যয় কৰিছে। তদুপৰি তেওঁৰ নীৰস বক্তৃতাই যে আপোনাসকলক বিষমকৈ আমনি লগাইছে তাৰ আশঙ্কায়ো তেওঁক ভয় খুৱাইছে। কিন্তু আপোনা-সকলৰ করুণাৰ তেওঁ গম পায়; দায় লগালেও আপোনাসকলে তেওঁক দলিয়াই নেপেলায় বুলি তেওঁ জানে। সেই কাৰণে পাতনিত ক্ষমা ভিক্ষাৰ অৰ্থে তেওঁ যি আঁজলি পাতি আহিছে, সেই আঁজলি এতিয়া আচল সময়ত আকৌ বিনীতভাৱে আপোনাসকলৰ আগলৈ আগবঢ়াইছে।

ভিক্ষাদান কিঞ্চিত হলেও যেন তাৰপৰা তেওঁ বঞ্চিত নহব এই আশা কৰি তেওঁ পুনঃ আসন লবলৈ আপোনাসকলৰ ওচৰত এতিয়া অনুমতিহে মাগিছে। কিন্তু এই বক্তৃতা নিজম পৰাৰ আগতে তেওঁ সদৌ অসম ছাত্ৰৰ হৈ আপোনাসকল উপস্থিত সমজুৱাক আৰু আপোনাসকলৰ যোগেদি সদৌ অসমৰ ৰাইজক একেবাৰ খাটনি ধৰিছে, যেন স্বদেশ আৰু স্বজাতিৰ হিতাৰ্থে কৰ্ত্তব্যপৰায়ণ এই 'অসম ছাত্ৰ সম্মেলনক' কাৰ্য্যস্থলত সৰ্ব্বতোভাৱে সহায়তা কৰি দেশ-হিতৈষিতাৰ পটন্তৰ দেখুৱাবলৈ আপোনাসকল পাছ নপৰিব। সমূহ ৰাইজৰ সহায়-সহানুভূতিয়েইহে যে ছাত্ৰ-সম্মেলনৰ বল তাক আৰু কব লাগিছে নে? এতেকে এই বিষয়ত নিশ্চিন্ত হবলৈ

ছাত্ৰসকলক আপোনাসকলৰ হৈ আশ্বাস দিয়া হৈছে। এতিয়া সামৰণিৰ শুভক্ষণত এই সন্মেলনত উপস্থিত ছাত্ৰবৰ্গ আৰু লগৰীয়া বাইজৰ হৈ মঙ্গলময় পৰমেশ্বৰৰ ওচৰত এই নিঃকিন বক্তাই গোহাৰি কৰিছে, সেই ভগৱন্তৰ অসীম কৃপাৰ বলত ৰত্নপ্ৰসূতী অসম জননীৰ ভৰসাৰ গজালি এই 'অসম ছাত্ৰ-সন্মেলন' কল্পতৰুৰূপে অচিৰে এজুপি ফুলে-ফলে সুশোভিত গছ হৈ বাঢ়ি উঠে যেন।

আচার্য্য প্রফুল্লচন্দ্র রায়

চতুৰ্থ ভাষণ

সভাপতি :—বিজ্ঞানাচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়

তেজপুৰ—অক্টোবৰ, ১৯১৯ চন

প্ৰিয় ছাত্ৰবৰ্গ আৰু সমজুৱাসকল! মই স্বীকাৰ নকৰি নোৱাৰোঁ যে আপোনালোকে অনুগ্ৰহ কৰি মোক যি পদলৈ বৰণ কৰিছে সেই পদ মই বৰ মনৰ আশঙ্কাৰে সৈতে আৰু অনিচ্ছাৰে গ্ৰহণ কৰিছোঁ। প্ৰথমতে আজি অলপ দিনৰ পৰা মই এটা বেলেগ কামত মন দি আছোঁ অৰ্থাৎ কলিকতাৰ ছাত্ৰ-সমাজত অন্ন-সমস্যা জাতি-বিভাগৰ অপকাৰিতা আদি বিষয়ে কেইটামান বক্তৃতা দিবলৈ উপযাচি ওলাই তাতে বহুতো সময় দিবলগীয়া হৈছে। দ্বিতীয়তে এই মহানুষ্ঠানত আপোনাসকলে যে এজন বঙালীক সভাপতি পাতিছে সিও মোৰ পক্ষে এটা টান কাম হৈ পৰিছে। তৃতীয়তে আজি আপোনাসকলে মোক যি কাম কৰিবলৈ আহ্বান কৰিছে সেই কামলৈ মই অনুপযুক্ত কিয়নো মোৰ ব্যৱসায় এনে ধৰণৰ কামৰপৰা বহু আঁতৰত। বিজ্ঞান মন্দিৰেই মোৰ জীৱনৰ প্ৰিয় বস্তু আৰু শান্তিৰ ঠাই। সেই মন্দিৰত বৈজ্ঞানিক যন্ত্ৰাদি লৈ কাম কৰি থাকোঁতেই সময় কেনি গল কব নোৱাৰোঁ আৰু এনে কাৰ্য্যতে মগ্ন থাকি আজি ৩৩ বছৰ অৰ্থাৎ এক শতিকাৰ এক তৃতীয়াংশ কাল এই মন্দিৰৰ চাৰিবেৰৰ ভিতৰতে কটোৱাত বহিৰ্জ্জগতৰ লগত একো সম্বন্ধ ৰাখিবপৰা নাই বুলিলেও হয়। আজি মই শিক্ষাৰ্থী হৈহে আহিছোঁ, শিক্ষক হিচাপে অহা নাই। সেইবাবে বহুতো ত্ৰুটী হব পাৰে, সেইবোৰ মাৰ্জ্জনা কৰিবলৈ আপোনাসকলক খাটিলোঁ। মই আপোনাসকলক অলপ আগতে কৈছোঁ যে মই বৰ অনিচ্ছাৰে আপোনা-সকলৰ সভাপতি হবলৈ মান্তি হৈছোঁ। কিন্তু মই পিছত দেখিলোঁ আপোনাসকলৰ আহ্বান মোৰ পক্ষে আজ্ঞা যেন হৈছে। যোৱা ৩৩ বছৰ মোৰ ভাগ্যত পৱিত্ৰ শিক্ষাৰ কাৰ্য্যত ব্যস্ত থাকোঁতেই গল। মই সদায়

ছাত্ৰৰ লগত আছোঁ, ছাত্ৰৰ মাজতে ফুৰিছোঁ। মোৰ গোটেই জীৱনটোৱেই বঙ্গদেশৰ ছাত্ৰৰ লগতে কটাইছোঁ বুলিব লাগে। তেওঁবিলাকৰ আনন্দই মোৰ আনন্দ, তেওঁবিলাকৰ বেজাৰেই মোৰ বেজাৰ; তেওঁবিলাকৰ আশা আৰু নিৰাশা সকলোতে মই সদায় ভাগ পাওঁ। ছাত্ৰসমাজ এৰি দিলে মই এটা শূন্য মাথোন। মই এজন হিন্দু হৈ আজি এই পুৰণি প্ৰাগ্‌জ্যোতিষৰ কাষত থিয় হোৱাত মোৰ মন এটা অপৰূপ ভাৱেৰে ভৰপূৰ হৈছে। আপোনাসকলৰ দেশৰ ওচৰৰ জিলাখনক আমাৰ দেশৰ মানুহে পাণ্ডৱবৰ্জ্জিত দেশ বুলি ঘিণায় কিন্তু আপোনাসকলৰ দেশৰ কথা মহাভাৰতৰ বহুত কথাত ওলায়। সেই মহাকাব্যত ভগদত্তৰ যি পৰাক্ৰমৰ কথা বৰ্ণনা আছে সেই বৰ্ণনাই ভাৰতৰ ডেকাসকলৰ মন এতিয়াও উদগায় আৰু এতিয়াও আপোনাসকলৰ দেশত যে আচৰিত তন্ত্ৰ-মন্ত্ৰ আদি চলি আছে সেই কথাই মানুহৰ মনত বিস্ময় আৰু ভয় ওপজায়। এই নগৰৰ ওচৰত সম্প্ৰতি ওলোৱা শিলৰ ফলিত ৮৩০ খ্ৰীষ্টাব্দত ৰাজত্ব কৰা হৰ্জ্জৰ বৰ্ম্মাৰ কথা নকৈ এৰা উচিত নহয়। অসম দেশ ভাৰতবাসীৰ পৱিত্ৰ স্থান আৰু অতীত গৌৰৱৰ লীলাভূমি।

বৰ্ত্তমান অসম আৰু ইয়াৰ অভাৱবোৰ:—এতিয়া অতীজৰ কথা বিলাক এৰি দি আমি বৰ্ত্তমান সময় কথালৈ আহোঁহক। প্ৰথমতে মোৰ বিবেচনাত অসম নিচেই সৰু দেশ নহয়। ইয়াৰ পৰিমাণ ৫:,০০০ হেজাৰ বৰ্গমাইল, বঙ্গদেশৰ প্ৰায় তিনি ভাগৰ দুভাগ। কিন্তু জনসংখ্যা অসমৰ মুঠতে সত্তৰ লক্ষ, বঙ্গদেশত চাৰিশ পঞ্চাশ লক্ষ। আপোনাসকল আচৰিত হব যে অকল ময়মনসিংহ জিলাতে চাৰে-চল্লিশ লক্ষ মানুহৰ বাস। অসমৰ প্ৰতি বৰ্গমাইলত ১১৫ জন আৰু বঙ্গদেশত ৫৩৪ জন হিচাপে মানুহ আছে। ইয়াকো চাব লাগিব যে দেশৰপৰা বহুতো মানুহ, বিশেষকৈ চাহ-বাগিচাৰ খালাচ হোৱা বনুৱাৰ সংখ্যা শতকৰা পোন্ধৰজন ইয়াত আহি বসতি কৰে।

যদিও অসমৰ পুৰণি বুৰঞ্জী আপোনাসকলৰ গৌৰৱৰ বিষয় কিন্তু বৰ্ত্তমান অৱস্থালৈ চাই আপোনালোকে কৰিবলগীয়া আৰু ভাবিবলগীয়া বহুত আছে। আপোনাসকলে কলেজত যি অৰ্থনীতি চৰ্চ্চা কৰিছে সেই অৰ্থনীতি কেৱল ইউৰোপৰ অৱস্থাতহে খাটে। আপোনাসকলৰ দেশৰ অৱস্থাৰ কথা সেই অৰ্থনীতিৰ ভিতৰত নাই আৰু জন্মভূমিৰ গভীৰ আৰ্থিক সমস্যাবোৰ আপোনালোকৰ দৈনিক চিন্তাৰ ভিতৰত নোসোমায়।

আপোনাসকলৰ শিক্ষাৰ লগত বাস্তৱ জীৱনৰ সম্বন্ধ থাকিব লাগিব অৰ্থাৎ আপোনাসকলৰ সমুখত ভৱিষ্যৎ জীৱনৰ এটা আৰ্হি থাকিব লাগে। অকল পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই জীৱনৰ উদ্দেশ্য .এনে ভাব মনৰপৰা আঁতৰাব লাগিব। আমাৰ দেশত উপায়বোৰেই লক্ষ্যৰ ঠাই লৈছে, কিয়নো বিশ্ববিদ্যালয়ৰ মহলা কেৱল আমাৰ মানসিক শক্তিৰ এটি অসম্পূৰ্ণ পৰীক্ষা। আমি পাহৰিছোঁৱেই যে শিক্ষা মানে কেৱল কিছুমান ভালকৈ মুবুজ্ কথা মনত সাঁচি ৰখাই নহয়, মানসিক শক্তিৰ উৎকৰ্ষ সাধন কৰাহে শিক্ষা। শিক্ষাৰ সময়ত পৰ্য্যবেক্ষণ শক্তি আৰু বিচাৰ শক্তিৰ উৎকৰ্ষ সাধন কৰিবলৈ চেষ্টা কৰিব লাগে। আমাৰ স্কুল আৰু কলেজবিলাকত আন সকলো শক্তিলৈ পিঠি দি স্মৰণ শক্তিটোৰ উৎকৰ্ষ সাধন কৰা হয়। দোষ অৱশ্যে আপোনাসকলৰ নহয়। আপোনাসকলৰ বৃদ্ধ আৰু জ্ঞানীসকলে শিক্ষাৰ যি প্ৰণালী পাতি দিছে সেই প্ৰণালীৰহে দোষ। আমাৰ দেশত এতিয়া পৰিৱৰ্ত্তনৰ যুগ পৰিছেহি। পুৰণি ভাৱ-গতি আৰু নতুন ভাৱ-গতিৰ বহুত পাৰ্থক্য ঘটিছে। উকীলে তেওঁৰ লৰাক উকীল কৰিবলৈ চেষ্টা কৰে, ইপিনে লৰাৰ সেই ফাললৈ ৰাপ থাকক বা নাথাকক। মহামতি এমাৰ্চ্চনে এঠাইত কৈছে যে কেতিয়াবা আমাৰ উপকাৰীসকলো অতিশয় অনিষ্টকাৰী হৈ পৰে। বাপেক-মাকবিলাকে যেতিয়া তেওঁবিলাকৰ নিজৰ পুৰণি ভাৱ আৰু মত লৰাক জোৰ কৰি দিব খোজে তেতিয়া তেওঁবিলাকে শত্ৰুৰ কাৰ্য্য কৰে।

আপোনালোকে সমাজত চলি থকা এনেকুৱা মত আৰু নিয়মবিলাক গ্ৰহণ কৰোঁতে সদায় সাৱধান হব। এনেকুৱা মতবিলাক সমাজত প্ৰচলিত আছে বুলিয়েই গ্ৰহণ নকৰিব। একোকে এনেয়ে বিশ্বাস নকৰিব। নিজে ভাবিবলৈ শিকিব। নীতিৰ ফালে আপোনালোকে পৰিশ্ৰম, সহিষ্ণুতা, সাহস আৰু আত্মসংযম প্ৰবৃত্তিৰ উন্নতি সাধন কৰিব লাগে। আমাৰ মনৰ বল অতি কম আৰু এইটোৱেই আনবোৰ দোষতকৈ আমাৰ আৰু সাধাৰণ ইউৰোপীয় এজনৰ লগত প্ৰভেদ বেছিকৈ ঘটাইছে। এই সংসাৰত অকল নিষ্ক্ৰিয় সাধুতা হলে নচলে। আপোনালোকে নিষ্ঠুৰ আৰু অন্যায়পৰায়ণ নোহোৱাটোৱেই যথেষ্ট বুলি নেভাবিব। আপোনাসকলে আপোনাসকলৰ দেশৰ অন্যায় আৰু নিষ্ঠুৰতা বন্ধ কৰিবলৈ চেষ্টা কৰিব লাগে। আমাৰ গুণাৱলী পুৰুষৰ উপযুক্ত হব লাগে। যথাৰ্থতে আমাৰ গুণাৱলী

নিষ্ক্ৰিয়তাৰ অঙ্গ। মনত ৰাখিব সাহসেই পুৰুষৰ প্ৰধান গুণ। যদিও আপোনাসকলে এই আটাইবোৰ গুণৰ উৎকৰ্ষ সাধন কৰিব লাগে তথাপি আপোনাসকল যেতিয়া ছাত্ৰ, আপোনাসকলৰ প্ৰধান কৰ্ত্তব্য হৈছে শিক্ষা কৰা। যি বিষয়েই আপোনাৰ ভাল লাগে তাকেই আপুনি ভালকৈ শিকিবলৈ চেষ্টা কৰিব। সংসাৰত সোমায়ো অধ্যয়ন কৰিবলৈ সময় পোৱা আপোনাসকলৰ সকলোৱে ভাগ্যত নঘটিব পাৰে। আপুনি যদি শিক্ষাৰ কাৰণে চকু আৰু কাণ উন্মুখ ৰাখে তেনেহলে দেখিব যে আপুনি কিতাপৰ পৰা যি শিক্ষা পায় প্ৰকৃতপক্ষে সি জীৱনৰ অভিজ্ঞতাৰ ক্ষীণ ছাঁ মাথোন। আমাৰ দেশৰ ডেকাসকলৰ এটা প্ৰধান দোষ তেওঁবিলাকে কোনো এটা বিষয়ৰ অলপ আভাস পায়েই সেই বিষয়ৰ সমালোচনা কৰিবলৈ ধৰে। আপোনাসকলে ঘটনাৰ সোঁতত গা এৰা নিদিব। নিয়তি জন্মৰ পৰে যৌৱনিয়েই খেদি নিয়ে সেই কাললৈ মগে নিজৰ বীৰত্ব দেখুৱাই সংসাৰৰ হকা-বধাৰ লগত যুদ্ধ কৰিব। সৰুৰপৰাই আপোনাসকলৰ জীৱনৰ আদৰ্শ এটি গঢ়ি লব আৰু সেই আদৰ্শ অনুসাৰে কাম কৰিব। এই কথাটো জীৱন পৰিচালনাত সদায় লাগি থাকে। আমাৰ ডেকাসকলৰ মূৰতে লক্ষ্য হৈছে উকীল হোৱা, ডাক্তৰ হোৱা আৰু প্ৰফেছাৰ হোৱা। এইবোৰ একোটা আওপুৰণি বাট। এই বাটেৰে আপোনালোক ঐশ্বৰ্য্যশালী হ'ব নোৱাৰে বৰং সেইবোৰ বাটেৰে গলে আজিকালি অনাহাৰতহে মৰিব লাগিব। আপোনালোকে জীৱনত নতুন অৰ্থাৎ শিল্প-বাণিজ্যৰ ফালে বাট লওক। আপোনালোকৰ দেশ খেতিৰ উত্তম ঠাই। চাহখেতিয়ে অসমত নতুন যুগ প্ৰবৰ্ত্তন কৰাইছে কিন্তু দুখৰ বিষয় এই খেতিৰ সৰহ ভাগ বিদেশীৰ হাতত। চাহ অসমৰ স্বভাৱজাত বস্তু। প্ৰথম আসাম-যুদ্ধৰ সময়ত ইয়াৰ আৱিষ্কাৰ হয়। প্ৰায় ৩০৬৭ একৰ মাটিত এতিয়া চাহখেতি হয় আৰু এইবিলাকৰ বাণিজ্যৰ মূল্য হিচাপ কৰিলে ১৫০ লক্ষ পাউণ্ড হয়। কৰতলীয়া ৰাজ্য এৰি আপোনালোকৰ দেশৰ আয়তন ৩৯০ লাখ একৰ কিন্তু মুঠেই ৮০ লাখ একৰতহে খেতি হয় আৰু ১৪০ লক্ষ একৰ খেতি কৰিব পৰা মাটি পৰি আছে। ৩০ লক্ষ একৰত হাবি। আপোনাসকলৰ দেশত প্ৰায় সকলো খেতিয়েই হয়। কি ধান, কি মৰিয়হ, কি মাহ, অমৃতিয়া টেঙা, মাটি-কঠাল কুঁহিয়াৰ আদি সকলো বস্তু ইয়াত হয়। মুগা, মৰাপাট, লা, ৰেচমী সূতা ইত্যাদি বেপাৰৰ বস্তুও ইয়াত প্ৰচুৰ পৰিমাণে হয়। এই

বিলাকৰ বাহিৰেও খনিজ পদাৰ্থৰো আপোনাসকলৰ দেশত অভাৱ নাই। কয়লা, চূণ শিল, কেৰাচিন তেল, লো, লোণ, সোণ, সকলোবোৰ ইয়াত পায়। উজনি অসম, কাছাৰ আৰু মণিপুৰৰ সোণ-লুণ্ঠৰ কথা সকলোৱে জানে।

আপোনাসকলৰ হাবিৰ কাঠ অতুলনীয়। ইয়াৰ শাল আৰু শিগু ভাৰতৰ সকলো ঠাইলৈকে যায়। প্ৰকৃতপক্ষে অকল অসমতেইহে সকলো ৰকমৰ খেতি সুন্দৰভাৱে কৰিব পাৰি। ইয়াৰ উৰ্ব্বৰা ভূমি খেতিয়কলৈ যেন বৈছে আছে। উঠি অহা অসমীয়া ডেকাসকল! আপোনালোক কলৈকো যাব নেলাগে কেৱল খেতি কৰিয়েই এশ বছৰলৈ আপোনাসকল নিশ্চিন্ত হৈ চলিব পাৰে। খেতিৰ লগতে আন আন ব্যৱসায়ো হব পাৰে। যিবিলাক কেঁচা মাল (raw materials) আপোনালোকৰ দেশত পায় তেনে ব্যৱসায়কেই প্ৰথমে লওক। আপোনালোকৰ অসমৰ এৰী মুগা, পাট আদি কাপোৰ গোটেই জগততে জনাজাত। আপোনালোকৰ তিৰোতাবিলাকক শিপিনী কাম এৰিবলৈ নিদিব। মই আপোনালোকক খেতিত ধৰিবলৈ অনুৰোধ কৰোঁ। আপোনালোকৰ সুন্দৰ জীৱিকাৰ উপায় হব। দেশৰ মাটিৰ উন্নতি হব আৰু জনসংখ্যাও বাঢ়িব, কলাজ্বৰ আৰু আন আন ব্যাধিবপৰা আপোনাসকলৰ দেশ ৰক্ষা পাব। চাকৰি পালেহে আৰু উকীল হবলৈ হাবাথুৰি খাই নুফুৰিব। খেতি আপোনালোকৰ পক্ষে অতি সহজ আৰু লাগতিয়াল কাৰ্য্য; কিন্তু ইয়াক বৈজ্ঞানিক জ্ঞানেৰে চলাব লাগিব। পুৰণি প্ৰচলিত প্ৰণালী এৰি দিব লাগিব। অতুল ঐশ্বৰ্য্য আপোনালোকৰ দেশতে, আপোনালোকৰ ভৰিৰ তলতে পোত খাই আছে, মাথোন আপোনালোকে খান্দি উলিয়াই লব লাগে।

সম্প্ৰতিকৈ মই আমাৰ অন্ন-সমস্যা আৰু জাতি-ভেদৰ অপকাৰিতা আদি বিষয়ে কিছুমান বক্তৃতা দি আছোঁ। সেই বক্তৃতাবোৰ সোনকালেই সম্পূৰ্ণৰূপে প্ৰকাশ হৈ ওলাব। সেই কাৰণে এই দুই বিষয়ে সৰহ কথা কৈ মই আৰু সময় নিনিয়াওঁ। আপোনালোকৰ দেশৰ এজন শিক্ষাৰ প্ৰধান গুৰিয়াল, ডাক্তৰ ডেভিদ্ টমচন্ চাহাবে কলিকতা য়ুনিভাৰ্চিটি কমিশ্যনলৈ পঠিওৱা মন্তব্যৰ ভিতৰত জাতি-বিচাৰ আৰু পুৰুষানুক্ৰমিক নীতি কিছুমানে অসমৰ উন্নতিৰ বাটত আগভেটা দি ধৰিছে বুলি জোৰেৰে কৈছে। তেখেতে আৰু লিখিছে—অসমৰ মাটি এতিয়াও খেতি নোহোৱাকৈ

বহুত পৰি আছে আৰু চাৰিওফালে ব্যৱসায়ত খাট দেখুৱাওঁতা মানুহৰ আৱশ্যক হৈ পৰিছে। এইবিলাক ব্যৱসায়ৰ বাহিৰেও আনবোৰ ব্যৱসায়তো এদল ভাল শিল্পীৰ প্ৰয়োজন হৈছে। বৰ্ত্তমান শিক্ষাৰ প্ৰণালীয়ে, মই কওঁ জাতি-বিচাৰে মানুহৰ হাত-ভৰি একৰকম বান্ধি থৈছে। যাৰ ফলত কিছুমান উকীল, কেৰাণী আৰু অলায়ক শিক্ষক ভৰি পৰিছে। কিন্তু এই বাবে বিশ্ববিদ্যালয় দোষী নহয়, গৱৰ্ণমেণ্টো দোষী নহয়। আমাৰ ছাত্ৰবিলাকে যেনে বিধৰ শিক্ষা বিচাৰিছে তেনে বিধৰ শিক্ষা পাইছে। যদি এই শিক্ষা বেয়া হৈছে আৰু যদি শিক্ষা শেষ কৰি আমাৰ ছাত্ৰবিলাকে কলেজ আৰু স্কুলৰপৰা ওলাই শিক্ষা বেচিবলৈ বজাৰ বিচাৰি নাপায়, তাৰ কাৰণ দকৈ গমি চালে জাতি বিচাৰতহে পাওঁগৈ। অসমত শিক্ষা আৰু ব্যৱসায়ত নতুন যুগ প্ৰৱৰ্ত্তাবলৈ হলে অসমত এটা সামাজিক বিপ্লৱৰ প্ৰয়োজন হৈছে। এই সম্বন্ধে অসম ভাৰতৰ আন আন ঠাইতকৈ কোনো ৰকমে. বেলেগ নহয়। শিক্ষাই লাহে লাহে এই নতুন যুগ আনিব আৰু পৰিৱৰ্ত্তনৰ চিন অলপ অলপ দেখা দিছেহি।

অন্ন-সমস্যাৰ৷ এটা কথালৈ আপোনালোকে বিশেষকৈ মন কৰিব লাগে। তাহানি ১৮৩৫ খৃষ্টাব্দত যেতিয়া গোৱালপাৰাৰপৰা কলিকতালৈ যাওঁতে প্ৰায় ২৫।৩০ দিন আৰু উজাই আহোঁতে আৰু ৮ দিনমান বেছি লাগিছিল সেই সময়তে উদ্যোগী মাৰোৱাৰীবিলাকে সুদূৰ শদিয়ালৈকে গৈ এই দেশত বেপাৰ-বাণিজ্য স্থাপন কৰি বহিছিল। আপোনালোকৰ দেশৰ ৰপ্তানি আৰু আমদানি কাৰবাৰ মাৰোৱাৰীয়ে এদনীয়া কৰি লৈছে আৰু আপোনাসকল এই দেশৰে শিক্ষিত ডেকাবিলাকে—যাক আন দেশৰ মানুহে লুইতপৰীয়া দেশৰ টোপনিত পৰি থকা বুলি কয়, কলম চলোৱা ভৱিষ্যত লৈ জীৱিকাৰ উপায় বুলি ধৰিছে। এই বিষয়ে আমি বঙালীবিলাকো আপোনা-সকলৰ নিচিনা।

অসম কেৱল অসমীয়াৰ নিমিত্তে: 'অসম কেৱল অসমীয়াৰ নিমিত্তে' এই কথাষাৰ দূৰত থাকোঁতেও মাজে মাজে আমাৰ কাণত পৰে কিন্তু ইয়াৰ অৰ্থটো কোনেও ভালকৈ গমি চোৱা নাই। ইয়াৰ অৰ্থ হৈছে এই যে একষ্ট্ৰা এচিষ্টেণ্ট কমিশ্যনাৰ, মুন্সেফ আৰু কেৰাণীৰ কামবিলাকৰ নিমিত্তেই খোৱা-কামোৰা। অৱশ্যে উপযুক্ত হলে এইবোৰ চাকৰিত আপোনাসকলৰ যথাৰ্থতে দাবী আছে। সমজুৱাসকল! ভাৱি চাওক,

বহুবি বহুবি দেশৰপৰা যিবোৰ বহুমূলীয়া খনিজ পদাৰ্থ বিদেশীয়ে তুহি লৈ যাব লাগিছে সেই হিচাপত বাহিৰৰ চাকৰিয়ালে যি ধন আপোনাসকলৰ দেশৰপৰা লৈ যায় তাক শূন্য বুলিব পাৰি। মহামতি গোখেল আদি ভাৰতীয় অৰ্থনীতিবিদ্‌সকলৰ লগতেময়ো সদায় এই মত দি আহিছোঁ যে বৃটিছ গৱৰ্ণমেণ্ট ভাৰতবাসীৰ অভিভাৱক স্বৰূপ। এনে অৱস্থাত সিবিলাকে ভাৰতবাসীৰ নাবালক অৱস্থাত ভাৰতবৰ্ষৰ খনিজ বস্তু তোলাত বা অৰণ্যৰ-পৰা বহুমূলীয়া কাঠ সংগ্ৰহ কৰাত বিদেশীক বিশেষ সুবিধা আৰু স্বত্ব দিয়া উচিত নহয় কিন্তু আমি যিমানে আকাঙ্ক্ষা কৰোঁ লাগে এনেকুৱা শুভ কথা হৈ উঠা টান। সেই দেখি আপোনাসকলে নিজেই সাৱধান হোৱা উচিত। নিজৰ দেশৰ খনি আৰু অৰণ্যজাত বস্তুৰ ব্যৱসায় চলাবলৈ আপোনালোক আগবাঢ়ি আহিব লাগিব।

সময় আৰু পানীৰ সোঁত কালৈকো বৈ নেথাকে। অসমত নানা বিধ গছ-লতা পায়। বৰ দুখৰ কথা যে গুৱাহাটীৰ কটন কলেজত উদ্ভিদ্‌বিদ্যা (Botany), ভূতত্ত্ব (Geology) আদি বিজ্ঞানৰ লাগতিয়াল বিভাগত শিক্ষা দিয়া নহয়।

অসমৰ লগত বঙ্গদেশৰ সম্বন্ধ : অসমৰ কিছুমান আচৰিত বিশেষত্ব আছে। কেইটামান জনজাতিৰ ভাষাৰ বাদে অসমত দুটা প্ৰধান ভাষা পোৱা যায়—অসমীয়া আৰু বঙলা।

গেইট্ চাহাবৰ মতে অসমীয়া এটা সুকীয়া ভাষা বুলি গৰিগণিত হবলৈ যোগ্য। "অসমীয়া ভাষাই স্বাধীনভাৱে বঙলা ভাষাতকৈও আগেয়েই বৰ্ত্তমান উন্নত অৱস্থাত ভৰি দিছেহি বুলি মানুহে বিশ্বাস কৰে। ই এটা সুকীয়া জাতিৰ ভাষা আৰু সদায় অসমত বঙলা ভাষা চলাবলৈ চেষ্টাৰ বিৰুদ্ধে যুঁজ কৰি নিজৰ অস্তিত্ব ৰাখি আছে।"

আপোনাসকলৰ বৰ গৌৰৱৰ বিষয় যে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে বঙ্গদেশৰ চৈতন্যৰ পূৰ্ব্বেই অসমত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰ কৰে আৰু কৃত্তিবাস, কাশীৰাম দাসৰ পূৰ্ব্বেই গদ্য-পদ্যত পুথি লিখে। ভট্টদেৱৰ ষোল শতিকাত লিখা কথা-গীতাৰ গদ্য বাস্তৱতে অতুলনীয়। স্বভাৱতেই আপোনালোকৰ হিয়া অহঙ্কাৰৰ ভাৰত কঁপি উঠে যে যি সময়ত বঙ্গদেশে কৃত্তিবাস বা কাশীৰামক জন্ম দিয়া নাছিল আৰু যি সময়ত গদ্য নামৰ উপযুক্ত সাহিত্য ওপজোৱা নাই সেই সময়ত অসমত বৈষ্ণৱ ধৰ্ম্মৰ

প্ৰচাৰক শঙ্কৰদেৱ আৰু তেওঁৰ উপযুক্ত শিষ্য মাধৱদেৱ—দুয়োজনেই কায়স্থ —চৈতন্যৰ জন্মৰ পূৰ্ব্বেই পদ্যত পুথি লিখে আৰু এই কেই আখৰ লিখাৰ পিছত পণ্ডিত হেমচন্দ্ৰ গোস্বামী মহোদয়ৰ পাণ্ডিত্য আৰু স্বদেশ-প্ৰেমৰ ফলত এইটি 'কথাগীতা'ৰ অপূৰ্ব্ব সংস্কৰণ পঢ়িবলৈ মই সুবিধা পাইছোঁ। এইখন অমূল্য ৰত্নস্বৰূপ। যি সময়ত ইংলণ্ডৰ চচাৰ আৰু লাটিমাৰৰ গদ্যৰ বাহিৰে জগতৰ আন কোনো সাহিত্যই উন্নতি লাভ কৰিব পৰা নাছিল, সেই সময়তে ষোল শতিকাতে অসমীয়া গদ্য-সাহিত্যই উন্নত অৱস্থা লভি লৈছিল। অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্য আৰু বিশিষ্টতা লৈ বহু দিন বিৰোধ চলি আছিছে। এইবোৰ মূৰ্খামিৰ চিন্‌হে মাথোন। লোকবিলাকৰ অজ্ঞতা নাইবা বঙালীবিলাকৰ প্ৰাদেশিক ভাৱ আৰু জাতীয় অহঙ্কাৰৰ কাৰণে এনেবোৰ কথা উঠিছে। অসমীয়া সাহিত্যই ষোল শতিকাত যি উন্নত অৱস্থা পাইছিল বঙলা সাহিত্যই তেনে অৱস্থা ঈশ্বৰচন্দ্ৰ আৰু বঙ্কিমচন্দ্ৰৰ দিনতহে মাথোন পাইছে। বাস্তৱতে যদি কোনো অসমীয়া পণ্ডিতে কয় যে বঙালীয়েহে অসমীয়া ভাষাৰপৰা চুৰ কৰিছে তেন্তে সেই কথাৰ বিৰুদ্ধে প্ৰমাণ দিয়া টান হব। মই ভাবোঁ যে এতিয়া চিৰদিনলৈ সেই প্ৰশ্নৰ মীমাংসা হৈছে বুলি ধৰিব পৰা যায়। মই এই কথাষাৰ অকল এজন প্ৰমুখ্য বঙালী স্বৰূপে নহয় বৰং বঙ্গীয় সাহিত্য সম্মেলনৰ ভূতপূৰ্ব্ব সভাপতি স্বৰূপেহে কৈছোঁ। *

* It should naturally thrill your hearts with pride that the great apostles of Vaishnavism in Assam, namely Sankar Deva and his worthy disciple Madhava Deva, both of them Kayasthas and who were precursors of Chaitanya wrote their classical works in verse at a time when Bengali had not produced a Kirtivasa or a Kashiram Dasa nor even a prose literature worth the name. Indeed, the prose Gita of Bhattadeva composed in the sixteenth century is unique of its kind. Since I penned these lines I had an opportunity of coming across an excellent edition of this book (Katha Gita) which we owe to the patriotism and scholarship of Pandit Hemchandra Goswami. It is a valueless treasure. Assamese prose literature

মই অসমীয়া হোৱাহেঁতেন নিশ্চয় মই মোৰ মাতৃভাষাৰ উন্নতি কৰিবলৈ চেষ্টা কৰিলোঁহেঁতেন। কিন্তু ইয়ো সঁচা যে প্ৰবল বঙালী জাতিৰ সঙ্গত সদায় থকাত আপোনাসকলৰ ওপৰত আৰু আপোনা-সকলৰ ভাষাৰ ওপৰত তাৰ অলপ চিন বৈ যাব। আপোনাসকলে ইচ্ছা কৰক বা নকৰক আপোনাসকল বঙালী জীৱন আৰু আকাঙ্ক্ষাৰ সোঁতত নপৰাকৈ থাকিব নোৱাৰে। ঈশ্বৰচন্দ্ৰ, বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথে গঢ়া বঙলা ভাষাই বিশ্ব-সাহিত্যৰ শাৰীত ঠাই লৈছে। কলিকতাৰ লগত আপোনালোকৰ ঘনিষ্ঠ সম্বন্ধ হোৱাত আপোনালোকৰ সামাজিক, আৰ্থিক, ৰাজনীতি আদিয়ে বঙালী সমাজ, অৰ্থনীতি আৰু ৰাজনীতিৰ গঢ় ল'বই ল'ব। মোৰ বিশ্বাস যে এছিয়াৰ ডাঙৰ কেন্দ্ৰ কলিকতাৰ নিচিনা মহানগৰীৰ লগত সম্বন্ধ ঘটাত আপোনালোকৰ উন্নতিৰ নিমিত্তে বৰ সুচল হৈছে। নানা কাৰণে কলিকতা জ্ঞানচৰ্চ্চাৰ এডোখৰ প্ৰধান ঠাই হৈ উঠিছে। মই অৱশ্যে আমাৰ বিশ্ববিদ্যালয়ৰ দোষবোৰ নেদেখা নহওঁ। কিন্তু এই কথা সঁচা যে মহামতি ছাৰ আশুতোষ মুখাৰ্জ্জীৰ প্ৰতিভা আৰু চেষ্টাত বিশ্ববিদ্যালয়ত এদল মনীষী গোট খাইছে আৰু তেওঁলোকে অনেক বিষয়ৰ মৌলিক গৱেষণাৰ কাম চলাব লাগিছে। বিক্ৰমাদিত্য,

developed to stage in the far distant sixteenth century which no other literature of the world reached except the writings of Hooker and Latimer in England.

There has been a controversy for long about the independence and identity of the Assamese language. This is extremely foolish. This is due, I hold, to the provincial patriotism and national conceit of the Bengalees living in Assam. Assamese literature developed to a standard in the sixteenth century which the Bengalee literature had reached only in the time of Iswar Chandra and Bankim Chandra. In fact, if some Assamese scholar now get up and say that it is the Bengalee who has borrowed from the Assamese literature and enriched his own, it will be very difficult to dislodge him. I think the question may now be considered as solved and settled for good. I say this not only as a representative Bengalee but as an Ex-President of the Bengal Literary Conference.

উজ্জয়িনীৰ তক্ষশীলা, নালন্দাৰ কথা এৰি দিলে ইমানবিলাক মনীষী গোট খাই জ্ঞান আলোচনা কৰা ভাৰবৰ্ষত কেতিয়াও ঘটা নাছিল।

পোনপ্ৰথমে ভাৰতবাসীয়েহে বুলিব লাগে, পিছতহে অসমীয়া :— অসমীয়া স্বৰূপে-আমি তাৰে ঠেঙুলি-মাথোন, প্ৰত্যেক শিক্ষিত অসমীয়াৰে নিজৰ প্ৰদেশৰ স্বত্ব ৰক্ষা কৰাটো আৰু নিজৰ দেশৰ স্বাৰ্থহানি যাতে কোনোমতে নহয় তালৈ চকু দিয়াটো অৱশ্যে কৰ্ত্তব্য; কিন্তু কেৱল আপোনাসকলৰ নিজ সমাজ আৰু নিজ দেশ মনত লৈ সকলো কথা সঙ্কীৰ্ণৰূপে ভুৱাৰপৰা সদায় আঁতৰত থাকিব। আমি সদায় মনত ৰখা উচিত যে আমি পোনতে সকলোৱেই ভাৰতবাসী। সেই ভাৰতবাসীৰে ভাগ-ভাগ হৈ অসমীয়া বা বঙালী হৈছোঁ। দেশত সকলো থাপৰে শিক্ষাৰ—কি প্ৰাথমিক, কি মাধ্যমিক, কি উচ্চ বহুল পৰিমাণে বিস্তাৰ, দেশত স্বায়ত্তশাসন দান, দেশৰ সাধাৰণ স্বাস্থ্যৰ উন্নতিৰ বাবে উপযুক্ত পৰিমাণে ধন ব্যয়, আত্মোন্নতিৰ সুযোগ আৰু দেশীয় যোগ্য সকলোৰে নিজৰ দেশতে উপযুক্ত কৰ্ম্মক্ষেত্ৰ পোৱাৰ সুবিধা ইত্যাদি যিবিলাক উদাৰ নীতিৰ নিমিত্তে সকলোৱে আন্দোলন কৰি আছোঁ সেই সকলোৰে পক্ষে সেইবিলাকৰ প্ৰয়োজন আছে। আন আন দেশৰ দৰে আজি ভাৰতবৰ্ষও জগতৰ ৰাষ্ট্ৰনীতিৰ আৱৰ্ত্তনৰ ভিতৰত নোসোমোৱাকৈ থাকিব পৰা নাই। মিষ্টাৰ লয়েড জৰ্জ্জে যথাৰ্থ কথাকে কৈছে যে আমি প্ৰত্যেক বছৰতে একোটা শতাব্দীৰ বাট আগুৱাইছোঁ আৰু যদি আমি সময়ৰ লগে লগে আগুৱাব নোৱাৰোঁ তেনেহলে আমাৰ ভৱিষ্যত উন্নতিৰ আশা একেবাৰে লোপ পাব। ক্ষিপ্ৰ গতিৰে জগৎ আগুৱাব লাগিছে। এনে সময়ত সমগ্ৰ জগতৰপৰা আঁতৰি আকল নিজৰ কথাকে চিন্তা কৰি, আন আন জাতিৰ উন্নতি দেখি কপালক মাথোন দোষ দি হাত সাৱটি বহি থাকিলে নচলিব। প্ৰাচ্য জগতে উন্নতি কৰিব নোৱাৰে এই অপবাদ অলীক বুলি জাপানে সাক্ষাতভাৱে প্ৰমাণ কৰিছে। যুগ-যুগান্তৰৰ কলাঘুমটি আৰু এলাহ কাটি কৰি থৈ জাপানে আজি পৃথিৱীৰ জাতি-সমূহৰ ভিতৰত ওখ আসন অধিকাৰ কৰিব পাৰিছে। আমিও জাতীয় ভাৱেৰে অনুপ্ৰাণিত হৈ আমাৰ কলাঘুমটিৰপৰা উঠি কৰ্ম্মক্ষেত্ৰত আগুৱাব লাগিব নাইবা চিৰদিনৰ নিমিত্তে আমাৰ অধঃপতন হ'ব।

সমাজৰ প্ৰতি আমাৰ ডেকাসকলৰ কৰ্ত্তব্য :—দুখুনী অসমৰ আশা-ভৰসাৰ থল হে প্ৰিয় ছাত্ৰবন্ধুসকল! আপোনাসকলৰ সমুখত এটি পৱিত্ৰ আৰু মহান কৰ্ত্তব্য আছে। কাইলৈ আপোনাসকলৰ প্ৰদেশৰ অৱস্থা কি হ'ব সেইটো আজি আপোনাসকলে কৰা কামৰ ওপৰত নিৰ্ভৰ কৰে। মনত ৰাখিব যে সকলো জাতিয়েই নিজৰ দ্বাৰাই গঠিত হয়। আধুনিক বঙ্গদেশত নব যুগৰ প্ৰৱৰ্ত্তনৰ সময়ত পুৰণি হিন্দু কলেজৰ শিক্ষিত ছাত্ৰসকলে কি মহৎ কাৰ্য্য সাধন কৰিছিল এই বিষয়ে উল্লেখ কৰোঁতে মই আন এসময়ত কৈছিলোঁ,—যুক্ত প্ৰদেশ আৰু পঞ্জাবত পাশ্চাত্য শিক্ষা প্ৰচাৰৰ মূলত বঙালীসকল আছে আৰু নব্য ভাৰত গঠনত তেওঁলোকৰ ভাগ আজি সকলোৱে স্বীকাৰ কৰিছে। চিপাহী-বিদ্ৰোহৰ সময়ত আৰু তাৰ পিছতো বঙ্গদেশৰ ছুৱলীয়া লাট ছাৰ ফ্ৰেডেৰিক হেলিডেই ভাৰত-সচিবৰ সভাত সভ্য থাকোঁতে এইদৰে উল্লেখ কৰিছিল—প্ৰত্যেক শিক্ষিত ব্যক্তিয়েই তেওঁৰ চুবুৰীত আৰু তলতীয়াবিলাকৰ মাজত শিক্ষাৰ প্ৰচাৰক আছিল আৰু প্ৰত্যেক ভূ-স্বামীয়ে নিজৰ ঠাইত স্কুল পতাত আৰু উন্নতি কৰাত তেওঁৰ সমনীয়া ওচৰ-চুবুৰীয়াবিলাকক চেৰ পেলাবলৈ চেষ্টা কৰিছিল। এনে চেষ্টাৰ ফলত ১৮৬৯ চনত প্ৰাথমিক শিক্ষাৰ নিমিত্তে ৰাজকীয় ভঁৰালৰপৰা যি ধন খৰচ হৈছিল তাৰ আধাখিনি বৰঙনি আৰু দানৰপৰা যোগোৱা হৈছিল। যি জাতিৰ মানুহে কেবছৰমান পূৰ্ব্বে আনক শিক্ষা দিয়াৰ কথা দূৰতে থাওক নিজেই শিক্ষাৰ মোল বুজিব নোৱাৰিছিল এনে মানুহৰপৰা বৰঙনি আৰু দান পোৱাটো বিশেষভাৱে উল্লেখযোগ্য। বাস্তৱতে হিন্দু কলেজৰ প্ৰত্যেক ছাত্ৰই ধৰ্ম্মবিষয়ক, সামাজিক আৰু ৰাজনৈতিক শিক্ষাৰ কেন্দ্ৰ হোৱাত সেইবিলাক ভাৱ তেওঁলোকৰ মাজেদিয়েই গোটেই দেশত বিয়পি পৰিছিল। এবাটি পানীৰ এচুকে অলপ চেনি দিলেও সেই চেনি গোটেই বাটিৰ পানীতে মিহলি হয়। মই আশা কৰিছো জন্মভূমিৰ পুনৰুত্থানৰ নিমিত্তে অসমীয়া যুৱক সম্প্ৰদায়েও এনে কাম কৰিব পাৰিব। বাস্তৱতে প্ৰচাৰ কামত সেই একে ধৰণৰ জাতীয় উৎসাহ আহি আপোনাসকলক যে উদগাৰ ধৰিছে আৰু ইতিমধ্যে ঠায়ে ঠায়ে হাইস্কুল কিছুমান প্ৰতিষ্ঠিত হ'ব ধৰিছে মই দেখি বৰ ৰং পাইছোঁ। মই আশা কৰোঁ যে অসমৰ সুযোগ্য পুত্ৰসকলে শ্ৰীযুত চন্দ্ৰনাথ শৰ্ম্মাক অনুসৰণ কৰিব।

একতাই শক্তি :—একতাই প্ৰধান শক্তি। এমুঠি শিক্ষিত আৰু

সমৃদ্ধিশালী মানুহ লৈয়েই এটা জাতি গঠন নহয়। তেওঁলোক মহাসাগৰত জলবিন্দু মাথোন। নিৰক্ষৰ আৰু পাছ পৰি থকা ভ্ৰাতৃবৃন্দক আপোনাসকলে হাতত ধৰি লৈ আগে আগে বাট দেখুৱাই যাব লাগিব। তেওঁলোকক বৰ্ত্তমান দুৰ্দ্দশাৰপৰা উদ্ধাৰ কৰি এইটো অনুভৱ কৰাব লাগিব যে তেওঁলোকো আপোনাসকলৰ নিচিনাই মানুহ। সৌভাগ্যৰ বিষয় যে অসমত বঙ্গদেশৰ দৰে জাতিভেদৰ বৰ অত্যাচাৰ নাই। এই বিষয়ে আপোনাসকলৰ কৰ্ত্তব্য কিছু পৰিমাণে সুখসাধ্য।

আপোনাসকলে স্ত্ৰী-শিক্ষা আওহেলা কৰিব নালাগে। মাতৃ, ভগ্নী আৰু স্ত্ৰীসকলক পাহৰিলে নহব। এই কথা মনত ৰাখিব যে অৰ্দ্ধেক দেশবাসী সদায় অজ্ঞান এন্ধাৰত আৰু চিৰ পৰাধীনতাত পৰি থাকিলে জাতীয় উন্নতি কোনোমতেই হব নোৱাৰে।

মই আপোনাসকলক দেশ ভ্ৰমণ কৰিবলৈ অনুৰোধ কৰোঁ। ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ ফুৰি আহিলেহে আপোনাসকল যে ভাৰতবাসী যথাৰ্থতে অনুভৱ কৰিব। আপোনাসকলে নাদৰ ভেকুলীৰ জীৱন ত্যাগ কৰিব। কেৱল ভাৰতবৰ্ষৰ বিষয়ে জানিলেই যথেষ্ট নহয়, ইউৰোপ, আমেৰিকা আৰু জাপান আদি দেশলৈ গৈ শিক্ষা সমাপ্ত কৰিবলৈ আপোনাসকলৰ লক্ষ্য আৰু চেষ্টা হব লাগে। পাশ্চাত্য জাতিসমূহৰ সংস্পৰ্শত আপোনা-সকল অহা নিতান্ত বাঞ্ছনীয়। মই আপোনাসকলক সাৱধান কৰি দিব খোজোঁ যেন পাশ্চাত্য আচাৰ-ব্যৱহাৰ অনুকৰণ কৰিবলৈ গৈ নিজৰ জাতীয়তা নেহেৰুৱায়। আপোনাসকল ঘৰলৈ উভতি আহোঁতে একো একোজন উপযুক্ত ভাৰতবাসী আৰু উপযুক্ত অসমীয়া হৈ অহাহে গৌৰৱৰ কথা।

আপোনাসকলৰ আন আন সকলো প্ৰয়োজনীয় অভাৱ-অভিযোগৰ আলোচনা কৰাটো মোৰ পক্ষে সম্ভৱপৰ নহয়। এইবোৰ আপোনালোক সকলোৱেই জানে। আমাৰ চৰিত্ৰৰ প্ৰধান দোষ হৈছে এলাহ। ই আমাৰ সামাজিক আৰু ব্যক্তিগত জীৱনৰ বহু অনৰ্থৰ মূল। এই কৰ্ম্মময় সংসাৰ সোৱোপা আৰু এলেহুৱালৈ নহয়। বুকুৰ তেজ পানী কৰিহে জীৱিকা আৰ্জ্জিব পাৰি। সেইদৰে বুকুৰ তেজ পানী কৰিহে দেশৰ উপকাৰ সাধিব পাৰি। কাৰ্য্য সাধনৰ কোনো ৰাজ-আলি নাই। কুসুম-শয্যাত শুই থাকি কৃতকাৰ্য্য হব নোৱাৰি। ই শুনাত ভাল নেলাগিব পাৰে কিন্তু মনত ৰাখিবলগীয়া কথা।

জগতখন নতুন প্ৰাণেৰে অনুপ্ৰাণিত হব ধৰিছে আৰু আমাৰ দেশ এটা নতুন জীৱনৰ দুৱাৰদলিত ভৰি দিছেহি বুলি মই কব খোজোঁ।

সামৰণিত মই আপোনাসকলৰ উজ্জ্বল ভৱিষ্যতৰ সম্বন্ধে আশা দিব পাৰোঁ। উন্নতিৰ শুভ চিন চাৰিওফালে দেখা গৈছে। ভাৰতীয় শাসন-পদ্ধতি সম্বন্ধে গ্ৰেট বৃটেনে ইতিপূৰ্ব্বে কৰা সকলোবিলাক ঘোষণাতকৈ যোৱা ১৯১৭ চনৰ ঘোষণাই মোৰ বিশ্বাস অধিক প্ৰয়োজনীয়। আপোনাসকলে অচিৰে নিজৰ দেশৰ যি দায়িত্বপূৰ্ণ শাসনভাৰ নিজে গাত লব লাগিব তাৰ নিমিত্তে এতিয়াৰপৰা সাজু হবলৈ অহোপুৰুষাৰ্থ কৰক। আপোনাসকলে প্লেটোৰ এই সাৰগৰ্ভ প্ৰমাণ বাক্যটো মনত ৰাখিব যে এজন সৎ প্ৰজাই তেওঁৰ দেশৰ কাৰ্য্যত উচিত পৰিমাণে যোগ নিদিয়াৰ দোষৰ বাবে অসৎ প্ৰজাৰ শাসনাধীনত থাকিব লগা দণ্ডেৰে দণ্ডিত হয়। আপোনাসকলৰ ভূতপূৰ্ব্ব মহৎ আৰু সহৃদয় শাসনকৰ্ত্তাজনে অলপতে অসমবাসীৰ উচ্চ জ্ঞান-বুদ্ধিৰ বিষয়ে প্ৰমাণ দিছে আৰু মণ্টেগু চেমচ্‌ফৰ্ড শাসন-সংস্কাৰত আপোনাসকলৰ হক ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছে। মই সৰ্ব্বান্তঃকৰণে আশা কৰোঁ আপোনাসকলৰ বৰ্ত্তমান আৰু ভৱিষ্যত শাসনকৰ্ত্তাসকলে যেন মহানুভৱ ছাৰ আৰ্চডেল আৰ্লৰ বাট লৈ আপোনাসকলৰ উচ্চ আশা আৰু আদৰ্শ পোষণ কৰিবলৈ সহায় কৰি উন্নতিৰ পথত আগুৱাবলৈ সমৰ্থ কৰে। মুঠতে কব লাগিলে কাৰ্য্যসিদ্ধি আপোনাসকলৰ নিজৰ চেষ্টাৰ ওপৰতে নিৰ্ভৰ কৰে। মই আশা কৰোঁ সমগ্ৰ ভাৰতে যি উপকাৰী সুশাসন পাবলৈ আকাঙ্ক্ষা কৰিছে অসমো যেন তাৰপৰা বঞ্চিত নহয়।

সামৰণি মন্তব্য

আদিৰপৰা অন্তলৈকে অকণো হাই-উৰুমি নোহোৱা এই বিৰাট সমাবেশত আটাইতকৈ লক্ষ্য কৰিবলগীয়া কথা হৈছে ইয়াৰ নিয়মানুবৰ্ত্তিতা। এই সম্মেলন অতি সুকলমে শেষ হল। সভাৰ সমগ্ৰ কাৰ্য্যসূচী আপোনালোকে যেনে ভাৱে নিয়াৰিকৈ পৰিচালনা কৰিলে আৰু যি নিয়মানুবৰ্ত্তিতা মই এই সভাত দেখা পালোঁ তাকে দেখি মোৰ অন্তৰ আশাৰে উপচি পৰিছে। মোলৈ আৰু আন আন অতিথিসকললৈ আপোনালোকে যি বিপুল সম্বৰ্দ্ধনা আগবঢ়াইছে ই সঁচাকৈয়ে চমকপ্ৰদ। অসমীয়া ছাত্ৰৰ বিষয়ে মোৰ পূৰ্ব্বৰ সকলো ধাৰণা আজি সলনি কৰিবলগীয়া হল। অসমৰ ছাত্ৰসকলৰ জীৱন্ত জাগ্ৰত কৰ্ম্মশক্তিয়ে মোৰ প্ৰাণত পৰম আশাৰ সঞ্চাৰ কৰিছে। কংগ্ৰেছ মণ্ডপৰ বাহিৰে আৰু অইন ঠাইত মই এনে নিয়মানুবৰ্ত্তিতা, এনে কৰ্ম্মপৰায়ণতা কেতিয়াও দেখা নাছিলোঁ। সম্মিলনৰ কৃতকাৰ্য্যতাৰ কাৰণে এই চহৰ আৰু ইয়াৰ আশে-পাশে থকা লোকসকলৰ আপ্ৰাণ চেষ্টা দেখি মই আনন্দত অভিভূত হৈ পৰিছোঁ। ধনী-দুখীয়া, উচ্চ-নীচ নিৰ্ব্বিশেষে সকলোৱে কঠোৰ পৰিশ্ৰম কৰি এই সম্মিলনৰ সফলতাত বৰঙণি যোগাইছে।

অসমীয়া ছাত্ৰৰ সুন্দৰ স্বাস্থ্য দেখা পাই মই বৰ আনন্দ পাইছোঁ আৰু সন্তোষ লাভ কৰিছোঁ। বঙ্গদেশৰ মেলেৰিয়াগ্ৰস্ত আৰু অস্থিচৰ্ম্মসাৰ ছাত্ৰৰ তুলনাত আপোনালোক বহু গুণে উন্নত। আনন্দেৰে ভৰা উজ্জ্বল মুখখনিহে মই অতি মূল্যৱান বুলি ভাবোঁ।

অসম আৰু এতিয়া আগৰ দৰে অন্ধকাৰত পৰি থকা দেশ হৈ থকা নাই। বঙ্গদেশে অৰ্দ্ধশতাব্দীত কৰা অগ্ৰগতি অসমে দহ বছৰতে লাভ কৰিবলৈ সমৰ্থ হৈছে।

অসমৰ বিষয়ে মোৰ বক্তব্যখিনি বঙ্গদেশত আৰু ভাৰতৰ আন ঠাইত জনাবলৈ মই আশা কৰিছোঁ। ভাৰতৰ পুনৰুত্থানৰ বাবে ই অতি আৱশ্যকীয়। অসমৰ নৱ-জাগৰণলৈ আৰু সৰহ দিন নাই।*

*The monster gathering is marked by complete silence and discipline all throughout. The Conference is a grand success. The manner in which you have conducted the entire proceedings of

the conference and the discipline which has marked them fill me with great hopes. The magnificent reception accorded to me and to other guests, is simply striking, I have had to revise the estimate I formed of the Assamese Students. The life, spirit and activity of the students of Assam have filled me with very great hopes. Such discipline and activity I had never experienced outside the Congress-Pandal. It has given me very great pleasure to see that to secure success of the Conference the town and the gaon have been utilised to the fullest extent. The rich and poor, the high and low have worked hard to achieve the success of the great function.

The beautiful health of the Assamese Students has given me the greatest pleasure and satisfaction. It does one good to see smiling face and sample of health. You are far better off than the malaria-stricken and skeletoned students of Bengal. Beaming countenances and happy looks are one thing I value most.

Assam is no longer a benighted backward Province. What Bengal has achieved in half a century Assam has achieved in ten years and in the next ten years Assam will make gigantic strides.

I shall be able to convey my message about Assam to Bengal and other parts of India. This is necessary for regeneration of India. Regeneration of Assam is not far off*.

*ভাষণখিনি মূল ইংৰাজীৰপৰা ভাঙোতাৰ নাম জানিবপৰা নগ'ল। সামৰণি মন্তব্যখিনি অনুবাদ কৰি দিওঁতা—শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মা এম-এ —সংগ্ৰাহক।

পঞ্চম ভাষণ

সভাপতিঃ- ডঃ ডি. আৰ. ভাণ্ডাৰকাৰ

গোলাঘাট—২৭ অক্টোবৰ, ১৯২০ চন

যি কোনো লোকে সম্মেলনৰ সভাপতি হ'লেই, 'যি কাৰ্য্য চলাবলৈ তেওঁক মাতি অনা হৈছে তেওঁ তাৰ বাবে তেনেই অলায়ক, সভাপতি পদত বৰণ কৰা বাবে তেওঁ নিজকে যথেষ্ট সম্মানিত কৰা হৈছে বুলি ভাবিছে আৰু সমজুৱা ৰাইজৰপৰা সহায় আৰু সুবিধা পালে তেওঁ তেওঁৰ কামখিনি চলাব পাৰিব বুলি আশা কৰিছে',—ইত্যাদি কথা কৈ সভাপতিৰ অভিভাষণৰ পাতনি মেলাটো আজিকালি এটা ধুনেই হৈ পৰিছে। কিন্তু কোনো শিক্ষাকেন্দ্ৰৰ লগতেই সৰহ কাল সংশ্ৰৱ ৰাখিব নোৱাৰা কাৰণে মই এতিয়ালৈকে সভাপতি হবৰ যোগ্য হোৱাহি নাই, এই কথা আষাৰ যদিও একেবাৰে সঁচা, তথাপি মই আপোনালোকক তেনে কোনো নম্ৰতাৰ ভাৱ দেখুৱাই আমনি দিব নোখোজোঁ। সি যি নহওক আজি মই নিজে অসমীয়া ৰাইজৰ মাজলৈ আহি মোৰ মনত যি মহা আশ্চৰ্য্য আৰু বিস্ময় ভাৱ জন্মিছে, সেই কথা আপোনালোকৰ আগত ভাঙি-পাতি নকৈ নোৱাৰোঁ। সুদূৰ মহাৰাষ্ট্ৰ দেশৰ এজন মানুহ আহি পুৰণি কামৰূপৰ এই ৰাইজৰ আগত থিয় হোৱাটো এটা লেখত লবলগীয়া কথা নহয় জানো বাৰু? এই আটাইবিলাকৰে মূল কথা হৈছে কলিকতা বিশ্ববিদ্যালয়। ই অকল অসম বা বঙ্গদেশৰ নহয়, গোটেই ভাৰতৰে জ্ঞান-চৰ্চ্চা আৰু অনুসন্ধানৰ কেন্দ্ৰ হৈ পৰিছে। এই কাৰণে ভাৰতৰ সকলো ঠাইৰে অনুসন্ধিৎসু কৰ্ম্মী, শিক্ষকেই হক বা শিক্ষাৰ্থীয়েই হক এই বিশ্ববিদ্যালয়লৈ আকৰ্ষণ শক্তিৰ বলত কাষ চাপি অহাটো একো নতুন কথা নহয় আৰু এই দৰেই ভাৰতৰ একেবাৰে পশ্চিম সীমান্তবাসী এজন অধ্যাপকে তেনেই পূব সীমাত থকা ছাত্ৰসকলৰ আগত আহি বক্তৃতা কৰাত আচৰিত হবৰ একো

কাৰণ নোহোৱা হৈ পৰিছে। কিয়নো একে মাতৃ-বিশ্ববিদ্যালয়ৰ সম্বন্ধত উভয় পক্ষৰ সম্পৰ্ক ঘটিছে।

আপোনালোকৰ বহুতে কিজানি জানে যে সম্মেলনৰ উদ্যোক্তাসকলে প্ৰথমে মোক সভাপতি হবলৈ ধৰোঁতে মই সেই অনুৰোধ ৰাখিব নোৱাৰিম বুলি তেওঁলোকক সুনম্ৰ অথচ দৃঢ়ভাৱে জনাইছিলোঁ। মই কলিকতাত মোৰ পদ গ্ৰহণ কৰিবলৈ পুনাৰ পৰা আহোঁতে বিশ্ববিদ্যালয়ৰ লগত পোন-পটীয়াভাৱে সংশ্ৰৱ নথকা কোনো কামতেই মোৰ শক্তি আৰু সময় খৰচ নকৰিবলৈ মন বান্ধি আহিছিলোঁ। ইয়াৰ উপৰিও মই বক্তৃতা কৰি ফুৰা দস্তুৰটো বৰ বেয়া পাওঁ আৰু ই এজন প্ৰকৃত অনুসন্ধিৎসুৰ পক্ষে বিপদৰ বাহ বুলি নাভাবি নোৱাৰোঁ। যদি এজন অধ্যাপকে নিখুঁত সঁচাকৈ কয় অৰ্থাৎ তেখেত যদি স্পষ্টবাদী হয়, তেনেহলে তেখেতৰ কথাত গৱৰ্ণমেণ্ট আৰু ৰাইজ উভয় পক্ষই সন্তোষ নাপাবৰ খুব সম্ভাৱনা আছে। আন ফালে তেখেতে যদি এবাৰ গৱৰ্ণমেণ্ট বা ৰাইজ পক্ষৰ শ্ৰোতামণ্ডলীক সন্তোষ দিবৰ মনেৰে ৰহণ লগাই কথা কবলৈ হয়, তেন্তে সেয়ে ততালিকে অভ্যাস হৈ পৰেগৈ আৰু তেখেতে কিছুমান কথা ঢাকি আৰু কিছুমান কথা বঢ়াই কবলৈ ধৰে। মুঠৰ ওপৰত তেখেত সত্য বাছি উলিয়াবপৰা আৰু সেই দেখিয়েই অধ্যাপকৰ নিজা কাম সমাধাৰ কাৰণে আৱশ্যকীয় মনৰ নিৰপেক্ষ বিচাৰশক্তি হেৰুৱায়। এই কাৰণে অনুসন্ধানত লাগি থকা কোনো এজন লোকক কোনো সভা বা সম্মেলনৰ সভাপতি হবলৈ মতাতকৈ তেখেতক আৰু ডাঙৰ বিপদৰ বাঁহলৈ ওচৰ চপোৱা আন একোৱেই হব নোৱাৰে। এইবোৰ বুজিয়েই মই বঙ্গদেশলৈ অহাৰ আগতে পোনপটীয়াভাৱে বিশ্ববিদ্যালয়ৰ কামত নহা কোনো কাৰণতেই বক্তৃতা নকৰিবলৈ মনতে ঠিৰাং কৰিছিলোঁ। কিন্তু সেই মহাৰাষ্ট্ৰৰ নিচিনা এখন অতি দূৰণিবটীয়া দেশতো কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনাজাত আৰু সেই যাদু আৰু ভেলেকীবাণে তলে তলে ইমান কাম কৰিলে যে ই সাক্ষাত সৰস্বতী দেৱীকো মোক আজিৰ এই সভাৰ সভাপতি হবলৈ কৰা অনুৰোধ ৰাখিবৰ কাৰণে ফুচুলাবলৈ বাধ্য কৰিলে।

মই আপোনালোকৰপৰা পোৱা সুম্মেলনৰ 'নিয়মাৱলীৰ'পৰা জানিব পাৰিছোঁ, সকলো ৰকম সম্ভৱপৰ উপায়েৰে গোটেই অসমীয়া ছাত্ৰ সমাজৰ অৱস্থা উন্নত কৰি স্কুল-কলেজত দিয়া শিক্ষাক পূৰ্ণাঙ্গ কৰি তোলাই সম্মেলনৰ মুখ্য উদ্দেশ্য। স্কুল-কলেজৰ শিক্ষালৈ পিঠি দিবলৈ এই সম্মেলনে নকয় বৰং

সেই শিক্ষাক পূর্ণাঙ্গ কৰি তোলাটোহে ইয়াৰ লক্ষ্য। মই আপোনালোকক এই কথা আৰাবলৈ ভালকৈ মন কৰিবলৈ কওঁ। অসম, বঙ্গ আৰু বোম্বাই, আন কি ভাৰতৰ সকলো প্ৰদেশৰ প্ৰায় সকলো ছাত্ৰকেই স্কুল-কলেজৰ শিক্ষালৈ হেলা কৰি ছাত্ৰৰ আচল কৰ্ত্তব্যৰ ভিতৰত নপৰা সামাজিক, ৰাজনৈতিক আৰু সাহিত্যৰ আন্দোলন আদিলৈ বেছিকৈ ঢাল খোৱা দেখা যায়। তেওঁলোকৰ মনেৰে সংসাৰত উন্নতি আৰু যশস্যা লাভ কৰিবলৈ হলে স্কুল-কলেজৰ শিক্ষা স্বৰূপ এই লগ নেৰা আপদটো পাৰ হব লাগিব। এই কাৰণে তেওঁলোকে স্বভাৱতে যিমান পাৰে কম শ্ৰমতে পৰীক্ষাত কোনোমতে উপাধি এটা পাবলৈ বিচাৰে আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কোনো এটা বিশেষ বিষয়ত বা সকলো বিষয়ত সমানে যশস্যা লৈ উত্তীৰ্ণ হবলৈ সৰহীয়াকৈ চেষ্টা কৰা সকলেও প্ৰায় সংসাৰিক বিষয়ৰ লাভ আৰু উন্নতিৰ কাৰণেহে তাকে কৰে, শিক্ষাৰ প্ৰকৃত অনুৰাগত প্ৰনুপ্ৰাণিত হৈ নহয়। তেওঁলোকৰ আন যিমানেই উন্নতি কৰিবপৰা ক্ষমতা থাওক লাগে, পোনতে মনক শিক্ষিত কৰিবৰ উপযোগীকৈহে যে তেওঁলোকৰ শিক্ষা-প্ৰণালী গঢ়া হৈছে, এই কথা তেওঁলোকে প্ৰায়েই পাহৰি যায়। মানুহৰ মন বাৰেবাঙ্কৰা বস্তুৰে ভৰাই ৰাখিব পৰা বাজীকৰৰ মোনাৰ দৰে নহয়। জ্ঞান গ্ৰহণ কৰি আৰু জীণ নিয়াইহে মনৰ উৎকৰ্ষ সাধিবপৰা যায়, আমি শিক্ষা বুলিলে ইয়াকেহে বুজোঁ। কিন্তু যদি আমি আমাৰ নিজৰ ৰাপ নিজে বুজি নলওঁ আৰু তাৰ শ্ৰীবৃদ্ধি কৰিবলৈ নেচাওঁ তেন্তে কেনেকৈনো জ্ঞান গ্ৰহণ কৰি জীণ নিয়াবলৈ সমৰ্থ হম? চাওক বাৰু, সংস্কৃত সাহিত্যত প্ৰতিভা থকা আৰু ইংৰাজী সাহিত্যত ৰাপ নথকা এজন ছাত্ৰক, ইংৰাজীত প্ৰথম শ্ৰেণীৰ এম-এ হব পাৰিলে গৱৰ্ণমেণ্টৰ ঘৰত সৰহ দৰমহাৰ চাকৰী পাবৰ আশা আছে বুলিয়েই ইংৰাজী লবলৈ বাধ্য কৰাবপৰা লাভ কি? সেই দেখি প্ৰত্যেক ছাত্ৰই ভালকৈ আগ-পাছ গুণি তেওঁৰনো কি বিষয় এটাইতকৈ ভালকৈ সমাধা কৰিবপৰা শক্তি আছে, বুজিবলৈ চেষ্টা কৰি চোৱা উচিত আৰু যাতে তেওঁৰ নিজা ৰুচিৰ লগত খাপ খাই যায় আৰু তাৰ শ্ৰীবৃদ্ধি কৰে, এনে এটা বিষয় বাছি লব লাগে।

সৌভাগ্যৰ কথা, আপোনালোকে কলিকতা বিশ্ববিদ্যালয়ৰ তলত থাকি ইচ্ছামতে বিষয় বাছি লবলৈ এখন অতি বহল ক্ষেত্ৰ পাইছে। মই নিসন্দেহে কব পাৰোঁ, আপোনালোকে নিজৰ ভিতৰত নিহিত থকা শক্তি বিকশিত কৰি তুলিবৰ উপযোগীকৈ বিষয় বাছি লব পাৰিব।

সেই দেখি আপোনাসকলৰ স্কুলীয়া আৰু কলেজৰ জীৱনতে আপোনা-সকলে নিজ নিজ অভিৰুচি বাছি উলিয়াব লাগে আৰু যি বিষয়ৰ জ্ঞান আপোনা-আপুনি গৃহীত হৈ জীণ যাব আৰু তেওঁৰ প্ৰবৃত্তিৰ যথাসম্ভৱ উৎকৰ্ষ সাধন কৰিব, অধ্যয়নৰ কাৰণে তেনে বিষয়বোৰ সুবিবেচকভাৱে বাছি লোৱা বাঞ্ছনীয়।

আপোনালোকে চাগে মই জ্ঞান গ্ৰহণ কৰা আৰু জীণ নিওৱা মানে ঠিক কি বুজাইছোঁ সেই বিষয়ে মোক কবলৈ কব। আমি পুনা কলেজত বি-এ মহলাৰ বাবে ন্যায়শাস্ত্ৰ আৰু নীতিদৰ্শন পঢ়োঁতে আমাৰ ইংৰাজীৰ অধ্যাপকে এই সম্বন্ধে আমাৰ আগত দিয়া উদাহৰণ এটাকে আপোনালোকৰ আগতো দিওঁ। আমি তেতিয়া শ্ৰেণীত এৰিষ্টটোলৰ নীতিশাস্ত্ৰ পঢ়িছিলোঁ। তেনে সময়তেই কলিকতা বিশ্ববিদ্যালয়ত এজন বৰলাটে কনভকেছন সভাত তেওঁৰ অভিভাষণ পঢ়িছিল। বৰলাটজনৰ সেই অভিভাষণৰ এটা কথা এৰিষ্টটোলৰ নীতিশাস্ত্ৰৰ এক দফাৰ লগত হুবহু মিলি গৈছিল। অধ্যাপকে সুধিলে, "বৰলাটজনে জানি শুনিয়েই এৰিষ্টটোলৰ নীতিশাস্ত্ৰৰপৰা এই কথা তুলি দিছিল নে?" আকৌ নিজে উত্তৰ কৰিলে, "নহয়। তেওঁ কেতিয়াও তেনে কৰা নাই। তেওঁ কিজানি কলেজ এৰাৰ পিছৰপৰা এই নীতিশাস্ত্ৰখন আৰু মেলি চোৱা নাই। কিন্তু তেওঁ কলেজত নীতিশাস্ত্ৰৰ সেই দফাৰপৰা যি শিকিছিল সি নিশ্চয় তেওঁৰ মনৰ আংশিক উপাদান হৈ পৰিছিলগৈ।" জ্ঞান গ্ৰহণ কৰা আৰু জীণ নিওৱা মই ইয়াকেই বুলিছোঁ। মই ওপৰতে কৈ আহিছোঁ যে মানুহৰ মন যিহকে তিহকে ভৰাই ৰাখিব পৰা বাজীকৰৰ মোনাৰ দৰে নহয়। যদি আপোনালোকে পৰীক্ষাৰ কাৰণে গ্ৰন্থকাৰক অধ্যয়ন কৰোঁতে যি ভাব আৰু ধাৰণা পায় আৰু যিদৰে হৃদয়ত অনুভূতি হয়, সেইবিলাক আপোনালোকৰ দৈনিক জীৱনৰ কাৰ্য্যকলাপবোৰৰ বিষয়ে ভাবিবলৈ চিন্তাৰ উপাদান হৈ নপৰে, তেনেহলে কব লাগিব, আপোনালোকৰ জ্ঞান আচলতে জীণ যোৱা নাই। স্কুল আৰু কলেজৰ শিক্ষাৰ এয়ে উচ্চতম উদ্দেশ্য। আপোনা-লোক সকলোৱেই স্কুল-কলেজৰ ছাত্ৰ আৰু এই কাৰণে আপোনালোক সকলোৰে যেনে তেনেই এয়ে উদ্দেশ্য হোৱা একান্ত বাঞ্ছনীয়। আপোনা-লোকে যদি এই সুযোগ হাতত‌ে পায়ো এৰি দিয়ে, তেন্তে নিশ্চয় জানিব আপোনালোকে জীৱনৰ সুবিধা এৰি দিবলৈ ধৰিছে। আপোনালোক সকলোৱেই সন্মেলনৰ সভ্য হৈছে যেতিয়া আপোনালোকক কৈ থওঁ,

আপোনালোকে যেন আচলতে ছাত্ৰৰ কৰ্ত্তব্যৰ ভিতৰত নপৰা বাহিৰা কামৰ চক্ৰান্তত পৰি স্কুল-কলেজৰ শিক্ষাৰ হানি নকৰে।

মই জানো, এইবিলাক মতামত দিয়া এই সন্মিলনৰ মঞ্চৰ পৰা [illegible] [illegible] কতাপি লোক যেন আপোনালোকক ভুল বুজে। স্কুল-কলেজৰ ভিতৰতে ছাত্ৰসকলে কেৱল পঢ়িবহে লাগে, পঢ়াৰ বাহিৰে আন একোকেই কৰিব নালাগে, এইদৰে পৰামৰ্শ দিয়া মোৰ উদ্দেশ্য নহয়। মই কেৱল কব খোজোঁ, শিক্ষাই তেওঁলোকৰ প্ৰধান উদ্দেশ্য হব লাগে। তেওঁলোকে কলেজ এৰাৰ পিছত কামত অহা নাগৰিক হবলৈ পৃথিৱীত কি ঘটিছে তাৰ ভু-ভা ৰখা নিতান্ত দৰকাৰ; এই চেলুকে লৈ তেওঁলোকৰ স্কুল-কলেজৰ শিক্ষালৈ পিঠি দি ৰাজহুৱা আৰু অন্যান্য উত্তেজক আন্দোলন আৰু আড়ম্বৰ আদিত যোগদান আৰু বক্তৃতা কৰিবলৈ ঢাল খোৱা দস্তুৰ ভাৰতৰ যেই সেই প্ৰদেশৰ ছাত্ৰ-সকলৰ মাজতেই দেখা যায়। ছাত্ৰসকলক বৰ্ত্তমান কালৰ জীৱন্ত আৰু জ্বলন্ত সমস্যাবিলাকৰ লগত নিজক পৰিচিত কৰাৰপৰা আঁতৰাই ৰাখিবলৈ ফুচুলোৱা ভাৱ মোৰপৰা দূৰতে বিদূৰ হওক। মোৰ ভয় ইয়াতেহে যে তেওঁ-লোকে তেওঁলোকৰ আচল কৰ্ত্তব্য শিক্ষাতকৈ বাহিৰা কাজত বৰ বেছি সময় কটায়। এই বিষয়ত অসম আৰু বঙ্গদেশৰ আচল অৱস্থা কি মই সঠিককৈ নেজানো কিন্তু ভালেমান পিতৃ-মাতৃয়ে তেওঁলোকৰ লৰাবিলাকে শিক্ষালৈ আওকণীয়া হৈ ৰাজহুৱা আৰু আধা ৰাজহুৱা কামত লাগিবলৈ হেঁপাহ বঢ়াইছে বুলি আপত্তি কৰাৰ কথা মই জানো। মই এই কাৰণে আপোনালোকক এই দৰে সতৰ্ক কৰি থোৱাটো মোৰ কৰ্ত্তব্য বুলি ভাৱোঁ। আপোনালোকৰ বহুতে হয়তো সম্মেলনত প্ৰস্তাৱিত আধা-ৰাজহুৱা সামাজিক কামবিলাক সুচাৰুকৈ সমাধা কৰিবলৈ (আবেগৰ প্ৰেৰণাত) লাগি গৈ ছাত্ৰজীৱনৰ আচল কৰ্ত্তব্য জ্ঞান গ্ৰহণ আৰু জ্ঞান জীণ নিওৱালৈ পাহৰিয়েই যাব।

ছাত্ৰসকলে কেৱল লিখাপঢ়াহে কৰিব লাগে, এনে বুলি কবলৈ এই কুৰি শতিকাত কোন এনে জধা মূৰ্খ ওলাব? প্ৰকৃতপক্ষে শিক্ষাৰ শেষ লক্ষ্যনো কি? ই মই ওপৰত কোৱাৰ দৰেই মনৰ উৎকৰ্ষ সাধনহে। কিন্তু "সুস্থ দেহতহে সুস্থ মনৰ বসতি" এই 'পুৰণিকলীয়া পটন্তৰটি সকলো দেশ আৰু সকলো কালতেই সত্য। খেল আৰু জিৰণিৰ বাহিৰে সেই সুস্থ দেহ কেনেকৈ পাব পাৰি? আজিকালি এনে এখন স্কুল বা কলেজ আছে নে যত খেলিবলৈ উদগণি নিদিয়ে?. শাৰীৰিক ব্যায়াম আৰু খেলেই গা ভালে ৰাখে আৰু গা

ভালে থাকিলে মনো ভালে থাকে। ই কি ছাত্ৰ, কি বয়সিয়াল মানুহ, সকলোৰে প্ৰতি বাৰী নবছৰালে সংসাৰী অৱস্থাত কোনেও খেলতৈ মন নকৰিব। এই বয়সলৈকে যুঁজৰে শাৰীৰিক পৰিশ্ৰম নকৰা বহুত বয়সিয়াল মানুহ দেখিছোঁ। ইয়াৰ ফলত বহুমূত্ৰ ৰোগত আক্ৰান্ত হৈ বহুত মানুহ মৰে। আপোনালোকৰ এই সন্মেলনে অসমৰ ছাত্ৰসকলৰ মাজত খেলতৈ আগ্ৰহ জন্মাবলৈ আৰু ৰাপ বঢ়াবলৈ সোনকালে উপায় অৱলম্বন কৰা উচিত। মই জানো ছাত্ৰ সমাজৰ ভিতৰত শাৰীৰিক উৎকৰ্ষ সাধন কৰাও সন্মেলনৰ এটা উদ্দেশ্য।

আপোনালোকে বোধহয় এই উদ্দেশ্যে ইতিপূৰ্ব্বেই কিবা দিহা কৰিছে। মই ৰীতিমত অৰিয়াঅৰি খেল আৰু টুৰ্ণামেণ্ট আদিত অকল এটা স্কুল বা কলেজৰ আন এটা স্কুল বা কলেজৰ লগত খেলতেই সন্তুষ্ট থাকিব নোখোজোঁ। এখন প্ৰদেশে আন এখন প্ৰদেশৰ লগত খেলা দেখিলেহে তৃপ্তি পাম। খেলা বিষয়ত মই ইংৰাজী খেলবিলাকক ভাৰতীয় খেলবিলাকতকৈ ওখ আসন দিব খোজোঁ। কিয়নো ইংৰাজী খেলবিলাকত শাসন আৰু সহযোগিতাৰ উৎকৰ্ষ সাধন কৰিবৰ কাৰণে অতি অনুপম। কলেজত থকা কালত মোৰ ক্ৰিকেট খেললৈ কিছু ৰাপ আছিল। আজি-কালি সেই ক্ৰিকেট খেলৰ কাৰণে বোম্বাইৰ মানুহ বলিয়াৰ নিচিনা। লৰ্ড হেৰিছ গৱৰ্ণৰ থকা কালতেই বোম্বাই প্ৰেছিডেন্সিত ক্ৰিকেট খেল সকলোৰে আদৰণীয় হৈ পৰে। লৰ্ড হেৰিছ নিজেই এজন পৈণত ক্ৰিকেট খেলুৱৈ আছিল। তেওঁ আমাৰ কলেজৰ ক্ৰিকেট খেলুৱৈ দলক সম্ভাষণ কৰোঁতে যিদৰে কৈছিল সেই কথা এতিয়াও মোৰ মনত আছে। তেওঁ নানান সুন্দৰ কাৰণ দৰ্শাই আমাক ক্ৰিকেট খেলত ৰাপ বঢ়াবলৈ অনুৰোধ কৰিছিল। তেওঁ কৈছিল —এই খেলবিলাকে আদেশ মানি চলা, আনৰ অধীনত কাম কৰিবপৰা, সকলোতকৈ ব্যক্তিত্বক বৃহত্তৰ সমষ্টিৰ অঙ্গীভূত কৰা বা ব্যক্তিৰ আৰু সমষ্টিৰ মাজত সামঞ্জস্য ৰাখি চলিব পৰা ক্ষমতাৰ উৎকৰ্ষ সাধন কৰে। ইংৰাজবিলাকৰ খেলত ৰাপ বৰ বেছি। এই ৰাপ অতিচাৰ হৈছে সঁচা কিন্তু শাসন মানি চলা অভ্যাসো যে তেওঁলোকৰ পক্ষে অতি সহজ আৰু স্বাভাৱিক হৈ পৰিছে তাত কোনে সন্দেহ কৰিব পাৰে? তেওঁলোকে আনৰ অধীনত কেনেকৈ কাম কৰিব লাগে তাক জানে আৰু সেই কাৰণে একেলগে কাম কৰিব পাৰে।

কিন্তু আমি কি কৰোঁ। এবাৰ ভাৰি চাওকচোন। আমাৰ প্ৰত্যেকে নেতা হবলৈহে যায়। আমি এতিয়াও আদেশ মানি চলিবলৈ আৰু বেছি সহযোগিতাৰ ভাৱ দেখুৱাবলৈ শিকা নাই। আমি যদি ইংৰাজবিলাকৰপৰা কিবা শিকিবলগীয়া আছে তেন্তে সি বিশেষকৈ শাসন আৰু সংযম ভাৱহে। তেওঁলোকে কয়—এই শাসন আৰু সংযম ভাৱ খেলৰ অনুৰাগৰ যোগেদিহে সৃষ্টি আৰু পৰিবৰ্দ্ধিত হয়। এই কথা আমাৰ সম্পূৰ্ণ সঁচা নহব পাৰে, কিন্তু ই যে ভালেখিনিলৈকে সঁচা তাক মানিবই লাগিব। মই নিসংশয়ে কব পাৰোঁ, আমাৰ ছাত্ৰসকলে যদি স্কুলত পঢ়াৰেপৰা এইবিলাক খেল কৰে তেন্তে তেওঁলোকে প্ৰথমে গ্ৰহণশীল বয়সৰেপৰা শাসন আৰু সংযমৰ বিষয়ে শিকিব আৰু এই শিক্ষা প্ৰকাৰান্তৰে পোৱাৰ পৰা বেছি কাৰ্য্যকৰী হব। এনে এটি সময়ো আছিল যেতিয়া ইংৰাজ বিলাকে ভাবিছিল, মানসিক আৰু শাৰীৰিক শক্তি তেওঁলোকৰ দেশ-মানুহৰহে আপুৰুগীয়া বিভূতি আৰু ভাৰতবাসীৰ মাজত ওখ খাপৰ শাসনকৰ্ত্তা, বিদ্বান পণ্ডিত, বৈজ্ঞানিক আৰু খেলুৱৈ হব নোৱাৰে। আজি-কালি এই ভাৱ তেওঁলোকৰ নাই। ই কেতিয়াবাই তেওঁলোকৰপৰা আঁতৰি পলাইছে। অসমতো আপোনালোকৰ কিছুমানে বোধকৰেৰ কাথিৱাৰৰ যামনগৰৰ চৰ্দ্দাৰৰ বিষয়ে শুনিছে। আজি ৩০ বছৰৰ আগত তেওঁ ইংলণ্ডত থাকোঁতে কেৱল বেছি 'স্কোৰ' কৰিয়েই ক্ৰিকেট খেলাত নাম কৰিছিল এনে নহয়, তেওঁ 'লেগ গ্লাঞ্চ' নামে বিশেষ ধৰণৰ 'বেটিং' এবিধো উলিয়াইছিল। ইংলণ্ডৰ খেলুৱৈবিলাকে তেওঁক ইমান ভাল পাইছিল যে তেওঁলোকে তেওঁক 'কোঁৱৰ ৰণজি' নাম দিছিল। মই এইবিলাক কথা উল্লেখ কৰি আপোনালোকক ইয়াকে দেখুৱাব খুজিছোঁ যে ইংৰাজী খেলও আমাৰ মাজত বেছ প্ৰচলিত হব পাৰে আৰু ভাৰতবাসীয়েও সেইবিলাক একেবাৰে নিজা কৰি লব পাৰে। আজিকালি বোম্বাইত ক্ৰিকেট আৰু সেই দৰে কলিকতাত ফুটবল খেল ইমান ঘৰুৱা হৈ পৰিছে যে ভাৰতীয় দলবিলাকে ইংৰাজ দলবিলাকৰ বিপক্ষে গা ৰখাব পৰা হৈয়েই থকা নাই, তেওঁলোকে বহুত সময়ত অতি কাজুৱা ইংৰাজ দলবিলাককো ভীষণৰূপে ঘটুৱাব পৰা হৈছে। মোৰ নিচিনা 'অতীত ভাৰত বুৰঞ্জী আৰু অনুশীলন' বিষয়ৰ ভাৰতীয় অধ্যাপক এজনে ভাৰতৰ পুৰণি খেলবিলাকৰ পুনৰ্জ্জীৱনৰ বিষয়ে নালাগি ইংৰাজী খেলবিলাক দেশত প্ৰচলন

কৰাৰ পক্ষে কোৱাত আপোনালোকে আচৰিত মানিব পাৰে। এই সম্বন্ধে উত্তৰ দিবলৈ মোৰ বহুত আছে। প্ৰথমতে অধ্যাপকৰ কৰ্ত্তব্য হৈছে সত্য বিচাৰি উলিওৱা আৰু সেই সত্য তেওঁ বুজামতে হুবহু ছাত্ৰৰ আগত দাঙি ধৰা। দ্বিতীয়তে মোৰ মতেৰে ইংৰাজী খেলবিলাকে আত্মাধীনত্ব ভাৱ আৰু সহজ সংযম-ভাৱ ওপজায় আৰু বঢ়ায়। সৰাবো উপৰি, এই খেলাবিলাকে কোনো জাতিয়েই তেওঁলোকৰ লৰাবিলাকৰ মনত প্ৰথম গ্ৰহণশীল বয়সৰ পৰাই বহুৱাই দিবলৈ আৰু পৰিৱৰ্দ্ধিত কৰিবলৈ যতন নোলোৱাকৈ থাকিব নোৱাৰে আৰু প্ৰকৃত নাগৰিক গঢ়ি তুলিবলৈ অতি দৰকাৰী নৈতিক গুণ esprit de corps বা নিজক সেই বিৰাট সমাজ-শৰীৰৰূপে প্ৰকাশ কৰিব পৰা গুণৰ উৎকৰ্ষ আৰু পুষ্টি সাধন কৰে।

শাসন, সংযম, আত্মাধীনত্ব আৰু নৈতিক গুণৰ ওপৰত যদি মোৰ বৰ বেছি জোৰ দি কোৱা হৈছে তেন্তে মই এইবিলাক গুণকেই জাতীয় উন্নতি আৰু মহত্বৰ মূল বুলি পৰিপাটিকৈ বুজাব পৰাহে হৈছে। এই কাৰণে ছাত্ৰ-সকলক সঙ্ঘবদ্ধ হৈ কাম কৰিবলৈ সুবিধা দিয়াই এই সম্মেলনৰ অন্যতম উদ্দেশ্য বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছো। আপোনালোকে এই উদ্দেশ্য অতি সন্তোষজনক আৰু পৰিপাটিকৈ পালি আহিছে বুলি অনুমান কৰিবৰ মোৰ যথেষ্ট কাৰণো আছে। আপোনালোকৰ সম্মেলনে সুকুমাৰ কলাবিদ্যাৰ বিভিন্ন শাখাত বঁটা আৰু সোণৰ পদক আদি ঘোষণা কৰি শিল্পী-মনোভাৱৰ উৎকৰ্ষ আৰু পুষ্টিসাধনত যথেষ্ট সহায় কৰিছে।

সকলো মানসিক, সামাজিক আৰু আধ্যাত্মিক কামবিলাকৰ দৰে সৌন্দৰ্য্য-বিজ্ঞান বিষয়তো প্ৰাচ্য আৰু প্ৰতীচ্যৰ মাজত সামঞ্জস্য ঘটোৱাই উদ্দেশ্য হব লাগে।

১৯১৯ চনত তেজপুৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে বহুওৱা সমাজ-সেৱক মেলাই আপোনালোকৰ সংগঠন শক্তিৰ আন এটি প্ৰত্যক্ষ প্ৰমাণ। এই মেলা পাঁচ বিভাগত বিভক্ত আছিল। (১) শিক্ষা, (২) গাঁৱলীয়া সমবায় পদ্ধতি, (৩) স্বাস্থ্য, (৪) অসমৰ আৰ্থিক আৰু শিল্প সম্বন্ধীয় অৱস্থা, (৫) বিবিধ বিভাগ। এই প্ৰদৰ্শনী কৃতকাৰ্য্য কৰি তুলিবৰ কাৰণে যত্নৰ ত্ৰুটি হোৱা নাছিল।

উঠি অহা ডেকা আৰু আইসকল! আপোনালোকক অনুৰোধ কৰোঁ, আপোনালোকে যেন এৰী, মুগা, পাট আদি শিল্পৰ ৰক্ষা আৰু উন্নতিলৈ

বিশেষ মনোযোগ দিয়ে। এই সম্বন্ধে ইমানকে কৈ আপোনালোকৰ জাতীয় শিল্পৰ ৰক্ষণ-ভৰণৰ উপায় উলিয়াবৰ ভাৰ আপোনালোকলৈ থলোঁ।

বোধহয় সম্মেলনৰ সকলো কামৰ ভিতৰত 'হেমচন্দ্ৰ সোঁৱৰণি সমিতি'ৰ কামেই বেছি সুন্দৰ হৈছে। এই সমিতি ১৯১৮ চনত পতা হয় আৰু হাইস্কুলৰ ছাত্ৰসকলক এক অনাকৈ ৰৰঙনি দিবলৈ অনুৰোধ কৰা হয়। ফলত এমাহৰ ভিতৰতেই ৫২৬৲ টকা সমিতিৰ হাতত পৰেহি। এই 'হেমচন্দ্ৰ সোঁৱৰণি সমিতি'ৰ উদ্দেশ্য হৈছে মনোৰঞ্জক আৰু ভাল কিতাপবিলাক আন ভাষাৰপৰা অসমীয়ালৈ তৰ্জ্জমা কৰি প্ৰকাশ কৰা। আপোনালোকৰপৰা ইয়াকেই আশা কৰিব পাৰি আৰু মই নকৈ নোৱাৰোঁ যে আপোনালোকে ভালকৈ ভাৰি-চিন্তি ঠিক বাটেদিয়েই যাবলৈ ধৰিছে। আন কোনো দানেই জ্ঞানদানৰ সমান নহয়। আপোনালোকে কোনো সুব্যৱস্থাৰ বলত জ্ঞান আৰ্জ্জন আৰু মানসিক উৎকৰ্ষ সাধন কৰিবলৈ বেছি সুবিধা পাইছে আৰু এই কাৰণে আপোনালোকতকৈ দুৰ্ভগীয়া জাতি-ভাইসকলৰ মাজত জ্ঞানৰ পোহৰ বিতৰণ কৰা আপোনালোকৰ অৱশ্য কৰ্ত্তব্য। আপোনালোকে মাতৃভাষাৰ বাহিৰে অইন ভাষাৰ যোগেদি কেতিয়াও এই উদ্দেশ্য সাধনত ভালকৈ কৃতকাৰ্য্য হব নোৱাৰে। এই কাৰণে যিমান পাৰে সকলো ভাষাৰেপৰা জ্ঞান দিব আৰু উৎকৰ্ষৰ মানুহ গঢ়ি তুলিবপৰা কিতাপবিলাক মাতৃভাষালৈ অনুবাদ কৰক আৰু প্ৰকাশ কৰক। যদি স্বজাতিৰ মানসিক অৱস্থাৰ উন্নতি কৰিবলৈ আপোনালোকৰ আগ্ৰহ নেথাকে আৰু আপোনালোকে যদি অশিক্ষিত ৰাইজক ওপৰলৈ তুলিবলৈ লাগি নেযায় তেন্তে আপোনালোকৰ নিজৰ মানসিক উন্নতি আৰু উৎকৰ্ষও ঠেক আৰু অসম্পূৰ্ণ হবৰ সকলো ৰকম ভয় আছে। মোৰ বিশ্বাস, আপোনালোকে মধ্য-যুগৰ এদল দাৰ্শনিক পণ্ডিতৰ বিষয়ে কিছু জানে। তেওঁলোকে সেই যুগৰ সমাজৰ লগত কোনো সম্বন্ধ নেৰাখিছিল। বেকনে তেওঁলোকক বেয়া দাৰ্শনিক বুলি কৈছে কিয়নো তেওঁলোকে যি জগতত আছিল সি নিচেই ঠেক আছিল আৰু তেওঁলোকে ভয়ঙ্কৰৰূপে মৌনতা আৰু নিৰ্জ্জনতা পালিছিল। আমাৰ বেকন আৰু মধ্য-যুগৰ দাৰ্শনিক পণ্ডিতৰ লেখ বুজ কৰানো কি দৰকাৰ? আমাৰ শিক্ষিত দলে প্ৰথমতে ইংৰাজী শিক্ষা পাই মতলীয়া হওঁতে তেওঁলোকৰ অৱস্থা কেনে আছিল তালৈ মন কৰিলেই হয়। তেওঁলোক ইমান স্বাৰ্থপৰ, অহঙ্কাৰী আৰু আপোনপেটীয়া আছিল যে তাক অনুমানেই কৰিব নোৱাৰি। তেওঁলোকে

সমাজৰ সকলো স্তৰৰ লগতেই জুই-পানী বন্ধ কৰি পেলাইছিল আৰু হাড়ে-হিমজুৰে বিজাতীয় হৈ পৰিছিল। তেওঁলোকে বান্দৰৰ দৰে ইংৰাজী চলন-ফুৰণ আৰু ৰীতি-নীতিৰ অনুকৰণ কৰিছিল। এনে এজন বঙালী ভদ্রলোকৰ কথাও শুনা যায় যি সেই সময়ত জাতীয় লোকৰ সৈতে মাতৃভাষাত কথা-বতৰা পাতিবলৈকো বেয়া পাইছিল অথচ পিছৰ কালত এওঁ নেতা বুলিও পৰিচিত হৈছিল। বোম্বাইৰ মানুহে এজন ওখ খাপৰ ভাৰতীয় কৰ্ম্মচাৰীৰ কথা এতিয়াও কৈ থাকে। তেওঁ হেনো ভাৰতীয় মানুহৰ লগত মিলিবলৈ বৰ বেয়া পাইছিল আৰু এদিন এখন ইংৰাজী জিমখানাত এটা ভাৰতীয়ক "য়ু ব্লেক ইণ্ডিয়ান নিগাৰ" অৰ্থাৎ তাক "ক'লা নীহ ভাৰতীয়" বুলি গালি পাৰি গোৰ মাৰি দিছিল কিন্তু তেওঁ নিজেই সেই লৰাটোতকৈ বেছি ক'লাহে আছিল। যেতিয়া ভাৰতত ইংৰাজী শিক্ষা আৰম্ভ হৈছিল আৰু যেতিয়া ভাৰতবাসী ইংলণ্ডলৈ গৈছিল আৰু তাত থাকিবলৈ ধৰিছিল, তেতিয়া ভাৰতৰ শিক্ষিত স্ত্রী-পুৰুষে কেনেখন কৰিছিল সি কৰলগীয়া আৰু শিক্ষাপ্রদ সাধু নহয় কিন্তু এই অমঙ্গলীয়া ঘটনাৰ পম খেদিলে দেখা যায়, তেওঁলোকে সমাজৰ লগত একেবাৰে সম্বন্ধ ছিঙি দিয়াৰ ফলত তেওঁলোকৰ চিন্তাৰ ধাৰা আৰু জীৱনৰ লক্ষ্য অতি ঠেক, সহানুভূতিহীন আৰু এমূৰীয়া হৈ পৰিছিল। তেওঁলোকৰ এনে উৎকৰ্ষ জগতৰ তথ্য আৰু মানৱ-বহুদৰ্শিতাৰ সম্পূৰ্ণ পৰিপন্থী। প্রকৃতপক্ষে পুথিগত বিদ্যা আৰু বান্দৰালি কৰি বিদেশী চাল-চলনৰ নকল কৰাতে আচল উৎকৰ্ষ লাগি নেথাকে। এই কাৰণে আপোনা-লোকৰ শিক্ষিত সম্প্রদায় যাতে অহঙ্কাৰী আৰু মমতাহীন দললৈ অধঃপতিত নহয় তাৰ নিমিত্তে সাৱধান হব লাগিব। আপোনালোকে সকলো শ্রেণী আৰু সমাজৰ লোকৰ লগতে সম্বন্ধ ৰাখি আৰু তেওঁলোকৰ মাজত জ্ঞান চৰ্চ্চা বিস্তাৰৰ দ্বাৰা তেওঁলোকৰ জীৱন ধাৰণৰ আদৰ্শ উন্নীত কৰি এই বিপদ বঢ়িয়াকৈ আঁতৰাই ৰাখিব পাৰে। আপোনালোকে এইদৰে অকল তেওঁ-লোককো শিকাব এনে নহয়, তেওঁলোকৰপৰাও সমানে শিকিব পাৰিব। এই কাৰণে জ্ঞান দিব আৰু জীৱনৰ আদৰ্শ মহীয়ান কৰি তুলিবপৰা কিতাপ-বিলাক মাতৃভাষালৈ অনুবাদ কৰিবলৈ আপোনালোকে যি অভিপ্রায় কৰিছে সি বাস্তৱিকতে অতি মহীয়ান হৈছে আৰু মই আপোনালোকক যিমান পাৰে ভালকৈ এই কাম চলাই থাকিবলৈ পৰামৰ্শ দিওঁ।

এতিয়া মই গৱেষণাৰ বিষয়ে আলোচনা কৰিবলৈ আগবাঢ়িছোঁ। আপোনালোকে এতিয়ালৈকে এই বিষয়ে বৰকৈ ভৱা নাই যেন লাগিছে। ই অৱশ্যে এম-এ আৰু এম-এছ-ছি পৰীক্ষাত উত্তীর্ণ হোৱা সকলৰ পক্ষেহে সম্ভৱ। মই সুধিব খোজোঁ যিসকল এম-এ আৰু এম-এছ-ছিত উত্তীর্ণ ছাত্রই কলিকতা বিশ্ববিদ্যালয়ত গৱেষণাৰ কাম কৰিব পাৰে তেওঁ-লোকৰ সহায়ত কিছুমান গৱেষণাকাৰী পদৰ সৃষ্টি কৰিব নোৱাৰি নে? এয়া গৱেষণাৰ আৱশ্যকতা সম্বন্ধে আলোচনা কৰিবৰ সময় আৰু ঠাই নহয় কিন্তু মই এটা কথা নকৈ নোৱাৰিলোঁ, গৱেষণা কৰিবলৈ নিশিকিলে কোনো বিষয়ৰ শিক্ষাই সম্পূর্ণ নহয়। এই ধৰণৰ কামৰ নিমিত্তে আপোনালোকৰ আগত সুবিশাল ক্ষেত্র পৰি আছে।

মই যেনেকৈ বোম্বাই ভাৰতৰ শিল্প আৰু বাণিজ্যৰ কেন্দ্রস্থল বুলি গুণ-কীর্ত্তন কৰা শুনি গৌৰৱান্বিত আৰু আনন্দিত হৈ আহিছোঁ সেইদৰে অসম আৰু বঙ্গ দেশৰ মানুহেও কলিকতা বিশ্ববিদ্যালয়, শিক্ষা আৰু গৱেষণাৰ বিষয়ত ভাৰতৰ কেন্দ্রস্থল বুলি গুণানু-কীর্ত্তন কৰা শুনি গৌৰৱান্বিত আৰু আনন্দিত হব পাৰে। বোম্বাইক যদি ভাৰতৰ মানচেষ্টাৰ বোলা হয় তেন্তে কলিকতাক ভাৰতৰ কেম্‌ব্রিজ বা অক্সফোর্ড বুলিব লাগিব। ভাৰত যদি প্রুছিয়া ৰাজতন্ত্রৰ দ্বাৰা শাসিত হলহেঁতেন আৰু মোক যদি শিক্ষা বিভাগৰ সদস্য পাতিলেহেঁতেন তেন্তে কলিকতা বিশ্ববিদ্যালয়ৰ পোষ্ট গ্রেজুৱেট বিভাগ চুৰমাৰ কৰাত ময়েই আগৰণুৱা হলোঁহেঁতেন। সৌভাগ্যক্রমে ভাৰতৰ ভাগ্য এক স্বাধীনতাপ্রিয় আৰু স্বাধীনতা দিব পৰা জাতিৰ হাতত আৰু সেই কাৰণে বিশ্ববিদ্যালয়ক এনে বানপানীয়ে হঠাৎ তল নিয়াব নোৱাৰে। ভাৰতৰ এনে এখন জাতীয় বিশ্ববিদ্যালয়ৰ লগত আপোনালোকৰ সম্বন্ধ আৰু বিজ্ঞান-সাহিত্য আদিত অগ্রসৰ অসমীয়া ছাত্রক গৱেষণা প্রণালীত শিক্ষা দিবলৈ এনে সুবিধা পায়ো যদি হাততে হেৰুৱায় তেন্তে আপোনালোক এবাৰ বা দুবাৰ নহয়, হেজাৰ বাৰ পুতৌৰ পাত্র। এই দেশৰে স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ নাম উচ্চাৰণ কৰিলে আপোনালোকৰ গাল গৌৰৱত ৰঙা পৰি নুঠে নে? মোৰ পিতৃদেৱে যি দুজন অগাধ পণ্ডিতৰ প্রতি অতি উচ্চ সন্মান পোষণ কৰিছিল তাৰ ভিতৰত আনন্দৰামো এজন বুলি যদি কওঁ তেন্তে ই তৎক্ষণাৎ প্রমাণ কৰিব, তেওঁ কেনে অগাধ পণ্ডিত আছিল আৰু তেওঁৰ অকাল মৃত্যুত

ভাৰতৰ কি পূৰাব নোৱাৰা ক্ষতি হৈছে। আপোনালোকৰ ভিতৰৰপৰা কোনেও তেওঁৰ খোজে খোজে খোজ দিবপৰা নাই, ই প্ৰকৃততে অতি বেজাৰৰ কথা হোৱা নাই নে? তেওঁৰ নামত কেৱল সোণৰ পদক এটাৰ ব্যৱস্থা কৰাৰপৰা একো লাভ নহয়। তেওঁৰ স্মৃতি আপোনালোকে বঢ়িয়াকৈ ৰাখিব পাৰিব, যদি তেওঁ আৰম্ভ কৰি থৈ যোৱা মৌলিক গৱেষণাৰ কাম লেঠাৰি নিছিগাকৈ চলাই থাকিবলৈ ককালত টঙালি বান্ধি আগবাঢ়ি ওলাই আহে তেতিয়াহে। অসমত এনে কাম কৰিবলৈ বহুত মানুহ আছে। প্ৰথমতে আপোনালোকৰ কিছুমানে অসমৰ অতীত বুৰঞ্জী লিখিব লাগিব। এই কামৰ নিমিত্তে তামৰ ফলি, মোহৰ আদি উপাদানো যথেষ্ট আছে। দ্বিতীয়তে আপোনালোকৰ কোনোবা এজনে অসমীয়া সাহিত্য-বুৰঞ্জী সম্পাদন কৰিবলৈ লাগি যোৱা উচিত। আপোনালোকৰ সাহিত্য মাৰাঠী সাহিত্যৰ দৰেই বঙলা সাহিত্যৰপৰা সম্পূৰ্ণ পৃথক। বঙলা সাহিত্য-বুৰঞ্জীৰ নিমিত্তে ৰায় চাহাব দীনেশচন্দ্ৰ সেনে যি কাম কৰি থৈ গৈছে, সেইদৰে আপোনালোকৰ এজনেও অসমীয়া সাহিত্যৰ নিমিত্তে কৰা নিতান্ত উচিত। সেই অক্লান্ত কৰ্ম্মী আৰু সুপণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীদেৱে ইতিপূৰ্ব্বেই কলিকতা বিশ্ববিদ্যালয়ৰ কাৰণে অসমীয়া সাহিত্যৰপৰা বাছক-বনীয়া চানেকি সংগ্ৰহ কৰিবলৈ লাগি গৈছে। তেখেতৰ সেই গ্ৰন্থ কেইখন প্ৰকাশিত হলে আপোনালোকৰ সাহিত্য-বুৰঞ্জী লিখাৰ গধুৰ বোজাটো বহুত পাতলিব। পুনাৰ ভাৰত-ইতিহাস মণ্ডলে কি কৰিছে তালৈ পুনৰ আপোনা-লোকৰ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ। তেওঁলোকে চিৰদাৰ, জাগীৰদাৰ আৰু দেশীয় নায়কসকলৰ হাতত থকা বুৰঞ্জীমূলক লিপিবিলাক বিচাৰি উলিয়াবৰ কাৰণে মহাৰাষ্ট্ৰ দেশৰ সকলো ঠাইলৈকে মানুহ পঠিয়াইছে। ঐতিহাসিক হাতে লিখা পুথি বা বুৰঞ্জী নিশ্চয় অসমৰ প্ৰাচীন ডাঙৰীয়াসকলৰ হাতত থাকিব পায়। তেখেতসকলে এনে পুথি আৰু তামৰ ফলিবিলাকৰ মোল মুবুজি বৰ সাৱধানে নাৰাখিব পাৰে আৰু সেয়ে হলে সেইবোৰ অতি সোনকালে নাশ পাব। এই কাৰণে আপোনালোক এতিয়াৰেপৰা সেই বোৰ বা তাৰ ভাল নকল গোটাবলৈ লাগি যোৱা উচিত। এই হাতে লিখা পুথি আৰু লিপিবিলাকৰপৰা আহোম-ৰাজত্ব, মুছলমানবিলাক আৰু বৃটিছ ৰাজত্বৰ কালৰ বুৰঞ্জী লিখাত অপাৰ সহায় হব। লোকে যাতে অনুসন্ধান কাম চলাই থাকিব পাৰে তাৰ নিমিত্তে নিজৰ আৰু দেশৰ

দহ জনৰ উপকাৰ হ'ব পৰাকৈ এই কেইটা সঙ্কেত আপোনালোকৰ আগত দাঙি ধৰিলোঁ। মই বেছ জানো এই সঙ্কেতবোৰৰ কোনো এটাই অনুসন্ধিৎসু জীৱনৰ চুটি কালৰ ভিতৰত শেষ কৰিবপৰা নহ'ব। কিন্তু মই এই সঙ্কেতবোৰ দিয়াৰ উদ্দেশ্য হৈছে এয়ে যে আপোনালোকে এনে অনুসন্ধিৎসু জীৱনৰ ব্যৱস্থাৰ কাৰণ বুজিব পাৰিব আৰু অনুসন্ধান-প্ৰণালীত শিক্ষা কৰিবলৈ লাগি যাব, যাতে আপোনালোকে ভৱিষ্যৎ জীৱনত যেতিয়া সময় পাব তেতিয়া সেইবোৰ সমাধা কৰিব পাৰিব। সমালোচনাশীল প্ৰণালীৰ ভাল জ্ঞান নাথাকিলে আপোনালোকৰ কাম নিশ্চয় খুত থকা আৰু অসম্পূৰ্ণ হ'ব। মই জানো যে এই সঙ্কট আৰু টানৰ দিনত ধন অৰ্জ্জা বৰ কষ্টকৰ। কিন্তু উৰিষ্যা আৰু বিহাৰৰ অৱস্থাপন্ন ভদ্ৰশ্ৰেণীয়ে বিশেষকৈ নিজৰ প্ৰদেশৰ ছাত্ৰসকলৰ উপকাৰৰ নিমিত্তে জলপানী আৰু বক্তা-জীৱনৰ ব্যৱস্থা কৰা দেখিও আপোনালোকে আপোনালোকৰ দেশৰ অৱস্থাপন্ন লোকসকলক তেনে ব্যৱস্থা কৰিবলৈ মান্তি কৰোৱাটো অসম্ভৱ বুলি ভাৱে নে ?

মোৰ বক্তৃতাটো বৰ দীঘলীয়া হৈছে, সেই কাৰণে মই বেছি কথা কৈ আপোনালোকক আৰু আমনি কৰিব নোখোজোঁ। কিন্তু আসন গ্ৰহণ কৰাৰ আগতে বোম্বাই আৰু পুনাৰ ছাত্ৰসকলে কেনে সামাজিক চৰিত্ৰৰ আদৰ্শ উৎকৰ্ষ কৰিছে তাক উল্লেখ কৰিবলগীয়া হৈছে। সেইবোৰ ঠাইৰ বহুত দোকানত দেশী বস্তু বেচে। বোম্বাই আৰু পুনাৰ দুখন ডাঙৰ দোকানত কেৱল দেশী বস্তুহে বেচে। আপোনালোকৰ কোনোবাই যদি কেতিয়াবা বোম্বাই বা পুনালৈ যায় তেন্তে সেই দোকানখনলৈ নোযোৱাকৈ নাথাকে যেন। তাত এটা মনত লাগি যোৱা দৃশ্য দেখিব। ছাত্ৰসকলে জাকে জাকে আহি দেশীবস্তু কিনা-নিয়া কৰিবই লাগিছে। দেশী বস্তুৰ লগত বলিয়া হোৱা আজি বা কালিৰ কথা নহয়। আমাৰ দেশৰ নেতাসকলৰ এই সম্বন্ধীয় বক্তৃতা আৰু মাতৃভাষাৰ বাতৰি-কাকতবোৰত লিখা প্ৰবন্ধবিলাকে মোৰ আৰু মোৰ (যাৰ বয়স এতিয়া ৩৬ বছৰ) নিচিনা ছাত্ৰৰ হিয়াত কেনেকৈ উত্তেজনা তুলি দিছিল সি এতিয়াও মোৰ মনত আছে। আমি তেতিয়া সকলো বস্তু দেশীকেই কিনিব নোৱাৰিলেও দেশী চুৰিয়া কিনিবলৈ প্ৰতিজ্ঞা কৰিছিলোঁ। মই আনন্দিত যে আজিলৈকে সেই প্ৰতিজ্ঞা ৰাখিব পাৰিছোঁ আৰু আজি পূৰা ৩৬ বছৰ কোনো বিদেশী চুৰিয়াই মোৰ অঙ্গ শোভা কৰিবলৈ পোৱা নাই। এই

আন্দোলন বিলাতী বস্তু পৰিহাৰ কৰাৰ উদ্দেশ্যৰে আৰম্ভ হোৱা নাছিল। সঁচাকৈয়ে ইয়াৰ আঁৰত কোনো ৰাজনৈতিক কূটনীতি নাই। আমাৰ উদ্দেশ্য সম্পূর্ণ অর্থ নৈতিক। আমাৰ দেশৰ শিল্পৰ উন্নতি কৰাই ইয়াৰ মুখ্য উদ্দেশ্য। আপোনালোকৰ অন্তৰত যদি দেশ হিতৈষণা আছে তেন্তে বোম্বাইৰ ছাত্ৰসকলৰ দৰে দেশী বস্তু কিনিবলৈ ধৰক।

ডাঙৰীয়াসকল! মই এতিয়া মোৰ অভিভাষণ শেষ কৰিম। আপোনালোকৰ সন্মেলনৰ ভৱিষ্যৎ অতি উজ্জ্বল বুলি মোৰ সম্পূর্ণ বিশ্বাস। আপোনালোকে ইতিপূৰ্ব্বেই সংগঠন কার্য্যত অতি ওখ ধৰণৰ দক্ষতা দেখুৱাইছে। নিজৰ অতীত আৰু বৰ্ত্তমান উজ্জ্বলতৰ কৰি তুলিবলৈ, ভাষা আৰু সাহিত্যৰ গুণানু-কীৰ্ত্তন আৰু স্বৰ্গগত দেশৰত্নসকলক বাহুল্য আড়ম্বৰযুক্ত ভাষাত প্ৰশংসা কৰিবলৈ ভাৰতৰ প্ৰত্যেক প্ৰদেশতে এটা আগ্ৰহ দেখা যায়। আমি আমাৰ উজ্জ্বল অতীতৰ বিষয়ে অধ্যয়ন কৰিব লাগে সঁচা, কিন্তু আমাৰ বৰ্ত্তমান আৰু উজ্জ্বলতৰ কৰিবলৈ সদায় আমি চকু ৰাখিব লাগিব। সেই কাৰণে আমাৰ মূল উদ্দেশ্য হব লাগিব—“দেশৰ উজ্জ্বল অতীতৰ নামত মাভৈঃ মাভৈঃ স্বৰৰে আগবাঢ়োঁ আহাঁ।” মনত ৰাখিব যি দেশ মহাভাৰতৰ যুগত ভগদত্তৰ শৌর্য্য-বীর্য্যৰ দ্বাৰা ভাৰত বিখ্যাত আছিল, যি দেশ মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ পৱিত্ৰ ধৰ্ম্মশিক্ষাৰ দ্বাৰা সংস্কৃত আৰু পৱিত্ৰ হৈছিল আৰু যি দেশৰ যশ আনন্দৰাম বৰুৱাৰ গভীৰ মৌলিক গৱেষণা আৰু অগাধ পাণ্ডিত্যৰ দ্বাৰা দিগন্তব্যাপি বৈ বৈ গৈছিল, সেই দেশত আপোনালোকৰ জন্ম। ভয় নাই, উজ্জ্বল আৰু গৌৰৱময় অতীতৰ নামত আগবাঢ়ক।*

*মূল ইংৰাজীৰপৰা অনুবাদ কৰোঁতা—৺ভীমবৰ দেউৰী, এম-এল-চি।

—সংগ্ৰাহক

ষষ্ঠ ভাষণ

সভাপতি :—অধ্যাপক আৰ. আৰ. টমাছ

গুৱাহাটী—এপ্ৰিল, ১৯২১ চন

ছাত্ৰ বন্ধুসকল আৰু উপস্থিত ডাঙৰীয়া সমাজ! আপোনালোকে উমৈহতীয়া আৰু সম্মিলিত ভাৱেৰে মোক আপোনালোকৰ সভাৰ ষষ্ঠ অধিবেশনৰ সভাপতি পাতি যি সম্মান দেখুৱাইছে তাৰ বাবে মই মোৰ হিয়াতলি উবুৰিয়াই ধন্যবাদ জনালোঁ। আপোনালোকক মই ডাঠি কব পাৰোঁ যে আপোনালোকলৈ মোৰ যি শলাগৰ শৰাই আগবঢ়োৱা হৈছে, ই কেৱল শিষ্টাচাৰৰ অনুৰোধত নহয়, বৰ্ত্তমান মুহূৰ্ত্তত মোৰ হিয়াতলিত যি এটা ভাৱ ববলৈ ধৰিছে তাৰহে লক্ষণ মাথোন। অনুমতি লৈ মই আপোনালোকৰ ওচৰত এই দৃঢ়বিশ্বাস জনাওঁ যে এই সভাৰ দ্বাৰা নাইবা কোনো সভাৰ দ্বাৰা প্ৰকৃত সজ কাম সম্পন্ন নহয় যদি ই আদিৰপৰা অন্তলৈকে সত্য আৰু অকৃত্ৰিম ভাৱেৰে অনুপ্ৰাণিত নহয়, যদি আচাৰক সত্যৰ অধীন কৰিবলৈ ৰীতি-নীতিকে প্ৰকৃতিৰ ওপৰত প্ৰভুত্ব নিদি তলতীয়া কৰিবলৈ সকলো প্ৰকাৰৰ লুকালুকি ভাৱ আৰু কূটনীতিৰ বিৰুদ্ধে যুঁজিবলৈ এটা দৃঢ়প্ৰতিজ্ঞা নাথাকে।

আপোনালোকে এনে এটা সমস্যাৰ সময়ত মোক আপোনালোকৰ সভাৰ সভাপতিৰ আসনৰ নিমিত্তে আহ্বান কৰিছে যে এই সময়ত আমাৰ বন্ধুসকলৰ বহুতে ভাৱে যে যি মুখেৰে নামাতি মনে মনে থাকে তেৱেঁই বুধিয়ক কিয়নো এনে সময়ত মুখ ফুটাই কথা কোৱা মানে আমাৰ জাতি-ভাই-সকলৰ এজনৰ নহয় এজনৰ জগৰ লগোৱা। মই বৰ্ত্তমান সময়ৰ আলৈ-আহুকালবোৰৰ কথা বৰ্ণনা কৰাৰ আৱশ্যক নাই। আপোনালোকে সকলোৱে জানে গতিকে ময়ো ইয়াক নীৰৱে এৰি গলোঁ। মোক বিশ্বাস কৰক যে ইমানবোৰ আলৈ-আহুকাল থকা স্বত্বেও কৰ্ত্তব্যজ্ঞানে মোক এই মণ্ডপলৈ



অধ্যাপক আর-আর টমাস্

টান আনিছে আৰু মই ইয়াৰ বাবে অলপো বেজাৰ কৰা নাই কিয়নো অতি বেমেজালি আৰু বিপদৰ সময়ত কৰ্ত্তব্যৰ সম্পাদন অতি মধুৰ।

তদুপৰিও মোৰ আৰু এটা বিশ্বাস যে যিজনে প্ৰকৃততে মানুহৰ নিচিনাকৈ সত্য কথা কয় তেওঁ কাকো বেজাৰ দিব নোৱাৰে। আপোনালোকে মোৰ ওপৰত যি কামৰ ভাৰ দিছে আৰু যি কাম মই নিজে গ্ৰহণ কৰিছোঁ তাৰ বাবে যদি মই অপাৰগ হওঁ তেনেহলে আপোনালোকে মোক ক্ষমা কৰিব। আপোনালোকৰ এই বিশেষ অধিবেশনত পৰিচালক হবলৈ মোক যে বিশ্বাস কৰিছে তাৰ নিমিত্তেও মই আকৌ ধন্যবাদ জনালোঁ। এই বিশেষ অধিবেশনে মোক বিশেষৰূপে আকৰ্ষণ কৰিছে। আগৰ আৰু পিছৰ অধিবেশনবোৰ একেলগ কৰাটোৱেই এই অধিবেশনৰ মুখ্য উদ্দেশ্য। যিবোৰ ঘটনাই ছাত্ৰ-সমাজক উজ্জ্বল কৰি আপোনালোকৰ এই সভাৰ প্ৰায় এটা খিলঞ্জীয়া ভাৱ আনি দিছিল তাক আমি সকলোৱে ভালদৰে জানো। এইবাৰ সভা আন-বাৰতকৈ পলমকৈ বহিছে কিন্তু আমি ইয়াতে কৃতাৰ্থ মনা উচিত। ই যি নহওক বহিল আৰু আপোনালোকৰ ছাত্ৰ সভাৰ ইতিহাসত এনে এটা বছৰৰ উল্লেখ নাথাকিব যি বছৰত সভা বহা নাছিল।

আপোনালোকে যে কি আলৈ-আহুকালৰ মাজত এই সভাখন পাতিছে তাক মই জানো। যি এটা সজ কাম আপোনালোকে হাতত লৈছে সেই কামটো নেৰানেপেৰাকৈ শেষলৈকে চলাবলৈ চেষ্টা কৰাৰ বাবে আপোনা-লোকক ধন্যবাদ দিছোঁ। এই অধিবেশনে ইয়াকে বুজাইছে যে মানুহ পাৰি-পাৰ্শ্বিক অৱস্থাৰ দাস নহয় আৰু মানুহে বেয়া অৱস্থাৰ মাজেদিও নিজৰ কৰ্ত্তব্য পথত আগবাঢ়ি যাব পাৰে। পাৰিপাৰ্শ্বিক অৱস্থাৰ বল মই ভালদৰে জানো কিন্তু এইটোও মোৰ নজনা নহয় যে মানুহৰ ভিতৰত এনেকুৱা এটা শক্তি আছে যি এনে অৱস্থা স্বত্বেও আৰু অনেক সময়ত এনে অৱস্থাৰ বাবেহে আচল উন্নতি লভিব পাৰে।

যি লোক পাৰিপাৰ্শ্বিক অৱস্থাৰ কবাল গ্ৰাসত পতিত হয়, মই সেই-সকলৰ ওচৰত অন্তৰৰ সমবেদনা প্ৰকাশ কৰোঁ। মই আপোনালোকৰ ইয়ালৈ চকুলো টুকিবলৈ অহা নাই। মই আপোনালোকক উৎসাহ দিবলৈহে আহিছোঁ। আৰু কবলৈ আহিছো। যদিও কেতিয়াবা কৈতিয়াবা ক'লা মেঘে বাট আগচি ধৰে তথাপি আমাৰ উচ্চ যশৰ পথত কেতিয়াও আমি নিৰাশ হব নালাগে। মই আপোনালোকক কব খোজোঁ যে ক'লা মেঘৰ আঁৰত উজ্জ্বল সূৰ্য্য সদায়

জিলিকি আছে। যেতিয়া মোৰ জীৱন আৰম্ভ হৈছিল তেতিয়া মোৰ এটা ধাৰণা আছিল যে এই সংসাৰখন এখন গোলাপৰ শয্যা আৰু বোধহয় সকলোৰে জীৱন এনেকুৱাই কিন্তু প্ৰকৃততে যেতিয়া জীৱনত ভালদৰে সোমালোঁ। মই দেখিলোঁ যে সেই গোলাপবোৰত কাঁইট আছে আৰু এটি গোলাপ ছিঙি লোৱাৰ আগেয়ে বহুত কাঁইটৰ আঁচোৰ খাব লাগে। ইয়াত দুখ কৰিবলগীয়া একো নাই কিয়নো মানুহে এই সংসাৰত যি উচ্চ সুখ নাইবা উচ্চ কাম কৰিব পাৰে সেই সকলোবোৰ অগ্নি-পৰীক্ষাৰ মাজেৰেহে সমাধা কৰিব পৰা যায়। এনেবোৰ বিঘিনিৰ মাজতো যে আপোনালোকে এই বিশেষ অধিবেশনখন পাতিছে তাৰ বাবে আপোনালোকক মই আকৌ এবাৰ ধন্যবাদ জনাওঁ। ইয়াৰ স্মৃতি পিছলৈকে আপোনালোকৰ নিমিত্তে এটা ডাঙৰ উদগণি হৈ থাকিব।

আপোনালোকক মই ছাত্ৰ বন্ধুসকল আৰু ডাঙৰীয়া সমাজ বুলি সম্বোধন কৰিছোঁ। এই শব্দকেইটা মই এনেয়ে ব্যৱহাৰ কৰা নাই, বিশেষ ভাৱি-চিন্তিহে ব্যৱহাৰ কৰিছোঁ। মই আপোনালোকক সোঁৱৰাই দিব খোজোঁ যে আপোনালোক ছাত্ৰ। ছাত্ৰৰ কৰ্ত্তব্যই আপোনালোকৰপৰা এইটো বিচাৰে যে আপোনালোকে ছাত্ৰৰ নিচিনাকৈ ভাৱিব, ছাত্ৰৰ নিচিনাকৈ অনুভৱ কৰিব আৰু সেইদৰে কৰ্ত্তব্যপথত আগবাঢ়িব। আপোনালোকক কৰ্ত্তব্যৰপৰা আঁতৰাই নিবলৈ যথেষ্ট প্ৰলোভন আৰু আকৰ্ষণ উপস্থিত হৈছিলহি। আপোনালোকৰ যিসকলে সেই প্ৰলোভন বা প্ৰৱঞ্চনাত নপৰি নিজৰ কৰ্ত্তব্যত স্থিৰ হৈ থাকিব পাৰিছে মই তেওঁলোকক ভাল বুলি কব খোজোঁ কিয়নো তেওঁলোকে জানিয়েই বা নজনাকৈয়ে এই মহৎ সত্য অনুভৱ কৰিছে বা যিজনে যি কাম হাতত লয় সেই কাম নানা বাধা-বিঘিনিৰ মাজেৰেও সম্পন্ন কৰিহে জগতৰ উপকাৰ কৰিব পাৰে। নিজৰ কৰ্ত্তব্যৰ পথত প্ৰৱঞ্চনা বা প্ৰলোভনৰ দ্বাৰাই নিজক প্ৰতাৰিত হবলৈ দিয়া মানে নিজৰ মঙ্গলক আৰু বহু দূৰলৈ আঁতৰাই নিয়া। মনত ৰাখিব যে এনেকুৱা কিছুমান কাম আছে যিবোৰ আপোনালোকে ছাত্ৰজীৱনৰ পিছত প্ৰকৃতৰূপে আৰু সুচলে কৰিব পাৰিব কিন্তু যেতিয়ালৈকে ছাত্ৰ হৈ থাকে তেতিয়ালৈকে নোৱাৰে। আপোনালোকে এই কথা সুমৰণ কৰি নিজৰ কৰ্ত্তব্যৰপৰা বিচলিত নহব। আপোনালোকে বৰ্ত্তমানে এটা ডাঙৰ কৰ্ত্তব্য কৰি আছে। কাৰণ ছাত্ৰ হিচাপে আপোনালোকৰ যি কৰ্ত্তব্য আছে ই আন সকলোবোৰ কৰ্ত্তব্যৰ

নিমিত্তেও অতি লাগতিয়াল আৰু এই কৰ্ত্তব্যৰ সম্পাদন নহলে আনবোৰ কৰ্ত্তব্য সম্পাদন কৰিব নোৱাৰি। দৰাচলতে জগতত মানুহেপতি নিজ নিজ শক্তি অনুৰূপ নানা তৰহৰ কাম আছে আৰু আনে সেই কাম যিমানেই সৰু বুলি নেভাৱক, নিজৰ ভাগৰ সেই বিশেষ কৰ্ত্তব্য সুচাৰুৰূপে সম্পাদন কৰাটোতেই প্ৰত্যেক মানুহৰ মহত্ত্ব থাকে। কোনো এটা কাম সম্পাদন কৰিবলৈ যাৰ শক্তি নাই, তেনে মানুহে আন এটা কাম হাতত লোৱাটো কেৱল অবিৱেচকৰহে কাম নহয়, ই কৃতঘ্নতাও। দৰাচলতে আমি সকলোৱে একেটা কামকে কৰিবলৈ লগাহেঁতেন, সেই কামটো যিমানেই ডাঙৰ নহওক আমাৰ জীৱনটো মাধুৰ্য্যশূন্য বা বৈচিত্ৰ্যহীন নহলহেঁতেন নে আৰু তাৰ দ্বাৰাই সেই মহৎ কামটো মূল্যহীন আৰু প্ৰাণহীন নকৰিলেহেঁতেন নে ? এই মহৎ সত্য বুজিব পৰাটো এটা ডাঙৰ গুণ যে সকলো কামেই যথাস্থান আৰু যথা সময়ত হ'ব লাগে। এই সত্য অনুভৱ কৰিব পৰাটো সুখ আৰু মঙ্গলৰ চিন। ইয়াৰ অবিহনে দুখ আৰু বেমেজালি অনিবাৰ্য্য। এই সকলোবোৰ কথা আপোনালোকলৈ তেনেই পুৰণি কিন্তু ইওটো আকৌ কবলগীয়া কিয়নো তাৰ দ্বাৰাই ই এটা জ্বলন্ত সত্য হৈ ৰৈ যাব আৰু আপোনালোকে কেৱল ইয়াক ভাৱিয়েই বা অনুভৱ কৰিয়েই ক্ষান্ত নহৈ ইয়াক কামত খটাবলৈ চেষ্টা কৰিব। কিন্তু যেতিয়া আপোনালোক ছাত্ৰ আপোনা-লোকে হৃদয়ত এইটোও অনুভৱ কৰিব যে আপোনালোক ভদ্ৰ হোৱা উচিত। যিবোৰ গুণ থাকিলে মানুহ মানুহ হব পাৰে তাৰ অধিকাৰী হবলৈ চেষ্টা কৰা উচিত। কিয়নো যাৰ গাত প্ৰকৃত মানুহৰ গুণবোৰ ফুটি ওলায় তেৱেঁই ভদ্ৰলোক। আপোনালোকে এই গুণবোৰৰ কথা পঢ়িছে আৰু শুনিছে কিন্তু আমি বৰ্ত্তমানে অকৃত্ৰিমতা এই গুণটিৰ বিষয়ে আলোচনা কৰি চাওঁহঁক। যি মানুহৰ চিন্তাৰ সামঞ্জস্য নাই সেই মানুহক আমি ইতিকিং কৰোঁহঁক। এই মানসিক অসামঞ্জস্য যেতিয়া ইচ্ছা কৰি থাকিবলৈ দিয়া হয় তেতিয়া এইটো ফটফটীয়াকৈ ওলাই পৰে যে তেওঁ কপট। কিন্তু আৰু আন এক ধৰণৰ অসামঞ্জস্য আমাৰ ভিতৰত আছে। সেই অসামঞ্জস্য আমাৰ ভাৱ আৰু কামৰ ভিতৰতে বৰ্ত্তমান। . যেতিয়া আমাৰ জ্ঞান আৰু কৰ্ম্ম দুয়োকো অমিল. হবলৈ দিয়া হয় তেতিয়াই এই অসামঞ্জস্য আহি পৰে। আকৌ আমাৰ বিশ্বাস বা অনুভূতি, ব্যৱহাৰ বা স্বভাৱৰ লগত নিমিলাটোও এবিধ কৃত্ৰিমতা। ডাঙৰীয়াসকল! কৃত্ৰিমতা আমাৰ প্ৰকৃতিৰ বিৰুদ্ধ ভাৱ

অথবা বিশৃঙ্খলতাৰ বা বিপদৰ অৱস্থা। ই এটা বেয়া শক্তি যাৰ পৰা আমাৰ ভিতৰৰ মনুষ্যত্ব চূৰমাৰ হয়। প্ৰকৃত ভদ্ৰলোক হবলৈ হলে আমাৰ চিন্তা, অনুভূতি আৰু কৰ্ম্মপ্ৰবৃত্তিবোৰৰ ভিতৰত এনে এটা মিল থাকিব লাগিব যেন ইটোৱে সিটোৰ লগত খাপ খাই ধৰে। আমি যেনেকৈ ভাবোঁ সেইদৰে অনুভৱ কৰিবলৈ, যেনেকৈ অনুভৱ কৰো সেইদৰে কাম কৰিব পাৰিব লাগিব। অৰ্থাৎ মানুহ হিচাপে আমাৰ প্ৰকৃতিৰ সকলোবোৰ উপাদানৰ শক্তি আৰু সামঞ্জস্য ৰক্ষা কৰিব লাগিব। মানুহে যেতিয়া এই কৃত্ৰিমতাক এই ভয়ঙ্কৰ মৃত্যু উৎপাদনী শক্তিক তাৰ মনৰ ওপৰত ডবিয়লি এৰি দিয়ে তেতিয়াই তাৰ সকলো শক্তি নাশ হয়। আপোনালোকে অভিজ্ঞতাৰ পৰা বুজিব পাৰিব যেতিয়া আপোনালোকে নিজক কৃত্ৰিম হবলৈ দিয়ে তেতিয়াই যি শক্তিৰ দ্বাৰা মানুহৰ সকলো সজ আৰু সুন্দৰ ভাৱ সাধন হয় আৰু তেওঁৰ জীৱনক নিজৰ নিমিত্তে আৰু জাতি-ভাইৰ উপযোগী কৰি তুলিব পাৰে সেই সকলো শক্তি নষ্ট হয়। আপোনালোকে নিজৰ মনুষ্য-শক্তি, আত্মশক্তি (soul force) হেৰুৱাব খোজে নে? যদি খোজে কৃত্ৰিম ভাৱ লওক কিয়নো মনুষ্য-শক্তি বিনাশ কৰিবলৈ ই এটাইতকৈ তীব্ৰ বিষ। গতিকে ছাত্ৰ হিচাপে আপোনালোকে কেৱল শিকি গৈ বতাহৰ নিচিনা উৰি ফুৰা কৃত্ৰিম (theoretical) জ্ঞান উপাৰ্জ্জন কৰি ললেই নহয়, কিয়নো শিক্ষাৰ উদ্দেশ্য সত্য। ভদ্ৰলোক হিচাপে আপোনালোকৰ এইটো কৰ্ত্তব্য যে এই জ্ঞান কাৰ্য্যত খটাব লাগে, অনুভূতি আৰু ভাৱৰ উপাৰ্জ্জন কৰিব লাগে। আপোনালোকৰ জ্ঞানক প্ৰাণ দিব লাগে, আপোনালোকৰ দৈনন্দিন জীৱনৰ কামবোৰৰ ভিতৰত ইয়াৰ ঠাই হব লাগে, মগজুৰ কোনো এঠাইত সঞ্চয় কৰি থলে নহয়। এইদৰেহে জ্ঞান শক্তিত পৰিণত হয়, ই কেৱল অকামিলা গুণ হৈ নেথাকে। আপোনালোকক মই বন্ধু বুলি সম্বোধন কৰিছো আৰু এইটো সকলোতকৈ আৱশ্যকীয় যে আপোনালোক ছাত্ৰ আৰু ভদ্ৰলোক যেতিয়া আপোনালোক সকলোৱে বন্ধুও হোৱা উচিত। এইটো বিৰল নহয় যে কোনো কোনো ছাত্ৰ ভদ্ৰলোক নহয় আৰু কোনো কোনো ভদ্ৰলোক বন্ধু নহয়। এই তিনিটা গুণৰ মিল অনাটোৱে আপোনালোকৰ কৰ্ত্তব্য। এইটোও বিৰল নহয় যে এজন অকৃত্ৰিম লোকে নিজৰ গুণৰ বিষয়ে অতিমাত্ৰাই ভাৱি সেই গুণত তেওঁতকৈ পিছপৰা মানুহবিলাকক ঘৃণাৰ চকুৰে চায়।

এই ঘৃণাই মানুহৰ ভিতৰত বিচ্ছেদ ঘটায় আৰু জাতীয় জীৱন নষ্ট কৰে; গতিকে অকৃত্ৰিমতাক বন্ধুতাৰে পৰিপূৰ্ণ কৰিব লাগে। জীৱনত যেতিয়া বন্ধুতাৰ সম্মোহিনী শক্তি নাইকিয়া হয় তেতিয়া আমি মানুহক কেৱল পাশৱিক শক্তিৰ দাসহে বুলিব লাগিব। তেওঁলোকে মৰম-দয়া পাহৰি ইজনে সিজনে মৰামৰি দ্বন্দ্ব-খৰিয়াল কৰি জীৱনী-শক্তিক মৰণ-পাৰলৈ টানি নিব। আমি অকৃত্ৰিম আৰু শক্তিশালী মানুহ হওঁহঁক কিন্তু এই শক্তিক আমি মানুহ মৰা কল নকৰি আত্মশক্তিৰ সম্মিলন আৰু সামঞ্জস্য আনি বন্ধুতাৰ জাতীয়তা আৰু সহানুভূতিৰ বান্ধেৰে বান্ধ খুৱাওঁহঁক। এই উপায়েৰে জগতৰ প্ৰকৃত মঙ্গল সাধিব পাৰি আৰু সেইদৰেহে পৃথিৱীৰ সকলো মানুহৰ প্ৰকৃত মঙ্গল আৰু সুখ হব পাৰে। এয়ে হৈছে শিক্ষাৰ অৰ্থ।

শিক্ষাৰ উদ্দেশ্য হৈছে মানুহৰ ভিতৰৰ উচ্চ আৰু সজ প্ৰবৃত্তিবোৰৰ এটাইতকৈ ভাল উপায়েৰে উৎকৰ্ষ সাধন কৰা। বহুতে ইয়াক কেৱল মনৰ কোনো এঠাইৰ লগত সম্বন্ধ থকা মানসিক বৃত্তি এটাৰ পৰিচালনা বুলি ভাবি লয়। ইফালে আকৌ আন কিছুমানে ভাবে যে শিক্ষা পোৱা মানে খোৱা-বোৱা পিন্ধা-উৰা, থকা-মেলা, বিলাসিতা আৰু তেনে কিছুমান বস্তু-বাহানি সংগ্ৰহ কৰিবৰ নিমিত্তে কোনো প্ৰকাৰ এটা মহলা ঘটি লোৱাই শিক্ষা নহয়, শিক্ষাৰ ছো মাথোন। কেৱল মেধা-শক্তি, ইচ্ছা-শক্তি বা ভাৱৰ উৎকৰ্ষ সাধন কৰিলেই প্ৰকৃত শিক্ষা পোৱা নহয়। এই তিনিওটাৰে সামঞ্জস্য ৰাখি তিনিওটাৰ উন্নতি সাধন কৰিব লাগিব, কেৱল এটা অংশৰ উন্নতি হলেই নহয়। বহুত সময়ত কোৱা হয় যে সত্যৰ নিমিত্তেই সত্যলৈ যি অনুৰাগ সেই অনুৰাগৰ অধীন হৈ, জ্ঞানৰ বাবে শিক্ষা লাভ কৰাটোৱেই শিক্ষাৰ উদ্দেশ্য। জ্ঞান আৰু সত্যক কেৱল আমাৰ জীৱনৰ সাধাৰণ অভাৱবিলাক গুচোৱা কামৰ নিমিত্তেই লগোৱা উচিত নহয়। মানুহ কেৱল জ্ঞানেৰেই জীয়াই থাকিব পাৰে নে? নাইবা কেৱল পুথি পঢ়ি পোৱা বিদ্যা নাইবা মানসিক উৎকৰ্ষৰ দ্বাৰাই মানুহ সন্তুষ্ট হব পাৰে নে? এইবোৰ যদিও শিক্ষাৰ মুখ্য উদ্দেশ্য, ই শিক্ষাৰ একমাত্ৰ উদ্দেশ্য হব নোৱাৰে। কিয়নো হৃদয়, মগজু আৰু স্নায়ুশক্তিবোৰৰ ভিতৰত মিল ৰাখি মানুহটোক সন্তুষ্ট কৰাটোৱেই শিক্ষাৰ কাম। শিক্ষাৰ এই ক্ষুদ্ৰ আদৰ্শৰ বিৰুদ্ধে চাৰিওফালে এটা আন্দোলন দেখি আৰু বিশেষকৈ আমাৰ বিদ্যালয়ে শিক্ষাৰ প্ৰকৃত অৰ্থ অনুযায়ী আমাৰ আগত এটা আদৰ্শ দাঙি ধৰা দেখি আমি বৰ কৃতাৰ্থ হৈছোঁ। মানুহৰ যি সজ আৰু উচ্চ গুণ আছে তাৰ উৎকৰ্ষ সাধনে

শিক্ষাক কাৰ্য্যকৰী জীৱনৰ উপযোগী কৰি নাৰাখি এটা জীৱন্ত উপাদান কৰিবলৈ চেষ্টা কৰিছে। সেই শিক্ষাৰ আগৰণুৱা মহামতি আশুতোষে যোৱা কন্‌ভোকেছনৰ অধিবেশনত যি কথা কৈছিল তাৰে কিছু অংশ তলত তুলি দিয়া গল।

তেওঁ কৈছিল—"জাতীয় উন্নতিৰ প্ৰকৃত নেতা আৰু ৰক্ষক স্বৰূপ সমগ্ৰ মানৱসমাজৰ জ্ঞানৰ মাজেৰে জাতীয় জাগৰণ শিক্ষাৰ যি অগ্ৰগণী কাম তাৰ বিষয়ে আঙুলিয়াই দি আমাৰ বিদ্যালয়ৰ জাতীয় জীৱনৰ লগত এটা বিশেষ সম্বন্ধ স্থাপন কৰাটো আমাৰ এটা আকাঙ্ক্ষা। শিক্ষা জাতীয় জীৱনৰ কেৱল এটা অংশ নহয়, সহযোগীও। গতিকে বিদ্যালয় অক্ৰিয় আৰু অকামিলা নহৈ জীৱন্ত আৰু কাৰ্য্যকৰী হোৱা উচিত। কোনো সম্বন্ধ নেৰাখি, এই বিদ্যালয় নিজৰ উচ্চ আদৰ্শৰ ওপৰত অকলে অকলে বৈ থাকিবলগীয়া হলে, জাতিৰ পক্ষে বিশ্ববিদ্যালয় এটা মৃত অনুষ্ঠানৰ বাহিৰে আন একো নহব কিন্তু আনপক্ষে জাতীয় জীৱনৰ লগত যদি শিক্ষাৰ এটা বিশেষ সম্বন্ধ ৰখা হয় তেনেহলে ই জাতীয় জীৱনত শিক্ষক নাইবা নায়ক স্বৰূপে কাম কৰিব। এয়ে হৈছে শিক্ষাৰ লক্ষ্য কিন্তু এই লক্ষ্যত উপনীত হোৱাটো যে কি দুৰূহ কথা মই তাক ভালদৰে বুজিছোঁ। কিন্তু আমাৰ দুষ্কৰতাৰ নিমিত্তে আমাৰ উদ্দেশ্যৰ মান হ্ৰাস কৰিবলৈ ইচ্ছা কৰাটো উচিত নহয় কিয়নো লক্ষ্য যি পৰিমাণে পৱিত্ৰ, উচ্চ হয় আমাৰ উদ্‌গতিও সেই অনুপাতে সাধিত হয়। আমি যদি আমাৰ শিক্ষাৰ উদ্দেশ্য অতি উচ্চ আৰু পৱিত্ৰ কৰি ৰাখোঁ তেনেহলে অন্ততঃ যিবিলাকে এটা ক্ষুদ্ৰ উদ্দেশ্যৰে সৈতে শিক্ষা আৰম্ভ কৰে তেওঁলোকতকৈ বহুত উধাব পাৰিম।"

ইয়াৰ লগতে মই আৰু এটা কথা কব খোজোঁ আৰু মোৰ মনেৰে ই এটা বৰ লাগতিয়াল কথা। যদি শিক্ষাৰ কু-ফলবোৰৰপৰা শিক্ষা ৰক্ষা কৰিবলৈ কোনো উপায় কৰা নেযায় তেনেহলে কেৱল জ্ঞান বিস্তাৰ কৰিলেই শিক্ষাৰ সফলতা নহয়। শিক্ষাৰ নায়কসকলে তেনে কুফলবোৰৰ হাত সাৰিবলৈ কিবা উপায় চিন্তা কৰিব নোৱাৰে নে? শিক্ষাৰ ইও এটা অঙ্গ স্বৰূপ হোৱা উচিত নহয় নে? নীতি-শিক্ষা শিক্ষাৰ এটা অঙ্গ হোৱা উচিত নহয় নে? অৱশ্যে নীতি-শিক্ষা মানে মই তেনে শিক্ষাকে বুজাইছোঁ যে ছাত্ৰই যি শিক্ষা পায় তাৰ অপব্যৱহাৰ নকৰি নিজৰ

আৰু নিজৰ জাতি ভাইসকলৰ মঙ্গলৰ নিমিত্তে তাক লগাব পাৰে। মই ভালদৰে জানো যে শিক্ষা যদি কথাই কামে মিলা মানুহে নিদিয়ে তেনেহলে জগত কপটতাৰে পূর্ণ হব আৰু যদি তেনেকুৱা মানুহক শিক্ষাবিভাগৰ পৰা গুচাব পৰা নহয় তেনেহলে জ্ঞানশিক্ষা লভাতকৈ একেবাৰে নলভাই ভাল, কিয়নো অনুপযুক্ত মানুহৰ দ্বাৰা নীতি-শিক্ষা দিয়াতকৈ একেবাৰে নিদিয়াই ভাল। কার্য্যক্ষেত্রত অৱশ্যে ইয়াৰ বহুত বাধা-বিঘিনি ওলাব কিন্তু এনেকুৱা এটা চেষ্টা হোৱা একেবাৰেই অনুচিত নে? যিসকলে জ্ঞানৰ চকুৰে এই জগতৰ কার্য্যাৱলী আৰু আমাৰ দৈনন্দিন জীৱনৰ ঘটনাবিলাকৰ ফালে লক্ষ্য কৰে তেওঁলোকক আপদৰ হাতৰপৰা সকৱাবলৈ কোনো দিহা কৰিবলৈ এনে শিক্ষা দিয়াৰ যি কুফল হৈছে তালৈ মন নকৰি নোৱাৰি।

আপোনালোকক ছাত্র হিচাপে সাধাৰণভাৱে যিবোৰৰ সম্বন্ধ তেনে কিছু কথাহে কৈ আহিছোঁ। এতিয়া আপোনালোকৰ লগত অসমৰ ছাত্র হিচাপে সম্বন্ধ থকা কিছুমান বিষয়ে কবলৈ আগবাঢ়িলোঁ। মই এই কথা শুনি বৰ ৰং পাইছোঁ যে এই অসম ছাত্র সম্মিলন অসমৰ ছাত্রসকলে নিজে গঢ়ি লোৱা এটা স্বকীয় অনুষ্ঠান। ইয়াক কোনোবাই বাহিৰৰপৰা ছাত্রসকলৰ ওপৰত জাপি দিয়া নাই। এই সম্মিলন এটি অতি লাগতিয়াল শক্তি আৰু অনুষ্ঠানৰ পৰিচায়ক। সম্মিলিত আৰু সমবায় চেষ্টাৰ অনুষ্ঠান সন্নিৱেশ কৰিব পাৰে যি শক্তিয়ে সি জীৱনত এটা ডাঙৰ শক্তি আৰু যদি ইয়াৰ অপব্যৱহাৰৰ নিমিত্তে যথেষ্ট সাৱধান লোৱা হয় তেনেহলে সকলোৱে এনে শক্তিক উৎসাহিত কৰা উচিত। এই শক্তিৰ উদ্ভাৱন আৰু উৎকর্ষ সাধন কার্য্যত বর্ত্তমান আৰু অতীতত যিসকল লোকে সাহায্য কৰিছে তেওঁলোক ধন্যবাদৰ পাত্র। আপোনোলোকৰ ভিতৰত একতা আৰু ভ্রাতৃভাৱ স্থাপন কৰাৰ বাহিৰেও এই সম্মিলনে আপোনালোকৰ নিমিত্তে এনেকুৱা কিছুমান কাম সম্ভৱ কৰি দিছে যি কাম গাইগুটীয়া চেষ্টাৰে কৰা কেতিয়াও সম্ভৱ নহলহেঁতেন। আপোনালোক একেলগ হৈ এক বুলি ভাবিব পৰাটোও এটা ডাঙৰ কথা। আশা কৰোঁ এই একতা আৰু বন্ধুভাৱ প্রকৃত কার্য্যকৰী, গভীৰ আৰু সুবিস্তীর্ণ হব। যি গৱর্ণমেণ্টে আমাৰ বহুতক বৃত্তি দি লিখা-পঢ়াৰ সুযোগ কৰি দিছে আৰু যি বৃত্তি নহলে আমাৰ বহুতে, বিশেষকৈ আমাৰ নিম্ন শ্রেণীৰ লোকে শিক্ষা লাভ কৰিব নোৱাৰিলেহেঁতেন সেই গৱর্ণমেণ্ট

আমাৰ ধন্যবাদৰ পাত্ৰ। কিন্তু লগতে সেই কৃতজ্ঞতাই আমাৰ আত্মবলৰ সহায়েৰে অলপ-অচৰপ কাম কৰিবলৈকো শিকিব লাগে। এজন ছাত্ৰ হিচাপে নিজৰ সৃষ্টিৰ বাবে একোকে কৰিব নোৱাৰে, কিন্তু যেতিয়া অসমৰ সকলোবিলাক ছাত্ৰই তেওঁলোকৰ গাইপতি গোটোৱা সেই এটি এটি চৰতীয়াক একেলগে গোট খুৱাব ইয়াৰে এনে এটা ভঁৰাল হব পাৰে, যি ভঁৰালৰপৰা অসমৰ আন ঠাইলৈ গৈ শিক্ষা লভি আহি অসমৰ শিক্ষা বিষয়ত অগ্ৰণী হৈ আহিব পৰাকৈ এজন ছাত্ৰক বৃত্তি দিব পৰা হব আৰু অসমৰ ভিতৰতে এটাইতকৈ উপযোগী ছাত্ৰ এজনে বিদেশলৈ গৈ কোনো এটা আৱশ্যকীয় বিদ্যা শিকি আহি অসমত নাইবা বিদেশত থকা অসমৰ ছাত্ৰ-বিলাকক শিক্ষা দিবলৈ ভাৰতৰ বাহিৰলৈ পঠিয়াবৰ নিমিত্তে এটা বৃত্তি-ভঁৰাল স্থাপন কৰিব পাৰে। এই বিষয়ত বহুত বাধা আছে, কিন্তু সেইবোৰ অতিক্ৰম কৰিব নোৱাৰা বাধা নহয়। আমাক কামত 'লাগি থাকিব পৰা আচল মানুহ লাগে আৰু যেতিয়া মানুহ পোৱা যায়, মোৰ কোনো সন্দেহ নাই যে আপোনালোকৰ এই চেষ্টা সফল হব। এনে এটা সময় আহিব পাৰে আৰু আশা কৰোঁ তেনে সময় বহুত আঁতৰত নাই, তেতিয়া আপোনালোকৰ এই বৃত্তি পোৱা ছাত্ৰ (State Scholarship) এজনে যেনে আৰ্থিক সাহায্য পায়, তেনে এটা আৰ্থিক সাহায্য কৰিব পাৰিব। মই সেই দিন দেখিবলৈ পাম বুলি আশা কৰি আছোঁ যিদিনা অসমৰ ছাত্ৰসকলে জগতক দেখুৱাব পাৰিব যে তেওঁলোকৰ আত্মবল আছে। মোৰ ইচ্ছা যে আপোনা-লোকে কাৰ্য্যৰ দ্বাৰাই প্ৰমাণ কৰক যে একতাই বল। আপোনালোকে যদি তাকে কৰে তেনেহলে অসমৰ সকলোবিলাক ভাল মানুহে আপোনালোকৰ সহায়ৰ নিমিত্তে আগবাঢ়ি আহিব আৰু নাহি নোৱাৰে। এই এটা অসম ছাত্ৰ সম্মিলনৰ যুক্তিসঙ্গত কাম, এই কাম সমিলমিল আৰু উমৈহতীয়া চেষ্টাৰ বাহিৰে আন কোনো উপায়েৰে সম্পাদন কৰিব নোৱাৰি, ই আত্মবলৰ ওপৰত প্ৰতিষ্ঠিত। এই ভঁৰালৰ নিমিত্তে আপোনালোকে আপোনালোকৰ অভিভাৱকসকলক কেতিয়াও আহুকাল কৰিবলৈ নকওঁ। তেওঁলোকে আপোনালোকৰ শিক্ষাৰ খৰচ গোটাওঁতেই জুৰুলা হৈছে। আপোনালোকলৈ পঠিওৱা মাহিলী খৰচৰপৰাই আপোনালোকে এই পঁচাখিনি উলিয়াব লাগিব। আপোনালোক মিতব্যয়ী হবলৈ শিকি, অলপ-অচৰপ স্বাৰ্থত্যাগৰ পৰা এই ধনখিনি গোটাবলৈ অনুৰোধ কৰিছোঁ। মিতব্যয়ী হবলৈ শিক্ষা

কৰা আৰু নিয়মীয়া হোৱা আপোনালোকৰ শিক্ষাৰ এটা প্ৰধান অংশ। আপোনালোকক বৰ ডাঙৰ স্বাৰ্থত্যাগ কৰিবলৈকো কোৱা নাই। সাধাৰণ স্বাৰ্থত্যাগৰ পৰাই এই উদ্দেশ্য সফল হব পাৰে ; এই এটা আপোনালোকৰ কৰিবলগীয়া কাম। আপোনালোক যে কেৱল ভাবুক আৰু কথকী এই কথাষাৰ মিছা বুলি প্ৰমাণিত কৰিবৰ ই এটা সুচল। এইখিনিতে আপোনালোকৰ পক্ষে এটা সুচল ওলাইছে আৰু সকলো আপোনালোকৰ আত্মবলৰ ওপৰত নিৰ্ভৰ কৰে।

আপোনালোকে তলত লিখাবোৰৰপৰা আঁতৰত থকা উচিত : (১) জিৰণিৰ অভিলাস, (২) বিলাসিতা, (৩) পৰৰ খৰচত দামী আৰু বিলাসী সাজ-পাৰ পিন্ধা, (৪) কামৰ প্ৰতি হেলা বা কাম বাছি লওঁতে অমুক কামটো বেয়া, অমুকটো নীচ কাম ইত্যাদি ধৰণৰ খু-তুৰনি। বিলাসিতা এৰিবলৈ কোৱা মানে নেভাবিব যে মই আপোনালোকক যিমান কমতে পাৰি, সিমান কমেৰে আদিম কালৰ মানুহৰ নিচিনাকৈ থকাটো ভাল বুলি কৈছোঁ। মোৰ বিশ্বাস এজন বন্ধুৱা তাৰ বেতনৰ উপযুক্ত আৰু আৱশ্যকীয় বেতনৰ যুক্তিসঙ্গতৰূপে বৃদ্ধি কৰাটো সজ চেষ্টা আৰু সুচাৰুৰূপে উদ্গতি কৰাৰ এটা চিন স্বৰূপ। আপোনালোকৰ আগত মই যিবোৰ আপদৰ কথা আঙুলিয়াই দিছোঁ মই সেইবোৰ অতিৰঞ্জিত কৰিবলৈ কোৱা নাই যাতে আপোনালোকে সেই আপদবোৰৰপৰা আঁতৰত থাকিব পাৰে তাৰ বাবে চেষ্টা কৰিবলৈকেহে কৈছোঁ। গাঁওবোৰত এনে এটা অভিযোগ সৰ্ব্বসাধাৰণভাৱে চলি আহিছে। আপোনালোকে গম পায় নে যে স্কুল-কলেজৰ লৰাবোৰে গাঁওবোৰক নষ্ট কৰিলে ? অভিযোগ ইয়াতে ওৰ নপৰে, ই আৰু বেছি দূৰ গৈ ইয়াকো কয় যে পাশ্চাত্য শিক্ষাই আমাৰ প্ৰাচ্য নীতিবোৰ নষ্ট কৰিলে। ছাত্ৰবন্ধুসকল ! ই এটা বৰ ডাঙৰ সমস্যা আৰু ইয়াৰ সিদ্ধান্ত আপোনালোকৰ ওপৰত নিৰ্ভৰ কৰিছে। আপোনালোক সকলোৱে জানে যে এই কুপ্ৰথাবোৰক ঘিণাই এনেকুৱা অভিযোগৰ কাৰণ গুচোৱা উচিত। আমি যিবোৰ গুচাব পাৰোঁ সেইবোৰৰ বাবে আন কিছুমান কাৰণৰ ওপৰত দোষ স্থাপন কৰা উচিত নহয়। মই জানো প্ৰাচ্যই পাশ্চাত্যক আৰু পাশ্চাত্যই প্ৰাচ্যক তীব্ৰৰূপে অনুকৰণ কৰিবলৈ ধৰিছে। প্ৰকৃতপক্ষে প্ৰাচ্য আৰু পাশ্চাত্যই সজ কামবোৰতেহে ইটোৱে সিটোক অনুকৰণ কৰা উচিত। তেওঁলোকৰ উদ্দেশ্য হোৱা উচিত ইটোৱে সিটোক শুধৰোৱা, নষ্ট কৰা নহয়। যিসকলে ভাবে যে এটাৰপৰা

আনটোৰে একো শিকিব নোৱাৰে তেওঁলোক জ্ঞানী নহয় আৰু এটাক আনটোৱে অন্ধলাৰ দৰে ছাঁয়াটোকে আচল বস্তু বুলি অনুকৰণ কৰাটোও বিজ্ঞলোকৰ কাম নহয়।

আমি পাশ্চাত্যবপৰা এই মহাশিক্ষা লভিব পাৰোঁ আৰু তাৰে সৈতে শ্ৰমৰ গৌৰৱ আৰু মোৰ মনেৰে যেতিয়ালৈকে আমি শ্ৰমৰ গৌৰৱ বুজিব নোৱাৰিম তেতিয়ালৈকে আমাৰ মনুষ্যত্বৰ বিকাশ নহব। জনসাধাৰণৰ মাজত এটা বিশ্বাস আছে যে কৰ্ম্ম পাপৰ ফল, কৰ্ম্মৰ বিৰাম হোৱাটোৱেই জীৱনৰ মুখ্য উদ্দেশ্য—সন্ন্যাসীবিলাকৰ নিচিনাকৈ কেৱল মাথোন মানসিক ধ্যানেই জীৱনৰ মুখ্য উদ্দেশ্য, এৱেঁই আদৰ্শ, আদৰ্শ শ্ৰম পাপৰ ফল ইহুদীবিলাকৰ এনেকুৱা ধাৰণা এটা প্ৰকাশ পাইছে। এইবোৰেই শ্ৰমক ঘিণ কৰিবলৈ ইচ্ছা কৰাৰ কিছুমান চিন। জনসাধাৰণৰ উদ্দেশ্যৰে সৈতে শ্ৰম-গৌৰৱৰ কোনো অমিল নাই; ই কেৱল কামৰ তাৰতম্য অনুসৰি কেইটামান বিভাগ কৰি দিছে মাথোন আৰু যিবোৰ কাম ওখ ধৰণৰ বুলি ভৰা হৈছে সেইবোৰ কাম সমাজৰ উচ্চ ধৰণৰ মানুহৰ হাতত দিয়া হৈছে। আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে যি কাম যাৰ নিমিত্তে উপযুক্ত সি সেই কামকে কৰা উচিত আৰু জাতি বিভাগৰ মূলতেই এইটোৱেই প্ৰণালী। কিন্তু আমি এইখিনিতে অলপ ভাবি চোৱা উচিত, সকলো সময়তে পুতেক বাপেকৰ নিচিনা উপযোগী হব পাৰে নে আৰু এইটো সঁচা নহয় নে যে বাপেকে যি কাম কৰিব নোৱাৰিছিল পুতেক সেই কাৰ্য্যৰ নিমিত্তে উপযোগী হব পাৰে? সমাজৰ মত অনুসৰি কিছুমান সামাজিক নিয়মেৰে এজন মানুহক বাপেকৰ কামত জোৰ কৰি আৱদ্ধ ৰখা মানে এই কথাৰ সত্যতা স্বীকাৰ নকৰা। সময়ৰ আৰু সমাজৰ আচাৰৰ দ্বাৰা উৱলি যোৱা জাতিবিভাগৰ দোষ ইয়াতেই বৰ্ত্তমান। যি যি কামৰ উপযোগী, সি সেই কামকেহে কৰা উচিত এই কথা সৰ্ব্বতোভাৱে মানিলেও আমি শেষত আচাৰৰ লগে লগে এই কথাৰ সমৰ্থন কৰিবলগীয়া হওঁ যে এসময়ত সি এজন সুতাৰ আছিল, তাৰ কামৰ কোনো উন্নতি বা অৱনতি নোহোৱাকৈ অৱশ্যে আমি অভিজ্ঞতাৰ পৰা যি কথা কেতিয়াও হব নোৱাৰে, বুলি জানিছো, সদায় সুতাৰ হৈয়ে থাকিব। এই জাতি-বিভাগ তুলি দিয়া মানে এইটো বুজিব নেলাগে যে সকলো মানুহকে সকলো কামকে কৰিবলৈ দিয়া হৈছে, কিয়নো যেতিয়া এজন হবিজনে ৰজা, শাসনকৰ্ত্তা, পুৰোহিত নাইবা অধ্যাপক হবলৈ বিচাৰিব

তেতিয়াহে দেশত বলছেভীয় নীতিৰ প্ৰচলন হব। আচল কথা হৈছে, আমি চাব লাগিব, তেনে মানুহবোৰ তেনেকুৱা কামৰ উপযোগী হয় নে নহয়। সকলো ঠাইতে যেতিয়া আমি গণতন্ত্ৰৰ আন্দোলন শুনিবলৈ পাওঁ তেতিয়া এইটোৱেই ভয়। গণতন্ত্ৰ মানে যদি সৰ্ব্বসাধাৰণ মানুহৰ শাসন বুজায় আৰু ই যদি কেৱল সংখ্যাৰ ওপৰত প্ৰতিষ্ঠিত হয় তেনেহলে কেতিয়াবা এনেকুৱা হৈও উঠিব পাৰে যে উপযুক্ত মানুহকো কেতিয়াবা আঁতৰত পেলাই থৈ সকলো কাম এনেকুৱা কিছুমান লোকে হাতত লব যিসকলৰ গাত নেতৃত্বৰ গুণ নাই; গতিকে তেওঁলোকে সমগ্ৰ দেশকে বিপদৰ সাগৰত বুৰাই, শেষত নিজৰ ধ্বংস মাতি আনিব। যি মানুহৰ শাসন কৰিবৰ শক্তি আছে আৰু যাৰ জ্ঞানে নিজৰ স্বাৰ্থসিদ্ধিৰ নিমিত্তে তেওঁলোকৰ তলৰ আন মানুহবিলাকক বিপদত নেপেলায় আৰু অৱশেষত গৈ নিজেও সেই বিপদত পৰিবলৈ বাধা দিব, তেনে এজন বা দুজন মানুহৰ হাতত দেশৰ শাসন-কাৰ্য্য নিহিত কৰা ভাল নহয় নে বাৰু? আপোনালোক সকলোৱে জানে যে এজন মূৰ্খ মানুহে নিজৰ সজ ইচ্ছা থকা স্বত্বেও সকলো কামকে বিশৃঙ্খল আৰু বেমেজলীয়া কৰি পেলায়। ইয়াৰ দ্বাৰা মই গণতন্ত্ৰৰ বিৰুদ্ধে একো কব খোজা নাই। মই ইয়াকেহে কৈছোঁ যে যেতিয়ালৈকে বেছিভাগ মানুহ শিক্ষিত আৰু জ্ঞানী নহয় তেতিয়ালৈকে গণতন্ত্ৰ এটা ভয়ৰ কথা। বৰ্ত্তমান সময়ত গণতন্ত্ৰৰ প্ৰাধান্যই আমাক প্ৰকৃত শিক্ষাৰ উপযোগিতা ভালদৰে অনুভৱ কৰাইছে। যোৱা সমাবৰ্ত্তনত কলিকতা বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষ্যই কোৱাৰ নিচিনাকৈ আমি কব খোজোঁ এই বিশ্ববিদ্যালয় সমাজৰ এটা নতুন ধৰণৰ আৰু ভাল কামত খটুৱাবলৈ যি চেষ্টা কৰা হৈছে, সেই কথাটোত জোৰ দিয়াৰ লগে লগে মই আপোনালোকক এইটোও ডাঠি কওঁ যে মই এটা বিশেষ কথালৈ আওকাণ কৰা নাই আৰু এইটো হৈছে জাগিব ধৰা গণতন্ত্ৰৰ প্ৰভাৱ। ৰাজনৈতিক অনুষ্ঠানবোৰৰ ইতিহাস আৰু বিজ্ঞানৰ ছাত্ৰ এজনে কৈছে যে শিক্ষাৰ সুচলবোৰেই গণতন্ত্ৰৰ দুৰ্ব্বলতা আনি দিয়ে। মই ভাবোঁ যে এই কথাষাৰত ভাবিবলৈ বহুত আছে। কিয়নো এই গণতন্ত্ৰৰ সফলতা আৰু দুৰ্ব্বলতা দুয়োবিধে বৰ্ত্তমান। অনভিজ্ঞ আৰু অশিক্ষিত গণতন্ত্ৰৰ এই এটা ডাঙৰ দোষ যে সকলো শ্ৰেণীৰ মানুহৰ উচ্চশিক্ষাৰ যি এটা আৱশ্যকতা আছে তাৰ প্ৰতি ই উদাসীন। বাকী শিক্ষাদাতাসকলৰ কৰ্ত্তব্য হৈছে এই দুৰ্ব্বলতা বুজিব পাৰি তেওঁৰ উচ্চপদৰ

পৰা নিম্নস্তৰলৈ নামি আহি তেনেকুৱা নতুন গণতন্ত্ৰৰ ভিতৰত তেওঁৰ নিজৰ বিৱেচনা অনুসৰি শিক্ষা বিস্তাৰৰ চেষ্টা কৰা উচিত। মই আপোনালোকৰ ওচৰত এই কথাৰ ওপৰত জোৰ দি কওঁ যে প্ৰকৃত শিক্ষাই আমাক শ্ৰমৰ গৌৰৱ বুজোৱা উচিত আৰু আমাক এইটো শিকোৱা উচিত যে আমি যেন সদায় সাৱধান হওঁ, যেন আমাৰ প্ৰত্যেকে নিজে যি কামৰ নিমিত্তে সৰ্ব্বতোভাৱে উপযোগী তেওঁ সেই কামকে হাতত লয় আৰু যেন তেওঁলোকে সামাজিক নিয়মৰ বা সমাজৰ বন্ধাধৰা কিছুমান আইন অনুসৰি এটা বিশেষ কামত আৱদ্ধ নেথাকি যি কামকে ভাল বুলি বিৱেচনা কৰে তেনেকুৱা কামৰ বাবে নিজকে উপযোগী কৰি তুলিবলৈ চেষ্টা কৰে। একপক্ষে যেনেকৈ জাতি-বিভাগৰ ভিতৰত আমাৰ গুচাবলগীয়া কিছুমান বেয়া প্ৰথা আছে আনপক্ষে মানুহ স্বভাৱতে অপমানিত হোৱা স্বত্ত্বেও আইন বা নিয়মৰ দ্বাৰা সকলো মানুহকে জোৰ কৰি সমান কৰিবলৈ যোৱা ব্যাধিৰপৰা আঁতৰত থাকিবলৈকো চেষ্টা কৰিব লাগে। ডাঙৰ সৰু সকলোকে একে ৰকমৰ সন্মান দেখুওৱা মানে সকলো উন্নতিৰ মূলত কুঠাৰঘাত কৰা আৰু সকলো কথাকে মৃত্যুৰ নিচিনা এটা এক ধৰণৰ নিষ্ক্ৰিয় ভাৱত পৰিণত কৰোৱা। যেতিয়া মানুহে দেখে তেওঁৰ অধিক চেষ্টা বা গুণ সমাজে নুবুজে আৰু তাৰ নিমিত্তে কোনো অধিক মনোযোগ নিদিয়ে তেতিয়া মানুহৰ উন্নতিৰ নিমিত্তে যি এটা চেষ্টা আছে সেই চেষ্টা ছিন্নবিচ্ছিন্ন হৈ নেযায় নে? আমি সমাজৰ গঢ় লৈ কোঢ়াল কৰাৰ সকাম নাই, বৰং আমাৰ ভিতৰত যি অলপ ভাল আছে তাৰেই উন্নতি সাধিবলৈ যত্নৱান হওঁহঁক। আমাৰ মাথোন প্ৰকৃত শিক্ষা হব লাগে—গৱৰ্ণমেণ্টে নিজৰ গঢ় নিজেই বিচাৰি লব।

আমি ইচ্ছা কৰো নে যে গৱৰ্ণমেণ্টে আমাৰ নিমিত্তে সকলো কামকে কৰি দিয়ক, আমাৰ পিন্ধা কাপোৰ বৈ দিয়ক, খোৱা ভাত ৰান্ধি দিয়ক। আমি ইচ্ছা কৰো নে যে গৱৰ্ণমেণ্টে আমাক সকলো বিষয়তে ৰক্ষা কৰি থাকি আমাক আৰামত ৰাখি কাম-কাজ নোহোৱাকৈ নিৰাপদে শুই থাকিবলৈ সুবিধা কৰক? মই অকলে হলেও এনেকুৱা কথা ইচ্ছা নকৰোঁ। যদিও গৱৰ্ণমেণ্টে আমাক নানা উপায়ে সহায় কৰিব পাৰে, আমি আত্মবলৰ উৎকৰ্ষ সাধিবলৈ আওকাণ কৰা উচিত নহয় কিয়নো সেয়ে আমাক চিৰকাললৈ লৰা আৰু পৰৰ ওপৰত খোৱা কৰি নাৰাখিব। যেতিয়ালৈকে আমাৰ নিজত্ব ৰক্ষা কৰি, নিজকে মানুহ নামৰ উপযোগী কৰি গঢ়ি লব নোৱাৰোঁ আৰু আমি যি সহায় পাওঁ সেই সহায়

আমাৰ মঙ্গলৰ অৰ্থে খটুৱাব নোৱাৰোঁ, তেতিয়ালৈকে আমি কোনো সহায় প্ৰাৰ্থনা কৰা উচিত নহয় কিয়নো তেনে সহায়ক অপব্যৱহাৰ কৰি আমি নিজকে অৱনত কৰোঁহঁক। যি নিজকে সহায় কৰে তেওঁহে আনৰপৰা সহায় পোৱাৰ উপযুক্ত। আশ্ৰিতসকলৰ বিষয়ে মই কব খোজোঁ যে যেতিয়া অনুপযুক্ত মানুহে আশ্ৰয় বা অনুগ্ৰহ গ্ৰহণ কৰে, তেতিয়া অনুগ্ৰহ গ্ৰহণকাৰী সকলৰ মহাঅনিষ্ট হয়।

আপোনালোকে আজিকালি জাতীয়তা আৰু স্বদেশানুৰাগৰ বিষয়ে বহুত কথা শুনিবলৈ পাইছে। এইবোৰৰ অৰ্থ কি? ইয়াৰ অৰ্থ যদি এয়েই হয় যে প্ৰত্যেক জাতিয়ে নিজৰ উন্নতিৰ নিমিত্তেহে চেষ্টা কৰিব লাগে আৰু আন জাতিবোৰক বিনাশ কৰি নিজৰ জাতিটোৰ উন্নতি সাধন কৰিবলৈ যত্ন কৰাটোৱেই যদি স্বদেশানুৰাগীৰ কাম হয় তেনেহলে আমি অলপমান বৈ থাকি ভাবি চাওঁহক—তেনেকুৱা জাতীয়তা আৰু স্বদেশানুৰাগ এৰি পেলোৱাটো ভাল নহব নে? আমি পৰস্পৰে স্বাৰ্থসিদ্ধিৰ নিমিত্তে এজন মানুহে আন এজনৰ লগত সহযোগ কৰাটো ভাল বুলি কৈ জাতিবিলাকক স্বাধীনভাৱে অকলে অকলে থকাটো ভাল বুলি কোৱা উচিত নে? স্বাৰ্থপৰ মানুহ এজকন বেয়া বুলি কৈ স্বাৰ্থপৰ জাতি এটাক ভাল বোলা উচিত নে? এই বিষয়ত এটা জাতি বহুত গুণে ডাঙৰ বুলি ভাবি লোৱা এটা জাতিৰ নিচিনা নহয় নে? জাতীয়তা আৰু স্বদেশানুৰাগৰ অপব্যৱহাৰ কৰিলে ই চিৰন্তনীয় যুদ্ধত পৰিণত হবগৈ আৰু যেতিয়ালৈকে জাতিবিলাকে এইটো গম ধৰিব নোৱাৰে তেতিয়ালৈকে জগতত স্থায়ী শান্তি স্থাপিত নহব। জাৰ্ম্মানীয়ে যেতিয়ালৈ জগতৰ মঙ্গল সাধনত ব্ৰত আছিল, তেতিয়ালৈকে সকলো জাতিবে সন্মান লভিছিল, সেই একে জাৰ্ম্মানীয়ে যেতিয়া আন জাতিক দাসত্ব-শৃঙ্খলত আৱদ্ধ কৰিবলৈ চেষ্টা কৰিলে, যেতিয়া নিজে অতিমানৱ হৈ আন জাতিৰ গৌৰৱ খৰ্ব্ব কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে, তেতিয়া জাৰ্ম্মানী আন জাতিৰ মনত সৰু হৈ পৰিল; তেতিয়াই জাৰ্ম্মানীয়ে নিজক তলৰ খাপত পেলাই দিলে। পুৰাকালৰ কাণ্ড, হিগেল আৰু আন আন কেৱল শাৰীৰিক শক্তিৰ সেৱক নহৈ সজ গুণৰ, সত্যতাৰ, নীতিৰ আৰু আধ্যাত্মিকতাৰ পক্ষপাতী মহাপুৰুষসকলৰ দিনৰ জাৰ্ম্মানীৰ লগত নিট্‌জচে বাৰ্ণ হাৰ্ডি আদিৰ দিনৰ জাৰ্ম্মানীৰ কিমান ব্যৱধান! কোনো এটা জাতিয়ে দেশৰ নেতাসকলৰ নিচিনাকৈ যেতিয়া মানুহৰ সজ গুণবিলাক আয়ত্ব কৰিবলৈ আৰু সকলোৰে প্ৰতি সহানুভূতি দেখুৱাবলৈ শিকে

আৰু সেই ভাৱেৰে মৰ্ম্মে মৰ্ম্মে অনুপ্ৰাণিত হয় তেতিয়াহে ই জগতত চিৰন্তনীয় হৈ থাকিব পাৰে। নৈতিক আৰু মানসিক বৃত্তিবোৰৰ উৎকৰ্ষ আৰু অপকৰ্ষ কোনো এটা জাতিৰ উত্থান-পতনৰ প্ৰধান কাৰণ আৰু ইতিহাস, দৰ্শনে ইয়াকেই শিক্ষা দিয়ে। যেতিয়া কোনো জাতিৰ মনৰ তেজ আৰু কাম একে ধৰণৰ হয়, যেতিয়া জাতিৰ ভিতৰত ভণ্ডামিৰ ভাৱ লোপ হয় তেতিয়াহে শাৰীৰিক শক্তিয়ে উদ্দেশ্যৰ সফলতা আনি দিব পাৰে।

এতিয়া স্ত্ৰী-শিক্ষাৰ বিষয়ে দুই চাৰি আষাৰ কম। মানুহে স্ত্ৰী-শিক্ষা সম্পৰ্কে বহুত কোৱামেলা কৰে। চাৰিওপিনে মত প্ৰচলিত আছে যে প্ৰাচ্য-জগতত স্ত্ৰী-শিক্ষাৰ অৱহেলা বৰ বেছি, এনেকি তিৰোতাবিলাকক দাসী স্বৰূপ বিবেচনা কৰা হয়। এইখিনিতে মই জোৰকৈ কওঁ যে সম্মানত তিৰোতা পুৰুষতকৈ কোনোগুণে হীন নহয় কিন্তু এইটোও মই ডাঠি কব খোজোঁ যে তিৰোতা আৰু পুৰুষৰ শাৰীৰিক বলৰ হীন-ডেঢ়ি আছে আৰু সাধাৰণতে তেওঁলোকৰ মনৰ বলবো বিভিন্নতা দেখা যায়। শাৰীৰিক আৰু মানসিক বল বেলেগ হোৱাৰ কাৰণেই তেওঁলোকৰ কৰ্ম্মও বেলেগ হব লাগিব। বহুতে ভাবে যে মতা মানুহে যি যি কাম কৰে তিৰোতাবিলাকেও সেই সকলোবোৰ কামকে কৰা উচিত। তিৰোতাই বাণিজ্য-শিক্ষা কৰিব লাগিব, ৰাজনীতি কুশলা হব লাগিব, আৰ্থিক আৰু ৰাজনৈতিক স্বাধীনতা লাভ কৰিব লাগিব, আকৌ সন্তানোৎপাদনৰ দ্বাৰাই জনসংখ্যা বঢ়াই মানৱ জাতিক জীৱিত ৰাখিব লাগিব আৰু ভৱিষ্যৎ বংশৰ কাৰণে মানুহক সাজু কৰিবলৈ বেছি ভাগ সময় কটাব লাগিব। এই আটাইবোৰ কাজ তিৰোতাৰ পক্ষে বেছি নহয় নে? মাল্‌থিউচে আশঙ্কা কৰিছিল কিজানি পৃথিৱীৰ জনসংখ্যা অতিকৈ সৰহ হয় আৰু পেটৰ ভাতৰ অভাৱত অনেকে খাবলৈ নেপাই মৰে। বোধকৰোঁ মাল্‌থিউচ্ আজিলৈ জীয়াই থকা হলে তেওঁৰ সেই ভয় ইমান বেছি নহলহেঁতেন। পুৰুষে যিবোৰ কাম কৰে সেই আটাইবোৰ তিৰোতাই কৰিবলগা হলে বংশবৃদ্ধিৰ বাবে যিমান সময়ৰ আৱশ্যক সিমান সময় উলিয়াব পাৰিব নে? তেতিয়া হলে এই বিৰক্তিজনক কৰ্ত্তব্য—প্ৰকৃতি নিহিত এই প্ৰধান কৰ্ম্মৰ বোজা দলিয়াই পেলাবলৈ তিৰোতাবিলাকৰ ইচ্ছা নহব নে? অৱশ্যে এই নিয়মৰ অপবাদো আছে, এনে কিছুমান তিৰোতা আছে যিবিলাক প্ৰায় মতা মানুহৰ নিচিনা। আকৌ এনে পুৰুষো আছে যিবিলাক প্ৰায় তিৰোতাৰ নিচিনা। আমি এই অপবাদবোৰক সদায় অপবাদ অৰ্থাৎ নিয়মৰ ওলোটা বুলিয়েই ধৰিব লাগিব।

যদি শ্ৰমৰ বিভাগ প্ৰকৃতিৰ বিধান বুলি বোধহয়, তেন্তে তিৰোতাৰ ভাগত যি কৰ্ত্তব্য পৰিছে তাক আমি হীন বুলিব পাৰোঁ নে? ভৱিষ্যত বংশৰ কাৰণে মানুহক প্ৰতিপালন কৰাটো নীচ কাম নে? মানৱ জাতিৰ ভৱিষ্যৎ বুৰঞ্জীৰ প্ৰতিষ্ঠাপক হোৱাটো গৰ্হিত হব পাৰে নে? আয়ে আমাক যি ভাবে গঢ়ি তুলিছে আমি বেছিভাগেই তেনে নহওঁ নে? শাৰীৰিক এনেকি মানসিক হিচাপেও পুৰুষতকৈ বৰং তিৰোতাৰ উপযোগিতা বুৰঞ্জী গঢ়া কাৰ্য্যত বেছি নহয় নে? এই কথানপৰা এপিনে নাৰী-জাতিৰ প্ৰাধান্য আৰু মৰ্য্যাদা, আনপিনে স্ত্ৰী-শিক্ষাৰ অত্যাধিক আৱশ্যকতালৈ মনত পৰে। কাৰণ জাতি-গঠন আৰু বুৰঞ্জী গঢ়া কাৰ্য্যৰ ভাৰ অশিক্ষিত লোকৰ হাতত সমৰ্পণ কৰিব পাৰোঁ নে? অসমৰ ভৱিষ্যত বৰ্ত্তমানতকৈ ভাল কৰিবলৈ হলে আমি আমাৰ তিৰোতাবিলাকক সময়োপযোগী শিক্ষা দিবই লাগিব। পৰ্দা-প্ৰথা সকলোপিনে অতিপাতকৈ নিন্দা কৰা হয় আৰু আমি জানো ইয়াৰ দোষ আছেও। মোৰ মনেৰে তিৰোতাৰ কাম পুৰুষৰ কামতকৈ যে বেলেগ তাকেহে মাথোন ই বুজায়। পৰ্দাৰ ঐতিহাসিক গুৰি যিয়েই নহওক, মই সেই বিষয়ে একো কব নোখোজোঁ। তিৰোতাই ঘৰখন পৰিপাটিকৈ ৰাখে কিন্তু পুৰুষে বাহিৰৰপৰা আহাৰ বিচাৰি আনে আৰু শত্ৰুৰে সৈতে যুঁজি ঘৰখন ৰক্ষা কৰে। এইবোৰ স্বকীয়া কামৰ কাৰণে তেওঁলোকে শাৰীৰিক আৰু মানসিক হিচাপে উপযুক্ত নহয় নে? এইবোৰ কামৰ সাংসলনি কৰিলে মানৱ জাতিৰ কল্যাণ হব নে? পৰ্দাৰ উপকাৰিতাও আছে, কাৰণ ই বিনয় আৰু গৃহস্থী-মৰ্য্যাদাৰ চিন স্বৰূপ। কিন্তু যদি তাৰ পৰা তিৰোতাবিলাকে অনুভৱ কৰিবলগা হয় যে তেওঁলোক পুৰুষৰ দাসী মাথোন আৰু পুৰুষে স্বাৰ্থপৰভাৱে যিবোৰ ভাল বস্তু উপভোগ কৰে সেইবোৰ ভুগিবলৈ তেওঁলোকৰ কোনো অধিকাৰ নাই, তেনেহলে পৰ্দাৰপৰা বহুত অপকাৰহে আছে। যি জীৱনৰ সুখ ন্যায্যভাৱে ঘৰুৱা কামৰ লগে লগে তিৰোতাই উপভোগ কৰিব পাৰে, পৰ্দাই যদি তেওঁলোকক সেইবিলাক সুখৰপৰা বঞ্চিত কৰে, তেনেহলে ই অহিতকাৰী। পৰ্দা যেতিয়া শিক্ষাৰ প্ৰতিবন্ধক হৈ উঠে, পৰ্দাই যেতিয়া শৰীৰ আৰু মনক বতাহ আৰু পোহৰ নিদিয়াকৈ বন্ধ কৰি ৰাখে তেতিয়া ই মানৱ-জাতিৰ অশেষ অপকাৰ কৰে। এই অৰ্থত পৰ্দাই আচলতে মানুহক গোলাম কৰে। তিৰোতাই পুৰুষৰ সমান বুলি অনুভৱ কৰিব লাগে, কাৰণ জগতৰ অৰ্থনীতিত আপোন ইচ্ছাৰে সৈতে আৰু

মুক্তভাৱে সম্পাদন কৰিবলগীয়া কৰ্ত্তব্য তেওঁলোকৰ আছে। তেওঁলোকৰ ভিতৰত এই ভাৱ থকা মানে আধ্যাত্মিক মুক্তি লাভ কৰা। কিন্তু এই ভাৱ অহঙ্কাৰ আৰু বিদ্ৰোহৰ ভাৱ নহয়। ই কেৱল আত্মসম্মান আৰু অনুভূতি— যি অনুভূতিয়ে স্ত্ৰীজাতিৰ দুৰ্ব্বল চিত্তক তেজীয়ান কৰি ৰাখে। তিৰোতা-সকলক আমি অনুভৱ কৰাব লাগে যে পুৰুষৰ সুখ-ভঁৰালত তেওঁলোকৰো সমান ভাগ। লগে লগে তেওঁলোকে এইটোও মনত ৰাখিব লাগে যে মূলতে পুৰুষৰ কামতকৈ তিৰোতাৰ কাম বেলেগ আৰু তেওঁলোকে মাথোন নিজৰ কৰ্ত্তব্যতহে লাগি থকা উচিত, কাৰণ পুৰুষতকৈ তেওঁলোকে সেই কামৰ কাৰণে বেছি উপযোগী। যি শিক্ষাৰ দ্বাৰাই আমাৰ তিৰোতাবিলাক অনুপ্ৰাণিত হোৱা উচিত এয়ে তাৰ প্ৰকৃত তত্ত্ব। তেওঁবিলাকক কেৱল লিখিবলৈ আৰু পঢ়িবলৈ শিকালেই আচল শিক্ষা দিয়া নহয়। এইখিনিতে এভিছনে কি কৈছে মোক কবলৈ দিয়ক,—"মই ওপৰত যিবোৰ কথা কৈ আহিলোঁ তাৰ পৰা এইটোৱে সিদ্ধান্ত কৰিব পাৰি যে পুৰুষ আৰু তিৰোতা উভয়েই উভয়ৰ অঙ্গস্বৰূপ; যৈণীয়েকৰ প্ৰসন্নতা আৰু স্ফুৰ্ত্তিভাৱ দেখিলে গিৰিয়েকৰ দুখ-বিষাদ দূৰ হয়। স্ত্ৰী-পুৰুষৰ ভিতৰত যদি এই ভাৱবোৰ যথাবিধি প্ৰৱৰ্ত্তিত হয় তেনেহলে পৰস্পৰৰ যত্ন আৰু প্ৰফুল্লতা সদায় সমভাৱে থাকিব আৰু সুন্দৰৰূপে পৰিচালিত জাহাজৰ নিচিনা গৃহস্থালি খনো ৰৰ সুখৰ হব।"

এতিয়া শিল্প, বেপাৰ বাণিজ্য আৰু কৃষিৰ বিষয়ে আলোচনা কৰোঁহক। মই জোৰ দি কব খোজোঁ যে আমাৰ ভিতৰত যুটীয়া সহযোগৰ ভাৱৰ বিশেষ আৱশ্যক কাৰণ অসমত এনে ডাঙৰ সদাগৰ সৰহ নাই যিবিলাকে সুকীয়াকৈ ডাঙৰ কাৰবাৰ চলাব পাৰে। আমি যদিও দুখীয়া তথাপি আমি এই বিষয়ে বহুত ডাঙৰ কাম কৰিব পাৰোঁ। মাথোন যুটীয়াভাৱ,, সম্মিলিত চেষ্টাৰ আৱশ্যক। কিন্তু এইটো মনত ৰাখিব লাগে যে যদি সহযোগীবিলাকৰ ভিতৰত মনোবৃত্তি ভাল নেথাকে, যথোচিত মানসিক দক্ষতাৰ অভাৱ হয় তেনেহলে সহযোগৰ পৰা সিদ্ধিলাভ হোৱা অসম্ভৱ। আমি যদি এই মানসিক অৱলম্বনৰ প্ৰতি অৱহেলা কৰোঁ, তেন্তে আমাৰ অতি উত্তম কল্পনাবোৰো পানীৰ বুৰবুৰণিৰ নিচিনা মাৰ যাব। মোৰ মনেৰে বেপাৰ-বাণিজ্য কৰিবলৈ আমাৰ যিবোৰ মানসিক গুণৰ প্ৰয়োজন, সেইবোৰ যদি আমাৰ থাকে,

তেন্তে আমাৰ কাৰণে অসমত বহুত সুচল পৰি আছে, আহিলাপাতি অনেক আছে; কিন্তু তাৰ ব্যৱহাৰ নাই, অনেক উপায় আছে কিন্তু অৱলম্বন কৰোঁতা নাই এইবোৰৰ উপযুক্ত গঢ় দিব পাৰিলে আমাৰ উপকাৰ আৰু উন্নতি অৱশ্যম্ভাবী। ব্যক্তিগত বেপাৰৰ কথা কওঁতে মই কব খোজোঁ যে আমাৰ বেপাৰীবিলাকে লাভৰ বিষয়েহে মাথোন ভাবে, গ্ৰাহকলৈ বেছি মন নিদিয়ে। তেওঁলোকে ভাবি নেচায় যে গ্ৰাহকৰ ওপৰতে ধনৰ আয়-ব্যয় বেছিকৈ নিৰ্ভৰ কৰে। এই বিষয়ত আমি আমাৰ পাশ্চাত্য ভাইসকলৰপৰা বাণিজ্যৰ নিয়ম আৰু আচাৰ শিকি লব লাগে। আমি বুজিব লাগে যে সৰলতাই উত্তম নীতি আৰু আমাৰ কাম এই নীতিমতে হোৱা উচিত। আকৌ এইটোও বুজা উচিত যে বাণিজ্যত নম্ৰতাৰ আৱশ্যক বৰ বেছি। এইবিলাক নীতিৰ দ্বাৰা আমি সফলতা লাভ কৰিব পাৰোঁহক। এইটোও মনত ৰাখিব লাগে যে আমাৰ উদ্দেশ্য সিদ্ধি হোৱাৰ পিছতে এই সজ উপায়বোৰৰ মূৰত জলাঞ্জলি দিয়া কোনো প্ৰকাৰে উচিত নহয়, কাৰণ এইবোৰ নীতি পাহৰা মানে কৃতঘ্নতা আচৰণ কৰা। বিশ্বাসঘাতকৰ দুদিনতে পোৱা উচ্চ পদবীৰপৰা সোনকালে অধঃপতন হয়। দোকানত লাভ কৰিবলৈ হলে সকলোৱে প্ৰতি বস্তুৰ একে দৰ, সজ আচৰণ আৰু নম্ৰতাৰ আৱশ্যক। দোকানৰ গৰাকীয়ে যদি দোকানৰ নাম ভাল কৰিবলৈ বেচা বস্তুৰ গুণ ৰাখিবলৈ আৰু ক্ষণস্থায়ী লাভৰ কাৰণে আশা নকৰি গ্ৰাহকৰ বিশ্বাস অটুট ৰাখিবলৈ দৃঢ়সঙ্কল্প হয়, তেন্তে দোকানে সৰ্ব্বতোভাবে উন্নতি কৰিব। তেন্তে আহক, আমি সকলোৱে দোকানৰ সংখ্যা বৃদ্ধি কৰাতকৈ দোকান ৰক্ষাৰ প্ৰকৃত মৰ্ম্ম বুজিবলৈ বেছি মন দিওঁহক। এই মৰ্ম্ম বুজিব পাৰিলে আমাৰ ব্যৱসায় যশস্যাপূৰ্ণ, সম্মানজনক আৰু চিৰস্থায়ী হব। ওপৰত যি মানসিক গুণৰ কথা উল্লেখ কৰা হৈছে, বিশেষকৈ খুটীয়া কাৰবাৰত সেই গুণৰ আৱশ্যকতা সকলোতকৈ বেছি। সৰলতা আৰু নম্ৰতা নেথাকিলে পৰস্পৰৰ ভিতৰত বিশ্বাস কমি যায় আৰু তেতিয়া হলে ব্যৱসায়ৰ অৱনতি হয়। মই নিজৰ অভিজ্ঞতাৰ পৰা কব পাৰোঁ যে যদি বৰগুনি দিওঁতাসকলক ভালকৈ বুজাই কোৱা হয়, চলাওঁতাসকলে যদি সকলো কালৰ খবৰ ভালকৈ ৰাখে আৰু সদায় সৰল আৰু নম্ৰ হয়, তেনেহলে ব্যৱসায়ৰ কাৰণে অনেক টকা পাব পাৰি। আপোনালোকৰ ভিতৰত বহুতে বেপাৰী হব, অনেকে দোকান দিব আৰু

অনেকে কোম্পানীৰ মেনেজাৰ হৈ বহিব। কিন্তু তেতিয়াও যেন এতিয়া যি কথা শুনিলে তাক ভালকৈ মনত ৰাখে। আপোনালোকে এইবোৰ কথা মনত লৈ যদি সেইমতে কাম কৰে, তেনেহলে তাৰ পৰা যে কেৱল লাভহে হব এনে নহয়, লগে লগে ব্যৱসায়ক সম্মানজনক কৰি তুলিব পাৰিব। ব্যৱসায় কেৱল লাভৰ কাৰণেই বুলি কোনেও যেন নেভাবে আনকি প্লেটো আৰু এৰিষ্টটোলৰ সময়ত গ্ৰীকৃবিলাকেও নেভাবিছিল।

এই সম্মিলনৰ হৈ যোৱা অধিবেশন কেইখনত সভাপতিসকলে শিল্পৰ কথা বহুত কৈ গৈছে। এতিয়া মই শিল্পৰ বিষয়ে মাথোন ইয়াকে কব পাৰোঁ। যে চাহৰ বাহিৰে আন কোনো বিভাগত আমাৰ ডাঙৰ সদাগৰ নাই। মোৰ মনেৰে শিল্প-বিষয়ত অসমৰ ভৱিষ্যত উন্নতি অসমীয়াৰ সহযোগৰ ওপৰত নিৰ্ভৰ কৰে। স্বকীয়া চেষ্টাৰ দ্বাৰা উন্নতি লাভ কৰা বৰ টান। বন্ধুসকল! যদি উপযুক্ত মানুহ ওলায়, তেন্তে ধাতু আৰু কাঠৰ কাৰবাৰতো আমি লাভ কৰিব পাৰোঁ—কাৰণ এই বিষয়ত আমাৰ আহিলাপাতি বহুত আছে। এইদৰে আমি কপাহ আৰু পাটৰ শিল্পতো লাগিব পাৰোঁ। পাট সম্পৰ্কে আমাৰ প্ৰাকৃতিক সুবিধা বহুত নাই নে? জগতজুৰি পাট-শিল্পৰ আদৰ বৰ বেছি। ইয়াৰ ভৱিষ্যত বৰ উজ্জ্বল আৰু উন্নতিশীল। আমি জানো গুৱাহাটীত এটা পণ্যাগাৰ (এম্পোৰিয়াম) আছে। এই উদাহৰণ লৈ আমাৰ গাঁৱলীয়া মানুহেও নিজাকৈ গণ্যাগাৰ খুলিব পাৰে। এই পণ্যাগাৰবোৰ জিলা পণ্যাগাৰৰ তলত ৰাখিব পাৰি। তাকে আকৌ সদৌ অসমত এটা প্ৰধান পণ্যাগাৰত কেন্দ্ৰীভূত কৰিব পাৰি। এইবোৰ কৰিবলৈ হলে আমাক উপযুক্ত মানুহৰ আৱশ্যক। মই ভালকৈ জানো ইয়াত বহুত বিপদ আছে কিন্তু হলেও উপযুক্ত মানুহ থাকিলে সফলতা নিশ্চয় হবই। এনেকুৱা কৰিলে অসমত কাম বিচাৰি নোপোৱা জটিল সমস্যাৰ মীমাংসা নহব নে? মই দেখি বৰ সুখ পাইছোঁ যে অসমীয়া তিৰোতাবিলাক বৰ শ্ৰমশীল, ঘৰুৱা শিল্পবোৰৰ (যেনে পাট আৰু কপাহ) তেওঁলোক মেৰুদণ্ড স্বৰূপ। এই শিল্পৰ উন্নতিৰ অৰ্থে বয়ন বিদ্যালয় পাতি দিয়াৰ বাবে মই চৰকাৰৰ শলাগ লৈছোঁ। ইংলণ্ডৰ কপাহ-শিল্পৰ ইতিহাস পাঠ কৰক; অসমত ঘৰুৱা শিল্পৰ বিশেষ আৱশ্যকতা ভালকৈ বুজিব পাৰিব আৰু তেতিয়া স্পষ্টকৈ দেখিবলৈ পাব ইয়াৰ ভিতৰত কিমান সম্পদ নিহিত আছে। এই শিল্পৰ চৰ্চ্চা আমি সকলো প্ৰকাৰে কৰা উচিত। আমাৰ ঘৰুৱা বস্ত্ৰ-বাহানিবোৰ গাঁৱলীয়া পণ্যাগাৰত সহজে বিক্ৰী

হব লাগে, আকৌ পণ্যাগাৰৰপৰাও আমি আহিলাপাতি পাব লাগে। আমি ভালকৈ জানো যে উৎপন্ন হোৱা বস্তুবোৰ সোনকালে বিক্ৰী হলে আৰু সুবিধামতে আৱশ্যকীয় আহিলাপাতি কিনিবলৈ পালেহে মানুহে শিল্পচৰ্চা কৰিবলৈ উৎসাহ পায়। এই পণ্যাগাৰবোৰত বেঙ্ক আৰু বীমা চলাবলৈ একোটা শাখা ৰাখিব পৰা যায়, যাতে গাঁৱলীয়া ৰাইজে ধন সাঁচিবলৈ আৰু পৰিমিত-ৰূপে খৰচ কৰিবলৈ সুচল পাব পাৰে। অসমৰ ছাত্ৰবৰ্গ! এইবোৰ কাম সাধিবলৈ অনেক কল্পনা কৰিব পাৰি কিন্তু যেতিয়া সৰলতা, নম্ৰতা, অধ্যৱসায় আদি ব্যৱসায়িক গুণৰ অভাৱ হব তেতিয়া সকলো কল্পনা-জল্পনা ভগ্নামিত পৰিণত হৈ সাগৰৰ বুৰবুৰণিৰ নিচিনা খন্তেকতে মাৰ যাব। আপোনালোকে উপযুক্ত মানুহ দেখুৱাওক, প্ৰকৃত শিক্ষিত মানুহ দেখুৱাওক; মই আপোনালোকক ভাত-কাপোৰ আৰু জিৰণি লবলৈ ঠাই দেখুৱাই দিম। কাম বিচাৰি নোপোৱা জটিল সমস্যাৰ মীমাংসা হব। মই দঢ়াই দঢ়াই কওঁ যে আমাক মাথোন প্ৰকৃত শিক্ষা পোৱা মানুহৰ আৱশ্যক; প্ৰকৃত শিক্ষিত লোক থাকিলে জন্মভূমিয়ে আমাক প্ৰভূত সম্পদ বিতৰণ কৰিব।

আমাৰ দেশত এতিয়াও মান্ধাতাৰ দিনৰপৰা চলি অহা ধীৰ আৰু উৎপন্ন নোহোৱা নিয়মেৰে কৃষি চলি আহিছে। আজিকালিৰ ধৰণে কৰা সুমথিৰা নাইবা আন আন বস্তুৰ খেতিলৈ মন কৰকচোন—এইবোৰ খেতিৰ ভৱিষ্যত বৰ উজ্জ্বল। এই খেতি কৰিবলৈ হলে আমাৰ ভিতৰত সহযোগৰ প্ৰয়োজন কিয়নো গাইগুটীয়া হিচাপে আমি নিচেই দুখীয়া। কৃষি সম্পৰ্কে মই আপোনালোকক কওঁ য়ুৰোপৰ বহুত অঞ্চলত মানুহে বৰ্ত্তমান নিয়মেৰে অলপ মাটিত খেতি কৰিয়েই কেনেকৈ বিস্তৰ আয় কৰে আৰু জীৱিকা সুকলমে আৰ্জ্জি লয় তালৈ ভাবি চাওক। এইদৰে আমি অলপ মাটিত সৰহ শস্য উৎপন্ন কৰিবলৈ শিকা উচিত। আগেয়ে মানুহে ভাবিছিল কৃষি বৰ বিঘিপূৰ্ণ ব্যৱসায় কাৰণ বদ, বৰষুণ, বতাহ এইবোৰ প্ৰাকৃতিক সহায় নহলে খেতি নহয় কিন্তু বিজ্ঞানৰপৰা আমি এতিয়া শিকিব পাৰিছোঁ যে এইবোৰ প্ৰাকৃতিক সহায় নোহোৱাকৈও খেতি কৰিব পাৰি। আমি জানো অস্বাভাৱিক জলসিঞ্চনৰ দ্বাৰা খেতিৰ অৱস্থা পৰিবৰ্ত্তন হৈছে। আপোনালোকে অলপতে এজন বৈজ্ঞানিকে কি কৰিব বুলি ভাবিছিল? তেওঁ আশা কৰিছিল, অস্বাভাৱিক উপায়ৰ দ্বাৰাই দেশৰ সকলো ঠাইতে সমান বৰষুণ অনাব পাৰি। তেওঁ আৰু ভাবিছিল এদিনে যেনেকৈ সংসাৰৰপৰা বানপানী

আৰু ধুমুহা নোহোৱা কৰিব পাৰি আনপিনে তেনেকৈ অনাবৃষ্টিৰ হাত সাৰিব পাৰি ; সকলো ঠাইতে কেৱল নিয়মিত বৰষুণহে হব। কিছুমান মানুহে ভাবে যে এইটো নিচেই কাল্পনিক কথা, কামত কেতিয়াও পৰিণত কৰিব নোৱাৰি কিন্তু বৈজ্ঞানিক উপায়েৰে বাহিৰ কৰা আকাশী-জাহাজো আগেয়ে এটা কাল্পনিক বস্তু নাছিল নে ? বিজ্ঞানৰ দ্বাৰা অদ্ভুত অদ্ভুত সৃষ্টি হৈছে ; অদূৰ ভৱিষ্যতত যদি ওপৰত কোৱা বৈজ্ঞানিক পণ্ডিতজনৰ কল্পনা কাৰ্য্যত পৰিণত হয়, তেনেহলে মই অলপো আচৰিত নহম ।*

* ওপৰোক্ত ভাষণৰ (ইংৰাজীৰপৰা) অসমীয়া ভাঙনি ছোৱা ছোৱাকৈ তিনিছোৱা 'জন্মভূমিত' ওলাইছিল। তাৰ পিছত 'জন্মভূমিৰ' অকাল মৃত্যু হোৱাত এই ভাষণো অসম্পূৰ্ণ হৈ থাকিল। মূল ইংৰাজী ভাষণখনিও বিলুপ্ত হোৱাত এই ভাষণখনি ইয়াত সম্পূৰ্ণ কৰি প্ৰকাশ কৰিব পৰা নহ'ল। —সংগ্ৰাহক।

পণ্ডিত হেমচন্দ্ৰ গোস্বামী

সপ্তম ভাষণ

সভাপতি ঃ—পণ্ডিত হেমচন্দ্র গোস্বামী

গুৱাহাটী—৩১ ডিচেম্বৰ, ১৯২২ চন।

মোৰ পৰমপ্ৰিয় ছাত্ৰবন্ধুসকল! আপোনাসকলে আজি মোক ছাত্ৰ-সন্মেলনৰ সভাপতিৰ পদত বৰণ কৰি যিদৰে সন্মানিত কৰিলে, তাৰ বাবে আপোনাসকলক নথৈ শলাগ লৈছোঁ। যি আসন ভাৰত-বিখ্যাত ডক্তৰ প্ৰফুল্লচন্দ্ৰ ৰায় আৰু পণ্ডিতপ্ৰবৰ ডক্তৰ ভাণ্ডাৰকাৰৰ নিচিনা মহৎজনসকলে অলঙ্কৃত কৰি গৈছে, সেই আসনত বহিবৰ নিমিত্তে মোৰ নিচিনা নগণ্য মানুহ যে নিতান্ত অযোগ্য মই তাক ভালকৈ বুজোঁ। সেই কথা জানি-বুজিও যে মই এইবাৰ আপোনাসকলৰ কথাত অমত প্ৰকাশ নকৰিলোঁ, তাৰ ঘাই কাৰণ হৈছে আপোনাসকলৰ মনত বেজাৰ নিদিয়া। যোৱা বছৰতো আপোনাসকলে মোক এই সন্মেলনৰ সভাপতি হবলৈ আহ্বান কৰিছিল; কিন্তু মই তেতিয়া ছুটী লৈ আন ঠাইলৈ যাবলগীয়া হোৱাত আপোনালোকৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলোঁ। এই বছৰ আকৌ আপোনাসকলে অনুৰোধ কৰাত মই আপোনাসকলক মনত বেজাৰ দিয়াৰ ভয়তে সভাপতি হবলৈ মান্তি হলোঁ।

আপোনাসকলে যোৱা ছবছৰত অসম দেশৰ বেলেগ বেলেগ ঠাইত বছৰি গোট খাই ছাত্ৰজীৱনৰ উন্নতিৰ অৰ্থে আৰু ছাত্ৰ অৱস্থাত থকাত আগলৈ মাতৃ-পূজাৰ আয়োজন শিক্ষাৰ অৰ্থে যি আলোচনা কৰিছে, তাক সকলো দেশহিতৈষী আৰু চিন্তাশীললোকে ভালকৈ পঢ়ি চাইছে। সেই বিষয়ে কোনো কথা উল্লেখ কৰি মই আপোনাসকলৰ মূল্যবান সময় নষ্ট কৰিব নোখোজোঁ। মোৰ মনত এটা কথাই খেলাইছে দেখি তাক আপোনা-সকলক নিবেদন কৰিব খোজোঁ। এই সন্মেলন প্ৰথম বছৰ গুৱাহাটীত বহিছিল আৰু তাত মোৰ পৰম বন্ধু শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই

সভাপতিৰ আসন গ্ৰহণ কৰিছিল। দ্বিতীয় বছৰ যোৰহাটত বহে আৰু তৃতীয় বছৰ ডিব্ৰুগড়ত, চতুৰ্থ বছৰ তেজপুৰত, পঞ্চম বছৰ গোলাঘাটত, ষষ্ঠ বছৰ গুৱাহাটীত বহে। এইবাৰ সপ্তম বছৰৰ সন্মেলনো গুৱাহাটীতে বহিছে। সাত বছৰৰ ভিতৰত তিনি বছৰ সন্মেলনৰ বৈঠক গুৱাহাটীত বহাৰ বিশেষ কাৰণ নিশ্চয় থাকিব পায়। মোৰ মনেৰে বছৰি সন্মেলনৰ বৈঠক আমাৰ দেশৰ বেলেগ ঠাইত বহাহে বাঞ্ছনীয়; কিয়নো এইখন সকলো অসম ছাত্ৰৰ জাতীয় সন্মেলন আৰু সকলো ঠায়ে তাৰ প্ৰভাৱ অনুভৱ কৰিবলৈ পোৱা উচিত।

গুৱাহাটীত তিনি বছৰ সন্মেলনৰ বৈঠক হোৱা যে অশোভন হৈছে তেনে নহয়; বৰং এইটো অতি সঁচা কথা যে আমাৰ দেশৰ ভিতৰত গুৱাহাটীতকৈ পুৰণি আৰু সকলোপিনে সুচল জিলা নাই বুলি ডাঠি কব পাৰি। এই ঠাইতে প্ৰাগ্‌ঐতিহাসিক যুগত প্ৰবল পৰাক্ৰমী ভগদত্ত ৰজাই ৰাজধানী পাতি সাগৰলৈকে সীমা বহলাই ৰাজত্ব কৰিছিল আৰু তেওঁৰো বহু শ বছৰ পূৰ্ব্বে ইয়াত অমূৰ্ত্তৰাজ নামে এজন চন্দ্ৰবংশী ৰজাই প্ৰাগ্‌জ্যোতিষপুৰ নামে নগৰ স্থাপন কৰে। এই দেশতে তন্ত্ৰশাস্ত্ৰৰ মহাপীঠ মহামায়া কামাখ্যা বৰ্ত্তমান। এই নগৰত ৰাজধানী থকা কালতে ভাৰত-বিখ্যাত ভাস্কৰবৰ্ম্মাৰ দিনত চীন দেশৰ পৰিব্ৰাজক য়ুয়ানচুাংএ পদাৰ্পণ কৰে। ঐতিহাসিক আৰু সাধকৰ চকুত এই ঠাইতকৈ পৱিত্ৰ আৰু মহিমামণ্ডিত ঠাই অলপহে আছে আৰু কবিৰ চকুত এই ঠাই যে প্ৰকৃতিৰ কাম্যকানন বা লীলানিকেতন বুলি পৰিগৃহীত হব সি কোনো আচৰিত কথা নহয়। এনে এখন ঠায়ে অসমৰ ছাত্ৰসকলৰ মন এবাৰ দুবাৰ বা তিনিবাৰ যে আকৰ্ষণ কৰিব সি একো আচৰিত নহয়। ভগৱানৰ ওচৰত সৰল অন্তঃকৰণেৰে প্ৰাৰ্থনা জনাইছোঁ যেন এই মহাপৱিত্ৰ পঞ্চতীৰ্থৰ স্থান মাহাত্ম্যয়ে আপোনাসকলৰ সকলো কাৰ্য্য সুফলমে সিদ্ধি কৰে।

অসম ছাত্ৰ-সন্মেলনৰ সম্পাদকে মোলৈ লিখিছিল—"আশা কৰোঁ যথা সময়ত আপোনাৰ নিচিনা হোতা পাই শীতকালৰ চেঁচা হৈ থকা সন্মেলনে আকৌ নতুন উদ্যম চক্ৰত পিহখোৱা হৃদয়তো আশাৰ সঞ্চাৰ নোহোৱাকৈ থকা নাছিল। আপোনালোকে যোৱা কেই বছৰত নিভাজ অন্তঃকৰণেৰে দেশসেৱা ব্ৰত শিৰত লৈ যিবোৰ সৎকামত হাত দিছে; তাৰ নিমিত্তে আপোনাসকলক শত ধন্যবাদ দিছোঁ আৰু অন্তৰৰ তলিৰপৰা আশীৰ্ব্বাদ

কৰিছোঁ। যেন এইদৰে বছৰি বছৰি কৰ্ত্তব্যৰ পথত অদম্য সাহসেৰে আগবাঢ়িব পাৰে আৰু ভৱিষ্যত জীৱনত নিজৰ আৰু মাতৃভূমিৰ অশেষ কল্যাণ সাধন কৰি দেশৰ একো একোটি উজ্জ্বল ৰত্ন বুলি খ্যাতি লাভ কৰিব পাৰে। সাধক প্ৰবৰ তুলসীদাসৰ সেই মহাবাক্যটি যেন আপোনাসকলৰ গাতে ফলিওৱা দেখিবলৈ পাওঁহক। তেওঁৰ বাক্যটিৰ অৰ্থ হৈছে—যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা তুমি কান্দি কান্দি আহিছিলা আৰু ওচৰচুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিৱী এৰি যোৱা, তেতিয়া যেন তুমি হাঁহি হাঁহি যোৱা আৰু আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।

আমি যে এইবোৰ সভা-সমিতি আৰু সন্মেলন কৰোঁহক ইয়াৰ উদ্দেশ্য কি? আমি ইহজগতত কি বিচাৰিছোহঁক? আমাৰ সকলোকে কি লাগে? আমাক ভাল খাবলৈ লাগে, ভাল পিন্ধিবলৈ লাগে, ভাল ঘৰত থাকিবলৈ লাগে, ভাল চাকৰি লাগে, ভাল আইন-কানুন লাগে, ভাল শাসন-প্ৰণালী লাগে, ভাল ব্যৱসায়-বাণিজ্য লাগে, ভাল শিল্পবিদ্যা লাগে, ভাল বেহা-বেপাৰ লাগে, ভাল শস্য লাগে, ভাল গৰু-মহ লাগে, ঘোঁৰা লাগে, বাগী লাগে, পালে হাৱাগাৰীও লাগে। এই মহাসভাত এনে কোনো আছে নে যাক এই বস্তুৰ এটা নহয় এটা নেলাগে। বোধকৰোঁ প্ৰতিজনকে এইবোৰ লাগে। আমি কাজিয়া কৰোঁ কোনটো ভাল ধৰ্ম্ম, আমি বাদ-বিতণ্ডা কৰি মৰোঁ কোনটো ভাল দস্তুৰ, কোনটো বেয়া; আমি সকলোতকৈ যিখন ভাল আৰু উন্নতশীল সমাজ সেইখন সমাজৰ সমজুৱা হব খোজোঁ। এইবোৰ আমি সকলোৱে বিচাৰোঁ হয়, কিন্তু আমি নিজে হলে ভাল হবলৈ দুখ কৰিব নোখোজোঁ। আমি পাহৰি যাওঁ যে মানুহ ভাল নহলে, তেওঁ কৰা কোনো কামেই ভাল হব নোৱাৰে। কাম কৰা সিমান টান নহয়, ভাল কাম কৰা যিমান টান; আকৌ ভাল কাম কৰাও সিমান টান নহয়, তাক ভালভাৱে কৰা যিমান টান। যিদিনা মানুহে ভালভাৱে তৈয়াৰ হব সেই দিনাই সকলো ভাল হব। ৰজা ভাল হব, প্ৰজা ভাল হব, খোৱা-পিন্ধা-থকা সকলো ভাল হব। মানুহ যেতিয়া ভাল ভাৱে তৈয়াৰ হব তেতিয়াহে তেওঁ বুজিব পাৰিব কোনটো প্ৰকৃততে ভাল আৰু কোনটো প্ৰকৃততে বেয়া। তেনেহলে আমি বুজিব নোৱাৰোঁ নে এই ছাত্ৰ-সন্মেলনৰ আচল উদ্দেশ্য হৈছে কেনেকৈ এই দেশৰ ছাত্ৰবিলাকক ভাল ছাত্ৰ কৰিব পাৰি। এনে সভা-সমিতি যে

আমি অতি ডাঙৰ আঁহি আগত লৈ কৰোঁ, তাৰ অকণো ভুল নাই; কিন্তু এইবোৰ কাম্ কৰিও যে আমি আমাৰ উদ্দেশ্য সাধন কৰিব নোৱাৰোঁহঁক তাৰ কাৰণ কি? মোৰ মনেৰে হলে তাৰ ঘাই কাৰণ মাথোন এটাহে। আমি প্ৰতিজনেই ভাবোঁ'এই ভাল কামটো কৰা নিতান্ত ভাল, কিন্তু আমি অতবোৰ আছোঁ, মই যেনিবা নকৰিলোঁৱেই আনবোৰেতো কৰিব পাৰে। প্ৰতিজনে এইদৰে ভাবোঁতেই আমাৰ কোনো কাম কৰা নহয়। এই সম্মেলনৰ প্ৰতি সমজুৱাই যদি আজি ভাবে যে আনে কি কৰে কৰক কিন্তু মই মোৰ কৰ্ত্তব্য কৰিম, তেনেহলে ইয়াত কোনো ভুল নাই যে আমি প্ৰতি বছৰে যিবোৰ প্ৰস্তাৱ কৰোঁ সকলোবোৰ কাৰ্য্যত পৰিণত হব। আমাক লাগে কি?—লাগে সাহস আৰু কৰ্ত্তব্য-পৰায়ণতা।

আৰু এটা কথা অনেক সময়ত যে আমিও কোনো এটা কাম ভালকৈ কৰিব নোৱাৰোঁ তাৰ কাৰণ হৈছে, আমি সেই কামটোৰ বিষয়ে জানিবলগীয়া সকলো কথা দকৈ গমি নোচোৱাকৈ কামটো হাতত লওঁ আৰু অৱশেষত তাক ভালকৈ কৰিব নোৱাৰোঁহঁক। মই যদি এখন গাড়ী সাজিব খোজোঁ, তেনেহলে মই আগেয়ে শিকিব লাগিব গাড়ীখনৰ বেলেগ বেলেগ অংশবোৰ কেনেকৈ সাজে আৰু সেইবোৰক কেনেকৈ লগ লগায় আৰু তাৰ কোন অংশৰ কি আৱশ্যক। তেনেহলে আমি এটা মানুহ গঢ়িবলৈ হলেও ভালকৈ জানিব লাগিব, মানুহৰ গাত কি কি আছে আৰু সেইবোৰৰ প্ৰয়োজন কি? মানুহৰ শৰীৰত কি কি অংশ আছে তাক ভাবোঁতে, কেনেকৈ ধুন মাৰি কাপোৰ পিন্ধিব লাগে, কেনেকৈ ডাঢ়িৰ আগখিনি চপাই কাটি নতুন ঢং উলিয়াবৰ দিহা কৰিব লাগে বা কেনেকৈ সেওঁতা ফালি সকলোৰে চকুত লগা হব লাগে বা কেনেকৈ বেছি দামৰ চাবোনৰ শৰাধ কৰি মটীয়া বৰণক বগা কৰিবলৈ কাৰবাৰ কৰিব লাগে, মই তাক কোৱা নাই। কবলৈ বেজাৰ লাগে যদিও আজিকালি ছাত্ৰৰ লাহ-বিলাসত অনেক সময় যায়। আগৰ আৰ্য্য ঋষিসকলৰ মতেৰে ছাত্ৰবিলাকে পঢ়া সময়টো কঠোৰ ব্ৰহ্মচৰ্য্যৰ নিয়ম পালি চলিব লাগে। আজিকালি ব্ৰহ্মচৰ্য্য পালন কৰা দূৰৰ কথা কি কি নিয়ম আগৰ দিনত ছাত্ৰই পালন কৰিছিল, তাক শুনিলেও মানুহে আচৰিত মানিব আৰু আগৰ ঋষিসকল যে নিতান্ত অৰসিক আছিল সেই কথাতো কাৰো দুই মত নহব, ছাত্ৰই গুৰুৰ আশ্ৰমত সংযত-ইন্দ্ৰিয় হৈ পঢ়া বিষয়ত তপস্যা আৰম্ভ কৰিব। তেওঁ কেতিয়াও জিভাৰ সোৱাদৰ নিমিত্তে মধুৰ

নিচিনা মিঠা বস্তু নেখাব। ইন্দ্ৰিয়ৰ পুষ্টিকৰ মাংসৰ আহাৰ নেখাব। গন্ধমাল্যৰ নিচিনা বিলাসিতাৰ বস্তু নিপিন্ধিব। স্ত্ৰীৰ বিষয়ে সমাজিকতো নেভাবিব, প্ৰাণী হিংসা নকৰিব, ছাতি নলব আৰু খৰম নিপিন্ধিব। তাচ-পাশা নেখেলিব, লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্য্য আঁদি নীচ প্ৰবৃত্তি-বিলাকক দমন কৰিবলৈ শিক্ষা কৰিব ইত্যাদি ইত্যাদি। এইবোৰ নিয়মৰ কথা শুনি, অনেক ছাত্ৰই হয়তো মনত ভাবিছে যে সেই কালত Prevention of cruelty to the animals আইনৰ প্ৰচলন নাছিল নেকি ? আজিকালিৰ এনেহেন সভ্যযুগত এইবোৰ বাজে কথা কৈ সময় নষ্ট কৰাৰ কোনো ফল নাই।

আমি আগতে কৈছিলোঁ যে ভাল মানুহ গঢ়িবলৈ হলে আগেয়ে জানিব লাগিব যে কি কি বস্তু লৈ মানুহ হৈছে। এইটো বোধকৰোঁ সকলোৱে মানিব যে মানুহৰ এটা মন আছে, যিহেৰে তেওঁ জানিব পাৰে। তাত বাজে মানুহৰ এখন হৃদয় আছে যিহেৰে অনুভৱ কৰিব পাৰে, অৰ্থাৎ যাৰ পৰা ৰাগ বা দ্বেষ জন্মে এই দুয়োত বাজে আছে এটা শৰীৰ, যিহেৰে মানুহে কাম কৰে। এনে এজন মানুহে (১) জীয়াই থাকে, (২) অনুভৱ কৰে আৰু গমনাগমন কৰে (৩) বুজিব পাৰে আৰু কথা কয়। মানুহ আৰু পশুৰ ভিতৰত প্ৰভেদ হৈছে কেৱল মানুহৰ জ্ঞান আছে, পশুৰ জ্ঞান নাই, নতুবা নীচ বৃত্তিবোৰে মানুহ আৰু পশু দুয়োতে একে ভাবেই কাম কৰে। তেনেহলে মন, হৃদয় আৰু শৰীৰ এই তিনিটা খুটিৰ ত্ৰিপদীখনতে মানুহ বহি আছে। এটা খুটা যদি ছিগি পেলোৱা বা সোলোক-ধোলোককৈ থোৱা তেনেহলে মানুহজন ততালিকে মাটিত পৰি যাব। এইখিনিতে বোধকৰোঁ এটা কথা কৈ থোৱা যুগুত হব। এই তিনিটা বস্তুৰ বাহিৰে যে মানুহৰ ভিতৰত আন সামগ্ৰী নাই তেনে নহয়; কিন্তু সেইবোৰ লেখত ধৰিলে, মানুহ নহৈ দেৱত্ব লাভ কৰিব। আমি যেতিয়ালৈকে আচলতে মানুহ নাম লবৰ উপযুক্ত হব নোৱাৰোঁ তেতিয়ালৈকে মানুহৰ ওপৰ খাপলৈ যোৱা মাল-মছলা লৈ লৰা-চলা কৰা কোনো আৱশ্যক নেদেখোঁ। আমি সম্প্ৰতি ইয়াতে সন্তুষ্ট থাকিম, যদি আমি এটা সবল আৰু সুস্থ শৰীৰ পাওঁ আৰু এটা সবল আৰু সুস্থ মন পাওঁ আৰু বহল এখন হৃদয় পাওঁ। মনৰ আহাৰ হৈছে জ্ঞান, ৰোগ হৈছে অসত্যতা। শৰীৰৰ আহাৰ হৈছে সুস্থতা বা নিৰুজ অৱস্থা আৰু ৰোগ হৈছে স্বাস্থ্য বিধিৰ অপ্ৰতিপালন আৰু হৃদয়ৰ আহাৰ হৈছে স্নেহ আৰু দয়া আৰু ৰোগ হৈছে হিংসা আৰু খিয়াল। তেনেহলে আমি যদি প্ৰকৃতপক্ষে মানুহ

নামৰ উপযুক্ত হব খোজোঁ, আজি আমি ভাল ছাত্ৰ বা লৰা হব লাগিব, কাৰণ সকলোৱে জানে "Child is the father of man." তেনেহলে ভাল ছাত্ৰ হব খুজিলে হব লাগিব সত্যৰ উপাসক, প্ৰেমৰ উপাসক আৰু স্বাস্থ্যৰ উপাসক। কথাকেইটা শুনোতে সৰু হলেও তাৰ সাধনা অতি কঠোৰ আৰু এইকেইটা সাধনাত সিদ্ধি লাভ কৰোঁতে ছাত্ৰজীৱনৰ সমস্ত সাৰ্থকতা নিৰ্ভৰ কৰিছে।

ভাৰতবৰ্ষত আগৰ কালত ছাত্ৰজীৱনৰ আৰ্হি কেনে আছিল তাক আমি ওপৰত অলপ উমুকিয়াই আহিছোঁ। সভ্যজগতৰ সকলো ঠাইতে প্ৰাচীন কালৰপৰা ছাত্ৰজীৱনক উন্নত কৰিবৰ নিমিত্তে চিন্তাশীল লোকসকলে নানা প্ৰকাৰে চেষ্টা কৰি আহিছে। সকলো দেশৰ বুৰঞ্জীয়ে এই বিষয়ে সাক্ষী দিছে। পুৰাতন গ্ৰীচত দুই ৰকম প্ৰণালীৰে লৰাক শিক্ষা দিছিল; এক ৰকম প্ৰণালীক স্পাৰ্টান আৰু আন ৰকমক এথেনিয়ান বুলিছিল। স্পাৰ্টান প্ৰণালীমতে শাৰীৰিক উন্নতিৰ নিমিত্তে বিশেষ যত্ন কৰিছিল। সাহসী আৰু দুখ সহিব পৰা যোদ্ধা তৈয়াৰ কৰাই এই প্ৰণালীৰ প্ৰধান উদ্দেশ্য আছিল। তেওঁবিলাকৰ মতে প্ৰতি মানুহেই দেশৰ সম্পত্তি আৰু সেই গুণে দেশক শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰাই প্ৰতি মানুহৰ কৰ্ত্তব্য। শাৰীৰিক বল আৰু যুদ্ধবিদ্যাত নিপুণতা লাভ কৰাই শিক্ষাৰ প্ৰধান লক্ষ্য আছিল। এথেনিয়ান প্ৰণালীমতে শৰীৰ আৰু মন দুয়োৰো উন্নতি সাধন কৰা শিক্ষাৰ উদ্দেশ্য আছিল। এই প্ৰণালীত ছাত্ৰক সঙ্গীত আৰু সুকুমাৰ বিদ্যাত পাৰ্গত কৰিবলৈ চাইছিল। সৌন্দৰ্য্যবোধ, শিল্পকলা, বাগ্মিতা, তত্ত্বজ্ঞান তেওঁবিলাকৰ শিক্ষাৰ প্ৰধান অঙ্গ আছিল। শাৰীৰিক উন্নতিৰ নিমিত্তে ব্যায়াম শিক্ষাৰ বৰ ভাল বন্দোবস্ত আছিল। এথেনিয়ান প্ৰণালীৰ প্ৰৱৰ্ত্তক আছিল চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটল্। পৃথিৱীৰ ভিতৰত পোনপ্ৰথমে গ্ৰীকবিলাকেই শিক্ষাক বৈজ্ঞানিক প্ৰণালীত প্ৰতিষ্ঠিত কৰে। তেওঁবিলাকেই জয়জয়তে মানুহৰ সকলো লুকাই থকা ক্ষমতাবিলাকক নিয়মমতে বিকাশ কৰিবৰ নিমিত্তে শিক্ষাবিধান কৰে।

ৰোম দেশৰ শিক্ষা পদ্ধতিৰ মুখ্য উদ্দেশ্য আছিল মানুহক সকলো কামৰ নিমিত্তে কামিলা কৰা, ৰাজভক্ত প্ৰজা আৰু সাহসিক যোদ্ধা তৈয়াৰ কৰাই শিক্ষাৰ ঘাই উদ্দেশ্য আছিল। ৰোমত এজন শিক্ষিত মানুহ মানে বুজাইছিল, তেওঁ ন্যায়পৰায়ণ, উদাৰ আৰু কৰ্ম্মী লোক। ৰোমত সাধাৰণতন্ত্ৰৰ

প্রতিষ্ঠা হবৰ দিনৰপৰা প্ৰতি গৃহস্থৰ ঘৰ তেওঁৰ পৰিবাৰৰ লৰা-ছোৱালী বিলাকৰ শিক্ষা-ক্ষেত্ৰ বুলি গণ্য কৰা হয় আৰু প্ৰাথমিক শিক্ষাগুৰু মাক-বাপেককে নিৰ্দ্দিষ্ট কৰা হয়। কিন্তু এইদৰে দিয়া শিক্ষাৰ ফল ভাল নোহোৱাত ৰোমাণবিলাকে গ্ৰীচ দখল কৰাৰ পিছত তেওঁবিলাকৰ নিজৰ শিক্ষা-প্ৰণালী পৰিত্যাগ কৰি গ্ৰীচ প্ৰণালীকে গ্ৰহণ কৰিলে।

ইংলণ্ড, আমেৰিকা, জাপান আদি আধুনিক জাতিবিলাকৰ শিক্ষা-প্ৰণালীতো মানুহৰ এই তিনিটা বস্তুক অৰ্থাৎ মন, হৃদয় আৰু শৰীৰক উন্নত কৰাৰ বিশেষ বন্দোৱস্ত আছে। তেনেহলে ৰোপাদেওসকল! আপোনা-সকলে ভালকৈ বুজি লব লাগে যে কিছুমান কিতাপ পঢ়ি বা মুখস্থ কৰি কেইটামান পৰীক্ষা 'পাছ' কৰাই মানুহৰ পৰম পুৰুষাৰ্থ নহয়। ছাত্ৰ অৱস্থাতে মনৰ উৎকৰ্ষ সাধন কৰি সত্যপৰায়ণ হৃদয়ৰ উৎকৰ্ষ সাধন কৰি হৃদয়বান আৰু শৰীৰৰ উৎকৰ্ষ সাধন কৰি নিৰোগী আৰু বলবান হোৱা শিক্ষাৰ ঘাই উদ্দেশ্য। সকলো দেশতে অতি প্ৰাচীন কালৰেপৰা শিক্ষাৰ এই তিনিটা উদ্দেশ্য লাভ কৰিবৰ নিমিত্তেই প্ৰচলন হৈ আহিছে।

আন আন দেশৰ শিক্ষা-পদ্ধতিৰ কথা উল্লেখ কৰি প্ৰাচীন কালত ভাৰতবৰ্ষত শিক্ষা পদ্ধতি কেনে আছিল সেই বিষয়ে কোনো কথা নকলে আপোনাসকলে মোক দুষিব পাৰে, সেই গুণে প্ৰাচীন ভাৰতত শিক্ষা কেনে আছিল তাকো কওঁ শুনক। আৰ্য্য-শিক্ষাৰ মূলতন্ত্ৰ মোক্ষ লাভ হলেও তাক কৰ্ম্ম, ভক্তি আৰু জ্ঞানৰ ভিত্তৰেদি পোৱাৰহে বিধান কৰিছে। প্ৰতি মানুহৰ পুৰুষাৰ্থক চাৰিভাগে ভাগ কৰিছিল, যেনে, ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ। মোক্ষক পৰম পুৰুষাৰ্থ বুলি ধৰিলেও তাৰ অধিকাৰী স্বভাৱতে কম হব বুলি ভাবি সৰ্ব্বসাধাৰণ মানুহৰ নিমিত্তে ধৰ্ম্ম, অৰ্থ আৰু কাম এই তিনি বৰ্গৰ সাধনা বিধান কৰিছিল। অনেকে ভুল কৰে যে হিন্দুৰ শিক্ষা আছিল মানুহক সংসাৰ-ত্যাগী বা সংসাৰী কৰা। ত্যাগ আৰ্য্য শিক্ষাৰ চৰম উদ্দেশ্য হলেও অনাসক্ত ভোগকহে তেওঁবিলাকে ত্যাগ বুলি ধৰিছিল। প্ৰাচীন ভাৰতবৰ্ষত বিশ্ববিদ্যালয়বিলাক কেনেকৈ সৃষ্ট হল সেই কথা কবলৈ গলে অনেক কব লাগে। সেই দেখি এইখিনিতে আমি সেইবিলাকৰ নাম আৰু তাত কেনেকৈ ছাত্ৰবিলাকক পঢ়াইছিল তাকেহে মাত্ৰ উল্লেখ কৰিম। আজিলৈকে অনুসন্ধানৰ ফলত জানিব পৰা গৈছে যে প্ৰাচীন ভাৰতত এই ছটা বিশ্ববিদ্যালয়

আছিল যেনে, তক্ষশীলা, শ্ৰীধান্যকটক, নালন্দা, উদান্তপুৰী, দেৱবিহাৰ বা বিক্ৰমশীলা আৰু উজ্জয়িনী।

তক্ষশীলাত যি বিশ্ববিদ্যালয় আছিল সি খৃঃ পূঃ এক শতিকালৈকে আছিল। এই বিশ্ববিদ্যালয়ৰ তলত কেইবাখনো চতুষ্পাঠী আছিল আৰু তাত ওঠৰ বিধ বিদ্যা শিক্ষা দিয়া হৈছিল। তাত ভাস্কৰ-বিদ্যা, চিত্ৰাঙ্কণ, মূৰ্ত্তিকটা আৰু আন আন হাতেৰে কৰা বিদ্যা শিক্ষা দিয়া হৈছিল। ইয়াতে অত্ৰেয় ঋষিয়ে আয়ুৰ্ব্বেদ শিক্ষা দিছিল। বুদ্ধদেৱৰ চিকিৎসক জীৱক এই অত্ৰেয় মুনিৰে ছাত্ৰ আছিল। এই বিদ্যালয়তে জীৱকে সাত বছৰ পঢ়িছিল আৰু পাণিনি আৰু চাণক্যও এই বিদ্যালয়ৰে ছাত্ৰ আছিল। এই বিশ্ববিদ্যালয়ত পঢ়িবলৈ পশ্চিমৰপৰা, পাৰস্য দেশৰপৰা ছাত্ৰ আহিছিল আৰু বেকট্ৰিয়া আৰু মগধ দেশৰপৰাও ছাত্ৰ আহি পঢ়িছিল। যেতিয়া ই হিন্দু-বিশ্ববিদ্যালয় গুচি বুদ্ধ-বিশ্ববিদ্যালয় হল তেতিয়া ইয়ালৈ চীনদেশৰপৰাও বহুত ছাত্ৰ আহি পঢ়িছিল।

শ্ৰীধান্যকটক বিশ্ববিদ্যালয় অমৰাৱতী নগৰৰ ওচৰত আছিল। ইয়াত হিন্দু আৰু বৌদ্ধ দুয়োবিধ শিক্ষাকে দিয়া হৈছিল। এই বিশ্ববিদ্যালয়ো খৃঃ পূঃ এক শতিকালৈকে বৰ্ত্তমান আছিল। এই বিশ্ববিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল নাগাৰ্জ্জুন।

নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অঙ্কশাস্ত্ৰ শিক্ষা দিয়া হৈছিল। এই বিদ্যালয় খৃঃ পূঃ এক শতিকাৰপৰা আঠ খৃষ্টাব্দলৈকে বৰ্ত্তমান আছিল। এই বিশ্ববিদ্যালয়ৰ বাহিৰে-ভিতৰে দহ হাজাৰ ছাত্ৰ আছিল। শীলভদ্ৰ নামে এজন উদাসীন পণ্ডিত এই বিশ্ববিদ্যালয়ৰ বিখ্যাত অধ্যক্ষ আছিল। ইয়াত কোনো খৰচ নোলোৱাকৈ শিক্ষাদান কৰিছিল আৰু ইয়াত ব্যাকৰণ, তৰ্কশাস্ত্ৰ, চিকিৎসাশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ আৰু আধ্যাত্ম-বিজ্ঞান শিক্ষা দিয়া হৈছিল। ইয়াৰ যিটো পুথিভঁৰাল আছিল সি ভাৰতবৰ্ষৰ সকলো পুথিভঁৰালতকৈ ডাঙৰ আছিল। সেই পুথিভঁৰালটো ন-তলীয়া আছিল আৰু তাৰ নাম আছিল ৰত্নোদধি। শিক্ষাগাৰটোত এশটা কোঠালীত এশটা শ্ৰেণী বহিব পাৰিছিল। এই বিশ্ববিদ্যালয়ৰ ছাত্ৰবিলাক ভাৰতবৰ্ষৰ সকলো ঠাইৰ ছাত্ৰৰ আদৰ্শ আছিল। সাতশ বছৰৰ ভিতৰত এজন ছাত্ৰৰো অশিষ্টাচাৰৰ কথাৰ উল্লেখ নাই। দেশ-বিদেশৰ ছাত্ৰ আহি নালন্দা ভৰি পৰিছিল কিন্তু তাৰ শিক্ষাৰ আদৰ্শ ইমান ওখ আছিল যে কম ছাত্ৰইহে তাত প্ৰৱেশ লাভ

কৰিব পাৰিছিল। এই বিশ্ববিদ্যালয়ত যেতিয়া চীনদেশৰ পৰিব্ৰাজক য়ুয়ানচ্যাঙে যোগশাস্ত্ৰ পঢ়ে তেতিয়া আমাৰ দেশৰ ৰজা ভাস্কৰবৰ্ম্মাই তেওঁক এই দেশলৈ আহিবলৈ অনুৰোধ কৰি চিঠি লিখে। নালন্দাৰ বিহাৰৰ ঠাইখন এতিয়া আৰ্কিয়োলজিকেল ডিপাৰ্টমেণ্টে খানি চোঁৱাত ভাস্কৰবৰ্ম্মাৰ চিঠিৰ লগত যোৱা এটা পোৰা মাটিৰ মোহৰ পোৱা গৈছে। কোনে কব যে এই মোহৰটো ভাস্কৰবৰ্ম্মাই য়ুয়ানচ্যাঙক নিমন্ত্ৰণ কৰা পত্ৰৰ মোহৰ নহয়?

উদান্তপুৰৰ বিশ্ববিদ্যালয় পাল ৰজাবিলাকৰ আগৰেপৰা আছিল কিন্তু খৃষ্টীয় ৮ম শতাব্দীতহে ই বিশেষ খ্যাতি লাভ কৰে। এই বিশ্ববিদ্যালয়ৰ এটা বহুমূলীয়া পুথিভঁৰাল আছিল যাক মুছলমানবিলাকে ১২০২ খৃঃত নষ্ট কৰিলে।

বিক্ৰমশিলা বা দেৱবিহাৰত বিশ্ববিদ্যালয় ৮ম খৃষ্টীয় শতাব্দীত ধৰ্ম্মপাল ৰজাই স্থাপন কৰে। এই বিশ্ববিদ্যালয়ৰ তলত ছটা উচ্চ বিদ্যালয় আৰু ১০৮ জন অধ্যাপক আছিল। এই বিদ্যালয় ৪০০ বছৰৰ পিছত নষ্ট হয়। ছাত্ৰ থাকিবৰ নিমিত্তে বিদ্যালয়ৰ গাতে লগা চাৰিখন সত্ৰ অৰ্থাৎ ছাত্ৰাবাস আছিল; তাত ছাত্ৰবিলাকে বিনা খৰচে খাবলৈ আৰু থাকিবলৈ পাইছিল।

উজ্জয়িনীত যি বিশ্ববিদ্যালয় আছিল তাত একালত অৰ্থাৎ বিক্ৰমাদিত্যৰ ৰাজত্বৰ সময়ত ভাৰতবৰ্ষৰ সকলো পণ্ডিত লোকসকলৰ মিলনক্ষেত্ৰ আছিল। এই বিশ্ববিদ্যালয়ত বিশেষকৈ জ্যোতিষশাস্ত্ৰ শিক্ষা দিয়া হৈছিল। এই বিশ্ববিদ্যালয় বুদ্ধদেৱৰ দিনতো প্ৰখ্যাত আছিল।

আৰ্য্য-শিক্ষাৰ ৬৪ কলা বিদ্যাৰ শিক্ষা এই বিশ্ববিদ্যালয়বিলাকত তলত দিয়া ১১ বিভাগত শিক্ষা দিয়া হৈছিল। (১) সাহিত্য, (২) গৃহপালন-বিদ্যা, (৩) ৰন্ধনবিদ্যা (৪) সাজসজ্জা আৰু পৰিচ্ছদ বিদ্যা, (৫) হাতেৰে কাম কৰা বিদ্যা, (৬) শিল্প-বিদ্যা, (৭) বিজ্ঞান, (৮) সঙ্গীত-বিদ্যা, (৯) নাট্যবিদ্যা, (১০) শিষ্টাচাৰ বিদ্যা, (১১) শাৰীৰিক ব্যায়াম বিদ্যা।

ওপৰত কোৱা কথাৰপৰা আপোনাসকলে ভালকৈ দেখিছে যে অন্যান্য সভ্যদেশত ছাত্ৰৰ শিক্ষাৰ নিমিত্তে যি বন্দোবস্ত কৰিছিল, এই দেশতো তাতকৈ কোনোমতে কম বন্দোবস্ত কৰা নাছিল। আগৰ কালত ছাত্ৰবিলাকে শিক্ষা লাভ কৰি নানা বিষয়ত যেনেকৈ সিদ্ধি লাভ কৰি নতুন নতুন তত্ত্ব আৰু সত্য আৱিষ্কাৰ কৰিছিল, এতিয়ানো ভাৰতবৰ্ষৰ ছাত্ৰই কিয় তেনে সত্য

আৱিষ্কাৰ কৰিবলৈ সমৰ্থ নহয়। যদিওবা দুই এজনে কৰবাত দুই এক তত্ত্ব আৱিষ্কাৰ কৰিছে সি ধৰ্তব্য নহয়। তেনেহলে কি ছাত্ৰ, কি অভিভাৱক সকলোৱে এবাৰ ভাবি চোৱা উচিত নহয় নে এনে হবৰ কাৰণ কি?

যদিওবা গৱৰ্ণমেণ্টে বছৰি কোটি কোটি টকা আমাৰ লৰাৰ শিক্ষাৰ নিমিত্তে খৰচ কৰিছে আৰু যদিও লাখে লাখে লৰাই শিক্ষা লাভ কৰিব লাগিছে তথাপি কিয় আজিকালি স্বাধীন চিন্তা কৰি নতুন তত্ত্ব বাহিৰ কৰিব পৰা ছাত্ৰৰ সংখ্যা ইমান কম? মোৰ ক্ষুদ্ৰ বুদ্ধিৰে যিমান ঢুকি পাইছে এনে হবৰ প্ৰধান কাৰণ হৈছে আগৰ দিনত আজিকালিৰ দৰে শিক্ষাৰ উদ্দেশ্য চাকৰি নাছিল। আগৰ কালৰ শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ সত্ বৃত্তি বোৰক ফুলাই তুলি অসৎ বৃত্তিবোৰক তুলি বা দমি পেলাই তেওঁক জীৱন-যুদ্ধৰ নিমিত্তে ভালকৈ সাজু কৰা। এতিয়াও শিক্ষাৰ উদ্দেশ্য সেয়ে; কিন্তু বৰ্ত্তমান কালত খোৱা-পিন্ধাৰ সমস্যা দিনে দিনে টান হৈ অহাত ছাত্ৰবিলাকে জীৱন-সংস্থানৰ কোনো উপায় নেদেখি দলে দলে স্কুল আৰু কলেজত সোমাইছেগৈ;—উদ্দেশ্য কি উপায়েৰে ভালকৈ পেট পোহাৰ দিহা কৰিব পাৰি। এইদৰে হাঁ অন্ন—হাঁ পেট, হাঁ অন্ন—হাঁ পেট ভাবোঁতে ভাবোঁতে আমাৰ সৰহ ভাগ ছাত্ৰ একেবাৰেই উদৰ-সৰ্ব্বস্ব হৈ পৰিছে। এইটো বৰ্ত্তমান কালৰ আৰ্থিক অৱস্থাৰ অৱশ্যম্ভাৱী ফল। মই ভাবোঁ আজি যদি গৱৰ্ণমেণ্টে ভাল চাকৰি দিবলৈ এম-এ বা বি-এ 'পাছ' কৰিব নেলাগে বুলি এখন জাননী দিয়ে তেনেহলে এম-এ, বি-এ পঢ়া ছাত্ৰৰ সংখ্যা কমি যাব। যত শিক্ষাৰ উদ্দেশ্য এনে নীচ হৈ পৰিছে তাত উচ্চ ফলৰ কেনেকৈ আশা কৰিব পাৰি! সিদিনা অৰ্থাৎ এই ডিচেম্বৰৰ ১২ তাৰিখে কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰ বঁটা বিতৰণ কৰোঁতে যি কেই আষাৰ বহুমূলীয়া কথা বঙ্গদেশৰ গৱৰ্ণৰ লৰ্ড লিটনে কৈছিল তাক আপোনাসকলে ভালকৈ চাবলগীয়া। তেওঁ কৈছিল—

"After all the improvement of education is not exclusively a matter of spending money as some people seem to think. Neither is the object of education exclusively a matter of earning money as so many students seem to think. Of course, in these days when the economic pressure is so great it is inevitable that young man should be anxious about obtaining a lucrative profession but colleges and universities are not employment bureaux and

the students who look upon them only as doorway into business will miss their real value."

সকলো মানুহে ইচ্ছা কৰে বিদ্যা পাবলৈ, ধন পাবলৈ আৰু শক্তি পাবলৈ ; কিন্তু এইটো বস্তু পালেই যে মানুহৰ জীৱন সাৰ্থক হয় সি কেতিয়াও হব নোৱাৰে। আমি সৰ্ব্বসাধাৰণতে দেখিবলৈ পাওঁ যদি সাধু মানুহৰ হাতত এই তিনিটা বস্তু পৰে তেনেহলে তাৰ ফল ভাল হব পাৰে কিন্তু খল মানুহৰ হাতত এই তিনিটা বস্তু পৰিলে তাৰ ফল সদায় বেয়া হয়। সেই গুণেই আমাৰ জ্ঞানীসকলে কৈ গৈছে—

"ৱিদ্যা বিৱাদায়, ধনং মদায়,
শক্তি পৰেষাং পৰিপীড়নায়।
খলস্য সাধোৰ্বিপৰিতমেতৎ
জ্ঞানায় দানায় চ ৰক্ষাণায় ॥"

বোপাদেওসকল! মনত ৰাখিব যে বিদ্যা তাকেহে বোলে যি যুক্তি দিব পাৰে। 'সা বিদ্যা যা বিমুক্তয়ে।' ধন আৰ্জ্জি দুদিনৰ বেহা পতা বিদ্যা আৰ্জ্জনৰ উদ্দেশ্য নহয়। ভগৱানে গীতাত কৈছে, 'নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।' জ্ঞানৰ নিচিনা পৱিত্ৰ বস্তু আৰু ইহজগতত নাই। জ্ঞানৰ প্ৰতি নিভাঁজ শ্ৰদ্ধাই যদি জ্ঞান অৰ্জ্জনৰ কাৰণ নহয় তেনেহলে আন কাৰণে অৰ্জ্জা জ্ঞানৰ ফল কেতিয়াও সুখ আৰু শান্তিৰ কাৰণ হব নোৱাৰে। আপোনাসকলে এতিয়াও সংসাৰত প্ৰৱেশ কৰা নাই। সংসাৰত প্ৰৱেশ কৰিলে দেখিবলৈ পাব যে অকল ধনেই মানুহক সুখ আৰু শান্তি দিব নোৱাৰে। অনেক ধনীলোকৰ জীৱনৰ ঘটনাৱলী শুনিলে এজন নিচেই দুখীয়া মানুহেও তেওঁৰ লগত জীৱনৰ সালসলনি কৰিব খুখুজিব। আমাৰ যত কষ্ট, যত দুখ তাৰ সৰহভাগেই আমাৰ নিজৰ সৃষ্ট নহয় নে? আমি যে সদায় 'হা হতোস্মি' কৰি ফুৰোঁ তাৰ নিমিত্তে কোন দায়ী? আমাক কিয় একোৱে নোজোৰে? আমি এই সংসাৰত থাকিমেই বা কিমান দিন আৰু আমাক লাগেই বা কিমান বস্তু? এজন ইংৰাজ কবিয়ে কৈছে—

"Man wants but little here below
Nor wants that little long."

ই অতি সঁচা কথা।

আমি অনেক সময়ত লোকৰ অৱস্থা দেখি সেই অৱস্থা মোৰো হক বুলি লোভ কৰি কিছুমান মিছামিছি অভাৱৰ কল্পনা কৰি আমাৰ সকলো সুখ আৰু শান্তিক বিসৰ্জ্জন দিওঁহক। ইয়াতকৈ আৰু কিবা ডাঙৰ ভুল আছে নে? লোভতকৈ আৰু কিবা ডাঙৰ শত্ৰু মানুহৰ আছে নে? ভালকৈ ভাবি চালে সংসাৰত য'তবিলাক পাপ হয় তাৰ মূলত লোভকেহে দেখিবলৈ পোৱা যায়। সেইগুণে প্ৰকৃত জ্ঞানলাভৰ প্ৰথম ফল লোভক জয় কৰিবলৈ শিকা। মহাভাৰতৰ উদ্যোগ পৰ্ব্বৰ এঠাইত কৈছে—

"লোভঃ প্ৰজ্ঞানমাহন্তি প্ৰজ্ঞা হন্তি হতহ্ৰিয়ম্।
হ্ৰীৰ্হতো বাধতে ধৰ্ম্মং ধৰ্ম্মোহন্তি হতশ্ৰিয়ঃ॥

লোভে প্ৰজ্ঞা নষ্ট কৰে। প্ৰজ্ঞা নষ্ট হলে হ্ৰী অৰ্থাৎ লাজ নষ্ট হয়। লাজ নষ্ট হলে ধৰ্ম্ম নষ্ট হয়। ধৰ্ম্ম নষ্ট হলে শ্ৰী নষ্ট হয় অৰ্থাৎ হতশ্ৰী হয়। অসমীয়া মানুহে পৰক শাও দিবলৈ হলে কয় 'হতশ্ৰী হ'। ইয়াতকৈ ডাঙৰ অভিসম্পাত আমাৰ ভাষাত নাই। লোভে তেনে হতশ্ৰী কৰে। সেইগুণে মই কওঁ ছাত্ৰজীৱনত আন শিক্ষা লাভ কৰাৰ লগে লগে আমাৰ মনুষ্য-জীৱনৰ প্ৰধান শত্ৰু লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্য্য এই ছটা ৰিপুক দমন কৰিবলৈ শিকিব লাগে। আপোনাসকলৰ এই কোমল বয়সেই সেই সাধনাৰ উপযুক্ত কাল। এবাৰ এই কাল গত হলে আৰু সি কেতিয়াও ঘূৰি নাহে। এই কালতে আপোনালোকৰ হৃদয়-ফলিত যি আঁক পৰিব সেই আঁক আৰু চিৰজীৱনৰ নিমিত্তে থাকি যাব। শত চেষ্টা কৰিলেও সেই দাগ আৰু নুঠে। দাৰ্শনিক কবি ওমৰ খায়ামে যে কৈছে তাৰ প্ৰতি আখৰেই সত্য—

"Moving finger writes
    And having all
Moves on ; nor all,
    Thy piety nor wit,
Shall lure it back
    To cancel half a line
Nor all thy tears
    Wash out a word of it."

'বহুত ছাত্ৰই চাকৰিৰ আশাৰে পৰীক্ষা 'পাছ' কৰি শেহত চাকৰি নাপাই একেবাৰেই নিৰাশ হৈ পৰে। প্ৰকৃতপক্ষে সেই ছাত্ৰজনৰ মনৰ বৃত্তিবোৰৰ

প্ৰকৃত শিক্ষা হোৱা হলে তেওঁৰ তেনে অৱস্থা কেতিয়াও নহলহেঁতেন। সংসাৰত সকলো মানুহেই চাকৰি কৰি খাবলৈ অহা নাই। এই বিশাল ধৰণীত চাকৰিৰ বাহিৰেও অসংখ্য পথ আছে, তাতেৰ এটা নহয় এটাক আশ্ৰয় কৰি সুখেৰে জীৱন নিৰ্ব্বাহ কৰিব পাৰি। এই বিষয়ে মোৰ এজন পৰম বন্ধু শ্ৰদ্ধেয় শ্ৰীযুত দেৱেশ্বৰ গোস্বামীয়ে 'কৃষি সম্পদ' বুলি এখন বঙলা মাহেকীয়া পত্ৰত, 'আমাৰ ইক্ষু-চাষ' নামেৰে প্ৰবন্ধত যি বহুমূলীয়া উপদেশ ডেকা-সকলক দিছে তাক আপোনাসকলৰ আগত প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰিলোঁ। এওঁ এজন আমাৰ দেশৰ আদৰ্শ খেতিয়ক। তেওঁ সামান্য মূলধনেৰে কুঁহিয়াৰ খেতি কৰিবলৈ আৰম্ভ কৰি কেইবছৰমানৰ ভিতৰতে কল-কাৰখানা বহুৱাই গুড় আৰু চেনি তৈয়াৰ কৰি নিজেও আঢ্যৱন্ত হল আৰু দেশকো উদাহৰণ দেখুৱালে। ওপৰত কোৱা বঙ্গদেশৰ কাকতখনৰ সম্পাদকে তেওঁৰ বিষয়ে জানিব পাৰি তেওঁৰ জীৱন-বৃত্তান্ত সেই কাকতত লিখিবলৈ ধৰকৈ টানি ধৰাত তেওঁ বঙলা ভাষাতে সেই পত্ৰিকাত তেওঁৰ কুঁহিয়াৰ খেতিৰ বিষয়ে সকলো কথা কৈ ডেকাসকলক এইদৰে উপদেশ দিছে—

"আমৰা যেৰূপ যত্ন যেৰূপ পৰিশ্ৰম ও যেৰূপ অৰ্থ ব্যয় কৰিয়া দাসত্ব কৰিবাৰ অভিপ্ৰায়ে বিদ্যা-শিক্ষা কৰি এবং ৪০।৫০ টাকা মাহিনায় চাকৰি কৰিয়া দিনৰাত হাড়ভাঙ্গা খাটুনি খাটিয়াও স্বীয় জীবন সাৰ্থকবোধ কৰিয়া থাকি তাহাৰ শতাংশেৰ একাংশ পৰিশ্ৰম সহকাৰে কৃষি-শিক্ষা কৰিয়াও কৃষি কাৰ্য্যে প্ৰবৃত্ত হইলে, দাসত্বেৰ অপেক্ষাও যে অধিক অৰ্থোপাৰ্জ্জন কৰিয়া মহা সুখ-শান্তিতে জীবিকা নিৰ্ব্বাহ কৰিতে পাৰা যায় তাহা আমি মুক্তকণ্ঠে ও নিঃসন্দেহে বলিতে পাৰি। পৰেৰ গোলামি না কৰিয়া স্বাধীনভাবে কৃষি-কাৰ্য্য কৰিতে পাৰিলে সৎপথে ৰহিয়া দেব-চৰিত্ৰ লাভ কৰিয়াও আপনাৰ পৰিবাৰ সকলকেই বিবিধ সামগ্ৰী পৰমা তৃপ্তিৰ সহিত অন্ন যোগাইতে পাৰে। এমন পবিত্ৰ শান্তিপ্ৰদ ও বিমল আনন্দদায়ক কাৰ্য্যও আৰ নাই। পক্ষান্তৰে পৰেৰ গোলামিতে যে কি সুখ তাহা আৰ কাহাকেও বুঝাইয়া দিতে হইবে না। আমাদেৰ দেশেৰ কেৰানী বাবুদেৰ প্ৰতি দৃষ্টিপাত কৰিলেও তাহা সম্যকৰূপে উপলব্ধি হইবে। দাসত্বই বা এখন মিলে কোথায়। সৰকাৰ বাহাদুৰ কয়জনকে চাকৰি দিবেন। সকলেই চাকৰিৰ জন্য লালায়িত কিন্তু এখন চাকৰিৰ মায়া ছাড়িয়া কৃষিৰ দিকে কি মনোযোগ কৰা উচিত নহে।

আমাদেৰ মধ্যে অনেকেৰই যে মূলধনেৰ অভাব এবং আমাদিগকে উৎসাহ দেয় বা আৰ্থিক সাহায্য কৰে এমত বড় কেহ নাই ইহা স্বীকাৰ্য্য। কিন্তু তথাপি ইহাও স্বীকাৰ কৰিতে হইবে যে মানুষেৰ একান্ত ইচ্ছা ৰহিলে, শত-সহস্ৰ বাধা-বিঘ্ন দূৰ কৰিয়া শত শত শত্ৰুৰ হস্ত হইতে ৰক্ষা কৰিয়াও সৰ্ব্বসিদ্ধিদাতা ভগবান কোন না কোন প্ৰকাৰে কাৰ্য্য সিদ্ধিৰ উপায় কৰিয়া দিবেন। ইচ্ছা থাকিলেই উপায় হয়—আমাৰ জীবনে এ মহাকাব্যেৰ সত্যতা সততই প্ৰত্যক্ষ কৰিতেছি। সুতৰাং কাহাৰও নিৰাশ হইবাৰ কাৰণ নাই। কেবল 'মন্ত্ৰেৰ সাধন কিম্বা শৰীৰ পতন' এই মূলমন্ত্ৰ বিশেষভাবে স্মৰণ কৰিয়াই কাৰ্য্য হস্তক্ষেপ কৰিতে হয়।" মোৰ মনেৰে আমাৰ ডেকাসকলক ইয়াতকৈ উৎসাহপূৰ্ণ কথা কবলৈ আৰু একো নাই।

বন্ধুসকল! মোৰ সময়ৰ অনাটন নোহোৱা হলে আপোনাসকলক মোৰ বহুত কবলগীয়া আছিল। আপোনাসকলৰ এই সন্মেলনখনিৰ উদ্দেশ্য হৈছে ভৱিষ্যতলৈ বা এতিয়াও কেনেকৈ জননী জন্মভূমিক সেৱা কৰিব পাৰি তাৰ আয়োজন কৰা। ময়ো ছাত্ৰজীৱনৰেপৰা আপোনাসকলৰে নিচিনা দেশসেৱা ব্ৰত ধৰা মানুহ। সেই গুণে এই বিষয়ত আপোনাসকলক উপদেশ স্বৰূপে কেই আষাৰমান কথা কবৰ আছে বুলি ভাবোঁ। ভাবি চাওক আপোনাসকলৰ কৃতিত্বৰ ওপৰতে আমাৰ দেশৰ সকলো মঙ্গলামঙ্গল নিৰ্ভৰ কৰিছে। আপোনাসকলে এই সন্মেলন পাতি বছৰি বছৰি আপোনাসকলৰ সুবিধা-অসুবিধা, আকাঙ্ক্ষা আদিৰ বিষয়ে আলোচনা কৰা অতি সজ কাম হৈছে। কথাতে কয়—'সংহতি কাৰ্য্যসাধিকা।' আপোনাসকলে ছাত্ৰজীৱনৰেপৰা মুঠ বান্ধিবলৈ শিক্ষা কৰাও বৰ মঙ্গলৰ কথা হৈছে। দেখা গৈছে ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰ ছাত্ৰবিলাকেও এনে সন্মেলনৰ প্ৰতিষ্ঠা কৰিছে। ছাত্ৰ-জীৱনৰ সৰ্ব্বাঙ্গীন উন্নতি কৰাই যে এই সন্মেলনৰ ঘাই উদ্দেশ্য তাক নকলেও সকলোৱে বুজিব। কিন্তু আপোনাসকলক মই এইখিনিতে সোঁৱৰাই দিবলৈ বাধ্য হৈছোঁ যে এনে সন্মেলনৰ পক্ষে বা বিপক্ষে সকলো কথা কৈ অতালেও এইটো সঁচা কথা যে আপোনাসকল এতিয়াও ছাত্ৰহে। ছাত্ৰৰূপে আপোনালোকৰ প্ৰধান কাম হৈছে জীৱন-সংগ্ৰামত প্ৰবৃত্ত হবলৈ মাল-মচলা গোটোৱা। এতিয়াই সংগ্ৰামত প্ৰবৃত্ত হলে মাল-মচলা কৰ পৰা হব। আপোনাসকলে বিশ্বজগতৰ চাৰিওফালে চকু দি চাবচোন দেখিব যে এই জগতত তিনিটা প্ৰধান নিয়মে সততে কাৰ্য্য কৰিব লাগিছে। কি জীৱ-জগত কি উদ্ভিদ-জগত

দুয়ো এই তিনি নিয়মৰ অধীন। প্ৰথমে গছে ৰস টানি আনে যাক ইংৰাজীত Absorption বোলে। তাৰ পিছত সেই ৰস হজম কৰি শৰীৰ পুষ্ট কৰে অৰ্থাৎ Assimilation আৰু তাৰ পিছতহে ফুল আৰু ফলৰ জন্ম প্ৰদান অৰ্থাৎ Reproduction। আপোনাসকলৰ এই কালত'প্ৰধান কাম হৈছে হৈছে Absorption আৰু Assimilation. কিন্তু Reproductionৰ সময় এতিয়াও হোৱা নাই। ওপৰত কোৱা দুবিধ কাৰ্য্য এতিয়াও ভালকৈ কৰি আপোনাসকলৰ মন আৰু শৰীৰ পুষ্ট কৰি নললে Reproduction কেতিয়াও ভাল নহব। সেইগুণে আপোনাসকলৰ পুৰুষাৰ্থ এতিয়া ঘাইকৈ Assimilation আৰু Absorption তহে বেছি পৰিমাণে আৰব্ধ ৰাখিব লাগে। যদি এই দুবিধ প্ৰক্ৰিয়াৰ অলপো হানি নোহোৱাকৈ আন কিবা আত্মহিতকৰ বা দেশহিতকৰ কাম কৰিব পাৰে সি অতি সুন্দৰ কথা। মোৰ মনেৰে এতিয়া আপোনাসকলৰ কিতাপ লিখিবৰ সময় হোৱা নাই কিয়নো কিতাপ লিখা কামটো Reproduction-ৰ ভিতৰতহে পৰিব। আপোনাসকলে এতিয়া কোনো কাম স্বাধীনভাৱে কৰিবলৈ হাতত নলৈ আপোনাসকলৰ অগ্ৰজবিলাকক সহায় কৰা ভাৱে কৰিলে অতিশয় শোভনীয় হব। আপোনা-সকল ছাত্ৰ আৰু ছাত্ৰ শব্দৰ ধাতুৰ অৰ্থ লৈ মন কৰিলেই মোৰ উপদেশৰ মৰ্ম্ম বুজিব পাৰিব। ছাত্ৰ আৰু ছত্ৰ দুয়োটা শব্দ সংস্কৃত ছদ্ ধাতুৰপৰা আহিছে। ছদ্ ধাতুৰ অৰ্থ আচ্ছাদন। আপোনাসকল যেতিয়ালৈকে ছাত্ৰাৱস্থাত থাকিব তেতিয়ালৈকে মুকলিমূৰীয়া হব নোৱাৰে। আপোনালোক গুৰু স্বৰূপ আবৰণ বা ঢাকনিৰ তলত আছে। আপোনাসকলে যেতিয়া অৱসৰ পায় তেতিয়া এনে কাম কৰি যাওক যাৰ দ্বাৰাই আপোনাসকল আগৰ লোকসকলৰ কামত সহায় হয়। যেনে আপোনাসকলে বন্ধত যেতিয়া অসম দেশৰ বেলেগ বেলেগ ঠাইলৈ যায় তেতিয়া গাঁৱৰ ভিতৰত থকা কিম্বদন্তী, পুৰণি কীৰ্ত্তি, সাধুকথা, গাঁৱলীয়া গীত আদি সংগ্ৰহ কৰিব পাৰে আৰু গোটাব পাৰে পুৰণি পুথিবিলাক। সেইবিলাকক সংস্কাৰ কৰিবলৈ আপোনাসকলৰ আহৰি ক'ত? কিন্তু আপোনাসকলে সেইবোৰ সংগ্ৰহ কৰি ডাঙৰবিলাকক দিব পাৰে, সুবিধা পালে বৰগুনি তুলিও তেওঁবিলাকক দিব পাৰে।

সংক্ষেপতে কবলৈ গলে ছাত্ৰজীৱনৰ উপযোগী টকা-কড়ি নলগা আৰু অলপ সময় লগা যিবোৰ কাম সেইবোৰ কামহে আপোনালোকৰ উচিত কাম।

বাহিৰা কামত সময় নিয়াই যদি জীৱন-গঠন, চৰিত্ৰ-গঠন, ইন্দ্ৰিয়-সংযম আদি কামত অৱহেলা কৰা হয় তেতিয়া হলে তাতকৈ আৰু দেশৰ দুৰ্দ্দশাৰ কথা একো নহব। সেইগুণে আপোনাসকলে যিবোৰ কাম হাতত লব খোজে তাক অতি ধীৰভাৱে বিবেচনা আৰু বিচাৰ কৰিহে হাতত লব নতুবা আচলতে ভুল কৰা হব। সকলো কামত হাত দিয়াৰ আগতে দেশ-কাল-পাত্ৰ বিবেচনা কৰিহে তাক হাতত লোৱা উচিত।

মোৰ আৰু এটা কথা কবলগীয়া আছে। এইটো বৰ বেজাৰৰ কথা অথচ তাক নকলেও নহয়। আমি সকলোৱে দেখিছোঁ আৰু আপোনাসকলেও নিশ্চয় মন কৰিছে যে, আমি ছাত্ৰজীৱনত যেনেকৈ ছাত্ৰৰ দেশ-মাতৃৰ সেৱা কৰিবৰ আগ্ৰহ আৰু আকাঙ্ক্ষা দেখিবলৈ পাওঁহঁক, কৰ্ম্মজীৱনত তেনে দেখা নাপাওঁ। যিসকল লোকে ছাত্ৰ-জীৱনত দেশৰ কথাৰ নিমিত্তে প্ৰবল উৎসাহ দেখুৱাইছিল, সেই সকলেই কৰ্ম্মজীৱনত প্ৰৱেশ কৰা মাত্ৰকে দেশৰ সকলো কামলৈকে পিঠি দি বহে। ইয়াৰ কাৰণ কি কব নোৱাৰোঁ। ইয়াৰ কাৰণ দুটা হব পাৰে। এটা হৈছে যে তেওঁৰ জীৱনৰ সাধনা-তেল সকলো ছাত্ৰজীৱনতে খৰচ হৈ যোৱাত এতিয়া আৰু বন্তি নজ্বলা হল। আৰু এটা কাৰণ হৈছে যে জীৱন সংগ্ৰামত এহাতে ঢাল আৰু এহাতে তৰোৱাল লৈ প্ৰবৃত্ত হল হয় কিন্তু দুয়োখন হাত বন্দী হোৱাত আৰু যুদ্ধ কৰিব নোৱাৰা হল। পাছৰটো কথা যি জীৱনত সফলকাম হব পৰা নাই তেনে লোকতহে খাটে কিন্তু যি জীৱনত আশা কৰাতকৈ বেছি সফলকাম হৈছে তেওঁবিলাককহে আৰু বেছি অমনোযোগী হোৱা দেখিবলৈ পোৱা যায়। তাহানি আমাৰ এজন কলিকতাত থকা বন্ধুৱে (যিজন আজিকালি আমাৰ দেশৰ বৰ ডাঙৰ মানুহ) অসমলৈ আহি কাৰ্য্য-ক্ষেত্ৰত প্ৰৱেশ কৰি দেশহিতকৰ কোনো কামতে হাত নিদিয়াত, আমি এনে হোৱাৰ কাৰণ সোধাত তেখেতে কৈছিল যে তেখেতসকল যেতিয়া কলিকতাত আছিল তেতিয়া দেশৰ ওপৰত আৰু দেশীয় মানুহৰ ওপৰত বৰ Sympathy আছিল কিন্তু দেশলৈ ঘূৰি আহি মানুহবিলাকৰ কথা-বাৰ্ত্তা দেখি Sympathy-ৰ ঠাইত Aparthy আহিল আৰু এতিয়া তেওঁবিলাকৰ ব্যৱহাৰ দেখি Aparthy গুচি Antipathy হে হৈছে। এই কথাটো যদিও বন্ধুজনে ধেমালিৰ ছলেৰেহে কৈছিল, এতিয়া দেখিছোঁ অনেকৰ তেনে অৱস্থা হোৱা দেখা গৈছে। আগৰবিলাকৰ ভিতৰত যি হৈ গ'ল গ'ল, এতিয়া আপোনাসকলক বিশেষকৈ অনুৰোধ কৰিছোঁ যেন আপোনালোকে এতিয়াৰে

পৰা সতর্ক হব যেন তেনেকুৱা দোষে আপোনালোকক স্পর্শ কৰিব নোৱাৰে। এতিয়া আপোনাসকলে যিমান সজ কামকে নকৰক সেইবোৰ 'ফাও' বুলিহে ধৰিব। কর্ম্মক্ষেত্রত প্রৱেশ কৰি যি কাম কৰিব সেই কাম অনুসৰিহে আপোনাসকলৰ কৃতিত্বৰ জোখ মাখ কৰিব।

আজিকালি পৃথিৱীৰ সকলো ঠাইতে শিক্ষা বিষয় লৈ নানা ৰকম আলোচনা হব লাগিছে। সকলো চিন্তাশীল লোকৰ মত হৈছে যে বৰ্ত্তমান প্রচলিত শিক্ষা-প্রণালীৰ সংস্কাৰ নিতান্ত আৱশ্যক হৈছে। আপোনাসকল যি বিশ্ববিদ্যালয়ৰ ছাত্র, সেই বিশ্ববিদ্যালয়ৰ গুৰিয়ালসকলেই স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে বৰ্ত্তমান শিক্ষাৰ প্রণালীয়ে জাতীয় চৰিত্র গঠনত বিশেষ সহায় কৰিব পৰা নাই। আজিকালি বছৰি বছৰি সৰহ লৰাই পৰীক্ষা 'পাছ' কৰিছে সঁচা, কিন্তু প্রকৃত শিক্ষিত লোকৰ সংখ্যা সেইভাৱে বঢ়া নাই। পৰীক্ষা 'পাছ' কৰা আৰু প্রকৃত শিক্ষিত হোৱা একে কথা নহয়। ইংলণ্ড দেশত শিক্ষাৰ যেনেকৈ প্রচাৰ হৈছে পৃথিৱীৰ কম দেশতহে তেনে হৈছে। কিন্তু মহামহোপাধ্যায় মাইকেল ই, চেদলাৰ মহাশয়ে কৈছে,—"We need in England a system of elementary education which does more to train the children to think".

ইংলণ্ডতে যেতিয়া এনে অৱস্থা হৈছে আমাৰ দেশত তাৰ ফল আৰু বেয়া যে হব তাক কবৰ সকাম নাই কিয়নো আমাৰ শিক্ষা হৈছে এটা বিদেশী ভাষাৰ মাজেদি। আজিকালিৰ শিক্ষা কেনে অচিন্ত ভাৱে চলিছে তাৰ পৰীক্ষা চাবলৈ হলে এজন ছাত্ৰক যদি সোধা যায় যে তুমি কি হবৰ নিমিত্তে শিক্ষা কৰিছা তেনেহলে তেওঁ বোধকৰোঁ কবলৈ বাধ্য হব যে মই সেই কথা এতিয়াও ভবা নাই। বোধকৰোঁ এই কথাটো শতকৰা ৯৯ জন ছাত্ৰত খাটিব। এনেকুৱা চিন্তাহীন শিক্ষাই আমাক জাতীয় চৰিত্র-গঠনত কেনেকৈ সহায় কৰিব? আজিকালিৰ শিক্ষাৰ প্রধান দোষ হৈছে যে লৰাক চিন্তা কৰিবলৈ শিকোৱা নাই। কেনে ভাৱে চিন্তা কৰিব লাগে তাক নজনাকৈ কৰ্ম্মজীৱনত প্রৱেশ কৰি কেউফালে এন্ধাৰ দেখা হৈছে। চেদলাৰ চাহাব বাহাদুৰে ইংলণ্ডৰ শিক্ষা সম্বন্ধে আৰু কৈছে,—

"More should be done for the physical development of children. More should be done to kindle intellectual interest. More should be done to teach them how to work for themselves.

It needs to produce intelligence, combined with will-power and with a sense of responsibility for the national welfare".

ভাবতবৰ্ষৰ শিক্ষা-প্ৰণালীতো এই এটাইবোৰ অভাৱ অতি মাত্ৰাবে বৰ্ত্তমান আছে।

চেদলাৰ চাহাবে শিক্ষাৰ বিষয়ে আৰু এটা কথা কৈছে যে ইংলণ্ডতো আজিকালি অনেক মানুহে লৰাক ধৰ্ম্ম-শিক্ষা নিদিয়াতো বৰ বেয়া পাইছে। তেওঁ কৈছে :—

"There is at present throughout England a strongly marked dislike of the idea of making all education in the elementary schools purely secular in character. There is however, no general agreement as to any common form of religious teaching which could be made compulsory in all cases. The drilt of opinion is towards allowing varieties of religious teaching to be given in accordance with parental preference. Multitudes of parents do not care what religious instruction is given, but on the whole they want something in the form of religious knowledge to be taught."

আমাৰ দেশতো শিক্ষাৰ লগে লগে লৰাই নিজৰ জাতীয় ধৰ্ম্মৰ বিষয়ে একো নোপোৱাত যি শিক্ষা পাইছে চৰিত্ৰ-গঠনত সি তেনে সহায় কৰিব পৰা নাই। বিদ্যালয়ত ধৰ্ম্ম-শিক্ষা নিদিলেও বুজন ছাত্ৰসকলে নিজকে নিজে ধৰ্ম্ম-শিক্ষা দিয়া নিতান্ত আৱশ্যক বুলি ভাবিছে। আমাৰ ধৰ্ম্মৰ ভিতৰত যিবোৰ অতি সুন্দৰ কথা আছে তাক জানিবলৈ নোপোৱাত অনেক ছাত্ৰৰ মনত জাতীয় ধৰ্ম্ম-কৰ্ম্মৰ ওপৰত শ্ৰদ্ধা আৰু বিশ্বাস কমি আহিছে। এনে শিক্ষাৰ ফল যে বৰ বেয়া তাক সহজে বুজিব পাৰি। মিঃ হাৱেল চাহাবে তেওঁৰ The History of Aryan Rule in India কিতাপৰ ভূমিকাত লিখিছে,—

'Whether unintentional or not no greater spiritual injury can be done to a people than to teach them to undervalue or despise the achievements of their forefather.'

বাস্তৱিকতে ই অতি সঁচা কথা। নিজৰ দেশৰ ওপৰত পিতৃ-পিতামহৰ ওপৰত ভক্তি কৰিবলৈ যি শিক্ষাই নিশিকায়, তেনে শিক্ষাৰপৰা উপকাৰ নহৈ

অশেষ অপকাৰহে হয়। সেই গুণেই মই বিশেষকৈ কওঁ যেন আপোনাসকলে নিজেই নিজক ধৰ্ম্ম-শিক্ষা দিবলৈ পাছ নোহোঁহকে।

দেখক আমিনো সংসাৰত কিমান দিন জীয়াই থাকিম। সেই গুণে সকলোৰে ওপৰত যি ধৰ্ম্ম তাৰ প্ৰতি যেন আপোনাসকলৰ অৱহেলা নহয়। আমাৰ শাস্ত্ৰই কৈছে যে 'মই অজৰ অমৰ' এনে ভাবি বিদ্যা আৰু অৰ্থ সঞ্চয় কৰিম কিন্তু মৃত্যুৱে চুলিত ধৰি আছে এনে ভাবি ধৰ্ম্ম আচৰণ কৰিম। আপোনালোকে ভাবিছে নে যে এই নশ্বৰ দেহাটোৱেই আমাৰ সকলো। দেহৰ ভিতৰত যি অবিনশ্বৰ আত্মাপুৰুষে প্ৰকাশ কৰিছে তাৰ জেউতি দেখিবলৈ এবাৰো ইচ্ছা নকৰে নে? আপুনি এবাৰ ভাবি নেচায় নে আপুনি কি— আপুনি সেই হিৰণ্যগৰ্ভ ভগৱানৰে এটি কিৰিণতি নহয় নে আৰু এই দেহৰূপ মন্দিৰৰ অধিষ্ঠাত্ৰী দেৱতা নহয় নে? আৰু এইটোও এবাৰ ভাবি চাওকচোন যে আপুনি কেৱল ঘটনাৰ আৱৰ্ত্তত পৰি বাট হেৰুওৱা বাটৰুৱাৰ নিচিনাকৈ এই জগতলৈ অহা নাই। বিশ্বস্ৰষ্টাৰ শৃঙ্খলাবদ্ধ নিয়মৰ তলতীয়া হৈ এক মহান উদ্দেশ্য সাধনৰ নিমিত্তে আমি ইয়ালৈ আহিছোঁ। আমি যেতিয়া ইয়াৰপৰা বাজ হৈ যাওঁ তেতিয়াও ভগৱানৰ সেই নিয়মৰ বশবৰ্ত্তী হৈহে ওলাই যাম। তেনেহলে আমাৰ নিৰাশ হবৰ কোনো সকাম নাই। সেই বিশ্বনিয়ন্তাই আমাক আমাৰ কৰ্ত্তব্য পথলৈ লৈ যাব। আমি কেৱল তেওঁৰ ওপৰত নিৰ্ভৰ কৰিবলৈ পাহৰিব নেলাগে। তেনেহলে আহক আমি কৰিব সুৰত সুৰ মিলাই গাওঁহক—

Higher higher will we climb
Up the mount of glory
That our names may live through time
In our country's story;
Happy when her welfare calls.
He, who conquers, he who falls.

আকৌ এবাৰ হৃদয় খুলি গাওঁহক—

Onward onward may we press,
Through the path of duty;
Virtue is true happiness,
Excellence true beauty
Minds are of celestial birth,
Make we then a heaven of earth.

অষ্টম ভাষণ

সভাপতি ঃ—দীনবন্ধু চি-এফ-এণ্ড্ৰজ

নগাওঁ—২২, ৩৩ অক্টোবৰ, ১৯২৯ চন

মৰমৰ ছাত্ৰবন্ধুসকল! তোমালোকৰ এই বিনন্দীয়া অসম দেশত এপখ মানৰ কাৰণে হলেও তোমালোকৰ সৈতে থাকি যাম বুলি তাহানিৰেপৰা আশা পালি আহিছিলোঁ। মই মনতে আৰু পাঙিছিলো বোলো শান্তিনিকেতনলৈ উলটি যোৱাৰ আগতে পূৰ্ব্ববঙ্গ চাই চাঁদপুৰ আৰু আন ঠাইবোৰতো আৰু এপাক মাৰিম। কিন্তু ইয়াতোকৈ দূৰণিবটীয়া দক্ষিণ আফ্ৰিকালৈ যাবলৈ মোৰ আন এটা ডাঙৰ ডাক পৰিল আৰু সকলো আহুকালৰ হাত সাৰিব পাৰিলে নবেম্বৰ মাহৰ আগ ভাগতে যাবলৈ ওলাম বুলি ভাবিছোঁ। যাওঁতে হলে বাটত মোৰ বৰ দুখ লাগিব। কিয়নো দহ বছৰমানৰ আগতে তালৈ যেতিয়া মই প্ৰথম বাৰ যাওঁ, পিয়াৰ্ছন চাহাব মোৰ অন্তৰঙ্গ লগৰী আছিল। ইতালীৰ ৰেল-দুৰ্ঘটনাৰপৰা হোৱা তেওঁৰ মৃত্যুৱে মোৰ নিজৰ জীৱনতে এটা দুখৰ ছাঁ পেলাইছে। দক্ষিণ আফ্ৰিকাত থাকোঁতে তেওঁ কেনেকৈ সকলোৰে হৃদয় অধিকাৰ কৰিছিল মই কেবাবাৰো কৈ আহিছোঁ। মহাত্মা গান্ধীয়ে চলোৱা নিৰুপদ্ৰৱ প্ৰতিৰোধ আন্দোলনৰ তেতিয়া ভৰপক আৰু পিয়াৰ্ছন চাহাবে তাত যি ত্যাগৰ উছাহেৰে অনুপ্ৰাণিত হৈ যোগ দিলে তাক দেখিবলৈ পোৱাটোও সঁচাকৈয়ে আনন্দৰ কথা। দক্ষিণ আফ্ৰিকালৈ গৈয়েই মই পোনেই পিয়াৰ্ছন চাহাবৰ কথাহে শুনিমগৈ। যোৱাৰ আগেয়ে সবৰমতীত বিদায় লবলৈ গৈ তাত পিয়াৰ্ছনৰ মৃত্যুত যি শোকৰ ছবি দেখা পাম, সি মই পোৱা শোকৰ সমানেই হব। মহাত্মা গান্ধীৰ সহধৰ্ম্মিণী, দেৱীদাস আৰু ৰামদাসেও তেওঁক বৰ ভালপাইছিল আৰু মহাত্মা গান্ধীৰ লৰা কেইটি দক্ষিণ আফ্ৰিকাৰ পৰা আহি আমাৰ আশ্ৰমত থাকোঁতে পিয়াৰ্ছন চাহাবে বিশেষভাৱে তেওঁলোকৰ তত্ত্বাৱধান লৈছিল আৰু সহায় কৰিছিল। তেওঁৰ মৃত্যুত আটাইতকৈ

দীনবন্ধু চি-এফ এণ্ডুজ

বেছি দুখ হল আমাৰ আশ্ৰম শান্তিনিকেতনৰহে। এনেহে মনত খেলাইছে যেন আমাৰ আশ্ৰমৰ জীৱন-সূৰ্য্যক এছটা কলা ডাৱৰ আহি আৱৰি ধৰিলে। চিৰযৌৱনৰ গূঢ় ৰহস্য তেওঁৰ জনা আছিল আৰু সেই বাবেই যুৱক মাত্ৰেই তেওঁক সঙ্গী আৰু বন্ধুৰ দৰে ভালপাইছিল।

এই সম্মেলনত উপস্থিত ছাত্ৰবন্ধুসকলে মোক উপদেশ দিবলৈ মাতি আনিছে। কিন্তু মোৰ সলনি যদি তেওঁ আহিলহেঁতেন! কিয়নো তেওঁ তোমালোকৰ দেশৰ প্ৰাকৃতিক সৌন্দৰ্য্য দেখি-শুনিয়েই তোমালোকক উপদেশ বাণী শুনালেহেঁতেন। মই তোমালোকক তেওঁৰ ৰচিত 'নৱযুগৰ প্ৰভাত' বোলা ইংৰাজী কিতাপখন পঢ়িবলৈ ৰবকৈ খাটোঁ। তাত তোমালোকে নতুন যুগৰ গঢ় লগোৱা ছাতৰসকলৰ প্ৰাণৰ কথা পাবা।

মোৰ ইমান মৰমৰ বন্ধুজনৰ সম্পৰ্কে এটা ঘটনা মই তোমালোকক কোৱা উচিত। সেই কথাটো তেওঁৰ ভনীয়েকে মোলৈ লিখিছে। ৰেল-দুৰ্ঘটনাৰ পিছত তেওঁ শয্যাগত হৈ পৰি থাকোঁতে তেওঁৰ ভনীয়েক আহি পোৱাৰ আগলৈকে তেওঁ ভাৰতৰ কথাকে ভাবি আছিল। ঈশ্বৰৰো কিবা এটা আচৰিত বিধান, যি ঠাইত তেওঁৰ সেই ঘটনা হয়, তাতে এগৰাকী ইংৰাজ মহিলা আছিল আৰু তেৱেঁই পিয়াৰ্ছনক শুশ্ৰূষা কৰিছিল। এদিন নিশা তেওঁ পিয়াৰ্ছনৰ শোৱাপাটীৰ ওচৰত বহি থাকোঁতে পিয়াৰ্ছনে অচেতন অৱস্থাত এই কথাষাৰ ঘনে ঘনে কোৱা শুনিছিল—"মোৰ এক আৰু একমাত্ৰ ভালপোৱাৰ বস্তু ভাৰত।" এইষাৰ কৈয়েই তেওঁৰ মুখত মৃদু হাঁহিয়ে দেখা দিলে। তেওঁৰ নিজৰ জন্মভূমিতকৈও ভাৰতক অনেক গুণে ভালপাইছিল। তেওঁৰ অতি কষ্টৰ সময়তো বাহিৰে দেখাত অচেতন অৱস্থাতো তেওঁৰ অন্তৰাত্মা আনন্দৰ সমাজিকত ভাৰতৰ ফালে ঘূৰি আহিছিল। আগেয়ে কৈ আহিছোঁ, তেওঁ এইষাৰ কথা কোৱাৰ সময়ত ভনীয়েক তাত উপস্থিত নাছিল। ভনীয়েক আহি পোৱাত শুশ্ৰূষাকাৰিণীয়ে তেওঁক সুধিলে,—"তোমাৰ ককায়েৰাই যে কৈছিল মোৰ এক আৰু একমাত্ৰ ভালপোৱাৰ বস্তু ভাৰত, ইয়াৰ মানে কি?" তেতিয়া পিয়াৰ্ছনৰ ভনীয়েকে কলে যে সকৰেপৰাই ভাৰত তেওঁৰ হৃদয়ৰ বস্তু। নানা দুখ-কষ্টৰ সময়তো সাজ্বাতিক নৰিয়াত পৰিও তেওঁ মৰি-পৰি হলেও ভাৰতলৈ আহিবৰ কাৰণে যি হেঁপাহ দেখুৱায় সেই সকলো কথা তেতিয়া তেওঁ শুশ্ৰূষাকাৰিণীক ভাঙি-পাতি বুজাই দিলে। তেতিয়াহে তেওঁ বুজিলে পিয়াৰ্ছন চাহাবে "মোৰ এক আৰু একমাত্ৰ ভাল পোৱাৰ বস্তু ভাৰত" বোলাৰ অৰ্থ কি!

ছেঠ যমুনালাল বাজাজে সিদিনা অলপতে মহাত্মাক কাৰাগাৰত দেখা কৰিছিলগৈ। তেতিয়াহে মহাত্মাই পিয়াৰ্ছনৰ মৃত্যুৰ শোক-বাতৰি শুনিলে। মহাত্মাই তেওঁৰ আগতে পিয়াৰ্ছনৰ বিলাতত থকা ভনীয়েকলৈ পঠাবলৈ এটি সুন্দৰ সহানুভূতি বাণী মোলৈ দি পঠিয়াইছে। ভনীয়েকে আজি বহু দিন হল নৰিয়াত কষ্ট ভুগিছে আৰু এনেএটা শোক চাগৈ তেওঁৰ পক্ষে অতি অসহ্য হৈ পৰিছে। মই নিশ্চয় জানিছোঁ তোমালোকে এই ছাত্ৰ সম্মেলনৰপৰা মহাত্মাজীৰ লগতে সমবেদনা জনাই চিঠি লিখিবলৈ মোক কবা।

মই জানো, মোৰ এনে ব্যক্তিগত শোক আৰু ক্ষতিৰ সময়ত মই কেৱল সাময়িক কথালৈ নগৈ যে চিৰসত্যৰ কথাহে কম এইটো তোমালোকে বুজিছা। সেই চিৰসত্যই পিয়াৰ্ছন চাহাবৰ জীৱনৰ কেন্দ্ৰ আছিল আৰু মৃত্যুলৈকে তেওঁ তাৰেই সাধক আছিল। আমি দুয়ো একেলগে ভাৰতবৰ্ষত আধ্যাত্মিক অভিজ্ঞতা লাভ কৰা আৰু ভাৰতীয় প্ৰধান গুৰুসকলৰ ওচৰত শিক্ষা লাভ কৰাটো বাস্তৱিকতে মন কৰিবলগীয়া কথা। সেই গুণেই মই তেওঁৰ জীৱনৰ প্ৰকৃত মূল মন্ত্ৰটি মনত ৰাখিবলৈকো কওঁ কিয়নো তেওঁৰ যিটি মন্ত্ৰ মোৰো সেয়েই। যিজনক আমাৰ গুৰুদেৱ বুলিবলৈ সদায় ভালপাওঁ সেই কৱি ৰবীন্দ্ৰনাথ ঠাকুৰৰ উদগনি আমি সদায় পাই আছিলোঁ। যেতিয়াৰপৰা পিয়াৰ্ছন চাহাবে বঙলা শিকিবলৈ ধৰে, তেতিয়াৰেপৰা কবিগুৰু তেওঁৰ ধ্যানৰ বস্তু হৈ পৰিছিল। সেই ভাৱ সদায়েই তেওঁৰ অন্তৰত আছিল আৰু কৱিৰৰ য়ুৰোপ, আমেৰিকা, জাপান আদিলৈ যাওঁতে লগতে তেৱেঁা গৈছিল। যোৱা জহকালি বিলাতলৈ যোৱাৰ আগতে মোলৈ লিখা শেষ চিঠিত তেওঁ কৱিৰৰ লগত বিদায়ৰ সময়ত কটোৱা তিনটা পাহৰিব নোৱাৰা দিনৰ কথা লিখিছিল। সেই সময়ত তেওঁ কৱিৰৰ লগতে নিৰলে বহুত নিশালৈকে জীৱনৰ বহুত গভীৰ কথাৰ আলোচনা কৰিছিল আৰু তেওঁৰ নিজৰ বহুত আহুকলীয়া কথাৰ মীমাংসা কৰি লৈছিল। কৱীন্দ্ৰৰ লগত কটোৱা সেই শেষ দিনৰ আনন্দৰ কথা তেওঁ মোক বিলাততো কৈছিল।

ইয়াত উপস্থিত থকা অনেকৰে মনত থাকিব পায় যে ঠিক দহ বছৰৰ আগতে ১৯১৩ চনৰ শেষ ভাগত নিৰুপদ্ৰৱ প্ৰতিৰোধ আন্দোলনত যোগ দিবলৈ বুলি দক্ষিণ আফ্ৰিকালৈ গৈ আমি দুয়ো জয়ে জয়ে মহাত্মা গান্ধীক লগ পাওঁ। সিয়ো এটা আমাৰ জীৱনৰ নতুন অধ্যায়। মহাত্মাজীৰ সংসৰ্গৰ পৰা পোৱা উদগনিয়ে আমাক আধ্যাত্মিক বলেৰে বলী কৰে আৰু বছৰে

বছৰে সেই শক্তি বেছি হৈ আছে। তেনে পৱিত্ৰ কথা কোৱাটো মোৰ পক্ষে কিমান টান, সেইটো তোমালোকে বুজিছা কিন্তু এতিয়া মই সেই কথা কবলৈ বাধ্য হলোঁ কিয়নো ছাত্ৰসকলক সহায় কৰা মোৰ ইচ্ছা আৰু ব্যাক্তিগত ভাৱেহে মই সেই বিষয়ত কৃতকাৰ্য্য হুম।

মই কেতিয়াও মানুহজন লগ পোৱা নাই, অথচ তেওঁৰ লিখাৰপৰা মই বহুত উপকাৰ পাইছোঁ। এনে আৰু এজন তৃতীয় গুৰু আছে। তেওঁ হৈছে অৰবিন্দ ঘোষ। পিয়াৰ্ছন চাহাবে তেওঁৰ লগত দেখা-সাক্ষাৎ হোৱা আৰু পণ্ডিচেৰিত আধ্যাত্মিক বিষয়ত দীঘলীয়া কথা-বাৰ্ত্তা পতাৰ সুবিধা পাইছিল। মই জানো পিয়াৰ্ছনে তেওঁৰ ভাৱময় জীৱন আৰু যোগ অভ্যাসত বৰ সহায় পাইছিল আৰু সেই যোগ অভ্যাসেই ৰেল-দুৰ্ঘটনাৰ পিছত তেওঁৰ মহাকষ্টত তেওঁক বল দিছিল; নহলে তেওঁৰ সিমান শাৰীৰিক কষ্ট অতি ধৈৰ্য্যেৰে সহ্য কৰি সকলোৰে মনত বিস্ময় জন্মাব নোৱাৰিলেহেঁতেন।

এতিয়া মই যিহৰ কথা কম সি ভাৰতৰ অন্তৰতম প্ৰদেশৰপৰা ওলোৱা কথা। সেই সত্যসমূহ অতীত আৰু বৰ্ত্তমানৰ ভাৰতীয় ধৰ্ম্মপ্ৰাণ লোকসকলৰ জীৱনত ফুটি ওলাইছে। যিদিনাই মই ভাৰতীয় গুৰুসকলৰ সহায় লৈ উপনিষদৰ তত্ত্ব উপলব্ধি কৰিবলৈ শিকোঁ সেই দিনাই মোৰ জীৱনৰ এটা পৰিৱৰ্ত্তন ঘটিল। ১৯১৫ চনত দক্ষিণ আফ্ৰিকালৈ যাত্ৰা কৰোঁতে যেতিয়া আমাৰ গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে সেই মহামন্ত্ৰ "শান্তম্ শিৱম্ অদ্বৈতম্" দিয়ে, সেই সময়ত পিয়াৰ্ছন চাহাবে সেই আনন্দৰ সমভাগী হল। নিকপত্ৰৰ প্ৰতিৰোধ আন্দোলনৰ নানা আহুকাল আৰু বেমেজালিৰ মাজত এই মন্ত্ৰ আমি কিমানকৈ বুজিছিলোঁ তাক মই তোমালোকক ভাঙি কব নোৱাৰোঁ। কৱি গুৰুৱে প্ৰথম দিনা মোৰ আগত উপনিষদৰ সৌন্দৰ্য্য ব্যাখ্যা কৰা মোৰ বৰ ভালকৈ মনত আছে। মই তেওঁক প্ৰায় অধীৰ হৈ কৈছিলোঁ —"ই নো কি কথা; মই ভাৰতত থাকিবৰ দহ বছৰতকৈ বেছি হল আৰু এই সকলো কথা আগেয়ে কোৱা হোৱা নাই?" কিজানি ই মোৰ নিজৰেই দোষ আছিল কিয়নো মই মোৰ অজ্ঞানতাৰে অভিমান কৰি ভাৰতলৈ আহিছিলোঁ শিকাম বুলি, কিন্তু মই পোনতেই শিকিম বুলিহে আহিব লাগিছিল। এজন মহাগুৰুৰ কাষত এই উপনিষদ পঢ়াত, এক মুহূৰ্ত্তৰ পোহৰতে সংসাৰৰ জীৱন্ত সত্য মোৰ মনত ফুটি উঠা যেন লাগি গল। এনে এখন

ছাত্ৰৰ সন্মেলনত উপনিষদৰ দাৰ্শনিক তত্ত্ব আলোচনা কৰিবৰ সঁচাকৈয়ে সময় নহয় আৰু তেনে কৰিবৰ মোৰ মনো নাই কিন্তু মই উপনিষদৰপৰা মানুহৰ প্ৰয়োজনীয় এনে কিছুমান ভাঙৰ সৰল কথা কব খোজোঁ, যিবিলাক ইয়াত থকা নিচেই কোমল ডেকা ছাত্ৰজনেও সহজে বুজি লব পাৰিব।

পোনতেই মই মহা শব্দ 'অদ্বৈতম'ৰ কথা কম। মই আগেয়েই তোমালোকক কৈছোঁ যে দক্ষিণ আফ্ৰিকাত ই আমাৰ মন্ত্ৰৰ ভিতৰত আছিল আৰু স্বয়ং মহাত্মা গান্ধীয়ে দেখুৱাই দিয়াত আমি আগ্ৰহেৰে তাৰ অৰ্থ শিকিছিলোঁ। কিয়নো 'অদ্বৈতম' শব্দটোৱে আচলতে যি বুজায় অৰ্থাৎ আধ্যাত্মিক জীৱনৰ ঐক্য,—উপনিষদে কোৱা মতে "সকলোৰে ভিতৰত বিশ্বাত্মা আৰু বিশ্বাত্মাৰ বুকুতে সকলোকে দেখা"—তেওঁ তাৰেই জীৱন্ত প্ৰতিমূৰ্ত্তি আছিল। আমাৰ দৈনিক কৰ্ম্ম-জীৱনতো অদ্বৈতম্ মন্ত্ৰ নকৈ খটাবলৈ দেখুৱাই যোৱা বাবেই মোৰ মনেৰে আধুনিক ভাৰতৰ ডেকাসকল স্বামী বিবেকানন্দৰ ওচৰত বিশেষকৈ ধৰুৱা। ৰামকৃষ্ণ মিশ্যনৰ কৰ্ম্মীসকলৰ লগত মই দুৰ্ভিক্ষপীড়িত, হাইজা হোৱা ঠাইলৈ গৈ কাম কৰিছোঁ আৰু কৰ্ম্মীসকলে নিজক পীড়িত, ক্লিষ্ট আৰু জনসমাজৰ পৰিত্যক্ত লোকৰ লগত মিলিবপৰা দেখি নথৈ আনন্দ অনুভৱ কৰিছোঁ। ইয়াত গোটখোৱা ছাত্ৰ তোমালোকক মই তোমালোকৰ দৈনিক জীৱনতো অদ্বৈতমৰ ওপৰত শ্ৰদ্ধা ৰাখি কাম কৰিবলৈ কওঁ। তোমালোকৰ মুখৰ আগতে এটা হাইজা ৰোগী; তোমালোকে তাক ছুবলৈ ভয় খাইছা—কেনেবাকৈ তোমাকো হাইজা বেমাৰে পায় বুলি। তেতিয়া তুমি ভাবি লবা—সেই ৰোগীজনৰ মানৱ দেহতে বিশ্বাত্মা বিৰাজ কৰিছে; তেওঁ ময়েই 'তত্ত্বমসি'। যেতিয়া অস্পৃশ্য চণ্ডাল তোমালোকৰ গুৰিলৈ আহে তুমি তাকেই ভাবিবা, 'তত্ত্বমসি'। কিয়নো আধ্যাত্ম জগতত সকলোৱেই একে। উপনিষদে আৰু কয় বোলে 'অদ্বৈতমেই' অৱৰ্ণ। তেওঁৰ জাতি বৰ্ণ একো নাই। মুছলমান ৰহস্যবাদী কৱিসকলৰ বাণীৰ লগত ঠিক এই চিৰন্তন সত্যৰ এটি বঢ়িয়া মিল আছে। এটা কাৱতা মোৰ সদায় মনত পৰে। তাত ৰহস্যবাদী কবি এজনে লিখিছে—'মই মোৰ প্ৰিয়তমাৰ দুৱাৰত খুন্দিয়ালোঁ। কোনোবাই মাত লগালে—"কোন সেয়া ?" মই কলোঁ—"মই"। কিন্তু একো সমিধান পোৱা নগল। মই তেতিয়া শোক-যন্ত্ৰণাত জৰ্জ্জৰিত হৈ পৰিলোঁ। আকৌ খুন্দিয়ালোঁ। কোনোবাই সুধিলে—"সেয়া কোন ?" মই কলোঁ—"তুমিয়েই"। তেতিয়াই

হুৱাৰ মুকলি হৈ গল। গূঢ় ভাৰত ইয়াতো সেই একে সত্যকে দেখুৱাইছে। মোৰ নিজ খৃষ্টান ধৰ্ম্মত এটা সাধু কথা আছে। প্ৰভু খৃষ্টই টোকোনা, আচহুৱা, ৰোগা, কষ্টভোগী, মানুহৰ মাজত থিয় হৈ তেওঁৰ আচল শিষ্যসকলক সেই মানুহবিলাকৰ হৈ কলে—“মই আকালত কষ্ট পালোঁ, পিয়াহত মোৰ অণ্ঠকণ্ঠ শুকাইছিল, মোৰ গাত এডুখৰি ফটাকানি নাছিল, মই বন্দীশালৰ বন্দী আছিলোঁ আৰু আছিলোঁ আচহুৱা। মোৰ ভাইহঁতৰ নিচেই নগণ্য জনকো যদি সেৱাশুশ্ৰূষা কৰিলা তেন্তে সেই সকলো মোকেই কৰা হল।”

পিয়াৰ্ছন চাহাবে এই মহাসত্যবোৰ কেনেদৰে বুজিছিল আৰু তেওঁৰ গোটেই জীৱনটো তেওঁ মানৱসেৱাতেই কটাইছিল, সেই কথা মই বঢ়িয়াকৈ জানো। ভগৱদগীতাৰ ‘নিষ্কাম কৰ্ম্ম’ৰ (ফলৰ আশা এৰি আশাশুধীয়া হৈ কাম কৰা) উচ্চ আদৰ্শ লাভ কৰাটোও তেওঁৰ পক্ষে অতি আনন্দৰ কথা হৈছিল। ঠিক সেই দৰেই তোমালোকেও এই ডেকা বয়সতে তোমালোকৰ জীৱন গঠনৰ কাৰণে পিয়াৰ্ছন চাহাবে ৰখাৰ দৰে আগত এটি আদৰ্শ ৰাখি ‘অদ্বৈতম’ এই মহাআদৰ্শৰ আগত আঁঠু লৈ সকলোকে প্ৰেমৰ চকুৰে চাবলৈ শিকিব পাৰা আৰু সেই কাম অসম্ভৱো নহয়। চাঁদপুৰত হাইজা লগা সময়ত আৰু উত্তৰ বঙ্গত বানপানীৰপৰা কষ্ট পোৱা ঠাইৰ মানুহক সহায় কৰিবলৈ অহা অসম, পূৰ্ব্ব আৰু পশ্চিম বঙ্গৰ কৰ্ম্মীসকলৰ হৃদয়ত মানৱপ্ৰেম দেখিছোঁ। পাটিচা বোলা ঠাইত অসমৰে কোনো এখন আশ্ৰমৰপৰা অহা কৰ্ম্মীও আছিল কিন্তু দুৰ্ভাগ্যক্ৰমে সেই আশ্ৰমৰ নাম মই পাহৰি গলোঁ। হিন্দু মঠ এটাৰপৰা আহি হিন্দু ডেকাসকলে তেওঁলোকৰ মুছলমান ভাই-ভনীসকলৰ অভাৱ পূৰণ কৰা যে কি আনন্দৰ কথা তাক প্ৰকাশ কৰিবলৈ মই অপাৰগ। ভাৰতৰ আন আন ঠাইতো মানৱসেৱাৰ এই পৱিত্ৰ ভাব দেখা পাইছোঁ। অস্পৃশ্যতা ভূতে পোৱা মালবাৰৰ মোপলা প্ৰদেশত মই মহাত্মা গান্ধীৰ ডেকা শিষ্যসকলৰ লৈতে এনে অৱস্থাত একেলগে বহিছিলোঁ যে তেতিয়াও ছাউনীৰ বাহিৰত হত্যাকাণ্ড চলিয়েই আছিল। মোপলা, সমাজত্যক্ত স্পৃশ্য-অস্পৃশ্য সকলো গোট খাই কংগ্ৰেছ-ছাউনীত বহি আমি একেলগে সৰল সাত্বিক আহাৰ কৰিছিলোঁহক। সম্মিলিত ভাৰতৰ অভ্যুত্থান যে নিশ্চয় হব, অদ্বৈতমৰ মহাসত্য যে মানুহে সম্পূৰ্ণৰূপে উপলব্ধি কৰি প্ৰেম ভাৰত সকলো বিভোৰ হব, ই তাৰেই জীৱন্ত প্ৰতিমূৰ্ত্তি।

তাৰ পিছত দ্বিতীয়তে 'অদ্বৈতম্' মন্ত্ৰৰপৰা আৰু এটা ওলাইছে মহাসত্য-অহিংসা পৰমধৰ্ম্ম। এই বিষয়ত পিয়াৰ্ছন চাহাবে হিন্দুৰ দৰে ভাৰতীয় জীৱন ভাবুক হবলৈ যে শিকিলে, সিও বৰ আচৰিত। দক্ষিণ আফ্ৰিকাত দিয়া প্ৰথম বক্তৃতাত তেওঁ কৈছিল—"মহাত্মা গান্ধীৰ নিৰুপদ্ৰৱ প্ৰতিৰোধ আন্দোলন বুজাটো মোৰ পক্ষে উজু আৰু স্বাভাৱিক। কিয়নো মোৰ পূৰ্ব্ব পুৰুষসকল 'ছাৰমন অন্ দি মাউণ্ট'ৰ শিক্ষামতে চলা 'ছচাইটী অব্ ফ্ৰেণ্ডছ' অৰ সমজুৱা আছিল। তেওঁ এক কালৰেপৰা 'ছাৰমন অন্ দি মাউণ্ট' অৰ শিক্ষা লাভ কৰি আহিছিল। সেই গুণে হিন্দুৰ মহাশিক্ষা 'অহিংসা' তেওঁৰ পক্ষে নতুন নাছিল। হিন্দু ধৰ্ম্ম শিক্ষা কৰি তেওঁৰ মনত এনে লাগিছিল যেন তেওঁ তাৰ মহান ধৰ্ম্ম শিক্ষাবিলাক অভিনৱ আৰু সুন্দৰ মূৰ্ত্তিতহে শিকিছিল। সকতে মাকৰ মুখত শিকা 'ছাৰমন অন্ দি মাউণ্ট'ৰ ওপৰত ই তেওঁৰ শ্ৰদ্ধা আৰু গভীৰ কৰি তুলিছিল। তোমালোকৰ যিসকলে 'মডাৰ্ণ ৰিভিউ' কাকতত মোৰ প্ৰবন্ধ পঢ়িছা, তেওঁলোকৰ মনত থাকিব পায় যে পিয়াৰ্ছন আৰু মই দক্ষিণ আফ্ৰিকাত থাকোঁতে হিন্দুধৰ্ম্ম আৰু খৃষ্টিয়ান ধৰ্ম্মৰ ঐতিহাসিক সম্বন্ধ নিশ্চয় আছে বুলি বুজিব পাৰোঁ। আমাৰ ধাৰণা হৈছিল মহাত্মা গান্ধীহে আচল খৃষ্টান আৰু য়ুৰোপৰ যিসকলে নিজক খৃষ্টান বোলে, কিন্তু গাৰ ছালখন ক'লা হোৱা বাবেই মহাত্মা গান্ধীক গীৰ্জ্জাত সোমাবলৈ নিদিয়ে, তেওঁলোক যীশুখৃষ্টৰ আচল ভক্ত নহয়। আমি দুয়ো প্ৰায়েই এই বিষয়ে কথা-বাৰ্ত্তা হৈছিলোঁ। আৰু আমাৰ দুয়োৰো এইটো দৃঢ় বিশ্বাস হৈছিল যে য়ুৰোপতকৈ ভাৰতেহে প্ৰভু যীশুখৃষ্টৰ ধৰ্ম্ম বুজিছে।

আমি এতিয়া ছাত্ৰ হিচাপে সোধোঁহক, আমাৰ কৰ্ম্ম জীৱনতো অহিংসা নীতিয়ে কি বুজায়। এই নীতিৰপৰা আমাৰ দেশেই বা কি আদৰ্শ লব পাৰে? এই নীতিয়ে ইয়াকে বুজায় যে আমি চিৰকাললৈ হিংসা, কটা-কটি, মৰা-মৰি, খং-ৰাগ সকলো এৰি দিব লাগে। অতীত কালৰ প্ৰতিহিংসা লোৱা আচৰণবোৰ পৰিত্যাগ কৰিব লাগে। আমাৰ খং-ৰাগ অতি দুৰ্দ্দান্ত হলেও গোটেই জীৱনতে আমি সিহঁতক দমন কৰিবলৈ চেষ্টা কৰিম্হক। নকলে কপটতা কৰা হয় দেখি মই এইখিনিতে সৈ কাঢ়ি থওঁ যে মই এই অহিংসা-নীতিক সম্পূৰ্ণৰূপে এতিয়াও পালিব পৰা নাই। পিয়াৰ্ছন চাহাবে কিন্তু এই নীতি বহুত দূৰ পালন কৰি জগতলৈ উজ্জ্বল পটন্তৰ থৈ গৈছে।

দুটা কথা মই এইখিনিতে বিবৰি কওঁ। প্ৰথমতে প্ৰকৃত অহিংসা-নীতি

পালিবলৈ হলে যুদ্ধত প্ৰাণ দিয়াতকৈ অনেক বেছি সাহসৰ আৱশ্যক। কেৱল শাৰীৰিক সাহসতকৈ নৈতিক সাহস বেছি ওখ খাপৰ। দ্বিতীয়তে মই তোমালোকক বুজাব খোজোঁ যে কটা-কটি মৰা-মৰি কৰা খণ্ডতকৈ মনৰ ভিতৰত খং দমাবলৈ বেছি যত্ন কৰা আৱশ্যক। যীশুখৃষ্টই কৈছিল,—"ভায়েকৰ ওপৰত খং কৰা জনৰ বিচাৰ হব।" সেই বাবেইহে উপনিষদে অদমা ঘোঁৰাৰ নিচিনা ইন্দ্ৰিয়বোৰ দমন কৰিবলৈ দঢ়াই দঢ়াই কৈছে। আৰু একেৰি উপদেশ মই তোমালোকৰ আগত কওঁ, সেইটো এই :—ঈশ্বৰৰ খং তেওঁৰ ন্যায়পৰায়ণতাৰ বিৰোধী নহয়। আজিৰ য়ুৰোপ অদম্য প্ৰবৃত্তি আৰু হিংসাৰ ভীষণ পটন্তৰ। য়ুৰোপ লাহে লাহে দেইপুৰি মৰিব লাগিছে। য়ুৰোপে আজি বুদ্ধৰ সেই বাণী,—"বেয়াৰে বেয়াক ভাল কৰিব নোৱাৰি, ভালেৰেহে পাৰি" মানিবলৈ এৰিলে।

আৰম্ভণতে মই আৰু ইয়াতকৈ বেছি কথা কব নোখোজোঁ। কিয়নো মই তোমালোকৰ মনত এটা কথাহে ভালকৈ দকৈ বহুৱাব খোজোঁ, সৰহ কথা কৈ তোমালোকক দোধোৰমোৰত পেলোৱা মোৰ ইচ্ছা নহয়। সম্মেলনত অত্যন্ত তৰুণ অসমৰ আশা-আকাঙ্ক্ষা সম্বন্ধে অলপ বহলাই দুআষাৰমান কবলৈ সুবিধা পাম বুলি আশা কৰোঁ। যদিও ভাৰতৰ এমূৰীয়া প্ৰদেশত বিশাল পৰ্ব্বত আৰু নৈয়ে তোমালোকক আবৰি থৈছে তথাপি (মহাত্মা গান্ধী অসমলৈ আহি নিজেই দেখি গৈছে) তোমালোকৰ জীৱন ভাৰতীয় আধ্যাত্মিক চিন্তাৰ প্ৰভাৱেৰে অনুপ্ৰাণিত আৰু ভাৰতীয় পুৰণি জীৱন তোমালোকৰ গাঁও-বোৰত এতিয়াও অবিকৃত হৈয়ে আছে। ঘৰে ঘৰে এতিয়াও তোমালোকৰ সুঁতা কটা, কাপোৰ বোৱা, শান্তিময় গৃহস্থালি, সৰল ধৰ্ম্মভাৱ সকলো আছে। সেই বাবে মই তোমালোকক ৰবকৈ খাটোঁ যেন তোমালোকে সেই সভ্যতা ৰক্ষা কৰি থাকা আৰু ধৰ্ম্মক ঈশ্বৰৰ মহাপ্ৰসাদ বুলি ভাবা। যি বৃথা গৰ্ব্বই মাথোঁ লোকৰ কিবা এটা ধুনীয়া দেখিলেই বান্দৰৰ দৰে অনুকৰণ কৰিবলৈ শিকায়, যি বৃথা গৰ্ব্বই সাজুপাৰত লোকৰ অনুকৰণ কৰিবলৈ শিকায়, অহঙ্কাৰী কৰি তোলে, তেনে গৰ্ব্বৰ ছাঁ তোমালোকক স্বদেশপ্ৰেমত পৰিবলৈকে নিদিবা। তোমালোকৰ স্বদেশপ্ৰেমে যেন তোমালোকৰ ঘৰৰ দাঁতিৰ পৰ্ব্বত, নৈ, গাঁও-বিলাকক ভাল পাবলৈ শিকায়, যেন ই তোমালোকৰ গাঁৱলীয়া জীৱন ভাল পাবলৈ শিকায়। তোমালোকৰ শিক্ষা সাং হলে তোমালোকৰ নিজৰ গাঁৱলৈ উভতি যাবা আৰু তোমালোকৰ লৰা-ছোৱালী ডাঙৰ হলে 'অদ্বৈতম্' আৰু

'অহিংসা' এই পবিত্র মহামন্ত্র ছুৰাকি শিকাবা। তেনেহলে অসমে ভৱিষ্যতে নিজৰ প্ৰতি, ভাৰতৰ প্ৰতি, আৰু গোটেই মানৱ জাতিৰ প্ৰতি কৰ্ত্তব্য কৰা হব।

সামৰণি মন্তব্য

এই সভাত তোমালোকৰ মাজত যি সমিলমিল আৰু একতাৰ ভাৱ বঢ়িয়াকৈ দেখা পালোঁ৷ তাৰ বাবে সভাৰ শেষত এতিয়া মই ইয়াৰ আগবণুৱা কাৰ্য্যকাৰকসকলৰ শলাগ লৈছোঁ। এই সম্মেলনত, সদৌ ভাৰতৰ মহান জীৱনলৈ চকু দিও ইপিনে অসমৰ নিজত্ব ৰাখি, উন্নতি পথত যি স্বদেশ-হিতৈষিতাৰ চিন পোৱা গৈছে, তাত আচল স্বদেশপ্ৰেম ফুটি উঠিছে। মই এই কেইদিন তোমালোকৰ মাজত থাকোঁতে, যি কথাবোৰে তোমালোকৰ মনত খুন্দিয়াইছে, তাকে মোক তোমালোকে ঘূৰাই ঘূৰাই সুধিছা। তোমালোকে অসমীয়া ভাষা আৰু অসমীয়া আখৰ স্বকীয়া কৰিবা নে নকৰিবা, ভাৰতবৰ্ষৰ আন আন ঠাইৰ মানুহবিলাকক অসমত বসতি কৰিবলৈ দিবা নে নিদিবা, কলিকতাকে তোমালোকৰ শিক্ষা আৰু সাহিত্য দুইৰো ঘাই কেন্দ্ৰ পাতিবা নে কি, তোমালোকে গাই গোটা ভাৱে নিজৰ দেশৰ ফালে নেচাই আহল-বহল জগতৰ মুকলি পথাৰলৈ ওলাবা নে নাইবা যি কৰা সকলো অসম দেশৰ ভালৰ কাৰণেহে কৰিবা এইবোৰেই হৈছে প্ৰশ্ন।

তোমালোকৰ নিজা ঠাইৰ এনেবোৰ টান প্ৰশ্নৰ উত্তৰ দিয়াটো মোৰ কাৰণে দুৰূহ। কিন্তু তোমালোকে নিজেই নিজৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ তোমালোকক সহায় কৰিব পৰা, মানুহ জীৱনৰ কেইটিমান মূল কথা থোৰতে তোমালোকক ধৰি দিব পাৰোঁ। পোনতে আমাৰ ভৱিষ্যতৰ বিষয়ে অলপ ভালকৈ ভাবি-চিন্তি চোৱা যঁক। নিজক স্বকীয়াকৈ ৰাখি মানুহ জাতিৰ মিলনৰ আগত বাধা দিবলৈ যোৱাটো, তাহানি সাধুকথাত কেনিউট ৰজাই সাগৰৰ জোৱাৰ ভেটিবলৈ যোৱাৰ নিচিনা অৰ্থ নাইকিয়া কথা। আমাৰ জাতি-বৰ্ণ, ভাষা-ধৰ্ম্ম, দেশ আদি সকু কথাবোৰে অলপ কালৰ কাৰণে মহামিলনৰ সোঁতত বাধা দিব পাৰে কিন্তু সেইবোৰে কেতিয়াও বিশ্বমানৱৰ ভেটা-ভঙা সোঁত বন্ধ কৰিব নোৱাৰে। সেই সোঁতৰ গতি হৈছে সকলো মানুহ, জাতি, ধৰ্ম্ম, ভাষা আৰু দেশ একে কৰা মহান সাগৰৰ ফাললৈ।

কিয়নো মানুহজাতি গুৰিতে একে পৰিয়ালৰ, একে বংশৰপৰা ওলোৱা এক অধ্যাত্ম জীৱনত আৱদ্ধ আৰু এটাইবোৰ একেলগে এক হোৱাৰ আশাৰেই থ্‌ূপ খোৱা। বেদান্তৰ মূল কথা 'তত্ত্বমসি'এ মই আগেয়ে কোৱা 'অদ্বৈতম্' ৰ আধ্যাত্মিক ঐক্যৰ যি মানে, মই এতিয়া কোৱা কথাবো সেই একে অৰ্থ ইহে, 'পিতা নোঽসি'—তুমি আমাৰ পিতা, 'পিতা নো বোধি'—তুমি আমাৰ পিতা বুলি আমাক জানিবলৈ দিয়া এই প্ৰাৰ্থনা অন্তৰৰ সৈতে বুজি কৰিলে গোটেই মানুহ জাতি মিলাই সকলো ভেদ বুদ্ধি লুপ্ত কৰা এটা ডাঙৰ পৰিয়াল কৰি লোৱাটোকেহে বুজায়। ই কেৱল এটা নিগূঢ় ধৰ্ম্ম বিশ্বাস নহয়, ই বিজ্ঞানে দিনক দিনে বেছি সঁচা বুলি প্ৰমাণ কৰি গৈ থকা এটা বৈজ্ঞানিক তথ্য।

ইজন সিজনৰ মাজত হিংসা অহঙ্কাৰৰপৰা ওপজা মানুহৰ দুৰ্ব্বলতাৰ কথা এৰি দিলেও, আগৰ ভৌগোলিক বিভিন্নতাইহে যে আমাক পৃথক কৈ ৰাখিছিল, অলপ দকৈ গমি চালেই ভালকৈ বুজা যাব কিন্তু এই ভৌগোলিক বিভিন্নতা যে মানৱ-যাত্ৰীৰ নৱযাত্ৰাৰ সোঁতত উটি যাবলৈ ধৰিছে তাক আমি আমাৰ দিনেকীয়া জীৱনতে প্ৰমাণ পাব লাগিছোঁ। আৰু সৰহ দিন নাই যেতিয়া আকাশত ফুৰা আৰু তাঁৰ নোহোৱা বিজুলী বাতৰি আজি কালিৰ বাইছিকেল গাড়ীৰ নিচিনাকৈ পোৱা যাব, তেতিয়া এই দেশৰ জাতি বৰ্ণৰ ভেদজ্ঞান জগতৰ 'বগা অষ্ট্ৰেলিয়া' আৰু 'বগা দক্ষিণ আফ্ৰিকা' বোলা যত কূটনীতি আদি একোৱেই মানুহ জাতিৰ মহামিলনৰ সোঁত ভেটিব নোৱাৰিব। আজি আমি তিনি হেজাৰ বছৰৰ আগৰ জাতিগত যুগৰপৰা যিমান আঁতৰি আহিছোঁ মানুহ জাতিৰ ভৱিষ্যতো বৰ্ত্তমানৰপৰা সিমান আঁতৰ হব। যোৱা সপ্তাহৰ কাকতত ওলোৱা মতে যুক্তৰাজ্যৰ গৱৰ্ণমেণ্টে অহা জহকালি জাপান, চীন আৰু ছাইবেৰিয়ালৈ গৱৰ্ণমেণ্টৰপৰা এখন আকাশীৰথ কিয় পঠাব খুজিছে বুজিছা নে? পৃথিৱীখন লাহে লাহে সৰু হৈ আহিছে। সেই বাবে তোমালোক ডেকাসকলে এই নতুনকৈ পোৱা মানুহ জাতিৰ স্বাধীনতাৰ অধিকাৰ গ্ৰহণ কৰিবলৈ বুকু ডাঠি ওলাই আহিব লাগিব। তোমালোকৰ মহাকাব্য ৰামায়ণৰ শ্ৰীৰামচন্দ্ৰই যুঁজ কৰিবলৈ গৈ অনাৰ্য্য জাতিবোৰক এক কৰি ভাৰতলৈ আৰ্য্য-অনাৰ্য্যৰ মিলন অনাৰ দৰে তোমালোকৰ বীৰ জীৱন বাঞ্ছা কৰা সকলে, তোমালোকৰ বোপা-ককাৰ দেশতকৈও ডাঙৰ

দেশ উলিয়াই সদৌ মানুহ জাতিৰ মিলনমেলা পাতিবলৈ ওলাব লাগিব। তোমালোকৰ আগৰ ঠেক সাম্প্ৰদায়িক ভাৰত খৃষ্টান, মুছলমান, হিন্দু আদি হৈ আৰু জাতিগত ভাৰত হিন্দুস্থানী, বঙালী, অসমীয়া হৈ থাকিব নোৱাৰিবা। ওপৰত কোৱাৰ নিচিনা ভেটাত লাগি তোমালোকে আৰু কতো মহামিলনৰ সোঁতত উটি নোযোৱাকৈ থাকি যাব নোৱাৰিবা। তোমালোকে গোটেই জগতৰ সমান আহলবহল এখন দেশৰ সকলো মানুহকে সামৰি লোৱা এটা ধৰ্ম্মৰ এটা ডাঙৰ মানুহ জাতিৰ ফালে টোঁৱাই মূৰ থিয় কৰি যাব লাগিব।

মই তোমালোকক আগেয়ে কৈছোঁ যে ই এটা মনত সন্দেহ ওপজোৱা নিগূঢ় ধৰ্ম্মবিশ্বাস নহয় কিন্তু ই এটা বৈজ্ঞানিক সত্য। ইয়াৰ দৃষ্টান্ত হিচাপে আজি ৰাতিপুৱা মই নিজে পোৱা এটি অভিজ্ঞতাৰ কথা কওঁ শুনা। মই থকা ডাকবঙলাৰ বাহিৰত এজন একেবাৰে অচিনাকি ভদ্ৰলোক দেখা পালোঁ। তেওঁ এজন অসমীয়া মুছলমান আৰু মই এজন ইংৰাজ খৃষ্টান অথচ তেওঁক দেখা মাত্ৰে তেওঁৰ চকুত এটি বৰ্ণাব নোৱাৰা সহানুভূতি আৰু মানুহৰ আত্মাৰ সম্পৰ্কৰ চিন দেখা পালোঁ আৰু তেৱোঁ মোৰ চকুত সেই সেই একে চিনকে ফুটি উঠা দেখা পালে আৰু এক নিমিষতে তেওঁৰ চকুত ফুটি উঠা আত্মাৰ লগত মোৰ আত্মা মিলি গল আৰু এষাৰ কথা নোকোৱাকৈয়ে মোৰ আত্মাৰ লগত তেওঁৰ আত্মাৰ মিল হল। মই গোটেই পুৱাটো 'তত্ত্বমসি' 'তুমিয়েই তেওঁ' ভাৱত মিলনৰ আনন্দত মগন হৈ নিয়ালোঁ। এই বিশেষ ঘটনাটোৱে সকলো মানুহৰ যে আত্মা এক আৰু একে জাতি ইয়াকে নুবুজায় নে? আমাৰ সকলো শৰীৰ এক অদ্বিতীয় ভাগ কৰিব নোৱাৰা মহাপ্ৰাণৰ সুৰত কঁপা আৰু ঈশোপনিষদে আৰম্ভ কৰাৰ দৰেঃ 'ঈশাবাস্যমিদং সৰ্ব্বং যৎ কিঞ্চ জগত্যাং জগৎ।' বসুধাই যাৰ কুটুম, এনে এখন বহল দেশলৈ তাহানিৰ আশ্ৰম আৰু বনবাসীসকল সোমাই গৈছিল। আজি আমি চকুৰ আগতে দেখিবলৈ পোৱা বিশ্বমানৱৰ মহামিলনৰ ছবি তেওঁলোকে অতি আগেয়েই কল্পনা-চকুৰে চাই গৈছিল। তোমালোকে মোক সুধিবা যে এই 'অদ্বৈত মন্ত্ৰ' মতে আমি অসমীয়া হৈ অসমীয়াক বা ভাৰতীয় হৈ ভাৰতীয়ক ভাল নেপাই অকল বিশ্বৰ মানুহকহে ভাল পাম নে? অস্! একেটা কথাকে ছাত্ৰবিলাকে মোক কিমান বাৰ সুধিছে। ই গোটেই ভাৰতীয় ছাত্ৰৰ মাজত এটা সাঁথৰৰ নিচিনা হৈছে। অথচ তাৰ উত্তৰটো নিচেই পানী যেন। কবি লভালছৰ "গল্ড্‌ন ট্ৰেজুৰীত" থকা কৱিতা

কেইশাৰী তোমালোকৰ মনত থাকিব পায়। "I could not love thee, dear, so much Loved I not honour more." তোমালোকে বিশ্বমানৱক বেছি ভালপাবা বুলিয়েই যে নিজৰ দেশক কম ভাল পাবা এনে নহয়। আধ্যাত্মিক ভাৱে তেনে কথা হবই নোৱাৰে। গণিতৰ সাধাৰণ এটা যোগ কৰিবলৈ হলে আন এটাৰপৰা বাদ কাটিব লগা নিয়মবোৰ আধ্যাত্মিক জীৱনত নচলে। গণিত-শাস্ত্ৰৰ এনেবোৰে নিয়ম আধিভৌতিক জীৱনতহে খাটে কিন্তু আধ্যাত্মিক জীৱনত ঠিক তাৰ ওলোটাটোহে হয়। দৃষ্টান্ত স্বৰূপে খৃষ্টই কোৱা "যি প্ৰাণ হেৰুৱাব তেওঁহে প্ৰাণ পাব," কথাষাৰ গণিত মতে একেবাৰে অসম্ভৱ। ইপিনে আকৌ আত্মত্যাগৰ অৰ্থমতে এই কথাষাৰৰ সত্যটো আমি সদায় বুজিব লাগিছোঁ। সেই কাৰণে তোমালোকে যদি সঁচাকৈয়ে বিশ্বসেৱাৰ কাৰণে আত্মত্যাগ কৰিবলৈ ওলোৱা তেনেহলে তোমালোকে তোমালোকৰ নিজৰ দেশক কম ভাল পাবা ছাৰি বেছিকৈহে ভালপাব লাগিব। বোধকৰোঁ তোমালোকৰ বহুতে ফটো তোলোঁতে কেতিয়াবা কেমেৰাৰ 'লেন্স্' খন ভুলকৈ পাতিছা। তোমালোকে জানা যে 'লেন্স্' বেকা হলে 'ফকাছ' কৰা বেয়া হয় আৰু ফটোখন একেবাৰে নষ্ট হয় কিন্তু 'ফকাছ' ভাল হলে ফটোখনৰ প্ৰত্যেক অংশই ফট্‌ফটীয়া হৈ উঠে। তাহানি ঋষি-মুনিসকলে আমাক দি থৈ যোৱা মানুহৰ জীৱনৰ ঘাই সূত্ৰবোৰতো এই একে কথাই খাটে। তেওঁলোকে মানুহৰ চিন্তাবোৰ এটা থিৰ দৃষ্টিত ভালকৈ 'ফকাছ' কৰি নিয়ম বিহিছিল।

বৰ্ত্তমান য়ুৰোপৰ জীৱন জগতৰ যত যি পায় সকলোকে যেনে তেনে ৰকমে, আনৰ হানি কৰি হলেও নিজৰ দেশৰ কাৰণে ধাঁহি-মুহি অনাৰ চেষ্টাত উত্ৰাৱল হৈ বৰ বেয়াকৈ এই 'ফকাছ' নাইকিয়া হৈ পৰিছে। এনে সঙ্কীৰ্ণ স্বদেশপ্ৰেমে মানুহক কেৱল ৰসাতললৈহে নিয়ে, মন মোহান্ধ কৰে আৰু জীৱনৰ আচল দৃষ্টি ঠিক কৰিব নোৱাৰা কৰে। সকলো মানুহকে একে পৰিয়ালৰ একে আত্মাৰে ফুটি উঠা এক মানুহ জাতি বুলি দেখিব পৰাটোহে জীৱনৰ সঁচা দৃষ্টি। তাহানিৰ ঋষি-মুনিসকলৰ নিচিনাকৈ ভালকৈ ধাৰণা কৰি চালে কেৱল এই সত্যটো দেখিবলৈ পাবা আৰু সকলো কথা উজু হৈ পৰিব। স্বদেশপ্ৰেমে তেতিয়া তাৰ আচল ঠাই পাব আৰু ভয়ঙ্কৰ উখহা ৰাক্ষস এটা যেন নহব। তোমালোকে মোক ক্ষমা কৰিলে মই মোৰ নিজৰ জীৱনতে এই সম্পৰ্কে কথা দেখুৱাব পাৰোঁ। মই ভাৰতক মোৰ হিয়া

উবুৰিয়াই ভাল পাওঁ বুলি কওঁতে মই মোৰ নিজা দেশ ইংলণ্ডকো তেনেকৈয়ে ভাল নেপাওঁ বুলি তোমালোকে কেতিয়াবা কেনেবাকৈও ভাবা নে? যদি সঁচাকৈয়ে মই ভাল নেপাওঁ তেনেহলে তোমালোকে মোক ঘিণ কৰিবা আৰু তেনে কৰাটো তোমালোকৰ ন্যায়সঙ্গত কাম হব কিয়নো মই তেনে কৰিলে দেশৰপৰা খেদা খোৱা বাজে মাৰ্কা এটাহে হম। এই কথাবোৰ জীৱনত পালি চলাটো কেনে আচৰিত ৰকমে উজু কাম। ই পানীত সাঁতুৰিবলৈ শিকাৰ নিচিনা কথা কিয়নো পানীত পৰি হাত-ভৰি ধপ্‌ধপাবলৈ ধৰিলেহে সোনকালে সাঁতোৰ শিকিব পাৰি কিন্তু তেনে নকৰি পানীৰ ওপৰত কুচিমুচি থাকিলে মানুহ জনমৰ এই পৱিত্ৰ জীৱ সেৱাৰ মঙ্গলময় আনন্দ উপভোগ কৰিব নোৱাৰিবা আৰু তোমালোকৰ সেই সঙ্কীৰ্ণ আপোনপেটীয়া স্বদেশপ্ৰেম নিজৰ স্বাৰ্থপৰতাৰে দেশলৈ আচল মঙ্গলতকৈ বেছি অমঙ্গল আনি ঠেৰেহা মৰা কিবা এটা হৈ থাকিব। সেই বাবে মই তোমালোকৰ আগত ঈশোপনিষদ আৰম্ভ হোৱা সেই আচৰিত বাণীকে দোহাৰি গাওঁ—

"ঈশাৱাস্যমিদং সৰ্ব্বং যৎ কিঞ্চ জগত্যাং জগৎ"

দেহ-মন-চিতে মানুহ-জাতিক প্ৰেমৰ আলিঙ্গনৰে আঁকোৱালি ধৰা তেতিয়া তোমালোকে ভুল নোহোৱা সহজ জ্ঞানেৰে সেই সঁচা কথাষাৰ বুজি লবা আৰু সি তোমালোকৰ দেশৰো মঙ্গল কৰিব। তেতিয়া তোমালোকে কোৱা নিজ ভাষা, সাহিত্য আৰু আখৰ আদি খেলিমেলি লগোৱা কথাবোৰ 'ফকাছ' নাইকিয়া নহৈ পোন আৰু নিচেই উজু হৈ পৰিব। পঢ়াশালিৰ শিক্ষকৰ নিচিনাকৈ মই এই এটাইবোৰ কথা আন ৰকমে ছুনাই কওঁ। এসময়ত যে সকলো জাতি নাইকিয়া হৈ মাথোন এটা জাতি হবগৈ, এই কথাষাৰ মই বিশ্বাস কৰোঁ। যদি আমাৰ সকলো একে পৰিয়ালৰে হব লাগে, তেনেহলে আমাৰ দিনেকীয়া জীৱনত 'অদ্বৈতম'ক বুজিব লাগে; তেতিয়াতো আৰু সকলো মানুহ এক হোৱাত বাজে আন একো উপায় নাই।

তেওঁ বুলি এইটো মই নহয় নোবোলোঁ যে আগৰ আৰু এতিয়াৰ মানুহৰ নিজা ভাষা, বেলেগ আখৰ, সুকীয়া ঠাইৰ সুকীয়া নীতি-নিয়ম আদিৰপৰা হোৱা নানা বৰ্ণ বিচিত্ৰতা আৰু অনেক ৰকম সৌন্দৰ্য্যৰ ভিতৰেদি মানুহ জাতিয়ে উত্তম সম্পদ লাভ কৰিছে। কিন্তু ঈশোপনিষদে কোৱা মতে এই সকলোবোৰ "ঈশাৱাস্যমিদং সৰ্ব্বং যৎ কিঞ্চ জগত্যাং জগৎ"—এই সকলোবোৰ অশাশ্বত, পৰিবৰ্ত্তনশীল, সেইবোৰ মৰি মৰি নাইকিয়া হৈ আকৌ নতুন নতুনকৈ

ওলাই নতুন সৌন্দৰ্য্য প্ৰকাশ কৰি আৰু সকলো ঠেক খণ্ডেকীয়া ভাৱ এৰি লাহে লাহে বেছি শাশ্বত সত্যৰূপে 'অদ্বৈতম'ৰ ওচৰ পায়।

"Our little systems have their day ;
They have their day and cease to be ;
They are but broken lights of Thee
And thau, O ! Lord are more then they."

এই এক আৰু বহুৰ বাহিৰ-ভিতৰ খেলা চিৰকাললৈকে নহব নে বুলি তোমালোকে মোক সুধিলে মই এই নজনা কথাৰ উত্তৰ দিব নোৱাৰিম। কিন্তু মই এইটোকে কব পাৰিম যে মানুহৰ ইতিহাস আৰু মানুহে কৰা বিজ্ঞানৰ সকলো সোঁত একে ফাললৈহে বৈছে,—মানুহৰ প্ৰাণৰ বাধা নমনা অদম্য আকাঙ্ক্ষা লাহে লাহে এক হৈ মিলাৰ ফাললৈহে গৈছে। প্ৰেমৰ প্ৰতি কামটোৱে, ত্যাগৰ প্ৰতি অনুষ্ঠানে আৰু আত্মাৰ স্বাৰ্থহীন প্ৰতি গতিটোৱে মানুহক সেই একে লক্ষ্যলৈকে ধাবমান কৰিছে। মানুহ জাতি গৈ এক হলেগৈ কিজানি আন কিবা নতুন বৰ্ণ-সৌন্দৰ্য্যৰ বিচিত্ৰতাই আকৌ এক আৰু বহুৰ খেলা পাতিবৰ নিমিত্তে মহিমাময় লীলা প্ৰকাশ কৰিব।

তোমালোকৰপৰা আঁতৰি যোৱাৰ আগতে মই ৰোগত ভোগা মানুহৰ বিষয় লৈ দুষাৰ কথা কব খোজোঁ। আমাৰ গাঁওবোৰত ৰোগত ভোগা মানুহ বিলাকৰ বৰ্ণাব নোৱাৰা দুখ দেখিলে সকলো ধৰ্ম্ম, জাতি আৰু ৰাজনীতি বিষয়ৰ কথা তল পৰি যায়। ভাৰতৰ গাঁৱলীয়া জীৱনৰ লগত সম্পৰ্ক থকা তোমালোকৰ সকলোৱে জানা, যোৱা মহাৰণৰ পিছৰপৰা গাঁৱলীয়া ৰাইজ কেনে দুখীয়া টোকোনা হব লগাত পৰিল। য়ুৰোপ, এছিয়া দুয়ো ঠাইতে মানুহৰ জীৱন দুখময় হৈ উঠিল। যদি অসমৰ উঠি অহা ছাত্ৰসকলৰ উছাহ-উদ্যোগ সেই কামত লগায় তেনে এই দৰিদ্ৰতাৰ মুদা মাৰিবৰ অসমত দুটা বাট আছে।

পোনতে মহাত্মা গান্ধীয়ে শলাগ লৈ যোৱা তোমালোকৰ বোৱা-কটা প্ৰথাটো যদি গাঁৱৰপৰা তুলি দিয়া যায় তেনেহলে দুৰ্ভিক্ষ আৰু দুৰ্দ্দিনৰ নিচিনা মহাসাগৰত ৰক্ষা কৰিবপৰা তোমালোকৰ গাঁৱে লঙৰ হেৰুৱালে বুলি জানিবা। সেই কাৰণে তোমালোকৰ ছাত্ৰ সম্মেলনে এই ঘৰতে সূঁতা-কটা আৰু তাত বোৱা সম্পৰ্কে তীব্ৰ অনুৰাগ আৰু উছাহ দেখুৱা উচিত নহয় নে ?

দ্বিতীয়তে কানি ৰবিহৰ শাওপাতৰ বিষাক্ত বতাহে অসম-আকাশ ছানি পেলাইছে। গৱৰ্ণমেণ্টৰ আইনে ইয়াক আঁতৰাবলৈ সহায় কৰিব পাৰে যদিও ই কেৱল আইনৰ দ্বাৰা একেবাৰে তুলিব পৰা কথা নহয়। দুৰ্ভাগ্যৰ কথা যে সদায়েই দুখীয়াৰ দৰিদ্ৰতাৰ লগত এখন পাপৰ বেৰা আছেই। ৰাগীয়াল বস্তুৰ ব্যৱহাৰে মানুহৰ দৰিদ্ৰতাত সহায় কৰে আৰু দৰিদ্ৰতায়ো ৰাগীয়াল বস্তুৰ ব্যৱহাৰত সহায় কৰে এনেকৈয়ে ঘূৰি ঘূৰি পাপৰ বৃত্তটো পূৰা হয় আৰু মানুহবোৰৰ পৰকিতি লৰি একেবাৰে পাপৰ বগতীয়া হৈ পৰে। মই চৌদিশৰপৰা শুনিবলৈ পাইছোঁ হেনো কানি বিহেই অসমৰ জীৱনীশক্তি শুহিছে আৰু বোলে পুৱা উঠি বনুৱাই তেওঁৰ প্ৰত্যেক দিনৰ হিচাপৰ কানি নধৰাকৈ পথাৰৰ ফালে ভৰিকে নেদাওে। মাক-বাপেকে নিজৰ অজ্ঞানতাৰ কাৰণে সৰু সৰু লৰা-ছোৱালীকো হেনো কানি খুৱাই শুৱাই থয়। তেনেহলে তোমালোক ছাত্ৰসকলে এই সম্পৰ্কে কি কৰা উচিত? ফৰাচী দেশৰ মহামতি লেমেনেইছে কোৱাৰ নিচিনাকৈ ত্যাগত বাজে আৰু একো ফলপ্ৰদ হব নোৱাৰে। তোমালোকে তোমালোকৰ এনে বিধৰ বেয়া অভ্যাসবোৰ এৰি দিয়া যদি পৰক সহায় কৰিবলৈ বেছি বলী, বেছি সুস্থ, বেছি সুখী আৰু আনন্দিত হব পাৰিবা। সেই কাৰণে তোমালোকে ছাত্ৰ হিচাপে পোনতে এই কানিৰ বিষয়টো ভালকৈ তলা-নলা মাৰি জানি লোৱা। তাৰ পিছত সেই সম্পৰ্কে সকলো ৰকমৰ প্ৰয়োজনীয় কথাবোৰ গোটাবলৈ যত্ন কৰিবা আৰু পুব চুকৰ জাপান, ফিলিপাইনকে ধৰি পৃথিৱীৰ সকলো উন্নতি কৰা জাতিয়ে কিয় কানিক বাহিৰ কৰি খেদালে তাকো ভালকৈ ভাবি চাবা। চাইচিন্ত এই শাওপাতে তোমালোকৰ নিজৰ দেশক ছুব নোৱাৰা কৰি ৰাখিবলৈ লাগি যোৱা আৰু যেতিয়ালৈকে তোমালোকৰ দেশত এই ৰবিহৰ পুলিয়ে-পোখাই মাৰি শেষ কৰিব নোৱাৰা তেতিয়ালৈকে জিৰাণ নোলোৱাকৈ কাম কৰি গৈ থাকা।*

* শ্ৰীযুত পাৰ্বতিপ্ৰসাদ বৰুৱা, শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা (অধ্যক্ষ, নগাওঁ কলেজ) আৰু শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ দ্বাৰা মূল ইংৰাজীৰপৰা অসমীয়ালৈ অনূদিত। —সংগ্ৰাহক।

কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

নবম ভাষণ

সভাপতি ঃ—কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

শিৱসাগৰ—১০, ১১ অক্টোবৰ, ১৯২৪ চন

মৰমৰ ছাত্ৰ-বন্ধুসকল, সমৱেত ভদ্ৰমণ্ডলী আৰু আইদেউসকল! আজি মোৰ জীৱনৰ এটা বিশেষ দিন। বহু কাৰণত আজিৰ দিনটো মোৰ পক্ষে এটা বিশেষ দিন বুলি বৰ্ণনা কৰিছোঁ। কিন্তু এই দিনটো মোৰ পক্ষে সুখৰ হলেও আজি যাৰ নিমিত্তে এই আসনখনি অতি আদৰেৰে আপোনালোকে পাতিছিল, তেখেত অনুপস্থিত থকাত নিঃকিন অনুপযুক্ত মই তেখেতৰ আসনখনি বৰ ভয়েৰে, বৰ সন্তৰ্পণেৰেহে গ্ৰহণ কৰিলোঁ। শ্ৰীযুতা নাইডু মোৰ বন্ধু, তেখেতক মই বৰ ভালকৈ চিনি পাওঁ আৰু তেখেতৰ গুণ-গৰিমাও মই বৰ বঢ়িয়াকৈ জানো। তেখেতক ইয়াত পায়ো হেৰুৱাটো নিশ্চয় দুৰ্ভাগ্যৰ কথা। মই আশা কৰোঁ, ভৱিষ্যতে তেখেত এই অসমলৈ এবাৰ আহি অসমবাসীৰ গৌৰৱ ৰক্ষা কৰিব।

শ্ৰীযুতা নাইডু অসমলৈ কেলেই নাহিল তাক আপোনালোকে সকলোৱে নিশ্চয় জানে। যোৱা তিনি সপ্তাহ ভাৰতৰ—জগতৰ এটা ঘোৰ আশঙ্কা, ঘোৰ ভয়, আৰু মহান গৌৰৱৰ দিন। মানুহ জন্মে, মৰে, খায়, ফুৰে, কাম কৰে, আহে আৰু যায়। এই ধৰণে লক্ষ লক্ষ মানৱ জড় জগতৰ পোহৰত পোকে জিকিমিকি কৰাদি, ক্ষন্তেক জিকিমিকি কৰি অনন্ত সমুদ্ৰত বুৰ মাৰে। কাৰো লেখ কোনেও নলয়। কিন্তু বহু শতাব্দীৰ পিছত একোজন মহাজন-মহামানৱ আহি জগতত এক ঝলক পোহৰ দি তাৰ ৰশ্মি দিগ-দিগন্তত বিকীৰ্ণ কৰি শত শতাব্দী ব্যাপ্ত কৰি থৈ যায়। এনে মানুহ যিটো যুগত জন্মে সেই যুগেই ধন্য—সেই যুগৰ মানুহেই ধন্য। আজি ভাৰতত গান্ধী-যুগ। এই মহামানৱটিৰ মহান্ কাৰ্য্য

আজি প্ৰায় ৩০ বছৰৰপৰা শুনি অহা গৈছে। বয়সৰ লগে লগে তেওঁৰ ভিতৰৰ মহামানৱত্ব আজি ফুটি উঠিছে। আজি ভাৰতৰ মহাব্ৰত। ভাৰতৰ মহান ঋষিয়ে ২১ দিন মহাব্ৰত কৰি নিজৰ যন্ত্ৰণাৰে নিজৰ দুঃখেৰে, নিজৰ তেজেৰে হিন্দু-মুছলমানৰ ভিতৰত সৌহাৰ্দ্দ স্থাপন কৰিবলৈ যত্নৱান। অন্তৰ্য্যামীজনে ভক্তৰ এই ত্যাগ, এই আত্মবলিদান নীৰৱে চাই আছে। ভাই হিন্দু! ভাই মুছলমান! ভাই খৃষ্টিয়ান! ভাই জৈন, বৃদ্ধ আহা, আজি ভক্তিভাৱে ভগৱানক ধন্যবাদ দিওঁ আৰু প্ৰাৰ্থনা কৰোঁহক মহাত্মাৰ অহিংসা ব্ৰত সুসিদ্ধ হওক, জগতত শান্তি স্থাপিত হওক। এই উৎকণ্ঠাৰ দিনত মহাত্মাৰ মহাপ্ৰিয় নিজ জীয়াৰীৰ নিচিনা শ্ৰীযুতা নাইডু যদিওবা আমাৰ ইয়ালৈ আহিব নোৱাৰিলে, সেই বাবে আমি তেখেতৰ ওপৰত কোনো অভিমান ৰখা নাই। কেৱল আশা ৰাখোঁ যেন ভাল দিনত তেখেত এদিন আহি যায়। এই খিনিয়েই মোৰ বক্তব্যৰ পাতনি। তাৰ পিছত নিজৰ সম্বন্ধে দু-আষাৰ মান কথা আপোনালোকৰ অনুমতি লৈ কম।

আত্মনিবেদন:—হে মোৰ প্ৰিয়তম বন্ধু আৰু আইদেউসকল! আজি কুমলীয়া অলপ বয়সিয়া তোমালোকক বন্ধু বুলি মাতিবলৈ কিমান ভাল লাগে মই কব নোৱাৰোঁ। বৰ গৌৰৱেৰে কওঁ যে আজিও মোৰ ছাত্ৰ জীৱন শেষ হোৱা নাই। মোৰ জীৱনৰ আদিত ছাত্ৰ জীৱন, মোৰ জীৱনৰ মধ্যাহ্নত ছাত্ৰাবাস আৰু ছাত্ৰসকলৰ লগতে সদায় সম্বন্ধ আৰু আজি জীৱনৰ অপৰাহ্নত মোৰ দেশৰ ছাত্ৰবিলাকক লৈয়ে মোৰ জীৱনৰ খেলা। হে মোৰ দেশবাসীসকল! হে মোৰ দেশৰ ভৱিষ্যত আশা-ভাৰসাৰ পাত্ৰসকল! হে মোৰ সুজলা-সুফলা শস্য-শ্যামলা জনমৰ ঠাই আই অসম! মোক অকিঞ্চন বুলি মোৰ শত ক্ৰুটী মাৰ্জ্জনা কৰা। মোৰ শত অপৰাধৰ দোষ এৰি দিয়া—মই যে অতি দীন, অতি দুৰ্ব্বল। মই যে মোৰ পতিতা, হতভাগিনী দুখুনী আই ভিন্ন একো নাজানো। মনত পৰিবৰেপৰা ভালপাওঁ মোৰ জন্মদাত্ৰী আইক, বৰ ভালপাওঁ মোৰ দেশৰ সুনীল আকাশ, নিৰ্ম্মল বতাহ, বৰ ভালপাওঁ মোৰ দেশৰ বুকেদি বৈ যোৱা উদাৰ বহল ব্ৰহ্মপুত্ৰ নৈখনক। বৰ উলাহেৰে, বৰ আনন্দেৰে চাই থাকোঁ মোৰ দেশৰ উত্তৰে-দক্ষিণে থকা উন্নতশিৰ শ্যামল তৰু-লতাৰে ভৰা পৰ্ব্বতশ্ৰেণী। বৰ তৃপ্তি পাওঁ মোৰ দেশৰ কেতেকী,

পাতমাদৈ, কুলিৰ মাত শুনি। বৰ ৰং পাওঁ মোৰ দুখীয়া ভাই-ভনীবিলাকৰ সৰল সহজ জীৱন। এটাইতকৈ ভালপাওঁ মোৰ সাতামপুৰুষীয়া ভগা পঁজাটিক। মোৰ আই বুঢ়ীআয়ে জহকালি চোতালত পাটী পাৰি বিচনীৰে বিচি বিচি কত সাধুকথা কৈছিল। মই সাধুকথা শুনি শুনি অনিমেষ নেত্ৰে আকাশৰ লক্ষ লক্ষ তৰাৰ ফালে চাই চাই আত্মহাৰা হৈ গৈছিলোঁ। মোৰ পঁজাৰ ভগা জলঙাৰ ভিতৰেদি যেতিয়া উষাই নিজ ৰূপৰ অলপমান মোৰ নয়নত আনন্দ দিবলৈ পঠিয়াই দিছিল, সাৰ পায়ে তাক দেখি আনন্দত বিভোৰ হৈ মোৰ দুখুনী আইৰ ডিঙিত সাৱট মাৰি ধৰি বালসুলভ কত কথা কৈছিলোঁ। হে মোৰ জননী জন্মভূমি! তুমি যে মোৰ সেই স্নেহশীলা আইৰো জননী। মোৰে দৰে আই! তোমাৰ ধূলিত বাগৰি, তোমাৰ ধূলিত উমলি, মোৰ পিতৃ-পুৰুষৰ সকলো মানুহেই সুখে-দুখে দিন কটাই দিছিল। মুক্তিত হেনো মানুহৰ বৰ আনন্দ, স্বৰ্গ হেনো বৰ সুন্দৰ। স্বৰ্গত সৰগবাসীয়ে কি কৰে কব নোৱাৰোঁ। মৰ্ত্ত্যত যে মোৰ হিয়াৰ গোটেইখিনি আনন্দ, মোৰ প্ৰাণৰ গোটেইখিনি প্ৰেম, মনৰ সকলো মধুস্মৃতি, মোৰ বাল্যকালৰ আনন্দ, যৌৱনৰ প্ৰণয়, বাৰ্দ্ধক্যৰ বন্ধুত্ব, সকলোখিনি মোৰ জন্মভূমি আই, তোমাৰ লগত সানি থোৱা। জাতীয় গৌৰৱেৰে যে মোৰ দেশ মণ্ডিত। শৰতৰ জোনাকে মোৰ দেশ সপোন-ৰাজ্যত পৰিণত কৰে, বাৰিষাৰ ঝৰ ঝৰ বৰষুণৰ ধাৰে যে মোৰ দেশত কত বিৰহ-গাঁথা গাই যায়, বসন্তত যে মোৰ দেশ ৰূপে-ৰসে-গন্ধে-গীতে সমুজ্জ্বল হৈ থাকে, হেমন্তৰ শ্যামল ক্ষেত্ৰৰ মাজে মাজে পকা ধানে সোণালী বৰণ সানি থৈ দিয়ে, মোৰ হিয়াৰ মাজেদিও কত সুখৰ ঢৌ খেলি যায়। এই হেন আইক কিমান ভাল-পাওঁ তাক ভাষাৰে বৰ্ণাব নোৱাৰোঁ। মোৰ দুখুনী জননী জন্মভূমি! তুমিয়ে মোৰ স্বৰ্গ, তুমিয়ে মোৰ মোক্ষ, তুমিয়ে মোৰ জগদ্ধাত্ৰী। তোমাৰে দশ দিশক দশভুজ কল্পনা কৰি অসুৰ ভাৱক বিনাশকাৰিণী দুৰ্গে বুলি হিন্দুৱে তোমাৰে জ্যোতিৰ্ময়ী মাতৃমূৰ্ত্তি পূজা কৰে। তোমাতে যে প্ৰকৃতিৰ ৰূপ দেখি হিন্দুৱে তোমাক মায়াৰূপিনী "নমস্তে জগৎচিন্ত্যমান স্বৰূপে নমস্তে মহাযোগিনি জ্ঞানৰূপে" বুলি ধ্যান কৰে—তোমাকে ঈশ্বৰ বাসনা বুলি অনুভৱ কৰে। সেই দিনাখন তোমাৰ ৰূপে মোৰ ক্ষুদ্ৰ পঁজাটিৰ পৰা বাঢ়ি বাঢ়ি গৈ বিৰাট আকাৰ ধাৰণ কৰে। সেই দিনাখন আই!

তুমি এছিয়া, য়ুৰোপ, আমেৰিকা সকলোখিনি তোমাৰ বিৰাট শৰীৰৰ এটা কোণত কেৱল ঠাই দিয়া। সেই দিনাখন ভকত-সন্তানে তোমাৰ মাজেদি মূৰ্ত্ত ঈশ্বৰ-বাসনাৰ বিশ্বৰূপ দেখা পায়। এয়ে হিন্দু সন্তানৰ কল্পনা। মুছলমান• খৃষ্টিয়ান বা আন সকলো তোমাৰ প্ৰেমত বন্ধ। আজি মুছলমান ভায়ে একধৰ্ম্মী হিচাপে তুৰ্কিৰ গৌৰৱত গৌৰৱান্বিত হব পাৰে, আজি খৃষ্টিয়ান ভায়ে প্ৰতীচ্যৰ খৃষ্টিয়ানবিলাকৰ উন্নতিত মহা সন্তোষ লাভ কৰিব পাৰে কিন্তু সমস্ত দিনৰ পৰিশ্ৰমৰ পিছত বহু দুখ, বহু মনোবেদনা, বহু বিফলতাৰ পিছত মুছলমান, খৃষ্টিয়ান ভায়ে ক্লান্ত দেহে, ক্লান্ত মনে শান্তিৰ নিমিত্তে কলৈ যায়? তেতিয়া তেওঁৰ ধ্যান কেৱল সেই বাঁহে বেৰি থকা, খালেৰে ঘেৰা পঁজাটিৰ ফালেহে যায়। ঘৰত দুখুনী মাতৃয়ে মাটিৰ চাকি জলাই সন্তানটিৰ শুশ্ৰূষাৰ নিমিত্তে স্মিতমুখে অপেক্ষা কৰি আছে। ঘৰ পাইযে গৈ সেই মহিমাময়ী জননীৰ দুখাক্লিষ্ট মুখত এটি আনন্দৰ, এটি আদৰৰ, এটি সহানুভূতিৰ জেউতি দেখা পোৱা, তেতিয়া ভাই অসমীয়া খৃষ্টিয়ান বা মুছলমান, সেই আইক 'মাদাৰ' বা 'মাদাৰে মেহেৰবান' বুলিও তিমান সুখ নোপোৱা। তেতিয়া মধুৰ আই সম্বোধনটি যে হিয়াৰ এলিৰপৰা মুখ ভৰি ভৰি ওলায়। তেতিয়া অট্টালিকাৰে পৰিপূৰ্ণ তুৰ্কী বা লণ্ডন নহৰলৈকো মনত নপৰে। তেতিয়া যে তোমাৰ পঁজাৰ মজিয়াত এখনি বৰ পাৰি তাতে শ্ৰান্ত দেহটি বিস্তাৰ কৰি দি অসীম শান্তি অনুভৱ কৰা। সেইক্ষণ অনুভূতিয়ে যে তোমাৰ দেশমাতৃকাৰ প্ৰেমৰ অনুভূতি। সেই মজিয়াত তোমাৰে প্ৰতিব্ৰতা পত্নীয়ে হৃদয়ৰ প্ৰেম গোটেইখিনি দি তোমাক শুশ্ৰূষা কৰে, সেই পঁজাতেই যে তোমাৰ মধুৰ কণ্ঠৰ লৰা-ছোৱালী ডাঙৰ দীঘল হয়। সেই গাঁৱৰে ক্ষুদ্ৰ কুটীৰ এটিক পৱিত্ৰ মছজিদ পাতি তাতে খোদাতালাক অহৰ্নিশ উপাসনা কৰি, ভাই মুছলমান। তুমি কিয়ামতৰ দিনাখনৰ সেই পৰীক্ষালৈ তৈয়াৰ হোৱা; ভাই খৃষ্টিয়ান! তুমি প্ৰভু যীশুখ্ৰীষ্টৰ বিশ্বজোৰা প্ৰেম অনুভৱ কৰা। কাজেই জন্মভূমি তোমাৰ শ্ৰেষ্ঠ সাধনভূমি।

শিৱসাগৰ এই শিৱসাগৰ সাগৰৰ পাৰত আজি এই মহা সমাৰোহ। বহুতে কয়, শিৱসাগৰ পাছ পৰা এচুকীয়া ঠাই। কিন্তু শত ৰাজকীৰ্ত্তিৰে, শত গৌৰৱেৰে মণ্ডিত এই ঠাই যে অসমীয়াৰ বৰ গৌৰৱৰ ঠাই। শিৱসাগৰৰ পাৰত সৌৱা শিৱদৌল আজি থিয় দি অসমীয়া

পূৰ্ব্বপুৰুষসকলৰ কীৰ্ত্তি ঘোষণা কৰিব লাগিছে। জয়সাগৰৰ জয় দৌল বা পুখুৰী আজি অট্টালিকা হিচাপে সুন্দৰ নহয়, সি যে পৱিত্ৰ কীৰ্ত্তি স্বৰূপে অমৰ। সি যে অসমীয়াৰ বৰ আদৰৰ স্মৃতি, অসমবাসীৰ বৰ গৌৰৱৰ ধন। শিৱসাগৰবাসী! এই শিৱসাগৰ কবিৰ ভাষাৰে 'স্বপ্ন দিয়ে তৈৰি, স্মৃতি দিয়ে ঘেৰা।' এই শিৱসাগৰত মোৰ পূৰ্ব্বপুৰুষসকলে বাস কৰি মোৰ পক্ষে তীৰ্থস্থান কৰি থৈ গৈছে, তাত আজি আপোনালোকক সম্ভাষণ কৰিবলৈ পাইছোঁ, ই মোৰ পৰম সৌভাগ্যৰ বিষয়। এই শিৱসাগৰ অসম মাতৃকাৰ শিৰৰ মুকুত। সমবেত ছাত্ৰমণ্ডলী! বৰ উলাহেৰে, বৰ আনন্দেৰে আজি আহি এই মাতৃপূজাত এই শিৱসাগৰত লগ লাগিছাহি। আহাঁ, সমৱেত সন্তানমণ্ডলী! আহা। ভক্তিভাৱে জন্মভূমিৰ উদ্দেশ্যে নমস্কাৰ কৰোঁহক। আহাঁ ভাই হিন্দু, মুছলমান, জৈন খৃষ্টিয়ান। এবাৰ পৰস্পৰে পৰস্পৰৰ প্ৰতি নিভাঁজ নিষ্কপট অন্তৰেৰে অন্তৰৰ প্ৰেম জনাই মাতৃভূমিৰ নাম লওঁহক। কৱিৰ ভাষাৰে কওঁ "একবাৰ তোৰা মা বলিয়ে ডাক জগৎ জনেৰ শ্ৰবণ জুড়াক" বুলি এই কথাষাৰৰ সত্যতা বৰ্ণে বৰ্ণে অনুভৱ কৰিবৰ কথা। ই অতি সত্য।

আজি সমগ্ৰ জগত উদ্‌গ্ৰীৱ উৎকৰ্ণ হৈ ভাৰতৰ মুখৰ ফালে চাই আছে ভাৰতৰ spiritul forceৰ দ্বাৰা অৰ্থাৎ ভাৰতৰ সাত্বিক শক্তিৰ দ্বাৰাই জগতৰপৰা পশু ভাৱৰ তিৰোহিত কৰিবলৈ। জাৰ্ম্মানীয়ে ঘোৰ গোলা-গুলি বৰ্ষণ কৰি যি কৰিব পৰা নাছিল, ভাৰতে সাত্বিক ভাৱেৰে কাকো নামাৰি-নিকিলাই তাতকৈ বেছি কাম কৰিলে। যুদ্ধপ্ৰিয় জাৰ্ম্মানীৰ ভাৰতৰপৰা এয়ে প্ৰথম শিক্ষা। কিন্তু এই অহিংস দেৱভাৱে ভাৰত-জননীৰ নিজ সন্তানৰ ভিতৰত অমিল হলেতো গা কৰিব নোৱাৰে। সেইদেখি কৱিয়ে কৈছে—হিংসা, দ্বেষ, ক্ষুদ্ৰ স্বাৰ্থ এৰি ভাৰত-সন্তানে যিদিনাখন সমস্বৰে মাতৃ-প্ৰেমেৰে ভৰপূৰ হিয়াৰপৰা আই বুলি মাতিব সেই দিনাখনেই জগতবাসীৰ শ্ৰৱণ জুৰাব।

বুঢ়া শালিকাই মাত নলয়। অতীত অতীত হৈ গৈছে। কিন্তু উঠি অহা কুমলীয়া বোপাইহঁত! তোমালোকৰ কোমল অন্তৰ এনেই দেৱ ভাৱেৰে ভৰা। জীৱনৰ এই শিক্ষাৰ সময়ত সকলো শিক্ষাৰ ওপৰ শিক্ষা এই অহিংস দেৱ ভাৱ। ভাৰতৰ ভৱিষ্যত, জগতৰ ভৱিষ্যত তোমালোকৰ হাতত। যি চাম মানুহ গল, বিধাতাৰ ইচ্ছা পূৰ্ণ কৰি

মজলীয়া মানুহ অনন্তত লয় পালে আৰু পাব। তোমালোক কিন্তু যি যুগত যি দিনত উপজিছা, সি এটা বিশেষ যুগ। প্ৰত্যেকে ভাবি লবা -জগতৰ ভবিষ্যত ৰচয়িতা তোমালোক। তোমালোকৰ চৰিত্ৰ, তোমালোকৰ মহত্ব, তোমালোকৰ ত্যাগৰ ওপৰত অসমৰ, ভাৰতৰ জাতীয়তা নিৰ্ভৰ কৰিছে। এই দিনত নিশ্চেষ্ট হৈ থাকিলে নহব। এই দিনত অন্ধ বিশ্বাস লৈ চলিলেও নহব। তোমালোকে ভাৰতৰ এটা ঘোৰ ভাৰৰ আৱৰ্ত্তৰ মাজেদি যাব লাগিছা। তোমালোকৰ ভিতৰত বহুতে দেশ-সেৱা ব্ৰত লৈ নিজৰ ভৱিষ্যতৰ বহু আশাত, বহু ভাৱসাত জলাঞ্জলি দি অসীম যাতনা, লাঞ্ছনা আৰু অপমানৰ বোজা মূৰত লৈ শেষত কাৰা-বৰণ পৰ্য্যন্ত কৰি আহিছা। মই সেইবিলাক তপস্যা নামেহে অভিহিত কৰোঁ। যিসকলে এই ধৰণে সেই ভোগ ভুগি আহিছাহঁক, তপস্বী বালকসকল! মোৰ অন্তৰৰ গভীৰ শ্ৰদ্ধা মই বিনয়-নম্ৰমস্তকে তোমালোকক জনাও। যিবিলাকে অন্তৰত ত্যাগৰ ভাৱ নোহোৱাকৈ হুজুগত পৰি দুখৰ মাজেদি গৈ ওলাই আহি এতিয়া নিজক আৰু আনকো ধিক্কাৰ দিছাহঁক, সেই সকলৰ ওচৰত মই অতি দীন ভাৱে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। সেই সকলৰ দুঃখ-দুৰ্দ্দশাৰ বাবে আমিয়ে দায়ী। ভগৱানৰ ওচৰতো প্ৰাৰ্থনা কৰাহঁক—দয়াময়েও মোক আৰু মোৰ সহকৰ্ম্মীসকলক যেন ক্ষমা কৰে। যিবিলাকে অসহযোগ আন্দোলন অসাৰ বুলি ভাবি তাৰ ঘোৰ আকৰ্ষণতো ঠিক থাকি কৰ্ত্তব্য জ্ঞানেৰে নিজৰ কাম কৰি আছিলাহঁক, সেই সকলেও আজি মোৰ ধন্যবাদ গ্ৰহণ কৰাহঁক। যি কাম কৰিছিলোঁ, সেই কামৰ বাবে মই অলপো লজ্জিত নহওঁ, বৰঞ্চ মোৰ ভিতৰৰ মহামানৱটি যি দুদিনৰ নিমিত্তে ফুটি ওলাইছিল, তাৰ বাবে নিজকে নিজে ধন্যবাদ দিছোঁ। তাতোকৈ ধন্যবাদ দিছোঁ আজি তোমালোকক, কাৰণ মোৰ দেশৰ ধ্ৰুৱ-প্ৰহ্লাদ স্বৰূপ তোমালোকে মোৰ নিচিনা নিঃকিন অকামিলা মানুহক আজি তোমালোকৰ অন্তৰৰ প্ৰেম-ৰাজ্যৰ এই আসনখনি অধিকাৰ কৰিবলৈ দিয়াত। বোধকৰোঁ তোমালোকৰ কোমল হিয়াত মোৰ পাপ, অহঙ্কাৰ অপৰাধবিলাকে দকৈ সাঁচ বহুৱাব নোৱাৰিলে। 'মধুইচ্ছন্তি ষট্পদাঃ।' তোমালোক মধুকৰৰ দৰেই জগতত সত্যস্বৰূপ মধু অন্বেষী। বোধকৰোঁ ভাবিছোঁ—মই অন্ততঃ মোৰ দুখনী আই জন্মভূমিক বৰ ভালপাওঁ। সেই দেখিয়েই .আইৰ নিষ্পাপ সন্তান তোমালোকে মোক আজি এই ওখ

আসন দিছো। দেৱশিশুসকল! তোমালোকৰ অমূল্য স্বৰ্গৰাজ্যৰ পৰা লগত লৈ অহা প্ৰেমৰাজ্যত ঠাই পোৱাৰ যোগ্য মই কোনোমতেই নহওঁ। কিন্তু দুৰ্ব্বল হলেও, দুখীযা হলেও নিৰ্ব্বোধ হলেও—এইখিনি আজি বুকু ফুলাই কম যে মই মোৰ আইক বৰ ভালপাওঁ। জ্ঞানীসকলে, ধাৰ্ম্মিকসকলে, বীৰসকলে আইক বহু বস্তু দি, বহু ৰকমে পূজা কৰে। মোৰতো একো নাই। মই সাঁচি থৈ দিছোঁ মোৰ চকুৰ পানীটুপি আৰু মোৰ হিয়াৰ প্ৰেম-পূত ডাঠ তেজটুপি। কৰ্ম্মহীন, জ্ঞান-হীন মই—এতিয়া মোৰ আন গান নাই, কাৰণ গানৰ উৎস শুকাই গল। কেৱল হৃদয়-তলিত সুজলা-সুফলা মূৰ্ত্তি গঢ়ি থৈ দিছোঁ আৰু এটা সুৰেৰে একাষাৰ কথা দিনে-ৰাতিয়ে হৃদয় তন্ত্ৰাত বাজি আছে—"হৃদয় শোণিতে দিমহে দিমহে ৰাজীব চৰণ বাজি।" তেনে শুভদিন মোৰ জীৱনত আহে নাহে কব নোৱাৰোঁ। কিন্তু সেয়ে মোৰ উচ্চতম আকাঙ্ক্ষা। এয়ে মোৰ আত্মনিবেদনৰ অধ্যায়ৰ শেষ।

এতিয়া মই বৰ্ত্তমান যুগ আৰু ছাত্ৰজীৱন সম্বন্ধে দু-আষাৰমান কথা কম। ভাৰতত সত্ত্ব, ৰজ, তম তিনিও গুণ বিশিষ্ট মানুহ চিৰকাল আছিল, আজিও আছে। কিন্তু সকলো জ্ঞান-গৰিমাৰ চৰম লক্ষ্য সাত্ত্বিকতা। সত্ত্ব-গুণী মানুহৰ লক্ষণ সম্বন্ধে বিবেচনা কৰা মোৰ বক্তব্যৰ মাজত নহয় কিন্তু ঘোৰ সমৰানলত প্ৰবৃত্ত অৰ্জ্জুনে নিজ বীৰত্বেৰে লক্ষ লক্ষ প্ৰাণী ধ্বংস কৰিও সাত্ত্বিক বুলি খ্যাত। সাত্ত্বিকগুণী হলেই যে আধা-মৰা এলেহুৱা হব লাগিব তেনে নহয়। ত্যাগী হলেই যে কৰ্ম্ম ত্যাগ কৰিব লাগিব সেয়ে নহয়। সকলো কৰ্ম্মকে কৰ্ত্তব্যবোধেৰে কৰি ফলাফল বিভুৰ হাতত এৰি দিব পাৰিলেই সকলো শেষ। গীতাত শ্ৰীভগৱানে "কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন" বুলি যে কৈছিল তাৰো তাৎপৰ্য্য সেয়ে। জ্ঞান-বুদ্ধিৰে যিটো কৰ্ত্তব্য বুলি জানা, সেইটো কৰ্ত্তব্য বুদ্ধিৰে কৰি যাব লাগে। তাকে নিৰ্লিপ্তভাৱে কৰিব লাগে। যতে আসক্তি, ততে বন্ধন—ততে দুখ। ভাৰত ঘোৰ ত্যাগৰ ঠাই আছিল, কিন্তু আলস্যৰ ঠাই কোনো দিনাই নাছিল। ঋষিসকল মহাত্যাগী আছিল, কোনো বিষয়তে তেখেতসকলৰ আসক্তি নাছিল কিন্তু তেখেতসকলে কৰ্ত্তব্যবোধেৰে পঢ়াশালি পাতি বহু শিষ্যক জ্ঞান শিক্ষা দিছিল, জগতৰ কল্যাণৰ অৰ্থে দিনে-ৰাতিয়ে চিন্তা কৰিছিল। সেই দিনাখনৰ ভাৰত আজি আমাৰ গৌৰৱৰ আৰু

কল্পনাৰ ধন মাত্ৰ। ভাৰতৰ মহাসমৰত ধৰ্ম্ম আৰু অধৰ্ম্মৰ যুদ্ধত ক্ষত্ৰিয় অৰ্জ্জুনে যেতিয়া শোকত অধীৰ হৈ যুঁজ নকৰোঁ বুলিছিল, তেতিয়াও ভগৱানে কৈছিল, -"হে অৰ্জ্জুন! ধৰ্ম্মযুদ্ধ ক্ষত্ৰিয়ৰ কৰ্ত্তব্য। নিৰ্লিপ্তভাৱে, কৰ্ত্তব্যবোধেৰে যুঁজ কৰি অধৰ্ম্ম যুদ্ধকাৰী শত্ৰুক বিনাশ কৰা।" কাজেই ভাৰত তপস্যাৰ ভূমি হলেও কৰ্ম্মৰো ভূমি। এই ভাৰতত ছাত্ৰসকলক নানা ৰকম শিক্ষা দিয়া হৈছিল। শ্ৰীকৃষ্ণ ভগৱানে প্ৰথমে সান্দীপনি ঋষিৰ ঘৰত ব্ৰহ্মচাৰ্য্য অৱলম্বন কৰি শাস্ত্ৰৰ তত্ত্বযোগৰ মৰ্ম্ম আৰু নানা ৰকম জ্ঞানকৰী বিদ্যা শিকিছিল। তাৰ পিছতহে ক্ষত্ৰিয়ৰ অৰ্থকৰী অস্ত্ৰবিদ্যা শিকিছিল। কি অৰ্থকৰী, কি জ্ঞানকৰী কোনো বিদ্যায়ে ব্ৰহ্মচৰ্য্য নহলে সুসিদ্ধ নহয়। পুৰণি ভাৰতত সকলো বিদ্যাৰ আদিতে যোগাভ্যাস আছিল। "যোগশ্চিত্তবৃত্তিনিৰোধঃ।" চিত্তবৃত্তি নিৰোধ কৰিব নোৱাৰিলে মনৰ একাগ্ৰতা নাহে আৰু একাগ্ৰতা নহলে সিদ্ধি নহয়। এই একাগ্ৰতা আত্মসংযম নহলে হব নোৱাৰে। আত্মসংযম অভ্যাস নহলে নহয়। অভ্যাস নিয়মমতে নকৰিলে নচলে আৰু নিয়ম জ্ঞানীজনৰ মুখে নিশিকিলে নহয়। এই কাৰণেই গুৰুগৃহত মহাৰাজ ৰাজেশ্বৰৰ লৰা হলেও সংযম শিক্ষা কৰিবলৈ বাধ্য হৈছিল। ভাবি চাওক, যদুকুলমণি শ্ৰীকৃষ্ণই খৰি-লুৰি মাটিত শুই, কেঁচা কল আৰু আবৈ চাউলৰ ভাত এবেলা খাই চিত্ত-বৃত্তি নিৰোধ কৰিবলৈ শিকিছিল আৰু জ্ঞানকৰী বিদ্যা শিকিছিল। যোগত যিমান উৎকৰ্ষ হয়, অৰ্থকৰী বিদ্যাতো তিমানেই হৈছিল। এদিন দ্ৰোণাচাৰ্য্যই ছাত্ৰবিলাকৰ ধনুৰ্বিদ্যা পৰীক্ষা কৰিবলৈ কুৰু-পাণ্ডৱৰ সকলোখিনি শিকাৰু লগ লগাই লৈ এজোপা গছৰ তললৈ মাতি নিলে। গছৰ ওপৰত এটা চৰাই পৰি আছিল। প্ৰত্যেক শিষ্যক সেই চৰাইৰ চকুলৈ কাড় টোঁৱাবলৈ দিলে। প্ৰথমে যিজন আহিল সেইজনে কাড় টোঁওৱাৰ পিছত সুধিলে কি দেখিছা? সেইজনে কলে—চৰাইটো দেখিছো। আৰু ভালকৈ চোৱা বুলি কোৱাত তেওঁ কলে—মোৰ তীৰডাল আৰু চৰাইটো দেখিছোঁ। দ্ৰোণে সেইজনক আঁতৰি যাবলৈ কলে। এই ধৰণে জনে জনে যত শিষ্য আহিল সকলোৱে একে উত্তৰ দিলে। সৰ্ব্বশেষত আহিল অৰ্জ্জুন। অৰ্জ্জুনেও সেই ধৰণে বান টোঁৱালে। দ্ৰোণে সুধিলে—'কি দেখিছা?' অৰ্জ্জুনে কলে—'মোৰ বাণৰ আগটো আৰু চৰাইৰ চকুটো'। দ্ৰোণে শুধিলে- 'চৰাইটো দেখিছা নে

নাই?' অৰ্জ্জুনে উত্তৰ দিলে—'চকুটো ভিন্ন মই একো দেখা নাই।' এইখিনিয়ে যোগফলৰ একাগ্ৰতা। আন সকলো চিত্তবৃত্তি নিৰোধ কৰি অকল ধ্যেয় বস্তুত মনোবৃত্তি সংযোগ কৰিব পাৰিলেই যোগ হয়। ব্যক্তিগতভাৱে এই ধৰণৰ যোগ যিসকলে কৰিব পাৰে, তেওঁলোকে সকলোতে কৃতকাৰ্য্য হব পাৰে। জাতিগত ভাৱেও সেয়ে। জগতৰ যত যত মহাপুৰুষ হৈ গৈছে, সকলোৱে যোগ অভ্যাস কৰিহে কৃতকাৰ্য্য হৈ গৈছে। মহাপুৰুষ যিশুখৃষ্ট, ৰছুল মহম্মদ, বুদ্ধদেৱ, চৈতন্যদেৱ, শ্ৰীশঙ্কৰদেৱ সকলোৱে যোগৰদ্বাৰা নিজৰ দেহ-মন নিজৰ আয়ত্ত কৰি লৈহে ঈশ্বৰৰ লগত সংযোগ হব পাৰিছিল। 'যোগ' মানে কোনো বিশেষ ক্ৰম বা বিশেষ ধৰ্ম্মমতৰ কথা মই কোৱা নাই। মই কৈছোঁ যে সংযম আৰু একাগ্ৰতা এই দুটা আমাৰ ছাত্ৰসকলৰ পূৰ্ণমাত্ৰাই থাকিব লাগিব, নাথাকিলে কেতিয়াও তেওঁলোক জীৱনত কৃতকাৰ্য্য হব নোৱাৰে, প্ৰকৃত মানুহ বোলাব নোৱাৰে।

মোৰ এই কথা কোৱাৰ উদ্দেশ্য এই যে সংযম সকলো যুদ্ধ, সকলো মহৎ কামৰ প্ৰথম অধ্যায়। আপোনালোকে বোধকৰোঁ। নেজানে যে জগতবিখ্যাত মুষ্টি যোদ্ধা অৰ্থাৎ ঘোঁচাঘোঁচি কৰা মানুহবিলাকৰ একোজন প্ৰশিক্ষণ দিওঁতা থাকে। ঘোঁচাঘোঁচি প্ৰতিদ্বন্দ্বিতাৰ এবছৰমানৰ আগবেপৰা প্ৰশিক্ষকজনে শিকাৰুজনক চলাবলৈ ধৰে। কি কি খালে তেওঁৰ চকুৰ তেজ নাইবা মাংসপেশীৰ বল কমিব পাৰে, সেইবোৰ বুজি লৈ তেওঁৰ খোৱা বস্তুৰপৰা সেইবোৰ একেবাৰে আঁতৰাই থয়। ঠিক কিমানখিনিত কিমান পৰ ব্যায়াম কৰিলে আৰু ফুৰিলে শৰীৰৰ 'ইলাষ্টিছিটী' অৰ্থাৎ তৎক্ষণাৎ ইফালে-সিফালে ঘূৰাৰ ক্ষমতা বাঢ়ে, তিমান পৰহে সেইবিলাক কাম কৰিবলৈ দিয়ে। স্ত্ৰী-সংসৰ্গ এই এবছৰ একেবাৰে নিষেধ। মনটোত ভয়, ক্ৰোধ উত্তেজনা যাতে নাহে তাৰ চেষ্টা দিনে-ৰাতিয়ে হৈ থাকে; তেহে লাহে লাহে তেওঁ এবছৰৰ মূৰত ঠিক ঘোঁচা যুঁজাৰু হব পাৰে। ঘোঁৰদৌৰৰ ঘোঁৰা আৰু 'জকি' চালকৰো একেই দশা। এইবিলাকো যোগ। সংযমেই যোগৰ প্ৰাণ, সাৰ্থকতাৰ প্ৰধান উপাদান। হে মোৰ প্ৰিয় ছাত্ৰ-বন্ধুসকল! সকলোৰে মূল এই সংযম-শিক্ষা বৰ্ত্তমান ধৰণৰ ছাত্ৰ জীৱনত তোমালোকৰ কিমান দূৰ হৈছে নিজ অন্তৰত বিচাৰি চোৱাহঁক।

শিক্ষা কি?:—পূৰ্ব্ব কালত প্ৰথমে ঋষিগৃহত জ্ঞান আৰু ব্ৰহ্মচৰ্য্য শিক্ষাৰ পিছত প্ৰত্যেকে একোটা উদ্দেশ্য লৈ কাৰ্য্য কৰিছিল। শিক্ষা-দীক্ষাৰ পিছত সংস্কাৰ আদি শেষ কৰি ব্ৰাহ্মণকুমাৰে যাজন-যজন, অধ্যয়ন-অধ্যাপন গৃহস্থাশ্ৰম আৰু শেষত তপস্যা আৰাধনাদি কৰিছিল। ক্ষত্ৰিয় কুমাৰে যুদ্ধবিদ্যা, ৰাজকাৰ্য্য ইত্যাদি শিকি সৈনিকৰ ব্যৱসায়, ৰাজ্য-চালনা ইত্যাদি কৰিছিল আৰু আৱশ্যক হলে দেশৰ নিমিত্তে, ধৰ্ম্মৰ নিমিত্তে সন্মুখ সমৰত প্ৰাণ দিছিল। বৈশ্যকুমাৰে জ্ঞান উপাৰ্জ্জনৰ পিছত অৰ্থকৰী বিদ্যা কিছু দিন কোনো শ্ৰেষ্ঠীৰ লগত থাকি শিক্ষা কৰি, ব্যৱসায়-বাণিজ্য কৰি নিজৰ দেশখন ধনে-বস্তুৰে ভৰপূৰ কৰি দিছিল কিন্তু আমাৰ দেশত শিক্ষা ঠিক কঠালৰ আমসন্ধ হোৱা নাই নে? স্কুল-কলেজত শিক্ষা হয় জ্ঞানকৰী বিদ্যা। লৰাই ছেক্সপীয়েৰ, কালিদাস, মলেয়াৰ, গেটেৰ কাব্য পঢ়ে, মাৰ্টিনিউৰ দৰ্শন পঢ়ে, জ্যামিতি ত্ৰিকোণামিতি পঢ়ে আৰু কত যে মাতিব নোৱাৰা নামৰ কিতাপ পঢ়ে তাৰ সীমা-সংখ্যা নাই। তাৰ পিছত এটা ডিগ্ৰী লৈয়েই হয় উকীল, নহয় ডাক্তৰ, কেৰানী নাইবা শিক্ষকৰ কামলৈ দৰ্খাস্ত কৰে। অধ্যাপক, হাকিম ইত্যাদি কাম অতি বিৰল। কেৰানী শিক্ষকে এই দুৰ্দ্দিনত অন্ন-চিন্তা কৰোঁতে কৰোঁতে ইফালে সংসাৰ বাঢ়ি যায়। ঘোৰ দাৰিদ্ৰ্যৰ পীড়নত ছেক্সপীয়েৰ, মিল্টন কেনি উৰি যায়, তাৰ ঠিক নাই। শিকিবৰ দিনকেইটাত অৰ্থকৰী বিদ্যা একো নিশিকিলে। কাজেই জীৱন ভাবময় হয়। আমাৰ কৃতবিদ্য মানুহৰ ভিতৰত প্ৰায় শতকৰা ৯৯ জনৰ এই দশা। কাজেই যি শিক্ষা স্কুল-কলেজত হৈছে, সেই শিক্ষাক অৰ্থকৰী বিদ্যা বুলিব নোৱাৰি। পূৰ্ব্বকালত জ্ঞানকৰী বিদ্যা যিসকলে শিকিছিল, সেই সকলে আশ্ৰম নাইবা তপোবন পাতি দাৰিদ্ৰ্যক নিত্য সহায় কৰি উচ্চ আকাঙ্ক্ষাক একেবাৰে মনৰপৰা বিসৰ্জ্জন দি কেৱল জ্ঞান চৰ্চ্চাতে মগ্ন হৈছিল। আজি কিন্তু জগতৰ অশেষ পৰিৱৰ্ত্তনৰ পিছত সেই ধৰণৰ জীৱন সম্ভৱপৰ নহয়। তথাপি যিসকলে জ্ঞানকৰী বিদ্যা চৰ্চ্চা কৰে, সেই সকলে হয় দেশৰপৰা চিৰজীৱন স্বচ্ছন্দতাৰে কটাবলৈ কোনো সুবিধা পাব লাগে, নহলে সেই সকলৰ ঘৰত খাবলৈ থাকিব লাগে। সেই সকলৰ দ্বাৰা নিশ্চয় জগতৰ অশেষ কল্যাণ-সাধন হব। কাৰণ জ্ঞান জগতৰ অশেষ মঙ্গলকাৰী শাশ্বত কিন্তু যাৰ ঘৰত চক বহাই চাউলৰ নিমিত্তে দুখীয়া আই-বোপাই, ভাই-ভনী বহি আছে

সেইজন পাছ কৰি আহি যেতিয়া উকীল হৈ ৫।৬ বছৰলৈকে সুদা হাতে, শুকান মুখেৰে কাছাৰিৰপৰা ঘৰলৈ ঘূৰি আহে, তেতিয়া একোখন ঘোৰ করুণ-ৰসাত্মক অভিনয় দিনে দিনে অভিনীত হৈ থাকে। যেতিয়া বিশ্ব-বিদ্যালয়ৰ ভালকৈ 'পাছ' কৰা লৰাই হাতত দৰ্খাস্ত লৈ .অফিচে অফিচে ঘূৰি ফুৰে, অথচ এটা চাকৰি দুবছৰ চেষ্টাৰ ফলতো নিমিলে, তেতিয়া মাক-বাপেক ইত্যাদি আশাধাৰী জীৱসকলৰ যে কি দুখ হয় আৰু কৃতবিদ্যজনৰ হিয়াত যে কি হাঁহাকাৰ উপস্থিত হয়, তাক অন্তৰ্য্যামী জনেহে জানে।

ইয়াৰ প্ৰতিকাৰ কি? ইয়াৰ কিবা প্ৰতিকাৰ আছে নে? প্ৰাচ্য আৰু প্ৰতীচ্য দুয়োটা বেলেগ। যদিও ইণ্ডিয়ান কবি ৰুডিয়াৰ্ড কিপ্লিঙে কৈছে "East is East and West is West, the Twain shall never meet." প্ৰাচ্য প্ৰাচ্যই আৰু প্ৰতীচ্য প্ৰতীচ্যই এই দুয়োটাৰ কেতিয়াও মিল হব নোৱাৰে, তথাপি মোৰ মনেৰে পূৱ আৰু পশ্চিমৰ মিলন অসম্ভৱ নহয়। পূৱে যদি নিজৰ পূৱত্ব ৰাখি পশ্চিমৰ ওখ ভাবখিনি লব পাৰে, পশ্চিমৰ কাৰ্য্য-পদ্ধতিৰ আভাসখিনি লৈ তাকে নিজৰ কৰি লব পাৰে, তেন্তে প্ৰাচ্য আৰু প্ৰতীচ্যৰ মহামিলন সেইখিনিতে হব পাৰে আৰু ভাৰতৰো বহুত উপকাৰ হব পাৰে। ভাবি চোৱাঁক য়ুৰোপত অতি ডাঙৰ ডাঙৰ মানুহ বেপাৰী। আজি কাগজৱালা লৰা, কাইলৈ ইঞ্জিন চাফা কৰা কাৰিকৰ আৰু পৰহিলৈ পাৰ্লেমেণ্টৰ মেম্বৰ হৈ তাৰ পিছত প্ৰাইম্ মিনিষ্টাৰ বা প্ৰধানমন্ত্ৰী। প্ৰধানমন্ত্ৰীজনে গৌৰৱ কৰে যে এজন মিস্ত্ৰীৰ তলত তেওঁ বাধ্য হৈ মিস্ত্ৰীৰ কাম শিকি লাহে লাহে তেওঁ নিজৰ অৱস্থা ভাল কৰিছিল। অৱস্থা ভাল কৰিবলৈ ইঞ্জিন ড্ৰাইভাৰৰ এ্যাপ্ৰেণ্টিচ্ হবলৈ তেওঁ লাজ কৰা নাছিল। লৰ্ড ৰিডিং আছিল 'কেবিন বয়' অৰ্থাৎ জাহাজৰ কোবন-বেহেৰা। আজি তেওঁ সেই কথা কবলৈ লাজ নাপায়। কিন্তু আমাৰ দেশত এনে দিনো দেখিছোঁ—কেঞা বুলিলে ঘৃণাৰ পাত্ৰ। কুৰি টকীয়া কেৰানীৰ ঘৰ ডাঙৰীয়াৰ ঘৰ কিন্তু লক্ষপতি মাৰোৱাৰী-বাবু 'কেঞা-বাবু' মাত্ৰ। এই ঘৃণাৰ কাৰণে কাকো দোষ দিব নোৱাৰি। ই এটা ভাবৰ বিপৰ্য্যয়। প্ৰতীচ্যই আহি পূৱক জোকাৰি পেলোৱাৰ আগতে জীৱন আছিল সহজ, সৰল। ঘৰত সূঁতাকটা খনীয়া, চুৰিয়া, চেলেং, দুখন দুখন হলেই

ডাঙৰীয়াৰ বছৰৰ কাপোৰ হ'ল। পথাৰত ধান, খাল-বিলত নিজে মৰা মাছ, বাৰীৰ শাক, কচু-ঢেকীয়াৰে তেখেতসকলৰ পেট ভৰিছিল। নিজৰ নিজৰ ঘৰতে স্বয়ংসম্পূর্ণ অর্থাৎ সকলো বস্তু উৎপন্ন হৈছিল। বাটৰ মূৰে মূৰে দোকানো নাছিল। অভাৱো নাছিল বেছি, উপার্জ্জনো নাছিল বেছি। টকাত এমোণ চাউল, আধামোণ গাখীৰতো সহজ কথা আছিল। দহ টকা হলেই এখন গৃহস্থী বেছকৈ চলিছিল। কাজেই সেই দিনত বামুণে আজৰি সময়ত সাঁচিপাতত পুথি লিখিছিল। আনে-আনেও সুখে-শান্তিৰে নিজৰ অভাৱ নিজে পূর্ণ কৰি জীৱনযাত্রা নির্ব্বাহ কৰিছিল। তেতিয়া সাউদ হোৱাটো সন্মানৰ কথা হলেও, ডাঙৰীয়া বা পণ্ডিতসকলে নিজক সাউদতকৈ সন্মানী বুলি ভাবিছিল কাৰণ অভাৱে তেওঁলোকক তিমান পীড়ন কৰা নাছিল। কিন্তু আজি প্রতীচ্যই আহি প্রাচ্যৰ ভিতৰত নিজৰ দাবি অকল যে জেতা-বিজেতা বাবে চলাইছে এনে নহয়। আজি পশ্চিমৰ সভ্যতাই পূবৰ সভ্যতাৰ ওপৰত আক্রমণ কৰিছেহি। পূব চিৰকাল ৰক্ষণশীল। সেই দেখিয়েই প্রতীচ্যই নিগ্রো জাতিক বা ফিলিপাইন জাতিক নিজস্ব কৰি লোৱাদি প্রাচ্যক বলে পৰা নাই। ফলতঃ দুয়োৰো সংমিশ্রণত এটি হাস্যৰসোদ্দীপক সভ্যতাৰ সৃষ্টি হব লাগিছে মাত্র। মোৰ বিশ্বাস এই মিলনৰ যিখিনি কুফল আৰু কিছু দিন চলিয়ে অস্ত হব। তাৰ পিছতে এই মহামিলনৰ সুফল দেখা যাব। যিদিনাখনেই আমি আমাৰ কার্য্যবিলাকৰ অসামঞ্জস্য বুজিব পাৰিমহঁক, সেই দিনাখনেই আমাৰ উর্দ্ধগতি আৰম্ভ হব। আমাৰ ভিতৰত সম্প্রতি পোছাক-পৰিচ্ছদ, চলন-ফুৰণ, কথা কোৱা, সামাজিকতা ৰক্ষা কৰা আদিত ইমান হাস্যকৰ কিছুমান কাম দেখা যায় যে তাক উল্লেখ নকৰি নোৱাৰি। হয়তো বা বামুণৰ লৰাই পৱিত্র শিখা ৰাখে, পূজাত শিখা বন্ধনৰ কাৰণে সমাজত তেখেতক শুচি-সংযতভাৱে খাবলৈ নিদিলেও বৰ বেজাৰ পায়। এইখিনি পুৰণি ৰক্ষণশীল সভ্যতাৰ প্রাদুর্ভাৱ। কিন্তু সেইজনেই যেতিয়া টিকনিডাল আনক দেখুৱাবলৈ লাজ কৰি মূৰৰ লগত আঁচুৰি থৈ দিয়ে, তাৰ ওপৰত 'হেট' এটা পিন্ধে--যাক 'হেট' নামেৰে অভিহিত কৰিলে সেই অঙ্গাভৰণটিক লাজ দিয়া হয় মাত্র ইফালে-সিফালে চাই ৰেলৰ 'ৰিফ্রেছমেণ্ট ৰুম' বা জলপান খোৱা কুঠৰীত ডঢ়ীয়া ঠাকুৰে দিয়া জলপানটিও খায়, সেইজন মানুহৰ কার্য্যই নিশ্চয় মনত

ভক্তিৰ উদ্রেক নকৰে। আমি পিছত কৰা কামখিনিক বৰ ভাল নোবোলোঁ। আগৰখিনিৰো দিন এতিয়া নাই। ফলত এটা সার্ব্বজনীন উদাৰতা আহিব লাগিব কিন্তু সেয়ে খকজা নহৈ নিমজ হ'ব লাগিব। আকৌ ধৰক, কৃতবিদ্য ডেকাই কথা কওঁতে মুখত চেলেউটি একতীয়াকৈ হুঁপি প্ৰত্যেক একো আষাৰ কথাতে অন্ততঃ শতকৰা ৫০ টাকৈ ইংৰাজী কথা সুমুৱালে সেইটো কি অপভাষা হয় তাক তেখেতসকলে উপলব্ধি নকৰে। আই-বোপাই, ককাইদেউ, ভাইটি-ভনীটি কেনে সুমধুৰ আখ্যা! কিন্তু আজিকালি কথা কওঁতে কোৱা হয়—যথা, বুজিছা নে মোৰ ফাদাৰে এনে কৰিলে, এখেত মোৰ মাদাৰ, মোৰ ছিষ্টাৰে বেছ ছবি আঁকিব পাৰে ইত্যাদি। এইটো ভাষা চীনদেশীয়বিলাকৰ Pigeon Englishৰ (পাৰ চৰাইৰ ইংৰাজী) দৰে Pigeon ইঙ্গ-অসমীয়া বুলিব পাৰি। ইয়ো প্ৰাচ্যৰ ওপৰত প্ৰতীচ্যৰ আক্ৰমণ মাত্ৰ। পূৰ্ব্বে আমাৰ সমাজত কাপোৰৰ ওপৰত ভদ্ৰতা নিৰ্ভৰ কৰা নাছিল, ভদ্ৰতাৰ ওপৰতহে কাপোৰে নিৰ্ভৰ কৰিছিল। আমাৰ ভাষাত এটা বিয়া নাম আছে, যথাঃ—"বামুণৰ উত্তমে ফোঁটে লগুণে, হোমৰে উত্তমে ধোঁৱা।" পুৰণি দিনত বামুণৰ চেষ্টা আছিল ফোঁটটি ভালকৈ লৈ লগুণডালি চুঁচিমাজি চক্‌চকীয়া কৰি লৈ কান্ধত চেলেং কাপোৰখনি আৰু চুৰিয়াখনি, মূৰত দীঘল চুলি তাকে চুঁচিমাজি এটি ফুল আৰু এটি তুলসীপাত শিখাত বান্ধি লোৱা। মই অসহযোগ আন্দোলনৰ ভিতৰত কামৰূপৰ ভিতৰত ঘূৰোঁতে নলবাৰীৰপৰা অলপ দূৰত এজন থুলন্তৰ মহন্তক লগ পালোঁ। লগত এটি লগুৱাই এখন ভাৰ লৈ গৈছে। তেখেতে খুব আটি আটি এযোৰ বিলাতী বুট জোতা পিন্ধিছিল। বুটযোৰ নতুন। সেয়ে ভৰি কাটিছিল। কাজেই তেখেতে খোৰাইছিল। বুটৰ ওপৰত এযোৰ বৰ ডাঠ মোজা। তাৰ ওপৰত এখন বৰ পাতল বিলাতী চুৰিয়া, তাৰ ওপৰত ৰঙীন কামিজ আৰু ওপৰত এটি গৰম কোট। মূৰত বেছ শকত টিকনি কিন্তু সন্মুখৰ ফালে এল্‌বার্ট ফেছন। চোকা ৰ'দ। মই মূৰত জাপি এটা লৈ আহিছিলোঁ। মানুহজনক ঘামিজামি একেবাৰে হায়ৰাণ হোৱা দেখি আৰু তাতে খোৰোৱা দেখি সুধিলোঁ। —'আপুনি কৰ মানুহ, ক'লৈ যায়' বুলি। তেখেতে কলে যে তেখেত লক্ষীমপুৰৰ ফালৰ মানুহ। নলবাৰীৰ ওচৰৰ বামুণ এঘৰত এজনী

ছোৱালী দিছে, তাতে মিতিৰ খাবলৈ যাব। কামৰূপীয়া গাঁৱলীয়া বামুণৰ ঘৰত সেই সুসজ্জিত মূৰ্ত্তি দেখি চাগে সকলো অবাক হৈ গৈছিল আৰু তেওঁলোকে মনে মনে ভাবিছিল এয়ে আজিকালি ভদ্ৰতাৰ পৰিচায়ক। এইখিনিয়েই হৈছে পোছাক সম্বন্ধে ছিৰ' কমিক্ বা হাঁহি উঠা গহীন ভাব। কিন্তু তেখেতৰ অৱস্থা সেই সময়ত নিশ্চয় ট্ৰেজিক্ অৰ্থাৎ করুণ ৰসাত্মক হৈছিল। ই প্ৰতীচ্যৰ প্ৰাচ্যৰ ওপৰত আধিপত্য বিস্তাৰৰ চেষ্টাৰ এটা নমুনা। সামাজিকতা ৰক্ষা কৰা সম্বন্ধেও সেই ৰূপ। আজিকালি বিয়াৰ নিমন্ত্ৰণলৈ হেট্-নেক্‌টাই পিন্ধি যোৱা আলহীও দেখা পোৱা যায়। চাৰিওফালৰ মানুহে হাঁ কৰি এই কৃতবিদ্য ডাঙৰীয়াসকললৈ চাই যায়। এয়ে আজিকালি ভদ্ৰ-পোছাক বুলি মনক প্ৰবোধ দিয়ে। ভাবে যে ডাঙৰ মানুহ, ৰজাই দিয়া পোছাক, সেইদেখি পিন্ধিছে আৰু কোনোৱে তেওঁলোকক দেখি মনে মনে কুইনাইন্ খোৱা যেন পায়। কিন্তু পিন্ধা জন নিৰ্ব্বিকাৰ। একেইতো হিন্দুৰ ঘৰৰ বিয়া, তাতে পোছাক এটি চুটি চোলা, টান ঠেঙা আৰু তৈয়াৰি অসমত শিক্ষা পোৱা দৰ্জ্জিৰ বা চাঁদনীৰ দৰ্জ্জিৰ হাতেৰে। দৃশ্যটি যে চিৰ-ট্ৰেজি-কমিক্ হৈ পৰে অৰ্থাৎ গহীন হাস্যৰসমিশ্ৰিত করুণ ৰসাত্মক হৈ পৰে তাত কোনো সন্দেহ নাই। এইটোও প্ৰাচ্যৰ ওপৰত প্ৰতীচ্যৰ আক্ৰমণৰ ফল। এই ধৰণে খোৱা-বোৱা, প্ৰেম-প্ৰীতি কৰা, পঢ়া-শুনা সকলোতে এটা খাপ নোখোৱা সংমিশ্ৰণ দেখা যায়। লগুণ লবই লাগিব কিয়নো বামুণৰ লৰা! কিন্তু সন্ধ্যাৰ মন্ত্ৰ মুখস্থ কৰা বৰ আমনিকৰ। সন্ধ্যা কৰিবলৈ কোৱাটো এটা ৰীতিমত অত্যাচাৰ। ইও পূব আৰু পশ্চিমৰ সংমিশ্ৰণৰ ফল।

প্ৰিয় ছাত্ৰ আৰু ছাত্ৰী বন্ধুসকল! তোমালোকে এই আদহীয়াক খং নকৰিবা। কিন্তু এই দুয়োটা সভ্যতাৰ কোবত তোমালোকৰ আজি ভাব-ভাষা, পোছাক চৰিত্ৰ কিবা এটা আদৰাঙী ভাবত পৰিপূৰ্ণ হৈ গৈছে। কোনো কোনো ঠাইত প্ৰাচ্যই 'চেৰাবৰ মতলব'হে কৰিছে। অতিশয় বিলাসৰ ভাব, সুখ-লিপ্সা প্ৰতীচ্যৰ। সেয়ে আহি তোমালোকক আৰু সকলো জনসাধাৰণক অধিকাৰ কৰিছেহি। ঘৰত নাই কণটো, বথ সবাহলৈ মনটো। আমাৰ অৱস্থা আজি ঠিক সেয়ে। য়ুৰোপত দেখি আহিলোঁ তাত কাবো তৰণি নাই। শ্ৰমিকদলৰ দৰমহা ক্ৰমে সপ্তাহত ৬০।৭০ টকা পৰ্য্যন্ত হৈছেগৈ, তথাপি তেওঁলোকক খাবলৈ নাটে।

কাৰণ বস্তুবো দাম বাঢ়িছে আৰু থকাৰ 'ষ্টাইল' বা ধৰণো তেওঁলোকে বঢ়াই নিছে। ইংলণ্ডত খেতি-বাতি তেনেকৈ নাই, শ্ৰমিকদলেই বেছি। কলৰ পিহনত নানা বস্তুও তৈয়াৰ হৈছে সঁচা কিন্তু মানুহৰ স্বাৱলম্বনতাও পিহি গুৰি কৰা হৈছে। তাতো হাহাকাৰ ধ্বনি। কাম নোপোৱা শ্ৰমিক লাখে লাখে কাম নাপাই কলমলাই ফুৰিছে। ভাৰতে খাদৰ পিন্ধিব বা বিলাতী কাপোৰ নিপিন্ধি নিজৰ তৈয়াৰী কাপোৰ পিন্ধিব বুলি কলেই প্ৰধান মন্ত্ৰীৰপৰা ইয়াত থকা টম্, ডিক্, হেৰী পৰ্য্যন্তই গুজৰি উঠে। কাৰণ কুৰি লক্ষ শ্ৰমিকে ভাৰতক কাপোৰ পিন্ধোৱা কলত কাম কৰি পেট পুহিছে। য়ুৰোপত মধ্যবিত্ত গৃহস্থৰ লৰাই হয় চিপাহী, নহয় দোকানী, নহয় শ্ৰমিক হৈছে। যিবিলাকে ভাল সুবিধা কৰিব পৰা নাই, সেইসকলে কানাডা, অষ্ট্ৰেলিয়া ইত্যাদি উপনিবেশ-বিলাকত গৈ তাত বহি লৈ খেতি-বাতি কৰিবলৈ ধৰিছে। য'তে ত'তে একে ৰকমৰ হাহাকাৰ। বিলাতত দেখিছোঁ নিতান্ত অৱস্থাপন্ন মানুহৰ লৰা বা খুব ভাল লৰা নহলে কলেজত নপঢ়ে। কাৰণ কলেজত পঢ়া ব্যয় সাধ্য। হাই স্কুলৰ পৰীক্ষা পাছ কৰিয়েই ছাত্ৰই প্ৰায়েই একোটা অৰ্থকৰী বিদ্যা শিকিবৰ যত্নত থাকে। আমাৰ ইয়াত কোনো বাট নাই, কাজেই মেট্ৰিকুলেচন পাছ কৰিলেই যেনে তেনে মতে কলেজত পঢ়ি বি-এ, এম-এ পাছ কৰিবই লাগিব। পাছ কৰি যি হব, তাকতো দেখাই গৈছে। তেন্তে বৰ্ত্তমান শিক্ষাৰপৰা ২।৪ জনৰ বিশেষ উপকাৰ হলেও সাধাৰণতে আমাৰ কি উপকাৰ হৈছে, ই ভাবি চাবলগীয়া কথা। বৰ্ত্তমান কলেজত লৰাক পঢ়াওঁতে গড়ে ৫০৲ টকাকৈ পৰে, তাকে প্ৰায় ৬।৭ বছৰ দিবলগীয়া হয়। প্ৰায় লৰাই কলেজৰপৰা ওলাই ৫০৲ টকা উপাৰ্জ্জনক্ষম নহয়, কাজেই অৰ্থকৰী হিচাপত ক্ষতি। জ্ঞানকৰী হিচাপেও যি যি পাছ কৰি লৰা ওলাই আহে, ৪।৫ বছৰৰ মূৰতে সেইবিলাক অলপো মনত নাথাকে। কাৰণ কাণ সদায় চৰ্চ্চাতহে বাঢ়ে, নহলে মৰিচা পৰি যায়। "Chill penury repressed their rage" "দাৰিদ্ৰ্য দোষো গুণৰাশি নাশী"। এই কথা বৰ্ণে বৰ্ণে সঁচা। বিশ্ববিদ্যালয়ত থাকে মানে লৰাই আকাশ-কুসুম ৰচনা কৰি সুখেৰে থাকে কিন্তু তাৰপৰা ওলালেই "অন্ন-চিন্তা চমৎকাৰ" আহি হেঁচা মাৰি ধৰেহি। জ্ঞান হিচাপত বৰ্ত্তমান শিক্ষাই জনসাধাৰণক সাধাৰণভাৱে আগবঢ়াব পৰা নাই যদিও ব্যক্তিগতভাৱে দুই এজন

ভাগ্যবানে পৃথিৱীৰ মাজত ওখ আসন পাইছে। চৰিত্ৰ হিচাপেও বিশেষ সংযম শিক্ষা হয় বুলি মই বিশ্বাস নকৰোঁ। তেন্তে ভাবি চাবলগীয়া আমি কেনি যাব লাগিছোঁ! যিসকলে কয় আজিকালিৰ এটাইবোৰ বেয়া, পুৰণি ধৰণ ভাল, তাকে একেবাৰে লোৱা যাওক মই সেইসকলৰ লগত হয়ভৰ দিব নোৱাৰোঁ। পুৰণি অতীত হৈ গল, বৰ্ত্তমানৰ লগত মিল ৰাখি তৈয়াৰ কৰিবই লাগিব। আজিৰ ভাৰত আগৰদৰে অকল-শৰীয়া নহয়। জগত-সভাত ভাৰতবাসীয়ে শ্ৰেষ্ঠ আসন লবই লাগিব। এইটো মই ধ্ৰুবসত্য বুলি বিশ্বাস কৰোঁ। তৈন্তে আমাৰ ক্ৰুটী কিহত? আমাৰ ক্ৰুটী হৈছে আদৰ্শ বা উদ্দেশ্যৰ অভাৱ।

পুৰণি ভাৰতত প্ৰত্যেক কাৰ্য্যৰে এটা আদৰ্শ আছিল। সেইটোকে উদ্দেশ্য লৈ প্ৰত্যেক মানুহে আগবাঢ়িছিল। ভাল নে বেয়া সেইটোৰ বিচাৰ মই নকৰোঁ কিন্তু উদ্দেশ্যবিহীন কাৰ্য্য প্ৰাচীনসকলে কেতিয়াও নকৰিছিল আৰু যাৰ যেনে আদৰ্শ বা উদ্দেশ্য, চলন-ফুৰণ, পোছাক-পৰিচ্ছদ সেই ৰকমেই প্ৰত্যোকে কৰি লৈছিল। লৰাটি পাঁচবছৰীয়া হলেই তাক পঢ়াবলৈ ধৰে। পুৰোহিতৰ লৰাৰ উদ্দেশ্য পুৰোহিত হব। সৰুৰেপৰা তেওঁ সেই ধৰণেই উঠিছিল। যোদ্ধাৰ লৰা যোদ্ধা হব, তাৰ সৰুৰেপৰা সেয়ে ধ্যান। খেতিয়কৰ লৰাৰ খেতিতে দিনে-ৰাতিয়ে ৰতি। কিন্তু আজি কোনো এজন ছাত্ৰই কব পাৰে নে তেওঁ কি উদ্দেশ্যে পঢ়িছে? "সম্প্ৰতি বি-এ পাছ কৰি লওঁ ৰবা, তাৰ পিছত দেখা যাব" এয়ে সকলোৰে মুখৰ কথা। উদ্দেশ্যৰ অভাৱত সকলোৱে মনত ভাবে যে কিবা এটা হমেই। সেইটো শেষত যে কি কিবা এটা, কোনেও কব নোৱাৰে। কিবা এটা হম, এই উৎসাহত এই আশাত ঘৰৰপৰা বাপেক-মাকে অতি কষ্টেৰে উপাৰ্জ্জন কৰা টকা নি খুব খৰচ কৰে। হয়তো শেষত বেপাৰী নাইবা দোকানী হব লাগিব, নহয় মৌজাদাৰ নাইবা উকীল হব লাগিব; সেয়ে নহলে স্কুলৰ শিক্ষক হব লাগিব। প্ৰত্যেক কাৰ্য্যতে জীৱনৰ আদিতে মিতব্যয়িতা নকৰিলে, সেইবোৰ কাৰ্য্যতো ধাৰ-ঋণ লাগি সফলতা লাভ কৰিব নোৱাৰে। কিন্তু কিবা এটা হম এই ভাবি লৰাই যেতিয়া ছাত্ৰ-জীৱনত বিলাসিতাত বুৰি যায়, পোছাক-পৰিচ্ছদ, এছেন্স-পাউদাৰ, চিগাৰেট ইত্যাদিত যেতিয়া একোখন গৃহস্থীৰ কষ্টাৰ্জ্জিত পইচা বেছি ভাগেই উৰুৱাই দিয়ে, তেতিয়া অকল যে পইচা

যায় এনে নহয়, লৰাৰ বাপেক-মাকলৈ যিকণ মৰম, সিও শেষ হৈ যায়। লাহে লাহে স্বাৰ্থপৰ ভাব খুব প্ৰবল হলে আৰু সংসাৰত সোমাই পাখিভগা চৰাইৰ দৰে হয়। সকলোৱে যদি হাকিম হবৰ নাইবা পইচা পোৱা উকীল হবলৈ চেষ্টা নকৰি প্ৰথমৰপৰাই একোটা উদ্দেশ্য লৈ পাঠ আৰম্ভ কৰিব পাৰে, তেন্তে বহুতো দুখ-দৈন্যৰ অন্ত হয়। যিজন লৰাই জানে যে মই খেতিয়কৰ লৰা, মই খেতিৰে উৎকৰ্ষ সাধন কৰিম—সেই জনেতো বিলাসিতা কৰিব নোৱাৰিব। কাৰণ যি খেতিয়ক হব সি জীৱনত দুখ কৰি খাবই লাগিব। যিজনে বেপাৰ-বাণিজ্যৰ উদ্দেশ্যেৰে শিক্ষা লব তেওঁ পইচা চিনিবই লাগিব। কিবা এটা হম এইটোৱেই হৈছে আমাৰ শিক্ষাৰ আৰু জীৱনৰ সফলতাৰ ঘোৰ শত্ৰু। ভাৰত সাত্ত্বিকতা-প্ৰবণ ঠাই। এইখন সাধনভূমি। সংযমেই ভাৰতীয় মানুহৰ শেষ সম্বল। সৰল জীৱন আৰু উচ্চ আশা (Plain living and high thinking) কথাষাৰ প্ৰতীচ্যই এতিয়াহে কৈছে কিন্তু ভাৰতীয় সভ্যতাৰ সেয়ে চিৰ আদৰ্শ। সংযম ভাৰতবাসীৰ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষৰ প্ৰধান উপাদান। এই সংযম নহলে নাইবা ব্ৰহ্মচৰ্য্য নহলে, ছাত্ৰ-জীৱনক প্ৰকৃত ছাত্ৰ-জীৱন বুলিব নোৱাৰি। ভাৰতৰ ভাষাত, নিত্য-নৈমিত্তিক প্ৰত্যেক কৰ্ম্মত সংযম নিতান্ত আৱশ্যকীয় বস্তু। অহিংসা কোনো ৰকম 'জুলুম' বিহীনত্ব সংযমৰে প্ৰধান অংশ। আজি যে কৰবাত নৰহত্যা কৰিও লৰাই ভাবিছে বৰ ভাল কাম কৰিছোঁ বুলি, সিও সংযমৰ অভাৱেই। বীৰত্ব বল-প্ৰয়োগত নহয়, সংযমতহে। এদিন ছেণ্ডো চাহাবক এটা সামান্য ফ্ৰেঞ্চমেনে খং উঠি গালি পাৰিছিল। তেখেত হাঁহি থাকিল। খং উঠি উত্তেজিত ফৰাচীজনে তেখেতক ঘোঁচা মাৰি দিলে, নাকেদি তেজ ওলাল। তেতিয়া ছেণ্ডো চাহাবে এটা ঘোঁচা মৰা হলে বেচাৰা সিপুৰী পালেগৈহেঁতেন কিন্তু ছেণ্ডো চাহাবে মানুহজনক মেকুৰী পোৱালী দঙা দি দাঙি বিলিয়াৰ্ড খেলা মেজ এখনত ঠেকেছ কৰে বহুৱাই দিলে। মেজখন ভাগি খং উঠাজন মাটিত পৰিল। তাৰপৰা উঠি 'বে-গতিক' দেখি তেওঁ লৰালৰিকৈ ক্ষমা প্ৰাৰ্থনা কৰিলে। সেই দেখি কওঁ,—সংযম বীৰৰ কাজ। এতেকে হে ছাত্ৰবন্ধুসকল! আমি সংযমী হব লাগে। সংযত হলেহে সত্যবাদীও হব পাৰি। এতিয়া চাব লাগিব এই সংযম ভাৰতত আগেয়ে নো হৈছিল কৰপৰা, এতিয়া নো নহয় কেলেই? সকলো

কামতে সংসাৰত এটা impelting force নাইবা বল-কৰোঁতা শক্তি লাগে। সংযমী হবলৈ এই শক্তি কত? সংসাৰত দেখা যায় সংযমৰো প্ৰধান কাৰণ প্ৰেম। মাক সংযমী হয় পুতেকৰ অকল্যাণ হয় বুলি। পুতেক সংযমী হয় যেতিয়া সেই পুতেকে মাক-বাপেকৰ মুখলৈ চায় আৰু ভাবে—আহা! মই বেয়া কাম কৰা বুলি জানিলে মোৰ আই-বোপায়ে কিমান দুখ পাব। সেইৰূপে সংসাৰত বহুত ৰকমৰ কাৰণত বহুতে সংযম কৰোঁতে কৰোঁতে সংযমী হয় কিন্তু ভাৰতত চিৰকালেই আধ্যাত্মিকতা বৰ্ত্তমান থকাৰ কাৰণে ভাৰত সংযমী। পূৰ্ব্ব কালত ঋষি-গৃহেই পঢ়াশালি। গুৰুৰ মহান আদৰ্শেৰে ছাত্ৰসকল অনুপ্ৰাণিত আছিল। বিশ্বনিয়ন্তাৰ বিশ্বময় মহাপ্ৰকাশ তেখেতসকলে পলে পলে উপলব্ধি কৰিছিল। উদাৰ আকাশৰ তলত, বিশাল সমুদ্ৰৰ তীৰত, মহান পৰ্ব্বতৰ টিঙত ঘোৰ ঝঞ্ঝাময়ী ৰাতিত, সুন্দৰ জোনাকত—সকলোতে তেখেতসকলে উপলব্ধি কৰিছিল একত্ব (Oneness)। সেইদেখি প্ৰকৃতিৰ ৰূপ বৰ্ণনা কৰোঁতে, মহিমাময়ী মাতৃমূৰ্ত্তি ৰচনা কৰোঁতে, একে উশাহে গাইছিল —

“নমস্তে শৰণ্যে শিৱে সানুকম্পে
নমস্তে জগদ্ব্যাপিকে বিশ্বৰূপে”

আকৌ গাইছিল—

“নমশ্চণ্ডিকে চণ্ড দোৰ্দ্দণ্ড লীলা
নস্য খণ্ডিতা খণ্ডনা শেষভীতা।”

আধ্যাত্মিক ভাৱতে ভাবিছিল— ভগৱানে এই বিশ্ব-লীলাভূমিত নিজকে বহুৰূপে প্ৰকাশ কৰিছে হয় কিন্তু সেই নিজকে বহু বিধ কৰ্ত্তব্যেৰে বান্ধি থৈছে। জীৱই কৰ্ত্তব্য কৰিবই লাগিব কিন্তু জীৱাত্মা অন্তৰত বৰ্ত্তমান থকা জীৱই সদায় পৰমাত্মাৰ ধ্যানত নীৰৱ থাকিবই লাগিব। বিশ্বময় যাৰ প্ৰেম ভৰপূৰ হৈ আছে, সেই প্ৰেমময়ৰ প্ৰেমৰ অনুভূতি কৰাই জীৱনৰ চৰম উদ্দেশ্য। সেইদেখিয়েই বাকীবিলাকক তেখেতসকলে মায়া বুলি অভিহিত কৰিছিল। সেইদেখিয়েই শিক্ষাৰ আদিৰপৰা ভগৱানক উপলব্ধি কৰাটোৱেই জীৱৰ চৰম সিদ্ধি বুলি ছাত্ৰসকলক বুজাই দিছিল। সেই ভগৱানক পাব লাগিলে, উপলব্ধি কৰিব লাগিলে, তপস্যা লাগে আৰু তাৰ নিমিত্তে শিক্ষা-দীক্ষা সকলো লাগে। মনোজয় কৰিব নোৱাৰিলে তপস্যা সিদ্ধি নহব। সেইদেখি ব্ৰহ্মচৰ্য্য সকৰপৰা শিক্ষা

দিছিল। আজিও প্ৰকৃত মনুষ্যত্ব উপাৰ্জ্জন কৰিব লাগিলে ব্ৰহ্মচৰ্য্য কৰিবই লাগিব। দেহৰ উৎকৰ্ষই বোলক, মনৰ উৎকৰ্ষই বোলক, ব্ৰহ্মচৰ্য্য নহলে কেতিয়াও নহব আৰু ঈশ্বৰলৈ ভয়, বিবেকলৈ ভক্তি নহলে কেতিয়াও ব্ৰহ্মচৰ্য্য হবই নোৱাৰে। আজিকালিৰ শিক্ষা সেইখিনিতে প্ৰাণহীন যত নীৰস নৈতিক বাক্য মাত্ৰ প্ৰয়োগ হয়। ঈশ্বৰলৈ ভক্তি নহলে উদ্দেশ্য মহৎ নহলে, ব্ৰহ্মচৰ্য্য হব কৰপৰা?

আদিতে কৈ আহিছোঁ—প্ৰাচ্য আৰু প্ৰতীচ্যৰ মিল হব লাগিব বুলি। তেন্তে বৰ্ত্তমান দিনত প্ৰতীচ্যৰ কি কি ভাব আমি প্ৰাচ্যৰ লগত মিলাব পাৰোঁ। চোৱা যাওক। প্ৰতীচ্যৰ কি কি গুণ আমি পাব লাগে? প্ৰতীচ্যত আজি ক্ষত্ৰিয় শক্তিৰ পূৰ্ণ বিকাশ। স্বদেশপ্ৰেম সেই দেশৰ বিশেষ বিশেষত্ব। ঘোৰ জাৰ্ম্মান যুদ্ধত অসংখ্য টকা খৰচ কৰিও জাৰ্ম্মানীয়ে এজন ইংৰাজ গুপ্তচৰ বিচাৰি পোৱা নাছিল। ই এটা কম গৌৰবৰ কথা নে? লক্ষ টকায়ো এটা 'গৰীব' মানুহৰ মন টলাব নোৱাৰিলে কেলেই? সেই কাৰণ—কাৰণ 'গৰীবে' প্ৰাণতকৈ নিজৰ দেশখনক বেছি ভাল পায়। আমাৰ দেশ পৰাধীন হোৱা বুৰঞ্জীৰ পদে পদে বিশ্বাসঘাতকতা পদে পদে দেশৰ স্বাৰ্থতকৈ টকাক ওখ আসন দিয়া। বাস্তৱিকে সেই প্ৰাচীন ভাৰতবৰ্ষৰ দিনকেইটা বাদ দিলে আমাৰ দেশৰ ভাগ্যবিপৰ্য্যয় কেৱল গৃহ-বিবাদ আৰু বিশ্বাসঘাতকতাৰ দ্বাৰাই চিৰকাল হৈ আহিছে। আজি ভাৰত-সন্তানে নতমস্তকে সেই স্বদেশপ্ৰেম শিকিবলগীয়া! দ্বিতীয় শিকিবলগীয়া তেওঁলোকৰ নিৰ্ভীকতা আৰু কৰ্ত্তব্যপৰায়ণতা। মিছা কথা কোৱাটো ইংৰাজৰ বৰ বেছি অভ্যাস নাই। এজন দেশী মানুহে যিদৰে কথা ঘূৰাই সহজে কথাটো কব পাৰে, এজন ইংৰাজে তেনেদৰে নোৱাৰে। এইবোৰ সদগুণ গ্ৰহণীয়। পৰিবৰ্জ্জনীয় তেওঁলোকৰ বিলাসিতা আৰু ভোগলিপ্সা আৰু আপোনপেটীয়া স্বভাৱ। শিকিবলগীয়া তেওঁলোকৰ thoroughness অৰ্থাৎ সকলো কাৰ্য্য পৰিপাটীৰূপে কৰি যোৱা।

আজি ছাত্ৰবন্ধুসকলে নিজৰ জীৱন সৰল কৰি গঢ়ি তুলিব লাগিব। বিলাসিতা বৰ্জ্জন কৰি নিতান্ত সৰল-সহজ জীৱন যাপন কৰিব লাগিব। অতি মিহি মখমলপৰীয়া চুৰিয়া আৰু ৰেছমৰ কামিজৰ ঠাইত খাদৰ চুৰিয়া আৰু চোলা ব্যৱহাৰ কৰিব লাগিব। এছেন্স বিলাতত তিৰোতা

ঘঁহে, মতাই ঘঁাহিলে অত্যন্ত হাস্যাস্পদ হয়। আমাৰ দেশত ধুনীয়া ডেকাই এছেন্স ঘঁহি বাটেদি যাওঁতে গোন্ধত আমোল-মোলাই যায়। এই এটা পৰিহাৰ্য্য অভ্যাস। মতা লৰা টান হব লাগিব। কোনোৱে কব পাৰে বোলে মোৰ টকা আছে যেতিয়া মই এছেন্স ঘঁহিম। আমি কওঁ,—ঘঁহা কিন্তু তাৰদ্বাৰা যে তোমাৰ চৰিত্ৰ দূষিত হব, সেইটো মনত ৰাখিবা। পিন্ধা-উৰা ভদ্ৰতাৰ লক্ষণ হয় কিন্তু সেয়ে অতি মাত্ৰা হলে তাকে 'ফপিছনেছ' বোলে। 'ফপ্' নাইবা 'ফুল-বাবু' কোনো দেশত কোনো জাতিত কামিলা মানুহ বুলি পৰিচিত নহয়!

মৰমৰ ছাত্ৰবন্ধুসকল! বৰ লৰালৰিকৈ তুষাৰ কথা লিখি আনি তোমালোকক আমনি কৰিলোঁহি, সেই বাবে মোক ক্ষমা কৰিবা। আজি তোমালোকে পোৱা নাইবা আমি পোৱা শিক্ষা বেয়া বোলোঁ তাৰ অভাৱ নাই। এই শিক্ষা ধৰ্ম্মহীন, এই শিক্ষা প্ৰাণহীন কিন্তু এই শিক্ষা আজি বহু দিন চলি আছে, একে দিনে তাক নিৰ্ম্মূল কৰা টান। জাতীয় বিদ্যালয় হলে কিছু দূৰ এই বিষয়ে সুবিধা হব পাৰে বুলি বোধ হয় কিন্তু তাক জীয়াই ৰখাৰ বাটত বহুতো বিঘ্ন। এই বৰ্ত্তমান শিক্ষা পায়েই গান্ধী মহাত্মা, পি, চি, ৰয়, বঙ্গদেশৰ কৰ্ম্মযোগী বিবেকানন্দ, জগতবিখ্যাত ধৰ্ম্মগুৰু বুলি বহুতে কয়। কিন্তু এইসকলে উৎকৰ্ষ লাভ কৰিলে স্কুলৰ কিতাপকেইখনৰপৰা নহয়, স্কুলৰ বাহিৰৰ শিক্ষাৰ পৰা নিজৰ নৈতিক আৰু সাত্ত্বিক বলৰ দ্বাৰাই। এইসকল কৃতকাৰ্য্য হল ব্ৰহ্মচৰ্য্যৰ দ্বাৰাই, সাধনাৰ দ্বাৰাই। পৰীক্ষা পাছ কৰাটোৱেই জীৱনৰ চৰম উদ্দেশ্য নহয়। বি-এ পাছ কৰিলে আমাৰ পাখি নগজে। নিজে নিজে অভ্যাস যোগত নধৰিলে স্কুল-কলেজৰ ৪৫ মিনিটৰ ঘণ্টাই একো সুবিধা কৰি দিব নোৱাৰে। যি লৰাই স্কুলৰ পঢ়া কিতাপ কেইখন ভাটৌৰ দৰে মুখস্থ কৰি তাকে পৰীক্ষাৰ কলেজত লিখি দি বিশ্ববিদ্যালয়ৰ ওখ মহলাত উঠি ভাবে যে তেওঁ বৰ পণ্ডিত, মই কওঁ যে তেওঁ ভয়ানক অজ্ঞ। স্কুলবোৰৰ কথা এয়ে যে কেৱেলাতকৈ গুটি দীঘল। শিক্ষকসকলে মেকমিলনৰ নোট বহি আৰু কিতাপ কেইখনৰ তালিকা দিয়ে আৰু লিখা খাতা চায়ে নিশ্চিন্ত। স্কুলৰ পঢ়াতকৈ পৰিদৰ্শনৰ খুন্দা আৰু খবৰ তুলনাত বেছি। লৰাক স্কুলত পঢ়োৱা মানে ভালকৈ হজম নকৰাকৈ মুখস্থ কৰিবৰ উপায় শিকাই দিয়া আৰু এজন শিক্ষক

ঘৰত ৰখা। ইকালে কাগজ, পেন্সিল, এক্সাইজ বুকৰ শ্ৰাদ্ধ। লৰাই ফুটবল আৰু ক্ৰিকেটৰ টুৰ্ণেমেণ্ট নকৰিলে হেনো ব্যায়ামেই নহয়। বলে পৰা জনে কৰিব কিন্তু দুখীয়াৰ লৰাই ঘৰত এঘণ্টা কোৰ মাৰি শাক-পাচলি কলেনো কি ব্যায়ামৰ কম হয়? 'কপাৰ্ত্তি' খেলিলেনো শৰীৰত কি কম কুস্তি হয়? সেইটো নহয়। ফুটবল কিনোতে, ক্ৰিকেট কিনোতে, ডিউকং বল কিনোতে আৰু তাৰ আনুষঙ্গিক কত কি কিনোতে কত লাখ টকা বছৰে অনাহকত খৰচ হয়। ইমান খৰচ কৰি 'চৌখিন' খেলা খেলিও আজি আমাৰ শতকৰা ৯৯টা লৰাই বদ-হজমৰপৰা ভোগে কিয়? অথচ খেতিয়কৰ লৰাই নোভোগে কিয়? বস্তুতঃ আমাৰ আমিত্ব হেৰুৱাই আমি একেবাৰে 'তিন নকলে আচল খাস্তা' হৈ বহি আছোঁ। ভোগ-লিপ্সাই আমাক একেবাৰে 'অমানুহ' কৰিলে। ধৰ্ম্ম আমাৰ মাজৰপৰা আঁতৰি গৈ আমি ঈশ্বৰ নমনা হৈ ভগৱানত অনাস্থাপূৰ্ণ জীৱন যাপন কৰিছোঁহঁক। আমি আজি ইমান প্ৰাণহীন যে নকল কৰাটোকেই আমি জীৱনৰ প্ৰধান সভ্যতা বুলি ভাবিছোঁ। চুৰিয়া পিন্ধা অসভ্যালি, কিয়নো আধা-নাঙঠ কিন্তু কৰঙনলৈকে নমা চুটি ঠেঙা পিন্ধা সভ্যালিৰ চূড়ান্ত। ইমান ধুনীয়া আৰু লজ্জানিবাৰক যে চুৰিয়া, তাৰ পৰিবৰ্ত্তে চাঁদনীত তৈয়াৰী টান ঠেঙা —সেয়ে বেছি সভ্যতাৰ পৰিচায়ক! আমাৰ ৰুচিৰ বিকাৰৰ মূলত চৰিত্ৰৰ দুৰ্ব্বলতা, ব্ৰহ্মচৰ্য্যৰ অভাৱ। মই কেইবাৰো তোমালোকৰ এই মহাসভাত যোগ দিছোঁ, কাৰণ চাবলৈ ভাল পাওঁ মোৰ দেশৰ ভৱিষ্যতসকলৰ শাৰীৰিক আৰু মানসিক উন্নতি। আজি অত বছৰৰ মূৰত হয়তো যিমান হব লাগিছিল তিমান উন্নতি একো দেখা নাই। কেলেই দেখা নাই? তাৰ কাৰণ—চামে চামে ছাত্ৰসকল আহিছে, দুদিন উৎসাহ কৰি এটা ধেমালি হিচাপে একোখন সভা পাতিছে, তাৰ পিছত উকীল নাইবা কেৰানী হৈ অভাৱ সাগৰত পৰি ইয়ালৈ পিঠি দিছে।

শব্দ ব্ৰহ্ম। শব্দতকৈ বলবান একো নাই, শব্দতকৈ পৱিত্ৰ একো নাই। সেই শব্দ গহীনভাবে ৰাইজৰূপী নাৰায়ণৰ আগত উচ্চাৰণ কৰি তোমালোকে ৰাখিব নোৱাৰা কেলেই? খাদৰৰ ব্যৱহাৰ কৰিমহঁক বুলি কত বাৰ এই সভাতে প্ৰস্তাৱ হৈ গল কিন্তু আজি কলিকতা আৰু গুৱাহাটীৰ সকলো অসমীয়া ছাত্ৰৰ গাত খাদৰ নেদেখোঁ কেলেই? ইয়াৰ কাৰণ

সংযমৰ অভাৱ, চৰিত্ৰৰ দুৰ্ব্বলতা নহয় নে? তোমালোকে ছাৰ পি, চি, ৰায়ৰ নিচিনা মহাপুৰুষ, ৰেভাৰেণ্ড এণ্ড্ৰুজৰ নিচিনা ধীৰ আৰু ধাৰ্ম্মিক পুৰুষক ইয়ালৈ আনি তেখেতসকলৰপৰা অশেষ প্ৰশংসাবাদ পাইছা কিন্তু আজি যদি ছাৰ পি, চি, ৰায়ে শুনে যে তেওঁ যি কামৰ নিমিত্তে জীৱনটো প্ৰায় বলিকে দিছে অৰ্থাৎ খাদৰ প্ৰচলনৰ নিমিত্তে, সেই কামৰ সম্বন্ধে প্ৰতিশ্ৰুতি দি অসমীয়া ছাত্ৰে সেই প্ৰতিশ্ৰুতি ভঙ্গ কৰিছে—তেখেতে তোমালোকৰ এই সভাত সভাপতিত্ব কৰাৰ বাবে নিশ্চয় গৌৰৱ অনুভৱ নকৰে। বহুতে কব পাৰে যে খাদৰ পিন্ধা যি, মিলৰ কাপোৰ পিন্ধাও সেয়ে। হব পাৰে। কিন্তু সঙ্কল্প কৰি, প্ৰতিজ্ঞা কৰি, যদি কোনো জাতিৰ ডেকাসকলে বছৰে বছৰে সেই প্ৰতিজ্ঞা ভঙ্গ কৰে তেন্তে সেই জাতি ডাঙৰ হব বুলি আশা কৰিব পাৰি কেনেকৈ?

প্ৰিয় ছাত্ৰবন্ধুসকল! বহুত কথা কলোঁ। বহুতো অপ্ৰিয় কথাও কলোঁ। সেই বাবে মোক ক্ষমা কৰিবা যেন। মই আদিতে কৈছোঁ যে মোৰ কোনো গুণ-গৰিমা নাই। মই অতি নিঃকিন। আছে মাত্ৰ মোৰ চকুৰ পানীটুপি। যত কথা কলোঁ, তাৰ ভিতৰত অপ্ৰিয় কথাখিনি মোৰ নিজৰ গাত চাবুক মাৰি চকুৰ পানী উলিওৱাৰ তুল্য হৈছে। বৰ ভাল পাওঁ তোমালোকক। বৰ ভালপাওঁ তোমালোকৰ উন্নতি দেখিলে। মোৰ মৰমৰ বোপাইঁত আৰু আইটীইঁত! আহাঁ মোৰ এই ক্ষুদ্ৰ হিয়াৰ গোটেইখিনি প্ৰেম, গোটেইখিনি শুভ ইচ্ছা আজি তোমালোকক উপহাৰ দিওঁ। ভাৰত-ফুলনিৰ কুমলীয়া ফুল কলিবিলাক! তোমালোকৰ সুন্দৰ দেৱোপম কান্তি দেখি এই অকিঞ্চনৰ চকু জুৰাওক। উত্তৰে অভ্ৰভেদী তুষাৰ ঢকা টিঙেৰে গিৰিৰাজ হিমগিৰি, দক্ষিণে শ্যামল কলেৱৰ থাকৰ ওপৰত থাক পতা কত ৰকমৰ পৰ্ব্বত শ্ৰেণী, পূবে হিমালয়ৰ বুকত থকা তীৰ্থৰাজ পৰশুৰাম কুণ্ডৰ মাজেদি বৈ গৈছে, নন্দৰাজ ব্ৰহ্মপুত্ৰ। কামাখ্যা উমানন্দ বিশ্বনাথ ইত্যাদি অসংখ্য তীৰ্থ ইয়াত বিৰাজমান। এই পূতভূমি যে ঋষিৰ আশ্ৰম। এই আশ্ৰমবাসী ঋষি-বালকসকল! তোমালোকৰ পৱিত্ৰ নিষ্কলঙ্ক নিৰ্দ্দোষ মুখৰ জেউতিৰে অসম আইৰ মুখ উজ্জ্বল কৰাহঁক। যোৱাসকল গল। তোমালোক আহিব লাগিছা। তোমালোক অসম-মাতৃকাৰ আলসুৱা সন্তান —বহু আশাৰ ধন। তোমালোক এতিয়া গুৰুগৃহত আছা। ইফালে আয়ে তোমালোকৰ নিমিত্তে কত আয়োজন কৰি বহি আছে আজি সংসাৰময়-

জগতময় ভাবৰ প্ৰবাহ বৈছে, উন্নতিৰ সোঁত বৈছে, আধ্যাত্মিকতাৰ উজান উঠিছে, ত্যাগৰ মহিমা ওপচি পৰিছে। বহু আশাৰ ধন, বহু আদৰৰ দুমলীয়া সন্তান তোমালোক—আহাঁ, আহাঁ ; আজি তোমালোকৰ দুখুনী মাতৃয়ে যে শঙ্খ-ঘণ্টা লৈ পূজাত বহিছে তোমালোকৰ মঙ্গলৰ নিমিত্তে। পূজাৰ শেষত নিৰ্ম্মালি আৰু আশীৰ্ব্বাদ লব লাগিব। আহাঁ সন্তান আহাঁ, আশীৰ্ব্বাদ লবলৈ পৱিত্ৰ অন্তৰেৰে। আহাঁ, সন্তান আহাঁ, নিষ্কলঙ্ক পৱিত্ৰ দেহ লৈ তালৈ আহাঁ। আজি বহু দিন, বহু যুগ আইৰ পূজা নিষ্ফল হৈ গৈছে। অভাজন অকৃতী সন্তানে আইৰ দুখ দুবুজি আইৰ বহুতো তপস্যা নিষ্ফল কৰি দিছে। আহাঁ বীৰবৃন্দ আহাঁ, বীৰ ভনীসকল আহাঁ! আইৰ সেই তপ সিদ্ধ কৰাহিঁক। আজি জগতত মহা মহা পুৰুষসকলৰ আৱিৰ্ভাবৰ দিন। আজি ভাৰতত ত্যাগৰ যুগ, মুক্তিৰ যুগ উপস্থিত। আজি উষা দেৱীয়ে পুৱাতে হাঁহিমুখে তোমালোকক সাদৰ জনাইছে। আজ্ৰি পুৱাতে বিহঙ্গমকুলে মধুৰ কাকলিৰে তোমালোকৰ আগত আইৰ আৰতি গাইছে। আজি সূৰুযৰ কোমল বিভা বৰ মনোহাৰী। আজিৰ জোনালী ৰাতি মধুযামিনী। আহাঁ সন্তান, এই হেন দিনত ত্যাগ মন্ত্ৰত দীক্ষিত হৈ তোমাৰ জন্মভূমিক উন্নতিৰ বাটলৈ আগবঢ়াই নিয়া। আজিৰ ব্ৰাহ্মণত্ব জন্মত নহয়, চৰিত্ৰত। আজিৰ ক্ষত্ৰিয়ত্ব নিৰ্ভীকভাবে স্বধৰ্ম্ম প্ৰতিষ্ঠা কৰাত।

শিক্ষক, কেৰানীগিৰি, মহৰিগিৰি, হাকিমগিৰি নাইবা উকীলগিৰি কেলেই লাগিছে জীৱনৰ সেই ক্ষুদ্ৰ আদৰ্শ কল্পনা। তাতোকৈ ডাঙৰ হবলৈ চেষ্টা কৰাহঁক। তাতোকৈ মহান মহিমাময় হবলৈ চেষ্টা কৰাহঁক। প্ৰতীচ্যই ঢুকি নোপোৱা আদৰ্শ কল্পনাৰ আগত লৈ আগবাঢ়াহঁক। আগবাঢ়া দেৱাদিদেৱ মহাদেৱৰ আদৰ্শ লৈ পৰম ভিখাৰীৰূপে। যি গোপনীয় তত্ত্ব ভাৰতে পাইছে, সেই তত্ত্ব আন কোনো জাতিয়েইতো পোৱা নাই। পৰম ভিখাৰী, হাবিত বাস, এনে হেন মহাঋষিয়ে ৰাজৰাজেশ্বৰৰ সভাত উপস্থিত হলে গৰ্ব্বিত দুৰ্দ্ধৰ্ষ ক্ষত্ৰিয়ৰ মস্তক ভক্তিত, ভয়ত পদতলত লুটি খায় কিন্তু ভিখাৰীয়ে মহাৰাজক আশীৰ্ব্বাদ দি আকৌ সৰ্ব্বত্যাগীভাবে হাবিত সোমাই দৰ্শন, মীমাংসা, বেদ, উপনিষদ ৰচনা কৰিছিল। সেই জ্ঞান-বাৰিধিৰ সোৱাদ আজিও সমস্ত জগতে মৌ পিয়াদি পিও অন্ত কৰিব পৰা নাই। সেই ঋষি-মুনিসকলৰ বংশধৰ, সেই পুণ্যভূমিৰ সন্তানসকল! আজি উদ্‌গ্ৰীৱনেত্ৰে পিতৃ-পুৰুষসকলে তোমালোকলৈ চাই আছে। জগতৰ এই জোৰাত, এই

শুভ ক্ষণত তোমালোকে নিজ জীৱন কেনেকৈ গঢ়া তাকে চাই আছে। তেওঁ লোকক সন্তোষ দিয়া নিদিয়াৰ এক্তিয়াৰ তোমালোকৰ। তোমালোকে যদি আকৌ দৃঢ়ত্বত আৰু বীৰত্বত অৰ্জ্জুনৰ আদৰ্শত, ত্যাগত কৰ্ণৰ আদৰ্শত, সত্যত ভীষ্মৰ আদৰ্শত, জীয়াৰীসকলে যদি সাৱিত্ৰীৰ আদৰ্শত উঠিব পাৰা

"তবেসে পাৰিবে হাসিতে হাসিতে
সুমেৰু অবধি কুমাধি শাসিতে
প্ৰতিদ্বন্দ্বী সহ সমকক্ষ হতে"—

মঙ্গলময়ে তোমালোকৰ মঙ্গল বিধান কৰক্, হৃদয়ত বল দিয়ক, মনত প্ৰেম দিয়ক। পৃথিৱী মধুময় হওক, অসম আই আকৌ পূৰ্ব্বৰ দৰে মহিমাময়ী হওক আৰু মৰিবৰ আগতে আমি অকৃতী অভাজন বৃদ্ধবিলাকে সেই মধুময় দৃশ্য দেখি যেন শান্তিৰে এই জীৱনৰ আধ্যা শেষ কৰিব পাৰোঁ।

ওঁ শান্তি ওঁ শান্তি ওঁ শান্তি।

বন্দে মাতৰম্!

সামৰণি মন্তব্য

মোৰ মৰমৰ ছাত্ৰ বন্ধুসকল আৰু আইদেউসকল! আজি দুদিনে এই মহাযজ্ঞৰ হোতা স্বৰূপে মোক যি সম্মান দেখুৱালা তাৰ প্ৰকৃত ঠাই ক'ত মই বৰ্ণনা কৰিব নোৱাৰোঁ। মোৰ দেশৰ সকলো ঠাইতকৈ শিৱসাগৰ পুণ্যভূমি। ইয়াৰ প্ৰত্যেক ধূলিকণা শত ৰাজশোণিতেৰে মণ্ডিত। এই শিৱসাগৰতেই আমাৰ পূৰ্ব্বপুৰুষসকলে নিজ গৌৰৱ, স্বাধীনতা আৰু ধৰ্ম্মৰ কাৰণে তেজ ঢালি দিছিল। এই ঠাইতেই কত মহা মহাপণ্ডিতে, কত মহাশাস্ত্ৰৰ মীমাংসা কৰি গৈছে, তাৰ সীমা-সংখ্যা নাই। এতিয়াও সতী জয়মতীৰ স্মৃতিচিহ্ন আৰু প্ৰাচীন ডাঙৰ দৌল উন্নত শিৰেৰে থিয় দি আছে। কত বাৰ বিদেশীয়ে অধিকাৰ কৰিও আমাৰ পূৰ্ব্বপুৰুষসকলৰ হাতৰপৰা স্বাধীনতা কাঢ়ি নিব নোৱাৰিছিল। এই ঠাই যদি পুণ্যভূমি নহয় তেন্তে কোন ঠাই পুণ্যভূমি মই কব নোৱাৰোঁ।

কিন্তু আজি আমাৰ কাৰ্য্য-কলাপ দেখি পূৰ্ব্বপুৰুষসকলে স্বৰ্গত থাকিও নিশ্চয় দুখ পাইছে। আজি আমি জীয়াই আছোঁ—তেওঁলোকৰ অলপ

গৌৰৱমালা গাঁথি লৈ। নহলে আজি এই জগতত আমাৰ নিচিনা পতিত জাতি কোন আছে? আজি কেৱল আমি পূৰ্ব্বৰ স্মৃতিৰ বলত বলী।

কোনো কোনো শিৱসাগৰবাসীয়ে শিৱসাগৰখন আন আন ঠাইতকৈ পাছ পৰা বুলি দুখ কৰে। কিন্তু হে শিৱসাগৰবাসী! তোমালোকৰ যেন সোনকালে কোনো পৰিৱৰ্ত্তন নহয়। তোমালোকৰ দেশত যেন মটৰগাড়ী নচলে, তোমালোকৰ দেশত যেন তেতালা, চৌতালা নুঠে, তোমালোকৰ পঁজা ঘৰ যেন পঁজা হৈয়ে থাকে। তোমালোকে পূৰ্ব্বস্মৃতি কেৱল মনত ৰাখিবা। তোমালোকৰ দুখ কৰিব লগীয়া একো নাই; তোমালোকৰ আদৰত মই আজি ধন্য। মোৰ যেন ক্ৰুটী মাৰ্জ্জনা কৰাহঁক।

ছাত্ৰসকল! মই যদি তোমালোকৰ কোনো দোষৰ কথা কৈছোঁ। অন্তৰত দুখ পাইছে সেইকণ দোষৰ কথা উল্লেখ কৰিছে।। তোমালোকৰ যদি বেয়া দেখোঁ, মোৰ অন্তৰে কান্দি উঠে। আমাৰ ইচ্ছা তোমালোকৰ প্ৰত্যেক-টোৱেই যেন দেৱতা হবা। ভয় কি? যিটো সত্য, ন্যায়, ভাল তাক কৰিবলৈ ভয় কিহৰ? ভয় নকৰিবা। সত্যৰ আশ্ৰয় লোৱা। তোমালোকৰ ভিতৰত যি বেয়া আছে, যি দুৰ্ব্বলতা আছে, তাক দূৰ কৰা। কালি তোমালোকক খং কৰিছিলো কিন্তু আজি খাদৰৰ প্ৰস্তাৱত মোৰ এই ভগ্ন হৃদয়ে শান্তি পাইছে। যি কাম কৰিলে দেশৰ ভাল হয়, তাক নকৰিবা কিয়? আমি বুঢ়া, আমি সোনকালে ইহজগত এৰি যাম। তোমালোকৰ হৃদয় এতিয়া কোমল। এই হৃদয়ত যি সাঁচ বহুৱাই দিয়া সেয়ে বৈ যাব। সেই কাৰণে এই কোমল বয়সতে সত্য অনুসৰণ কৰিবলৈ, ধাৰ্ম্মিক হবলৈ চেষ্টা কৰা। যেয়ে প্ৰকৃত মানুহ সেয়ে সাধু। যত জীৱ, তত শিৱ। আমাৰ ভিতৰত ভগৱান আছে। ভগৱানৰূপী বিবেকৰ বাণী মতে চলিলে লক্ষ্যভ্ৰষ্ট হব নোৱাৰা। যদি তোমালোকৰ উন্নতি দেখা নাপাওঁ তেন্তে আমি শীঘ্ৰে মৰাই উচিত। আৰু সহ্য নহয়।

মহাত্মাই আজি ব্ৰত ধৰিছে কিয়? "মোৰ হৃদয়ৰ তেজৰ আঠাৰে যেন দুয়ো সম্প্ৰদায় আঁত খাই পৰে"—এয়ে মহাত্মাৰ স্বীকাৰোক্তি।

তোমালোকৰ দায়িত্ব প্ৰবল। ঈশ্বৰৰ দাবী, দেশৰ দাবী,—যিজনেই কৰ্ত্তব্যভ্ৰষ্ট হব তেৱেঁই দেশৰ দ্ৰোহী। এই কথা যেন প্ৰত্যেকেই ভাবি চায়।

এজন বন্ধুৱে মোক কৈছে—আপুনি ছাত্ৰসকলৰ বৰ্ত্তমান শিক্ষা উদ্দেশ্য-বিহীন বুলি কৈছে কিন্তু তাৰ কোনো মীমাংসা কৰি নিদিলে কিয়? মই কওঁ

—যেতিয়ালৈকে উকীল, হাকিম আদিৰ কাৰণে হেঁপাহ নকমিব, যেতিয়ালৈকে স্বাধীন বৃত্তিৰ কাৰণে অপমান বোধ কৰাৰপৰা নিবস্ত নহব, যেতিয়ালৈকে মনৰপৰা অহঙ্কাৰ ভাব দূৰ নহব, তেতিয়ালৈকে উন্নতি হোৱা অসম্ভৱ। অকল এয়ে নহয়, যি নিমিত্তেই নহওক, গুৰিৰেপৰা উদ্দেশ্য ঠিক থাকিব লাগিব।

তোমালোক মোৰ পুত্ৰস্থানীয়। তোমালোকক কোনো কথা কবৰ মোৰ অধিকাৰ আছে। তোমালোকৰ উশৃঙ্খল ভাব নাইবা বিলাসী ভাব নেদেখি যেন স্বদেশী আৰু জাতীয় ভাব দেখিবলৈ পাওঁ। তোমালোক সবল সুন্দৰ কিন্তু অকল সেয়ে যথেষ্ট নহয়। কৰ্ম্মী হব লাগিব, গুণী হব লাগিব। অসম আইক জগতৰ ভিতৰত শ্ৰেষ্ঠাসন দিব লাগিব। লাগে দৃঢ়ত্ব, লাগে বীৰত্ব, লাগে সংযম আৰু আশা। যদি একাগ্ৰতাৰে সৈতে আগবাঢ়িব পাৰা তেন্তে অসমেই জগতৰ ভিতৰত শ্ৰেষ্ঠাসন লাভ কৰিব পাৰিব। মোৰ এই আশা যেন ফলৱতী হয়। ইয়াকে ভগৱানক প্ৰাৰ্থনা কৰি মই মোৰ বক্তৃতাৰ সামৰণি পেলাব খোজোঁ।

ছাৰ দেবপ্ৰসাদ সৰ্ব্বাধিকাৰী

দশম ভাষণ

সভাপতি :—ছাৰ দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰী

যোৰহাট—৩০ ছেপ্টেম্বৰ, ১৯২৫ চন।

আজি কেইদিনমান আগতে মহাকৱি কালিদাসৰ অমৰ কাব্য 'কুমাৰ-সম্ভৱ'ত বৰ্ণোৱা পৃথিৱীৰ মানদণ্ড গিৰিৰাজ হিমালয়ৰ সমান্তৰালভাৱে পশ্চিমৰপৰা পূৱলৈ আহোঁতে দুৰ্গামাতৃৰ শক্তিসঞ্চাৰিণী জীৱন-কাহিনীৰ কথায়ে মোৰ মনত বৰকৈ খুন্দিয়াই আছিল। সোঁপিনে সুদূৰত পৱিত্ৰ জ্বালামুখীৰ অগ্নিকুণ্ড বাঁওপিনে গিৰিৰাজৰ পৱিত্ৰ আবাসভূমি গিৰি নদী ওচৰত এৰি শ্যামলা (ছিম্‌লা), কামনা আৰু তাৰাদেৱী, কালিদাস (কল্প) চণ্ডীগড় আৰু অম্বা আদি শক্তিৰ চৰম উৎকৰ্ষৰ সোঁৱৰণীসনা ঠাইবোৰ পাৰ হৈ গৈ নামনিৰ পিনে আহিলোঁ। ইয়াতে সতীয়ে পতি-নিন্দা শুনাতকৈ মৰণকে শ্ৰেয়জ্ঞান কৰি হাঁহিমুখে মৃত্যু আলিঙ্গন কৰিছিল আৰু সতীৰ দেহত্যাগৰ পিছত ভগৱান শিৱই ইয়াতেই পুণ্যভূমিৰ অধিষ্ঠাত্ৰী দেৱী সতীৰ মাহাত্ম্য আৰু শক্তি চাৰিওফালে বিস্তাৰ কৰি দিওঁ বুলি সংকল্প কৰিছিল গুণেই ভাৰতৰ চাৰিওফালে পীঠস্থানবোৰৰ আৱিৰ্ভাব হল। তাৰে এটি পীঠ এই কামাখ্যাৰ ওচৰেদি মই আহিলোঁ। শ্যামলাৰপৰা কামাখ্যা তেনেই এলা-পেচা আঁতৰত নহয়। 'নৱসম্ভূত' সুদীৰ্ঘ পৰ্ব্বতশ্ৰেণীৰ সমান্তৰালকৈ কৰা দীঘলীয়া বাটডোখৰৰ সৰহ ভাগ ঠাইতেই ভাৰতৰ আন আন অংশৰ দৰে 'শক্তিৰ ফিৰিঙতি' বিয়পি পৰিছে।

কৱিশ্ৰেষ্ঠ কালিদাসৰ পৃথিৱীৰ মানদণ্ড হিমালয়ে পূবা-পশ্চিমাকৈ সাগৰ ব্যাপী শক্তিৰ ধ্বজাৰূপে যিদৰে অচল-অটল হৈ থিয় দি আছে, শক্তিৰ কেন্দ্ৰভূমিবোৰো সেইদৰে অলৰ-অচৰ হৈ থিয় দি থাকিব—পশু-শক্তিৰ বলত নহয়, জ্ঞান-গৰিমাৰ প্ৰভাৱতহে। অবিদ্যাক পৰাভূত কৰি বিদ্যাৰ একনিষ্ঠ সেৱক হলেহে তেনে শক্তি পাবৰ যোগ্য হব পাৰি। সিদিনা হৈ যোৱা

জাতীয় বিজয়া মহোৎসৱৰপৰা এই মহাবাণী আমি সাৱোগত কৰি লোৱা যুগুত আৰু এই মহাবাণী সাৱোগত কৰি লব লাগিব তোমালোকে— কাৰণ লক্ষ্মী-সৰস্বতীৰ বৰপুত্ৰ তোমালোকেই প্ৰকৃত শক্তি-সাধনা আৰু মাতৃভূমিৰ উদ্ধাৰ আৰু উন্নতিৰ হকে সকলো জাতীয় শক্তি নিজে কামত লগাব লাগিব।

মই আশা কৰোঁ 'নৰসম্ভূত' বুলি হিমালয়ৰ মৰ্য্যাদাৰ একো হানি কৰা নাই। কাৰণ পুৰাণমতে আৰু আজিকালিৰ বিজ্ঞানমতেও হিমালয় নকৈ হোৱা পৰ্ব্বতশ্ৰেণী। অগস্ত্য মুনিক সন্মান দেখুৱাবলৈ মূৰ-দোঁওৱা বিন্ধ্যগিৰি হিমালয়তকৈ বহু দিনৰ পুৰণি। বেলেস্কেষ্টাৰ আৰু লেষ্টবাৰ্কাৰ আদি বৈজ্ঞানিক পণ্ডিতসকলে প্ৰমাণ কৰিছে যে মুঠেই পঞ্চাশ হেজাৰ বছৰ আগেয়ে ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰ একেলগ আছিল গুণে ভাৰতবৰ্ষখন মাজতে দ্বীপৰ দৰে হৈছিল। কালক্ৰমত জলখণ্ড শুকাই গল বুলি বৈজ্ঞানিক গৱেষণাত স্থিৰ হৈছে। ক্ৰমে সুদূৰ অতীতত বৰফে ঢাকি থোৱা গিৰিশৃঙ্গবোৰৰ সৃষ্টি হল আৰু ঋষিসকলৰ চৰণ ধূলিৰে পৱিত্ৰ সেই গিৰিশৃঙ্গ-বোৰত আৰোহণ কৰিবলৈ পাশ্চাত্য 'ক্ৰুহ' শ্ৰেণীৰ পৰ্ব্বতাৰোহীসকলৰ সাত বেলি ব্যৰ্থ প্ৰয়াসৰ পিছত ৰবাৰ্ট ক্ৰুহ কৃতকাৰ্য্য হৈছে।

অসমৰ ডেকাসকল! বাণ-ভগদত্তৰ বংশধৰ তোমালোক। প্ৰবলপ্ৰতাপী আহোমৰ শৌৰ্য-বীৰ্য্যৰ গৌৰৱময় অতীতৰ উত্তৰাধিকাৰী তোমালোক। তোমালোকেই অসমৰ ভৱিষ্যৎ গৌৰৱময় কৰি তুলিব লাগিব। অতীতৰ এনে গৰিমাৰে ভৰা জাতি এটাৰ বংশধৰসকলৰ লগত চিনাকি হবলৈ পাই মই নিজকে গৌৰৱান্বিত বুলি বিবেচনা কৰিছোঁ। এতিয়া মই ৰঘুৰ বিজয় কাহিনীৰ পদাঙ্ক অনুসৰণ কৰাৰ লোভ সামৰিবলৈ বাধ্য হম। অসমৰ বাৰিষা আৰু বানপানীৰ উপদ্ৰৱত নিৰ্য্যাতন ভোগা মিৰজুমলাৰ আক্ৰমণ-কাহিনীৰ কথাও সামৰি আমি বৰ্ত্তমান কালৰ কথালৈ আহিম। এখন্তেক সময় মাথোন আমি আমাৰ শৈশৱৰ সোঁৱৰণী মনলৈ আনিম। তাহানিখন সকতে আমি গোট খাই পূজনীয়া মৰমিয়াল খুৰাদেউ আৰু খুৰাদেউৰ চিঠিবোৰ পঢ়িছিলো। খুৰাদেৱে গোলাঘাটত ওপৰৱালা কৰ্ম্মচাৰীৰূপে দেৱানী আৰু ফৌজদাৰী বিবাদৰ কাম কৰিছিল। তিনি কুৰি বছৰ আগেয়ে স্থানীয় পুৰণি মানুহবিলাকে সাক্ষী হাজিৰ কৰিবলৈ কলে খং কৰি কাছাৰীঘৰ এৰি গুচি গৈছিল। আজিকালিৰ সভ্যতাৰ যুগত আন কোনো কথা প্ৰকৃত সঁচা

বুলি গ্ৰহণ কৰাবলৈ গলে যে আন সাক্ষীৰ দ্বাৰা সেই কথা সমৰ্থিত হব লাগে৹ এই কথা বিশ্বাস কৰিবলৈকে তেওঁলোকে টান পাইছিল। হায়! সেই স্বভাৱৰ অবিকল প্ৰতিমূৰ্ত্তি সবল সত্যপ্ৰিয় তেনে চৰিত্ৰ আজি অসমীয়াৰ ক'ত? এতিয়া যোৱা কথা গল। যিখিনি পাৰি তাকে উদ্ধাৰ কৰিবলৈ তোমালোকেই সহায় কৰিব লাগিব।

খুৰাদেউ শ্ৰীযুত আনন্দপ্ৰসাদ সৰ্ব্বাধিকাৰীদেৱে যোৱা শতিকাৰ আগছোৱাত নাৱেৰে কেবা সপ্তাহ উজাই আহোঁতে লগ পোৱা পানীৰ ডকাইত-বিলাকৰ কথা শুনি আৰু আনকি জাহাজ চলিবলৈ আৰম্ভ হোৱাৰ পিছতো যোৱা শতিকাৰ শেষ ভাগত ডেকা বয়সত ওকালতি কৰা কালত মানাহ নৈ পাৰ হৈ আজিকালি ৰেলৰ আলি যোৱা বিজনীৰ হাবি-বাটেদি যাবলৈ সাহ নকৰি যাত্ৰাপুৰৰপৰা ধুবুৰীয়েদি গোৱালপাৰালৈ পানীয়েদি আহোঁতে এই বাটডোখৰেই নেযায় মুপুৰায় যেন হৈছিল। তোমালোকৰ এই ফালে পৰিবৰ্ত্তন বৰ সোনকালে হব লাগিছে। এবাৰ মনমোহা দীঘলী পুখুৰীৰ দাঁতিৰ কলেজ কল্পনালোকত থকা কালত প্ৰায় দহ বছৰমান হল—এবেলি মই আৰ্ল ল কলেজৰ প্ৰতিষ্ঠাৰ সময়ত গুৱাহাটীলৈ আহোঁতেই আগৰ অৱস্থাতকৈ বহুত গুণে ভাল দেখিছিলোঁ। এতিয়াও তোমালোকৰ ল কলেজৰ সুযোগ্য প্ৰিন্সিপেল শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱাদেৱৰ অনুৰোধেই মোক এইখিনি পোৱাইছেহি। উভতি যাওঁতে তেখেতক লগ পাই যাম বুলি আশা কৰোঁ।

তোমালোকৰ দেশৰ চাৰিওফালৰ অৱস্থাৰ পৰিবৰ্ত্তন বৰ বেগাই বেগাই হবলৈ ধৰিছে। তোমালোকৰ দেশৰ মানুহৰ মানসিক আৰু অৰ্থ নৈতিক অৱস্থাবো সলনি হব লাগিব। এনে অৱস্থাত মই ডাঠি কব পাৰোঁ, দেশৰ আশা-ভাৰসাৰ স্থল অসমৰ ডেকাসকল! তোমালোকৰ ওপৰতে অৱস্থা পৰিবৰ্ত্তনৰ গুৰুতৰ দায়িত্ব আহি পৰিব। ঈশ্বৰক খাটোঁ যেন তোমালোকে তাৰ বাবে সাজু থাকিব পাৰা।

অসমৰ ছাত্ৰ-সমস্যাৰ লগত বঙ্গ, বিহাৰ বা উৰিষ্যাৰ ছাত্ৰ-সমস্যাৰ বিশেষ একো প্ৰভেদ নাই। মুঠতে কিছুমান নিচেই নগণ্য প্ৰভেদৰ কথালৈ আওকাণ কৰি একেটা সমস্যা বুলি কলেও বোধকৰোঁ ভুল নহব। সৌভাগ্যগুণে আন আন সমস্যাৰ দৰে ছাত্ৰ-সমস্যাত এতিয়াও জাতিগত আৰু সমাজগত বিভিন্নতা সোমাব পৰা নাই। খাইকৈ ধৰ্ম্ম আৰু ভাষা সম্বন্ধীয় পাৰ্থক্যখিনি বাদ দিলে মূলত দৰাচলতে সদৌ ছাত্ৰ-সমস্যা একেটা হৈ পৰে। আমাৰ

ডেকাসকলক কি উপায়েৰে উপযুক্ত ডেকা কৰি তুলিব পাৰি, তেওঁলোকৰ সজ বৃত্তিবোৰৰ কেনেকৈ উৎকৰ্ষ সাধন কৰি তাৰপৰা ফল লাভ কৰিব পাৰি, এই সমস্যাই ডেকা-সমাজৰ শিক্ষা আৰু বাট দেখুওৱাৰ কামত লাগি থকা সকলৰ মন বিশেষকৈ অধিকাৰ কৰিছে। কালি এই ঘৰতে মুছলমান ছাত্ৰ সম্মেলনত থিয় হওঁতে এই প্ৰশ্নটোৱেই মোৰ মনত খেলাইছিল।

সুদূৰ পশ্চিম ভাৰতৰ হিমালয়ৰপৰা নামি অহা গুণেই হবলা, মোৰ মনত পশ্চিম আৰু পূবক একেলগ কৰা আদৰ্শটোহে বিশেষ ভাল লাগিছে। জগতৰ ভাব-ৰাজ্যত পূব-পশ্চিম নাই। দুয়ো একেডাল সূঁতাৰে গাঁথা আৰু ভাব-ৰাজ্যৰ লগতহে ছাতৰৰ সম্বন্ধ।

শাৰীৰিক, মানসিক, নৈতিক এই তিনিটাৰ সামঞ্জস্য ৰাখি চলিলেহে কোনো এটা জাতি টনকিয়াল হৈ উঠিব পাৰে, কিন্তু সৱাৰো উপৰি লাগে— আধ্যাত্মিক ভাব। এয়ে নহলে কোনো শিক্ষাই সম্পূৰ্ণ হব নোৱাৰে। শিষ্যৰ প্ৰকৃত আদৰ্শত অনুপ্ৰাণিত হৈয়েই অৰ্জ্জুনে শ্ৰীকৃষ্ণৰ ভৰিত দীঘল দি পৰি কব পাৰিছিল—"শিষ্যস্তেঽহম্ শাধি মাং ত্বাং প্ৰপন্নম্" আৰু এই শিক্ষা আৰু আত্ম-শাসনৰ আদৰ্শতে অনুপ্ৰাণিত হৈ উতঙ্ক আৰু একলব্যৰ আদৰ্শমতে শিখবোৰ গুৰু নানকৰ মন্ত্ৰ-পৰশত সজাগ হৈ উঠিছিল। আনকি সিদিনাও ৰামদাসৰ আদৰ্শ ই শিৱাজীৰ অজেয় মাৰাঠাসকলক অনুপ্ৰাণিত কৰি তুলিছিল।

ক্ষত্ৰিয়ৰ কঠোৰ কৰ্ত্তব্য অনুযায়ী সবল দেহৰ আৱশ্যক হৈছিল। সুস্থ-সবল দেহ ব্ৰহ্মচাৰীৰো প্ৰথম লাগতিয়াল বস্তু, যদিও ক্ষত্ৰিয়ৰ সমান নহয়। এই আদৰ্শ আজিকালিৰ নীতি বচন "স্বাস্থ্যৱান শৰীৰ স্বাস্থ্যৱান মনত"কৈ বহু গুণে ওখ। "শৰীৰমাদ্যং খলু ধৰ্ম্মসাধনম্" মাথোন, 'ধৰ্ম্ম' মানে কৰ্ত্তব্য, ধৰ্ম্মভাব, ন্যায়—যিহকে বোলে বোলক।

পৱিত্ৰ ভাবে জীৱন কটোৱা, সজ কথা আৰু সজ চিন্তা, পৰিস্কাৰ-পৰিচ্ছন্নতা, নিয়মীয়া অভ্যাস, পুৰোষোচিত ব্যায়ামপ্ৰিয়তা আৰু খেলৰ বাবে খেল প্ৰত্যেক ছাত্ৰৰ আদৰ্শ হোৱা উচিত। অসমীয়া ছাত্ৰলৈ এয়ে মোৰ একমাত্ৰ উপদেশ যে এই আদৰ্শ কেইটাকে যেন সকলো অসমীয়া ছাত্ৰে সাৰোগত কৰি লয়। মোৰ দৰে আচহুৱা মানুহ এজনৰপৰা এই কথা ওলালেও ধুকুপ জানিবা তোমালোকৰ হিতাকাঙ্ক্ষী এজনে তোমালোকৰ জাতীয় সমাৰোহৰ দিনা যথেষ্ট চিন্তা কৰিহে এই কথা কোৱা উচিত বুলি বিবেচনা কৰিছে।

খোৱা-বোৱা, সাজপাৰ সকলোৰে পুৰোহিত, স্বাস্থ্যকৰ, স্থিৰ আদৰ্শৰ অনুকৰণ কৰি চলিলে সততকাই আওবাটলৈ যোৱাৰ ভয় নাথাকে। মোহনবাগান ক্লাব অলপতে ছিমলাৰ টুৰ্ণামেণ্টত দুবাৰ জিকিল আৰু তোমালোকৰ সহপাঠী বঙালী ছাত্ৰবিলাকে ডেৰকুৰি মাইল সাতোৰৰ প্ৰতিয়োগিতাৰ আয়োজন কৰিব লাগিছে। তোমালোকে তেওঁলোকৰ কামত সহায় কৰি জাতীয় শক্তি জাগৰণত সহায় কৰিব লাগিব। আশা কৰোঁ সময় আহিলে তোমালোকৰ মোহনবাগানৰ ভাইসকললৈ তোমালোকৰ সহানুভূতি আৰু শুভ ইচ্ছাৰ বাতৰি জনাবলৈ মোক অধিকাৰ দিবা।

কিন্তু টকা-কড়িৰ অৱস্থাৰ ফালে চালেহে মোৰ চকুলো ওলাব খোজে। মই ধনী হৈ ওপজা সম্প্ৰদায়ৰ কথা কব খোজা নাই নাইবা নিচেই দুখীয়া শ্ৰেণীৰ কথাও কোৱা নাই কিন্তু ভাৰতীয় ছাত্ৰ-সমস্যাৰ ভিতৰত আটাইতকৈ প্ৰধান সমস্যাৰ মধ্যবিত্ত শ্ৰেণীহে আচলতে নিম্ন-জাতি। আমাৰ মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ অৱস্থা বৰ বেয়া। চাৰিবছৰ কলিকতা বিশ্ববিদ্যালয়ৰ গুৰিয়ালৰূপে আৰু কেবাবছৰো ছাত্ৰৰ লগত থাকি মই গম পাইছোঁ— বাহিৰত বৰ চুৰিয়াৰ ফেৰ মাৰি ভেম কৰি দেখুৱা শ্ৰেণীটো দাৰিদ্ৰ্যৰ চৰম সীমাত থিয় হৈছেগৈ। পৰীক্ষাৰ মাচুল বা কিতাপ কিনা সময়ত নাইবা প্লেগ বা আন মাৰি-মৰকৰ সময়তহে তেওঁলোকৰ অৱস্থাৰ গম পোৱা যায়। মই ভাইছ চেন্সেলৰ থাকোঁতে এই কথা বিশেষকৈ অনুভৱ কৰিছিলোঁ। উৰিষ্যাত এগৰাকী মাকে পুতেকৰ পৰীক্ষাৰ মাচুল দিবলৈ একমাত্ৰ সম্বল পিতলৰ কাঁহী-বাটি বেচিব লগা হোৱা কথা মোৰ মনৰপৰা কেতিয়াও মচ নেখায়। মই শুনিছো, অসমতো হেনো আইসকলে কটনা কাটি নাইবা এৰী-মুগাৰ কাপোৰ বৈ লৰাক পঢ়ুৱাব নোৱাৰি অৱশেষত গৈ হাতৰ কাণৰ অলঙ্কাৰো বেচিব লগা হয়।

যি সকলে পাৰে তেওঁলোকে ছাত্ৰ-জীৱনতো 'চৌখিন' বস্তু ব্যৱহাৰ কৰক; কিন্তু সেয়ে হলেও, তেওঁলোকেও আগৰ দিনৰ ছাত্ৰৰ কঠোৰ সাধনাৰ আদৰ্শলৈ এবাৰ চকু দি চোৱা উচিত। তাৰ বাহিৰেও আৰু এটা কথা মনলৈ আহে, ইও কম মূল্যৱান নহয়। তেওঁবিলাকৰ বিলাসিতা আৰু খৰচী স্বভাৱে হয়তো তেওঁলোকতকৈ দুখীয়া ভাইসকলৰ মনত ইমানখিনি ছাঁ পেলাব যে তেওঁলোকে সেই বস্তুবোৰৰ ব্যৱহাৰৰ অভাৱ উপলব্ধি কৰিব, যদিও

তেওঁলোকৰ সেই বস্তুবোৰ ব্যৱহাৰ কৰিবলৈ সামৰ্থ্য নাই। তাৰ ফলত ধনী-দুখীয়াৰ এটা অবিচ্ছন্ন পাৰ্থ্যকৰ সৃষ্টি হব।

সকলো কালৰপৰা চাই মই পুৰণি উপদেশ "কৌপিনৱন্তঃ খলু ভাগ্যৱন্তঃ" আদৰ্শটোকে উৎকৃষ্ট বুলি ভাবোঁ। বিশেষকৈ ছাত্ৰ-জীৱনত দুখীয়া সহপাঠীসকলৰ কথা ভাবিব লাগিব। ভৱিষ্যতে তোমালোকে দুবেলা দুমুঠি খাবলৈ নোপোৱা কেবা লক্ষও ভাৰতবাসীৰ দাৰিদ্ৰ্যৰ কথা উপলব্ধি কৰিব পাৰিবা। যেনেকৈ শিকলি এডালৰ এটাইতকৈ দুৰ্ব্বল গাঁথিটোৰ বলৰ ওপৰতে গোটেই শিকলিডালৰে শক্তি নিৰ্ভৰ কৰে, তেনেকৈ ভাৰতৰ দুখীয়া সম্প্ৰদায়ৰ উন্নতিৰ ওপৰতে ভাৰতৰ উন্নতি নিৰ্ভৰ কৰে। জনসাধাৰণৰ উন্নতি কৰিব নোৱাৰিলে দেশৰ উন্নতি কৰা অসম্ভৱ!

পৰীক্ষা পাছ কৰি বিশ্ববিদ্যালয়ৰ মহলাত উঠাকে জীৱনৰ একমাত্ৰ লক্ষ্য কৰি ললে নচলিব। পৰীক্ষা পাছ কৰিব নেলাগে বুলি মই কোৱা নাই। মই ইয়াকে মাথোন কওঁ যে তোমালোকৰপৰা জননী জন্মভূমিয়েও বহুতো আশা কৰে। নিচেই ওচৰ ভৱিষ্যতৰ দায়িত্বপূৰ্ণ নগৰীয়াৰ কৰ্ত্তব্যৰ কাৰণে নিজক সাজু কৰি ৰখাও নিচেই দলিয়াই পেলাবলগীয়া শিক্ষা নহয়।

তোমালোকৰ নিয়মাৱলীত সম্মেলনত ৰাজনৈতিক আন্দোলনক ঠাই নিদিয়া বৰ জ্ঞানীৰ কাম হৈছে। ছাত্ৰজীৱন শিকিবৰ সময়। এতিয়া শিকিলেহে ভৱিষ্যতে তাকে কাৰ্য্যক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিবা। গতিকে ছাত্ৰ জীৱনত যি শিকা যায় তাকে ভালকৈ শিকিব লাগিব।

পশ্চিম কালৰ বিশ্ববিদ্যালয়বোৰত নাগৰিক-বিজ্ঞান আজিকালি বৰ লাগতিয়াল পাঠ্য বিষয় হৈ পৰিছে কাৰণ ৰাজনীতিৰ দৰে ইও নগৰীয়াৰ কৰ্ত্তব্য শিক্ষা দিয়াত সহায় কৰে। প্ৰত্যেক শিক্ষাভিমানী মানুহে নগৰীয়া হিচাপে তেওঁৰ কৰ্ত্তব্যখিনি জানি লৈ সেইমতে কাম কৰিবলৈ সদায় সাজু থকা উচিত।

জিৰণিৰ সময়ত, বিশেষকৈ বন্ধত 'সমাজ-সেৱা'ৰ কামত লাগি দেখিবা যে বাস্তৱতে কাম কৰিও বহুত সময়ত এনে আনন্দ পোৱা যায় আৰু ই উপলুঙা কথাত কটোৱা আহৰি সময়ৰ আনন্দতকৈ কোনো গুণে হীন নহয়। মোৰ দৃঢ় বিশ্বাস যে ছাত্ৰসকলে কলেজত পঢ়া বা বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ কাৰণে যথানিয়মে সাজু হৈও ভালেখিনি সময় পায়। সেইখিনি সময়ত তেওঁলোকে ইচ্ছা কৰিলে দেশৰ আৰু দহৰ উপকাৰ কৰিব পাৰে। সৰহ

নেলাগে, এই ধৰণৰ কেইগুনমান ছাত্ৰে লগ লাগি কেইটামান দল হৈ ওচৰ-চুবুৰীয়া ঠাইত দুখীয়া তল শ্ৰেণীৰ মানুহবোৰৰ লৰা-ছোৱালীবোৰ পঢ়ুৱাওঁ বুলি সঙ্কল্প কৰিলেও হয়। তোমালোকৰ স্থানীয় ব্যৱস্থাপক সভাত প্ৰাথমিক শিক্ষা সম্বন্ধীয় প্ৰস্তাৱ এটাৰ আলোচনা হব লাগিছে। সেই প্ৰস্তাৱটো গৃহীত হলে যেন সি আইনৰ পুথিতে সীমাবদ্ধ নেথাকে। বয় স্কাউটবোৰে প্ৰথম সাহায্য (ফাৰ্ষ্ট এইড্) নিজে ভালকৈ শিকি ওচৰ-চুবুৰীয়া মানুহবিলাকক শিকাবলৈ চেষ্টা কৰিলেও হয়। তেওঁলোকে মন কৰিলে সমবায় আন্দোলনটো কৃতকাৰ্য্য হোৱাত সহায়তা কৰিব পাৰে। তেওঁলোকে যদি মেজিক লেণ্টাৰ্ণৰ ছবিৰ সহায়েৰে কিম্বা নিজেও অসম দেশ উজাৰ কৰিব খোজা কলাজ্বৰ, মেলেৰিয়া আদি কাল বেমাৰ মাতি অনা জনসাধাৰণৰ কু-অভ্যাসবোৰ এৰুৱাবলৈ লাগি যায় তেন্তে অতি সোনকালে তোমালোকে স্থানীয় গৱৰ্ণমেণ্টৰপৰাও সহায় পাবা। মুঠতে হাবি চিকুণাই আলি বন্ধোৱা, পুখুৰী পোতোৱা, পুখুৰী চাফ কৰোৱা কামবোৰত তেওঁবিলাকক যথেষ্ট সাহায্য কৰিব পাৰে। আৰব্য উপন্যাসৰ অলীক ঘটনাৱলীৰ তালিকা মত তোমালোকৰ আগত দাঙি ধৰা নাই। যিবোৰ কামৰ কথা কলোঁ সেইবোৰ কাজে-কামে ভাৰতৰ আন আন প্ৰদেশৰ উন্নতিশীল কৰ্ম্মা, উৎসাহিত ছাত্ৰসকলে দৰাচলতে কৰিব লাগিছে। মই অলপতে লগ পাই অহা উৰিষ্যাৰ ছাত্ৰ-সকলে এনে ধৰণৰ 'সমাজ-সেৱক সঙ্ঘ' সংগঠন কৰিছে। সেইদৰে তোমালোকৰ বঙালী ভাইসকলেও কৰিছে। তোমালোকৰ কোনোৱে ভাবিব পাৰা আলিবাট আৰু গৰখাৰৈ আদিবোৰৰ ফালে চকু নিদিয়াৰ সময়ত বিশ্ববিদ্যালয়ত ৰাস্কিন্ আৰু তেওঁৰ ছাত্ৰসকলৰ উপলব্ধিবিলাক কি ধৰণৰ আছিল। সোৰোপা হাতক কামত লগালে স্বাস্থ্য গঢ়ি তোলাত আৰু মনুষ্যত্ব বিকাশ কৰাত আৰু সৰলভাৱে জীৱন চলোৱাত নিশ্চয় সহায় হব। তেতিয়া ডেকাদল কৰ্ম্মী, সবল আৰু সমাজৰ এটি প্ৰধান অঙ্গ হব। তেতিয়া প্ৰত্যেকেই নিজৰ ব্যক্তিত্ব আৰু আত্মসম্মানৰ ভাল আভাস পাব।

কৰ্ম্মীসকল সদায় সকলোৰে সম্মানৰ পাত্ৰ আৰু তেওঁলোকে সকলোৰে পৰা অকৃত্ৰিম আদৰ পায়। তোমালোকৰ দেশৰ এৰা-মুগা আদিৰ ব্যৱহাৰ যাতে কেতিয়াও লোপ নাপায়। এইবিলাকৰ উন্নতিও তোমালোকৰ দেশৰ উন্নতি। শিক্ষাৰ লগে লগে এইবোৰৰ বিজ্ঞানৰ সহায়েৰে উন্নতি কৰিবলৈ

তোমালোকৰ বিশেষ চকু ৰখা আৱশ্যক। কৃষি সম্পৰ্কেও একে কথা। তাতো বৈজ্ঞানিক উপায়েৰে উন্নতি সাধন কৰিবলৈ তোমালোকে বিশেষ চকু ৰাখিবা। গৰু, মহ আদবিলাকৰ সুৰক্ষণ যাতে হয়, উন্নতি যাতে কৰিব পাৰি তাৰ বাবে সকলোৱে চকু ৰখা উচিত। এইবিলাকৰপৰা গৃহস্থ জীৱনৰ বিশেষ উপকাৰ আৰু উন্নতি সাধন হয়। মই কব খোজা নাই যে প্ৰত্যেক ছাত্ৰৰেই সকলো কামকে হাতত লব লাগে। মই কওঁ যে আন্তৰিকতাৰ সংযোগ থাকিলে এটি এটি কামেই একো একো ছাত্ৰৰ জীৱন জুৰি কাম হব।

কৰ্ম্মীসকলেহে মাথোন নানা কামত সহায় কৰি মহাসমৰ জয় কৰিলে, এলেহুৱা দলে নহয়। সমৰৰ কথা কলে স্বাভাৱিকতে তোমালোকে মোক মোৰ মৃত ভ্ৰাতা সুৰেশপ্ৰসাদ সৰ্ব্বাধিকাৰীয়ে সোধাৰ দৰে সুধিবা কিয় কলিকতা বিশ্ববিদ্যালয়ৰ সৈন্যদলৰ অন্তৰ্ভুক্ত এটি সামান্য দল গুৱাহাটীত গঠন হোৱা নাই? কলেজখনৰ ভ্ৰমণকাৰী অৰ্থাৎ ভ্ৰমণ কৰোঁতা কৰ্ম্মচাৰী কিয় নাই আৰু স্কুলবিলাকত ভাল ধৰণৰ 'বইজ স্কাউট' গঠন হোৱা নাই কিয়? কলিকতা বিশ্ববিদ্যালয়ৰ সৈন্যদল গঠন হোৱা কালৰেপৰা (বেঙ্গল এম্বুলেন্স কৰ্পছ, দি বেঙ্গল ডাবল কোম্পানী আৰু বেঙ্গল ৰেজিমেণ্ট আদি অনুসৰণ কৰি মই আৰু মোৰ ভ্ৰাতাৰ ক্ষুদ্ৰ শক্তি চালনা কৰাৰ পৰাই) মই কলিকতা য়ুনিভাৰ্ছিটি কৰ্পছ কমিটীৰ সভাপতিৰূপে গুৱাহাটীত এটি সৰু সৈন্যদল গঠন কৰাৰ চেষ্টাত আছিলোঁ। স্থানীয় লোকসকলৰপৰা পাবলগীয়া সহায় সহযোগ নোপোৱাত সেই চেষ্টা বিফল হল। অৱশ্যে ইয়াৰ সংশোধনৰ কাল উকলি যোৱা নাই। মই আশা কৰোঁ কৰ্ত্তাসকলে এই কাম সোনকালে হাতত লব।

এই ইণ্ডিয়ান ছেণ্ডহাৰ্ষ্টৰ বিষয়ে এটা প্ৰশ্ন হয়। ডেৰাডুন প্ৰিন্স অৱ ৱেলচ্ কলেজৰ দৰে ইণ্ডিয়ান ছেণ্ডহাৰ্ষ্ট আদিবিলাক ভাৰতীয় ছাত্ৰৰ নিমিত্তে সদায় মুক্ত। তথাপি কিয় প্ৰত্যেক বছৰেই খুব কম ছাত্ৰহে তালৈ আগবাঢ়ে? নে প্ৰাথমিক শিক্ষাৰ অভাৱ, নে উপায়হীনতা, নে ভৱিষ্যৎ আশা নথকা, নে ধৰ্ম্ম সম্বন্ধীয়, নে সামাজিক কিবা কাৰণেই উপযুক্ত ছাত্ৰবিলাকৰ উন্নতিৰ পথত বিধিপথালি হৈছে ইয়াৰ মীমাংসা হোৱা উচিত। এই কমিটীয়ে ইয়াকো বিচাৰ কৰিব লাগে যে স্কুলবিলাকত প্ৰাথমিক শিক্ষাৰ কাৰণে এটা বিশেষ সময় কৰিব পাৰি নে নোৱাৰি, কেনেকৈ ছাত্ৰৰ সৰু কালতে শৰীৰ গঠন কৰাব পাৰি ইয়াৰ বিধিনিবোৰনো কি আৰু কি কি উপাদান যোগালেনো বহুত দিনৰে পৰা হেৰুৱা স্বাভাৱিক শক্তিবোৰৰ পূৰ্ণ বিকাশ হব। উচিত

ধৰণৰ প্ৰচাৰ কাৰ্য্যত আমাৰ দেশৰ সকলো ভাগতে ছাত্ৰে, ডেকাদলে আৰু অভিভাৱকসকলে নিজক ব্যস্ত কৰি মানুহক সন্তুৰপৰ সকলো কথাকে দেখুৱাব লাগে। মই তোমালোকৰ সকলোকে এই কাম হাতত লবলৈ কওঁ। কোনো ভাব বা কোনো বাতৰি আৰু সকলোবিলাক কথা নবেম্বৰৰ পহিলা তাৰিখৰ ভিতৰত যদি মোৰ হাতত পৰেহি তেন্তে মই সেইবোৰ স্কীম কমিটীৰ উচিত বিবেচনাৰ কাৰণে আগবঢ়াব পাৰোঁ। মই তোমালোকক কামটো সৰ্ব্বান্তঃ কৰণেৰে হাতত লবলৈ আৰু উচিত সময়ত বতৰা দিবলৈ অনুৰোধ কৰোঁ। বৰ্ত্তমান এই বিষয়ে বহলাই সকলো কথা কবলৈ মোৰ সময় নহয়। মই যোৰহাটলৈ যাওঁতে গুৱাহাটীলৈ পঠোৱা য়ুনিভাৰ্ছিটি ইন্সপেক্টৰ ডাঃ ভাণ্ডাৰকাৰৰ সৈতে মোৰ সাক্ষাৎ হৈছিল। তেখেঁত ঠিক মোৰ দৰেই অনুভৱ কৰিছে আৰু তেওঁ মোক কৈছে যে গুৱাহাটী কলেজত উদ্ভিদতত্ব আৰু ভূতত্বৰ স্থান দিলে কোনো বিশেষ খৰচ বা পূৰাব নোৱাৰা খৰচ নিশ্চয় নালাগে। স্বাভাৱিক উৎপাদন হোৱা বস্তুবিলাকৰ অৰ্থাৎ স্বাভাৱিক উৎপাদন-বিলাকৰ বিষয়ে একো ভাল সন্ধান হোৱা নাই আৰু ইয়াৰ কিছুমান এই দেশৰ বাহিৰৰ মানুহৰ উপকাৰৰ অৰ্থে ব্যয় হৈছে। উদ্ভিদতত্ব আৰু ভূতত্ব বিদ্যাত পাৰ্গত এদল স্থানীয় সৈনিক থকা হলে নিশ্চয় বহুত কাম কৰিব পাৰিলেহেঁতেন। মহামহিমাৰ্ণৱ ৰাজপ্ৰতিনিধিয়ে বৈজ্ঞানিকভাবে কৃষি চলোৱাৰ উপকাৰিতাৰ বিষয়ে অলপতে কৈ গৈছে। মই কাউন্সিল অব ষ্টেটত প্ৰস্তাৱ কৰাত এই সভাই কৃষি, জনসাধাৰণৰ স্বাস্থ্য, বস্তুবোৰৰ ওপৰত মাচুলৰ নিৰিখ আদিৰ ক্ৰমোন্নতিৰ হিচাপ লব বুলি ঠিক কৰিছে। মোৰ বিশ্বাস যদিও অসমত অসংখ্য পথাৰ, হাবি আৰু খনি আদি পৰি আছে তথাপি ইয়াৰ উচিত ব্যৱহাৰৰ বাবে কোনো পুৰুষাৰ্থ দেখা নাই। তোমালোকৰ বহুত ডেকা যদি প্ৰাণীতত্ব, উদ্ভিদতত্ব আদি বিজ্ঞানৰ একো একো ভাগত পৈণত হৈ উঠা তেনেহলে নিশ্চয় স্বাভাৱিক উপায় বা উপাদানবোৰ দেশৰ মানুহে অতি সুফলমে আৰু বৰ ভালভাবে পাব।

মোৰ মৃত বন্ধু মিঃ বি, বৰুৱাৰ (যিজনে বেনাৰস য়ুনিভাৰ্ছিটিলৈ ডাঙৰ দান এটি দিছে) দানৰপৰা অতি সোনকালে যোৰহাটৰ স্থানীয় স্কুলটোৰ লগতে আন এটি শিল্পবিদ্যাৰ ভাল স্কুল হব বুলি মোৰ দৃঢ় বিশ্বাস। যদি এই সকলোবোৰ কথা কাৰ্য্যত পৰিণত হৈ উঠে আৰু উচিত ধৰণে কাম হয় তেনেহলে নিশ্চয় অন্ন-সমস্যাটোৰ বহু দূৰ মীমাংসা হব।

আমাক আজিৰ দিনৰ আহাৰ দিয়া এই কথাটো যদিও বাল্য সৰলতা ই কোনো এলেহুৱাৰ কথা বা লৰালি ভাৱৰ কথা নহয়। আমি ভাল ধৰণৰ বা উচ্চ ধৰণৰ শিল্প শিক্ষালয় আদিলৈ বাট চাই আছোঁ। যদিও আমি আমাৰ বাঢ়ৈ, কমাৰ, শিল্পী আদিৰ ঠাই আন মানুহক পূৰাবলৈ দিয়াটো নিতান্ত অযুক্তিকৰ। আমি প্ৰত্যেকেই উচ্চ পদৰ কৰ্ম্মচাৰী বা শিক্ষক বা ডাক্তৰ বা উকীল বা চাহ-বাগিচাৰ অধিকাৰী হব নোৱাৰোঁ। জীৱনৰ জীৱিকা আৰ্জ্জনত সাধাৰণ শাৰীৰ কামেও মানুহক শান্তি দিয়ে আৰু মধ্যমীয়া তৰপৰ মানুহে কাম নাপাই পেপুৱা খাই থকাতকৈ এই বিষয়বিলাকত লাগি যোৱাই ভাল।

কৃষি-কাৰ্য্য আদিৰ নতুন নতুন উপায় আন আন দেশৰপৰা আনিব লাগে, তোমালোকৰ ওচৰৰ প্ৰদেশৰপৰা হাজাৰ হাজাৰ মানুহে ছন পৰি থকা মাটিবোৰ আবাদ কৰিবৰ কাৰণে আহিব ধৰিছে। এই বিষয়ে তোমালোকৰ বিশেষ চকু ৰখা আৰু দকৈ গমি চোৱা আৰু তাৰ প্ৰতিকাৰৰ উপায় চিন্তা কৰা আৱশ্যক।

মাৰোৱাৰীসকল দেশৰ চুকে-কোণে সোমাইছে। তেওঁলোকৰ সামান্য মূলধন কিন্তু মিতব্যয়িতা, উদ্যম, ক্ষমতা আৰু দুঃখ-কষ্ট সহিষ্ণু আৰু বিশেষকৈ সৰল ভাবৰ জীৱন যাপন কৰিয়েই তেওঁলোকে ইমান ওখ খাপ পাইছে যে তেওঁলোকৰ কৰ্ম্মজীৱন আৰু বাণিজ্যৰপৰা শিকিবলগীয়া বহুত আছে।

আমি জীৱন চলোৱাত পাশ্চাত্য ভাৱ অনুকৰণ কৰিছোঁ, সেইটো হৈছে প্ৰথমতে থকা-মেলাৰ আড়ম্বৰ বঢ়াই পিছত সেই অনুপাতে উপায় অৱলম্বন আগৰ সৰলতাৰ বাহ্যিক আড়ম্বৰশূন্য জীৱন পথ এৰি পেলাইছোঁ। পৰিমিতাচাৰী জীৱনৰ কাৰণে খৰচ বৃদ্ধি কৰা আৰু খৰচ যোগোৱা দুয়োফালে বিশেষ চকু ৰাখি থাকিব। অসম এতিয়াও বহুত দূৰ যোৱা নাই, আগৰ সৰল ভাবৰ জীৱন চলাবলৈ পাৰ্য্যমানে চেষ্টা কৰা উচিত।

ছাত্ৰ আৰু ছাত্ৰবন্ধুসকলে এইপিনে আন্তৰিকতাৰে চকু দিব লাগে। অকল আহাৰৰ কাৰণেই মানুহ জীয়াই নাথাকে। ইয়াৰ বাহিৰেও বহুত ভাব আৰু বহুত কাম জীৱনৰ লাগতিয়াল অঙ্গ।

তোমালোকৰ অনুষ্ঠানত ব্যাকৰণ, অভিধান আৰু তোমালোকৰ ভাষাৰ বিভিন্নতা আদি বিষয়ে কোনো আলোচনা নহয়। ই অৱশ্যে সত্য কথা কিন্তু সেই বুলি সাহিত্য ইয়াৰপৰা এৰা পৰা নাই। কলিকতা বিশ্ববিদ্যালয়ে মাতৃভাষাবোৰৰ উন্নতিৰ নিমিত্তে যত্ন কৰিছে। তোমালোকৰ সুকীয়া

বিশ্ববিদ্যালয় নোহোৱালৈকে তোমালোকৰ দেশৰ লোকসকল আৰু অসম গৱৰ্ণমেণ্টৰ সহায় পালে অসমীয়া সাহিত্যৰ বিশেষ উন্নতি হব। গুৱাহাটী আৰু শ্ৰীহট্টৰ কলেজ থকা সত্ত্বেও অসমীয়া ছাত্ৰসকল কলিকতালৈ যাব লগা হয়। এতিয়াও আঢ়ৈশমান ছাত্ৰ কলিকতাত আছে। শ্ৰীহট্টৰ কথা এৰিও ইমান সংখ্যাৰ ছাত্ৰৰ মাতৃভাষালৈ কেতিয়াও বিশ্ববিদ্যালয়ে আওকাণ কৰিব নোৱাৰে। বৰ্ত্তমান বিশ্ববিদ্যালয়ে ইয়াৰ স্থানো দিছে। ই এটা বৰ ভাল চিন। এতিয়া তোমালোকৰ সাহিত্যৰ উন্নতি কৰিবলৈ সুবিধা হব আৰু আশা কৰোঁ তোমালোকৰ এই কৰ্ত্তব্যত তোমালোকে অতি সাৱধানে লাগি যাবা। অসমে ক্ৰমে ক্ৰমে উন্নতি কৰিব আৰু তাৰ বাবে সকলোৱে কঁকালত টঙালি বান্ধি উঠিব লাগে। সাহিত্যক্ষেত্ৰতো তোমালোকৰ কৰিবলগীয়া বহুত আছে। তোমালোকৰ ভিতৰত অগ্ৰগামী-সকলৰ তোমালোকৰ ভাবিব নোৱাৰা অমূল্য সাহিত্য উদ্ধাৰ কৰিবলৈ যথেষ্ট শক্তি আছে আৰু যত্নও কৰিব লাগে। বাঙ্ময় অনুসন্ধান কৰিলে নিশ্চয় এনে গৌৰৱৰ ধন উদ্ধাৰ হব যে সেয়ে কেইজনমান সেনাৰ *জীৱনজুৰি কৰ্ম্মক্ষেত্ৰ* হব। বঙ্গদেশত এই ধৰণৰ বহুত কৰ্ম্ম হৈছে আৰু আন দেশেও এই আদৰ্শ লৈছে। তোমালোকেও এই বিষয়ে পাছ পৰি থাকিব নালাগে। সেই কায়স্থ আৰু আন বৈষ্ণৱ ধৰ্ম্মযাজক শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আদি মহাপুৰুষসকলে ঘোৰ শাক্ত অসমক পৰম বৈষ্ণৱত পৰিণত কৰি যি জ্ঞান ৰাখি থৈ গৈছে (আৰু সেই বৈষ্ণৱ ধৰ্ম্মৰ এই নিঃকিনো এজন পালক) তাৰপৰা যথেষ্ট উপাদান পোৱা যাব। তোমালোকে আগৰ ডাঙৰ মানুহসকলৰ ঘৰত থকা অমূল্য পুথিবিলাক সন্ধান কৰি ফুৰিবা। এইবিলাক কামত ব্যস্ত থাকি তোমালোকে এবাৰ যত্ন কৰি চোৱা, তোমালোকৰ ভিতৰত আকৌ আনন্দৰাম বৰুৱা আৰু গুণাভিৰাম বৰুৱা ওলায় নে নোলায়। তোমালোকৰ পুৰণি নাট, কথা-গীতা, কথা-ভাগৱত, নামঘোষা আৰু আন কি তোমালোকৰ হস্তীবিদ্যাৰ্ণৱ আদি পুথিবিলাককেই ভিত্তি স্বৰূপে লৈ চিৰ-দিনীয়াকৈ অসমীয়া সাহিত্য গঢ়ি তুলিব পাৰা আৰু সেই সাহিত্যই জগতৰ অদ্বিতীয় হব।

ৰায় চাহাব গোলাপচন্দ্ৰ বৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী আদিৰ দৰে বুদ্ধিৰে আহোম সাহিত্য পঢ়িলে তাত নিশ্চয় গোটেই জগতৰ চকু পৰিব আৰু অনুসন্ধানৰ যথেষ্ট উপাদান যোগাব। তোমালোকৰ বিশ্ববিদ্যালয়ৰ শিক্ষিত

প্ৰত্নতাত্ত্বিকসকল আৰু মানৱ শৰীৰ তত্ত্ববিদ্‌সকলৰ মাজত তোমালোকবো বহুত থাকিব লাগে। কোনে জানে ভাৰতৰ উত্তৰ-পূব-সীমান্ত প্ৰদেশবিলাকে কেনে উপাদান যোগাব পাৰে? যোৱা কেই মাহত নল, মাতসাং, হৰপ্পা আৰু মহেঞ্জোদাৰোৰ এই ধৰণৰে ভাব হৈছে। তাত বঙালী, মাৰাঠী আৰু পঞ্জাবী পণ্ডিতসকলে য়ুৰোপীয় পণ্ডিতসকলৰ লগে লগে বৰ আচৰিত কাম কৰিব ধৰিছে। তেওঁলোকে বৰ্ত্তমান কালৰ বুৰঞ্জীয়ে লেখ দিয়া কালবো হাজাৰ হাজাৰ বছৰ আগতে কেনে উচ্চ ধৰণৰ শিক্ষা আৰু সভ্যতা আছিল তাৰে প্ৰমাণ উলিয়াব ধৰিছে। শিৱসিংহ আৰু জয়মতীৰ স্মৃতিৰে মণ্ডিত যোৰহাটলৈ অহাৰ আগতে মই যেতিয়া আচৰিত হৈ ছিমলাত গোটোৱা উপকৰণবোৰ চাইছিলোঁ মই বৰ আশা কৰিছিলো যে অনতিবিলম্বে তোমালোকৰ ভিতৰতো বহুতে এই ধৰণৰ কামত ব্যস্ত হৈ অভাৱনীয় বস্তু যোগাৰ কৰিবা।

ইয়াৰ বাহিৰেও আন নানা পথ আছে। সময় হলে বহুত কথা কৈ থাকিব পাৰি। এইবিলাক মাথোন ডাঙৰ ডাঙৰ প্ৰশ্নৰ আভাসহে। তোমালোকৰ সভা আজি দহ বছৰ ধৰি হৈছে। ইয়াৰ ভিতৰত তোমালোকে বিজ্ঞলোক-সকলৰপৰা বহুত উপদেশ পাইছা আৰু তাৰ পৰাই তোমালোকৰ সভা উপকৃত হৈছে। পথ অতি দূৰ, ভ্ৰমণটো অতি কষ্টপূৰ্ণ হব লাগিব। কৰ্ম্মী-সকলে কৰ্ত্তব্যবোধেৰে আৰু পৰম বিশ্বাসেৰে উপযাচি কামত যোগ দিব লাগে আৰু উচিত সময়ত লক্ষ্যস্থান পাব লাগিলে ছাত্ৰসকল, শিক্ষকসকল আৰু লগৰীয়া আদি সকলোৱেই নিজৰ সহায় কৰিব লাগিব আৰু সময়ে সময়ে মত পৰিবৰ্ত্তন কৰিবলৈ সাজু হৈ থাকিব লাগিব আৰু এইদৰে ঢিলা গাঁথি কপ্‌কপীয়া কৰি তুলিব লাগিব আৰু পথ মুকলি কৰি লব লাগিব। মই তোমালোকৰ কৰ্ত্তব্যত শুভ কামনা জনাইছো আৰু প্ৰাৰ্থনা কৰিছোঁ যাতে তোমালোকৰ উন্নতি হয়। যদি মোৰ ক্ষুদ্ৰ শক্তিৰ তোমালোকৰ মহৎ কাৰ্য্যত কিবা আৱশ্যক হয় তেনেহলে সকলো সময়তে মোক পাবা।

মই তোমালোকৰ আদৰৰ নিমন্ত্ৰণী পত্ৰ আৰু লগে লগে আন কেইখনমান চমন পাই আগৰ নিমন্ত্ৰণী পত্ৰবিলাক পাই হোৱাৰ দৰে অমান্তি নহলোঁ। আগৰ কেইবাৰত এৰাব নোৱাৰা ঘটনাৰ মাজত পৰিহে মই অমান্তি হবলৈ বাধ্য হৈছিলোঁ। গতিকেই এতিয়া মই তোমালোকৰ মাজলৈ আহিছোঁ।

নানা স্থান আৰু নদী অতিক্ৰম কৰি ৯৬ ঘণ্টা আহিব লগা হোৱাত একো বাধা হোৱা নাছিল কাৰণ আহিবলৈ বৰ আগ্ৰহ আছিল।

মই তোমালোকৰ মাজত উপস্থিত হৈছোঁ। মোক ঘনে ঘনে আহ্বান কৰি থকাৰ কাৰণে তোমালোকৰ আন্তৰিক শলাগ লৈছোঁ। তোমালোকে মোৰ অহা আৰু থকামেলাৰ সুন্দৰ বন্দোৱস্ত কৰিছা কিন্তু মই তাৰ পৰিৱৰ্ত্তে বা তাৰ উপযোগী একো কৰিব পৰা নাই যদিও তোমালোকক নথৈ ধন্যবাদ দিছোঁ। তোমালোক আৰু তোমালোকৰ বন্ধুসকলে মোৰ অভ্যৰ্থনাৰ নিমিত্তে আৰু মোৰ সুবিধা কৰি দিয়াৰ কাৰণে আন্তৰিক শলাগ লৈছোঁ। এই কেইদিনৰ ভিতৰতে মই বহুতৰ লগত বন্ধুত্ব কৰিলোঁ আৰু তেওঁলোকৰ বান্ধোনে মোক আকৌ এইখিনি পোৱাবহি। ব্যক্তিগতভাৱে আৰু সজ্ঘবদ্ধ-ভাৱে তোমালোকৰে সৈতে মই কৃতজ্ঞতা পাশত বন্ধ থাকিলোঁ।

ছাত্ৰ আৰু শিক্ষকসকলে সদায় মোক তেওঁবিলাকৰ কামত পাইছে। আন ডাঙৰ কৰ্ত্তব্য থাকিলেও ছাত্ৰ আৰু শিক্ষকসকলে কেতিয়াও মোক হেলা কৰা দেখা নাই। মই পুৰীত হোৱা 'অল উড়িষ্যা ষ্টুডেণ্টছ কন্‌ফাৰেন্স'ৰপৰা ওলায়েই তোমালোকৰ তালৈ আহিছোঁ। তাতে ছিমলা ষ্টেছনত সম্মিলনৰ অক্লান্ত কৰ্ম্মী আৰু ছাৰ্ভেণ্টছ অব্‌ ইণ্ডিয়া ছছাইটীৰ শ্ৰীযুত লক্ষ্মীকান্ত সাহু নামে এজনে মোক বিদায় দিছিল। এজন লক্ষ্মীকান্তই ছিমলাত মোক বিদায় দিলে আৰু আন এজন লক্ষ্মীধৰে তোমালোকৰ মাজলৈ মোক পঠাই দিলে।

তোমালোক ডেকা দলেই অসমৰ দুখৰ দিনৰ পৰম শক্তিৰস্তু, পৰম পৱিত্ৰ আৰু উপযুক্ত সন্তান। অসমৰ অন্তৰ্নিহিত পৰম শক্তি বৰ্ত্তমান। এতিয়া প্ৰত্যেকেই নিজ নিজ কৰ্ত্তব্য অনুসৰণ কৰিব লাগে। প্ৰত্যেক তিৰোতায়ে নিজৰ কৰ্ত্তব্য অনুসৰণ কৰিব লাগে। চাবা যাতে তেওঁলোক নিষ্ফল নহয়। তোমালোকৰ দৈনিক জীৱনৰ কাৰ্য্যবিলাক আৰু তোমালোকৰ কথা-বতৰাত তোমালোকৰ কৰ্ত্তব্যবোধৰ বিকাশ হব লাগে। যি ইয়াত নিজক প্ৰমাণ কৰিব নোৱাৰে তেওঁলোক দয়াৰ পাত্ৰ হোৱা উচিত। এয়ে মোৰ মনৰ ভাব আৰু ইয়াকে মই ছাত্ৰ লগ পালেই আৰু সুবিধা পালেই ব্যক্ত কৰিছোঁ। ছাত্ৰসকলক মই লাহোৰ, দিল্লী, ছিমলা, জয়পুৰ, পাটনা, পুনা, মাদ্ৰাজ, তাঞ্জোৰ, এলাহাবাদ, লক্ষ্ণৌ, মাদুৰা, ৰেঙ্গুন আৰু আমাৰ বঙ্গৰ নানা ঠাইত লগ পাইছোঁ। তেওঁবিলাকক মই লণ্ডন, কেমব্ৰিজ, অক্সফোৰ্ড, এডিনবাৰ্গ, গ্লাছগো, ছেণ্ট এণ্ড্ৰুজ, এবাৰডিন, ব্ৰিষ্টল,

বার্মিংহাম, মানচেষ্টাৰ, লিভাৰপুৰ, ডাৰহাম্‌ আৰু নিউকেছল, নেপোলছ্‌, ৰোম, ভেনিছ, পেৰিছ, ফ্লোৰেন্স আৰু মিলান' আদিতো লগ পাইছোঁ। ভাৰতীয় ছাত্ৰ, কি ভাৰতত, কি ভাৰতৰ বাহিৰত, সকলো ঠাইতে একেটি ভাব, একেটি চিন্তাৰে অনুপ্ৰাণিত। সেইটো হৈছে আমাৰ নিজৰ দীনা মাতৃৰ (স্বদেশৰ) উন্নতি সাধন কৰা। ইয়ে ছাত্ৰৰ গোটেই জীৱন অনুপ্ৰাণিত কৰিব লাগে। আমাৰ স্বদেশেই বন্দে-মাতৰমৰ ঋষিৰ ভাষাৰ আমাৰ বিদ্যা আৰু ধৰ্ম্ম হৃদি মৰ্ম্ম নহয় নে ?

তোমালোকৰ জয় হওক। তোমালোকে মনযোগেৰে ঋষিঋণ পৰিশোধ কৰি ব্ৰহ্মচাৰী হোৱা। তোমালোকৰ পূৰ্ণ জাতীয় জীৱন গঢ়ি তুলিলেই সেই ঋণ পৰিশোধ কৰা হব। কাৰণ তেতিয়া ঐশ্বৰ্য্য বৃদ্ধি পাব।*

* এই ভাষণৰ প্ৰথম ছোৱা শ্ৰীযুত উমেশচন্দ্ৰ বৰুৱাৰ দ্বাৰা আৰু শেষ ছোৱা অধ্যাপক, শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ দ্বাৰা মূল ইংৰাজীৰপৰা অসমীয়া প্ৰবন্ধ আকাৰে মুদ্ৰিত কৰা হৈছিল। —সংগ্ৰাহক।

ৰেভাঃ জে, জে, এম, নিকলাচ ৰয়

একাদশ ভাষণ

সভাপতি:—ৰেভাৰেণ্ড জে-এম-নিকল্‌ছ ৰয়

স্থান—ডিব্রুগড় ১৯, ২০ অক্টোবৰ, ১৯২৬

ভ্রাতৃ ছাত্রবৃন্দ! ইয়াৰ আহি আজি তোমালোকৰ মাজৰে এজন হব পৰাটো মোৰ মানত এটা ডাঙৰ সুযোগ, ই মোৰ ভাহানিখনৰে বঙালী ছাত্রজীৱনৰ প্রথম পাতনিৰ কথা মনত পেলাই দিছে। আজি অসমীয়া ছাত্ৰৰ এই মধুৰ মিলনত সভাপতিৰ বাব লবলৈ মোক মাতি অনা বাবে তোমালোকৰ সম্পাদক ডাঙৰীয়াক আৰু অভ্যর্থনা সমিতিৰ সভ্যসকলক মই আন্তৰিক ধন্যবাদ জনাইছোঁ। তোমালোকৰ হৈ টেলিগ্রাম কৰি তোমালোকৰ নিমন্ত্রণ ৰক্ষা কৰিবলৈ মোক ধৰাৰ বাবে বন্ধুবৰ ৰায় বাহাদুৰ সদানন্দ চুৰবাদেৱেও এখনি শলাগৰ শৰাই পায়। মই আশা কৰোঁ এই মনোমোহা নগৰীত আমাৰ এই মধুৰ সন্মেলনৰ কথা বহুত দিনলৈ মনত ৰাখিবলগীয়া হব আৰু ই আমাৰ সকলোলৈকে শুভ হব। তোমালোকৰ সম্পাদকৰপৰা শুনিছিলো যে ছাত্রসকলৰ নৈতিক আৰু স্বাস্থ্যকৰ বিকাশেই এই সন্মেলনৰ উদ্দেশ্য। সেইদেখি এই সন্মেলনখন যাতে আমাৰ প্রত্যেকৰে বাবে সুকীয়াকৈ আৰু দেশখনৰ বাবে সমূহতে কার্য্যকৰী হয় সেই উপলক্ষে আমি পৰম পিতাৰ আশীর্ব্বাদ ভিক্ষা কৰিব লাগিব বুলিলে নিশ্চয় তোমালোকে মোক সমর্থন কৰিবা। এতেকে আহাঁ, ভাহানিখনৰ ঋষি-মুনিসকলে উপনিষদত কোৱাৰ দৰে আমিও কওঁ—

"মোক অসত্যৰপৰা সত্যলৈ লৈ ব'লা।
মোক আন্ধাৰৰপৰা পোহৰলৈ বাট দেখুৱা।
মোক মৃত্যুৰপৰা অমৰত্বলৈ নিয়া।"

আকৌ আল্ কোৰাণৰ ভাষাৰে আমি কওঁ—

"আমাক সোঁ বাটেদি লৈ বলা কিয়নো এই বাটেই ভেখেতসকলৰো

বাট, যি তোমাৰ কৃপা পাইছে, যাৰ ওপৰত তুমি প্ৰীত আৰু যি অসৎ পথেৰে যোৱা নাই।”

হিব্ৰু গায়কৰ বাইবেলৰ সুৰতে আহাঁ আমিও গাওঁ—

“হে পৰমেশ্বৰ! মোক পৰীক্ষা কৰি চোৱা, যাতে মোৰ অন্তৰখন বুজিব পাৰা; মোক জুখি চোৱা যাতে মোৰ ভাববোৰ জানিব পাৰা আৰু চোৱা মোৰ প্ৰকৃতিত অসৎ কিবা আছে নে নাই। হে ভগৱান! মোক চিৰন্তন পথেদি লৈ বলা।”

যিশুখৃষ্টৰ ভাষাৰে কওঁ—

“স্বৰ্গত থকা হে পৰম পিতা! তোমাৰ নাম পৱিত্ৰ হ'ক। তোমাৰ ৰাজ্য থাপিত হ'ক। তোমাৰ ইচ্ছাই স্বৰ্গতো ৰজিছে, পৃথিৱীতো ৰজক। আমাৰ প্ৰতি দিনৰ আহাৰ আমাক দিবা। আমাৰ সকলো ত্ৰুটী ক্ষমা কৰিবা।

প্ৰলোভন দেখুৱাই আমাক ভোল নিনিয়াবা। পাপৰপৰা আমাক ৰক্ষা কৰা কিয়নো ৰাজ্য, শক্তি, গৌৰৱ সকলো সদায় তোমাৰে!”

মই বুজিছোঁ ভৱিষ্যৎ শিক্ষা প্ৰচাৰক, উকীল, ডাক্তৰ, দাৰ্শনিক, বৈজ্ঞানিক, বিশ্বপ্ৰেমিক, ব্যৱসায়ী, ধৰ্ম্মপ্ৰচাৰক আৰু ৰাজপুৰুষসকলৰ সন্মুখত আজি মই থিয় হবলগীয়া হৈছেঁা। মই জানো তোমালোক মোৰ প্ৰিয় ছাত্ৰ বন্ধুসকলৰ ওপৰতে আমাৰ দেশৰ কল্যাণ নিৰ্ভৰ কৰে। সেইদেখি তোমালোকৰ ভৱিষ্যৎ জীৱনৰ ভেটি চৰিত্ৰ গঢ়ি তুলিবলৈ কেইআষাৰমান অনুৰোধপূৰ্ণ উপদেশ আৰু দূৰ্ষাবিমান সতৰ্কবাণী দিয়াৰ যি ভাৰ মোক তোমালোকে দিছা, তাৰ গুৰুত্ব মই ভালকৈয়ে উপলব্ধি কৰিব পাৰিছোঁ।

মোৰ কবলগীয়া কথাখিনি সেই বাবে এটা বিষয়তে আৱদ্ধ নেৰাখি জীৱনৰ ভিন্ ভিন্ ফালৰপৰা বহলাবৰ মোৰ ইচ্ছা। তোমালোকে মনত ৰাখিবলৈ আঠ আষাৰ নীতিবাক্য মই এতিয়া দাঙি ধৰিব খোজোঁ।

নিষ্ঠাবান হবা :—মোৰ প্ৰথমষাৰ উপদেশ হৈছে—তোমালোক কৰ্ত্তব্যৰ প্ৰতি নিষ্ঠাৱান হবা। ছাত্ৰ বয়সতে এই গুণটি তোমালোকে নিজৰ কৰি লোৱা উচিত।

দহৰ প্ৰকৃত সেৱাত আহিবলৈ আৰু নিজকো জীৱনত কৃতকাৰ্য্য কৰি তুলিবলৈ হলে এই গুণেৰে গুণী হোৱা বিশেষ আৱশ্যক। ইয়াৰ মানে তুমি নিজৰ গোটেইখিনি শক্তি-সামৰ্থ্য আৰু আগ্ৰহেৰে সৈতে তোমাৰ

কৰ্ত্তব্যলৈ মন দিব লাগিব। তোমালোক পৰিশ্ৰমী হবাইক আৰু কৰ্ত্তব্য কেতিয়াও অৱহেলা নকৰিবা। আমাৰ মন আৰু প্ৰাণেৰে এই কথাষাৰ উপলব্ধি কৰিব লাগিব যে একাণপতীয়াকৈ আমাৰ কৰ্ত্তব্য কৰি আমি দেশৰ আৰু লগে লগে ঈশ্বৰৰো সেৱা কৰিছোঁ। আওহেলাৰূপী পাপ প্ৰাচ্য দেশবোৰত কেউফালে বিয়পি পৰিছে। এসপ্তাহত কৰিবলৈ দিয়া কাম এটা কেতিয়াবা আমাৰ দুই তিনি মাহেও হৈ নুঠেগৈ। মোৰ কেবা বছৰীয়া ব্যৱসায়-জীৱনত ভাৰতীয় বঙালী দোকান কেখনমানৰপৰা বৰ দুখলগা অভিজ্ঞতা কেবাটাও মই পাইছিলোঁ। এবাৰ এটা বঙালী ছাপাখানাত মই কিবাকিবি কিছুমান ছপা কৰাইছিলোঁ। তেখেতসকলে এমাহতে কামখিনি শেষ কৰি দিবলৈ গাত লৈছিল আৰু ময়ো তেখেতসকলৰ কথাকে বিশ্বাস কৰিছিলো কিন্তু বৰ দুখ লগা কথা যে কেবা বাৰো তাগিদা দিয়াৰ পিছতো তেওঁলোকে কথাৰ পিছত কথা দি নানান্ আঁসোৱাহ উলিয়াই পলম কৰিবলৈ ধৰে আৰু প্ৰায় পাঁচ মাহমানৰ পিছতহে ছপা কাকতখিনি মোৰ হাত পায়হি। ইয়াৰ পৰা তোমালোকে কি বুজিছা? তেওঁলোকৰ মোক ভুৱা দিবৰ ইচ্ছা আছিল জানো? মোৰ বিশ্বাস এনে কোনো উদ্দেশ্য তেওঁলোকৰ নাছিল—নিজৰ কাম আওহেলা কৰিছিল মাথোন।

প্ৰিয় ছাত্ৰসকল! ভৱিষ্যৎ জীৱন গঢ়ি তোলাৰ এই সময়খিনিতে তোমালোক পৰিশ্ৰমী হবলৈ শিকা—নহলে পিছলৈ এই আওকণীয়া অভ্যাসটো এৰিবলৈ টান পাবা। 'আজি কৰিব পৰা কামটো কাইলৈ কেতিয়াও পেলাই নথবা'—এই জগত-জননী বচনফাঁকি সকলো বুদ্ধিমান মানুহৰ মুখে মুখে হবলৈ ধৰিছে। পঢ়া-শুনাত এতিয়া তোমালোকে যেনে কৰিছা, ভাব দিয়া আন যেই সেই কামতো পিছলৈ ঠিক তেনেই কৰিবা। জীৱনত কৃতকাৰ্য্য হোৱা-নোহোৱাত সময়ৰ হাত বৰ বেছি। কৰ্ত্তব্য সম্পাদনত সময় ভালকৈ লগাব পাৰিলে তোমালোকে জীৱনত নিশ্চয় লেখৰ কিবা কৰি যাব পাৰিবা। এইটোও আমি মনত ৰাখিব লাগিব যে আমাৰ এজনৰ আওহেলাই গোটেই দেশৰে অপযশ আনে। দেশৰ মুখ উজলাব লাগিব তোমালোকেই। জীৱনৰ সকলো কথাতে আমাৰ যে আওহেলা সোমাইছে ই বৰ দুখ লগা কথা হলেও সঁচা। সময়ৰ উচিত মূল্য আমি নুবুজোঁ। এজন বিখ্যাত গ্ৰন্থকাৰে কৈছে—"ভৱিষ্যতে অতীতলৈ সন্তোষেৰে উভতি চাব খুজিলে বৰ্ত্তমানৰ প্ৰত্যেক পলৰে প্ৰকৃত মূল্য আমি

বুজিব লাগিব আৰু চাব লাগিব যেন সময়ৰ খুদ এটাও মিছাকৈ মাটিত নপৰে।” ইতালীয় দাৰ্শনিক এজনে কৈছিল যে সময়েই তেওঁৰ মাটি-ভেঁটি আৰু সঁচাকৈয়ে ই এনে মাটি যে ইয়াত চাহ নকৰিলে একো নগজে। কিন্তু পৰিশ্ৰম কৰা, পৰিশ্ৰমীক ফল দোনে-পাচিয়ে দিব আৰু তোমাৰ সকলো ইচ্ছাকে পূৰাব যদি ইয়াৰ একঠাও আওহেলাকৈ পেলায় নথয়, অপকাৰী ঘাঁহ-বন ক'তো গজিবলৈ নিদিয়ে আৰু কামত নথটাই লোকক দেখুৱাবলৈ এডৰাও পেলাই নথয়।”—জনছন।

নিষ্ঠাৱান হোৱা মানে বাধা-বিঘিনি নেমানি নিজৰ কাম সুচাৰুৰূপে কৰিবলৈ নেবানেপেৰাকৈ লাগি থকাটোও। আদবয়সত কোনো বাধা অতিক্ৰম কৰিবলৈ শিকা নাই এনে বেছি ভাগেই জীৱনত মুখামুখি হব লগীয়া সৰহভাগ বাধা-বিঘিনিৰ আগতে থিয় দিব নোৱাৰে।

নিষ্ঠাৱান মানুহে তেওঁক কৰিবলৈ দিয়া কাম লাগবান্ধ নোহোৱাকৈ নকৰে। সকলো সামৰ্থ্য খটাই খৰচি মাৰি আটাইবোৰ কাম কৰিবলৈ তেওঁৰ সদায় চেষ্টা। নিজৰ সন্তোষজনক আৰু সেই কামত সংশ্ৰৱ থকা আনবিলাকৰো মনত লগা যেন নেদেখালৈকে কামত লাগি থাকিবৰ ইচ্ছা তেওঁৰ কাম আনে ভাল হোৱা নাই বুলিলে তেওঁ হতাশ নহৈ বৰং তাক আৰু সন্তোষজনক কৰিবলৈ চেষ্টাহে কৰে। জীৱনত এই অভ্যাসৰ জৰিয়তে আনৰ আস্থাও পাব পাৰি আৰু নিজক দহৰ প্ৰয়োজনীয়ও কৰি তুলিব পৰা যায়।

আকৌ যাৰ কথাৰ ওপৰত ভৰ দিব পাৰি তেৱোঁ নিষ্ঠাৱান। এনে মানুহ কথাত এটা কামত এটা কেতিয়াও নহয়। তেওঁ বিশ্বাসী আৰু প্ৰতিজ্ঞা পূৰণত সদায় যত্নপৰ। তেওঁ সাধু আৰু সকলো ভণ্ডামিৰ ওপৰত। প্ৰিয় বন্ধুসকল! এইখিনি হৃদয়ঙ্গম কৰি লবলৈ মই তোমালোকক খাটনি ধৰোঁ আৰু ভগৱানকো প্ৰাৰ্থনা জনাও। তেওঁ যেন মানুহৰ লগত সকলো ব্যৱহাৰতে কায়মনবাক্যে সাধু হবলৈ তোমালোকক সামৰ্থ্য দিয়ে। নিৰ্ভৰ কৰিব পৰা চৰিত্ৰ সংসাৰৰ এটি দুৰ্লভ বস্তু। কিন্তু জগতৰ প্ৰাণো এই চৰিত্ৰই কিয়নো ইয়াৰ অবিহনে জগতখন কলুষেৰে ভৰা আৰু বাসৰ অনুপযোগী হৈ উঠে।

মুকলিচিতীয়া হবা :—দ্বিতীয়তে মই আমাৰ সকলোকে 'মুকলি চিতৰ হবলৈ কওঁ। এই জগতত একেলগে থাকিবলৈ হলে যবে পৰা আহক সকলো

সত্য আৰু কাম নিসঙ্কোচে লবলৈ মন মুকলি ৰাখিব পৰাটো বৰ ভাল। মানুহে সাধাৰণতে নিজৰ মতত্তে লাগি থাকি আনৰ মত লবলৈ বৰ টান পায়; আনকি বহুতে নিজৰ ধাৰণাবোৰ অশুধ বা খুঁত থকা বুলিও সেইবোৰ এৰি দিবলৈ খোকোজা কৰে। নিজে ভাল পোৱা ধাৰণা আৰু মান্ধাতাৰ দিনৰে সংস্কাৰবোৰকে ডাঙৰ পাতি থাকিব খোজা এই সঙ্কীৰ্ণতাই মাথোঁ গোঁৱাৰ, অবুজন আৰু মইমত কৰি তোলে। এনে ঠেক মন আজিকালি য'তে ত'তে।

ধৰ্ম্ম আৰু ৰাজনীতিৰ যে কথাই নাই। ধৰ্ম্মৰ প্ৰতি ভয় লগা অত্যাচাৰ বোৰৰ বাবে এই সঙ্কীৰ্ণতাই দায়ী আৰু অনেক দুখ-কষ্ট, ধ্বংস, আলৈআথানি আদিৰ গুৰি,—মূৰেভৰি কঢ়া ৰাজপুৰুষ আৰু শাসনকৰ্ত্তাসকলবো ইয়াৰপৰাই জন্ম। উন্নতিৰ বাটত ভেঁটা দি এই সঙ্কীৰ্ণতাই আমাৰ মন পানী বন্ধ হোৱা নলাৰ দৰে কৰি তোলে আৰু পানী বন্ধ হলে নলাই পঁচা গোন্ধ দিবই। লোকৰ কথালৈ মন-কাণ দিব নোখোজা মানুহ আমি পাওঁ এই ঠেক স্বভাৱৰ দোষতে কিন্তু ইপিনে মুকলিচিন্তীয়া মানুহে আনে কি কয় শুনিবলৈ সদায় ইচ্ছুক আৰু ব্যগ্ৰ। নিজক কওঁতাজনৰ শাৰীত থিয় কৰিও তেখেতসকলে চায় যাতে কওঁতাৰ ভাবখিনি ভালকৈ বুজিব পাৰে। সত্যৰ সন্ধান পাবলৈ হলে উদাৰ মনৰ নিতান্ত আৱশ্যক। সেইদেখি নিজকে পিটিকি চাই আমি থিৰ কৰিব লাগিব আমাৰ মুকলি মন আছে নে নাই। এতেকে আহক আমি নিজকে এই প্ৰশ্নকেইটা সোধোঁহক।

(ক) দৰ্শন, বিজ্ঞান, ৰাজনীতি আদি জ্ঞানৰ সকলো বিষয়তে যিখিনি জানো তাতকৈ বেছি শিকিবলৈ মই সঁচাকৈয়ে ইচ্ছুক আৰু ব্যগ্ৰ নে? বা আন ভাষাত ন-ন জ্ঞানৰ বাবে ভোক আৰু পিয়াহ মোৰ আছে নে নাই? অথবা মই দেখুৱাব খুজিছোঁ যে মোৰ প্ৰিয় সংস্কাৰ আৰু ধাৰণাবোৰত কিছুমান অসামঞ্জস্য থাকিলেও মুঠতে সেইবোৰ শুদ্ধ?

(খ) মোৰ ভাববোৰত সামঞ্জস্যৰ অভাৱ দেখিলে সই লবৰ বাবে মোৰ ধাৰণা আৰু সংস্কাৰবোৰ অশুধ যেন দেখলে এৰি বাধা-বিঘিনিলৈ কাণ নিদি সত্য লবৰ জোখাৰে ইচ্ছা, ব্যগ্ৰতা আৰু সাধুতা মোৰ আছে নে নাই। আন ভাষাত—যলৈকে নিয়ক সত্যৰ পাছ নেৰিবলৈ মই সাজু নে? নাইবা মোৰ পৰিবৰ্ত্তন হোৱা উচিত যেন দেখিও মই মানুহটো যি আছোঁ কেনেবাকৈ সলনি হওঁ বুলি ভয়তে মোৰ ধাৰণাবোৰত মই এতিয়াও বান্ধ খাই আছোঁ?

এই প্ৰশ্নবোৰে আমাক নিজকে জানিবলৈ আৰু আমি ক'ত আছোঁ বুজিবলৈ সঁচাকৈ সহায় কৰিব। ধৰ্ম্ম, সমাজ, ৰাজনীতি আদি যি কোনো বিভাগতে আমি জীৱনত কাম কৰোঁ লাগিলে আমি আমাৰ মন উদাৰ ৰাখিবই লাগিব। জ্ঞানৰ পৰিমাণৰ বিষয়ে বুজোঁ মানে আমাৰ আৰু বেছিকৈ জানিবৰ ইচ্ছাও বাঢ়িব। তাহানিখনৰ এজন মহৎ জ্ঞানী বজাই কৈছিল—

"মূৰ্খৰ চকুত তাৰ নিজৰ বাটেই বাট।
কিন্তু যি জ্ঞানী তেওঁ সজ উপদেশলৈ কাণ দিয়ে।"

কথাষাৰ সঁচা নহয় নে? তুমি যদি এজনৰে কথা হবলৈ গৈ দেখা যে তুমি কি কোৱা শুনিবৰ তেওঁৰ ইচ্ছা, তেওঁ বিনয়ী আৰু ধীৰ নিজৰ ভাববোৰ তোমাক বুজাবলৈ চেষ্টা কৰে আৰু নিজৰ মতত কিবা ভুল দেখিলে তেতিয়াই সৈ লয়—তুমি থিতাতে গম পাবা যে তুমি এটি ওখ মন লগ পাইছা আৰু এনে এজন মানুহৰ ওচৰলৈ অহাৰ বাবে তুমি তেওঁৰ কাৰবপৰা শলাগ লৈহে আহিবা। কিন্তু সেয়ে নহৈ যদি তুমি এনে এজন মানুহ লগ পোৱা যি তোমাৰ কথালৈ কাণ দিবলৈ তেনেই অনিচ্ছুক আৰু কেনেবাকৈ কাণ দিলেও যি তোমাৰ কথাৰ অৰ্থ বা উদ্দেশ্য বুজি চাব নুখুজি তোমাৰ সৈতে এবাৰ মনে যুঁজি চাবলৈহে সাজু হয়—তুমি ঠাইতে বুজা যে তুমি কথা হৈছা, এজন ঠেক স্বাৰ্থপৰ মনৰ স'তে। এনে মনৰ মানুহে সমালোচনা তেনেই সহিব নোৱাৰে আৰু প্ৰায়ে এনে কঠুৱা আৰু অভদ্ৰ হয় যে তেওঁৰ মতে কথা পাতি কাৰো ভাল নেলাগে। নিজৰ মতটোকে লৈ অহঙ্কাৰ, গোঁৱাৰামি আৰু মইবৰ ভাব এইকেইটা দোষ। ধৰ্ম্ম সম্বন্ধীয়ই হওক, সামাজিক বা ৰাজনৈতিকেই হওক,—সকলো সভা-সমিতিতে আছে. এনে মানুহ বেলেগ বহুত কামতে মই লগ পাইছোঁ। বিশেষকৈ, ধৰ্ম্ম আৰু ৰাজনীতিত এনে মানুহ বহুতো পাবা। এই ধৰণৰ স্বেচ্ছাচাৰীসকল দায়িত্বৰ কামত সোমোৱাটোৱেই এটা শাওপাত। এওঁলোকে এৰি থৈ যায় মাথোন কেটামান দুখলগা ঘটনাৰ স্মৃতি। এওঁলোক কামৰপৰা আঁতৰ হলে এওঁলোকক জনাসকলে ঈশ্বৰক ধন্যবাদ দিয়ে।

প্ৰিয় ছাত্ৰবন্ধুসকল! মোৰ বিশ্বাস আমি চিৰকাল শিকিয়েই থাকিব লাগিব। ছাত্ৰ-জীৱনৰ সামৰণি পৰিল বুলি আমি কোনোমতেই ভবা উচিত নহয়। মুকলি চিত্তেৰে সকলোকে লব পৰা স্বভাৱ গোটেই জীৱন আমাক

লাগে। সকলো সত্যৰ ফালৰপৰা আৰু বিশ্বমানৱতাৰ সম্পৰ্কত থ'ত থকা উচিত ত'তে থাকিবলৈ হলে আমি নিজে নিজক ক্ৰমাগত শিক্ষা আৰু সংযমৰ তলত ৰাখিব লাগিব। সচাঁকৈয়ে যদি 'সত্য'ক ভাল পাওঁ, 'সত্য'ৰ হৈ প্ৰাণ এৰিবলৈকো আমি ভয় নকৰোঁ। এনে ধৰণৰ ভাব ভাৰতীয় ৰাজনীতিজ্ঞ আৰু শাসনকৰ্ত্তাসকলৰ মাজত দ'কৈ শিপায় মানে আমাৰ মাজৰ দ্বন্দ্ব-খৰিয়ালো কমি যাব।

সাৱধান আৰু সতৰ্ক হবা:—মোৰ তৃতীয় উপদেশ হৈছে—সাৱধান আৰু সতৰ্ক হবা। কোনো এটা কাম আৰম্ভ কৰাৰ আগতে প্ৰথমে আগ পাছ গুণি চাই কামটোৰ বাবে কিমানখিনি শক্তিৰ আৱশ্যক আৰু কিমান দূৰ আগুৱাব পাৰিম আদি সকলো থিৰ কৰি লোৱা বৰ আৱশ্যক। তুমি নিজকে সুধি চাবা—মাথোন কেইটামান ধাৰণা মূৰত লৈ সিহঁতে কলৈ লৈ যাব উদ্দেশ্য নোলোৱাকৈ মই কণাৰ দৰে লৰ ধৰিছোঁ নে লক্ষ্য সঁচাকৈ মোৰ চকুৰ আগত? মোৰ কাৰ্য্যৰ ফল মোৰ নিজৰ, ওচৰচুবুৰীয়াৰ আৰু দেশবাসীৰ পক্ষে শুভ হব নে অশুভ হব? বহুতে কেৱল এই সাৱধানতাৰ অভাৱতে বিপদলৈ কণামুনাকৈ উধাতু খাই গৈ নিজেও মৰে আৰু আনকো আলৈ-আথানিত পেলায়। জগতৰ সকলো উপদেশকৰ ভিতৰৰ শ্ৰেষ্ঠ এজনে কৈছে— "তোমালোকৰ কোনোৱে এটা দ'ল বান্ধিবলৈ মন মেলি ধীৰ মনে বহি এবাৰ ভাবি নোচোৱা নে—ঘৰটো সাজি উলিয়াবলৈ হলে কি লাগিব আৰু তাৰ জোখাৰ সম্বল তোমাৰ আছে নে নাই? নহলে জানোছা ভেটি তুলি উলিয়াব নোৱাৰি পেলাই থলে লোকে মন্তব্য কৰি কয়েই—দেহি! মানুহটোৱে আৰম্ভহে কৰিছিল। সম্পূৰ্ণ কৰিব হলে নোৱাৰিলে। নাইবা এনে কোনো ৰজা আছে নে যি আন এজন ৰজাৰে যুঁজলৈ যোৱাৰ আগতে এবাৰ নিজে নেভাবে আৰু আনকো সুধি নেচায় যে তেওঁ তেওঁৰ দহ হেজাৰ সেনাৰে বিপক্ষৰ কুৰি হেজাৰৰ আগত থিয় দিব পাৰিব নে নোৱাৰে?"

জ্ঞানী আৰু সাৱধান মানুহে নিজৰ সামৰ্থ্যৰ বিষয়ে আগেয়ে ভাবি চায় যাতে চকু মুদি এন্ধাৰ-লৰ ধৰি হঠাৎ সাৰ পাই নিজৰ ভুল দেখি দুখ আৰু লাজ পাবলগীয়া নহয় আৰু নিজৰে সৰ্ব্বনাশ নঘটে। অলপ সতৰ্কতা আৰু অলপ চিন্তাই বহুতকে লাজ আৰু অকৃতকাৰ্য্যতাৰ হাতৰপৰা ৰাখিব পাৰিলেহেঁতেন। অসাৱধানতা দেশখনৰ স্বভাৱ হৈ পৰিছে। এই সাৱধান

আৰু সতর্কতাৰ অভাৱত হোৱা বহুতো অকৃতকার্য্যতাৰ কথা যোৱা কেবছৰৰ আমাৰ ৰাজনৈতিক বুৰঞ্জীৰ প্ৰায় পাতে পাতে দেখা পাবা।

উন্নতিশীল হবা:—চতুর্থতে মই কওঁ—তোমালোক উন্নতিশীল হবা। মানুহৰ মনৰ স্বভাৱেই এই যে উন্নতি নোহোৱা হলেই ই নিশ্চল হৈ পৰে। উন্নতি ইয়াৰ প্ৰাণ। উন্নতি বুলিলেই সম্মুখলৈ আৰু সময়তকৈও দূৰলৈ চাব পৰা গুণটিকে বুজায়। পাছ পৰাৰ কাৰণ বহুতো থাকিব পাৰে। কিন্তু তাৰে এটা হৈছে উপৰিপুৰুষসকলক কণা-মুনাকৈ দেৱতাৰ দৰে দেখাৰ স্বভাৱ। মনৰ এই ভাৱটোৰ কাৰণেই উপৰিপুৰুষসকলৰ সংগ্ৰহ থকা আটাইবোৰেই তেওঁলোকৰ মানত পৱিত্ৰ আৰু সেইবোৰৰপৰা অলপ আঁতৰা তেওঁলোকৰ মানত পাপ। এনে ধাৰণা থাকিলে মনৰ উন্নতি হোৱা সম্ভৱ নে? পুৰণি সংস্কাৰবোৰেই যাৰ মনত বেদবাক্য তেওঁ নিজৰ বিশ্বাসৰ কণমানো সলাবলৈ ভয় খোৱা স্বাভাৱিক। নতুন ভাব বুলিলেই তেওঁলৈ আচৰিত আৰু অশুচি। ইয়াৰ বিষয়ে ভাবি অলপ সময় নিয়াবলৈও তেওঁ ভয় কৰে। ৰক্ষণশীলসকলে উন্নতিশীলসকলৰ ওপৰত অত্যাচাৰ পৃথিৱীৰ বুৰঞ্জীত সদায় কৰি আহিছে। 'সূৰ্য্য ৰৈ আছে আৰু পৃথিৱীহে সূৰ্য্যৰ চৌপাশে ঘূৰিব লাগিছে' -কোপেনিকাছৰ এই মতটো চিঞৰি প্ৰচাৰ কৰি ফুৰাৰ বাবে গেলিলিওক বিছপ কার্ডিনেল আদি মধ্যযুগৰ ৰোমান কেথলিক সম্প্ৰদায়ৰ গুৰুসকলে অধৰমী বুলি মত দিয়াৰ কথা তোমালোক সকলোৱে শুনিছাহঁক। অথচ এই কথা সত্য বুলি আজিকালি সকলোৱে বিশ্বাস কৰে।

এটা ভুল প্ৰায় সকলোবোৰ মানুহকে কৰা দেখিছোঁ। সেইটো হৈছে জ্ঞান আৰ্জ্জনত আগবাঢ়িবৰ ইচ্ছা থাকিলেও নিজৰ সমাজৰ বা সম্প্ৰদায়ৰ পৰা নাহিলে কোনো জ্ঞানকে তেওঁলোকে লব নোখোজে। আনে আৰম্ভ কৰা সকলো নতুনৰে তেওঁলোক বিৰোধী আৰু সেইবোৰ সমৰ্থন কৰাটো দূৰৰ কথা বৰং তাৰ বিপক্ষে থিয় দিবলৈহে তেওঁলোক আগবাঢ়ে। এই স্বভাৱ উন্নতিৰ পথৰ এটা বাধা। আমি এটা কথা সদায় মনত ৰাখিব লাগিব—মানুহে উলিওৱা সকলো কথাই ৰাইজৰ সম্পত্তি। মন সাৰ্ব্বজনীন। এজনৰ মন সমূহৰ মনৰ আৰু বৰং ভগৱানৰ মনৰ এটি অংশ মাথোন। সেই দেখি মানুহ জাতিৰ সমূহতে সুখ আৰু উন্নতিৰ পক্ষে ভাল সকলো

বস্তুৰেই প্ৰত্যেকৰে গাইগুটীয়া সম্পত্তি। কোনো সজ কথাকে সেই দেখি নিজৰ সমাজ বা সম্প্ৰদায়ৰপৰা ওলোৱা নাই বুলি দলিয়াই পেলাব নেপায়। যি জাতি বা সমাজে মনৰ সাৰ্ব্বজনীনতাত বিশ্বাস নকৰে বাহিৰৰ সকলোৰে বাবে যাৰ দুৱাৰ সদায় বন্ধ, সেই জাতি বা সমাজ তেহেলৈ যিমানেই ভাল নহওক সদায় পাছপৰা বোলাই জীৱন যুদ্ধত অলাকলা হৈয়েই থাকিব।

সেই দেখি প্ৰিয় ছাত্ৰবন্ধুসকল! দেশক ভৱিষ্যতে আৰু ওপৰলৈ তোলাৰ ভাৰ তোমালোকৰ ওপৰতে। আগলৈ চোৱা—পাছলৈ উভতি নেচাবা। সজ আৰু সত্য সকলো কেৱল আমাৰ পাছফালে বা কেৱল প্ৰাচীনসকলৰ হাততে আছিল এনে নহয়। ই এতিয়া আমাৰ সন্মুখতো আছে। হাত বাউল দি আমাক আগবাঢ়ি যাবলৈ মাতিব লাগিছে। পৃথিৱীৰ আন দেশবোৰ আগুৱাই যিখিনি পাইছেগৈ, তালৈ আমাৰ দেশকো লৈ যোৱাৰ ভাৰ তোমালোকৰ ওপৰতে। তোমালোকেই আমাৰ দেশৰ ভৱিষ্যৎ গঢ়ি তুলিবা। তোমালোকৰ চিন্তা আৰু জীৱনৰ ধাৰাই ভাৰতৰ জীৱনতো প্ৰভাৱ বিস্তাৰ কৰিব। উন্নতি কৰাৰ যি ইচ্ছা তোমাৰ আছে—সেই ইচ্ছাই তোমাক কৰ যতে পোৱা যায় সকলো সজ কথাকে আমাৰ দেশলৈও আমদানি কৰিবলৈ। যিবিলাক নীতিয়ে জগতৰ চকুত আমাৰ দেশক ওখ কৰিব বুলি ভাবে আৰু যিবিলাক নীতিয়ে আন আন জাতিবোৰৰে সমানে থিয় হবলৈ আমাক সামৰ্থ্য দিব বুলি জানে -- সেইবিলাক নীতি যৰে পৰা হক গ্ৰহণ কৰিবলৈ সঙ্কোচ নকৰিবা বৰং ভাবিবা যে সকলো সজ বস্তুৰেই মানুহৰ সৃষ্টি। সেই কাৰণে তাত তোমাৰো অধিকাৰ আছে।

এই বিষয়টো সামৰণি মৰাৰ আগতে তোমালোকক জনাও যে ৰাজনীতি, সমাজ বা ধৰ্ম্ম যি বিষয়েই হওক -- উন্নতি হলে সত্যৰ একো হানি নহয়।

পবিত্ৰ মনৰ হবা :—মোৰ পঞ্চম কথাষাৰ হৈছে তোমালোক পবিত্ৰ মনৰ হবা। সকলোখিনি শক্তিৰে তোমাৰ অন্তৰখন পবিত্ৰ কৰি ৰাখিবা কিয়নো ইয়াৰপৰাই জীৱনৰ সকলোৰে সৃষ্টি।

তোমালোকৰ কৰ্ম্ম তোমালোকৰ চিন্তাৰ ফল। তোমালোকৰ শাৰীৰিক শক্তিৰ ওপৰতো চিন্তাৰ প্ৰভাৱ আছে। অপবিত্ৰ মনেই অপবিত্ৰ জীৱন আৰু সকলো প্ৰকাৰ নৈতিক আৰু সামাজিক পাপবোৰৰ মূল। অবিশ্বাস, স্বাৰ্থপৰতা, লোভ, নৈতিক অৱনতি সকলো অপবিত্ৰ মনৰে ফল। নষ্ট স্বভাৱৰ

মানুহবপৰা কাচিৎহে আমি কিবা ভাল আশা কৰিব পাৰোঁ। কানীয়া আৰু মদপীবপৰাও ভাল আশা কৰা মিছা। পাপ আৰু অপৱিত্ৰ স্বভাৱে জাতিৰ প্ৰাণ নষ্ট কৰে। ধৰ্ম্মই জাতিক গৌৰৱান্বিত কৰে কিন্তু পাপে জাতিৰ গ্লানি আনে।

আমাৰ মনো কেৱল সজ আৰু পৱিত্ৰ কথাৰে ভৰা উচিত। যি মহাপুৰুষে আমাৰ মনৰ কাৰণে কিছুমান আহাৰ দি গৈছে, সেই মহাপুৰুষৰ ভাষাতে কোৱাৰ বাহিৰে তোমালোকক বুজাবৰ ভাল উপায় মোৰ নাই। তেওঁ কয় যদি ধৰ্ম্ম বুলি কিবা আছে, যদি সজ বুলি কিবা আছে তেন্তে যি কথা সত্য, সম্মানজনক, পৱিত্ৰ, ন্যায় আৰু মধুৰ কেৱল তেনে কথাই ভাবিবা। যিশু-খৃষ্টই কি কৈছিল তোমালোকে জানা—"পৱিত্ৰ মনৰ মানুহবিলাক ভাগ্যৱান কিয়নো তেওঁলোকে ভগৱানৰ সাক্ষাৎ পাব। পৃথিৱীৰ ধন-সম্পত্তি, ৰাজ্য আদি সকলোতকৈ মন আৰু চিন্তাৰ পৱিত্ৰতাৰ মূল্য বেছি। এই পৱিত্ৰ মন বাদ দিয়া, দেখিবা জীৱনটো এটা মিছা আড়ম্বৰ হৈ পৰিছে।.

শান্তিস্থাপক হবা:—মই দিব খোজা ষষ্ঠ বচনফাঁকি হৈছে—তোমালোক শান্তিস্থাপক হবা। এই দেশব্যাপী ধৰ্ম্ম-বিৰোধৰ দিনত শান্তিস্থাপক আমাক লাগে। বিশেষকৈ এই সময়ত আমাক এনে মানুহ লাগে—যি নিজে শাক-ভাত খোৱা কথাৰ বহুতো ওপৰত আৰু আনবো ওখ ভাব আৰু আদৰ্শৰ কথা ভাবিব পাৰে। মানুহ মাত্ৰেই যে আমাৰ ভাই এই চিৰকলীয়া সত্যষাৰ অন্তৰেৰে নুবুজিলে দেশবাসীৰ ওচৰত শান্তিস্থাপক বোলাবলৈ যোৱাটো মিছা।

প্ৰিয় ছাত্ৰসকল! বেলেগ বেলেগ ধৰ্ম্মাৱলম্বী মানুহৰ সংসৰ্গলৈ প্ৰতি দিনে আহিলেহে পৰস্পৰে ভাই ভাইৰ ভাবৰ মহান আদৰ্শটো গঢ়ি তুলিব পাৰি। ভাৰতীয় মাত্ৰেই সহজতে এই আদৰ্শটো বুজি উঠিলেহে প্ৰকৃত স্বায়ত্ত-শাসন আৰু প্ৰজাতন্ত্ৰ সম্ভৱপৰ আৰু দেশৰ পক্ষেও শুভ হব। মানুহ মাত্ৰেই ভাই ভাইৰ সম্বন্ধৰে দেশখনকে মতলীয়া কৰি তুলিবলৈ শই শই ধৰ্ম্মগুৰুৰ আৱিৰ্ভাৱ যিদিনা হব—সেই দিন কেনে আনন্দৰ এই সত্যষাৰ মন আৰু প্ৰাণেৰে যিদিনা আমি অনুভৱ কৰিব পাৰিম সেইদিনাৰপৰা ভাৰতৰ প্ৰতি বৃহস্পতি পোন হব।

প্ৰিয় ছাত্ৰবন্ধুসকল! এই জীৱনটোতে দেশৰ বাবে এটা সুদৃঢ় ভেঁটি তুলিবলৈ গোটেই জীৱন আমি খাটিম। এই বুলি তোমালোকে মনতে থিৰ কৰি নলবা নে, যাতে সেই ভেঁটিকে আশ্ৰয় কৰি আমাৰ দেশখন পৃথিৱীত

লেখৰ হৈ উঠিব পাৰে ? জানোছা এনে এজন ঈশ্বৰ প্ৰেৰিত পুৰুষৰ আগতে মই বক্তৃতা দি আছোঁ যি অন্তৰেৰে বুজিছে যে দেশত ভাই-ভাইৰ সম্বন্ধটো জগাই তুলিবলৈ তেওঁতে জীৱনটো কটাব লাগিব। যদি কোনো দেশৰ চাৰিবেৰৰ ভিতৰতে এই সত্য কথাষাৰ এৰাব নোৱাৰাকৈ লাগে, সেইখনে আমাৰ দেশ। ধৰ্ম্ম-বিৰোধ আৰু অস্পৃশ্যতা ভাৰতৰ উন্নতিৰ বাটত হাই হেঙাৰ। এইবোৰ কঠোৰ সত্য আৰু ইয়াক কঠোৰ বুলি বুজিয়েই আমি ইয়াৰ বিৰুদ্ধে থিয় দিব লাগিব। সামাজিক দোষবোৰ গুচাবলৈ সময়ৰ আৱশ্যক। কিন্তু মই কওঁ, এই পুৰুষতে আমি বহুত লেখৰ ঘটনা দেখি যাব পাৰোঁ। আমাৰ ছাত্ৰসকলৰ এই বিষয়ে বহুতো কৰিবলৈ আছে। জীৱনৰ সকলো কামতে তেওঁলোকে দেখুৱাওক যে ধৰ্ম্ম আৰু সামাজিক আচাৰেৰে তেনেই খাপ নেখালেও মানুহ মাত্ৰকে তেওঁলোকে ভালপায়। তেওঁলোকে মাথোঁ বুজিবলৈ চেষ্টা কৰক যে মানুহ মানুহৰ ভাই। তেতিয়া দেখিবা আমাৰ দেশৰো সুদিন আৰম্ভ হৈছে।

দহৰ সেৱা :—মোৰ সপ্তম উপদেশ হৈছে—দহৰ সেৱা কৰিবলৈ শিকা। এই কথাষাৰ আমাৰ গাইগুটীয়া আৰু জাতীয় জীৱনৰ বৰ লাগতিয়াল। আমি বুজা উচিত যে প্ৰত্যেকেই প্ৰত্যেকৰ সেৱক। বাইজ আৰু ৰজা, বাপেক আৰু পুতেক সকলো ইজন সিজনৰ সেৱক। প্ৰত্যেকেই মানৱ জাতিৰ প্ৰকৃত সেৱা কৰা হলে আমি পৃথিৱী আৰু দেশখনক আৰু ভাল অৱস্থাত দেখিলোঁ-হেঁতেন। সেৱা কৰাটো মহৎ কাম। এই কথাষাৰ আমি অন্তৰেৰে বুজিব আৰু বিশ্বাস কৰিব লাগিব। সেৱা কৰা মানে যাৰ বাবে যিহকে হাতত লওঁ তেওঁৰ কেৱল ভালৰ বাবেই সেই কাম কৰা আৰু দিনে-ৰাতিয়ে তেওঁৰ মঙ্গল কামনা কৰা। কিন্তু বন্ধুসকল! আমি এতিয়াও সেৱাৰ প্ৰকৃত মোল নুবুজা বহুত আপোনপেটীয়া মানুহ দেখোহঁক। ই আজিকালিৰ কালৰ দোষ আৰু ইয়াৰ বাবেই দেশৰ সকলো বিলাই বিপত্তি। ডাঙৰ পদবী এটা পালেই মানুহে পাহৰে যে তেওঁ ৰাইজৰ সেৱক আৰু সেই কথা পাহৰি স্বাৰ্থান্ধ আৰু উদ্ধতৰ দৰে কাম কৰে। সকলোলৈকে মৰমিয়াল হোৱা আৰু আনৰ মঙ্গলৰ বাবে চেষ্টা কৰা যে কিমান সজ আৰু মহৎ কাম তেওঁ প্ৰায় নুবুজে। বন্ধুসকল! আহাঁ আমি সেৱাপৰায়ণ হবলৈ শিকোঁ। প্ৰথমতে ঘৰতে আই-বোপাই, ভাই-ভনী আৰু পিছলৈ ওচৰচুবুৰীয়া আৰু দেশবাসীৰেপৰা আৰম্ভ

কৰি লাহে লাহে গোটেই মানুহ জাতিৰে সেৱা কৰিবলৈ আমি শিকোঁহক। সেৱাত সুখ আৰু আনন্দ আছে। ধনী মানুহ এজনে এসময়ত জীৱনত তিতা লাগি পৰ্ব্বত এটাৰপৰা জপিয়াই পৰি জীৱনৰ ওৰ পেলাবলৈ স্থিৰ কৰে। তেওঁৰ অলেখ ধন-সম্পত্তি আৰু ওখ ধৰণৰ চলন-ফুৰণে তেওঁক সুখ লগাব নোৱাৰিলে। বেচাৰাই ঘৰ এৰি পৰ্ব্বতৰ ফালে খোজ ললে। ইচ্ছা —জাপ মাৰি নিজে মৰিব। পিছে বাটত গৈ দেখে, বৰ ললাট ভুগ্নি মানুহ এটা অকলে বহি আছে। তাক দেখি তেওঁ থমকি ৰল আৰু ওচৰ চাপি গৈ তাৰ বিলাইৰ কাৰণ সুধিলে। মানুহটো দুখীয়া, কাপোৰ-কানিও তথৈবচ। মানুহটোৱে কলে, সি বৰ টোকোনা। কোনো কাম-বন নোপোৱাত ধাৰ লাগি তাৰ মাটি-ভেঁটি যাবলগীয়া হৈছে। লৰা-তিৰোতাই খাবলৈ পোৱা নাই। সেই কাৰণে সি এতিয়া আত্মহত্যা কৰোঁ বুলিছে। ধনী মানুহজনে ভাবিবলৈ ধৰিলে, এই দুখীয়া মানুহটোৱে তাৰ খাবলৈ নাই বুলি মৰিব খুজিছে আৰু মই ধনীজনে মৰিব খুজিছোঁ নিজে অসুখী দেখি। তেন্তে সুখ কত? সি যি নহওক মই মৰিব খুজিছোঁৱেই, এই দুখীয়া মানুহটোক সহায় কৰিয়েই মৰোঁ। ইয়াকে ভাবি তেওঁ তাক ধন অলপ দিলে। দুখীয়া-টোৱেও শলাগৰ চকুলো টুকি ধনীজনক আন্তৰিক ধন্যবাদ জনাই ৰঙমনে ঘৰমুৱা হল নিজৰ ভেঁটিটো আৰু লৰা-তিৰোতাক ৰাখিবলৈ বুলি। সি আত্মহত্যা কৰিব নোৱাৰিলে। ধনীজনে তাৰ সুখ দেখি নিজেও সুখী হল আৰু নিজকে নিজে কলে—"সুখ কত আছে মই দেখিলোঁ। আনক সেৱা কৰিব আৰু পৰক সুখ দিব পৰাই প্ৰকৃত সুখ। মই জীৱনটো আপোন-পেটীয়া হৈয়ে কটালোঁ সেই দেখি একোৱেই মোক সুখ লগাব পৰা নাছিল। এতিয়া মই নকৈ জীৱন আৰম্ভ কৰি পৰৰ সেৱাতে দিন নিয়াব লাগিব।" এফাঁকি পদ আছে যি প্ৰত্যেক প্ৰকৃত গোড়া খৃষ্টানৰ নীতিবাক্য বুলিব পাৰি। তাৰ ভাব এনে—

"আজি এজনক সহায় কৰা যাতে তেওঁ জীৱন-পথত বাট বুলিব পাৰে।
দুখ-তাপৰ সামৰণি পৰক—নিঃসহায়ে সহায় পাওক।
হেৰা! আজি এজনক সহায় কৰা!"

•

সেৱাই সমাজৰ সোৱাদ:—আৰু এটা বৰ লাগতিয়াল বিষয় সামৰণি মৰাৰ আগতে নকৈ নোৱাৰিলোঁ। সেইটো হৈছে আমি সকলো সেৱাকে

সম্মানজনক বুলি ভাবিব লাগিব। আন কথাত শ্ৰম ঘৃণনীয় নহয়। ভাৰতীয় জীৱনত এই কথাষাৰৰ মূল্য বৰ বেছি। শ্ৰমৰ গৌৰৱ এতিয়াও অহা নাই নে? তোমালোকে জানা যে আন আন দেশত শ্ৰমক কোনেও ঘিণ নকৰে। যদি আমি নিবনুৱা সমস্যাৰ সমাধান কৰিব খোজোঁ আৰু আন আন দেশবোৰৰ সমানে উধাব খোজোঁ, আমি বুজিব লাগিব যে মানসিকেই হওক বা শাৰীৰিক হওক শ্ৰম সদায় সম্মানজনক। আমেৰিকাত থাকোঁতে এদিন ভদ্ৰলোক এজনে মোক তেওঁৰ তাত 'ডিনাৰ' খাবলৈ নিমন্ত্ৰণ জনাইছিল। মই তেওঁক চিনি নেপাইছিলো। তেওঁৰ তালৈ গৈ দেখোঁ যে তেওঁৰ ঘৰটো ভাৰতবৰ্ষত থকা বহুত ভাল য়ুৰোপীয় ভদ্ৰলোকৰ ঘৰৰ দৰে ভাল আৰু ধুনীয়া। পিছত গম পালোঁ যে মানুহজন নগৰৰ আলি-পদূলিবোৰৰ ৰখীয়া, আমাৰ দেশত যাক আমি 'ঝাৰুৱালা' বোলোঁ। দিনে চাৰি পাঁচ ঘণ্টা মাথোন তেখেতে খাটিব লাগে আৰু তাৰ বাবে বেছ ভাল দৰ্মহা পায়। ইয়াৰ বাহিৰে ধন আৰ্জ্জিবলৈ তেখেতৰ নিজা আন ব্যৱসায়ো আছিল। মই দেখিলোঁ আন আন মানুহতকৈ তেখেতে কোনো গুণে কম বা বেয়া ভদ্ৰলোক নহয়। মটৰ ইঞ্জিনেৰে আলিবাট সাৰোঁতে পিন্ধিবলৈ তেখেতৰ সুকীয়া সাজ এটা আছিল কিন্তু কাম শেষ হোৱাৰ পিছত ৱাছিংটনৰ প্ৰতিনিধি-সভাৰ সভ্য এজন আৰু তেখেতৰ মাজত কোনো পাৰ্থক্য তুমি নেদেখা। সমাজতো তেখেতৰ আনবিলাকৰ সমানে আদৰ। নিজৰ উন্নতি আৰু দেশৰো মঙ্গল সাধিবলৈ হলে—শ্ৰমক ঘিণৰ চকুৰে চাব খোজা ভুল ধাৰণাটো আমাৰ দেশৰপৰা আঁতৰ কৰি দিয়া উচিত। ছাত্ৰ বন্ধুসকল! বুকুত বল বান্ধি, নিজৰ আৰ্হিৰে এই ধাৰণাটোৰ বিপক্ষে থিয় দিয়াৰ ভাৰ তোমালোকৰ ওপৰত।

ঈশ্বৰভীৰু হবা :—অৱশেষত মোৰ উপদেশ হৈছে—তোমালোক ঈশ্বৰভীৰু হবা। শেষত কোৱা বুলি নেভাবিবা যে ইয়াৰ মূল্য কোনো গুণে কম। যি কামতে তোমালোক সোমোৱা—ঈশ্বৰলৈ নেপাহৰিবা। চিৰসত্য, চিৰপৱিত্ৰ, আৰু চিৰদয়াময় পৰমেশ্বৰক পাহৰিলে মানুহ পাপৰ মুখত পৰে। শাসন, ৰাজনীতি, ব্যৱসায় আদি বহুত বিষয়ত ইমান ব্যভিচাৰ কেনেকৈ সোমাবলৈ পাইছে? মানুহে ঈশ্বৰলৈ পাহৰা বাবেই নহয় নে? বহুতে কব যে ইহ জনমৰ কোনো কামতে ঈশ্বৰে হকা-বধা নকৰে। এই ভাবটো বৰ বিপদজনক। এনে ভাব থাকিলে গভীৰ পাপত বুৰ দিবলৈও মানুহে পাছ

নপৰে। শঠতা, প্ৰৱঞ্চনা, ভেটী খোৱা, উৎপীড়ন আদি সকলো ৰকম *ব্যভিচাৰ কেৱল এনে মানুহেহে কৰে যি ঈশ্বৰক ইহ জনমৰ সকলো কামৰে পৰা বাজ কৰি দিছে। ঈশ্বৰৰ বিষয়ে সত্য ধাৰণা থাকিলে এই ধৰণৰ মিছা* ভাব ওচৰ চাপিবকে নোৱাৰে। প্ৰিয় বন্ধুসকল! এই ধৰণৰ মতবোৰলৈ ভয় কৰি চলিবা। তোমাৰ জীৱনৰ সকলো অৱস্থাতে, সকলো কামতে ভগৱানক চিন্তিবা। তুমি যদি বেপাৰী, তোমাৰ বেপাৰত ঈশ্বৰৰ কথা ভাবিবা আৰু সকলো লেন-দেনতে সদায় সাধু আৰু পোনপটীয়া হৈ কাম কৰিবা। সঁচাকৈয়ে তেনে কৰিলেহে তুমি ব্যৱসায়ত উন্নতি আৰু নিজৰ আত্মাক সুখী কৰিব পাৰিবা। যদি ৰাজনীতিত সোমোৱা তাৰ পৰাও ঈশ্বৰক নতৰাবা—নহলে তোমাক ৰাজনীতি কলুষিত কৰাৰ পাপে ছুব। ৰাইজক ভাল কৰিবলৈ এপিনে তুমি যেনেকৈ বক্তৃতা দিবা আন পিনে তেনেকৈয়ে ভেটী খুৱাই আৰু আন উপায়েৰে তুমি তেওঁলোকৰ মন অশুচি কৰিবা আৰু নিজকে মাথোন আপোনপেটীয়া আৰু ভণ্ড বোলাবা। চিন্তাত যি জনে ঈশ্বৰক কেতিয়াও নেপাহৰে আৰু অন্তৰত যাৰ ভগৱান সদায় বিৰাজে, সেই পুৰুষজন চিৰকল্যাণীয়।

প্ৰিয় ছাত্ৰবন্ধুসকল! ধৰ্ম্মত পৱিত্ৰতা, ব্যৱসায়ত পৱিত্ৰতা, ৰাজনীতিত পৱিত্ৰতা আৰু শাসন কাৰ্য্যত পৱিত্ৰতাৰ বাবে মই সদায় যুঁজি আহিছোঁ। যত ভগৱানৰ নামে ভয়, ভক্তি আৰু প্ৰেম আনে, তেনে ধৰ্ম্ম, তেনে ৰাজনীতি, তেনে শাসন, তেনে ব্যৱসায় মোক লাগে। হব পাৰোঁ মই চাৰিওপিনে পাপ আৰু বেমেজালিৰ গভীৰ অৰণ্যত চিঞৰি ফুৰা কান্দোন এটা মাথোন। কিন্তু মোৰ বিশ্বাস এদিন দেশত এনে শ শ পুৰুষৰ আৱিৰ্ভাৱ হব যিসকলে ঈশ্বৰলৈ ভয় আৰু সত্যলৈ শ্ৰদ্ধা অন্তৰত ৰাখি তেখেতসকলৰ বাণী দেশৰ ইমূৰৰপৰা সিমূৰলৈ শুনাব পাৰিব। যি জাতিৰ ঈশ্বৰলৈ ভয় বোলা বস্তু এটা আছে সেই জাতিয়ে এসময়ত নহয় এসময়ত জগতত নিজৰ নাম জিলিকাবই। আমেৰিকাত থাকোঁতে তাৰ 'ডলাৰ'বোৰৰ পিঠিত "ঈশ্বৰক আমি বিশ্বাস কৰোঁ" বুলি লিখা মই যিদিনা প্ৰথমে দেখোঁ, সেই দিনা সঁচাকৈয়ে মই মুগ্ধ হৈ গৈছিলোঁ। আহা! এই আদৰ্শটো জগতৰ সকলো জাতিৰ হোৱা হলে! যি জাতিয়ে ঈশ্বৰলৈ ভয় কৰে, সেই জাতিক মই ভালপাওঁ, মই শ্ৰদ্ধা কৰোঁ কিয়নো সেই জাতি জগতৰ আশীৰ্ব্বাদ স্বৰূপ। ঈশ্বৰলৈ ভয়েই জ্ঞানৰ পাতনি।

সামৰণি মন্তব্য

ভদ্ৰমহিলা আৰু ডাঙৰীয়াসকল! আপোনালোক সকলোৰেই অসম ছাত্ৰ সন্মেলনৰ প্ৰতি বিশেষ আস্থা দেখুৱাত মই আপোনালোকক অশেষ ধন্যবাদ দিছোঁ। এই সন্মেলনখনি সুন্দৰৰূপে সমাধা কৰি তুলিবলৈ ডিব্ৰুগড়ীয়া ভদ্ৰলোক আৰু মহিলাসকলে আনন্দেৰে চেষ্টা কৰাত মই বৰ সুখ পাইছোঁ। মই বুজিব পাৰিছোঁ যে বিশেষকৈ ৰায় বাহাদুৰ শ্ৰীযুত নীলাম্বৰ দত্ত, ৰায় বাহাদুৰ শ্ৰীযুত সদানন্দ দুৱৰা আৰু শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াই এই বিষয়ত অশেষ যত্ন কৰিছে। মই প্ৰথমতে সভাপতিৰ আসন গ্ৰহণ কৰি সন্মতি প্ৰকাশ কৰোঁতে অসম ছাত্ৰ সন্মেলন যে কেৱল ছাত্ৰৰেই সন্মেলন নহয়, ই এক প্ৰকাৰ জাতীয় অনুষ্ঠানো, এই বিষয়ে অলপো ধাৰণা কৰিব নোৱাৰিছিলো। তাৰ উপৰি ইয়াত ইমান মানুহ গোট খাব বুলিও মোৰ ভাব নেখেলাইছিল। ছাত্ৰসকলে লগ লাগি ভৱিষ্যতে উন্নতি পথত আগুৱাবলৈ আৰু দেশৰ হিত সাধিবলৈ আলোচনা কৰা কাৰ্য্যত তেওঁলোকৰ পিতৃ-মাতৃসকলৰ উপস্থিতিয়ে তেওঁলোকক অশেষ উদগনি দিয়ে। মোৰ কাৰণেও ছাত্ৰসকলৰ সংসৰ্গত অহাতকৈ বেছি আনন্দদায়ক বস্তু অন্য নাই কিয়নো মই আগেয়েই কৈ আহিছোঁ যে তেওঁলোকৰ ওপৰতেই আমাৰ দেশৰ ভৱিষ্যৎ উন্নতি নিৰ্ভৰ কৰে। তেওঁলোকেই দেশৰ ভৱিষ্যৎ ভাগ্য গঢ়ি তোলোঁতা।

ডাঙৰীয়াসকল আৰু ভদ্ৰমহিলাসকল! আপোনালোকে সভাৰ সকলো কাৰ্য্যাৱলীত একান্তভাবে সহযোগ কৰাত মই আপোনালোকক ধন্যবাদ নিদি নোৱাৰোঁ। যিসকল ভদ্ৰলোক আৰু ভদ্ৰমহিলাই সন্মেলনৰ পুঁজিলৈ আৰ্থিক সাহায্য দিছে তেখেতসকলক ধন্যবাদ জনালে নিশ্চয় ছাত্ৰসকলৰো কৃতজ্ঞতা সম্ভাষণ জনোৱা হ'ব। এনেকুৱা ওখ আদৰ্শৰ এখনি সুখজনক আৰু শৃঙ্খলাবদ্ধ অনুষ্ঠানৰ পৰা যে সময়ত সুফল নফলিব তাত মোৰ অলপো সন্দেহ নাই।

বহুতে ভাবিব পাৰে, হয়তো এনে অনুষ্ঠানৰ পৰা আমাৰ মাত্ৰ সময় আৰু টকা খৰছ হৈছে, কিন্তু তেওঁলোকৰ লগত হলে মোৰ মত নিমিলে। মোৰ সৰল বিশ্বাস যে যদি আমাৰ দেশৰ কোনো বিষয়ত হিত সাধন কৰিবলগীয়া হয় তেন্তে এনে এখনি অনুষ্ঠানৰ উপকাৰিতা থাকিবই। অৱশ্যে ইয়াক কেনে ভাবত পৰিচালনা কৰা হয় আৰু কোন ফালে ছাত্ৰসকলৰ মন দো খুৱাব খোজে সেই কথাৰ ওপৰতেই সকলো ভাল-বেয়া নিৰ্ভৰ কৰে। সাৰুৱা মাটিত ভাল শস্য সিঁচা যেনে মানুহৰ মন গঠন কৰিবলৈ আৰম্ভ কৰোঁতে ছাত্ৰসকলৰ আগত উচ্চ আকাঙ্ক্ষা আৰু মহৎ চানেকিবোৰ মাণ্ডি ধৰাও তেনে। সেই বাবে এই সন্মেলনৰ নেতাসকলক মই আগ্ৰহেৰে জনাওঁ যে তেওঁলোকে যেন তেওঁলোকৰ দায়িত্ব বুজে আৰু আমাৰ দেশৰ ছাত্ৰসকলৰ মন আৰু মহৎ উদ্দেশ্যৰ ফালে ঢাল খায় তাৰ বাবে ভাবি-চিন্তি উপায় ব্যৱস্থা কৰে। এইটো কৰা মানেই তেওঁলোকৰ চৰিত্ৰ গঠন কৰি দিয়া আৰু ডেকাসকলৰ চৰিত্ৰ গঠনেই হৈছে দেশৰ মঙ্গলৰ সূচনা।

যোৱা সোমবাৰে অসম মুছলমান ছাত্ৰ সন্মেলনৰ সভাপতিয়ে এটা বিষয়ে অলপ উন্মুকিয়াইছিল। ময়ো এতিয়া সেই বিষয়ে দু-আষাৰমান কম। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত আলোকচন্দ্ৰ ৰাজখোৱাই এই একেটি কথাকে মই সভাপতিৰ আসন গ্ৰহণ কৰাৰ আগতে কৈছিল। সেই বিষয়টি হৈছে — মাদকতা নিবাৰণ। অসম ব্যৱস্থাপক-সভাত মোৰ কাৰ্য্যাৱলীৰ ভিতৰত এই বিষয়টিয়েই প্ৰথম স্থান অধিকাৰ কৰিব। ধপাত, মদ আৰু কানি সম্বন্ধীয় যি তিনিখন পাণ্ডুলিপি যোৱা ছবছৰৰ ভিতৰত আইনত পৰিণত হৈছে সেই বিষয়ে মই আপোনাসকলৰ আগত কৈ সময় নষ্ট কৰিব নোখোজোঁ। এই কুঅভ্যাসবোৰে আমাৰ দেশৰ মানুহক শাৰীৰিক আৰু মানসিক ভাবে দুৰ্ব্বল কৰি তুলিছে। গতিকে আমাৰ দেশৰ ভাই-ককাইসকলক এই কুঅভ্যাসৰ পৰা হাত সৰুৱাবলৈ মাদকতা নিবাৰণৰ যি কোনো জাগৰণেই হওক প্ৰত্যেক শিক্ষিত আৰু দূৰদৰ্শী অসমীয়াৰ পৰা সম্পূৰ্ণ সহানুভূতি নোপোৱাকৈ নাথাকে। আপোনালোক যে মোৰ বন্ধু শ্ৰীযুত নীলমণি ফুকন আৰু ৰায় বাহাদুৰ সদানন্দ দুৱৰাৰ নিচিনা আন আন মহানুভৱ সভ্যসকলেৰে লগ লাগি মাদকতা নিবাৰণ কৰিবলৈ কৰা মোৰ ক্ষুদ্ৰ চেষ্টাত সহানুভূতি দেখুৱাইছে তাৰ পৰাই বেছ প্ৰমাণ পোৱা যায় যে সদৌ অসমীয়াই এইবোৰ মাৰাত্মক বস্তুৰ পৰা আঁতৰি থাকিবলৈ অত্যন্ত ইচ্ছুক আৰু উদ্বিগ্ন।

মৰমৰ ছাত্ৰসকল! তোমালোকে চিগাৰেট বা আন যি কোনো ধপাত খোৱা কু অভ্যাসটি এৰি দিবলৈ এতিয়াই মনতে স্থিৰ কৰা। ধপাতত থকা নিকৃটিন্ বোলা বিহ মগজুৰ কাৰণে অপকাৰী। ই চকু, কলিজা আৰু গোটেই স্নায়ুমণ্ডলীৰ কাৰণেই অপকাৰী। তোমালোকে ইচ্ছা কৰিলে অতি সহজে এই অভ্যাস এৰি দিব পাৰা। ইয়াকে কৰিবলৈ তোমালোকৰ ইচ্ছা-শক্তি প্ৰয়োগ কৰা। বোধকৰোঁ তোমালোকক নকলেও হব যে আমেৰিকাৰ য়েল্ বিশ্ববিদ্যালয়ত ধপতুৱা ছাত্ৰসকলৰ শাৰীৰিক আৰু মানসিক অৱস্থা পৰীক্ষা কৰি পোৱা গৈছে যে ধপাত নোখোৱা ছাত্ৰবিলাকৰ বুদ্ধিশক্তি ধপতুৱাসকলতকৈ বহু গুণে বেছি। ধপাত নোখোৱা ছাত্ৰবিলাকৰ বেছি ভাগেই পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু তেওঁলোক বেছি বলী আৰু স্বাস্থ্যৱান।

মৰমৰ ছাত্ৰবন্ধুসকল! এটা কথা তোমালোকে মনত ৰাখিবা, এই কু অভ্যাসটিয়ে তোমালোকৰ মগজুৰ অনিষ্ট কৰাৰ লগে লগে তোমালোকৰ ইচ্ছাশক্তিৰো হানি নঘটোৱাকৈ নাথাকে। ইচ্ছাশক্তি দুৰ্ব্বল হলে অনৈতিক কুপ্ৰলোভনে তোমালোকক অতি সহজে পৰাজয় কৰিব পাৰে। এতিয়াই তোমালোকৰ মনত বল বান্ধা যে 'মই মোৰ নিজৰ ভালৰ কাৰণে, মোৰ আত্মীয়ৰ ভালৰ কাৰণে, মোৰ পুত্ৰ-কন্যাৰ ভালৰ কাৰণে আৰু আন আন সকলোৰে ভালৰ কাৰণে এই অভ্যাসটি পৰিত্যাগৰ দাবী কৰিছোঁ। ঈশ্বৰৰ এয়ে ইচ্ছা মই মোৰ শক্তিবোৰক নষ্ট পাবলৈ দিব নালাগে। তেওঁ মোৰ হৃদয়ত শক্তি দিছে মাত্ৰ তাৰ বৃদ্ধি কৰিবলৈ, হ্ৰাস ঘটাবলৈ নহয়। লগে লগে ইয়াৰ সদ্ব্যৱহাৰ কৰি মহৎ আৰু সৎ কাৰ্য্যবোৰ সম্পাদন কৰিবলৈ। সেইবোৰ অভ্যাস ঈশ্বৰত বিশ্বাস ৰাখি মই এৰিবই লাগিব আৰু মই এৰিব পাৰিমেই।' নোৱাৰোঁ কথাটি শব্দকোষৰ ভিতৰত থকা উচিত নহয়। এই দৰে শিক্ষিত আৰু বলবান হৈ ললে তোমালোকে বয়সৰ লগে লগে বল আৰু শক্তি সংগ্ৰহ কৰিব পাৰিবা আৰু অৱশেষত তোমালোকৰ নিজৰ কাৰণে আৰু আনৰ কাৰণেও মঙ্গল হ'ব।

এইখিনিতে মই ধপাতৰ কথা এৰি তোমালোকৰ আগত মদ-ভাং-কানিৰ বিষয়ে মাত্ৰ দুষাৰমান ক'ম। মানুহৰ শাৰীৰিক যন্ত্ৰক এইবোৰ মাদক দ্ৰব্যৰ ব্যৱহাৰে কিমান অনিষ্ট কৰে সেই কথা কৈ মই সময় নষ্ট কৰাৰ একো আৱশ্যক নেদেখোঁ। আমি প্ৰত্যেক দিনেই এই কু অভ্যাসৰ অপকাৰ দেখি আহিছোহঁক। এইবোৰ কথাৰ সত্যতা লৈ টিপ্পনী লিখাৰ একো প্ৰয়োজন

নকৰে। মৰমৰ ছাত্ৰসকল! তোমালোকে এইবিলাক মাদক দ্ৰব্য নোছোওঁ বুলি দৃঢ়প্ৰতিজ্ঞ হোৱাঁহক আৰু আনকো ইয়াৰ পৰা দূৰত ৰাখিবলৈ জয়দেউ কাকুতি আৰম্ভ কৰা।

অসমৰ পিতৃ-মাতৃসকল! মই আপোনালোকৰ ওচৰত গোহাৰি জনাওঁ যেন আপোনালোকৰ লৰা-ছোৱালীবিলাকক ইয়াৰ পৰা মুক্ত কৰি ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰে। আপোনালোকৰ পুত্ৰ-কন্যাৰ ভালৰ কাৰণে এই কুঅভ্যাসবোৰৰ লগত শত্ৰুতা আচৰণ কৰি চলিবলৈ আৰু এই বিলাকৰ লগত সম্বন্ধ ছিঙিবলৈ সবিনয়ে নিবেদন জনাওঁ। দুৰ্ভাগ্যবশতঃ যদিও আপোনালোকৰ কোনোবাই অতীত জীৱনত এই কু অভ্যাসৰ ভুক্তভোগী হৈছিল পৰমেশ্বৰৰ কৃপাত এই পাপৰ পৰা হাত ধুই পেলাবলৈ এতিয়াও সময় আছে। আপোনালোকৰ অন্তৰত থকা লুপ্ত ঐহিক শক্তিবোৰ জগাই তোলক আৰু পাশৱিক শক্তিবোৰৰ পৰাজয় কৰক। আপোনালোকৰ হীন স্বভাৱবোৰৰ ওপৰত মহান স্বভাৱে প্ৰভুত্ব চলাবলৈ দিয়ক। পিতৃ-মাতৃসকল! জাগি উঠক। আপোনালোকৰ জীৱনাৱস্থা উচ্চ কৰি তোলক আৰু লগতে পুত্ৰ-কন্যাকো ওপৰলৈ নিয়ক। টোপনিৰ পৰা সাৰ পাবৰ সময় হ'ল। আপোনালোকৰ লৰা-ছোৱালীৰ কাৰণে উঠিপৰি লাগি যাবৰ সময় প্ৰায় শেষ হওঁ হওঁ হৈছে। আপোনালোকৰ মৃত্যুৰ পিছত আপোনালোকৰ লৰা-ছোৱালীলৈ এনেকুৱা শ্ৰেষ্ঠ আৰু উৎকৃষ্ট পৈতৃক সম্পত্তি ৰাখি যাবলৈ মনস্থ কৰক। আপোনালোকে তেওঁলোকলৈ অতুল ঐশ্বৰ্য্য থৈ যাব পাৰে, কিন্তু আপোনালোকৰ গোটেই জীৱনৰ পুৰুষাৰ্থৰ লাভালাভ এই সম্পত্তি তেওঁলোকে নিজৰ কলুষিত স্বভাৱেৰে অলপ দিনৰ ভিতৰতে নষ্ট কৰি পেলাব পাৰে। আপোনালোকে লৰা-ছোৱালীবিলাকৰ পথ প্ৰদৰ্শাবলৈ সৎ চৰিত্ৰ আৰু আদৰ্শ জীৱন এৰি যাওক। সেয়েই হৈছে আচল উৎকৃষ্ট পৈতৃক সম্পত্তি। গতিকে বন্ধুসকল! মই কওঁ—জীৱনৰ খলা-বমা বাটবোৰ পূৰাই লোৱাত দিনচেৰেক মাত্ৰ অলপমান কষ্ট সহ্য কৰক। উপদেশ আৰু নিজৰ দৃষ্টান্তৰ প্ৰভাৱেৰে আপোনালোকৰ আপুৰুগীয়া বস্তু লৰা-ছোৱালীবিলাকৰ সত্য আৰু ন্যায়পৰায়ণতাৰ পোন বাটত বাট বুলিবলৈ লগাই দিয়ক।

মোৰ মৰমৰ ছাত্ৰবন্ধুসকল! আন ফালেদি তোমালোকৰ পিতৃ-মাতৃ সকলৰ ছাত্ৰাৱস্থাৰ সময়তকৈ শিক্ষা জ্ঞানৰ সুবিধা আজিকালি তোমালোকৰ

কালত বহুত বেছি। এই সুবিধা পাই অধিক শিক্ষিত আৰু জ্ঞানী হৈ তোমালোকে সজ আহিঁ দাণ্ডি ধৰিব লাগে। তোমালোকে নিজে নিজৰ অন্তৰতে কোৱা—এই বুঢ়া চাম অন্ত পৰক, কিন্তু আমি চাব লাগিব যেন আমাৰ এই নতুন চাম দেশৰ কলিজা খুলি খুলি খোৱা এই পাপ আৰু কু অভ্যাসৰ পৰা মুক্ত থাকে। পৰমেশ্বৰ প্ৰদত্ত এক ঐশ্বৰিক উদ্যম-শক্তি তোমালোকৰ আছে। বিচাৰি উলিয়াই লৈ কাৰ্য্যত খটোৱা। সেই বাবে ছাত্ৰসকল! তোমালোক জাগা আৰু তোমালোকৰ মহান্ কৰ্ত্তব্যত হাত দিয়া। তোমালোকৰ ওপৰত দেশোদ্ধাৰৰ যি ঈশ্বৰ-নিৰ্দ্দেশিত দায়িত্ব আছে তাক বুজি লোৱাঁ। এই দায়িত্বৰ পৰা তোমালোকে গা এৰা দিবা নেকি? তোমালোকে মিছা ধেমালিতে সময় নষ্ট কৰিবা নে? অনাহকতে তোমালোকৰ শক্তি খৰচ কৰিবা নে? নিশ্চয় নকৰা। মই তোমালোকৰ অন্তৰৰ দৃঢ় প্ৰতিজ্ঞাৰ বাণী ৰিণি ৰিণি শুনিবলৈ পাইছোঁ—"নহয়, মই মোৰ দায়িত্বৰ পৰা গা এৰা নিদিওঁ। মই মোৰ কৰ্ত্তব্যৰ অনুৰোধ ৰক্ষা কৰিম। মই কু অভ্যাসবোৰ ত্যাগ কৰি দেশৰ মানুহক সহায় কৰিম। মই আৰু ওপৰলৈ আগুৱাম। মই আৰু সজ কাম কৰিম। মই মোৰ জীৱন ঈশ্বৰৰ কাৰণে আৰু সকলোৰে কাৰণে আৰু কাৰ্য্যক্ষম কৰি তুলিম।" এনেকুৱা এটি সিদ্ধান্তই তোমালোকৰ জীৱনত এক নতুন যুগৰ সূচনা কৰিব আৰু নতুন শক্তি আৰু উদ্যমেৰে অনুপ্ৰাণিত হৈ বৰ্ত্তমান শিক্ষা-উপাৰ্জ্জন আদি অন্যান্য কৰ্ত্তব্যবোৰত লাগি যাব পাৰিবাহঁক। তোমালোকে অন্তৰত এই আকাঙ্ক্ষা জগাই তোলা তেতিয়া বুজিব পাৰিবা তোমালোকৰ অন্তৰত সুচাৰুৰূপে কৰ্ত্তব্য পালনাৰ্থে এটি নতুন আৰু পবিত্ৰ উদগনি আহি পৰিছে।

এতিয়া সকলোৰেপৰা বিদায় মাগিছোঁ। পৰমেশ্বৰৰ দান মোৰ অন্তৰৰ এই ভাব-বাসনাবোৰ এই সভাৰ সভাপতি বৰণ কৰি নিমন্ত্ৰণী দি মাতি আনি শুনাত আকৌ এবাৰ ছাত্ৰসকলক ধন্যবাদ জনাওঁ। পৰমেশ্বৰে সকলো ছাত্ৰকে কৃপা কৰক যেন অসম মাতৃয়ে তেওঁলোকৰ পৰা সকলো কাৰ্য্যতে সুফল লাভ কৰিব পাৰে। ঈশ্বৰে সকলোৰে মঙ্গল কৰক।

দ্বাদশ ভাষণ

সভাপতি—অধ্যাপক চালাউদ্দিন খোদাবক্স

গুৱাহাটী—ডিচেম্বৰ, ১৯২৭ চন

মই আপোনালোকক মোৰ ভাষণত 'শিক্ষা ইয়াৰ লক্ষ্য আৰু কাৰ্য্যক্ষেত্ৰ' এই বিষয়ে ক'ব খুজিছোঁ। এই বিষয়টোৰ গুৰুত্ব কোনো কালতে নকমে। বৰ্ত্তমান সময়টো উদগতিৰ যুগ। চতুৰ্দ্দিকে ই বিভিন্ন শ্ৰেণীৰ মাজত প্ৰতিযোগিতা আৰু বিভিন্ন স্বাৰ্থৰ মাজত সজ্ঘৰ্ষৰ যুগ। এনে যুগত আমি প্ৰাচ্যৰ ঐতিহ্য কিমান দূৰ ৰক্ষা কৰি চলিব পাৰিছোঁ, তাক মই পৰীক্ষা কৰিম। শ্ৰদ্ধাহীনতাৰ কাৰণে মই তেনে কৰিব খোজা নাই। এই প্ৰসঙ্গত মই ইছ্‌লামীয় শিক্ষা-পদ্ধতিৰ এটি চমু আভাস দিম আৰু আজিৰ শিক্ষা-পদ্ধতিৰ লগত উক্ত পদ্ধতিৰ ৰিজনি এটা কৰিম। আজিৰ শিক্ষা নীতিৰ বিশেষত্ব হ'ল এই যে আইন কলেজৰ অধ্যাপক এজনে ওকালতি কৰি থাকি বিশ্ববিদ্যালয়ত ইছ্‌লামীয় বুৰঞ্জী শিক্ষা দিবৰ অধিকাৰ পাব নোৱাৰে। ইছলাম শিক্ষা-পদ্ধতিৰ মূল কথা এই যে এই পদ্ধতিটো শাসক-শক্তিৰপৰা আঁতৰত সম্পূৰ্ণ স্বাধীনতাৰে বৰ্দ্ধিত হৈছে। স্বেচ্ছাকৃত যত্নৰ দ্বাৰা মানুহে এই সৌধ নিৰ্ম্মাণ কৰিছে। শাসকৰ আদেশ বলবৎ কৰিবলৈ বা চৰকাৰৰ ইচ্ছা হেচি দিবলৈকে এই পদ্ধতিত কোনো উৰ্দ্ধতম বিষয়ববীয়া নাই। এই পদ্ধতিৰ দ্বিতীয় বিশেষত্ব এই যে ইয়াত ধৰ্ম্মৰ মধুৰ সমন্বয় আছে। ধৰ্ম্ম ভাবৰ লগত লিখা-পঢ়া, অধ্যাপনা ইত্যাদিৰ আঁহ মিল খাই সোমাই গৈছে। কোৰাণৰ আধ্যাত্মিক শক্তিত মোহিত হৈ বহুতো জাতিৰ লোকে স্বতঃপ্ৰণোদিতভাবে কিতাপখন পঢ়িবলৈ আগ্ৰহ কৰিলে। ইয়াত বাহিৰৰপৰা কোনো চাপ দিয়া হোৱা নাছিল। এই ইচ্ছা শেষত সমগ্ৰ ইছ্‌লামীয় ভূ-খণ্ডতে বিস্তৃত হৈ পৰিল। এই ব্যাপ্ত ইচ্ছাৰ কোৰতে দূৰ-বিদূৰৰ বহুতো দেশত হেজাৰ হেজাৰ প্ৰাথমিক পঢ়াশালিৰ প্ৰতিষ্ঠা হ'ল। "মুছলমানবিলাকে ৰাজহুৱা শিক্ষাৰ নিমিত্তে অকল আৰবতে নহয়, বিজিত দেশবোৰতো এনে পঢ়াশালি পাতিছিল। এনে গৌৰৱ-জনক কাৰ্য্যৰ সমকক্ষ কাৰ্য্য প্ৰাচীন কালত কিম্বা খৃষ্টান যুগৰ আগৰ খণ্ডতো পাবলৈকে নাই।"

ভাষণমালা



অধ্যাপক চালাউদ্দিন খোদাবক্স

এই প্ৰাথমিক পঢ়াশালিবোৰ উচ্চ বিদ্যালয়ৰ প্ৰবেশ-দ্বাৰ স্বৰূপ আছিল। উচ্চ বিদ্যালয়ত চিন্তা আৰু কাৰ্য্যৰ পূৰ্ণ স্বাধীনতা, প্ৰচাৰ, আৰু শিক্ষাসংক্ৰান্ত গভীৰ গৱেষণা বিৰাজ কৰিছিল, কিন্তু এই এটাই-বিলাক ধৰ্ম্মৰ ভাৱৰ দ্বাৰা অনুপ্ৰাণিত আৰু সংযোজিত হৈছিল।

আদিৰেপৰা উচ্চ শিক্ষাৰ নিমিত্তে ইছ্‌লাম ধৰ্ম্মই মছ্‌জিদ্ ব্যৱহাৰ কৰিবলৈ দি আহিছে। খৃষ্টানসকলৰ পক্ষে গিৰ্জ্জাটো অকল ধৰ্ম্ম-চৰ্চ্চাৰ আচুতীয়া স্থান। মুছলমানৰ মছ্‌জিদ্ তেনে নহয়। মছ্‌জিদ্ অকল ধৰ্ম্ম-চৰ্চ্চাৰ গৃহ নহয়। মুছলমানে মছ্‌জিদক শ্ৰদ্ধা কৰে, কিন্তু আন কোনো সৎ কামতে তাক ব্যৱহাৰ কৰিবলৈ কুণ্ঠা বোধ নকৰে। গৰীৱ বাটৰুৱাই ইয়াত আশ্ৰয় পাব পাৰে আৰু বেমাৰীয়ে চিকিৎসাও লাভ কৰিব পাৰে। অনেক সময়ত ইয়াৰ ভিতৰত আদালতো পতা হয়। কাৰণ আদালতৰ বিচাৰক পৱিত্ৰ বস্তু বুলি মুছলমানে বিবেচনা কৰে, কিন্তু প্ৰাৰ্থনাৰ তলতে শিক্ষা লাভৰ স্থান। অন্ধ ধৰ্ম্ম ভাবতকৈ শিক্ষা বৰং শ্ৰেয়ঃ বুলিহে লোকে ভাৱে। গতিকেই আইনসংক্ৰান্ত বিজ্ঞ আলোচনা-বিলোচনাৰ বেলিকা মছ্‌জিদৰ দুৱাৰ বঙেৰে খুলি দিয়া হয়। আইনৰ জটিল আলোচনা হলত মছ্‌জিদৰ ভিতৰত এনে কিছুমান বিষয়ো সোমাল, যাক প্ৰথমতে ধৰ্ম্মৰ লগত সংশ্লিষ্ট বুলি মুঠেই ধৰিব নোৱাৰি। এইদৰে একে মছ্‌জিদৰ ভিতৰতে ধাৰ্ম্মিকে স্তুতি-গান গাবলৈ পালে আৰু ভাষাবিদে বিভিন্ন কৰিৰ কৱিতাৰ বিষয়ে ব্যাখ্যা কৰিবৰ সুবিধা পালে। বছোৰা চহৰৰ মছ্‌জিদ এটাত হাৰিৰিয়ে কৱিতাৰ বিষয়ে যি বক্তৃতা দিছিল সেই বক্তৃতা পশ্চিমত বৰ জনাজাত, কিন্তু এই বক্তৃতা ধৰ্ম্মৰ লগত মুঠেই জড়িত নাছিল। অধ্যাপকবিলাকে বক্তৃতাৰ অন্তত আলোচনা আৰু সমালোচনাৰ সুবিধা দিছিল, গতিকে তেওঁলোকে নিজেও ঘৰত পাঠবোৰ চাই-চিন্তি টোকা আদি কৰি লৈ সাজু হৈ আহিছিল। দুই এক ক্ষেত্ৰত ডাঙৰ পণ্ডিতৰ আগমনত নিজৰ অপক্কতা দেখি দুই এজন ডেকা অধ্যাপকে ইস্তফা দি শিকিবলৈ নতুনকৈ দুগুণ উৎসাহেৰে লাগি গৈছিল। এনে ঘটনা ঘনাই হৈছিল, কিন্তু বিজ্ঞ পণ্ডিতৰ উপস্থিতিয়ে নীৰৱে বহুতো মঙ্গলজনক প্ৰভাৱ বিস্তাৰ কৰিছিল।

সকলো বক্তৃতা আৰবী ভাষাতে দিয়া হৈছিল গতিকে বিশাল ইছ্‌লামীয় সাম্ৰাজ্যৰ যি কোনো চুকৰেপৰা অহা লোকেই নহওক মছ্‌জিদত সকলোৱে এই ভাষাৰ যোগেদি সহজে ভাৱৰ আদান-প্ৰদান কৰিব পাৰিছিল। এই

নিচিনা পৰিভ্ৰমণে মনত শিক্ষা, ঔৎসুক্য, সত্যান্বেষ বা বিলাসসংক্ৰান্ত ক্ষুধা তৃপ্তি কৰাৰ উপৰিও ইছ্লামীয় শিক্ষা-পদ্ধতিত বহুতো সামগ্ৰীৰ সমন্বয় ঘটাই তাক বহুমুখী কৰিলে। নতুন ভাবধাৰা প্ৰচাৰ কৰিবৰ নিমিত্তে তেতিয়া কোনো আলোচনী আদিৰ প্ৰয়োজন নহৈছিল। দেশ-পৰ্য্যটকসকলেই এই বক্তৃতাবোৰৰপৰা মতামতবোৰ দেশে-বিদেশে কঢ়িয়াই লৈ ফুৰিছিল।

ফন্ ক্ৰেমাৰে লিখিছে,—"মুছলমানসকলৰ সত্যানুসন্ধিৎসাৰ আগ্ৰহৰ নিদৰ্শন ইয়াকাট্-ই-হামিৰ ভ্ৰমণ-বৃত্তান্তৰপৰাই সুন্দৰ ৰকমে পাব পাৰি। এওঁ আৰবৰ শেষ ভৌগোলিক পণ্ডিত। মোগলে আব্বাচিদ আৰু পুৰাণ বাগদাদৰ সিংহাসন পদদলিত কৰিবলৈ আগবাঢ়ি গ'ল; কিন্তু মাৰ্ভ নগৰৰ পুস্তকালয়ত বহি গৱেষণা কৰি থকা পণ্ডিতৰ কামত তেওঁলোকে কোনো ব্যাঘাত নজন্মালে। তেওঁ সংগ্ৰহ কৰা সামগ্ৰীৰ অধিকখিনিকে তেওঁ ৰক্ষা কৰিলে। পলায়ন কৰি থকা সময়তো স্থৈৰ্য্য শান্তিৰ অভাৱৰ মাজতো, তেওঁ তেওঁৰ কাম সম্পূৰ্ণ কৰিবলৈ লাগি গৈছিল, যাতে তেওঁ শেষ যাত্ৰাৰ আগতে সেইখিনি সমাধা কৰি থৈ যাব পাৰে।"

এনেকুৱা অসংখ্য জ্ঞানলিপ্সু পৰ্য্যটক পণ্ডিত আৰবত আছিল। মক্কা তীৰ্থযাত্ৰাই ইয়াৰ প্ৰথম অনুপ্ৰেৰণা যোগাইছিল। পোনতে ঐতিহ্যৰ প্ৰতি থকা শ্ৰদ্ধাৰ বশৱৰ্ত্তী হৈয়ে এনে ভ্ৰমণত লোক বাহিৰ হৈছিল। পিছলৈ কিন্তু জ্ঞান-বিজ্ঞানৰ অন্যান্য শাখা-প্ৰশাখাবোৰৰ পিনেও পণ্ডিতসকলে মনোযোগ দিছিল। আগতে সাহিত্য আৰু বিজ্ঞান সম্পৰ্কীয় বক্তৃতাবোৰ মুখে মুখে দিয়াৰ প্ৰথা আছিল। এই প্ৰথা পিছলৈকেও আছিল। আৰবীয়সকলে ভাবিছিল যে এজন বিজ্ঞ পণ্ডিতৰ কিতাপবোৰ আনি পঢ়িলেই যথেষ্ট নহয়। তেওঁলোকৰ মতে পণ্ডিতজনে নিজ মুখে কোৱা কথা শুনিব লাগে আৰু তেওঁৰ ওচৰত থাকি তেওঁৰ ৰচিত গ্ৰন্থ পঢ়িব লাগে। কাৰণ, তেনে কৰাৰ পৰাহে অধ্যয়নৰ সম্পূৰ্ণ ফল জন্মে।

এই পদ্ধতিৰ ওপৰত বৰ গুৰুত্ব আৰোপ কৰা হৈছিল আৰু এনেকৈ পঢ়াৰ পিছতহে সেই ছাত্ৰই সেই কিতাপৰ বিষয়ে নিজাকৈ বক্তৃতা দিয়াৰ অধিকাৰ পাইছিল। এনে পণ্ডিত পৰ্য্যটকৰ সংখ্যা বহুত। মাকাৰীয়ে তেওঁৰ ইছ্‌লাম যুগৰ স্পেনীয় বুৰঞ্জীত এই বিষয়ে এটা স্বকীয়া অধ্যায় লিখি তাত জ্ঞান-লিপ্সাৰ দূৰ-বিদূৰ সকলো বিপদ-বিঘিনি নেওচি ভ্ৰমণ কৰি ফুৰা পণ্ডিত জনদিয়েকৰ ভ্ৰমণৰ বৰ্ণনা দিছে। এনে ভ্ৰমণক ঈশ্বৰ-তৃপ্তিৰ কৰ্ম্ম আৰু পৱিত্ৰ ধৰ্ম্ম বুলি বিৱেচনা কৰা হৈছিল। "জ্ঞানৰ অন্বেষণত যি গৃহ ত্যাগ কৰে, তেওঁ গৃহ প্ৰত্যাৱৰ্ত্তন নকৰা পৰ্য্যন্ত ঈশ্বৰৰ বাটত খোজ কাঢ়ে।" আন এঠাইত কোৱা আছে,—"জ্ঞানৰ নিমিত্তে ভ্ৰমণত বাহিৰ হোৱা লোকৰ পথ ঈশ্বৰে স্বৰগৰ পথৰ দৰে সুগম কৰি দিয়ে।" ইছ্‌লাম ধৰ্ম্মৰ প্ৰাৰম্ভণিতে বহুতো ধৰ্ম্মভীৰু লোকে নতুন কথা কিম্বা পুৰণি কথাৰে নতুন সংস্কৰণ লাভ কৰিবৰ নিমিত্তে মাহৰ পিছত মাহ কেনেকৈ ভ্ৰমণ কৰি ফুৰিছিল তাৰ কাহিনী বহুতো আছে। বাণিজ্যৰ উপৰিও পিছলৈ আন বহুত বস্তু লাভৰ নিমিত্তেও ভ্ৰমণৰ নিমিত্তে লোকৰ আগ্ৰহ বাঢিছিল। মক্কা আৰু মদিমালৈ যোৱাটো অৱশ্যে ধৰ্ম্মকাৰ্য্য বুলি গৃহীত হৈছিল, কিন্তু জেৰুজেলেমৰ মছ্‌জিদ্ পৰিদৰ্শনো আগৰেপৰা কৰ্ত্তব্য বুলি পৰিগণিত হৈছিল। ইয়াৰ পিছত যেতিয়া সন্ত-মহন্ত পূজাৰ আৰম্ভ হল, তেতিয়া তীৰ্থৰ সংখ্যা বহু গুণে বৰ্দ্ধিত হ'ল। এইবোৰ তীৰ্থ তল খাপৰ হ'ল। শিক্ষিত মানুহৰ ওপৰত পুস্তকালয়, শিক্ষানুষ্ঠান, বিজ্ঞ পণ্ডিত—এই বিলাকৰ প্ৰভাৱ প্ৰভূত হ'ল। নিজ ঠাইত উচ্চ সামাজিক অধিকাৰ লাভ কৰিবলৈ ইচ্ছা কৰোঁতাসকলে মক্কা, বাগ্‌দাদ, ডামাস্কছ, কাইৰো আদি ঠাইৰ সাহিত্যিক আৰু ধৰ্ম্মনৈতিক কেন্দ্ৰবোৰত বক্তৃতা শুনি আহিব-লগীয়াত পৰিল। আদিতে এই ভ্ৰমণবোৰৰ উদ্দেশ্য আছিল ঘাইকৈ ধৰ্ম্ম, আইন-কানুন ইত্যাদিৰ সম্পৰ্কে জ্ঞান লাভ কৰা। পিছলৈ অন্যান্য বিভাগৰ জ্ঞান লাভৰ কাৰণেও সমান আগ্ৰহেৰে এই ভ্ৰমণ আৰম্ভ কৰা হৈছিল।

ভাষা-বিজ্ঞানৰ বেলিকা এই মন্তব্য বিশেষভাবে খাটে। ইয়াৰ কাৰণ এই যে ভাষা-বিজ্ঞানৰ লগত ধৰ্ম্মৰ ঘনিষ্ঠ সম্বন্ধ। আৰব ভাষাৰ আৱিকৃত আকৃতিটোৰ অধ্যয়ন আৰু পুৰণি প্ৰবাদ-বাক্য আদি সংগ্ৰহ কৰিবলৈ ভাষাবিদসকলে আহি অঘৰীসকলৰ মাজত বাস কৰিছিল।

আৰবৰ উটৰ দল বাটতে মৰুভূমিত আক্ৰমণ কৰি, বস্ত্ৰ-বস্তু লুট-পাত কৰি নি তেওঁক যেতিয়া বন্দী কৰি বেদুইনসকলৰ মাজত ৰখা হৈছিল তেতিয়া তেওঁ সেই বন্দী জীৱনটোক পৰম সৌভাগ্য বুলিহে ভাবিছিল। আনকি সুদূৰ ' ভাৰতবৰ্ষৰপৰা জ্ঞান-পিপাসী লোক আৰবলৈ ভ্ৰমণ কৰিবলৈ আহিছিল। এজন সমালোচকে ঠিকেই কৈছে যে জ্ঞান লাভৰ এই আগ্ৰহে আৰব-কৃষ্টিত বিস্তাৰিত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সকলো জ্ঞান-বিজ্ঞান আলোচনাৰ বাহন আৰবী ভাষা হোৱা হেতুকে পৰ্য্যটনকাৰী বিশাল আৰব সাম্ৰাজ্যৰ যি কোনো চুকৰেপৰা নাহক লাগে সেই বক্তৃতা আৰু আলোচনা কেতিয়াও আচহুৱা যেন নালাগিছিল। ভাষাৰ বাধা বোধৰ অন্তৰায় নহৈছিল। এইদৰে দেখা-শুনা কৰি জ্ঞান লাভ কৰিবলৈ বিভিন্ন ঠাইৰপৰা অহা লোকসকলৰ আগ্ৰহ, অনুসন্ধিৎসা, আদান-প্ৰদান ইত্যাদিয়ে সাংস্কৃতিক জীৱনত বিবিধ সামগ্ৰীৰ সমন্বয় ঘটালে। এই আলাপ-আলোচনাৰ ভাল-বেয়া মন্তব্যবোৰ এই পৰ্য্যটক-সকলে চাৰিওফালে বিয়পাই দিলে। এইদৰে নতুন কিতাপ, নতুন ভাবধাৰা আদি সমগ্ৰ ইছ্‌লামীয় সাম্ৰাজ্যতে বিয়পি পৰিল। ইয়াৰ লগতে নবম আৰু দশম শতাব্দীত বাগ্‌দাদত গ্ৰীক্ দৰ্শনৰ গভীৰ আলোচনা হোৱাত এই আলোচনাৰ দ্বাৰা আৰব-কৃষ্টি সঞ্জীৱিত হ'ল।

কুশৈৰীয়ে লিখিছে—পূৰ্ব্ব খোৰাছানত নতুন ভাবধাৰাৰ বাহকক সকলোৱে বৰ আগ্ৰহেৰে অভিবাদন জনাইছিল আৰু মক্কাতো দীৰ্ঘ ভ্ৰমণকাৰী পণ্ডিত এজনৰ মুখত বাগ্‌দাদত নতুন ধৰ্ম্ম-বিজ্ঞান এটাৰ উদ্ভৱৰ বতৰাটো আনন্দেৰে গ্ৰহণ কৰা হৈছিল। (১)

এই জ্ঞান-বিজ্ঞানৰ আলোচনা-বিলোচনাৰ ফলত পণ্ডিত আৰু বৈজ্ঞানিকসকলৰ সৰু সৰু আলোচনা সজ্ঘবোৰ স্থাপিত হ'ল। বছোৰা নগৰৰ সঙ্ঘটো এনে এটা উচ্চমনা সঙ্ঘ আছিল। এনে বিজ্ঞ সঙ্ঘই যুগুত কৰা কিতাপ এখন আমাৰ হাতত পৰিছেহি। সেইখন হ'ল—"পৱিত্ৰ ভ্ৰাতৃসকলৰ সন্ধি" (Treaties of the Brethren of Purity) ইয়াত সেই সময়ৰ সকলোবিলাক দৰ্শন-বিজ্ঞানৰ বিষয়ে কেইখনমান ৰচনা আছে।

গাইগুটীয়া বন্ধুত্ব ভাবাপন্ন মুষ্টিমেয় লোকৰ সঙ্ঘবোৰৰ উপৰিও

১)' Khuda Buksh : Studies, Indian and Islamic p.p. 164-66

মছ্‌জিদবিলাক জ্ঞান-বিজ্ঞানৰ কেন্দ্ৰস্থল আছিল। ধৰ্ম্মৰ স্থান হলেও মছ্‌জিদতেই প্ৰথম বিদ্যালয়ৰ সূত্ৰপাত হয়। ইয়াত ৰাজনৈতিক আলোচনাও হৈছিল। মছ্‌জিদৰ খুটাত আঁউজি ঢাৰি বা কম্বল এখনৰ ওপৰত মাজতে এজন পণ্ডিত বহে আৰু তেওঁৰ চাৰিওফালে শ্ৰোতাসকল বহে। প্ৰাচ্যৰ বহুত মন্দিৰত এই দৃশ্য আজিও দেখিবলৈ পোৱা যায়। কাইৰোৰ প্ৰধান মছ্‌জিদত আজিও এইদৰে বক্তৃতা দিয়া হয়। কোনো কিতাপ ব্যাখ্যা কৰিবৰ সময়ত কিতাপখন এখন ঠগাৰ ওপৰত বক্তাৰ সমুখতে থাকে। ব্যাখ্যাকৰ্ত্তাই নিজে পঢ়ে অথবা শিষ্য এজনক পঢ়িবলৈ কৈ তেওঁ তাৰ মৰ্ম্ম ব্যাখ্যা কৰি গৈ থাকে। পুৰণি কালত এনে মৌখিক ব্যাখ্যা শুনিবলৈ বহুত লোকৰ সমাগম হৈছিল। এই বক্তৃতা শুনিবলৈ কোনো অৰিহণা দিব নালাগিছিল। কেৱল প্ৰথম লিখা-পঢ়া শিকোৱা প্ৰাথমিক স্কুল "কুট্টা"বিলাকত সামান্য মাছুল লোৱা হৈছিল। কাৰণ তাৰ শিক্ষকবিলাকৰ সেই স্কুলবিলাকেই জীৱিকাৰ উপায় আছিল। মছ্‌জিদবিলাকৰ ধৰ্ম্মৰ লগতে ভাষা-বিজ্ঞানৰো অধ্যয়ন চলিছিল। পাঠ্যক্ৰমত কিছু গণিত আৰু দৰ্শনৰো স্থান আছিল।

অলপ পিছতে বিশেষ বিদ্যালয় বা মাদ্ৰাছাবোৰ আছিল। আগৰ মছ্‌জিদ মানুহে নধৰা হোৱা কিম্বা ধৰ্ম্মত ব্যাঘাত হোৱা বাবে যে মাদ্ৰাছাৰ জন্ম হ'ল তেনে নহয়। ইয়াৰ গুৰিতে আছে শিক্ষা-ব্যৱসায়ৰ পৰা জীৱিকা নিৰ্ব্বাহ চলোৱাত ভয়ানক কষ্ট পোৱা লোকৰ শ্ৰেণী এটাৰ আৱিৰ্ভাব। শিক্ষকৰ আৰ্থিক অৱস্থা আজিও টনকিয়াল হোৱা নাই।

এনে শিক্ষকৰ আৰ্থিক অৱস্থা টনকিয়াল কৰি অভাৱত জুৰুলা নোহোৱাকৈ অধ্যয়ন আৰু অধ্যাপনা কৰিবৰ সুযোগ দিবৰ মহৎ উদ্দেশ্য লৈয়ে মাদ্ৰাছাৰ জন্ম হয়। ৩৮৩ হিজৰাত (৯৯৩ খৃঃ) বাগ্‌দাদত এনে ধৰণৰ প্ৰথম অনুষ্ঠানৰ আৰম্ভ হয়। ৪০০ হিজৰাত (১০০৯ খৃঃ) নৈচাবুৰত অন্য এটা মাদ্ৰাছা স্থাপিত হয়। মাদ্ৰাছাৰ সংখ্যা বেগাই বাঢ়ি গৈ প্ৰায় প্ৰত্যেক চহৰতে একোটা হয়। মাদ্ৰাছা স্থাপন কৰাটো পুণ্যৰ কাম বুলি বিবেচিত হৈছিল। অকল মাদ্ৰাছা স্থাপনতে ক্ষান্ত নাথাকি সেইবোৰৰ খৰচ:পাতি, শিক্ষকৰ দৰ্ম্মহা, ছাত্ৰৰ জলপানী আদিৰ নিমিত্তে যথেষ্ট পৰিমাণৰ টকা-পইচা, ধন-সম্পত্তি আদিও দান কৰা হৈছিল। অনেক সময়ত ছাত্ৰ-শিক্ষকৰ থকা-খোৱাৰ বাবে কোনো খৰচ নালাগিছিল।

নিলগবপৰা ভ্ৰমণ কৰিবলৈ অহা বিদ্যাৰ্থীসকলক বিশেষভাৱে সাদৰ-অভ্যৰ্থনা জনোৱা আৰু নিৰাপত্তা প্ৰদান কৰা হৈছিল। প্ৰাৰ্থনাগৃহ, অধ্যয়নশালা আৰু পুস্তকালয় সকলো মাদ্ৰাছাৰে অপৰিহাৰ্য্য অঙ্গত পৰিণত হৈছিল। মাদ্ৰাছাৰ বহিভাগো চকুত লগা আছিল। সাধাৰণতে কটা শিলেৰে ঘৰ নিৰ্ম্মাণ কৰি দুৱাৰমুখত শিলৰ ওপৰত উছৰ্গা-বাণী খোদিত কৰা হৈছিল। ভিতৰৰ ফালে মুকলি চোতাল এখনৰ সমুখত প্ৰাৰ্থনা-গৃহ অৱস্থিত। ইয়াৰ সোঁমাজত পানীৰ চৌবাচ্চা এটা। চোতালৰ চাৰিও ফালে গছ-গছনিৰ জোপোহা আৰু তাৰ চাৰিওফালে সৰু সৰু খোটালি-বিশিষ্ট বাহিৰা ঘৰবোৰ, চোতালৰ পিনে মুখকৰা। আন খোটালিবোৰ বক্তৃতামঞ্চ কিম্বা পুথি-ভঁৰালৰূপে ব্যৱহৃত হৈছিল।

কাইৰোৰ মাদ্ৰাছাবোৰৰ ওপৰৰ মহলাত প্ৰায়েই একোটা মুকলি ঘৰ থাকে। তাৰ সোঁমাজতে সজোৱা খুটা এটাৰ ওপৰত বহুৱাই দিয়া থাকে ঘূৰণীয়া দুই থাকৰ খিড়িকী। এনে ঘৰক মাঞ্জাৰা বোলে। বাগ্‌দাদত ই বেছিকৈ চলন্তি।

চতুৰ্থ শতাব্দীৰ পিছৰপৰা এনে কলেজবোৰ সকলো ঠাইতে হবলৈ ধৰে। জ্ঞান-পিপাসু লোক আৰু পৰ্য্যটনকাৰীক সকলো প্ৰকাৰৰ সা-সুবিধা আৰু উদগনি দিয়া হৈছিল। দুখীয়া পৰ্য্যটক পণ্ডিতে তাত সদায় নিচিন্তভাৱে বিনা-পইচাতে আশ্ৰয় আৰু অভ্যৰ্থনা পাইছিল! মাদ্ৰাছাবিলাকত যে অকল শাস্ত্ৰ সম্পৰ্কীয় আলোচনাহে চলিছিল তেনে নহয়। বাগ্‌দাদ, ডামাস্কছ আৰু কাইৰো আদি ডাঙৰ চহৰবোৰৰ মাদ্ৰাছাবিলাকত ঔষধ আৰু চিকিৎসা-বিদ্যাৰ শিক্ষাও দিয়া হৈছিল। বাগ্‌দাদৰ মাদ্ৰাছাত এজন বিশেষজ্ঞই আৰবী ভাষা-বিজ্ঞানৰ বক্তৃতাও দিছিল।

এনে জ্ঞান-লিপ্সা তৃপ্ত কৰিবলৈ ব্যক্তিগত আৰু সামূহিক ধৰণৰ ভঁৰালৰ প্ৰয়োজন হৈছিল। ব্যক্তিগত পুথি-ভঁৰালৰ কথা সম্প্ৰতি এৰোঁ। ৰাজহুৱা পুথি-ভঁৰাল পোনতে ৩৮১ হিজিৰাত বাগ্‌দাদত প্ৰতিষ্ঠাপিত হয় বুলি বুৰঞ্জীয়ে কয়, কিন্তু ইয়াৰো আগতে মামুনে এটা 'জ্ঞানৰ-ঘৰ' প্ৰতিষ্ঠিত কৰিছিল আৰু ইয়াত বহুত কিতাপ আছিল। এওঁৰ পিছত ফাটিমিদ খলিফেও কাইৰোত এটা 'শিক্ষাৰ ঘৰ' (ডাৰ্-আল্-ইলম্) প্ৰতিষ্ঠা কৰিছিল। মোগলবিলাকে এইটো ধ্বংস কৰাৰ অলপ আগতে অকল বাগ্‌দাদতে

ছয়ত্ৰিশটাৰো অধিক পুথি-ভঁৰাল আছিল। মাৰ্ভ চহৰত পোৱা পুথি-ভঁৰালৰ বিৱৰণৰপৰা বেচ বুজিব পাৰি যে ইছ্‌লামৰ অন্যান্য চহৰতো পুথি-ভঁৰালৰ অভাৱ নাছিল।

মাক্‌দিছিয়ে লিখিছে যে তেওঁ ৰামহাৰমজত দেখা পোৱা পুথি-ভঁৰালটো বছোৰা চহৰৰটোতকৈ কিতাপৰ সংখ্যাত অলপ সৰু আছিল। তাত বাহিৰে আন সকলো বিষয়তে ডুয়োটা একে আছিল। ৰামহাৰমজৰ পুথি-ভৰাঁলৰ অধ্যক্ষজন এজন বিজ্ঞ পণ্ডিতো আছিল। নিজ কৰ্ত্তব্যৰ উপৰিও তেওঁ দৰ্শনৰ মুটাজিলাটই পদ্ধতিৰ বিষয়ে বক্তৃতা দিছিল। চিৰাজ চহৰত তেওঁ অন্য এটা পুথি-ভঁৰাল পাইছিল। ৰাজপ্ৰাসাদৰ ভিতৰত থকা ঘৰটোৰ বৃহৎ আকৃতি আৰু সুৰুচিসন্মত কাৰু-কাৰ্য্যৰ তেওঁ প্ৰশংসা কৰিছে। তেওঁ লিখিছে—"অট্টালিকাটোৰ এটা অংশত পুথি-ভঁৰালটো অৱস্থিত। ইয়াত এজন পৰিচালক, এজন পুস্তকাধ্যক্ষ আৰু এজন পৰিদৰ্শক আছে—এওঁলোক চহৰৰ বিজ্ঞ সমাজৰপৰা নিৰ্ব্বাচন কৰি অনা লোক। প্ৰতিষ্ঠাতাই ইয়াত সকলো ধৰণৰ কিতাপ ৰাখিছে। ইয়াৰ মুকলি চ'ৰাটো এটা চুফাৰ (তিনিফালে বেৰাৰে আবৃত পীঠ) ভিতৰত। চ'ৰাটোৰ বেৰবিলাকত কিতাপৰ থাক। এই থাক্‌বোৰ মানুহ এজনৰ মান ওখ, বহলে তিনি গজমান। সোণালী ৰঙেৰে তাত ৰহণ দিয়া থাকে। কটাকটিকৈ এখনৰ ওপৰত এখন কৰি থাকবিলাকত কিতাপবোৰ সজোৱা থাকে। প্ৰত্যেক বিষয়ৰ কিতাপ বিভিন্নকৈ ৰখা হয়। বিষয় অনুসাৰে কিতাপবোৰৰ বিস্তৃত বৰ্ণনামূলক তালিকা আছে। মাৰ্জ্জিত স্বভাৱৰ লোককহে তাত সোমাবলৈ অনুমতি দিয়া হৈছিল। পুথি-ভঁৰালবিলাকত অধ্যয়ন কৰাৰ উপৰিও বিজ্ঞ ধৰণৰ আলোচনা-বিলোচনা চলিছিল।

হাৰিৰিয়ে তেওঁৰ মাকামাত হালৱান্‌ চহৰৰ সৰু পুথি-ভঁৰাল এটাৰ ভিতৰৰ দৃশ্য এটা বৰ্ণনা কৰি কৈছে যে এদিন আবু জৈদ নামেৰে এজন পণ্ডিতে আবু উবৈদা নামৰ কৰি এজনৰ কৱিতাৱলী পঢ়ি থকা ছাত্ৰ এজনক লগ পাই সেই সুযোগতে তেওঁৰ নিজৰ উদ্ভাৱনামূলক শক্তি প্ৰদৰ্শন কৰি আলোচনাৰ সূত্ৰপাত কৰিছিল।

তেন্তে ইছ্‌লামীয় শিক্ষা-পদ্ধতিৰ এই চমু বুৰঞ্জীৰপৰা আমি কি উপদেশ পাওঁহক? ইয়াৰ সৰ্ব্বশ্ৰেষ্ঠ কথা হ'ল—শিক্ষাসংক্ৰান্ত কাৰ্য্যত সম্পূৰ্ণ স্বাধীনতা। অতি আধুনিক আৰু উন্নত দেশবোৰতো এই স্বাধীনতাকে

বিচৰা হৈছে। গোটেই পদ্ধতিটোৰ গুৰিতে আছে জ্ঞান-বিজ্ঞানৰ প্ৰতি অকৃত্ৰিম স্নেহ, প্ৰবল অনুৰাগ। ওপৰৰপৰা বলেৰে হেঁচি দিয়া পদ্ধতি এয়া নহয় বৰং ইয়াৰ উৎস হ'ল মানৱৰ অন্তৰ্নিহিত অবাৰিত অনুৰাগ। জ্ঞান আৰু প্ৰেমৰ প্ৰতি থকা গভীৰ অনুৰাগতেই ইয়াৰ জন্ম আৰু ইয়েই ইয়াৰ প্ৰাণশক্তি। এই পদ্ধতি উদাৰ কিয়নো জ্ঞানৰ সীমা নিৰ্দ্দিষ্ট কৰি দিয়া প্ৰচেষ্টা ইয়াত নাই। এই পদ্ধতি মুক্ত আৰু মুক্ত হস্তেৰেই ইয়াত টকা-পইচা দান কৰা হৈছিল। এই শিক্ষা ব্যাপক, কিয়নো ইয়াৰ প্ৰভাৱত নপৰে এনে কোনো নাছিল। এই শিক্ষা সমষ্টি ভাবাপন্ন, কাৰণ ই সমগ্ৰ ইছ্লাম জগতকে এটা অৱিচ্ছেদ্য গোটত আবদ্ধ কৰিছিল। এই শিক্ষাত আছিল দুৰ্দ্দমনীয় সাহস আৰু জ্ঞান-স্পৃহা। তাত পৰিণামলৈ ভীতি, কৰ্ত্তব্যৰ অৱহেলা কিম্বা শিকিবলৈ অনিচ্ছা নাছিল। আজিৰ দৰে চাকৰিলৈ প্ৰৱেশ-পত্ৰ হিচাপে শিক্ষাক তেতিয়া মানুহে বিবেচনা নকৰিছিল। শিক্ষাৰ লক্ষ্য শিক্ষাই আছিল। শিক্ষাই মন-প্ৰাণৰ উৎকৰ্ষ সাধন কৰি ভাল নাগৰিকৰ সৃষ্টি কৰিছিল। সকলো সভ্য জাতিৰ দৰে তেওঁলোকেও অৰ্থনৈতিক মূল্য আৰোপ নকৰি আধ্যাত্মিকতাকহে আৰোপ কৰিছিল। শিক্ষক-ছাত্ৰৰ ঘনিষ্ঠ সম্বন্ধৰ ওপৰতো তেওঁলোকে কম মূল্য আৰোপ কৰা নাছিল। এনে ঘনিষ্ঠ সম্বন্ধই যে ছাত্ৰৰ জীৱন গঢ়ি তোলাত আৰু উৎসাহৰ সঞ্চাৰ কৰাত বৰঙনি যোগাইছিল তাক তেওঁলোকে উপলব্ধি কৰিছিল। শিক্ষকৰ সান্নিধ্যই ছাত্ৰৰ মনৰ চৈতন্য বঢ়ায়, অন্তৰ্নিহিত গুণবিলাকৰ বিকাশ সাধন কৰে আৰু গভীৰ সঁচ বহুৱায়—এই কথা তেওঁলোকে বুজিছিল।

খাতিৰ-বাতিৰত চাকৰি নলৈ, নিজৰ জ্ঞান আৰু শিক্ষা-দানৰ যোগ্যতাৰ পৰিচয়-পত্ৰৰ বলত যি শিক্ষক ছাত্ৰৰ মাজত থিয় হয়, তেনে শিক্ষকে ছাত্ৰৰ মনত কেনে উৎসাহ, আশা আৰু শ্ৰদ্ধাৰ সঞ্চাৰ কৰে সেইটো অনুমান কৰিব পাৰি। ই কি কৰিব নোৱাৰে? উচ্চ শিক্ষালাভলৈ আগ্ৰহ, শিক্ষানুষ্ঠানলৈ অৰ্থ দান, সজ নাগৰিক হবলৈ আকাঙ্ক্ষা—এই ধৰণৰ সৎ আগ্ৰহ এই পদ্ধতিত তীব্ৰ হৈ উঠে। ইছ্লামীয় শিক্ষা-পদ্ধতি এই নিচিনাই আছিল। এই শিক্ষা-পদ্ধতিৰ ফলস্বৰূপে জন্মিছিল নিষ্কলুষ চৰিত্ৰৰ মহান বিচাৰকসকল আৰু তুচ্ছ ধন-দৌলতক নেওচি আত্ম-সন্মানক শ্ৰেষ্ঠ আসন দিয়া নিৰ্ভীক নাগৰিকসকল। চৈয়দ ইবন মুছিয়াৰ, আবু হানিফা,

নাজাম, আল-ফজালি, মাৰাৰ্দি, জালালুদ্দিন ৰুমি আদি অলপ কেইজনমান পুৰুষৰ জীৱনীত ইয়াৰ প্ৰমাণ পোৱা যাব। এই শিক্ষা-পদ্ধতিতে পুষ্ট হৈ বহুতো পুৰুষে স্বাধীনতা আৰু ধৰ্ম্মৰ সাম্য-মাধুৰ্য্যৰ বিষয়ে অমৰ কৱিতা লিখিছিল। এই শিক্ষাত উদ্বুদ্ধ হৈয়েই লোকে সন্মান-জ্ঞান, সত্যনিষ্ঠা, ন্যায়পৰায়ণতা আৰু বিশ্বক বুকুলৈ সাৱটি লব পৰা দয়াপৰায়ণতা শিকিছিল।

আজিৰ দিনতো সেই অনুপ্ৰেৰণাৰ দুই এটি স্ফুলিঙ্গ নথকা নহয়। মীৰ টাকি, মমিন খাঁ, জক, ঘাছিব, হালি, ইক্‌বাল আদি লিখকৰ কিতাপ পঢ়ি বুজিব পাৰি যে এওঁলোক ইছ্‌লামৰ আত্ম-সন্মান জ্ঞান আৰু ধৰ্ম্মত মধুৰ বিৱেচনা—এই দুয়োটা গুণৰ দ্বাৰা অনুপ্ৰাণিত।

হালিৰ তিৰস্কাৰতকৈ চোকা আৰু শোক লগা তিৰস্কাৰ কি হব পাৰে?

মমিন খাঁৰ গৰ্ব্বতকৈ মহান, তীক্ষ্ণ আৰু কি হব পাৰে?

ঘালিবৰ সংস্কাৰোদ্যমতকৈ বেছি সত্য আৰু হৃদয়স্পৰ্শী আন কি আছে?

ইক্‌বালৰ খেদতকৈ বেছি কৰুণ আৰু চিৰ্ত্তাকৰ্ষক বস্তু অন্য ক'ত?

ইহুদী আৰু গ্ৰীক্ সকলোৱে উপলব্ধি কৰিছিল যে মানৱৰ সৰ্ব্ব প্ৰয়োজনীয় বস্তু হৈছে জ্ঞান। মানুহে নিজৰ বিষয়ে আৰু বিশ্বৰ শক্তিৰ লগত মানুহৰ সম্বন্ধৰ বিষয়ে সত্যটো জনা উচিত কিন্তু গ্ৰীক্ বিলাকে জ্ঞান কি, ইয়াক কেনেকৈ লাভ কৰিব পাৰি, এইবোৰৰ বিষয়ে অবিশ্ৰান্তভাবে অনুসন্ধান কৰি থকা সময়তেই, ইহুদীবিলাকে ইয়াৰ এটা উত্তৰ উলিয়ালে—"ঈশ্বৰৰ জ্ঞানেই শেষজ্ঞান।" ঐক্য আৰু বন্ধুত্বৰ বান্ধোন সবল কৰাত এইটোৱে সহায় কৰিলে হয়, কিন্তু বহুমুখী জ্ঞান লাভৰ পথত ই অন্তৰায় স্বৰূপ হ'ল। গ্ৰীক্‌বিলাকে কিন্তু মন-প্ৰাণৰ নিত্য নতুন সম্ভেদ পায়ে থাকিল। 'ঈশ্বৰৰ-জ্ঞান'ৰ লগত সাংসাৰিক জীৱনৰ বিভিন্ন ধৰণৰ অভিজ্ঞতাৰ সংমিশ্ৰণ নহলে উন্নত সমাজৰ মানুহৰ মনত জন্মা নিত্যবৰ্দ্ধমান ক্ষুধাৰ তৃপ্তি হোৱা টান গতিকে গ্ৰীক্‌বিলাকে অবাধ জ্ঞানৰ বাটত অভিযান চলাই থাকিল। নাটক ৰচিত হ'ল আৰু তাত বিশ্লেষণৰ অস্ত্ৰোপচাৰ হ'ল। এক কথাত কবলৈ গলে অনুসন্ধিৎসাৰ মনোভাব ফুটি উঠিল আৰু গতি নিৰ্দ্ধাৰণৰ জোৰ জ্বলিল। ইয়াতেই

গ্ৰীক্ আৰু ইহুদী মনৰ পাৰ্থক্য স্পষ্ট হৈ পৰে। এটাই ধৰ্ম্মক চৰম সত্য বুলি ধৰিলে, আনটোৱে ইয়াক জ্ঞানৰ আৰম্ভণি-বিন্দু বুলি গ্ৰহণ কৰিলে।

ইছ্লামীয় সভ্যতাৰ জয়জয় ময়ময় কালত এই মনোভাৱৰ সৌন্দৰ্য্য আৰু প্ৰয়োজনীয়তা স্বীকৃত আৰু গৃহীত হ'ল। দাৰ্শনিক পণ্ডিত নাজামে ঘোষণা কৰিলে—"সন্দেহেই জ্ঞান-লাভৰ প্ৰথম স্তৰ"। এই ঘোষণাত সেই যুগৰ সাধাৰণ মনোভাবেই প্ৰকাশ পাইছে।

ছেদিলটে ঠিকেই কৈছে—"প্ৰাৰম্ভৰেপৰা বাগ্দাদৰ স্কুলৰ বিশেষত্ব আছিল বৈজ্ঞানিক মনোবৃত্তি। জনাৰপৰা অজানালৈ যাত্ৰা, স্বৰ্গীয় ঘটনাৰ সঠিক ধাৰণা গ্ৰহণ, পৰীক্ষা অভিজ্ঞতা আদিৰ দ্বাৰা সমৰ্থিত নোহোৱা বস্তু গ্ৰহণ কৰিবলৈ অস্বীকাৰ,—এইবিলাকেই সেই কালৰ পণ্ডিতসকলে গ্ৰহণ কৰিছিল আৰু ছাত্ৰক শিকাইছিল।" ড্ৰেপাৰে লিখিছে—"আৰবে য়ুৰোপৰ শিক্ষা বিদ্যাৰ ওপৰত চাব বহুৱাইছে। অদূৰ ভৱিষ্যতত এই কথা স্বীকাৰ কৰিবই লাগিব।"

এইটো অৱশ্যে সত্য যে পোনতে ইহুদী ধৰ্ম্মৰ দৰে ইছ্লামতো 'ঈশ্বৰৰ জ্ঞান' লাভ কৰাকে চৰম জ্ঞান বুলি বিবেচনা কৰা হৈছিল, কিন্তু ভাৱৰ আদান-প্ৰদান আৰু গ্ৰীক্ আৰু পাৰস্য সভ্যতাৰ প্ৰভাৱৰ দ্বাৰা জ্ঞানৰ পৰিধি বৰ্দ্ধিত হৈ পৰিল। 'ঈশ্বৰৰ জ্ঞান' চৰম জ্ঞানৰ প্ৰথম সোপান স্বৰূপে থাকিল, কিন্তু ইছ্লামৰ প্ৰগতিবাদী শক্তিয়ে এইটোকে স্বয়ং সম্পূৰ্ণ লক্ষ্য বুলি নললে।

এইদৰে প্ৰাচ্যৰ দেশবোৰত, বিশেষকৈ আৰবী ভাষা-ভাষী দেশবোৰত এটা চহকী আৰু বহুমুখী সাহিত্য ধৰ্ম্মৰ বাহিৰত গঢ়ি উঠিল। এই সাহিত্যক জাতিটোৰ শিক্ষিত তৰপে আগ্ৰহেৰে আদৰ কৰিলে। মধ্যযুগৰ প্ৰথম ছোৱাত পাশ্চাত্য দেশত সাহিত্য সত্ৰবিলাকৰ একচেতীয়া বিষয় হৈ থাকিল। খলিফাৰ সাম্ৰাজ্যত সাহিত্য শিক্ষিত শ্ৰেণীৰ উমৈহতীয়া সম্পত্তি হৈ পৰিল। ইয়াত শক্তি আৰু ৰুচি অনুসাৰে সকলোৱে বৰঙনি যোগালে। পাশ্চাত্য দেশত সাহিত্য জাত বিশেষৰ সংৰক্ষিত স্বাৰ্থ সদৃশ হৈ থাকিল। সেই সাহিত্যত সেই জাতৰ লোকসকলৰ নিজা শিক্ষা আৰু ঐতিহ্য প্ৰসূত ভাৱধাৰাবোৰেহে স্থান পালে। এই ভাৱধাৰাৰ লগত নিমিলা অন্য নতুন ধাৰণাৰ স্থান তাত নাথাকিল। (১) সেই বাবে অতি প্ৰাচীন কালতে আৰবত ধৰ্ম্মৰ প্ৰাণহীন সাহিত্য এটাৰ সৃষ্টি

হৈছিল। য়ুৰোপত হলে তাৰ বহুত কাল পিছলৈ সাহিত্য ধৰ্ম্মৰ গণ্ডীৰ ভিতৰতে থাকিল।

ক্রুচেড্ বা ধৰ্ম্ম-যুদ্ধৰ নাটকে ব্যাপক ভাৱে প্ৰাচ্যৰ জনসমাজত ধৰ্ম্মান্ধতা আৰু অসহন ভাৱৰ প্ৰতিক্রিয়া বিয়পালে আৰু ইয়েই য়ুৰোপৰ সাহিত্যক ধৰ্ম্মৰ গণ্ডীৰ পৰা বাহিৰ কৰি আনিলে। এইটো বিশেষকৈ মনত ৰাখিবলগীয়া কথা যে হিজৰি ৪০৩/৪১৩ (খৃঃ ১০১২/১০২২) চনৰ ভিতৰৰ কালছোৱাত যেতিয়া এলবিজেনচিৰ বিৰুদ্ধে ধ্বংসমূলক যুদ্ধ চলিছিল, ঠিক তেতিয়াই মানিক মুক্তভাৱে চিন্তা কৰিবলৈ বিনা বাধাই অনুমতি দিয়া হৈছিল।

ইছ্‌লামীয় আৰ্টৰ নিচিনাকৈ ইছ্‌লামীয় জ্ঞান-বিদ্যাও ইছ্‌লামীয় ধৰ্ম্মৰ উদাৰ আৰু মঙ্গলময় প্ৰভাৱৰ দ্বাৰা অনুপ্ৰাণিত। প্ৰকৃত কথা কবলৈ গলে আমি শিক্ষাক ধৰ্ম্মৰপৰা পৃথক কৰিব পাৰোঁ জানো? কেতিয়াও নোৱাৰোঁ। কিন্তু শিক্ষাৰ সহচৰ আৰু সহযোগী হবলৈ হলে ধৰ্ম্মই মানৱ জাতিৰ ঐক্য সাধন কৰা বিধৰ ধৰ্ম্ম হব লাগিব। যি ধৰ্ম্মই বিভেদৰ সৃষ্টি কৰে, সি শিক্ষাৰ সহচৰ হ'ব নোৱাৰে। শিক্ষাৰ সহচৰ হবলৈ ধৰ্ম্মত দয়া আৰু উদাৰতা থাকিব লাগিব। প্ৰত্যেক ব্যক্তি আৰু যুগৰ কৰ্ম্মবোৰ মানৱৰ সমষ্টিগত প্ৰচেষ্টাৰ পৰিপূৰক বুলি ধৰিব পৰা হব লাগিব। সত্যৰ সাজপাৰ ভিন্ন হলেও তাৰ স্বৰ একেটা বুলি চিন্তা কৰিব লাগিব আৰু এই স্বৰ দয়া আৰু দাক্ষিণ্যৰ স্বৰ আৰু ই কৰি ছাইবৰ ভাষাত কবলৈ গলে মুক্ত চিন্তা আৰু বিশ্বাসক একেটা চৰম লক্ষ্যৰ চিহ্নসূচক খুঁটা বুলি ধৰিব লাগিব। (২)

প্ৰাচ্য-পাশ্চাত্যৰ কোনো শিক্ষাবিদে ধৰ্ম্মক বাদ দি শিক্ষাৰ সৌধ নিৰ্ম্মাণ কৰিবলৈ চেষ্টা কৰা নাই। সকলো ধৰ্ম্মৰে চৰম লক্ষ্য একে নহয় নে? জালালুদ্দিন ৰুমিৰ খেদ আজিও খাটে। সেই খেদৰ প্ৰতিধ্বনি আজিও সমাজৰ মঙ্গলকামী প্ৰত্যেক ধৰ্ম্মপ্ৰাণ লোকৰ কথাত পোৱা যাব।

(২) Free thought and faith—the upshot is one—they wrangle over a name. Interpretations differ, but the dream is still the same.

জামিৰ হৃদবিদাৰক বৰ্ণনাতো সেই সময়ৰ হাস্যাস্পদ অৱস্থাই ফুটি উঠিছে। (৩)

ক্লিফটন জয়ন্তী উৎসৱত পাৰ্চিভালে কৈছিল—"মই এতিয়াও ভাবোঁ যে আমাৰ মৃজত এসময়ত এনে কিছুমান নতুন ধৰণৰ পঢ়াশালিৰ সৃষ্টি হ'ব—য'ৰপৰা প্ৰত্যেক বছৰে কিছুমান প্ৰকৃততে শিক্ষিত যুৱকে শিক্ষা লৈ সংসাৰত প্ৰৱেশ কৰিব। এই শিক্ষাত সামাজিক, শাৰীৰিক বা সাংস্কৃতিক বিষয়ক বাহ্যিক ৰহণৰ সলনি নৈতিক উদ্দেশ্য আৰু যোগ্যতাৰ কৰ্ষণে ঠাই পাব। এই ধৰণৰ শিক্ষা পোৱা লোকসকলেই আমাৰ দেশৰ উদ্গতিৰ পৰৱৰ্ত্তী স্তৰত পয়গম্বৰ কিম্বা নেতা হিচাপে নহলেও অন্ততঃ সামাজিক কৰ্ম্মী হিচাপে গুৰু ভাৰ বহন কৰিব পাৰিব। এনে নতুন ধৰণৰ সমাজসেৱীৰ আমাৰ দেশত এতিয়াও অতিকৈ প্ৰয়োজন। এনে সমাজ-সেৱী আমাক লাগে—যাৰ গাত সামাজিক কৰ্ত্তব্য, ৰাজহুৱা উদ্দেশ্য, সামূহিক লক্ষ্য এইবোৰ আমাৰ আকঙ্ক্ষা হৈ নাথাকি কাৰ্য্য-শক্তিৰ পৰিচালক হৈ পৰে। এনে আদৰ্শ আজিও সপোন হৈয়ে আছে। কিয়? কাৰণ শিক্ষা আৰু ধৰ্ম্মক এককেন্দ্ৰী কৰিব পৰা নাই। এই দুইৰ মধুৰ সমন্বয় আনয়ন কৰিব নোৱাৰালৈকে এই আদৰ্শ বাস্তৱত পৰিণত হ'ব নোৱাৰে। জ্ঞান আৰু ধৰ্ম্মৰ সমন্বয় হব লাগিবই। জ্ঞানে পোহৰৰ জোৰ ধৰিব। ধৰ্ম্মই মাধুৰ্য্য আৰু উদাৰতাৰ দ্বাৰা তাক পৱিত্ৰ কৰিব।

আধ্যাত্মিক আৰু মানসিক ফালৰ উপৰিও শিক্ষাৰ এটা কাৰ্য্যকৰী ফাল আছে। এইটো হ'ল নাগৰিকত্বৰ ফাল। প্ৰকৃত নাগৰিকত্ব কি? —জীৱনৰ বিষয়ে বহল দৃষ্টি, সহনশীলতা আৰু সহযোগ, বহল উদাৰতা, আদান-প্ৰদানৰ একান্ত আৱশ্যকতাৰ উপলব্ধি—এইবোৰ সামগ্ৰীৰে নাগৰিকত্বই কাৰ্য্যতঃ সকলো জ্ঞান-বিজ্ঞান, গুণ, পূৰ্ণতা ইত্যাদিত অংশীদাৰত্বকে বুজায়। উচ্চ ধৰণৰ দেশপ্ৰেম ইয়াৰ ফল-পুষ্প স্বৰূপ। এই দেশপ্ৰেমে লগৰ মানুহৰ প্ৰতি সম-ব্যৱহাৰৰ দ্বাৰা পৰস্পৰক স্নেহৰ আৰু পৱিত্ৰ স্বত্ব-দায়িত্বৰ ছিঙিব নোৱাৰা ডোলেৰে সাঙোৰে। কুৰি শতিকাৰ এই দিনত শিক্ষাৰ উদ্দেশ্য অকল অধ্যাত্মবিষয়ক কিছুমান পণ্ডিত সৃষ্টি কৰাই নহয়। ইয়াৰ উদ্দেশ্য হ'ল উদাৰ মনৰ, বহল প্ৰাণৰ, স্বাৰ্থপৰতাহীন সবল বিচাৰ শক্তি আৰু মানসিক দৃঢ়তা থকা নাগৰিক সৃষ্টি কৰা।

(৩) 'Whither from the Madrasah'

ইয়াৰ লক্ষ্য হ'ল চৰিত্ৰৱান লোক সৃষ্টি কৰা। নভেলিছে বিত্তোপনভাৱে কোৱাৰ দৰে, আমিও ভাবোঁ—চৰিত্ৰই ভাগ্যনিয়ন্তা। "জাতীয় প্ৰেম, আৰু শিক্ষিত জাতি, এই দুয়োটা বস্তু একেখন নোটৰে দুপিঠি স্বৰূপ। বিজ্ঞান, কলা, অৰ্থনীতি, শিল্প ইত্যাদি বিভাগৰ দৰে শিক্ষা-বিভাগটো দেশপ্ৰেমৰ ওপৰত প্ৰতিষ্ঠিত কৰি আৰু দেশপ্ৰেমত ব্যৱহাৰ কৰিবলৈকে বুলি আমি আমাৰ শিক্ষাসৌধ নিৰ্ম্মাণ কৰিব খোজোঁ। দেশপ্ৰেমৰ বিষয়েও ইয়াতে শেষ কথাটো কৈ পেলাব পাৰি—যদিও দেশপ্ৰেমক লালন পালন লাগে, অৱহেলাত বা অপপ্ৰয়োগত যদিও ইয়াৰ অধোগতি হ'ব পাৰে, তথাপি ইয়াৰ মনৰ ওপৰত অদ্ভুত ধৰণৰ ক্ষমতা। য'ত মৰহি যোৱা বা টোপনি যোৱা যেন দেখি, ত'তো ই মৰি নেযায়। ইয়াক ভ্ৰান্ত শিক্ষাৰ বা আচৰণৰ দ্বাৰা মাৰিব নোৱাৰি। ব্যক্তিৰ স্বাৰ্থপৰতা, জাতিৰ স্বাৰ্থপৰতা, আন কি অধ্যয়নৰ স্বাৰ্থপৰতাৰ কথা আজিকালি ৰবকৈ শুনা যায়। কিন্তু সৰু-বৰ সকলো ক্ষেত্ৰতে সমানে একতা-ডোলেৰে সকলোকে সাঙোৰে, তেনে দেশপ্ৰেমৰ কথা প্ৰায়েই শুনা নাযায়। ই চিঞৰ-বাখৰ নকৰে। ইয়াৰ আত্মচেতনা নাই কিন্তু সেয়ে হলেও ই আছে। কেতিয়াবা অতীব জৰুৰী অৱস্থাত আশ্চৰ্য্যজনক ভাৱে দেখা দি ই আমাক পুলকিত কৰে। ই সদায় সমাজক আটিল কৰি ৰাখে। দেশপ্ৰেমত যদি দেশবাসীৰ উমৈহতীয়া মঙ্গলৰ কোনো কথা নাথাকে, তেন্তে ই এটা অৰ্থশূন্য শব্দৰ বাহিৰে আন একো নহয়। ইয়াৰ অৰ্থ হ'ল জ্ঞাতি-পৰিজনৰ প্ৰতি থকা প্ৰীতিৰ আশ্বাস প্ৰদান। 'অঙহীবঙহী' আৰু 'দয়া' সমান অৰ্থসূচক। দয়া যি, প্ৰেম সি ; প্ৰেমেই বিশ্বৰ চালক শক্তি। (৪)

ফিৰাচে লিখিছে যে মিকেলেটে জাৰ্ম্মানীক য়ুৰোপৰ ভাৰতবৰ্ষ বুলি অভিহিত কৰিছিল। ১৭৯৮ খৃষ্টাব্দত মিকেলেটৰ জন্ম হয়। ওপৰোক্ত কথাৰ দ্বাৰা তেওঁ ইয়াকে ক'ব খুজিছিল যে ভাৰতবাসীৰ দৰে জাৰ্ম্মান-বিলাকেও আধ্যাত্মিক আৰু মানসিক চিন্তা দৰ্শনত বুৰ গৈ থাকি ঐহিক বিষয়-বস্তুলৈ একেবাৰে পিঠি দিছিল। উনবিংশ শতিকাৰ মধ্যভাগৰ ফৰাচী বুৰঞ্জীবিদ এজনৰ চকুত জাৰ্ম্মানবিলাক আদৰ্শবাদী যেন লাগিছিল। এই জাৰ্ম্মানবিলাকৰ ভিতৰত কবি, আদৰ্শবাদী, সঙ্গীতবিদ আদিয়েই সৰহ সংখ্যক আছিল। তেওঁলোকৰ ৰাজনৈতিক শক্তি আৰু ৰাজ্যাকাঙ্ক্ষা

(৫) Mackail, 'Classical Essays P P. 252-3

নাছিল। সৰু সৰু ৰাজ্যত বিভক্ত হৈ থকাৰ কাৰণে তেওঁলোকৰ কোনো জাতীয় অনুভূতি নাছিল। মিকেলেটে অঙ্কিত কৰা এই চিত্ৰ আৰু যোৱা যুগত আমি দেখা ট্ৰিট্স্কেৰ দ্বাৰা পৰিচালিত জাৰ্ম্মানীৰ ভিতৰত কিমান পাৰ্থক্য! মাত্ৰ এক পুৰুষৰ ভিতৰতে এই শান্ত আৰু ৰাজনৈতিক চেতনা-শিথিল এই জাতিটোৱে দেশপ্ৰেমৰ ভাৱত উদ্বুদ্ধ হৈ এখন শক্তিশালী ৰাষ্ট্ৰ তৈয়াৰ কৰি সেই ৰাষ্ট্ৰকে জাতীয় অস্তিত্বৰ প্ৰতীক কৰি তুলিলে। তাত ৰাষ্ট্ৰই সকলোতে হৰ্ত্তাকৰ্ত্তা। ৰাজহুৱা অনুভূতিহীন জাতি এটাক শিক্ষাৰ যোগেদি দুৰ্দ্দমনীয় দেশপ্ৰেম জগাই তুলি শক্তিশালী কৰি তোলাত শিক্ষাৰ কি অদ্ভুত শক্তি তাকেই দেখা যায়। এনেকুৱা দৃষ্টান্ত বুৰঞ্জীত বৰ বিৰল। (৫)

শিক্ষাই জাৰ্ম্মানীত যদি এনে কৰিব পাৰে, ভাৰতবৰ্ষত নোৱাৰিবৰ কাৰণ কি? কিন্তু আমাৰ সেই শিক্ষাৰ ভেটি বহল হ'ব লাগিব আৰু আমাৰ বুৰঞ্জী আৰু ঐতিহ্যৰ লগত তাৰ ৰাহি-জোৰা অহা বিধৰ হ'ব লাগিব। আমাৰ এই ঐতিহ্য প্ৰাচৰ ঐতিহ্য। হিন্দু-মুছলমান—আমাৰ দুয়ো সম্প্ৰদায়ৰে মানত শিক্ষা এটা পবিত্ৰ কৰ্ত্তব্য, অৰ্থোপাৰ্জ্জনৰ পন্থা বিশেষ নহয়। ই উদাৰ, দয়াশীল, নৈতিক আৰু মানসিক উন্নতিৰ জখলা। এই জ্ঞানলিপ্সাই যি কোনো কাম কৰিব পাৰে, যি কোনো বিপদৰে সন্মুখীন হ'ব পাৰে, সত্যৰ বাহিৰে অন্য একোকে নিবিচাৰে। মুক্তি আৰু আত্মাৰ স্বাতন্ত্ৰ্যৰ কাৰণে যুঁজিব পাৰে, সাংসাৰিক লাভতকৈ ন্যায়ক উচ্চ আসন দিয়ে, সুবিধা লাভতকৈ সাধুতাৰ সমাদৰ কৰে। প্ৰাচ্যৰ প্ৰকৃত শিক্ষা-পদ্ধতিৰ এইবোৰেই বিশেষত্ব আছিল। প্ৰাচ্যৰ সেই বিশেষত্ববোৰ পুনৰ্লাভ কৰিব নোৱাৰালৈকে ছাৰ আলি ইমামৰ 'আমাৰ জন্মস্বত্ব' আৰু ছাৰ আব্দুৰ ৰহিমৰ 'আমাৰ শাসনতন্ত্ৰ ৰচনা কৰিবৰ অবিসম্বাদী অধিকাৰ' আদি বাগাড়ম্বৰবোৰে আমাক লোকৰ চকুত ঘৃণাৰ আৰু হাঁহিয়াতৰ পাত্ৰহে কৰিব। বাৰেৰে কৈছিল যে শাসনতন্ত্ৰ ৰজাই প্ৰজাক অনুগ্ৰহ কৰি দান কৰা বস্তু নহয়। এই কথা জন ষ্টুৱাৰ্ট মিলেও এঠাইত সমৰ্থন কৰিছে। তেওঁ লিখিছে—"আহিঁ এটা আগত লৈ যন্ত্ৰ তৈয়াৰ কৰাৰ দৰে মানৱ চৰিত্ৰ তৈয়াৰ কৰিব বা তাৰ হতুৱাই পূৰ্ব্ব নিৰ্দ্দিষ্টমতে কাম

(৫)' Fisher, the Common Weal. 100-101.

কথাৰ নোৱাৰি। ই এজোপা গছৰ দৰে সকলোপিনে বৰ্দ্ধিত হবলৈ বিচাৰে। ইয়াৰ ভিতৰৰ জীৱনী শক্তিয়ে এই বৃদ্ধি পৰিচালিত কৰে।

তেনেহলে শিক্ষাৰ উদ্দেশ্য কি?—চৰকাৰী চাকৰিত সোমাবলৈ প্ৰৱেশপত্ৰ লাভ, নামৰ শেষত কেইটামান আখৰ সংযোগ, মাতৃভাষাক নেওচি ইংৰাজী ভাষাৰ লগত বাহ্যিক পৰিচয়, ৰাজনীতিৰ চাকনৈয়াত প্ৰৱেশ, দায়িত্বহীন চিৎকাৰ, অতীতক ত্যাগ, পশ্চিমীয়া অভ্যাস আৰু চিন্তাৰ অন্ধ অনুকৰণ, উদ্দেশ্যবিহীন জীৱন যাপন, ওচৰৰ চুবুৰীয়াৰ স্বাস্থ্য হকৰ অৱজ্ঞা বা ধ্বংস সাধন, দেশৰ স্বাৰ্থ এৰি নিজৰ স্বাৰ্থত দৃষ্টি—এইবোৰ নিশ্চয় শিক্ষাৰ উদ্দেশ্য নহয়। মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনেৰে সৎ নাগৰিক সৃষ্টি কৰাই শিক্ষাৰ উদ্দেশ্য নহয় নে? মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষৰ দ্বাৰা মই মনৰ ওপৰত খটোৱা অনুশাসনৰ কথাকে কৈছোঁ। মনৰ পোহৰ আৰু অনুশাসন কিহত থাকে? বেয়া যুক্তিৰ পৰা ভাল যুক্তি বেলেগ কৰি চাব পৰা শক্তি, প্ৰমাণ আদিক ব্যাখ্যা কৰি প্ৰকৃত অৰ্থ উলিয়াব পৰা ক্ষমতা, বহল নিৰীক্ষণেৰে অসাম্প্ৰদায়িক মনোভাৱ গ্ৰহণ, জ্ঞান আৰু নিষ্ঠাৰ প্ৰতি গভীৰ শ্ৰদ্ধা—এইবিলাকেই মনৰ পোহৰ আৰু অনুশাসনৰ অঙ্গ। প্ৰেছিডেণ্ট উইল্‌চনে কৈছে যে শিক্ষিত মানুহক চিনিবৰ উপায় হ'ল—তেওঁৰ মনোভাব, দৃষ্টি, জীৱনৰ লক্ষ্য আৰু উদাৰ চিন্তাপৰায়ণতা। শিক্ষিত মানুহে দেখে। তেওঁৰ বস্তুৰ বিষয়ে সম্যক ধাৰণা থাকে। তেওঁৰ বিচাৰশক্তি আছে। বিভিন্ন চিন্তাৰ মাজৰ সংযোগসূত্ৰ তেওঁ পায় আৰু তাৰ দিক তেওঁ জানে। তেওঁৰ অন্তৰ্দৃষ্টি আৰু বোধশক্তি আছে। আনৰ গুণ গ্ৰহণ কৰিবলৈ তেওঁ সক্ষম। যি কোনো আলোচনাতে উম্মা নবঢ়াই তেওঁ পোহৰহে উজ্জ্বলভৰ কৰে। বিভিন্ন, পৰস্পৰবিৰোধী কথাবোৰৰ মাজতো তেওঁ সংলগ্নকাৰী সূত্ৰ পাব পাৰি নে কি তাকেহে চেষ্টা কৰে। আত্মকেন্দ্ৰী লোকে নিজৰ জাত, কাল বা কৰ্ম্মতহে দৃষ্টি আৱদ্ধ ৰাখে। শিক্ষিত লোকে সকলো কালে দৃষ্টি নিক্ষেপ কৰে; সেই বাবে তেওঁ জগতখন বেছি ভালকৈ বুজে। (১)

আমাক প্ৰকৃত শিক্ষাৰহে বৃদ্ধি আৰু উন্নতি লাগে। এই শিক্ষাত

(১) College and State, Voll II P.809.

স্বাস্থ্যকৰ প্ৰতিযোগিতা আছে। এই প্ৰতিযোগিতাই আমাৰ উৎকৰ্ষ সাধন কৰে। ৰুচি, ন্যায়জ্ঞান, উদাৰতা, সহনশীল স্বভাৱ, আগ্ৰহ, বিবেচনা —প্ৰকৃত ভদ্ৰলোক এজনৰ গাত থাকিবলগীয়া এই আটাইবোৰ গুণকে এজন ব্যক্তিৰ গাত একত্ৰিত কৰি ফুটাই তোলাটোৱে শিক্ষাৰ কাম। শিক্ষাৰ উদ্দেশ্য অতি উচ্চ হব লাগে। নাগৰিকত্বৰ উচ্চ আদৰ্শ ইয়াৰ লগত জড়িত থাকিব লাগে। যি শিক্ষাই বুদ্ধিশক্তি আৰু ন্যায়বিচাৰ নিশিকাই মাত্ৰ চাতুৰি শিক্ষা দিয়ে আৰু কেৱল দৈহিক শক্তি কিম্বা অৰ্থোপাৰ্জ্জনৰ ক্ষমতাহে আমাক প্ৰদান কৰে, সেই শিক্ষা প্ৰকৃত শিক্ষা হব নোৱাৰে। (১)

ভাৰতত সকলো কথাই ক্ৰমে স্পন্দনহীন হৈ গৈ স্থিতিশীল গৰ্ভত প্ৰৱেশ কৰে। সকলো কামেই প্ৰাণহীন, শুকান কাৰ্য্য-তালিকাত পৰিণত হয়। সকলো কথাই মন্থৰ গতিৰ ৰঙাফিটাৰ কিম্বা কট্‌কটীয়া বান্ধৰ লোৰ নিচিনা হৈ পৰে। সকলোতে অৰ্থহীন আচাৰ আৰু মৃত সংস্কাৰৰ ধূলিয়ে উশাহ বন্ধ কৰি দিয়ে, সকলো সানমিহলি হৈ পৰে। এনে বিপদ য'ত আছে, তাত চাৰ ৱালষ্টাৰ ৰালেৰ সাৰুৱা উপদেশ স্মৰণ কৰাৰ প্ৰয়োজন আছে। তেওঁ কৈছে—"সমৃদ্ধিৰ সময়ত বিশ্ববিদ্যালয়বোৰৰ আগত এটা নতুন বিপদ আহিব পাৰে। ই এক প্ৰকাৰ আলস্য বা স্পন্দনহীনতা। ই আহিব পাৰে সুখৰ সময়তে। হেজাৰ-বিজাৰ ছাত্ৰ থকা সময়ত আৰু বিশ্ববিদ্যালয়ৰ দেখাত কৃতকাৰ্য্যতা বা সুন্দৰ স্বীকৃতি থকা সময়তো এই বিপদ আহিব পাৰে। তেনে সময়ত বিশ্ববিদ্যালয়ে তাৰ আগৰ মৌলিক উদ্দেশ্য, নীতি আৰু অনুপ্ৰেৰণা পাহৰি গৈ নীৰস কাৰ্য্য-প্ৰণালী, প্ৰাণহীন বিষয় তালিকা, শুকান শিল্পলৈ নামি পৰিবহি পাৰে। শাসন-যন্ত্ৰ, নিয়মানুৱৰ্ত্তিতা, আইন-কানুন, ডাঙৰ অনুষ্ঠানত এইবোৰ অৱশ্যেই লাগে; কিন্তু এইবোৰ অনুষ্ঠানৰ বাহ্যিক জঁকাহে— সজীৱ প্ৰাণ নহয়।

যদি আন সকলোৰ বিনিময়ত কেৱল নিয়মানুৱৰ্ত্তিতাকে প্ৰাধান্য দিয়া হয়, তেন্তে সৈন্য শিবিৰৰ গুণৰ কৰ্ষণ কৰা নিশ্চয় হব; কিন্তু মনৰ উৎকৰ্ষ সাধনলৈ হলে আওহেলা কৰা হব। (২)

(১) Memors Vol. 1, P. 140.
Butcher's Harvard Lectures on Greek Subjects P P. 72.73.

(২) Raleigh, Meaning of an University, P. B.

আমাৰ দেশত শিক্ষাৰ বিপদ এইটোৱেই নহয়। বালেৰ ভাষা পুনঃ উদ্ধৃত কৰি কব পাৰি—"স্বতঃস্ফুৰণ আৰু ব্যক্তিত্বই ইয়াৰ (বিশ্ববিদ্যালয়ৰ) প্ৰাণ। গতানুগতিকতাৰ বাটৰপৰা আঁতৰি যাব পৰাতেই ইয়াৰ স্মৰণীয় সাফল্য। অবাধ চিন্তা, সমালোচনা আৰু সংশয় শক্তিয়েই বিশ্ববিদ্যালয়ৰ মূল বস্তু। বাহ্যিক শক্তিৰ নেতা হৈ থাকি ই স্বাতন্ত্ৰ্য পাব নোৱাৰে।" (১)

কিন্তু ছাৰ ৰাণ্টাৰৰ বহুত বছৰৰ আগতে চৈয়দ আহমদ্ খাঁই এনে চিন্তা প্ৰকাশ কৰিছিল। তেওঁ লিখিছিল—"আমাৰ শিক্ষাৰ কাৰণে চৰকাৰে বহুতো কৰিছে। ইয়াৰ বাবে আমি মহাৰাণী ভিক্টোৰিয়াৰ ওচৰত কৃতজ্ঞ। কিন্তু মোৰ দৃঢ় ধাৰণা যে যেতিয়ালৈকে আমি আমাৰ শিক্ষা-পদ্ধতি নিজে পৰিচালিত নকৰোঁ, তেতিয়ালৈকে আমি জাতীয় শিক্ষা কিম্বা জাতীয় চৰিত্ৰ তৈয়াৰ কৰিব নোৱাৰিম। চৰকাৰে আমাৰ আটাই-বোৰ প্ৰয়োজন কিম্বা দাবী পূৰণ কৰিব নোৱাৰে। জাতীয় স্বাৰ্থৰ বেলিকা সম্পূৰ্ণ ৰকমে চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰাটো অকল মূৰ্খালিয়েই নহয়, ই নিশ্চিতকৈ লাজৰো বিষয়। আমি নিজ কান্ধেৰে চকা টানিব লাগিব। আমাৰ জাতীয় কৰ্ত্তব্য আৰু দায়িত্ব নিজে পালন কৰাটো আমাৰ অৱশ্য কৰ্ত্তব্য। চৰকাৰৰ ওচৰত আমি মাত্ৰ উৎসাহ আৰু নৈতিক সমৰ্থনহে বিচাৰিব লাগে। আমি যদি ইয়াকে কৰোঁ তেন্তে চৰকাৰ আৰু জনসাধাৰণ উভয়ে নিজৰ কৰ্ত্তব্য কৰা হব। (২)

কলিকতা বিশ্ববিদ্যালয়ত চৰকাৰৰ আধিপত্য স্থাপনৰ বিৰুদ্ধে প্ৰতিবাদ ক্ৰমে তীব্ৰ হৈ উঠিছে। কাল্পনিক ভীতি অথবা বাস্তৱ বিপদৰ ওপৰত এই প্ৰতিবাদ প্ৰতিষ্ঠিত নে কি মই নাজানো।

ঘটনাটো যিয়েই নহওক লাগে, এটা কথাত অকণো সন্দেহ থাকিব নোৱাৰে—আমাৰ শিক্ষাৰ ভৱিষ্যত আমাৰ হাতত। আমিয়েই ভাল বেয়া কৰিব পাৰিম। কলিকতা বিশ্ববিদ্যালয়ৰ বাণী হ'ল—'জ্ঞানৰ বিকাশ'। কিছু কালৰ নিমিত্তে হলেও ঈশ্বৰ-ৰক্ষিত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ বাণীটো আমি গ্ৰহণ কৰিব নোৱাৰো নে? এই বাণীটো হল—Dominus illuminato mea। কিন্তু এই বাণীৰ 'ডমিনাচ' অক্তেকীয়া,

(১) Address on Islamic Education in India, P. 137.

(২) Meaning of an University, PP. 16-17, Seeny's Lectures, and Essays. P. 181.

ধাৰ্ম্মিক 'ভ্ৰমিনাচ' নহয় যি ঈশ্বৰৰপৰা অবিৰাম প্ৰেম, পোহৰ আৰু প্ৰীতিৰ নিজৰা বৈ আছে সেই ঈশ্বৰ হব লাগে। এই ঈশ্বৰৰ সেৱাই সত্যৰ সেৱা, এই ঈশ্বৰৰ পূজাই সুন্দৰৰ পূজা।

প্ৰকৃত শিক্ষাৰ অবিহনে প্ৰকৃত ৰাজনীতি হব নোৱাৰে; কিয়নো প্ৰকৃত শিক্ষাৰ অবিহনে. দেশপ্ৰেম আত্মম্ভৰিতাত আৰু স্বদেশপ্ৰীতি অৰ্থশূন্য স্বৰত পৰিণত হব।

কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ সুন্দৰ কবিতা এটাৰ কথা কেইফাঁকিমানেৰে মই মোৰ বক্তৃতাৰ সামৰণি মাৰিম। এই কবিতাটো একেধাৰে প্ৰাৰ্থনা আৰু ভবিষ্যদ্বাণী। ইয়াত কবিয়ে ভৱিষ্যতলৈ দৃষ্টি নিক্ষেপ কৰি সংকীৰ্ণতাৰ আৱৰণ আঁতৰাই দি ভৱিষ্যতৰ মহান চিত্ৰ আমাৰ আগত দাঙি ধৰিছে। ইয়াত ভৱিষ্যত ভাৰতৰ মহান উদ্দেশ্য আৰোপিত হৈছে :—

"চিত্ত যেথা ভয়শূন্য, উচ্চ যেথা শিৰ,
জ্ঞান যেথা মুক্ত, যেথা গৃহেৰ প্ৰাচীৰ
আপন প্ৰাঙ্গণতলে দিবস-শৰ্ব্বৰী
বসুধাৰে ৰাখে নাই খণ্ড ক্ষুদ্ৰ কৰি,
যেথা বাক্য হৃদয়েৰ উৎসমুখ হতে
উচ্ছ্বসিয়া উঠে, যেথা নিৰ্বাৰিত স্ৰোতে
দেশে দেশে দিশে দিশে কৰ্মধাৰা ধায়
অজস্ৰ সহস্ৰবিধ চৰিতাৰ্থতায়।
যেথা তুচ্ছ আচাৰেৰ মৰু-বালুৰাশি
বিচাৰেৰ স্ৰোতঃপথ ফেলে নাই গ্ৰাসি,
পৌৰুষেৰে কৰেনি শতধা; নিত্য যেথা
তুমি সৰ্ব কৰ্ম চিন্তা আনন্দেৰ নেতা,—
নিজ হস্তে নিৰ্দয় আঘাত কৰি নিত
ভাৰতেৰে সেই স্বৰ্গে কৰো জাগৰিত।

আমি সকলোৰে নতজানু আৰু নম্ৰমস্তক হৈ বিশ্ব কবিৰ এই ঐকান্তিক প্ৰাৰ্থনাত যোগ দিওঁহঁক আৰু সাধ্য অনুসাৰে সকলোৱে কবিৰ এই সপোন দিঠকত পৰিণত কৰিবলৈ চেষ্টা কৰোঁহক।

সামৰণি মন্তব্য

কি হিন্দু, কি মুছলমান আপোনালোক সকলোৱে মিল-জুলি উমৈহতীয়াকৈ কাম কৰিবলৈ এই ছাত্ৰ-সন্মেলনেই প্ৰকৃত ক্ষেত্ৰ। হিন্দু-মুছলমান বুলি গাইগোটা পেটে উঁৱাল হ'বলৈ গলে দেশৰ মহা অনিষ্টহে হব—নিষ্ট কেতিয়াও নহয়। হিন্দু-মুছলমান মিল হওক, দুয়ো এটা জাতি হওক, এয়ে ভাৰতবৰ্ষৰ ঐকান্তিক কামনা। দুয়ো ধৰ্ম্মৰ মিলনত ভাৰতবৰ্ষৰ মুক্তি—নহলে ভাৰতে কেতিয়াও উন্নতি কৰিব নোৱাৰে। সকলোৰে মাজত ভ্ৰাতৃভাব স্থাপন কৰক। ইটো ধৰ্ম্মৰ মানুহে সিটো ধৰ্ম্মৰ মানুহক ভাই-ভাই বুলি আলিঙ্গন কৰিবলৈ শিকক, ইংৰাজী বা আন ভাষাতকৈ নিজৰ মাতৃভাষাক বেছি মৰম কৰক। মাতৃভাষাতকৈ মৰমৰ বস্তু একো নাই। আমি মাতৃভাষা এৰি ইংৰাজী মাত-কথাৰে মুখত আখৈ ফুটাব পাৰিলেই মহাজ্ঞানী হলোঁহক বুলি ভাবোঁ। বিলাতী সভ্যতাৰ অনুকৰণ কৰি আমাৰ ৰীতি-নীতিবোৰ সেই ঠাচত গঢ়ি লব পাৰিলে "আমি কি হলু বে" হওঁহক। কিন্তু আমি পাহৰিব নেলাগে যে ঘনচিৰিকাই ৰাজহাঁহৰ খোজ ল'বলৈ যাওঁতে ৰাজহাঁহ যে হ'ব নোৱাৰিলেই নিজৰ খোজো পাহৰি পেলালে। মাতৃভাষাত অনৰ্গল বক্তৃতা দিব পাৰিলেহে আমাৰ বক্তাৰ কৃতিত্ব—ইংৰাজীত কেতিয়াও নহয়। সেইদেখি আপোনালোকে অসমীয়া ভাষাৰ চৰ্চ্চাৰ কাৰণে উঠি পৰি লাগক। মাতৃভাষা জনাতহে গৌৰৱ আছে। নজনাত বা জানিও নজনাৰ ভাও ধৰাত ধৃষ্টতাৰ বাহিৰে একো নাই। দুকুৰি বছৰৰ পূৰ্ব্বে আমাৰ মানুহে ইংৰাজী শিকি মাতৃভাষা দলিয়াই পেলোৱাটো মহা গৌৰৱৰ কথা বুলি ভাবিছিল। কিন্তু এতিয়া আৰু সেই দিন নাই। এতিয়া আমি আমাক চিনি পাবলৈ ধৰিছোঁ। ভাৰত জাতীয় মহাসভাৰ সভাপতিৰ বেদীত মহাত্মা গান্ধীৰ পদাঙ্ক অনুসৰণ কৰি ডাক্তৰ আন্‌চাৰিয়ে হিন্দু-মুছলমানৰ মাজত ঐক্যভাব ওপজাবলৈ যি পন্থা উলিয়াই দিছে তাতেহে মযো যোগ দিছোঁ। মিছ কেম্পবেলে ধপাত-চুৰট, কাণি-ভাং নাখাবলৈ হাক দিয়াতকৈ গবৰ্ণমেণ্টক ধপাত-চুৰট, কাণি-ভাং দেখুৱাই প্ৰলোভন নিদিবলৈ দিয়া হলে ভাল পালোঁহেতেন। প্ৰলোভনৰ বাগী কুঠাৰ বছুৱা আমাৰ শাস্ত্ৰৰহে নেলাগে খৃষ্টিয়ান ধৰ্ম্মশাস্ত্ৰৰো মূলমন্ত্ৰ।*

---

*ভাষণখনি সম্প্ৰতি অনুবাদ কৰি দিছে অধ্যাপক শ্ৰীযুত তাৰিণীকান্ত ভট্টাচাৰ্য্যই সামৰণি মন্তব্য 'মিলন'ৰপৰা উদ্ধৃত। —সংগ্ৰাহক

ত্ৰয়োদশ ভাষণ

সভাপতি—দেশভক্ত তৰুণৰাম ফুকন

স্থান—তেজপুৰ—২৭, ২৮ অক্টোবৰ, ১৯২৮ চন

মৰমৰ ছাত্ৰবন্ধুসকল! আজিৰ সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰিবৰ যোগ্যতা মোৰ সমূলি নাথাকিলেও তোমালোকৰ অনুৰোধ উপেক্ষা কৰিবৰ শকতি মোৰ নাই। মৰমত বান্ধ খাই তোমালোকৰ ইচ্ছাকেই ভগৱন্তৰ কৃপা বুলি মানি অন্তৰৰ শলাগ জনাই আসন গ্ৰহণ কৰিলোঁ। সৰল হিয়াৰ উদাৰ গুণত সকলো দোষ মৰষিবা বুলি তোমালোকক কাবৌ কৰিলোঁ।

আজিৰ এই যৌৱন বসন্তৰ আনন্দ উৎসৱত যোগ দি যাৰ হিয়া উলাহত নাচি নুঠে, সি নিতান্ত দুৰ্ভগীয়া। কিন্তু হাঁহাকাৰ-পৰিপূৰ্ণ ভাৰতৰ এচুকত, দুখে-শোকে জুকলা অসম মাতৃৰ কোলাত, এমুঠি ছাত্ৰৰ সম্মেলনৰ, অন্ন-বস্ত্ৰৰ অভাৱত, প্ৰাণৰ কাতৰত ওলোৱা সহস্ৰ নৰ-নাৰীৰ শূন্য হিয়াৰ আৰ্ত্তনাদ তল পেলাই আমাৰ এই আনন্দ-উৎসৱৰ কিবা সাৰ্থকতা আছে নে নাই তাক গমি চোৱা উচিত হ'ব। ডেকাৰ মন যোগাবৰ সমল আমাৰ একো নাই। তথাপি ডেকাৰ সঙ্গলৈহে মনৰ পৰম হাবিলাষ।

জীৱনী শক্তিৰ আধাৰ উঠি অহা ডেকাসকলৰ প্ৰাণৰ আনন্দৰ ঢৌ এটি আহি কিজানিবা জীৱন পৱিত্ৰ কৰে, যৌৱন-জোনালী জীৱনৰ এটি জিলিঙনি পৰি কিজানিবা আন্ধাৰে ঢাকি ধৰা নিৰাশ জীৱন ক্ষন্তেকলৈ হীৰাৰ দৰে জিলিকি উঠে, কিজানিবা সেই পোহৰতেই জয়শ্ৰীমণ্ডিতা ভাৰত-লক্ষ্মীৰ মহিমাময়ী মূৰ্ত্তি ক্ষন্তেকলৈ দেখা যায়, কিজানিবা শোকাতুৰা অসম জননীৰ দুখ নিবাৰণ সঙ্কল্পৰ মহামন্ত্ৰ এই ছাত্ৰ সম্মেলনৰ মহাযজ্ঞতেই উচ্চাৰিত আৰু ধ্বনিত হৈ দেশ-বিদেশ প্লাৱিত কৰি দিয়ে, ছাত্ৰ-যজ্ঞৰ সঞ্জীৱনী মন্ত্ৰৰ গুণত ৰুদ্ধ হিয়া দেশবাসীৰ কিজানিবা আকৌ প্ৰাণৰ স্পন্দন আহে—এইবিলাক আশাই সম্মেলনৰ সাৰ্থকতা। এই আশাকেই বুকুত বান্ধি আশা-নিৰাশাৰ

ভাষণমালা



দেশভক্ত তৰুণৰাম ফুকন

সন্ধি-স্থলত শঙ্কিত মনে আজিৰ আনন্দত যোগ দি ধন্য হ'বলৈ আহিছোঁ। অযোগ্য দেখি টনা-আঁজোৰা কৰিলে প্ৰাণ যাব। সেয়ে হলে মই বক্ষা পৰিম, কিন্তু আপদ গুচাওঁতে তোমালোকৰ বিপদ বাঢ়িব। হেন জানি মোক সাক্ষী-গোপালকৈ বহুৱাই থৈ তোমালোকক নিজ কাৰ্য্য সাধিবলৈ অনুৰোধ জনালো।

ছাত্ৰ সম্মেলনৰ উদ্দেশ্য ছাত্ৰসকলে অতীতত স্থিৰ কৰা কৰ্ত্তব্য কি পৰিমাণে পালন কৰা হল তাৰ হিচাপ লোৱা আৰু হিচাপ-নিকাচ কৰি ত্ৰুটী সংশোধন কৰা আৰু সেই অনুসৰি ভৱিষ্যৎ কৰ্ত্তব্য স্থিৰ কৰা। ছাত্ৰৰ অৱশ্য কৰ্ত্তব্য অধ্যয়ন। সেই অধ্যয়ন অনন্যমনা হৈ অৰ্থাৎ একাণপতীয়াকৈ কৰিব লাগিব। এই কথাত বোধ হয় কোনেও আঁসোৱাহ নুলিয়াব। ডাকেও কৈছে,—“পঢ়ে, পঢ়ায়, ৰোৱে পাণ, ই তিনি নিচিন্তে আন।” যি পঢ়িবা তাক মন দি পঢ়িবা, পঢ়িবৰ সময়ত যি পঢ়িছা তাতেই মন দিবা অৰ্থাৎ চকু আছে কিতাপত মন আছে বজাৰত, এনে নহয় যেন। কাৰণ তেনেহলে পঢ়া নহয়। শব্দ উচ্চাৰণ অভ্যাসৰ বলত হ'ব পাৰে, কিন্তু শব্দাৰ্থ হৃদয়ঙ্গম নহ'য় ; গতিকেই মনত নাথাকে আৰু অধ্যয়ন চেষ্টাৰ ফলত অৰ্থনাশ আৰু মনস্তাপ সাৰ হয়। সেই বুলিয়েই কিন্তু ছাত্ৰ অৱস্থাত পৃথিৱীৰ সকলো কথালৈ আওকাণ কৰি কেৱল মাত্ৰ পুথিগত প্ৰাণ হৈ চলা যুক্তিসঙ্গত নহ'ব। “শাস্ত্ৰগ্ৰন্থে ৰাখি আঁখি, নত অধ্যয়নে অহৰহ, উদাসীন আৰ সবাপৰে” —এই কথা কৰি ৰবীন্দ্ৰই উপহাসৰ চলতেই লিখিছিল। গুৰুৰ সহায়ত পুথিৰ পৰা বিদ্যাৰ্জ্জন কৰিব লাগিব। পুথিত লিখা কথাৰ প্ৰতি আস্থা নহলে, গুৰুৰ প্ৰতি ভক্তি নাথাকিলে বিদ্যা লাভ কৰা সহজ নহয়। ছাত্ৰ-জীৱনতেই ভৱিষ্যৎ জীৱন-যাত্ৰাৰ সকলো সমল গোটাই ল'ব লাগিব। তাকে একনিষ্ঠ, দৃঢ়প্ৰতিজ্ঞ আৰু ব্ৰহ্মচাৰ্য্য ব্ৰতধাৰী নহলে কৰা টান।

ছাত্ৰ-জীৱন অতি সুখৰ আৰু অতি মধুৰ, কিন্তু অতি কঠোৰ বিধি-নিষেধৰ দ্বাৰাই সংযত কৰি ৰাখিব লাগে। অলঙ্কাৰ গঢ়াবৰ কাৰণে সোণ যেনেকৈ গলাই, পিটি, পৰিষ্কাৰ আৰু কোমল কৰি ল'ব লাগে, জীৱন অলঙ্কৃত কৰিবলৈ হলে সেইদৰে বিধি-নিষেধাদি পূৰ্ণ কঠোৰ শাসনেৰে ছাত্ৰ জীৱন পৱিত্ৰ আৰু নম্ৰ কৰি ল'ব লাগিব। শৰীৰ আৰু মনৰ বল সঞ্চয় কৰি জীৱন-যুদ্ধৰ কাৰণে সাজু হ'ব লাগিব ছাত্ৰ জীৱনতেই। সত্যই বিদ্যা। অবিদ্যা অৰ্থাৎ অসত্য পৰিহাৰ কৰি, সত্যৰ লগত নিগাজী সম্বন্ধ ছাত্ৰ-জীৱনতেই পাতি ল'ব লাগিব। ছাত্ৰ-জীৱনতে সত্যৰ চিনাকি নাপালে সংসাৰী হৈ সত্যনিষ্ঠ

হোৱা টান। বিদ্যাৰ আৱশ্যকতা মনুষ্যত্বৰ পূর্ণবিকাশ লাভ কৰি নিত্যানিত্যৰ জ্ঞান লাভ কৰাৰ কাৰণে—শিক্ষাৰ আৱশ্যকতা নিজক আৰু দেশবাসীক দায়িত্বপূর্ণ নাগৰিক কৰি তোলা। তাকে হ'বলৈ হলে সকলো প্ৰকাৰ উত্তম শিক্ষা পাব লাগিব। সামাজিক, ৰাজনৈতিক, আধ্যাত্মিক, শাৰীৰিক, মানসিক আৰু নৈতিক উৎকর্ষৰ সম-সাধনৰ আৱশ্যকতা বুজি উপায় উলিয়াব লাগিব। কিতাপত যি পঢ়া, গুৰুৰ পৰা যি উপদেশ পোৱা তাক উত্তমৰূপে আয়ত্ত কৰি দেশ-বিদেশৰ, অতীত-বর্ত্তমানৰ কার্য্যলৈ চাই তাৰ সত্যাসত্য, গুণাগুণ মিলাই ল'ব লাগিব। বিদ্যা অর্থকৰী মাত্র নহয়, কার্য্যকৰী হ'ব লাগিব। কিতাপত আছে সেই দেখিয়েই সঁচা, গুৰুৱে কৈছে সেই দেখিয়েই মানিব লাগিব, এইদৰে ভবা বিধৰ ছাত্র মই নাছিলোঁ, আনকো হ'বলৈ উপদেশ দিব নোৱাৰোঁ। শ্ৰদ্ধা আৰু ভক্তিৰ দ্বাৰাই গুৰুৰ মনতুষ্টি কৰি তেওঁৰ সহায়ত জ্ঞান আৰু বুদ্ধিৰ দ্বাৰাই সত্য উপলব্ধি কৰি সেই অনুসৰি কার্য্য কৰিব লাগিব। কুশিক্ষা পৰিহাৰ কৰি সুশিক্ষা ল'ব লাগিব।

যি শিক্ষাই মনুষ্যত্ব নষ্ট কৰে সি কুশিক্ষা। যি শিক্ষাই মনৰ আৰু প্ৰাণৰ স্বাধীনতাৰ হানি কৰে সি কুশিক্ষা। যি শিক্ষাই পৰৰ অধীনত থাকিও নিজক সুখী আৰু সন্তুষ্ট কৰি ৰাখে সি কুশিক্ষা, যি শিক্ষাই ক্ষুদ্র স্বার্থকেই পৰম সম্পদ বুলি মানিবলৈ শিকায় সি কুশিক্ষা। যি শিক্ষাই স্বদেশৰ প্ৰতি বীতশ্ৰদ্ধ কৰে, যি শিক্ষাই দৰিদ্ৰৰ দুখ নিবাৰণৰ অর্থে হিয়াত উদগণি নিদিয়ে, যি শিক্ষাই দেশৰ কাৰণে প্ৰাণত্যাগ কৰিবলৈ নিশিকায়—সেই শিক্ষাক আমি শিক্ষা বুলি মানি ল'ব নোৱাৰোঁ।

বিদ্যা অর্থকৰী হ'ব লাগিব সঁচা। শাস্ত্ৰকাৰেও কৈছে,—"ধনাদ্ধৰ্ম্মতঃ সুখম্" কিন্তু আচলতে বিদ্যা কর্ত্তব্যসাধিনী হ'ব লাগিব। নিজৰ কল্যাণ, দেশৰ কল্যাণ আৰু জগতৰ কল্যাণ সাধিবলৈ হলে প্ৰকৃত বিদ্বান হ'ব লাগিব! যি শিক্ষাৰ মূলত জাতীয়তা নাই, সেই শিক্ষা মনুষ্যত্বৰ পূর্ণ বিকাশৰ উপযোগী কেতিয়াও হ'ব নোৱাৰে। গতিকেই জাতীয়তাশূন্য শিক্ষা পৰিহাৰ কৰি উপযোগী শিক্ষাৰ প্ৰৱৰ্ত্তন আৰু প্ৰচলন কৰিব লাগিব। ছাত্ৰাৱস্থাত জাতীয়তাৰ দ্বাৰাই অনুপ্ৰাণিত হ'ব নোৱাৰিলে ছাত্ৰ-জীৱন ব্যর্থ। লৰাৰ মন পাপস্পর্শবিহীন, পৱিত্ৰ। লৰাৰ মন সবল আৰু শোভন। লৰাৰ মন কোমল 'কিন্তু কঠালৰ আঠাৰ দৰে লাগিলে সহজে নেৰায়। 'তেনেকুৱা শোভন, সবল আৰু পৱিত্ৰ ছাত্ৰ-জীৱনত যাতে সঙ্কীর্ণ সংস্কাৰে বাহ ল'ব নোৱাৰে,

তেনেকুৱা মনক যাতে ক্ষুদ্ৰ স্বাৰ্থই অধিকাৰ কৰিব নোৱাৰে, অভিভাৱক, গুৰু দেশবাসী আৰু ছাত্ৰ সকলোৱে তালৈ তীক্ষ্ণ দৃষ্টি ৰখা উচিত হ'ব। নেতাসকলৰ প্ৰধান কৰ্ত্তব্য হ'ব ছাত্ৰক সেই বিষয়ে সাৱধান কৰি দিয়া, বন্ধুভাবে বুজাই দিয়া আৰু জাতীয়তা ভাৱত অনুপ্ৰাণিত কৰি ৰাখিবলৈ নেৰানেপেৰাকৈ লাগি থকা। দেশৰ ভৱিষ্যৎ যেতিয়া ছাত্ৰৰ ওপৰতেই নিৰ্ভৰ কৰে, তেওঁ-বিলাকক বিদেশী শাসনতন্ত্ৰৰ বৃত্তিভোগী গুৰুৰ হাতত সঁপি দি অভিভাৱক বা দেশবাসী নিশ্চিন্ত হৈ থকা উচিত নহ'ব। দেশৰ কাৰ্য্যৰ লগত, দেশবাসীৰ সুখ-দুখৰ পৰা বিচ্ছিন্ন কৰি ছাত্ৰক কলেজৰ মেৰঘৰত সুমুৱাই অধ্যয়নৰ পৰম পৰিতোষ অটুট ৰাখিব পাৰে কিন্তু শিক্ষা তেনেই অসম্পূৰ্ণ থাকিব; বিদ্যাৰ বিপুল বৈভৱত, জ্ঞান লাভৰ অক্ষয় আনন্দত বঞ্চিত হ'ব।

পৰ্ব্বতৰ হিয়া ভাগি ওলোৱা নিৰ্মল নিজৰাটিক মলি লগাৰ ভয়ত ডাঠকৈ বান্ধ দিও যেনেকৈ ধৰি ৰাখিব নোৱাৰি, ছাত্ৰৰ উদাৰ সৰল হিয়াৰ একাগ্ৰ জাতীয় ভাবকো লিখা-পঢ়াৰ অন্তৰায় হ'ব বুলি ভাবি বিধি-নিষেধৰ নিকপ্‌কপীয়া বান্ধেৰে ধৰি ৰখা অসম্ভৱ। যিমানেই ৰোধ কৰিবৰ চেষ্টা কৰিব তিমানেই তাৰ পৰিমাণ বাঢ়িব; শেহত অপ্ৰতিহত শক্তিৰ বলত বান্ধ ভাগি ওচৰৰ গাঁও ভূঁই উটুৱাই নিয়াৰ বিশেষ সম্ভাৱনা থাকিব আৰু প্ৰাণ নাশৰো যথেষ্ট কাৰণ হ'ব। সেইদেখি গতিৰোধ নকৰি গতি নিৰ্দ্দেশ কৰাই বুদ্ধিমানৰ কাৰ্য্য হ'ব। এই গতি নিৰ্দ্দেশ কাৰ্য্য, ছাত্ৰৰ এই কৰ্ত্তব্য দেশবাসীৰ কিন্তু ঘাইকৈ এই গুৰুভাৰ অধ্যাপকসকলৰ ওপৰত। বৰ্ত্তমান পৃথিৱীব্যাপী যি নৱ-জাগৰণৰ উদ্ভৱ হৈছে, জাতীয়তাৰ যি প্ৰৱল সোঁত বৈছে, যাৰ পৰা ছাত্ৰক আঁতৰাই ৰাখিবলৈ চেষ্টা কৰা, তাৰ বিপৰীতে সাঁতুৰিবলৈ উপদেশ দিয়া আৰু ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে ছাত্ৰৰ আৰু দেশৰ অহিত চিন্তা একেই কথা। ছাত্ৰই ৰাজনীতি শিক্ষা বেয়া বুলিলে সাহিত্য, ঘাইকৈ ইতিহাস শিকোৱা স্কুল-কলেজৰ পৰা তুলি দিয়া উচিত হ'ব। অতীত আৰু বৰ্ত্তমানৰ ৰাজনীতি আলোচনা কৰা ছাত্ৰ মাত্ৰৰেই অৱশ্যকৰ্ত্তব্য বুলি মই ডাঠি ক'ব পাৰোঁ। ৰাজনীতিৰ ওপৰতেই দেশৰ কল্যাণ-অকল্যাণ নিৰ্ভৰ কৰে। বিশেষতঃ পৰাধীন দেশৰ কাৰণে ৰাজনীতিয়েই জীৱন-মৰণৰ সেতু, মুক্তিৰ উপায়। উঠোঁতে-বহোঁতে, খাওঁতে-বওঁতে, সপোনে-সচিতে ৰাজনীতিৰ গুণাগুণ বিচাৰ নকৰিলে আমাৰ চলিব-মেলিবৰ উপায় নাথাকে। সেই দেখিয়েই দেশ-বিদেশৰ, অতীত-বৰ্ত্তমানৰ ৰাজনীতি ছাত্ৰাৱস্থাতেই আলোচনা কৰি আয়ত্ত নকৰিলে নিজৰ

কল্যাণ, দেশৰ কল্যাণ কৰা অসম্ভৱ, কিন্তু তৰ্কস্থলত ক'ব পাৰি যে ৰাজনীতি শিক্ষা আৰু আলোচনা কৰা এক কথা আৰু ৰাজনৈতিক আন্দোলনত যোগ দিয়া বেলেগ কথা। ক'ব পাৰি স্কুল-কলেজত ৰাজনীতি ভালদৰে শিকোৱা হ'ব ধৰিছে, সেই শিক্ষা শেষ নৌহওঁতে ৰাজনৈতিক আন্দোলনত যোগ দিবলৈ উদগাই দি শিক্ষাৰ অন্ত কৰিলে 'অল্পবিদ্যা ভয়ঙ্কৰী' এই শাস্ত্র-বচনৰ উচিত প্ৰমাণ পাব, অল্পজ্ঞান ছাত্র ৰাজনৈতিক ইষ্ট কাৰ্য্যৰ সহায় নহৈ অন্তৰায় হ'ব। উত্তৰত কওঁ—কাৰ্য্যবিচ্ছিন্ন শিক্ষা ফলৱতী হ'ব নোৱাৰে। স্কুল-কলেজ এৰি দি ৰাজনৈতিক আন্দোলনত যোগ দিবলৈ ছাত্ৰক আমি সম্প্রতি নকওঁ কিন্তু ছাত্রাৱস্থাত সভা-সমিতিলৈ গৈ ৰাজনৈতিক আলোচনা শুনি, বিশিষ্ট ৰাজনৈতিকৰ লগত তৰ্ক যুক্তি কৰি নিজ মত সমৰ্থন বা সংশোধন কৰাত কি আপত্তি হ'ব পাৰে আমি ক'ব নোৱাৰোঁ। কেৱল পুথিগত ৰাজনীতি লৈ কাৰ্য্যক্ষেত্রত উপস্থিত হলে কাৰ্য্যবিচক্ষণ চৰালৰ আগতো ভেৰা হোৱা বহুতো প্ৰমাণ পোৱা যায়। এই প্রসঙ্গত ছাত্রৰ পৰা শুনা এটি সৰু সাধু মনত পৰিল। এদিন কেইজনমান ছাত্রই ফুৰিবলৈ যাওঁতে দূৰতে বাঘ এটা দেখা পাই ভয়ত চিঞৰ-বাখৰ লগালে। লগত আছিল এজন বিশিষ্ট বৈয়াকৰণিক। ছাত্রসকলে বাঘলৈ ভয় কৰা দেখি তেওঁৰ বৰ খং উঠিল আৰু ছাত্রসকলক ডবিয়াই কলে—"বাঘলৈ ভয় কৰাৰ কাৰণ কি আছে? জিঘ্ৰতীতি ব্যাঘ্ৰ। ব্যাঘ্ৰ ঘ্ৰা ধাতুৰ পৰা উৎপন্ন, সি নাখায়, ঘ্ৰাণহে লয়,"—এই বুলি বাঘক খেদি যাওঁতে মূৰ্খ বাঘে ব্যাকৰণ অৱমাননা কৰি বৈয়াকৰণিকক টানি লৈ গ'ল। নিৰুপায় ছাত্রসকলে হাই-হুৰুলি দি তেওঁক কোনোমতে বাঘৰ মুখৰপৰা ৰক্ষা কৰিলে। বাঘৰ কামোৰত বৈয়াকৰণিকে মৰণ-যন্ত্ৰণা অনুভৱ কৰিলেও গুৰুৰ শিক্ষা মিছা আৰু ব্যাকৰণ ভুল এই দুটা কথা ভাবি তাতোকৈ বেছি যন্ত্ৰণা অনুভৱ কৰিছিল। 'চিকিৎসা পিছত হ'ব, মোক সম্প্রতি গুৰুৰ ওচৰলৈ নিয়া।'—এইদৰে বিশেষ অনুৰোধ কৰাত লগৰীয়াসকলে তাকেই কৰিবলৈ বাধ্য হ'ল। গুৰুক লগ পাই এই ব্যাকৰণ-বিভ্ৰাটৰ কথা জনোৱাত গুৰুৱে ভ্ৰম সংশোধন কৰি কলে,—"ব্যাকৰণ ভুল নহয়, তুমিহে ভুল বুজিছিলা। কাৰণ ব্যাকৰণৰ সূত্রই স্পষ্টকৈ কৈছে; —'উপসর্গেন ধাত্বর্থঃ বলাদন্যত্র নীয়তে' অৰ্থাৎ উপসৰ্গই পালে ধাতুৰ অৰ্থ বলেৰে আন পিনে নিয়ে, গতিকেই উপসৰ্গযুক্ত ব্যাঘ্ৰই ব্যাকৰণমতেই তোমাক বলেৰে স্থানান্তৰলৈ নিছিল।" উপসৰ্গই পালে সংসাৰৰ জ্ঞানশূন্য পণ্ডিতৰ ধাতু কেনিবা যায়। ব্যাকৰণ-

বিশাৰদে এই হিতবাক্য তেতিয়াবেপৰা সদায় মনত ৰাখি চলিছিল। ৰাজনীতিৰ সূত্ৰ প্ৰকৃত কাৰ্য্যৰ অভিজ্ঞতাৰ দ্বাৰাই হৃদয়ঙ্গম কৰি ল'ব নোৱাৰিলে কাৰ্য্যক্ষেত্ৰত দুষ্ট, দৰ্পী, কূটনীতিবিশাৰদ ৰাজকৰ্ম্মচাৰী উপসৰ্গই দেশবাসীক "বলাদন্যত্ৰ নীয়তে" অৰ্থাৎ ছলে-বলে-কৌশলে আন বাটলৈ নিয়ে।

ভাৰতবৰ্ষত বাজে আন কোনো দেশতেই ছাত্ৰই ৰাজনৈতিক আন্দোলনত যোগ দিয়াৰ নিষেধ শুনা নাই। আজি ভাৰত পৰাধীন বুলিয়েই এই নিষেধ নেকি? আজি ভাৰত শক্তিহীন বুলিয়েই মুক্তহৃদয় ছাত্ৰয়ো এই অযথা বিধি-নিষেধ মানি চলিব নেকি? ছাত্ৰই কালি মানিছিল, দুখৰ বিষয় আজিও মানি চলিছে কিন্তু মোৰ মনেৰে কাইলৈ মনাৰ নিশ্চয়তা নাই আৰু দিনচেৰেক পিছত নমনা হ'ব বুলি ডাঠি ক'ব পাৰোঁ। কাৰণ প্ৰকৃতিৰ নিয়মৰ বিৰুদ্ধে গাৰ বলেৰে দুদিন চলিব পাৰি, কিন্তু সৰহ দিন চলা অসম্ভৱ। পঢ়াকেই জীৱনৰ একমাত্ৰ উদ্দেশ্য বুলি একান্ত মনে সেই উদ্দেশ্য সাধন কৰি থাকোঁতেই এদিন দেখিবা ভাৰত ৰাজলক্ষ্মীয়ে আইমাতৃ সৰস্বতীৰ লগত দ্বন্দ-পাতি কৰি ৰবীন্দ্ৰই কোৱাৰ দৰে—

"কাঢ়ি লই পুথি-পত্ৰ,
কাঢ়ি লই খড়ি,
দেখুৱাই গুপ্ত পথ
দিব মুক্ত কৰি
পাঠশালা কাৰা হস্তে।"

অদূৰদৰ্শী, স্বাৰ্থপৰ সংসাৰী জীৱৰ পক্ষে স্বাৰ্থত্যাগ কৰা, আত্মত্যাগ কৰা টান হ'ব পাৰে কিন্তু অধ্যয়নৰত ব্ৰহ্মচাৰী ছাত্ৰৰ পক্ষে ই অতি সহজ কথা।

শোকাতুৰা জননীৰ কাতৰ ক্ৰন্দনে স্বল্পজ্ঞান দুৰ্বিদগ্ধ অৰ্থাৎ মই-পৰ ভাৱাপন্ন ডাঙৰীয়াসকলৰ হিয়া চুব নোৱাৰিব পাৰে, কিন্তু জননী-প্ৰাণ, কোমল হৃদয় ছাত্ৰসকলৰ সৰল অন্তৰ মাতৃশোকত মৰহি যাব তাত মোৰ সন্দেহ নাই। লাঞ্ছিতা আইৰ সাদৰী মাত আওকাণ কৰিব পৰা লৰা আছে বুলি ভাবিবলৈকো বেয়া লাগে। অধ্যাপকৰ অধ্যাপনা কাৰ্য্যৰ কোলাহলত মাতৃৰ আহ্বান ক্ষন্তেকলৈ কাণত নপৰিব পাৰে, কিন্তু লৰা মাত্ৰেই সমুদ্ৰমুখী পৰ্ব্বতৰ নৈৰ দৰে সহস্ৰ বাধা-বিঘিনি চেৰ পেলাই দেশ মাতৃৰ কোলালৈ উধাতু খাই লৰৰি যাব, তেতিয়া তাৰ গতি ৰোধ কৰোঁতা দেৱ-নৰ কোনগুলাব?

ছাত্রসকল মজুতকৈ ৰাখি থোৱা সৈন্যৰ (Reserved Soldiers) দৰে; নিজৰ কৰ্ত্তব্য একান্ত মনে কৰি থাকিব কিন্তু আদেশ পোৱা মাত্রেই য'বে বস্তু ত'তে এৰি যুদ্ধক্ষেত্রলৈ লৰিব লাগিব। সকলো ইতিহাসেই এই মন্তব্য সমর্থন কৰিছে। সকলো জাতিয়েই এই সত্যৰ প্ৰমাণ দিছে। জাৰ্ম্মান মহাযুদ্ধই বৰ্ত্তমান যুগৰ প্ৰমাণ।

স্বৰাজ লাভৰ কাৰণ গৱৰ্ণমেণ্টৰ লগত আমাৰ নিৰস্ত্র যুদ্ধ চলিবই লাগিছে আৰু কিমান দিন চলিব তাক সৰ্ব্বদৰ্শী বিশ্বনিয়ন্তাইহে জানে, কিন্তু আৱশ্যক হলে যুদ্ধত ছাত্রই যোগ দিব লাগিব, প্ৰাণ দিব লাগিব ই অতি নিশ্চয়। "দেশৰ অৰ্থে প্ৰাণ দিম কিন্তু কাৰো প্ৰাণত আঘাত নিদিওঁ"—ঋষিকল্প মহাত্মা গান্ধীৰ এই মহাবাক্য সদায় মনত ৰাখি কাম কৰিলে ছাত্র জীৱন ধন্য হ'ব। নহলে শিক্ষা সমূলি নিষ্ফল হ'ব কাৰণ ঋষিসকলে কৈ গৈছে—"শাস্ত্রাণ্যধীত্যাপি ভৱন্তি মূৰ্খাঃ। যস্তু ক্রিয়াৱান পুৰুষঃ স ৱিদ্বান্।" ছাত্র জীৱনৰ উদ্দেশ্য মহৎ হ'ব লাগিব, আদর্শ উচ্চ হ'ব লাগিব, সঙ্কল্প দৃঢ় হ'ব লাগিব। "কাৰ্য্যংবাসাধয়েৎ শৰীৰং বা পাতয়েৎ"—ছাত্র জীৱনৰ কঠোৰ কৰ্ত্তব্য সাধন ব্ৰতৰ ইয়াকেই মহামন্ত্র কৰি ল'ব লাগিব।

কল্পনা ৰাজ্যৰ অধীশ্বৰ যদি কৱি হয়, ভাবময় জগতৰ অধিবাসী ছাত্র। জগতৰ যত যত সুন্দৰ আৰু মহান ভাব সকলো ছাত্র হৃদয়তেই স্থান পায়। আদৰ্শক হিয়াত সাৱটি সেই আদৰ্শৰ বাবে প্ৰাণ দিয়াৰ শক্তি ছাত্রৰেই সৱাতোকৈ অধিক। ছাত্র জীৱন বতাহৰ দৰে মুক্ত, স্ফটিকৰ দৰে উজ্জ্বল, লৱনুৰ দৰে কোমল, কিন্তু দৃঢ় সঙ্কল্পৰ বলত বজ্রতকৈ কঠিন। ক্ষুদ্র স্বাৰ্থৰ প্রলোভনে তেওঁলোকক বিচলিত কৰিব নোৱাৰে, কিয়নো তেওঁলোকৰ আশা অসীম সংসাৰ-জালত বান্ধ খোৱা নাই।

বৃদ্ধ সংসাৰীয়ে পুৰণিকে সাৱটি ধৰি থাকিব খোজে, কাৰণ নকৈ গঢ়িবৰ শক্তি তেওঁলোকৰ নাই। গলে সিয়োকণ পাবলৈ নাই এই ভাবতেই ভালে-বেয়াই তাতে তুষ্ট, তাকেই পৰম বস্তু বুলি লয়। সেই দেখি বুঢ়াৰ গান,—'অল্প লইয়া থাকি তায়, যাহা যায় তাহা যায়, কণাটুকু যদি হাৰায়, তা লয়ে প্ৰাণ কৰে হায় হায়।' বুঢ়াৰ প্ৰাণ কৃপণৰ ধন। তাক নিজেও ভোগ কৰিব নোৱাৰে, পৰক দিবও নোৱাৰে। কিন্তু ডেকাৰ মন অলপত তুষ্ট নহয়, কাৰণ হৃদয়ৰ আশা অতি বলৱতী। পুৰণিক অকাতৰে ধ্বংস কৰিব পাৰে, কাৰণ ভাঙি গঢ়িবৰ সামৰ্থ্য ডেকাৰ অসীম। জোৰা-খুন্দা দি ল'বৰ মন নকৰে কাৰণ সৌন্দৰ্য্য

জ্যোতিত ডেকাৰ সদায় পোহৰ। পুৰণিকে সত্য-সনাতন বুলি মানি ল'ব নোখোজে; কাৰণ শক্তিৰস্ত তৰুণ হৃদয়ত জগত সততে নতুন। ডেকাৰ হিয়া পুৰণি সংস্কাৰৰ বিৰুদ্ধে বিদ্রোহী হৈ উঠে—উশৃঙ্খল ভাবৰ প্ৰবোচনাত নহয়, উদ্বোধনী শক্তিৰ উদগনিতহে। যৌৱনেই প্ৰকৃত জীৱন। কলেজৰ ভিতৰত থকা মানে জীৱন সোণালীময়, এন্ধাৰৰ চিন-চাব নাই কিন্তু বি-এ পাছ কৰি বা নকৰি কলেজৰ বাজ হলেই অসীম এন্ধাৰ। তৰুণ ছাত্র-সঙ্ঘই সূৰ্য্যৰূপে এই এন্ধাৰ জীৱনত জেউতি চৰাই উদ্ভাসিত কৰিবৰ কাৰণে সকলো শক্তি কেন্দ্রীভূত কৰিব লাগিব।

সমগ্ৰ ভাৰতৰেই যদি আজি বিশেষ দুৰাৱস্থা, অসমৰ দুৰৱস্থা সৰাতকৈ অধিক তাক অসমীয়া মাত্ৰেই জনা উচিত। ডেকাই সৰ্ব্বতিকালে নৱ যুগৰ প্ৰৱৰ্ত্তক, ইয়াত সন্দেহ নাই। বেদ, পুৰাণ, ইতিহাস ইয়াৰ বিশিষ্ট প্ৰমাণ। যৌৱনৰ এই স্বৰ্গীয় ভাব আছে বুলিয়েই ছাত্র দেশবাসীৰ হিয়াৰ মাণিক, চকুৰ পুতলি, আশা-ভৰসাৰ কেন্দ্ৰস্থল। সহস্ৰ দোষ কৰিলেও ছাত্র ক্ষমাৰ পাত্র যদিহে সেই দোষ শক্তিৰ স্ফুৰণত, আকাঙ্ক্ষাৰ বলত, অপ্ৰতিহত উদ্যমৰ উদগণিত নাইবা বিবাদ বৈপৰীত্যৰ ফলত হয়, নহলে ছাত্ৰৰ কাপুৰুষতা, ছাত্ৰৰ কুটিলতা, ছাত্ৰৰ অশ্লীলতা আৰু মনৰ সঙ্কীৰ্ণতাৰ পৰা উদ্ভূত ছাত্ৰৰ দোষ অমাৰ্জ্জনীয়।

মোৰ ক'বলগীয়া ইমানতে ওৰ পৰিল কিন্তু অসমীয়া ছাত্ৰৰ প্ৰতি বিশেষকৈ দুষাৰমান নকলে মোৰ কৰ্ত্তব্যৰ ত্ৰুটী বৈ যাব। ছাত্র সন্মেলনৰ আজি ত্ৰয়োদশ অধিবেশন। দেশৰ সভা-সমিতিবোৰৰ যেনে খন্তেকীয়া জীৱন, তালৈ চাই তোমালোকে যে পূৰ্ণ উদ্যমেৰে এই সদানুষ্ঠান ইমান দিন জীয়াই ৰাখিব পাৰিছা ইয়াত তোমালোকৰ কৃতিত্ব ফুটি ওলাইছে। 'মিলন' পত্ৰিকাই ছাত্র মিলনৰ নিদৰ্শন দিছে, তাত ওলোৱা প্ৰৱন্ধাৱলীয়ে তোমালোকৰ সাহিত্যানুৰাগৰ পৰিচয় দিছে। অসম সাহিত্য-সভাৰ আগৰণুৱা অসম ছাত্র সন্মেলন; 'অসম সাহিত্য সভা পত্ৰিকাৰ' অগ্ৰজ 'মিলন' পত্ৰিকা। ছাত্ৰৰ পক্ষে ই কম গৌৰৱৰ কথা নহয়। এই দুটি কাৰ্য্যই দেশসেৱাৰ প্ৰতি তোমালোকৰ অকৃত্ৰিম অনুৰাগৰ প্ৰমাণ দিব। বঙ্গ দেশৰ দৰে সমৃদ্ধিশালী উন্নত দেশতো প্ৰাদেশিক ছাত্র সন্মেলন এখন নাছিল। এইবাৰহে তাৰ সূচনা হৈছে।

আজি সমগ্ৰ জগততেই 'তৰুণ সঙ্ঘৰ আৱিৰ্ভাব হ'বলৈ ধৰিছে কিন্তু গগণস্পৰ্শী হিমাচলৰ দাঁতিকাষৰীয়া পুণ্যধাম নীলাচলৰ চৰণাশ্ৰিত,' দেৱ নৰৰ

কাম্যভূমি কামৰূপত আজি তেৰ বছৰৰ আগেয়ে এই তৰুণ সঙ্ঘৰ জন্ম হয়। মোৰ আন্তৰিক কামনা যেন নিৰুপমা অসম জননীৰ সুযোগ্য সন্তান ছাত্ৰসকলে সকলো সামাজিক আৰু জাতীয় কল্যাণকৰ অনুষ্ঠানতেই আগৰণুৱা হৈ ফুৰিব পাৰে। নাপাহৰিবা য়ুৰোপৰ বহুতো সমৃদ্ধিশালী দেশতকৈ অসমৰ দেশৰ লোকসংখ্যা সৰহ। অষ্ট্ৰীয়া, নৰৱে, বেলজিয়ম, ডেনমাৰ্ক, গ্ৰীচ, হলণ্ড, পৰ্টুগাল, ছুইডেন, ছুইজাৰলণ্ড, য়ুৰোপীয় তুৰস্ক আদি দেশতকৈ অসমৰ জনসংখ্যা সৰহ অথচ সেইবোৰ দেশ সৰু হৈও সাহিত্য, বিজ্ঞান, বেহা-বেপাৰ আদি কামত জগতৰ ডাঙৰ জাতিবিলাকৰ সমকক্ষ হৈ চলিব পাৰিছে। ছুইজাৰলণ্ডৰ লোকসংখ্যা মুঠতে চাৰি লাখ কিন্তু তাত বিশ্ববিদ্যালয় সাতখন। অসমত এটি মাত্ৰ কলেজ তাতো সাধাৰণ শিক্ষা সৰ্ব্বাঙ্গীনকৈ দিয়াৰ ব্যৱস্থা নাই।

শৰীৰ সুস্থ আৰু সবল নহলে শিক্ষা কাৰ্য্যকৰী হ'ব নোৱাৰে। কৰি হৈও কালিদাসে কৈ গৈছে—"শৰীৰমাদ্যং খলু ধৰ্ম্মসাধনম্"। কিন্তু দুখৰ বিষয় শিক্ষাৰ গৰাকীসকলে সেই বিষয়ে চকু দিয়া দেখা নাযায়। কুঁহিয়াৰৰ দৰে পৰীক্ষাৰ শালত চেপি শৌৰ্য্য-বীৰ্য্য সকলো নষ্ট কৰি, অযথা বিধি-নিষেধৰ দ্বাৰাই মনুষ্যত্ব নাশ কৰি নিৰুপায় আৰু অকৰ্ম্মণ্য কৰি সংসাৰত মেলি দি ইংৰাজৰ শাসনৰ উপকাৰিতাৰ গৌৰৱ কৰে। আমিও তাতে হয়ভৰ দিওঁ। ইয়াতকৈ পৰিতাপৰ কথা কি হ'ব পাৰে! কৰ্তৃপক্ষৰ আওকাণ স্বত্বেও মনৰ বল থাকিলে তোমালোকে নিজেই শৰীৰ ৰক্ষা কৰি চলিব পাৰিবা। ছাত্ৰ সম্মেলনৰ যোগেদি হোৱা চিলাৰায় উৎসৱ, লাচিত উৎসৱ আদি বীৰ-পূজাৰ আয়োজনে মনত আশাৰ সঞ্চাৰ কৰিছে। তোমালোকেও বলৱান আৰু বীৰ্য্যৱান হ'বা। এই উৎসৱ যাতে কেৱল দেখাত শোভন নহৈ কাৰ্য্যত শোভন আৰু সুন্দৰ হয় তালৈ চকু ৰাখি কাম কৰিলে দেশৰ মহৎ উপকাৰ হ'ব।

ফুটবল খেলি শদিয়াৰ পৰা ধুবুৰীলৈ আহি গৈ থাকোঁতে যদি পঢ়াৰ ব্যাঘাত নহয়, এখন্তেক দেশসেৱা কৰোঁতে ছাত্ৰ জীৱন ব্যৰ্থ হ'ব বুলি দঢ়াই কলেও মানি লোৱা উচিত নহ'ব। দোল-দুৰ্গোৎসৱ আদি ধৰ্ম্মানুষ্ঠানত যোগ দিয়াত যদি ছাত্ৰৰ কৰ্ত্তব্য ব্যাঘাত নহয়, কংগ্ৰেছ আদি স্বদেশী মহানুষ্ঠানত যোগ দিলেও ছাত্ৰ-জীৱন নিষ্ফল হ'ব নোৱাৰে বুলি স্থিৰ বিশ্বাস কৰি ল'ব লাগিব। কলেজৰ নিয়ম মানিও অন্যায় আদেশৰ ঘোৰ প্ৰতিবাদ নিৰ্ভয় চিত্তে কৰা ছাত্ৰৰ একান্ত কৰ্ত্তব্য বুলি ধৰি ল'ব লাগিব। ক্ষুদ্ৰ স্বাৰ্থ হানিৰ

আশঙ্কাত মনৰ স্বাধীনতা বিসৰ্জ্জন দিলে ধৰ্ম্মত ঘাটি হ'ব লাগিব। ভাৰতৰ আন ছাত্ৰৰ লগত যোগাযোগ ৰাখি তেওঁবিলাকৰ সমকক্ষ হৈ অসম মাতৃৰ গৌৰৱ ৰক্ষা কৰিব লাগিব।

সামান্য চাকৰিৰ আশাত, কলেজৰ পৰা খেদা খোৱাৰ ভয়ত অন্তৰৰ মহত্ত্ব বিসৰ্জ্জন দি লাঞ্ছিত জীৱনৰ লাঞ্ছনা চুনাই নবঢ়াবা। সত্যক জানিও অনুৰোধ বা আদেশত, আন কি নিৰ্য্যাতনৰ ভয়ত অসত্য আৱৰণ নকৰিবা। আত্মশক্তি লোপ নকৰিবা। এতিয়াৰে পৰা ভিক্ষা-বৃত্তিক প্ৰশ্ৰয় দি হিয়া আৰু মনক হীন মগনিয়াৰ কৰি আত্মাৰ আৰু মনুষ্যত্বৰ অৱমাননা নকৰিবা।

শুনিবলৈ পাওঁ—আজিকালি ৰছাত্ৰ বৰ উশৃঙ্খল। শুনিবলৈ পাওঁ- আজি-কালিৰ ছাত্ৰই গুৰুজনক ভক্তি নকৰে, বয়োজ্যেষ্ঠক সন্মান নেদেখুৱায়। এই কথা সঁচা হলেও সম্পূৰ্ণৰূপে সঁচা বুলি আমি মানি ল'ব নোখোজোঁ, কিন্তু যি পৰিমাণে সঁচা তাৰ বাবে ছাত্ৰ ঘাইকৈ দায়ী হলেও আনবো এই দায়ত ভাগ আছে বুলি আমাৰ বিশ্বাস। বৰ্ত্তমান শিক্ষা-পদ্ধতি ইয়াৰ বাবে সৰহ ভাগ দায়ী বুলি আমি ক'ব খোজোঁ। অনুপযোগী, জাতীয়তাশূন্য শিক্ষাৰ ফলত উপযুক্ত ছাত্ৰ হ'ব কেনেকৈ ? মনু, ইক্ষাকু মান্ধাতাৰ দিনৰ পুথিকেইখনকেই বুকুত বান্ধি, তাৰ বিধি-নিষেধেৰে ছাত্ৰক চলাবলৈ বিচাৰিলে বা কলিত সত্য প্ৰৱৰ্ত্তাবৰ চেষ্টা কৰিলে কাৰ্য্য নষ্টৰ ফলত মনোকষ্ট পাবই লাগিব। বিদেশী শিক্ষাৰে স্বদেশ গঢ়ি তুলিব খুজিলে বেমেজালি ঘটিবই। তুমি আমি অচল হলোঁ বুলিয়েই পৃথিৱীৰ গতি ৰোধ কৰিবলৈ বিচাৰিলে বাতুলতাৰ প্ৰমাণ দিয়া হ'ব। ছাত্ৰকো কওঁ—স্থিতিশীলতা আৰু গতিশীলতাৰ সামঞ্জস্য কৰি চলিব নোৱাৰিলে বিপদ হ'ব পাৰে। স্থিতি-গতিৰ সমাবেশত বুঢ়া-ডেকা দুয়োৰো সমান ঠাই আছে।

"শীলবৃত্তফলং শ্ৰুতম" এই শাস্ত্ৰ বচন ছাত্ৰৰ বীজ-মন্ত্ৰ হোৱা উচিত। শ্ৰুতি অৰ্থাৎ শিক্ষাৰ ফল চৰিত্ৰৱান আৰু অৰ্থোপাৰ্জ্জনক্ষম হোৱা। চৰিত্ৰই মানুহৰ প্ৰধান বল। "বিদ্যা দদাতি বিনয়ম্"—সদায় শুনা এই সজ কথা মানি চলিবই লাগিব, নহলে বিদ্বান বুলি কেতিয়াও পৰিচয় দিব নোৱাৰিবা। সকলো কৰা কিন্তু ব-চেৰা নহবা। যতে থাকা, যিহকে কৰা আইৰ দুখলৈ নাপাহৰিবা। আইৰ দুখ গুচাবৰ শক্তি তোমালোকৰ আছে। সেই শক্তি উপলব্ধি কৰিবৰ কাৰণে সংযত চিত্তে সদায় অহোপুৰুষাৰ্থ কৰিবা। সেই শক্তি পাবৰ কাৰণে ঈশ্বৰক সততে প্ৰাৰ্থনা কৰিবা। সেই শক্তি অযথা ক্ষয় নকৰি সৰ্ব্ব

উপায়ে সঞ্চয় কৰিবৰ চেষ্টা কৰিবা আৰু উচিত সময়ত উচিতমতে সেই শক্তি প্ৰয়োগ কৰিবা। সমৱেত শক্তিৰ প্ৰভাপ প্ৰবল জানি ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰিও নিজৰ মত এৰা-ধৰা কৰিও সমূহ অসমীয়া ছাত্ৰ একমত হৈ চলিবৰ একান্ত চেষ্টা কৰিবা। ছাত্ৰ জীৱনত সৰু-ডাঙৰ, ধনী-নিৰ্ধনী, বিদ্বান-মূৰ্খ আদি ভিন ভাব দূৰ কৰি সকলো এক মাতৃৰ সন্তান ভাবি, চেনেহৰ ভাই-ককাই বুলি মানি, প্ৰীতিৰ বান্ধোনত, একতাৰ বান্ধোনত বান্ধ খাই দেশৰ কল্যাণৰ অৰ্থে চলিবা। দোষ পৰিহৰি গুণৰ বিচাৰ কৰি গুণগ্ৰাহী হ'বা। অসমৰ ছাত্ৰৰ নাম খ্যাত কৰিবা।

ভাৰত মহাযুদ্ধতো সহায় কৰিবৰ শক্তি-সামৰ্থ্য অসমৰো এদিন আছিল, খন্তেকলৈকো নাপাহৰিবা। গৌৰৱময় অতীতক মনত ৰাখি, বৰ্ত্তমান দুৰৱস্থালৈ চাই ভৱিষ্যত গঢ়ি তুলিবৰ প্ৰবল আকাঙ্ক্ষা অন্তৰত জগাই তুলিবা। প্ৰাণপণে দাসত্ব মোচনৰ চেষ্টা কৰি ছাত্ৰ জীৱন সাৰ্থক কৰা, দেশবাসীৰ শলাগৰ পাত্ৰ হোৱা, জননীৰ গৌৰৱ বঢ়োৱা, জগতৰ আদৰ্শ হোৱা. এয়ে মোৰ সৰল গোহাৰি। ভগৱন্তই ইয়ালৈ তোমালোকক পৰম শক্তিমন্ত কৰক এয়ে মোৰ তেওঁৰ ওচৰত একান্ত প্ৰাৰ্থনা।

যুত কৃষ্ণকান্ত সন্দিকৈ

চতুৰ্দ্দশ ভাষণ

সভাপতি :—শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ

গোলাঘাট :—১৯৩০

সমৱেত ভদ্ৰমণ্ডলী আৰু ছাত্ৰ বন্ধুসকল! অসম ছাত্ৰ সন্মিলনৰ চতুৰ্দ্দশ অধিৱেশনৰ সভাপতিৰ বাব মোক দিয়া বাবে আপোনালোকৰ ওপৰত আজি কৃতজ্ঞতা জনাইছোঁ। আপোনালোকে দুবাৰ মোক সভাপতি হ'বৰ বাবে অনুৰোধ কৰিছে। প্ৰথম বাৰ মান্তি নোহোৱাৰ কাৰণ এই যে সন্মিলন হ'বৰে পৰা অসমৰ বাহিৰৰ বিদ্বান আৰু বিজ্ঞ লোকসকলক ইয়াৰ সভাপতি পাতি ভাৰতৰ আন আন প্ৰদেশৰ লগত অসমৰ প্ৰীতি আৰু সম্ভাৱ বঢ়োৱা এই সন্মিলনৰ এটা উদ্দেশ্য হৈ আহিছে। এই উদ্দেশ্য যাতে আগলৈকো যিমান দূৰ পৰা যায় ৰক্ষা কৰা হয়, তাৰ কাৰণে আপনোলোকে যত্ন কৰিব বুলি আশা কৰিলোঁ।

যোৱা ১০।১২ বছৰৰ ভিতৰত ভাৰতবৰ্ষত নানা আন্দোলন আৰু পৰিৱৰ্ত্তনৰ ঢৌ উঠিছে, মানুহৰ মতে নতুন ভাব আৰু নতুন আশা আকাঙ্ক্ষা উদয় হৈছে। এই সময়ৰ ভিতৰত আপোনালোকৰ নিয়মাৱলীৰ বিশেষ একো সালসলনি নহলেও আপোনালোকৰ মনৰ ভাবৰ যে নানা ৰূপান্তৰ হৈছে সেই বিষয়ে সন্দেহ নাই। কিন্তু যিবিলাক আধুনিক দেশত বিদেশী পাশ্চাত্য সভ্যতাৰ আমদানী হৈছে তাৰ ভিতৰত ভাৰতবৰ্ষত ভাবৰ সাল-সলনি হোৱাত বাস্তৱতে বৰ লেহেম হৈছে। ইয়াৰ কাৰণ অৱশ্যে বহুত। কিন্তু এটা প্ৰধান কাৰণ হৈছে যে যিবিলাক দেশতে নতুন ভাবৰ আঘাত উঠে, সেইবিলাক দেশত পৰিৱৰ্ত্তন বেছি বেগেৰে হৈছে আৰু অধিক পৰিমাণে সফল হৈছে।

আজি ছাত্ৰ সমাজৰ আগত জয়েজয়ে এই কথা উত্থাপন কৰাৰ কাৰণ এই যে ভাবৰ যি ঘাত-প্ৰতিঘাতৰ কথা কোৱা হৈছে তাৰ প্ৰথম জিলিঙনি সকলো ঠাইতে ছাত্ৰ সমাজেই আগেয়ে পায় আৰু ছাত্ৰ সমাজৰ ওপৰত সি

যি প্ৰভাৱ বিস্তাৰ কৰে তাৰ ওপৰত জাতীয় অৱস্থাৰ ক্ৰমবিকাশৰ স্বৰূপ আৰু প্ৰকৃতি অনেক পৰিমাণে নিৰ্ভৰ কৰে। ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ ৰুছ সাহিত্য আলোচনা কৰিলে ছাত্ৰ আৰু শিক্ষিত যুৱকসকলৰ মনত পশ্চিম য়ুৰোপৰ সভ্যতাই পোনতে যি ভাবৰ হেন্দোলনি জন্মাইছিল তাৰ আভাস পোৱা যায়। তেতিয়াও পশ্চিমীয়া সভ্যতা ৰুছ দেশত সোমাবৰ বেছি দিন হোৱা নাছিল। কিন্তু অতি কম সময়ৰ ভিতৰতে শিক্ষিত ডেকাসকলৰ মাজত এই নতুন সভ্যতা আৰু ভাবৰাশিৰ প্ৰবল উৎসাহপূৰ্ণ সমালোচনা হৈছিল। জাৰ্ম্মান দাৰ্শনিক হেগেলৰ জাতি আৰু ৰাষ্ট্ৰ সম্পৰ্কীয় মতবিলাক শিক্ষিত ডেকাসকলে কি অসীম আগ্ৰহ আৰু উৎসাহেৰে অনবৰত আলোচনা কৰিছিল তাক বিখ্যাত লিখক টুৰ্গেনেভে বৰ্ণাই গৈছে। পাশ্চাত্য সভ্যতা আৰু ৰুছ দেশৰ নিজৰ শ্লাভ সভ্যতাৰ গুণাগুণ কি সেই বিষয়ে নানা আলোচনা আৰু বাদ-প্ৰতিবাদ আৰম্ভ হৈছিল। ইয়াৰ ফলত দুদল মানুহৰ আৱিৰ্ভাব হৈছিল। এদল শ্লাভ সভ্যতাৰ পক্ষপাতী আৰু ইদলৰ নাম 'জাপাদনিকি' বা পশ্চিমীয়া দল। দুয়োদল জাতীয় ভাবৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। পশ্চিম য়ুৰোপৰ সভ্যতা কি প্ৰণালীৰে অৱলম্বন কৰিলে জাতীয় মৰ্য্যাদা আৰু জাতীয় অভ্যুদয় দুয়োটা অক্ষুণ্ণ থাকে তাক বিচাৰ কৰাই তেওঁবিলাকৰ উদ্দেশ্য আছিল। এই আন্দোলনৰপৰা পাশ্চাত্য সভ্যতাৰ সংঘৰ্ষত ৰুছ ছাত্ৰ আৰু শিক্ষিত ডেকাসকলৰ মাজত যি ভাবৰ ঢৌ উঠিছিল তাক সহজে বুজিব পাৰি। অলপ দিনৰ ভিতৰতে ৰুছ দেশত যিবিলাক পৰিৱৰ্ত্তন আৰু আন্দোলন হৈছে তাৰ মূলতে এই ভাবৰ ঘাত-প্ৰতিঘাত। ইয়াত সেই বিষয়ে বহলাই ক'ব নোৱাৰি। ভাৰতবৰ্ষত কিন্তু যেতিয়া পাশ্চাত্য সভ্যতা সোমাল তেতিয়া প্ৰায় সকলোৱেই তাক দেৱতাৰ বৰ বুলি গ্ৰহণ কৰিলে ; তাৰ কোনটো আচল, কোনটো নকল তাক কোনেও বিচাৰ নকৰিলে। এই অৱস্থা এতিয়াও কম-বেছি পৰিমাণে চলি আছে, নহলে জাতীয় জীৱনত কিছুমান ডাঙৰ ডাঙৰ পৰিৱৰ্ত্তন দেখা গ'ল-হেঁতেন। এপাট কাঁৰ যদি এটা শিলৰ ওপৰত পৰেহি তেনেহলে সি তাত এটা চিন বহুৱাই উফৰি পৰিব, কিন্তু বোকাত পৰিলে তৎক্ষণাত লাগি ধৰিব। তেজী সবল মন আৰু দুৰ্ব্বল নিৰ্জ্জীৱ মনৰ পাৰ্থক্য ইয়াতে। পাশ্চাত্য ভাব আৰু চিন্তাৰ সমকক্ষ কোনো প্ৰবল ভাবৰ প্ৰতিঘাত নোহোৱাত পাশ্চাত্য সভ্যতাই আমাৰ ওপৰত অনেক প্ৰভাৱ বিস্তাৰ

কৰিছে, কিন্তু সামাজিক আৰু জাতীয় জীৱন সবল কৰিবৰ কাৰণে আমি তাক আয়ত্ত কৰি নিজৰ বশ কৰি ল'ব পৰা নাই। আমাৰ ছাত্র সমাজৰ দায়িত্ব এই কাৰণেই বৰ গধুৰ। প্রাচ্য আৰু পাশ্চাত্য ভাবৰ সংঘৰ্ষত জাতীয় আদর্শ গঠন কৰি তুলিবলৈ হলে ছাত্র সমাজৰ মাজেদিয়েই তাৰ প্রথম বিকাশ হ'ব লাগিব। এই কাৰণেই ছাত্র জীৱনত স্বাধীন চিন্তা, নির্ব্বাচন ক্ষমতা আৰু জাতীয় আত্মবোধৰ প্রভাৱ আৰু উপকাৰিতা সকলোৱে স্বীকাৰ কৰে।

ব্যক্তিগত লাভালাভৰ ওপৰত এটা জাতীয় মর্য্যাদা আৰু আত্মসন্মান আছে, উপাধিতকৈয়ো ওপৰত এটা চৰিত্রৰ গৌৰৱ আৰু জ্ঞানৰ গৌৰৱ আছে, খোৱা-পিন্ধাৰ বাহিৰেও কিছুমান চিৰন্তন সত্য আৰু অশৰীৰী মূল্য (Spritual values) আছে—এইবিলাক আদর্শৰ অনুশীলন কৰাও ছাত্র-জীৱনৰ লক্ষ্য বুলি বোধ হয়। অন্ততঃ ছাত্র জীৱনতে যে তাৰ সাধনা কৰিবলৈ আটাইতকৈ বেছি সুবিধা, তাত সন্দেহ নাই। কালৰ সোঁতত আদর্শৰ বেছি ভাগ উটি গ'লেও যি দুটা এটা ফিৰিঙতি বাকী থাকিব সিয়েই আমাৰ জাতীয় আৰু সামাজিক জীৱন পৱিত্র কৰিব যেন লাগে। এই আদর্শৰ খাতিৰতে অনেকে শিক্ষাৰ ব্যৱস্থাত জ্ঞানতকৈ চৰিত্র আৰু ব্যক্তিত্বৰ বিকাশৰ ওপৰত বেছি ভৰ দিয়ে। প্রাচীন যুগত প্রভাৱশালী লেটিন লিখক কুইন্টিলিয়ানে শিক্ষাত জ্ঞানৰ প্রেৰণাতকৈ চৰিত্রৰ সাধন বেছি মূল্যৱান বুলি ভাবিছিল। আধুনিক যুগত জাৰ্ম্মান দার্শনিক নিটচেই যেতিয়া জাৰ্ম্মানীৰ বিৰাট শিক্ষা-ব্যৱস্থা আৰু জ্ঞান-সাধনা কোনো কামৰ নহয় বুলি প্রবল আক্রমণ কৰে তেতিয়া তেওঁ এই চৰিত্র আৰু ব্যক্তিত্বৰ বিকাশেই সৰ্ব্বমূল বুলি ঘোষণা কৰিছিল। নিটচেৰ সকলো মত সম্পূর্ণ-ভাৱে গ্রহণ কৰা টান হলেও আধ্যাত্মিক শক্তি আৰু নৈতিক প্রেৰণাৰ কাৰণে তেওঁৰ উচ্ছ্বাসপূর্ণ গদ্যই জাৰ্ম্মান সাহিত্যত ওখ ঠাই লাভ কৰিছে।

বাস্তৱতে এই ব্যক্তিত্বৰ বিকাশ নহলে কোনো উচ্চ আদর্শৰ লক্ষ্য ৰাখিব নোৱাৰি। খোৱা-পিন্ধা আৰু সংসাৰৰ যাত্রা—ইয়াৰ বাহিৰে যি আন কোনো ভাবৰ প্রেৰণা অনুভৱ নকৰে অথবা তাৰ আৱশ্যকতা বোধ নকৰে তেওঁৰ এটা স্বতন্ত্র ব্যক্তিত্ব আছে বুলি ক'ব নোৱাৰি। ব্যক্তিত্বৰ বিকাশ নহলে আদর্শৰো আৱশ্যক নাই। আদর্শ এটা আহুকলীয়া বস্তু। আদর্শই নতুন নতুন ভাব আৰু অনুভূতিৰ সোঁত বোৱাই আহুকাল,

অসন্তোষ আৰু আন কি বিপ্লৱৰ সৃষ্টি কৰে ; কিন্তু ইয়াতে প্ৰাণৰ স্পন্দন আৰু জাতীয় জীৱনৰ হেন্দোলনি আৰম্ভ হয়।

ভাৰতবৰ্ষৰ ছাত্ৰ সমাজৰ কালে চালে আজি এনে বোধ হয় যেন তেওঁবিলাকৰ ভিতৰত এটা নতুন আত্মসন্মান আৰু জাতীয় মৰ্য্যাদাৰ বোধ আৰম্ভ হৈছে, কোনো অযথা অপমান সহ্য নকৰিবলৈ তেওঁবিলাকে যেন দৃঢ়সঙ্কল্প কৰিছে। চৰিত্ৰৰ বল আৰু নিঃস্বাৰ্থ ভাব থাকিলে ছাত্ৰৰ সকলো সময়তে জয় হ'ব তাত সন্দেহ নাই।

চৰিত্ৰৰ বলৰ লগত শাৰীৰিক বলৰ সম্পৰ্ক আছে। এই বিষয়ে আমাৰ বিশ্ববিদ্যালয়বিলাক সম্পূৰ্ণ উদাসীন। জাৰ্ম্মানীৰ প্ৰত্যেক বিশ্ববিদ্যালয়তে নানা কুস্তি, জাপানী যুযুৎসু বিদ্যা, 'বক্সিং' মালযুঁজ আদিৰ ব্যৱস্থা আছে। ইয়াৰ কাৰণে স্বকীয়া শিক্ষক আৰু ডাক্তৰ ৰখা হয়। তৰোৱাল খেল ফৰাচী ছাত্ৰবিলাকৰ এটা বিশেষত্ব। অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব পৰাটো য়ুৰোপীয় ছাত্ৰৰ পক্ষে এটা সাধাৰণ কথা। আমাৰ দেশত কিন্তু বৈজ্ঞানিক প্ৰণালীৰে ডন-বৈঠক কৰিব পাৰিলেও শাৰীৰিক শিক্ষা সম্পূৰ্ণ হয় বুলি অনেক ডাঙৰ লোকে ভাবে। কিন্তু যি শাৰীৰিক শিক্ষাই আমাক ব্যক্তিগত আৰু জাতীয় আত্মৰক্ষাত সহায় নকৰে তেনে শিক্ষাৰপৰা আমাৰ একো লাভ নহয়। লাঠি খেল, যুযুৎসু, তৰোৱাল খেল, অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ, ফুটবল বা টেনিচতকৈ বেছি লাগতিয়াল। এইবিলাক বিদ্যা ভাৰতীয় ছাত্ৰই শিকিলে কাৰ কি অপকাৰ হ'ব বুজিব নোৱাৰি। য়ুৰোপীয় ছাত্ৰৰ তুলনাত ভাৰতীয় ছাত্ৰ নিৰ্জু আৰু জুকলা। য়ুৰোপীয় ছাত্ৰ সবল, স্বাস্থ্যৱান আৰু যুঁজাৰু। জাৰ্ম্মান ছাত্ৰসকলৰ ভিতৰত উৰণীয়া চৰাই বুলি এটা আন্দোলন চলাৰ কথা অনেকে শুনিছে। এদল এদল ছাত্ৰ জুম বান্ধি জাৰ্ম্মানীৰ বেলেগ বেলেগ ঠাইত খোজকাঢ়ি ভ্ৰমণ কৰে। এই আন্দোলনৰ এটা জাতীয় উপযোগিতা আছে। যিসকল ছাত্ৰ এতিয়া হাবিয়ে-বননিয়ে বাটকুৰি বাই ফুৰিছে, ভৱিষ্যৎ যুদ্ধত তেওঁবিলাক যে ভাল পদাতিক সেনা হ'ব সেই বিষয়ে সন্দেহ নাই। শাৰীৰিক উৎকৰ্ষ সাধনাৰ লগত জাতীয় মৰ্য্যাদা আৰু চৰিত্ৰৰ বল জড়িত আছে। এই বিষয়টো বিশ্ববিদ্যালয়ে উচ্চ শিক্ষাৰ এটা প্ৰধান অঙ্গ বুলি ধৰি উপযুক্ত ব্যৱস্থা কৰা উচিত। শাৰীৰিক সাধনাৰ লগত জাতীয় অস্তিত্বৰ ঘনিষ্ঠ সম্পৰ্ক আছে বুলিয়েই প্ৰাচীন গ্ৰীচৰ অলিম্পিক খেলবিলাক গ্ৰীক্ জাতীয়-জীৱনৰ এটা প্ৰধান

উপাদান হৈছিল। অলিম্পিক খেলত জয়লাভ কৰা বীৰবিলাকৰ গম্ভীৰ জয়গাথা ৰচনা কৰি গ্ৰীক্ গীতিকবি পিন্দাৰ বিশ্বসাহিত্যত অমৰ হৈছে। গ্ৰীক্ নাট্যকাৰ য়ুৰিপিডিচে শাৰীৰিক বল আৰু চৰিত্ৰৰ বলৰ অপূৰ্ব সমাবেশ পৱিত্ৰ বীৰ হিপলিটাচৰ চৰিত্ৰত অমৰ লেখনীৰে আঁকি গৈছে। মহাকৱি ভাৰবীৰ কাব্য পঢ়িলে দেখা যাব অৰ্জুনে অকল তপস্যাৰে মহাদেৱক সন্তোষ দিব নোৱাৰিলে। প্ৰথমে চৰিত্ৰৰ বলেৰে প্ৰলোভনকাৰিণী অপেচৰাক আৰু পাছত কিৰাতৰূপী মহাদেৱক বাহুবলেৰে জয় কৰিহে দেৱতাৰ তুষ্টি সাধিলে। এই কাৰণেই কৱিয়ে এনেইত কৈছে যে তপস্যাতকৈযো অৰ্জুনৰ 'সত্ব' অৰ্থাৎ নৈতিক মৰ্য্যাদা আৰু শাৰীৰিক বীৰত্বৰ সমাবেশ দেখিহে মহাদেৱে বৰ পালে। এই জাতীয় অভ্যুত্থানৰ দিনত জাতিৰ পক্ষে এনে আদৰ্শৰ মূল্য সহজে বুজিব পাৰি।

বৰ্ত্তমান শিক্ষা প্ৰণালীৰ বিষয়েও দুটা এটা কথা কলে বেয়া নহ'ব। য়ুৰোপীয় আৰু ভাৰতীয় শিক্ষাৰ আটাইতকৈ ডাঙৰ পাৰ্থক্য হৈছে স্কুলীয়া শিক্ষাত। পশ্চিম য়ুৰোপৰ স্কুলবিলাকত আমাৰ বি এতকৈ ওখ ধৰণৰ শিক্ষা দিয়া হয়, উচ্চ শিক্ষাৰ কাৰণে বিশ্ববিদ্যালয়লৈ নগলেও হয়। ইংলণ্ডৰ স্কুলবিলাকত ছেক্সপীয়েৰ ভালকৈ পঢ়োৱা হয়। ইতিহাসত বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ ডিগ্ৰী পৰীক্ষাৰ কাৰণে পঢ়া অনেক কিতাপ স্কুলীয়া ল'ৰাই পঢ়িব লাগে। গ্ৰীক্ আৰু লেটিনৰ পাঠ্য আমাৰ বি এৰ সংস্কৃততকৈ বেছি। বিজ্ঞান ৰীতিমতে পঢ়িব লাগে। জাৰ্ম্মানীত প্ৰাচীন, আধুনিক আৰু বৈজ্ঞানিক এই তিনি বিধ শিক্ষাৰ যেই সেই এটাবিধক প্ৰধান বুলি ধৰি লৈ বেলেগ বেলেগ ৰুচিৰ ছাত্ৰৰ কাৰণে বেলেগ বেলেগ ধৰণৰ স্কুল পতা হৈছে। তাত স্কুলীয়া শিক্ষাৰ পয়োভৰ আৰু বেছি। অৱশ্যে নিজৰ ভাষাতে সকলোবিলাক পঢ়িব লাগে বুলি য়ুৰোপীয় ছাত্ৰই আমাতকৈ বেছি সুবিধা পায়। কিন্তু য়ুৰোপত স্কুলীয়া শিক্ষাৰ মূলমন্ত্ৰটোৱেই বেলেগ। আমাৰ কলেজবিলাকৰ দুটা এটা শ্ৰেণী নি স্কুলত জাপি দিলেই আমি তেনে শিক্ষা পাম বুলি আশা কৰিব নোৱাৰি। য়ুৰোপত বিশ্ববিদ্যালয়ৰ শিক্ষা নহলেও যাতে স্কুলীয়া শিক্ষাৰেই মানুহ শিক্ষিত হ'ব পাৰে তাৰ ওপৰত লক্ষ্য ৰাখি স্কুলীয়া শিক্ষাৰ দিহা কৰা হৈছে। আন পক্ষে কিন্তু বিশ্ববিদ্যালয়বিলাকত ডিগ্ৰীৰ কাৰণে আমাৰ ইয়াতকৈ যে বেছি পঢ়োৱা হয়, সি নহয়। কিন্তু স্কুলতে পৰিপক্ক হৈ যোৱাৰ কাৰণে তাৰ ছাত্ৰই বিশ্ববিদ্যালয়ৰ শিক্ষা

আমাতকৈ ভালকৈ আয়ত্ত কৰিব পাৰে। অনেকৰ পক্ষে বিশ্ববিদ্যালয়ৰ শিক্ষা স্কুলীয়া শিক্ষাৰ এটা উন্নত ধৰণৰ পুনৰভ্যাস আৰু সংস্কৰণ স্বৰূপ হয়। কোনোৱে আকৌ ওখ খাপৰ জ্ঞান সাধনা আৰু গৱেষণা প্ৰণালী শিকিবলৈ সুবিধা পায়।

এইবিলাক কাৰণতে সাধাৰণ ক্ষমতাৰ ভাৰতীয় ছাত্ৰয়ো য়ুৰোপীয় বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ উপাধি লৈ আহিবলৈ টান নাপায়। য়ুৰোপৰ ডিগ্ৰী পৰীক্ষাবিলাক আমাৰ ইয়াতকৈ টান নহয়, কিন্তু পৰীক্ষা টান বা উজু হোৱাৰ লগত শিক্ষাৰ সাৰ্থকতাৰ পাৰ্থক্য নাই। য়ুৰোপত এফালে উচ্চ-শিক্ষা স্কুলীয়া শিক্ষাৰ শকত আৰু সুদৃঢ় ভেটিৰ ওপৰত প্ৰতিষ্ঠিত আৰু আনফালে এটা তাকৰীয়া নিৰ্ব্বাচিত দলে জ্ঞান চৰ্চ্চা আৰু গৱেষণা আৰম্ভ কৰে। ডিগ্ৰী লোৱাৰ পিছত সি এটা জীৱনব্যাপী সাধনা হৈ থাকে। এনে-স্থলত মাজতে ধৰি তাৰ শিক্ষাৰ এক অংশৰ চাব লৈ অহাটো একো টান নহয়। আমাৰ জাতীয় গঠনৰ কাৰণে সজুলি বিচাৰোঁতে সাধাৰণ শিক্ষাৰ বিষয়ত য়ুৰোপীয় শিক্ষাৰ এই গুৰিটোলৈহে বেছি মন দিব লাগে। ওখ খাপৰ জ্ঞান-গৱেষণা সকলো দেশতে তাকৰীয়া মানুহৰ কাম। অধ্যৱসায়, মগজ আৰু মনৰ নতুনত্ব থাকিলে তাৰ বাট আপোনাআপুনি মুকলি হ'ব বুলি বোধ হয়। কিন্তু সাধাৰণ শিক্ষাৰ ভেটি নিজে স্থাপন কৰি নলৈ আনক কৰিবলৈ দিয়াৰপৰা বিপৰীত ফল হৈছে।

য়ুৰোপৰ স্কুলীয়া শিক্ষা উন্নত হলেও যিবিলাক বিশ্ববিদ্যালয়লৈ যাব নোৱাৰে তেওঁবিলাকৰ কাৰণে বিশ্ববিদ্যালয়ে এটা নতুন ধৰণৰ শিক্ষাৰ দিহা কৰিছে। ইয়াকে বিশ্ববিদ্যালয়ৰ বাহিৰা শিক্ষা (Extramural Studies) বোলে। ইংলণ্ডৰ প্ৰায়বিলাক বিশ্ববিদ্যালয়ে ওচৰৰ ঠাইবিলাকত প্ৰশিক্ষন শ্ৰেণী (Tutorial Class) পাতে। যিবিলাকে স্কুল এৰি কামে-কাজে সোমাইছে বা কোনো ব্যৱসায়ত লাগিছে আৰু যাৰ ডিগ্ৰী লোৱাৰ আৱশ্যক নাই; তেওঁবিলাকৰ কাৰণে এই শ্ৰেণীবিলাক খোলা হৈছে। সহজ, সৰল ভাষাত সাহিত্য, বিজ্ঞান, দৰ্শন আদি বেলেগ বেলেগ বিষয়ত ওখ খাপৰ শিক্ষা দিয়া হয়। বিশ্ববিদ্যালয়ত পঢ়োৱা বিষয়বিলাক আজৰিৰ সময়ত সাধাৰণে বুজিব পৰাকৈ অনাৱশ্যক অংশ বাদ দি শিকোৱা হয়। আজি-কালি এই-বিলাক শ্ৰেণীৰ উপযোগী পাঠ্য-পুথিও ওলাবলৈ ধৰিছে। অহা ১০।১২ বছৰৰ ভিতৰত এইবিধ শিক্ষাৰ কাৰ্য্য-সীমা আৰু বাঢ়িব বুলি শুনা গৈছে। পেৰিছ

বিশ্ববিদ্যালয়ত ছাত্ৰক দিয়া কোনো কোনো বক্তৃতাত জনসাধাৰণক এনেয়ে সোমাবলৈ দিয়া হয়। ফৰাচী সাহিত্যৰ বিষয়ে ভাল বক্তৃতা থাকিলে বাহিৰা মানুহো ছাত্ৰৰ লগতে শ্ৰেণীলৈ আহে। নামমাত্ৰ মাচুল দি য়ুৰোপৰ প্ৰায়বিলাক বিশ্ববিদ্যালয়তে ছাত্ৰৰ শাৰীত নোসোমোৱাকৈয়ো অনেক বক্তৃতা শুনিব পাৰি। তাত বহুতে উচ্চ-শিক্ষাৰ আৱশ্যকতা বোধ কৰে, কিন্তু উপাধি নিবিচাৰে। এইবিলাক কথাৰ মূলতে এটা জাতীয় আদৰ্শৰ প্ৰেৰণা দেখিবলৈ পোৱা যায়। সংসাৰ-যাত্ৰা আৰম্ভ কৰাসকলক আকৌ শিক্ষা কেলেই, এই কথা আমাৰ দেশত অনেকে বুজিবলৈ টান পাব। কিন্তু আমি আগেয়েই কৈছোঁ যে আদৰ্শ এটা আত্নকলীয়া বস্তু। চকুৰে নেদেখা আৰু হাতৰ মুঠিৰে ধৰিব নোৱাৰা বহুত বস্তুৰ কাৰণে ই এটা আগ্ৰহ জন্মায়।

ৰাজহুৱা শিক্ষা-প্ৰণালীৰ কথা এৰি দিলেও ছাত্ৰ অৱস্থাত সকলোৱে ব্যক্তিগত শিক্ষাৰ এটা মূল সূত্ৰ অনুসৰণ কৰা উচিত। বৰ্ত্তমান সময়ত ভাৰতীয় ছাত্ৰৰ পক্ষে পাশ্চাত্য সাধনা আৰু ভাৰতীয় সাধনা দুয়োটাৰে এটা আভাস জ্ঞান লাভ কৰা আৱশ্যক হৈছে। ৰাজকীয় শিক্ষা-প্ৰণালীৰপৰা এই বিষয়ত বিশেষ সহায় নাপাব। নিজে নিজেই যি পাৰে জ্ঞান সংগ্ৰহ কৰিব লাগিব। প্ৰাচীন আৰু আধুনিক ভাৰতৰ সভ্যতা, ধৰ্ম্ম, সাহিত্য আৰু আৰ্থিক জীৱনৰ এটা আভাস নাপালে ভাৰতীয় মনীষীৰ সৰলতা কত, আৰু দুৰ্ব্বলতা ক'ত তাৰ একো ধাৰণা কৰিব নোৱাৰি। এনেয়ো নিজৰ দেশৰ অতীত আৰু বৰ্ত্তমানৰ বিষয়ে সাধাৰণ কথাবিলাক প্ৰত্যেক শিক্ষিত মানুহে জনা উচিত। নালন্দা, তক্ষশীলা বা অজন্তা ক'ত বুলি সুধিলে অনেক শিক্ষিত ভাৰতবাসী বিমোৰ হ'ব। পাশ্চাত্য সভ্যতা আৰু সাধনাৰ বিষয়েও কোনো কাৰ্য্যকৰী জ্ঞান বৰ্ত্তমান শিক্ষা-বিধানৰপৰা পাব নোৱাৰি। ৰাণী এলিজাবেথৰ জীৱনীতকৈ মুছলিনী বা গেৰিবল্ডিৰ জীৱনী নিশ্চয় বেছি উপকাৰী। দ্বিতীয় শ্ৰেণীৰ ইংৰাজ লিখকৰ কৱিতা বা ঘৰুৱা চিঠি-পত্ৰতকৈ টলষ্টয় বা ডষ্টয়েভ্স্কিৰ এখন উপন্যাসৰ অনুবাদৰপৰাও য়ুৰোপীয় মনৰ গতি বেছি ভালকৈ বুজিব পাৰি। এনেকুৱা উদাহৰণৰ সীমা-সংখ্যা নাই। পাশ্চাত্য সভ্যতাৰ আৰ্থিক, সামাজিক আৰু বৈজ্ঞানিক অভিব্যক্তিৰ সাধাৰণ জ্ঞান ভাৰতবাসীৰ পক্ষে নিতান্ত লাগতিয়াল। ভৱিষ্যতৰ ভাৰতীয় সভ্যতা যে ভাৰতীয় আৰু পাশ্চাত্য সভ্যতাৰ মিহলি উপাদানেৰে গঠিত হ'ব সেই

বিষযে সন্দেহ নাই। এই দুই সভ্যতাৰ প্ৰকৃতি ছাত্ৰই নিজ চিন্তা আৰু অধ্যয়নৰ দ্বাৰা বুজিবলৈ চেষ্টা কৰা উচিত।

সকলো প্ৰকাৰৰ জ্ঞান আহৰণ কৰাও ছাত্ৰৰ এটা প্ৰধান কৰ্ত্তব্য। জ্ঞানপ্ৰিযতাৰ কাৰণে ভাৰতবৰ্ষ অতীজৰেপৰা বিখ্যাত হৈ আহিছে। আজিকালিও ৰাজনৈতিক নবযুগৰ সূচনাৰ লগে লগে জ্ঞান-বিজ্ঞানৰ বিষয়তো ভাৰতীয় মনৰ এটা নতুন ক্ৰিয়াশক্তি দেখা গৈছে। ইয়াৰ চিন অসমত নহলেও ভাৰতৰ আন কোনো কোনো প্ৰদেশত অনেক পৰিমাণে দেখা গৈছে। এই নতুন জ্ঞান-শক্তিৰ লগত তৰুণ অসমে সংশ্ৰৱ ৰখা আৱশ্যক। ৰাজনৈতিক বিষয়ত আগবাঢ়িলেও জ্ঞান-বিজ্ঞানৰ বিষয়ত পাছ পৰি থাকিলে ভাৰতৰ আন আন প্ৰদেশৰ লগত অসমে সমান আসন পোৱা টান হ'ব।

পাৰিপাৰ্শ্বিক অৱস্থাৰপৰা ছাত্ৰ-সমাজ বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। দেশত যিবিলাক ৰাজনৈতিক আৰু সামাজিক আন্দোলন হৈছে, তাৰপৰা কলেজৰ ছাত্ৰক একেবাৰেই আঁতৰাই ৰাখিব নোৱাৰি। ৰাজনৈতিক আন্দোলনৰ ধুমধামত ছাত্ৰই সম্পূৰ্ণভাৱে যোগ দি অৱশ্যে পঢ়া শুনা কৰিব নোৱাৰে, কিন্তু আজিকালি ভাৰতৰ অনেক ঠাইত ছাত্ৰক আন্দোলনৰ অলপ সংশ্ৰৱত অহা দেখিলেই কৰ্ত্তৃপক্ষ চক খাই উঠে আৰু অপমানজনক সৰ্ত্তেৰে ছাত্ৰক বশ কৰিব খোজে। ইয়াৰ ফলত দুয়ো পক্ষৰ সংঘৰ্ষ অৱশ্যম্ভাৱী। শৃঙ্খলাৰ নামত জাতীয় মৰ্য্যাদা আৰু আত্মসন্মান ত্যাগ কৰা উচিত নহয়। এই দুটা বস্তুৰ ব্যতিক্ৰম হলে কোনো উচ্চ আদৰ্শ টিকিব নোৱাৰে আৰু উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহলে ছাত্ৰ জীৱন বিশুদ্ধ আৰু মহৎ হ'ব নোৱাৰে। ছাত্ৰ জীৱনৰেপৰা মনত দাস ভাব পুহিবলৈ আৰম্ভ কৰিলে ভাৰতৰ জাতীয় ভৱিষ্যত কি হ'ব তাক কল্পনা কৰিবও নোৱাৰি।

ৰাজনীতিৰ কথা এৰি দিলে সামাজিক বিষয়ত ছাত্ৰৰ কৰ্ত্তব্যৰ বিষয়ে কাৰো মতভেদ হ'ব নোৱাৰে। আমাৰ সমাজৰ বৰ্ত্তমান গঠন আধুনিক ৰাষ্ট্ৰৰ উপযোগী নহয়। আগৰ ভাৰতত ৰাষ্ট্ৰৰ বান্ধনিতকৈ সমাজৰ বান্ধনি বেছি শকত আছিল। সেই কাৰণে ৰাষ্ট্ৰীয় বিপ্লৱৰ সময়তো ভাৰতীয় সমাজ বিপ্লৱৰ হাত সাৰি থাকিল। আন পক্ষে কিন্তু নিৰ্দ্ধাৰিত কৰ্ম্ম বিভাগৰ ফলত ভাৰতৰ মানুহে নিজ নিজ জাতি বা সমষ্টিৰ কৰ্ত্তব্যহে বুজিলে, জাতীয় কৰ্ত্তব্য আৰু ৰাষ্ট্ৰীয় কৰ্ত্তব্য কি তাৰ একো বিচাৰ নকৰিলে। ইয়াৰ বিষময়

ক্ষল ভাৰতৰ ৰাজনৈতিক বুৰঞ্জীত দেখা যায়। মধ্যযুগীয় য়ুৰোপীয় সামাজিক বুৰঞ্জী আলোচনা কৰিলেও দেখা যায় সমাজৰ বেলেগ বেলেগ ব্যৱসায়ৰ মানুহে নিজৰ নিজৰ সঙ্ঘ (Gild) স্থাপন কৰি প্ৰত্যেকে নিজ বলেৰে নিজৰ স্বাৰ্থ ৰক্ষা কৰিছিল, ৰাষ্ট্ৰৰ স্বাৰ্থতকৈ নিজ সঙ্ঘৰ স্বাৰ্থ ডাঙৰ বুলি ভাবিছিল। মধ্যযুগৰ বিশ্ববিদ্যালয়বিলাকৰ বুৰঞ্জী আলোচনা কৰিলেও দেখিব পোনতে ইটালীত ছাত্ৰসকলে নিজ স্বাৰ্থৰ কাৰণে এটা ডাঙৰ দল বান্ধি দৰ-ভাও কৰি অধ্যাপক নিযুক্ত কৰি লৈছিল। কোনো ঠাইত আকৌ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে ছাত্ৰ সঙ্ঘৰ লগত নগৰবাসীৰ দুৰ্ঘোৰ মাৰপিট হোৱা দেখা যায়। মুঠতে নিজ সঙ্ঘৰ স্বাৰ্থ নিজে ৰক্ষা নকৰিলে সেই সময়ত আন উপায় নাছিল আৰু স্বাৰ্থৰ ওপৰত যে এটা জাতীয় বা ৰাষ্ট্ৰীয় স্বাৰ্থ আছে এই ভাবৰো বিকাশ হোৱা নাছিল। কিন্তু এই গাইগুটীয়া সঙ্ঘৰ ধাৰণা অতিক্ৰম কৰিহে আধুনিক একবাদী ৰাষ্ট্ৰ (Monistic State) বিকশিত হৈছে। এই কাৰণেই আজিৰ ভাৰততো এক ৰাষ্ট্ৰৰ অংশীদাৰ হৈ এটা বিৰাট জাতি গঠন কৰিবলৈ হ'লে জাতি আৰু সম্প্ৰদায়ৰ বিভাগ দূৰ কৰিব লাগিব। সামাজিক ক্ষেত্ৰত ভণ্ডামিৰপৰা আঁতৰ হৈ থাকো বুলিলে ছাত্ৰ সমাজে বহুত কৰিব পাৰে।

আৰু মোৰ ক'বলগীয়া একো নাই। বহুত ভাবি-চিন্তি আজি এই বিলাক কথা কোৱা নাই। মনলৈ যি আহিছে তাকে নিৰালিবিকৈ প্ৰকাশ কৰিলো। প্ৰথমে ছাত্ৰ সন্মিলন আৰম্ভ হওঁতে ই ইমান দিন জীয়াই থাকিব বুলি বহুতে ভবা নাছিল। কিন্তু ই এটা জাতীয় অনুষ্ঠানত পৰিণত হৈছে। প্ৰথমতে এই সন্মিলন হওঁতে মনত যি উৎসাহ হৈছিল তাক আজি ১২।১৩ বছৰৰ পিছত আপোনালোকে কল্পনা কৰিব নোৱাৰিব, কিন্তু সেই সময়ৰ পুৰণি ছাত্ৰসকলে তাক পাহৰিব নোৱাৰে। এই উৎসাহৰ সোঁত যে এতিয়াও বৈ আছে ছাত্ৰ সন্মিলনৰ দীৰ্ঘ জীৱনেই তাৰ প্ৰমাণ। জাতীয় আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই সন্মিলন অসমত যুগমীয়া হ'ব বুলি আশা কৰিলো।

সামৰণি মন্তব্য

আজি বিশেষ একো ক'ব খোজা নাই। মোৰ যি বক্তব্য আছিল কালিয়েই কৈছোঁ। এই সম্মিলনৰ এটা বিশেষত্ব আছে। সেইটো এই যে ভাৰতবৰ্ষৰ ভিতৰত যিবিলাক ছাত্ৰ সম্মিলন হৈছে বা হ'ব লাগিছে সেই বিলাকৰ ভিতৰত আমাৰ ছাত্ৰ সম্মিলন প্ৰাচীন। যেতিয়া এই সম্মিলন প্ৰথমে প্ৰতিষ্ঠিত হয়, তেতিয়া ভাৰতবৰ্ষত এখন ছাত্ৰ সম্মেলন আছিল সেইখন বিহাৰ ছাত্ৰ সম্মিলন। তাৰ অলপ পিছতে এই সম্মিলন প্ৰতিষ্ঠিত হয়। প্ৰথমে কিন্তু যেতিয়া আমি এই সম্মেলন পাতোঁ তেতিয়া আমাৰ উদ্দেশ্য আপোনালোকৰ বৰ্ত্তমান উদ্দেশ্যতকৈ অলপ সঙ্কীৰ্ণ আছিল। তেতিয়া আমি এই সম্মিলনৰপৰা ৰাজনীতি বাদ দিছিলোঁ। কিন্তু আজি ১২। ১৩ বছৰৰ পিছত এই দেশত অনেক পৰিৱৰ্ত্তন হৈছে,—অনেক ভাবৰ পৰিৱৰ্ত্তন হৈছে। কাজেই এই যুগসন্ধিৰ সময়ত অসমৰ ছাত্ৰসকলে, বিশেষকৈ কলেজৰ ছাত্ৰসকলে ৰাজনীতি আলোচনা কৰিব খুজিছে, সেইটো তেওঁ-বিলাকৰ উদাৰ আৰু নিৰ্ভীক ভাবৰ পৰিচায়ক। মই ক'ব খোজা নাই—পঢ়া শুনা ক্ষতি কৰি ৰাজনৈতিক আন্দোলনত লাগিব লাগে। কিন্তু মোৰ কোৱাৰ উদ্দেশ্য এই যে দেশত যিবিলাক ৰাজনৈতিক আন্দোলন হৈছে আৰু ৰাজনৈতিক ভাব হৈছে, তাৰপৰা ছাত্ৰ-সমাজ, বিশেষকৈ কলেজৰ ছাত্ৰ-সমাজ, বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। য়ুৰোপত মই দেখিছোঁ, তাত বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে সমাজনীতি আৰু ৰাষ্ট্ৰনীতি অবাধে আৰু অনবৰত আলোচনা কৰে। যদি তেওঁবিলাকক কোনোবাই কয় যে তেওঁলোকে পঢ়া-শুনা নকৰি, ছাতৰৰ কৰ্ত্তব্য নকৰি, কেলেই ৰাজনীতি বা সমাজনীতি আলোচনাত যোগ দিছে, তেনেহলে তেওঁলোকে ক'ব তোমালোকে কোৱা যে আমি ছাত্ৰ, সেইদেখি ৰাজনীতি আলোচনাত যোগ দিব নেলাগে কিন্তু যেতিয়া যুদ্ধ হয় তেতিয়া আমাক যুদ্ধ কৰিবলৈ মাতা কিয় ?

কথাটো হৈছে এই যে আধুনিক ছাত্ৰৰ লক্ষ্য হৈছে ছাত্ৰৰ যিবিলাক কৰ্ত্তব্য আছে তাক ছাত্ৰাৱস্থাতে জনা। তেওঁলোকৰ সমাজৰ কামত স্বত্ব আছে। সেই কামৰ নিমিত্তে ছাত্ৰসকলক সুবিধা দিব লাগিব। এই কাৰণেই আজি আমাৰ ছাত্ৰসমাজেও তেওঁবিলাকৰ স্থান বুজিবলৈ আৰু তেওঁবিলাকৰ যে ছাত্ৰ হিচাপে এটা বিশেষ মৰ্য্যাদা আছে, সেই কথাটো বুজিবলৈ ইচ্ছা কৰিছে। এই কাৰণেই তেওঁবিলাকে ৰাজনীতি আলোচনা, সমাজনীতি আলোচনা আৰু জাতীয় আন্দোলনৰ অলপ-অচৰপ সংশ্ৰৱত থাকিব খুজিছে। এই বিষয়ে আমাৰ ৰাইজৰ একো আপত্তি থাকিব নালাগে। অৱশ্যে এই বিষয়ে আপোনালোকে কৰ্ত্তৃপক্ষৰ পৰা আহুকাল পাইছে। ইয়াৰপৰা দেখা গৈছে যে সন্মিলনৰ উন্নতিৰ অৰ্থে আপোনালোকে অলপ অসুবিধা ভোগ কৰিবলৈকো সাজু হৈ আছে। মই কওঁ, সন্মিলনে ভৱিষ্যতত আত্মসন্মান আৰু জাতীয় মৰ্য্যাদা অক্ষুণ্ণ ৰাখি ইংৰাজীত tact বোলা কথাটোলৈকো চকু ৰাখিব, যাতে এই সন্মিলনৰ পথত কোনো বাধা-বিঘিনি নহয়।

আৰু এটা কথা। ৰাজনীতি আলোচনাৰ কথা কৈছোঁ। ৰাজনীতি আলোচনাৰ লগে লগে সমাজনীতি আলোচনাৰ কথা পাহৰি যাব নালাগে। কাৰণ এইটো সকলোৱে জানে যে সমাজৰ বিষয়ে আমাৰ যিবিলাক দোষ আছে, সেইবিলাক নুগুচুৱালে, অকল ৰাজনৈতিক আলোচনা বা আন্দোলনৰ পৰা আমাৰ দেশ উন্নত হ'ব নোৱাৰে। আমাৰ বৰ্ত্তমান সমাজ-বান্ধনি যে ঢিলা কৰি দিব লাগে সেইটো স্বীকাৰ কৰে। কিন্তু ইয়াক যদি আপোনা-লোকে আজি ঢিলা কৰে, কাইলৈ টান কৰে, অথবা বাহিৰে ঢিলা, ভিতৰে টান কৰে, তেনেহলে সমাজত বাধা-বিঘিনি উপস্থিত হ'ব। ভণ্ডামিৰ ওপৰত কোনো ৰাষ্ট্ৰজীৱন প্ৰতিষ্ঠিত হ'ব নোৱাৰে। ইয়াৰ বাহিৰেও আমাৰ বৰ্ত্তমান জাতি-বিদ্বেষৰপৰা ভাৰতবৰ্ষৰ কিমান আৰ্থিক হানি হৈছে তাক আপোনালোকে ভাবি চাব। মই আন একো নকওঁ,—এটা উদাহৰণ দিম, সেইটো হৈছে মাছ মৰা ব্যৱসায়টো। আমাৰ সমাজে মাছ মৰা আৰু বেচা কামটো হীন বুলি ভাবে। কিন্তু আপোনালোকে ইংলণ্ডৰ আৰ্থিক বুৰঞ্জী আলোচনা কৰিলে দেখিব, ৰাণী এলিজাবেথৰ ৰাজত্বৰ সময়ত পাৰ্লিয়ামেণ্টত এখন আইন পাছ কৰা হৈছিল। সেই আইনে মানুহক মাৰ্চ্চ-এপ্ৰিল মাহত মাছ খাবলৈ বাধ্য কৰিছিল। জগতৰ কোনো দেশতে

বোধকৰো এনে আইন হোৱা নাই। মাছ মৰা ব্যৱসায়ৰ উন্নতি কৰাই ইয়াৰ উদ্দেশ্য আছিল। কিন্তু ইংলণ্ডত যিবিলাক জালোৱা বা মৎস্যজীৱী সাগৰত মাছ মাৰিবলৈ গৈছিল, কালত সেইবিলাক ভাল নাৱিক হৈছিলগৈ। মাছৰ ব্যৱসায়ৰ লগত ইংলণ্ডৰ বিৰাট নৌ-শক্তিৰ সম্বন্ধ আছিল। সেই যুগৰেপৰা য়ুৰোপৰ সকলো ঠাইতে এই মাছৰ ব্যৱসায়টোৰ ইমান উন্নতি হৈছিল যে কোটি কোটি টকা কেৱল ইয়াৰপৰাই আয় হৈছে। য়ুৰোপৰ Economic Atlas এখন খুলি চালে দেখিব মাছ মৰা ব্যৱসায়ৰ কাৰণে কেনেকৈ তন্ন-তন্নকৈ সাগৰৰ মেপ অকা হৈছে।

আন এটা কথা মই কওঁ। ভাৰতীয় সমাজ-চিন্তা আৰু য়ুৰোপীয় সমাজ-চিন্তাৰ পাৰ্থক্য কি? এই বিষয়ে মোক ইয়াৰ দুই-চাৰিজনে সুধিছে। সেই কাৰণে দুই এটা কথা কওঁ। ভাৰতীয় সমাজ-চিন্তাৰ গতি হৈছে এই যে গোটেই ভাৰতীয় সমাজ কৰ্ম্ম-বিভাগৰ ওপৰত প্ৰতিষ্ঠিত। যিবিলাকে ব্ৰাহ্মণৰ কাম কৰিছিল, সিবিলাক ব্ৰাহ্মণ। যিবিলাকে ক্ষত্ৰিয়ৰ কাম কৰিছিল, ক্ষত্ৰিয়। অৱশ্যে আজি কালি এই জাতিবিভাগ কৰ্ম্মগত নহে, জন্মগত হৈছে। কিন্তু আদিতে ইয়াৰ উদ্দেশ্য আছিল কৰ্ম্মগত। কিন্তু যদি য়ুৰোপীয় সমাজ-চিন্তাৰ লগত ইয়াৰ তুলনা কৰা যায় দেখিব যে বৰ্ত্তমান য়ুৰোপীয় সমাজ-বিজ্ঞান আৰু ৰাষ্ট্ৰবিজ্ঞানৰ প্ৰতিষ্ঠাতা মেকিয়াভেলিৰ ৰচনাত সমাজ বিজ্ঞানৰ প্ৰধান সূত্ৰ হৈছে এই যে সমাজত কোনো এটা বিশেষ শ্ৰেণীয়েহে যে যুদ্ধ কৰিব তাৰ মানে নাই। সমাজৰ প্ৰত্যেক মানুহেই যুদ্ধবিদ্যা জানিব লাগিব আৰু দেশ ৰক্ষা কৰিব লাগিব। ইয়াৰ অৰ্থ হৈছে, সমাজত ক্ষত্ৰিয় বুলি কোনো বিশেষ জাতি থাকিব নোৱাৰে, সকলো ক্ষত্ৰিয় হ'ব লাগিব। পৰাধীন গ্ৰীচৰ দাৰ্শনিক শ্ৰেণীৰ ইঙ্গিত কৰি মেকিয়াভেলিয়ে আৰু এটা কথা কৈছে যে বেছি লিখা-পঢ়াৰপৰা সমাজ এলেহৱা হয় আৰু সেই সমাজৰ অধঃপতন হয়। তেওঁৰ কথাৰ মৰ্ম্ম এই যে সমাজত কেৱল জ্ঞান চৰ্চ্চা কৰিবৰ কাৰণে যুদ্ধ-বিগ্ৰহলৈ পিঠি দিয়া ব্ৰাহ্মণ বুলি এটা নিৰ্দ্ধাৰিত শ্ৰেণী থাকিব নোৱাৰে। জ্ঞান-বিদ্যাৰ চৰ্চ্চা ব্যক্তিগত ৰুচি আৰু শক্তিৰ ওপৰত নিৰ্ভৰ কৰে। মেকিয়াভেলিৰ কথাৰপৰা ইয়াকে বুজা যায় যে আধুনিক য়ুৰোপীয় সমাজ-বিজ্ঞানে কৰ্ম্মবিভাগ নামানে। আপোনা-লোকৰ অনেকে মেকিয়াভেলিৰ Prince কিতাপ পঢ়িছে, কিন্তু ইটালিয়ান ভাষাত তেওঁৰ আৰু অনেক ৰচনা আছে।

য়ুৰোপীয় সমাজ-চিন্তাৰ দ্বিতীয় লক্ষণ এই। সকলো ঠাইতে ভাৰতীয় দৰ্শন আৰু য়ুৰোপীয় দৰ্শনেও বিশ্ব-ব্ৰহ্মাণ্ডত মানুহৰ ঠাই ক'ত এই বিষয়ে আলোচনা কৰিছে। কিন্তু য়ুৰোপীয় সমাজ-চিন্তা আৰু য়ুৰোপীয় দৰ্শনৰ এটা বিশেষত্ব আছে যে বিশ্ব-ব্ৰহ্মাণ্ডত মানুহৰ ঠাই ক'ত সেইটো জানিলেই নহয়, সমাজত মানুহৰ ঠাই কি তাকো জানিব লাগে। য়ুৰোপত মানুহে কয়, সমাজৰ যিবিলাক শ্ৰেণী আছে বা যিবিলাক দল আছে, সেইবিলাকৰ নিজৰ যি পদ আছে, ঠাই আছে, তাৰ ভেটি কি? তেওঁবিলাকে ভাবে যে আমি যে এই ঠাইত আছোঁ, তাত আমাৰ কি স্বত্ব আছে? আনৰে বা তাত আমাক থবৰ স্বত্ব কি? আৰু সেই ঠাইত যে আছোঁ সেইটো ন্যায় নে অন্যায়? এই চিন্তাৰ ফল স্বৰূপে য়ুৰোপত ষোল শতাব্দীৰপৰা আৰম্ভ কৰি কুৰি শতাব্দীলৈ প্ৰত্যেক শতাব্দীতে নানা বিপ্লৱ আৰু বিদ্ৰোহ হৈছে। এই বিদ্ৰোহবিলাকৰ কথা যদি ভালকৈ আলোচনা কৰা যায়, দেখিব যে প্ৰত্যেক বিদ্ৰোহৰ আগতে একোটা একোটা ভাবৰ বিপ্লৱ হৈ গৈছে। ফৰাচী বিপ্লৱৰ প্ৰকৃত বুৰঞ্জী বুজিবলৈ হলে তাৰ ৫০।৬০ বছৰৰ আগৰেপৰা যি ভাবৰ আন্দোলন হৈছিল তাক বুজিব লাগিব। মন্টেচ্‌কু, ৰুছো, ভল্‌টেয়াৰ আদিয়ে সমাজত মানুহৰ ঠাই ক'ত সেই বিষয়ে যিবিলাক আলোচনা কৰিছিল, সেইবিলাক যেতিয়া সমাজত প্ৰচাৰ হ'বলৈ ধৰিলে, যেতিয়া গোটেই দেশ বিয়পি পৰিল, তেতিয়াই বিপ্লৱৰ সূত্ৰপাত হ'ল। বিপ্লৱৰ আগতে ভাবৰ পৰিৱৰ্ত্তন আৱশ্যক। ভাব পৰিৱৰ্ত্তনৰ যিবিলাক লক্ষণ, যিবিলাক মূলসূত্ৰ সেইবিলাক সমাজত প্ৰচাৰ কৰাটো ছাত্ৰ-সমাজৰ কৰ্ত্তব্য বুলি ভাবোঁ।

য়ুৰোপীয় সামাজিক চিন্তাৰ তৃতীয় লক্ষণ এই। য়ুৰোপীয় সভ্যতাৰ এটা কথা বিশেষকৈ দেখা যায় যে সমাজত মানুহ আছে, সমাজত কিছুমান আইন আছে, সেই আইনবিলাক প্ৰত্যেক মানুহেই মানিব লাগিব। কিন্তু সমাজৰ আইনৰ বাহিৰেও ব্যক্তি হিচাপে, মানুহ হিচাপে প্ৰত্যেক মানুহৰে এটা বিবেক আছে। সেই বিবেকৰ লগত আইনৰ সংঘৰ্ষ হ'ব পাৰে। ব্যক্তিগত বিবেকৰ লগত সামাজিক বিবেকৰ সংঘৰ্ষ হ'ব পাৰে। এইবিলাক বিষয়ত সাধাৰণতঃ য়ুৰোপীয় সামাজিক চিন্তাৰ লক্ষণ এই যে সমাজৰ আইন মানিব লাগিব, কিন্তু ব্যক্তিগত বিবেকৰো যে এটা স্বত্ব আছে তাকো মানিব লাগিব। এই ভাবৰ ফলতে য়ুৰোপীয় সভ্যতাত Equity, চিন্তাৰ স্বাধীনতা

আদি ধাৰণাবিলাকৰ জন্ম হৈছে। সামাজিক বিবেক আৰু ব্যক্তিগত বিবেকৰ যি সংঘৰ্ষ হয় তাৰ নিদৰ্শন গোটেই য়ুৰোপীয় সাহিত্যতে সিঁচৰতি হৈ আছে। গ্ৰীক্ সাহিত্যত বিখ্যাত নাট্যকাৰ এচ্‌কাইলাচ্‌ আৰু চকোক্লিচে ইয়াৰ চিত্ৰ আঁকি দেখুৱাইছে। আন আন সাহিত্যতো ইয়াৰ অনেক উদাহৰণ আছে। আপোনালোকে বহুতে ডষ্টয়েভস্কিৰ 'অপৰাধ আৰু শাস্তি' নামে এখন উপন্যাস পঢ়িব পায়। যদি নাই পঢ়া, পঢ়িব। এই সংঘৰ্ষ কেনে তাক বুজা উচিত।

আপোনালোকে মোক সাদৰে মাতি আনিছে। অনেক প্ৰশংসা কৰিছে। সেই কাৰণে আপোনালোকক ধন্যবাদ দিয়া কৰ্ত্তব্য। 'সেই কাৰণে ধন্যবাদ জনাইছোঁ। কিন্তু বিশেষকৈ মই আহিছোঁ আপোনালোকৰ ভিতৰৰে এজন ছাত্ৰৰ লগৰ ছাত্ৰ বুলিহে। আশা কৰোঁ এই সন্মিলন যুগমীয়া হ'ব।



দেশপ্রাণ চন্দ্রনাথ শর্ম্মা

উপৰিশিষ্ট

(ক) অভ্যৰ্থনা সমিতিৰ ভাষণসমূহৰ অংশ-বিশেষ

(১) দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মা

গুৱাহাটী—১৯১৬

সুদূৰ কলিকতা মহানগৰী আৰু আমাৰ ভিন ভিন ঠাইৰপৰা আপোনাসকল আহি, আজি প্ৰকৃতিৰ কাম্য-কানন, অতীজৰ জ্ঞান-চৰ্চ্চাৰ প্ৰধান কেন্দ্ৰ প্ৰাচীন প্ৰাগজ্যোতিষপুৰত উপস্থিত হৈছে। আপোনা-সকলৰ অভ্যৰ্থনাৰ ভাৰ পৰিছে আমাৰ নিচিনা অভাজন লোকৰ ওপৰত। প্ৰাতঃস্মৰণীয় ওজাদেৱ হেমচন্দ্ৰ, ঐতিহাসিক গুণাভিৰাম আৰু ভাষাবিদ লম্বোদৰক এৰিলে অসমীয়া ভাষাৰ বৰ্ত্তমান বুৰঞ্জীত যিসকল প্ৰখ্যাত সাহিত্যৰথীৰ নাম অগ্ৰগণ্য, সেইসকলৰ প্ৰায়েই আজি এই মণ্ডপত উপস্থিত। অনেক মাতৃভাষাৰ একান্ত সেৱক আৰু সাহিত্যপ্ৰেমিক ছাত্ৰ, যি অসমৰ আৰু অসমীয়া ভাষাৰ সকলো আশা-ভৰসাৰ স্থল আজি আমাৰ মাজত। আপোনালোকক অভ্যৰ্থনা কৰিবৰ যোগ্যপাত্ৰ আমি নহওঁ। তথাপি যে আমাৰ নিচিনা নগণ্য ছাত্ৰৰ নিমন্ত্ৰণ উপেক্ষা নকৰি আপোনালোকে অশেষ ক্লেশ সহ্য কৰি, নিজৰ কাজ-কৰ্ম্ম পৰিত্যাগ কৰি আহিছে, সেই বাবে আপোনালোকক শত শত বাৰ ধন্যবাদ দিছোঁ আৰু আপোনালোকৰ ওচৰত সৰল কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

মোৰ নিমন্ত্ৰণত অথবা তেওঁৰ অনুৰোধত, সমিতিৰ আহ্বান কিম্বা ভদ্ৰতাৰ খাতিৰত আপোনালোক সকলোৱেই নিশ্চয় অহা নাই; আহিছে এজনাৰ আহ্বানত, যাৰ ডাক, যথাৰ্থ মনুষ্যত্ব যাৰ হৃদয়ত আছে, তেওঁ কেতিয়াও উপেক্ষা কৰিব নোৱাৰে। আপোনালোক আহিছে সাহিত্য সভাৰ নামত। আপোনালোক আহিছে মাতৃভাষাৰ সেৱাত যোগ দিবলৈ, মাতৃপূজাত অঞ্জলি প্ৰদান কৰিবলৈ। আপোনা-লোকৰ অনেকেই নিঃস্বাৰ্থ সাহিত্য-সেৱী, সাহিত্য-চৰ্চ্চা আপোনালোকৰ

বৰ প্ৰিয়, মাতৃভাষা অতি চেনেহৰ, অতি আদৰৰ। আপোনালোকে নিজ অভিৰুচিমতে একভাৱে সেই পুণ্য ব্ৰত পালি আহিছে। এনে নতুন ধৰণৰ সাহিত্য চৰ্চ্চা আপোনালোকৰ মনত ভাল নালাগিব পাৰে, সাহিত্য চৰ্চ্চা কৰিবলৈ এনে সভা-সমিতি আপোনালোকৰ প্ৰয়োজন নাই বুলি বহুতৰ বিশ্বাস থাকিব পাৰে। বহুতে কব, সাহিত্য-চৰ্চ্চা অতি পৱিত্ৰ কাৰ্য্য, গভীৰ গৱেষণাৰ কাম ; তাৰ নিমিত্তে সাধনা লাগে। নিৰ্জ্জন ঠাইত নিৰলে-নীৰৱে সাহিত্য চৰ্চ্চা কৰিলেহে তাৰ পৰা ভাল ফল পোৱা যায়। সেই কথা সৰ্ব্বাঙ্গে সঁচা। কিন্তু অসমীয়া ভাষাৰ বৰ্ত্তমান অৱস্থাত এনে সভা-সমিতিৰ অত্যন্ত প্ৰয়োজন হৈছে।

আজি-কালিৰ অসমীয়া সাহিত্য-ভঁৰাললৈ চকু দিলে বেজাৰ লাগে, তিনিশ বছৰৰ আগেয়ে অসমীয়া ভাষা কি আছিল আৰু আজি কি হৈছে ! যি অসমীয়া ভাষাত কীৰ্ত্তন পুথিৰ নিচিনা, নামঘোষা ভক্তি-ৰত্নাৱলীৰ নিচিনা—যেনে পুথি জগতৰ আন কোনো সাহিত্য-ভঁৰালত পাবলৈ নাই —পুথি ৰচনা হৈছিল, সেই ভাষাত আজি এখন ভাল পাঠ্য-পুথি নাই। মাতৃভাষাৰ এই দুৰৱস্থা যাতে অনতিবিলম্বে দূৰ হয় তাৰ বাবে সকলো অসমীয়াই একান্ত মনে নিঃস্বাৰ্থভাৱে চেষ্টা কৰিবৰ প্ৰয়োজন হৈছে ! যি অসম এসময়ত সংস্কৃত চৰ্চ্চাৰ প্ৰধান স্থান আছিল, যত জ্যোতিষ শাস্ত্ৰৰ বিশেষ আলোচনা আৰু উন্নতি হৈছিল, য'ত উচ্চ কাব্য আৰু ব্যাকৰণ ৰচনা হৈছিল, যি ঠাইৰ লোকে স্থপতিবিদ্যা আৰু বহু বিধ কলাবিদ্যাত পাৰদৰ্শিতা দেখুৱাইছিল, যি দেশত শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, অনন্তকন্দলি আৰু পুৰুষোত্তম ঠাকুৰৰ আৱিৰ্ভাৱ হৈছিল, সেই ইতিহাস আৰু পুৰাণ-প্ৰসিদ্ধ কামৰূপত জন্ম গ্ৰহণ কৰি যে আপোনালোকৰ সাহিত্যৰ প্ৰতি অনুৰাগ নাই অথবা মাতৃভাষাৰ প্ৰতি প্ৰেম নাই, তেনে হ'ব নোৱাৰে। বৰ্ত্তমান অসমীয়াৰ অভাৱ কেৱল কাৰ্য্য কৰিবৰ ক্ষমতা। তেওঁলোকৰ নাই উদ্যোগ, উদ্যম তেওঁলোকত শূন্য। তেওঁলোকক লাগে উদগনি, উত্তেজনা শক্তি। তেওঁলোক সুপ্ত ; তেওঁলোকক জগাই তুলিব লগা হৈছে। তেওঁলোক আত্মবিস্মৃত। তেওঁলোকক পূৰ্ব্ব-গৌৰৱৰ কথা, অতীতৰ কাহিনী কাণৰ ওচৰত বজাই শুনাব লগা হৈছে। যেতিয়া অসমীয়া জাগ্ৰত হ'ব, যেতিয়া তেওঁলোকৰ হৃদয়তৰ উত্তেজনাৰ উদ্ৰেক হ'ব, যেতিয়া তেওঁলোকে উপলব্ধি কৰিব যে শঙ্কৰদেৱৰ আৰু

অনন্তকন্দলিৰ, আনন্দৰামৰ আৰু হেমচন্দ্ৰৰ বংশধৰ বুলি চিনাকি দিবলৈ যি যি গুণ গাত থাকিব লাগে, সেইবোৰ তেওঁলোকৰ নাই, তেতিয়াৰপৰা অসমে উন্নতিৰ বাটত কোবাল বেগেৰে আগুৱাবলৈ ধৰিব।

এটা সাহিত্য সম্বন্ধীয় আন্দোলন তুলিবৰ প্ৰয়োজন হৈছে। দেশজুৰি এটা হুজুগ লগাই দিব পাৰিলে অসমীয়া সাহিত্যৰ ভৱিষ্যৎ উজ্জ্বল হ'ব। কোনো কোনোৱে ভাবিব পাৰে হুজুগৰপৰা কোনো কাম নহয়, আন্দোলন অমঙ্গলৰ চিন মাথোন, তাৰপৰা কোনো ভাল ফল আশা কৰিব নোৱাৰি, বৰঞ্চ বেয়াহে ভুগিবলৈ আছে। কিন্তু সেই কথা বৰ ঠিক নহয়। হুজুগৰ ভৱিষ্যৎ ফল ভাল। আন্দোলনৰপৰা অতি সুফল ফলা দেখা গৈছে। জগতৰ বহুত সৎ কাৰ্য্যৰ মূলত আন্দোলন। হুজুগ আন্দোলনৰ সুফল হাতে হাতে পোৱা টান হ'ব পাৰে কিন্তু তাৰ ভৱিষ্যৎ সুফল অৱশ্যম্ভাৱী। অসমৰ ইমূৰৰপৰা সিমূৰলৈ এটা তোলপাৰ তুলি দিব লগা হৈছে। জয়ঘণ্টা বজাই অসমীয়া মানুহৰ টোপনি ভাঙি দিবৰ সময় হৈছে। যেতিয়া অসমৰ ধুবুৰীৰপৰা শদিয়ালৈকে হেন্দোলদোপ দল্‌দোপ লাগি যাব, সকলো অসমীয়াৰ মুখে মুখে, কাণে কাণে হ'ব—অসমীয়া ভাষাৰ আলোচনা হ'ব লাগে, উন্নতি হব লাগে, অসমীয়া ভাষাত জীৱন-চৰিত লাগে, ইতিহাস লাগে, উচ্চ কাব্য লাগে, দৰ্শন-বিজ্ঞান ব্যাকৰণ লাগে, অৰ্থনীতি-সমাজনীতি লাগে, তেতিয়া দেখিব—অসমীয়া ভাষাৰ ভৱিষ্যৎ উন্নতিৰ বাট নিষ্কণ্টক হৈছে, তেতিয়া দেখিব অসমীয়া মানুহে ভাষাৰ উৎকৰ্ষৰ কাৰণে, সাহিত্যৰ উন্নতিৰ কাৰণে হাতে-কামে লাগি গৈছে।

ইয়াতে প্ৰশ্ন হ'ব পাৰে যে এই মহৎ অনুষ্ঠানৰ গুৰু আৰু দায়িত্বপূৰ্ণ ভাৰ ছাত্ৰসকলে মূৰ পাতি লোৱাৰ প্ৰয়োজন কি? ছাত্ৰৰ এনে সাহিত্য সভা কিয়? ছাত্ৰই ছাত্ৰৰ কাম কৰক, দেশৰ হিত-অহিতৰ হিচাপ-কিতাপ দেশৰ নেতাসকলৰ ওপৰত, নামজ্বলা সাহিত্যৰথীসকলৰ ওপৰত ন্যস্ত আছে। ছাত্ৰৰ কাম ভালকৈ লিখা-পঢ়া কৰি পৰীক্ষা পাছ কৰা, জীৱন-যুদ্ধৰ নিমিত্ত সাজু হোৱা। ডাঙৰৰ কাৰ্য্যত হস্তক্ষেপ কৰা তেওঁলোকৰ উচিত নহয়। এনে প্ৰশ্ন একেবাৰে অমূলক নহয়, কিন্তু সাহিত্য-চৰ্চ্চা যে একেবাৰে ছাত্ৰৰ কৰ্ত্তব্যৰ চৌহদৰ বাহিৰ, সেই কথা মানিবলৈ টান।

ভাষা চৰ্চা, সাহিত্য আলোচনা অতি পৱিত্ৰ কাম। ই মাতৃপূজাৰ প্ৰধান অঙ্গ, যি জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী, যি জন্মভূমিৰ উন্নতি মাতৃভাষাৰ সজীৱতাৰ ওপৰত, সাহিত্যৰ উন্নত অৱস্থাৰ ওপৰত অতি দৃঢ়ভাৱে প্ৰতিষ্ঠিত, সেই মাতৃপূজাৰ অধিকাৰ অকল বয়সত ডাঙৰবিলাকৰ-হে আছে, সৰুৰ নাই, অকল ভদ্ৰলোকৰহে আছে, ছাত্ৰৰ নাই, সেই কথাত আমি বেজাৰ পাওঁ। এই মহাপূজাৰ অধিকাৰ, এই মহান তীৰ্থৰ পুণ্যৰ ভাগ আনে যেনেকৈ পায়, ছাত্ৰয়ো তেনেকৈ পাব লাগে। অৱশ্য শক্তি আৰু ভক্তিৰ তাৰতম্য অনুসাৰে পূজাৰ তাৰতম্য হ'ব। ডাঙৰে যেনেকৈ সেৱিব, পূজিব, ছাত্ৰই তেনেকৈ নোৱাৰে, সন্দেহ নাই। কিন্তু মাতৃভাষা বয়সস্থ সাহিত্যসেৱীৰ যেনে আপোন, সেব্য, পূজ্য, ছাত্ৰৰো তদ্ৰূপ। বৰঞ্চ আমাৰ ছাত্ৰৰ তাতকৈ বেছি; কিয়নো ছাত্ৰ মাতৃৰ নিচেই ওচৰত, সিবিলাকৰ তেওঁৰ কোলা এৰিবৰ সময় নৌ হয় এখোন। কোলাৰটিৰ প্ৰতি মাতৃৰ স্নেহ অত্যন্ত বেছি। কেঁচুৱা লৰাই টেঁটে কৰিলেই মাকে দহোবন পেলাই থৈ উধাতু খাই ওচৰলৈ লৰ মাৰে আৰু বয়সত বুজনটিৰ প্ৰতি তেওঁৰ তিমান দায়িত্ব থকাটো নেদেখুৱায়। কেঁচুৱা লৰাই টেঁ টেঁ কৰি চিঞৰি মাকক টোপনিৰপৰা তোলে, চকু মেলিয়েই মাতৃয়ে সন্তানৰ মুখ দেখি এটি শুভ দিন আলিঙ্গন কৰি আনে। সন্তানে যদি আকাশৰ জোনটোকো আঙুলিয়াই লাগে বুলি কয়, মাকৰ একান্ত ইচ্ছা যেন তাক আনি দিব; দিব নোৱাৰিলে অত্যন্ত ব্যথিত হয়। মাতৃ আৰু কুমলীয়া সন্তানৰ ভিতৰত এনে ঘনিষ্ঠ সম্বন্ধ সন্তানৰ টেঁটেঁৰনি, চিঞৰ-বাখৰ মাকৰ মনত কুলিৰ সুললিত গীত।

পৰিয়ালৰ এই চিত্ৰ সমাজতো খাটে, দেশতো খাটে। কাৰণ সমাজ এটি ডাঙৰ পৰিয়াল মাথোন। দেশখন কিছুমান পৰিয়ালৰ সমষ্টি। আমাৰ সমাজত অতি লাগতিয়াল বিষয়, দেশীয় ভাষা আৰু সাহিত্য। দেশোন্নতিৰ অতি লাগতিয়াল অঙ্গ জাতীয় ভাষা আৰু সাহিত্যৰ উন্নতি ছাত্ৰৰ চিঞৰ-বাখৰত, তোলপাৰত যে কিছু পৰিমাণে ন'হব তাৰ কোনো মানে নাই। ভাষা আৰু সাহিত্য বিষয়ক গধুৰ আলোচনা আৰু সিদ্ধান্ত কৰা ছাত্ৰৰ পক্ষে সম্ভৱ আৰু সম্ভূত নহয় সঁচা। কোনখন অভিধান ভাল, কোনখন ব্যাকৰণ বেয়া, ভাষা হেমচন্দ্ৰৰ ঠাঁচত লিখা উচিত নে অন্য এটা প্ৰথা ধৰি লিখা উচিত, এইবোৰ তত্ত্বৰ সিদ্ধান্ত ছাত্ৰই কৰিব নোৱাৰে

আৰু কৰিবলৈ নাযায়ো। কিন্তু আমাৰ ভাষাৰ ভাল পুথি নাই, বি-এ পৰীক্ষাৰ্থীৰ কাৰণে উপযুক্ত পাঠ্য নাই, বিজ্ঞান বিষয়ক, ৰাজনীতি বিষয়ক অৰ্থনীতি বিষয়ক কিতাপ আমাৰ সমুলি নাই। আমাক 'মেঘনাদ বধ' আৰু In Memorium অৰ নিচিনা কাব্য লাগে, জৰ্জ্জ ইলিয়ট আৰু থেকাৰেৰ উপন্যাসৰ নিচিনা উপন্যাস লাগে, উচ্চ নাটক লাগে, ভাবপূৰ্ণ ৰচনা লাগে, ছেক্সপীয়েৰৰ অনুবাদ লাগে ইত্যাদি কথা কবলৈ ছাত্ৰৰ ষোল অনা অধিকাৰ আছে।

প্ৰকৃত কামৰ (Substantial work) সম্বন্ধেও অসমীয়া ছাত্ৰৰ কৰিবলৈ বহুত আছে। তাৰ অনেকাংশ ছাত্ৰৰপৰা নহলে আনৰপৰা সহজে হোৱা টান, বৰঞ্চ নোহোৱাই সম্ভৱ। তেনে কামৰ ভিতৰত পুৰণি পুথি সংগ্ৰহেই এটা প্ৰধান। গৱৰ্ণমেন্ট বাহাদুৰৰ অনুগ্ৰহত ধোৱাচাঙত আলান্ধুৰে খোৱা আৰু ভেকুৰা বহুত মুল্যৱান পুৰণি পুথি সংগ্ৰহ হৈছে, কিন্তু তেনে দহগুণ পুৰণি অমুল্য গ্ৰন্থ এতিয়াও আন্ধাৰতে পৰি নষ্ট হ'ব লাগিছে। সেইবোৰ পুথি অসমীয়া ভাষাৰ ৰত্ন স্বৰূপ। সেইবোৰে এতিয়াও অসমীয়া ভাষাৰ ভেটি সবল কৰি ৰাখিছে। অকল অসমৰ এই ছখন জিলাতে নহয় আজিকালিৰ বঙ্গদেশৰ চামিলৰ ৰংপুৰ, দিনাজপুৰ, দাৰ্জ্জিলিং আদি ঠাইত যে তেনে পুথি কিমান আছে বাকী নাই। সেইবোৰৰ কিছুমানে বঙ্গ ভাষা আৰু সাহিত্যৰ যুৱঙ্গীৰ কলেৱৰ বৃদ্ধি কৰিছে। এই পুথিবোৰ ছাত্ৰই সংগ্ৰহ কৰিব পাৰে। কিছুমান পুথি মালিকৰ হাতৰপৰা অনা নিতান্ত টান হ'ব। বহুত অসমীয়াই পুৰণি সাঁচিপতীয়া পুথি সুন্দৰ বমকৰা কাঠৰ পেৰাত ভৰাই দেৱতাৰ দৰে প্ৰতিষ্ঠা কৰি ৰাখিছে, দৈনিক পূজা কৰিছে, সেইবোৰ পুথি আনিব নোৱাৰিলেও তাৰ এটা চমু লিপি ৰাখিব লাগে। যদি এই ছাত্ৰসভাৰ পৰা দেশৰ সেই হিতকৰ কাৰ্য্য আংশিকৰূপেও সমাধা হয় তাক যথালাভ বুলিব পৰা যাব। দ্বিতীয়তে, ছাত্ৰ সম্প্ৰদায়ে আৰু এটা সজ কাম কৰি অসমীয়া সাহিত্যৰ পুষ্টিসাধন কৰিব পাৰে। ছেক্সপীয়েৰৰ "As you like It" নাটকত আপোনালোকে পঢ়িছে যে কৱিতা গছত লাগিছিল। যি ছেক্সপীয়েৰৰ ৰোমাঞ্চ, ইংলণ্ডৰ ৰোমাঞ্চ; কিন্তু অসম এনে আচৰিত ঠাই, জুকলা-মেমেৰা অসমীয়া ভাষাত কৱিতাৰ প্ৰাচুৰ্য্য ইমান প্ৰবল যে ইয়াৰ কৱিতা বতাহতে উঁৰি যুৰে। অসমীয়া গৰুৰখীয়া,

ম'হৰখীয়াৰ মুখে মুখে কৰিতা, জাকৈয়া আৰু ধান দাৱনী তিৰোতাৰ মুখত কৰিতা, শোক-বেজাৰত অভিভূতা তিৰোতাৰ কাকুতি-মিনতিত কৰিতা। কিন্তু সেই কৰিতাবোৰ এতিয়াও সংগ্ৰহ কৰি সাহিত্যত পৰিণত কৰা নাই। অসমীয়া বৰগীত, দেহ বিচাৰৰ গীত, গৰখীয়া গীত, আই নাম, বিয়া নাম, ধাই নামবোৰ সংগ্ৰহ কৰি প্ৰকাশ কৰিলে আমাৰ সাহিত্যত নতুন সৃষ্টি হ'ব, অতি উপাদেয় গ্ৰন্থ হ'ব। সেই গীতবোৰ অকল কৰিত্বপূৰ্ণই নহয়, সিহঁত জাতীয়ও (National)। অসমীয়া সাধুকথা কিছুমান বেজবৰুৱা ডাঙৰীয়াই সংগ্ৰহ কৰি প্ৰকাশ কৰিছে আৰু অসংখ্য সাধুকথা কাহিনী আছে, যাক আজি-কালিতে ৰক্ষা নকৰিলে নোহোৱা হ'ব। এইবোৰ জাতীয় গীত, নাম, সাধুকথা আৰু কাহিনী আমি লাহে লাহে পাহৰিবলৈ ধৰিছো আৰু কেইই বছৰমানৰ পিছত সেইবোৰ একেবাৰেই নোহোৱা হ'ব। গতিকে অসমীয়া ছাত্ৰৰ যদি অসমীয়া ভাষাৰ প্ৰতি বিশেষ কিবা কৰ্ত্তব্য আছে, সি এই জাতীয় বস্তুখিনি সংগ্ৰহ কৰি ৰক্ষা কৰা। ইয়াৰ বাহিৰে অসমৰ ইতিহাস আৰু প্ৰত্নতত্ত্বৰ বিষয়ে ছাত্ৰ-সকলে ইচ্ছা কৰিলে যথেষ্ট কৰিবলৈ আছে। অসমৰ হাবিয়ে-বননিয়ে পৰ্ব্বতে-পাথৰে অতীতৰ কাৰু-কাৰ্য্য, ঐতিহাসিক সত্য-তথ্য ইমান এতিয়াও বৰ্ত্তমান আৰু উদ্ধাৰৰ চেষ্টা নোহোৱাত সি মাটিত এনেভাৱে জাহ যাব লাগিছে যে বাকী নাই! অসমৰ ডেকা সম্প্ৰদায়ে ইচ্ছা কৰিলে অলপ কায়িক কষ্ট স্বীকাৰ কৰিয়েই অসমৰ পুৰণি ইতিহাস সম্বন্ধে প্ৰচুৰ সঁজুলি সংগ্ৰহ কৰিব পাৰে।

অসমীয়া ছাত্ৰৰ সাহিত্য সভাৰ উদ্দেশ্য অকল মোৰ ওপৰোল্লিখিত বিষয়তে আবদ্ধ নহয়। তাৰ বাহিৰেও ইয়াৰ আৰু মহৎ উদ্দেশ্য আছে। গোটেই অসমৰ স্কুল-কলেজৰ ছাত্ৰ এক হৈ পৰস্পৰ ভাব বিনিময় আৰু সৌহাৰ্দ্দ্য ভাব স্থাপন কৰাও এই আন্দোলনৰ উদ্দেশ্য। বঙলাত যাক 'মেলামেশা' বোলে ই ঠিক তেনে নহয়, ইয়াৰপৰা কোনো বয়সত দেশৰ স্থায়ী উন্নতি আৰু সাহিত্যৰো প্ৰচুৰ কল্যাণ সাধন হ'ব পাৰে।

অসমীয়া ছাত্ৰ সম্প্ৰদায়ৰ ভিতৰত এটা কুসংস্কাৰ আছে—সিবিলাকৰ বহুতে ভাবে সাহিত্য চৰ্চ্চা কিছুমান বিভিন্ন প্ৰাণীৰ কাম। তাত সকলোৰে হস্তক্ষেপ কৰা উচিত নহয়। সি অন্ততঃ সিবিলাকৰ কৰ্ত্তব্যৰ

ভিতৰত নপৰে! মাতৃভাষাৰ প্ৰতি যে সকলো ছাত্ৰৰে এটা অপৰিহাৰ্য্য কৰ্ত্তব্য আছে তাক অনেক সময়ত সিবিলাকে উপলব্ধি কৰিব নোৱাৰে। পাঠ-স্পৃহা আমাৰ মাজত বৰ বলী নহয়। কায়িক উন্নতিৰ কাৰণে আমি যি যি উপায় অৱলম্বন কৰিছোঁ আৰু স্বাস্থ্য ৰক্ষা আৰু দীৰ্ঘজীৱন লাভৰ কাৰণে অপৰিহাৰ্য্য বুলি পালন কৰিছোঁ, মানসিক উৎকৰ্ষ সাধনৰ নিমিত্তে আমি কি কৰিছোঁ? অৰ্থকৰী ভাষা শিকি জীৱিকা আৰ্জ্জনৰ উপায় উলিওৱাত বাজে আমাৰ ভিতৰত কেইজনে প্ৰকৃত মানসিক সাধনা (Culture) কৰিছে? ই আমাৰ ভালৰ লক্ষণ নহয়। অসমীয়া ভাষাৰ প্ৰতি লোকৰ প্ৰেম জন্মোৱা, অসমীয়া সাহিত্যৰ চৰ্চ্চাৰ ভাব জাগ্ৰত কৰা, অসমীয়া পঢ়ুৱৈ সমাজ গঠন কৰাও এই সভাৰ উদ্দেশ্য। আমাৰ যিবিলাক লোকে বিজ্ঞান বিষয়ত, ডাক্তৰী বিভাগত শিক্ষা লাভ কৰে সিবিলাকৰ-বহুতে সাহিত্য চৰ্চ্চা সিবিলাকৰ কৰ্ত্তব্য নহয় বুলি ভাবে আৰু তাৰ ফলতে অসমীয়া কিতাপ এখনিও সেই বিষয়ত ওলোৱা নাই। শিক্ষাৰ বিভিন্ন বিভাগত থকা বিভিন্ন ভাব আৰু বিভিন্ন অভিৰুচিত ছাত্ৰৰ অসমীয়া ভাষালৈ আগ্ৰহ জন্মোৱা এই সভাৰ অন্যতম উদ্দেশ্য।

আমাৰ দেশত বহুত সংস্কৃত পণ্ডিত আছে। সিবিলাকৰ ভিতৰত কোনো কোনো জন অগাধ পণ্ডিত, বহুশাস্ত্ৰপাৰদৰ্শী। কিন্তু সিবিলাকৰ পৰা অসমীয়া ভাষাৰ কোনো হিত হোৱা নাই। সংস্কৃত পঢ়া ছাত্ৰসকলে বেলেগ ভাৱে স্বকীয়া সমাজ পাতি থাকিব খোজে। সিবিলাকৰ লগত মিলিত হৈ যুটীয়া চেষ্টাৰে সকলো অসমীয়া ছাতৰে মাতৃভাষাৰ উন্নতি ৰক্ষাৰ্থে উদ্যোগ কৰিব লাগে। সংস্কৃত টোলৰ ছাত্ৰসকলৰ লগত মিলিজুলি সিবিলাকক আজি-কালিৰ ধৰণেৰে উঠিবলৈ উদগাব লাগে। এতিয়া আৰু পাছ হুঁহকি থকাৰ সকাম নাই। এতিয়া নিজৰ অৰ্থচিন্তা আৰু পৰিয়ালৰ অন্নচিন্তা লৈ থাকিবৰ দিন অসমীয়াৰ নাই। এতিয়া প্ৰত্যেক অসমীয়াই উন্নতিত যোগ নিদিলে অসমীয়াৰ অস্তিত্ব ৰক্ষা পৰা টান।

মুঠতে বিবিধ সজ আৰু মহৎ উদ্দেশ্য হৃদয়ত লৈ আজি সকলো অসমীয়া ছাত্ৰ লগ লাগিছে। সিবিলাকৰ সম্মিলনৰ আজি আৰম্ভণ। ই আজিতে শেষ হ'ব নে অনন্ত কাললৈ চলি থকা এটা আন্দোলনৰেইহে ই সূত্ৰপাত তাক আজিৰ সভাত আলোচনা কৰি . সাব্যস্ত

কৰা যাব। আজিৰ এই অনুষ্ঠানৰ উদ্দেশ্যৰ মই কেৱল পাতনিহে পাতিলোঁ।

উপসংহাৰত ক'বলগীয়া এয়ে যে দেশৰ উন্নতি, ভাষাৰ উন্নতি, সাহিত্যৰ পুষ্টিসাধন আদি গুৰু কাম অল্পমতি, অদূৰদৰ্শী ছাত্ৰৰপৰা হোৱা টান। সিবিলাকৰ এই আয়োজন, সেইবোৰ উদ্দেশ্য সাধনৰ কাৰণে উপযুক্ত হবলৈহে। ভাষা চৰ্চ্চাৰ কাৰণে, সাহিত্যৰ উন্নতিৰ কাৰণে মুঠতে দেশৰ কামৰ কাৰণে উপযুক্ত হ'বলৈ শিকাইহে প্ৰকৃত শিক্ষা। সেই শিক্ষাত দিন লাগে। এদিন দুদিনতে নহয়। একে দিনাই কোনেও সাহিত্যিক, কবি, জ্ঞানী হ'ব নোৱাৰে। তাৰ নিমিত্তে অভ্যাস, যত্ন লাগে। স্বাৰ্থত্যাগ কৰিবলৈ শিকা, নিজৰ চিন্তা এৰি দহৰ কাৰণে চিন্তিবলৈ শিকা, দেশৰ কাৰণে জীৱন দিবলৈ শিকা, অতি গুৰুতৰ কাম। তাক এদিন দুদিনৰ চেষ্টা নালাগে, বহু বছৰৰ চেষ্টাতো সাধিব নোৱাৰি যদিহে নিয়মিত সময়ত তাৰ শিক্ষা আৰম্ভ নহয়। মাতৃ-ভাষাৰ প্ৰতি স্নেহ, স্বদেশৰ প্ৰতি প্ৰেম সৰুৰেপৰা হিয়াত পুহিব লাগে। দেশৰ কাম কৰিবলৈ, স্বাৰ্থ এৰিবলৈ, পৰোপকাৰ কৰিবলৈ সৰু কালৰে পৰা শিকিব লাগে। ছাত্ৰ-জীৱন হৈছে অভ্যাসৰ জীৱন, কাম কৰিবলৈ শিকাৰ সময়। অকল স্কুল-কলেজৰ পাঠ শিকি, পৰীক্ষা পাছ কৰি জীৱিকা আৰ্জ্জনৰ উপায় শিক্ষা কৰাটোৱেই ছাত্ৰৰ একমাত্ৰ কৰ্ত্তব্য নহয়, বৰঞ্চ সেইটো গৌণ কৰ্ত্তব্য। প্ৰত্যেক ছাত্ৰৰ মুখ্য কৰ্ত্তব্য হৈছে—ভৱিষ্যত জীৱনৰ কাৰণে সাজু হোৱা, প্ৰকৃত মনুষ্যজীৱন যাপন কৰিবলৈ উপযুক্ত হোৱা।

(২) শ্ৰীকৃষ্ণকান্ত সন্দিকৈ

যোৰহাট—১৯১৭

এই ছাত্ৰ-সম্মিলনৰ কথা ভাবিলে বোধ হয় যে ই অসমৰ জাতীয় জীৱনৰ পৰা কোনো প্ৰকাৰে পৃথক নহয়। ইতিহাসৰ ক্ষেত্ৰত ঐতিহাসিক **Freeman** অৰ **Unity of History**ৰ কথা সকলোৱে শুনিছে। জাতীয় জীৱনৰ হিচাপ কৰোঁতেও এই ঐক্য মনত ৰাখিব লাগিব। যেনেকৈ ভিন ভিন দেশৰ বেলেগ বেলেগ পৰস্পৰ বিৰুদ্ধ ইতিহাস হ'ব নোৱাৰে, তেনেকৈ জাতীয় জীৱনতো এটা ছাত্ৰৰ সমিতি, এটা কৃষকৰ সমিতি, এটা শিক্ষকৰ

সমিতি বুলি কোনো পৰস্পৰবিৰোধী বিভাগ হ'ব নোৱাৰে। প্ৰকৃত কথা এই যে অসমৰ জাতীয় মহাসভাৰ দৰে অসমীয়া ছাত্ৰসকলেও নিজ সমাজত সাহিত্য আদি বিবিধ বিষয়ত উন্নতি কৰিবৰ অৰ্থে তেনে মহাসম্মিলন পাতিবলৈ শিকি নিজক ভৱিষ্যত জাতীয় জীৱনৰ কাৰণে উপযোগী কৰিবৰ চেষ্টা কৰিছে। ইয়াৰপৰা এইটো মাথোন বুজা যায় যে অসমৰ ভবিতব্যতাৰ এক অংশ এই সম্মিলনৰ মাজেদি প্ৰকাশ পাইছে। ছাত্ৰ-সম্মিলনৰ মূলতে যি মহান্ ঐক্যশক্তিৰ বীজ লুকাই আছে এসময়ত সি অঙ্কুৰিত হৈ অসমীয়া ছাত্ৰৰ ভৱিষ্যত জীৱন সাম্যপ্ৰধান আৰু কাৰ্য্যকৰী কৰি তুলিব পৰাটো একো আচৰিত নহয়।

ছাত্ৰ-সম্মিলনৰ লগত জাতীয় জীৱনৰ সম্বন্ধ বিচাৰ কৰোঁতে ছাত্ৰ হৈ থকা কালত ছাত্ৰৰ চৰম লক্ষ্য কি এই প্ৰশ্ন স্বভাৱতে উঠে। সাধাৰণ মনুষ্য-শক্তিৰ বিকাশৰ বাহিৰেও ছাত্ৰৰ চৰম লক্ষ্য হৈছে জ্ঞানৰ সাধনা (Intellectual Culture)। ছাত্ৰ-জীৱনৰ পিছত যি অৱস্থাতে পৰোঁ ছাত্ৰ হৈ থকা ডোখৰ কালত ছাত্ৰ মাত্ৰেই এই জ্ঞানৰ সাধনাত মগ্ন হৈ থাকিব লাগিব। জ্ঞানৰ সাধনাৰ কথা উল্লেখ কৰিলে আধুনিক জ্ঞান-জগতৰ লক্ষ্য কি তালৈ স্বভাৱতে মনত পৰে। এই প্ৰশ্নৰ উত্তৰ জাৰ্ম্মানীৰ জগতবিখ্যাত ধৰ্ম্ম-বুৰঞ্জী প্ৰণেতা এডল্‌ফ হাৰনাকে এইদৰে দিছে—ষোড়শ শতিকাৰ বেকন আৰু সপ্তদশ শতিকাৰ ইটালীয় মনীষী লিওনাৰ্ড-ডা-ভিন্সিৰ দিনৰপৰা ঊনবিংশ শতিকাৰ গ্যেটেৰ দিনলৈকে জ্ঞান-জগতৰ লক্ষ্য সামান্যজ্ঞান বা generalisation আছিল। কিন্তু কুৰি শতিকাৰ লক্ষ্য সম্পূৰ্ণ বেলেগ। আজিকালি একমাত্ৰ লক্ষ্য হৈছে বিশেষ জ্ঞান বা specialisation. আজিৰ জগতত কোনো মনীষীয়ে লিওনাৰ্ডৰ দৰে একেলগে কৱি, বৈজ্ঞানিক, দাৰ্শনিক, সঙ্গীতজ্ঞ, চিত্ৰকৰ, খনিকৰ আৰু বাঢ়ৈ হ'ব নোখোজে। আজি-কালি প্ৰত্যেক বিষয়ৰে সূক্ষ্ম বিশ্লেষণ কৰি বিশেষজ্ঞান লভিবৰ চেষ্টা চলিছে, প্ৰত্যেক বিষয়ৰে স্বতন্ত্ৰ আৱশ্যকতা স্বীকাৰ কৰা হৈছে। এই বিশেষ জ্ঞানকে লক্ষ্য কৰি ১৮৮২ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ কনভ'কেছনত মহামতি লৰ্ড ৰিপনে প্ৰচাৰ কৰিছিল যে······more real mental training is to be derived from a thorough study of a single subject than a skin-deep acquaintance with hundred sciences.

কিন্তু এই বিশেষ জ্ঞান লভিবৰ চেষ্টা কৰোঁতে আমি জ্ঞানৰ অন্যান্য বিভাগ সম্পৰ্কে অজ্ঞ হৈ থাকিলে আমাৰ জ্ঞান-সাধনা অসম্পূৰ্ণ হৈ ৰব। ফৰাচী শিক্ষাচাৰ্য্য জাকোটোই 'All in all' মন্ত্ৰ প্ৰচাৰ কৰি সকলো বিষয়ৰে জ্ঞানৰ আৱশ্যকতা ঘোষণা কৰিছে। কোনো বিষয়ৰ বিশেষজ্ঞানৰ লগে লগে এই সাধাৰণ জ্ঞান কম-বেছি পৰিমাণে অতি প্ৰয়োজনীয়। এই বিষয়ে পাশ্চাত্য জ্ঞানীসকলৰ যি চেষ্টা আছে তাৰ চৰম উৎকৰ্ষ আমেৰিকাৰ যুক্তৰাজ্যত দেখিবলৈ পাওঁ। যুক্তৰাজ্যত Chantanqua আৰু Lyceum নামক দুটা বিৰাট অনুষ্ঠানৰ ব্যৱস্থা কৰি আমেৰিকাবাসীক জগতৰ জানিবলগীয়া সকলো কথা শিকাই দিয়া হৈছে। এই অনুষ্ঠান দুটাৰ বিবৰণ দিবৰ ঠাই এই চমু অভিভাষণ নহয়। মোটামুটিকৈ ক'বলৈ গলে জাৰকালি দুমাহ Chantanquaৰ কৰ্ত্তৃপক্ষই গোটেই যুক্তৰাজ্যৰে এঠাইৰপৰা এঠাইলৈ গৈ তম্বু তৰি সঙ্গীত, মেজিক, বায়স্কোপ আদিৰে অসংখ্য মানুহ আকৰ্ষণ কৰি পাশ্চাত্য আদৰ্শমতে শিক্ষিত মানুহ এজনে যিমান কথা জানিব লাগে সেই সকলোবিলাক কথা প্ৰাঞ্জলভাৱে শিকাই দিয়ে। এই বিৰাট অনুষ্ঠান যুক্তৰাজ্যৰ নিচিনা বিজ্ঞানৰ প্ৰচুৰ কৌশল থকা দেশতহে মাথোন সম্ভৱপৰ। চকুৰ পঁচাৰতে সকলো কাৰ্য্য হৈ উঠে, আন কি বিজ্ঞাপনবিলাকো বেলুনত উঠিহে বিলাই দিয়া হয়। এজন বক্তাই এঠাইত বক্তৃতা দি আমেৰিকাৰ বিজুলী-বেগেৰে যোৱা ৰেলত উঠি এঘন্টাৰ ভিতৰতে এশ মাইল দূৰৈত আন এটা তম্বুত বক্তৃতা দিয়েগৈ। এই শিক্ষা দিয়া কাৰ্য্যত যুক্ত-ৰাজ্যৰ ছেক্ৰেটাৰী অব্ ষ্টেট্ অনাৰেবল ব্ৰায়ানকে আদি কৰি অনেক জ্ঞানী-মানী পুৰুষে ভাগ লয়। ইয়াৰ বলতে যুক্তৰাজ্যত চহকীৰপৰা দুখীয়ালৈকে, সৰুৰপৰা বৰলৈকে সকলোৱে পাৰীৰ নতুন ফেছনৰপৰা তিব্বতৰ মন্ত্ৰ-ৰহস্যলৈকে সকলো জ্ঞাতব্য কথা অতি সহজে জানি লয়। ইয়াৰপৰাই পাশ্চাত্য জগতত বিশেষ জ্ঞানৰ লগে লগে কিদৰে সাধাৰণ জ্ঞান বিস্তাৰ কৰি শিক্ষাৰ সীমা বঢ়াই মানুহক প্ৰকৃত শিক্ষিত কৰিবৰ চেষ্টা কৰা হৈছে তাক স্পষ্টকৈ বুজা যায়। ছাত্ৰ-জীৱনৰ পিছতে যিহকে 'কৰোঁহক ছাত্ৰাৱস্থাত এই মহান আদৰ্শ আগত ৰাখি আমি পৰিশ্ৰম নকৰিলে আমাৰ ভিতৰৰ পৰা শূন্য উপাধিধাৰীৰ বাহিৰে প্ৰকৃত শিক্ষিত মানুহ ওলোৱা অসম্ভৱ।

জ্ঞান-সাধনাৰ বিষয়ত আমি যতদূৰ সম্ভৱ আপ্-টু-ডেট্ হ'ব লাগিব। একেবাৰেই আধুনিক যিবিলাক প্ৰণালী পাশ্চাত্য জগতত উদ্ভাৱিত হৈছে সেইবিলাক আয়ত্ত কৰি আমাৰ সাধনাক আধুনিক যুগৰ জ্ঞান সাধনাৰ আদৰ্শৰ অনুৰূপ কৰিব লাগিব। আজিকালি তুলনামূলক আঁলোচনাৰ দিন। পাশ্চাত্য জগতত এই প্ৰণালী বহুত দিনৰপৰা চলি আহিছে। ভাৰততো প্ৰাতঃস্মৰণীয় অধ্যাপক ব্ৰজেন্দ্ৰ শীলে তুলনামূলক মনোবিজ্ঞান, তুলনামূলক সৌন্দৰ্য্যবিজ্ঞান, তুলনামূলক ধৰ্ম্মবিজ্ঞান, তুলনামূলক আইন আদিৰ কথা উল্লেখ কৰি Philosophy of Sciences নাম দি জ্ঞানৰাজ্যৰ প্ৰত্যেক অংশৰে অচ্ছেদ্য সম্বন্ধ ঘোষণা কৰিছে। জাৰ্ম্মান দাৰ্শনিক হিগেলৰ কলাতত্ত্বৰ সীমা বঢ়াওঁতেও তেখেতে এই তুলনামূলক আলোচনাৰ চৰম উৎকৰ্ষৰ চানেকি দেখুৱাইছে। জ্ঞানৰ এই সংশ্লেষমূলক ঐক্য বা Synthetic unity লাভ কৰিবৰ অৰ্থে জ্ঞানৰাজ্যৰ একোটা একোটা অংশৰ বিভাগ অসম্ভৱ, এই কথা মনত ৰখা উচিত। এই তুলনামূলক অনুসন্ধানৰ লগে লগে আমাৰ ভিতৰৰ প্ৰত্যেকজনৰে বাতৰি কাকত পঢ়াটো আৱশ্যক হৈ উঠিছে। বাতৰি কাকত পঢ়া অসমীয়া ছাত্ৰৰ সংখ্যা অতি কম, কিন্তু ইয়াক নিয়মিতভাৱে নপঢ়িলে International awakening বা আন্তৰ্জ্জাতীয় উদ্দীপনাৰ জ্যোতি পাই আমাৰ মনৰ বিকাশ হোৱাটো অসম্ভৱ।

এই জ্ঞান সাধনাৰ লগত সাহিত্য সেৱাৰ ঘনিষ্ঠ সম্বন্ধ। কেম্ব্ৰিজ বিশ্ব-বিদ্যালয়ৰ ৰিজিয়াছ প্ৰফেছাৰ ছাৰ আৰ্থাৰ কুইলাৰ-কুচ্ছ মহোদয়ে তেখেতৰ নব-প্ৰকাশিত On the Art of Writing গ্ৰন্থত ছাত্ৰৰ পক্ষে সাহিত্য সেৱা যে অতি লাগতিয়াল এই কথা বিশেষভাৱে কৈ এইদৰে লিখিছে— As literature is an Art and therefore, not to be pondered only, but practised......(পৃঃ ১৭)। মুঠতে নিজৰ প্ৰচুৰ অধ্যয়ন আৰু চিন্তাৰ সাৰমৰ্ম্ম কাকতে-কলমে প্ৰকাশ কৰাটোৱেই ছাত্ৰৰ প্ৰকৃত সাহিত্য-সেৱা। এইদৰে সাহিত্য-সেৱা আৰু জ্ঞান-সাধনা এক বুলি ধৰি আগবাঢ়িলে এই সাহিত্য-সেৱাৰপৰাই ভৱিষ্যতত আমাৰ মৌলিক অনুসন্ধান বা Research ত কৃতকাৰ্য্য হোৱাৰ আশা আছে। ইয়াকে নকৰি কেৱল প্ৰকাশ কৰিবৰ লোভেৰে যিহকে তিহকে লিখা অভ্যাসটো সময়ৰ অপব্যয় মাথোন। আৰু এটা কথা এই যে বৰ্ত্তমান অৱস্থাত আমি ইংৰাজী, অসমীয়া একোকে ভালকৈ লিখিব নাজানো। প্ৰকৃত পথ অৱলম্বন কৰি

সাহিত্য-সেৱা কৰিলে আমাৰ এই দোষ অনেক পৰিমাণে কমিব। তাৰ পিছত এই সাহিত্য-সেৱা কৰোঁতে এতিয়াৰ দৰে বেছি ভাগ বঙলা সাহিত্যতে আৱদ্ধ নাথাকি তাতকৈ লক্ষগুণে ঐশ্বৰ্য্যশালী ইংৰাজী আৰু সংস্কৃত ভাষা কিম্বা পাৰিলে আন বিদেশী ভাষাৰপৰা সঁজুলি গোটোৱাটো আমাৰ একান্ত কৰ্ত্তব্য।

জ্ঞান সাধনা সাহিত্য-সেৱাতে ওৰ নপৰে। হাৰ্বাৰ্ট স্পেনছাৰে Education গ্ৰন্থত লিখিছে যে লিখা-পঢ়া ইয়াৰ এটা অঙ্গ মাথোন। আমাৰ ভিতৰত সঙ্গীত জনা, চিত্ৰ আঁকিব পৰা আৰু কাৰিকৰী কাম জনা ছাত্ৰৰ সংখ্যা যিমান বাঢ়ে তিমানেই আনন্দৰ বিষয়, কিন্তু এই সকলোবিলাক লিখা-পঢ়াৰ তল খাপত। স্পেন্‌ছাৰে প্ৰথম অধ্যায়তে লিখিছে,—"Recognising thus the true position of aesthetics and holding that they should form a part of education from its commencement, such cultivation should be subsidiary ;...... ;"

ইয়াৰ পিছতে স্পেন্‌ছাৰে শাৰীৰিক উন্নতিৰ কথা তুলিছে। নিয়মিত বল খেলা শৰীৰৰ পক্ষে উপকাৰী, কিন্তু বল খেলাই একমাত্ৰ ব্যায়াম নহয়। তদুপৰি স্বাস্থ্য আচলতে সৰ্ব্বাঙ্গীন সংযমৰ ওপৰত প্ৰতিষ্ঠিত।

শাৰীৰিক উন্নতিৰ পিছত স্পেন্‌ছাৰে লিখিছে যে ছাত্ৰৰ শিক্ষাৰ অন্যতম অঙ্গ হৈছে উপযুক্ত সামাজিক আৰু ৰাজনৈতিক সম্বন্ধ ৰাখি চলা, Maintenance of proper social and political relations. সমাজৰ আৰু ৰাজ্যশাসনৰ প্ৰতি আমাৰ যি ভাব হোৱা উচিত তাৰ মূল ভেটিস্বৰূপ সংযম বা আমাৰ এই সম্মিলনৰ মাজেদি প্ৰকাশ পাব। সমাজতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ লগত বিৰোধ নোহোৱাকৈ ব্যৱস্থাৰ অনুৰূপকৈ সম্মিলনৰ কাৰ্য্য চলাওঁতে শৃঙ্খলাপূৰ্ণ আৰু নীতিসঙ্গত কাৰ্য্য-প্ৰণালী আমাৰ অলপ-অচৰপ শিকা হ'ব।

মুঠতে সম্মিলনে আমাক কাৰ্য্য কৰিবলৈ বাধ্য কৰি আগতকৈ কামিলা কৰিব পাৰিব। শিক্ষাৰ এই কাৰ্য্যমূলক প্ৰভাৱৰ কথা ভাবিলে গুৱাহাটীৰ আৰ্ল ল কলেজৰ জনদিয়েক ছাত্ৰই নিজৰ পঢ়া-শুনাৰ বাহিৰেও নিতৌ ব্ৰহ্মপুত্ৰ পাৰ হৈ কি দৰে নামমাত্ৰ লাভত এখন স্কুল চলাইছে তালৈ স্বভাৱতে মনত পৰে। এনে বিধৰ দুটা এটা সমাজহিতকৰ কাৰ্য্যসমূহ অসমীয়া ছাত্ৰ-

সম্মিলনৰপৰা কেতিয়াবাকৈ হলে সম্মিলনৰ অস্তিত্ব সাৰ্থক হ'ব। অৱশ্যে কিছুমান দিনলৈ আমাৰ কামৰ ভিতৰত সম্মিলনৰ নিৰ্দ্দিষ্ট লিখকসকলৰ সুলিখিত ৰচনা, পটন্তৰ আৰু আমাৰ দেশৰ নামবিলাক প্ৰকাশ কৰি জাতীয় সাহিত্যৰ প্ৰসাৰ কৰাই প্ৰধান হ'ব, কিন্তু ভৱিষ্যতত আমাৰ কাৰ্য্যৰ সীমা বঢ়াটো অসম্ভৱ নহয়।

(৩) শ্ৰীযাদবেন্দ্ৰনাথ ঠাকুৰ

ডিব্ৰুগড়, ১৯১৮ চন

ছাত্ৰ-সম্মিলনৰ কথা উঠিলে বহুতে প্ৰশ্ন কৰে যে ছাত্ৰ-সম্মিলনৰ উদ্দেশ্যই বা কি, আৱশ্যকতাই বা কি ? ছাত্ৰৰ কাম হৈছে পঢ়া-শুনা কৰা— সভা-সমিতি পতা নহয় ইত্যাদি। বৰ শোকৰ আৰু পৰিতাপৰ বিষয় যে যদিও ছাত্ৰ-সম্মিলনে আজি তৃতীয় বছৰত ভৰি দিছেহি তথাপি এনে বিধৰ মন্তব্য আমাৰ কাণত এতিয়াও পৰে, এতিয়াও বহুতে ইয়াৰ উদ্দেশ্য সম্বন্ধে ভুল ধাৰণা কৰি লৈ নানা ৰকম আঁসোৱাহজনক কথা উলিয়ায়। তেওঁবিলাকৰ মতে ছাত্ৰৰ কৰ্ত্তব্য স্কুল-কলেজৰ নিৰ্ব্বাচিত কিতাপকেইখন মুখস্থ কৰি পৰীক্ষা পাছ কৰাতে সীমাবদ্ধ। কিন্তু ছাত্ৰৰ জীৱন কেৱল এই সীমাতে আবদ্ধ নহয়। এই জীৱন অভ্যাসৰ জীৱন। ইয়াতে ছাত্ৰসকলে নিজৰ ভৱিষ্যত নিৰ্দ্ধাৰণ কৰি সেই মতে কাম কৰিবলৈ অভ্যাস কৰিব লাগে। সাধনা নহলে কোনো মহৎ উদ্দেশ্য সাধিত নহয়। সেই কাৰণে ছাত্ৰাৱস্থাতে সৰ্ব্বসিদ্ধিৰ মুলমন্ত্ৰ সাধনা কৰিবলৈ শিকিব লাগে। মুঠতে ছাত্ৰৰ উদ্দেশ্য শিক্ষা কৰা, মানুহ হোৱা। মানৱ জীৱনৰ চৰম লক্ষ্য কি তাক শিক্ষা কৰি কেনেকৈ সেই লক্ষ্য পাব পাৰি তাক শিক্ষা কৰা ছাত্ৰৰ কৰ্ত্তব্য। এই উদ্দেশ্য সিদ্ধিৰ কাৰণে ছাত্ৰসকলৰ মাজত সম্মিলিত কামৰ একান্ত আৱশ্যক হৈছে। সম্মিলিত কাম উন্নতিৰ মুল ভেটি। ইয়াৰ অভাৱত বা কেনেকৈ কৰিব লাগে নজনাত আজিৰ অসম ভাৰতৰ আন আন প্ৰদেশতকৈ শিক্ষা, ব্যৱসায়, বাণিজ্য আদি সকলো বিষয়ত বহুত পাছ পৰা। সেই সম্মিলিত কাম কেনেকৈ কৰিব পাৰি তাৰ শিক্ষা দিয়াই ছাত্ৰ-সম্মিলনৰ এটি উদ্দেশ্য, ছাত্ৰসকলে নিজৰ কক্ষত (sphore) কাম কৰি কেনেকৈ মহান্ উদ্দেশ্যে

মিলিত হৈ ভৱিষ্যতলৈ জাতীয় জীৱনৰ উপযোগী হৈ উঠিব পাৰে, সেই শিক্ষা দিয়াই ছাত্ৰ-সম্মিলনৰ লক্ষ্য।

সাহিত্য-সেৱা ছাত্ৰ জীৱনৰ এটি প্ৰধান অঙ্গ। কোন জাতি কিমান উন্নত জানিবলৈ হলে সেই জাতিৰ সাহিত্য-ভঁৰাললৈ চকু দিলেই হয়। ছাত্ৰ জীৱনত সাহিত্য-চৰ্চ্চাৰ যেনে সুবিধা, জীৱনৰ আন কোনো ভাগতেই তেনে সুবিধা পোৱা টান হৈ পৰে। ছাত্ৰসকলে নিয়মমতে অভ্যাস কৰি critically আৰু creatively বেলেগ বেলেগ ভাষাৰ উন্নত সাহিত্য চৰ্চ্চা কৰি সেই ভাববোৰেৰে নিজ ভাষাৰ সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ যত্ন কৰিব লাগে। যদিও অসমীয়া সাহিত্য পুৰণি পুথিৰে চহকী তাত বৰ্ত্তমান কালৰ উপযোগী ভাবৰ বৰ অভাৱ। আজি-কালিৰ বিজ্ঞানৰ নতুন আৱিষ্কাৰ-বিলাক দৰ্শনৰ গভীৰ তত্ত্ববোৰ, অৰ্থনীতি আৰু সমাজনীতিৰ তথ্যবোৰ জাতীয় ভাষাত লিখি প্ৰকাশ কৰা একান্ত আৱশ্যক। জীৱন যুদ্ধত যেনেকৈ Survival of the fittest বোলা কথাটি খাটে সেইদৰে ভাষা আৰু সাহিত্য জীৱনতো সম্পূৰ্ণৰূপে খাটে। উপযুক্ত নোহোৱাৰ বাবে জীৱন যুদ্ধত টিকিব নোৱাৰি অনেক প্ৰাণী যিদৰে প্ৰাণী জগতৰপৰা লোপ পাইছে সেইদৰেই ভাষা-জগততো তিষ্ঠিব নোৱাৰি অনেক ভাষা লোপ পোৱা প্ৰমাণ পোৱা যায়। অসমীয়া ভাষা আৰু সাহিত্যৰ ভেটি টনকিয়াল কৰিবলৈ হলে পুৰণি সাহিত্যৰ ওপৰতে নিৰ্ভৰ কৰি থাকিলে নহয়। তাক উচ্চ ধৰণৰ কাব্য, উপন্যাস, নাটক আদি লাগে। গভীৰ ভাবপূৰ্ণ ৰচনা লাগে। বিজ্ঞানৰ নতুন আৱিষ্কাৰবোৰ সকলো অসমীয়াই ঢুকি পোৱা হ'ব লাগে; নহলে সাহিত্যৰ উন্নতি সম্পূৰ্ণাঙ্গ কেতিয়াও নহয়। সকলো ছাত্ৰৰেই, সকলো অসমীয়াই দেশৰ এই অভাৱবোৰ ভালকৈ বুজি দূৰ কৰিবলৈ যত্ন কৰিব লাগে। জননী জন্মভূমিয়ে নতুন তেজেৰে উঠি অহা সন্তানসকললৈ চাই আছে। আহক, সকলোৱে দেশৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰোহক।

(৪) শ্ৰীঅমিয়কুমাৰ দাস

তেজপুৰ, ১৯১৮ চন

শোণিতপুৰৰ আগৰ অৱস্থা নাই। আজি সহস্ৰবাহু শক্তিসম্পন্ন আৰু ভক্তাগ্ৰগণ্য বাণ ৰজাও নাই আৰু ৰূপৱতী ভক্তিমতী ৰাজকুঁৱৰী উষা দেৱীও নাই। যি ব্ৰহ্মপুত্ৰ নদে এদিনাখন আৰ্য্য ঋষি-মুনিসকলৰ সাম বেদ গানৰ সুমধুৰ সুৰৰ প্ৰতিধ্বনি তুলিছিল, আজি তাত নিস্তব্ধতা। পৰ্ব্বতৰ গুহাত তাপস-সঞ্চিত ভাবৰাশি আজি শূন্য। এদিন যি শোণিতপুৰৰ নিৰ্জ্জন-কানন ঋষি-মুনিসকলৰ আবাসভূমি আছিল সেই সকলোবিলাক আজি শূন্য। যি ঠাই অতীতত সভ্যতাৰ কেন্দ্ৰ আছিল, যি ঠাই পূৰ্ব্বে দুৰ্জ্জয়পুৰ নাম লৈ মহাসমৃদ্ধিশালী নগৰ আছিল, যি ঠাইৰ অতীত গৌৰৱৰ কথা নানা কাৰুকাৰ্য্যখচিত প্ৰস্তৰ ধ্বংসাৱশেষবিলাকে আজিও আমাক সোঁৱৰাই দিছে, যি ঠাইৰ মানুহে এদিনাখন সভ্যতাৰ উচ্চ সোপানত ভৰি দিছিল, সেই ঠাইত আজি অৰ্দ্ধমৃত জাতিয়ে অজ্ঞানতাৰ আন্ধাৰত অচেতন হৈ নিদ্ৰা গৈছে। চাৰিওফালে এতিয়া দেখিছোঁ নৈৰাশ্য আৰু সম্পূৰ্ণ উদ্যমহীনতা। অতীত গৌৰৱৰ মহিমাময় স্মৃতিৰ লগত বৰ্ত্তমান অৱস্থা ৰিজাই চাই আমি হতাশ হওঁ। তথাপিও যে আজি আমি ইয়াত মাতৃপূজাৰ আয়োজন কৰিছোঁ তাৰ কাৰণ হৈছে বতাহত যেন ক'ৰবাৰ পৰা অফুট সুৰেৰে কিবা এক সঞ্জীৱনী বাণী উটি আহিছে। পৰ্ব্বতৰ প্ৰত্যেক গুহাই, প্ৰত্যেক কন্দৰে সেই একে বাণীৰেই প্ৰতিধ্বনি হৈছে। সেই বাণী হৈছে—'আইমাতৃ মৃত নহয়, মাথোন টোপনিত অচেতন হৈ আছে'। তাৰ নিমিত্তে আজি আমি অতি সামান্যভাবে ইয়াত মাতৃপূজাৰ উদ্বোধনহে পাতিছোঁ মাথোন। মাতৃপূজাৰ ভাব আমাৰ অন্তৰত যেন চিৰন্তন হয়, আমাৰ প্ৰাণৰ লগত ই যেন ঘনিষ্ঠভাবে সংবদ্ধ থাকে।

আজি ছাত্ৰসকলৰ মহাযজ্ঞ আৰু আমাৰ পৰম সৌভাগ্যৰ বলত এই যজ্ঞৰ হোতা ভাৰতীয় মনীষী প্ৰফুল্লচন্দ্ৰ আৰু যজ্ঞবেদী হৈছে স্বদেশ আৰু সমাজ। মাতৃমন্ত্ৰত দীক্ষিত হৈ আজি ইয়াতেই আমি নিজক আত্মবলিদান দিবলৈ সাজু হব লাগিব।

আমাৰ সন্মেলন অসমীয়া ছাত্ৰসমাজৰ সমৱেত শক্তিৰ জীৱন্ত প্ৰতিমূৰ্ত্তি-স্বৰূপ। প্ৰত্যেক ছাত্ৰই এই শক্তি-সম্ভাৰত যোগদান কৰিলে সি ক্ৰমে মহত্তোমহীয়ান হৈ উঠিব। এই কেইবছৰৰ কাৰ্য্যাৱলী চালে দেখা যায় যে এটা আদৰ্শ মানি ছাত্ৰ-সন্মেলনে ক্ৰমাৎ আগবাঢ়িছে। সেই আদৰ্শ হৈছে জাতীয় বীৰপূজা। ইয়াৰ আন কাৰণো আছে। যেনেকৈ হিন্দুৰ কোনো পাৰিবাৰিক শুভ অনুষ্ঠান পিতৃপুৰুষৰ তৰ্পণ নোহোৱাকৈ সম্পন্ন হব নোৱাৰে তেনেকৈ কোনো জাতীয় অনুষ্ঠান, জাতীয় মহাপুৰুষসকলৰ তৰ্পণ নকৰাকৈ হব নোৱাৰে। আমাৰ সন্মেলনেও এই আদৰ্শ অনুসৰণ কৰি আনন্দৰাম-হেমচন্দ্ৰকে আদি কৰি জাতীয় ওজাসকলৰ স্মৃতি ৰক্ষা কৰিবলৈ চেষ্টা কৰি জাতীয় বীৰপূজাৰ প্ৰকৃত চিনাকি দিছে। এইখিনিতে কৈ থোৱা আৱশ্যক যে আনন্দৰাম আৰু হেমচন্দ্ৰক অকল সন্মান দেখুৱাবলৈহে স্মৃতিৰক্ষাৰ আয়োজন কৰা হোৱা নাই, আমাৰ মাজৰ পৰা অসমীয়া ছাত্ৰসমাজৰ পৰা আনন্দৰাম-হেমচন্দ্ৰৰ নিচিনা পণ্ডিত, সাহিত্যিক ইত্যাদি ওলালেহে স্মৃতি ৰক্ষাৰ প্ৰকৃত উদ্দেশ্য সফল হব।

স্বদেশ আৰু সমাজসেৱা কৰিবলৈ হলে আমাৰ সমাজত কিনো ব্যাধি হৈছে, খুঁত বা দোষ ঠিক কোনখিনিত আছে তাক ভালকৈ পৰ্য্যালোচনা কৰি আৰু আৰোগ্যৰ উপায় চিন্তিহে কাৰ্য্যক্ষেত্ৰত নামিব লাগিব।

প্ৰধানতঃ আৰু প্ৰথমতঃ আমাৰ দেশত শিক্ষাৰ অৱস্থালৈ চালে আমি নিৰাশ হওঁ। জগতৰ মাজত আমাৰ ভাৰতবৰ্ষখনেই শিক্ষা বিষয়ত নগণ্য আৰু সেই ভাৰতৰেই প্ৰদেশবিলাকৰ মাজত অসম প্ৰদেশখন কত পাছত। আমাৰ মাজত মৌলিক গৱেষণা কৰা ছাত্ৰ এতিয়ালৈকে ওলোৱা নাই, আৰু উচ্চ শিক্ষাও নিচেই কম মানুহেহে পাইছে। জ্ঞানৰ মন্দিৰত আমি অস্পৃশ্য জাতি বুলি পৰিগণিত, তাত প্ৰৱেশ লাভৰ অধিকাৰ আমাৰ নাই, লোকৰ উচ্ছিষ্টৰ কাৰণে বাহিৰত বাট চাইহে আছোঁ মাথোন।

ইফালে প্ৰাথমিক শিক্ষাতো আমাৰ সেই অৱস্থা। নিচেই কম মানুহেহে শিক্ষাৰ আৱশ্যকতা উপলব্ধি কৰিব পাৰিছে। সিদিনালৈকে অসভ্য বুলি পৰিগণিত হোৱা ফিলিপিন জাতিও আজি শিক্ষাৰ বাটত আমাতকৈ কত আগবাঢ়িছে আৰু আনকি মান জাতিয়েও বহুতো বিষয়ত আমাক চেৰ পেলাইছে। ই কিমান লাজৰ কথা এবাৰ ভাবি চাওক। শিক্ষাই সকলো

উন্নতিৰ মূল। দেশত শিক্ষা বিস্তাৰ নহলে কোনো বিষয়তে উন্নতি কৰিব নোৱাৰি।

আমাৰ দেশত প্ৰাথমিক শিক্ষাৰ বিস্তাৰ কি পৰিমাণেৰে হৈছে তালৈ এবাৰ মন কৰকচোন। ১৮৮১ চনত আমাৰ দেশত হাজাৰত ২৩ জন মুনিহ মানুহকহে একেবাৰে নিৰক্ষৰ নহয় বুলিব পৰা গৈছিল। দহ বছৰৰ ভিতৰত অৰ্থাৎ ১৮৯১ চনত হাজাৰত ৬১ জন মানুহেহে নিৰক্ষৰতাৰ পৰা ৰক্ষা পালে। ১৯০১ খৃষ্টাব্দত আৰু ছজনহে মাথোন সংখ্যাত বাঢ়িল অৰ্থাৎ হাজাৰত ৬৭ জনহে। ১৯১১ খৃষ্টাব্দত হাজাৰত ৮৬ জন মানুহ নাম চহী কৰিব পৰা হল। উন্নতিৰ গতিলৈ এবাৰ মন কৰকচোন। অৱশ্যে ১৯১১ চনৰ পৰা এতিয়ালৈকে শিক্ষা বিস্তাৰৰ পৰিমাণ অলপ বাঢ়িছে অৰ্থাৎ বছৰি শতকৰা প্ৰায় দহজনকৈ বেছি লৰাই শিক্ষা পাইছে তথাপিও আমাৰ ফল আশাতীত হোৱা নাই। তিৰোতাৰ মাজত শিক্ষা বিস্তাৰৰ পৰিমাণ চালে দুখ আৰু লাজে আবৰি পেলায়হি। ১৮৮১ চনত হাজাৰত এজনী তিৰোতাইহে নিজৰ নাম কোনোমতে চহী কৰিব পাৰিছিল। দহ বছৰৰ মাজত আৰু এজনীহে বাঢ়িল অৰ্থাৎ হাজাৰত দুজনী। ১৯০১ চনত যেনিবা হাজাৰত চাৰিজনী হল আৰু ১৯১১ চনত ছজনীয়েহে নিৰক্ষৰতাৰ পৰা উদ্ধাৰ পালে। আমাৰ দুৰৱস্থাৰ কথা এবাৰ ভালকৈ ভাবি চাওক।

জগতৰ সকলো সভ্য জাতিয়েই অবৈতনিক শিক্ষাৰ আৱশ্যকতা উপলব্ধি কৰিছে। মাৰ্কিন দেশ, ডেনমাৰ্ক, চুইজাৰলেণ্ড এই তিনিখন দেশত অকল প্ৰাথমিক শিক্ষা নহয় হাইস্কুলবিলাকো অবৈতনিক। মাৰ্কিন আৰু ডেনিছ জাতিয়ে বিশ্ববিদ্যালয়বোৰ অবৈতনিক কৰি শিক্ষাৰ বাট সুচল কৰি দিছে। ইমান ভীষণ ৰণত ব্যাপৃত থাকিও য়ুৰোপীয় প্ৰায় সকলো জাতিয়ে পৰস্পৰক সকলো বিষয়ত চেৰ পেলাবলৈ শিক্ষাকেই ঘাই উপায় বুলি থিৰ কৰি শিক্ষা-সমস্যাবোৰ পূৰণ কৰিবলৈ যত্নবান হৈছে। ৰণ চলি থাকোঁতেই লৰ্ড ফিচাৰে শিক্ষাৰ এটা নতুন ব্যৱস্থালিপি বিলাতৰ পাৰ্লামেণ্ট সভাত অৱতাৰণা কৰিছে। সকলো দেশতেই জাতীয় নেতাসকল শিক্ষা সম্বন্ধে চিন্তাত বিশেষ ব্যস্ত। সকলোৱে নিজৰ দেশৰ আৰু সমাজৰ অৱস্থানুযায়ী শিক্ষাৰ আন্দোলন তুলিছে। মুঠতে কবলৈ হলে সকলোৱে বেচকৈ বুজিব পাৰিছে যে দেশৰ ছাত্ৰসকলেই দেশৰ জীৱন্ত শক্তি আৰু তেওঁলোকৰ ওপৰতেই দেশৰ ভৱিষ্যত উন্নতি আৰু জাতীয় কল্যাণ নিৰ্ভৰ কৰিছে।

তেওঁলোকক উপযুক্ত শিক্ষা দিবলৈ, সৰ্ব্বাঙ্গীন উন্নত কৰিবলৈ সকলো জাতিয়েই বিশেষভাবে চেষ্টা কৰিছে। এতিয়া আমাৰো সেই চেষ্টাৰ দিন আহিছে। আমাৰ দেশতো জাতীয় শিক্ষাৰ প্ৰৱৰ্ত্তনৰ যুগ আহিছে।

আমাৰ দেশৰ এৰী, পাট, মুগা ইত্যাদি কাপোৰে জগতত এদিনাখন ওখ ঠাই পাইছিল। সেইবোৰ জাতীয় ব্যৱসায় আজি ধ্বংসৰ বাটত। তাৰ কাৰণ হৈছে লোক সমাজত শিক্ষাৰ অভাৱ, সমবায়ৰ অভাৱ আৰু স্বদেশিকতাৰ অভাৱ। আজি আমি বিদেশীৰ ক্ষণস্থায়ী ৰংচঙীয়া কাপোৰ পাই সেইবিলাক ত্যাগ কৰিলোঁ। যদি আমি নিজৰ জাতীয়তা, নিজৰ বিশিষ্টতা ৰক্ষা কৰিবলৈ ইচ্ছুক, তেন্তে আমি দেশৰ জাতীয় ব্যৱসায়বিলাক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিবই লাগিব। নহলে এইবিলাক পাহৰণিৰ কৰাল গ্ৰাসত পৰি দেশখনৰ অস্তিত্ব আৰু স্বাতন্ত্র্য লোপ পাব। সেই কাৰণে এই বিশেষ বিভাগত (ৰেছম বিভাগ) শিক্ষিত মানুহ লাগে আৰু যাতে দেশৰ মানুহে এই বিভাগত আধুনিক প্ৰণালীত শিক্ষা লাভ কৰে, তাৰ নিমিত্তেও আমাক স্কুল লাগে।

শিক্ষা বিস্তাৰৰ প্ৰধান সহায় হৈছে সাহিত্য। যদি সাহিত্যৰ ফালে চকু দিয়া যায় তেন্তে চাৰিওফালে অভাৱহে কেৱল দেখিবলৈ পোৱা যায়। সাহিত্যৰ সকলো বিভাগতেই অভাৱ, সকলো বিভাগতেই দৈন্য। কি উচ্চ সাহিত্য, কি শিশু-সাহিত্য কোনো বিভাগতেই ওখ ধৰণৰ গ্ৰন্থ নাই বুলিলেই হয়। বিশ্ব-সাহিত্যৰ সোৱাদ পাবলৈ হলে আমি বিফল মনোৰথ হব লাগে।

জগতৰ উন্নতিশীল সাহিত্যৰ লগত ৰিজাবৰ সকামেই নাই। ভাৰতৰেই মাৰাঠী, তেলেগু, বঙলা, হিন্দী ভাষাৰ লগত ৰিজালে আমাৰ সাহিত্য কত তলত পৰে! আমাৰ বছৰি প্ৰকাশিত কিতাপৰ সংখ্যাও নিচেই তাকৰ। সাহিত্যৰ উন্নতিকল্পে ছাত্ৰ-সম্মেলনে যি চেষ্টা কৰিছে তাত আমাৰ সমৱেত চেষ্টাৰ বিশেষ প্ৰয়োজন।

আমাৰ মাজত পঢ়ুৱৈ সমাজ গঠন কৰিব নোৱাৰিলে আমাৰ সাহিত্যৰ অঙ্গপুষ্টি কেতিয়াও সাধিত হব নোৱাৰে। যি অসমীয়া সাহিত্যই এদিনাখন উন্নতিৰ উচ্চ সোপানত ভৰি দিছিল, যি সাহিত্যক শঙ্কৰ, মাধৱ, অনন্তকন্দলি, ৰামসৰস্বতী, ভট্টদেৱ আদিৰ সুললিত ৰচনাই সভ্য জগতত ওখ ঠাইৰ যোগ্য কৰিছিল, সেই সাহিত্যৰ আজি কি ভীষণ

দুৰাৱস্থা! আজি সেই অসমীয়া ভাষাত সাহিত্য চৰ্চ্চা নাই বুলিলেই হয় আৰু সেই অসমীয়া সাহিত্য আজি লোকসমাজত অনাদৃত।

সৰ্ব্বশেষত কওঁ যে আমাৰ অভাৱ-অভিযোগবোৰ অকল চৰকাৰক জনাই ক্ষান্ত থাকিলে নচলিব। মানুহ হবলৈ যি আচল চেষ্টা লাগে তাকো আমি নিজেই.কৰিব লাগিব। কোনেও কাকো মানুহ কৰি দিব নোৱাৰে। ভিকহুৰ বৃত্তি এৰি স্বাৱলম্বন নীতি বাছি লব লাগিব। কোনো জাতিক অইন জাতিয়ে উন্নত কৰি দিব নোৱাৰে। আচল চেষ্টা নিজৰ পৰাই হব লাগিব। আইনে মাথোন সহায় কৰিব পাৰে। দেশৰ সকলো শ্ৰেণীৰ মাজত আত্মোন্নতিৰ চেষ্টা নজন্মিলে জাতীয় উন্নতি হব নোৱাৰে। এজন দুজন মানুহৰ চেষ্টাত গোটেই দেশ উন্নত হব নোৱাৰে। দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত উন্নতিৰ আকাঙ্ক্ষা হব লাগিব। এই কাৰণে দেশৰ মানুহৰ ভিতৰত ডাঙৰ হবলৈ, উন্নত হবলৈ আকাঙ্ক্ষা ওপজাব লাগিব। দেশত আত্মবোধ উদগাব নোৱাৰিলে কেতিয়াও আমি উদ্দেশ্যত সফলকাম হব নোৱাৰোঁ।

(৬) শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ

গুৱাহাটী—১৯২১ চন

এই ছাত্ৰ-সম্মেলনৰ উদ্দেশ্য সদৌ অসমীয়া ছাত্ৰৰ মাজত ঐক্য ভাব আৰু মিলাপ্ৰীতি বঢ়োৱা—আমি সকলোৱে মিলিজুলি ভাল কামত এক মনেৰে কাম কৰা, আমাৰ সাহিত্যৰ চৰ্চ্চা, ভাষাত ৰাপ আৰু ছাতৰ হিচাপে উন্নতি কৰা—আমাৰ নৈতিক বল, মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক শক্তি বঢ়োৱা। তাৰ উপৰিও সকলোতকৈ আৱশ্যক আৰু বৰ্ত্তমান অৱস্থাত অতি লাগতিয়াল ব্ৰহ্মচৰ্য্য সম্বন্ধে ছাতৰে উপলব্ধি কৰা। মুঠতে কবলৈ হলে এই সম্মেলনৰ উদ্দেশ্য প্ৰকৃত ছাতৰ গঢ়া আৰু এই ছাতৰসকলে ডাঙৰ হলে প্ৰকৃত মানুহ হোৱা।

প্ৰকৃত মানুহ কাক বোলে আৰু এই প্ৰকৃত মানুহ গঢ়িবলৈ কি শক্তি আৰু সভ্যতাৰ আৱশ্যক এই সম্বন্ধে নানা মুনিৰ নানা মত হলেও শেষত যে এটা তাত সংশয় নাই। আচল মানুহৰ গুণ—সৰলতা আৰু পৰোপকাৰ। পৰৰ দুখ দেখিলে যাৰ প্ৰাণ কান্দি উঠে, যি নিজক পাহৰি দুখীয়াক সহায় কৰিবলৈ ওলায়, বেমাৰীক ঘিণ নকৰি তেওঁলোকৰ আলপৈচান ধৰে

সিহে প্ৰকৃত মানুহ। তাৰ পিছত সৰলতা—আজি বিশ্ব জুৰি যিহৰ অভাৱ হব ধৰিছে, যিহৰ কাৰণে নব্য সভ্যতা বা কুৰি শতিকাৰ সভ্যতাক নেওচা দিছে। সৰলতাই মানুহক দেৱতা কৰে। সৰল মানুহে পাপ কৰি লুকাই ৰাখিব নোৱাৰে। সৰল মানুহৰ অভাৱ কমি যায়। এই দুটা গুণ মানুহৰ হলে মানুহৰ জীৱন ধন্য হয়। অৱশ্যে তাৰ লগত জ্ঞান, বিদ্যা আৰু ধনে তিৰোতাৰ অলঙ্কাৰৰ দৰে মানুহক উজ্জ্বলতকৈও উজ্জ্বল কৰে!

আজি সকলো ঠাইতে এই কথাৰ তৰ্ক উঠিছে যে জগত কোন সাঁচত ঢাল খাব। অৰ্থাৎ পাশ্চাত্য সভ্যতাকে মানুহে সাৰটি ধৰি উন্নতিৰ পথলৈ আগুৱাব নে পূৰ্ব্বৰ সভ্যতালৈ মানুহৰ আচল লক্ষ্য হব। এই তৰ্কৰ মূলত ভোগ আৰু ত্যাগ। পাশ্চাত্য জাতিয়ে আজি ভোগত মতলীয়া হৈ সসাগৰা পৃথিৱীক সেই ভাবত মুগ্ধ কৰিবলৈ চেষ্টা কৰিছে, আন পিনে পূৱৰ সভ্যতাৰ মূলমন্ত্ৰ হৈছে ত্যাগ। এই দুই সত্যই জগতত খামখেয়ালী ভাব অনাইছে কিন্তু দৰাচলতে ভালকৈ চাবলৈ গলে এই দুই মন্ত্ৰই এটাৰ অভাৱত আনটো অসম্পূৰ্ণ। আজি যদি পৃথিৱীৰ প্ৰত্যেক মানুহে ভোগত উত্ৰাৱল হৈ পৰে তেনেহলে পৃথিৱী জুৰি হাঁহাকাৰৰ ৰোল উঠিব, মানুহৰ শান্তি নোহোৱা হব। ইয়াৰ জল্‌জল্ পট্‌পট্ প্ৰমাণ কুৰি শতিকাৰ মহাৰণ। আন পিনে পূৱৰ সভ্যতাই মানুহৰ সকলোতে বৈৰাগ্যৰ ভাব আনিছে। সংসাৰ মিছা, আই-বোপাই, ধন-ধান সকলো দুদিনৰ অৰ্থে ইত্যাদি নানা ভাবত মানুহক মুগ্ধ কৰি সন্ন্যাস ধৰ্ম্মলৈ টানি নিবলৈ ধৰিছে। গতিকে গোটেই সংসাৰ সন্ন্যাসীৰে ভৰপূৰ হলে এই সংসাৰ ভাল হব বুলি ভাবে নে? দৰাচলতে যেতিয়ালৈকে এই দুই সভ্যতাৰ সামঞ্জস্য নহব, যেতিয়ালৈকে এটাৰ ভাল আনটোৱে লৈ নিজৰ বেয়া ভাব পৰিত্যাগ নকৰিব, তেতিয়ালৈকে সংসাৰ আনন্দৰ মোহন-মন্দিৰ হব নোৱাৰে। ভোগ আৰু ত্যাগৰ নিয়মিত পৰিমাণ থাকিব লাগিব। এটাই আনটোক অতিক্ৰম কৰিবলৈ গলে সংসাৰত খামখেয়ালী কমক চাৰি দুগুণে বাঢ়িব।

সভ্যতাৰ হেন্দোলনিত মানুহ যেনে ভাবে আকুল হব ধৰিছে, এবাৰ এটা ঢৌৱে ওপৰলৈ নি আনটো ঢৌৱে আকৌ অথাউনি পানীত পেলাই মানুহক কক্‌বক্ লাগাইছে শিক্ষাৰ ৰীতি-নীতিয়ে তাতোকৈ মানুহক জলাকলা কৰিব ধৰিছে। কোন শিক্ষাই বিশ্ব জুৰি আনন্দময় কৰিব এই কথা মানুহে ভাবি একো সিদ্ধান্ত কৰিব নোৱাৰি হেলাই-হেফাই ভাগৰি

পাৰিছে অৰ্থাৎ মৰুভূমিৰ মৰীচিকাত পৰি কোনপিনে বাট লব একো থিৰ নোহোৱাত পৰিছে। এবাৰ সেইটো ভাল, আকৌ কেইদিনমানৰ পিছত সকলো ভুল হৈছে বুলি ভটীয়নী পানীত নগৈ উজাবলৈ ধৰিছে। এই শিক্ষাৰ শেষ উদ্দেশ্য আৰু তাৰ আচল গঢ় মানুহে পোৱা নাই। বৰ্ত্তমান ভাৰততো সেই একেই কথা। তথাপি বৰ্ত্তমান সময়ত ভাৰতবাসীয়ে এটা সিদ্ধান্তত উপস্থিত হব পাৰিছে অৰ্থাৎ বৰ্ত্তমান শিক্ষা-প্ৰণালী যে বেয়া আৰু অসম্পূৰ্ণ তাক সকলোৱে বুজি পাইছে। এই শিক্ষাত যে কিবা এটা ডাঙৰ অভাব আছে তাক উপলব্ধি কৰিছে। সেই কাৰণে ভাৰত জুৰি এই শিক্ষাৰ কাৰণে নানা প্ৰণালী কৰিবলৈ এদলে উঠি-পৰি লাগিছে আৰু আন দলে এই শিক্ষাৰ মূলোচ্ছেদ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছে। মই এই সম্বন্ধে একো তৰ্ক-বিতৰ্ক নুতুলি কেৱল কওঁ যে এই শিক্ষা সমূলি অসম্পূৰ্ণ। এনে শিক্ষাৰ পৰা ব্যক্তিগতভাৱে কাৰো উপকাৰ নহয়; লগে লগে উমৈহতীয়া হিচাপেও মানুহ জাতিৰ উন্নতি হব নোৱাৰে। যি শিক্ষাই মানুহক ধৰ্ম্ম-কৰ্ম্ম-মোক্ষ দিব নোৱাৰে সেই শিক্ষা যিমানেই ৰমক-জমক নহওক মানুহ জাতিৰ তাৰ দ্বাৰা কেতিয়াও উপকাৰ নহয়। শিক্ষাই মানুহক কৰ্ম্মবীৰ কৰিব লাগিব, মানুহৰ ধৰ্ম্মলৈ স্পৃহা বঢ়াব লাগিব, লগে লগে সৎচিদানন্দ এই মোক্ষ ফল উপহাৰ দিব লাগিব। মানুহ কৰ্ম্মী হলে তেওঁ যি অৱস্থাত নপৰক যেনে তেনে নিজৰ সুবিধা কৰি লব পাৰে, ধন আৰ্জ্জিবলৈ সুচল হয়, ধৰ্ম্ম হলে জ্ঞান পায় আৰু সুবিবেচনাৰে কাম কৰিব পাৰে আৰু সদায় আনন্দমনে কৰিব পাৰিলে সংসাৰৰ মায়ামোহে কেতিয়াও চুব নোৱাৰে কিন্তু ভাৰতত আজি যি শিক্ষা আছে এই শিক্ষাই মানুহক কৰ্ম্মী কৰিব পাৰিছে নে? মানুহক প্ৰত্যেক মানৱ ধৰ্ম্ম বিলাই মানুহৰ মনত সুখ আৰু আনন্দ আনিছে নে? ক'তা আনন্দ আনক চাৰি মানুহক নিষ্কৰ্ম্মা কৰি মনত 'হা ধন, হা ধন' এই ভাব সুমুৱাই চিৰ দিন ব্যাকুল কৰিছে। মই আগেয়ে কৈছোঁ এই শিক্ষা অসম্পূৰ্ণ বুলি ভাৰতবাসীয়ে বুজিব পাৰিছে কিন্তু যেতিয়ালৈকে ইয়াতকৈ এটা ভাল শিক্ষাৰ উপায় উলিয়াব নোৱাৰোঁ হক· আমি ইয়াক ততালিকে দলিয়াই নেপেলাই ইয়াৰ কি কি খুঁত আছে তাক পুঙ্খানুপুঙ্খৰূপে গমি-পিটিকি চাই ইয়াক শুধৰাব পাৰি নে নোৱাৰি তাকেহে এবাৰ চেষ্টা কৰি চোৱা যুগুত। আজিৰ বিশ্ববিদ্যালয়ৰ শিক্ষাই যেনেকৈ প্ৰকৃত মানুহ গঢ়িব নোৱাৰে,

জাতি গঠনতো ইয়াক একো কামত সমূলি খটাব নোৱাৰি। বিশ্ববিদ্যালয় যেন কিছুমান এলেহুৱা, কামত নলগা মানুহ তৈয়াৰ কৰা কল হৈছে। জাতি গঠন কৰিবলৈ বিশ্ববিদ্যালয়ৰ শিক্ষাত কি কি অভাৱ চোৱা যাওক। জয়েজয়ে গোটেই জাতিক শিক্ষিত কৰিবলৈ বিশ্ববিদ্যালয়ে কিবা উপায় পাঙিছে নে? তাৰ প্ৰথম উপায় প্ৰাথমিক পঢ়াশালিবিলাকত বাধ্যতামূলক শিক্ষা, বিনামূলীয়া শিক্ষা। বৰ আনন্দৰ বিষয় যে অসমত স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাৰ যত্নত আজি প্ৰাথমিক শিক্ষা অবৈতনিক হৈছে, কিন্তু এই শিক্ষা বাধ্যতামূলক কৰিবলৈ দেশহিতৈষী পুৰুষসকলে হাতত লোৱা অতি আৱশ্যক।

প্ৰাথমিক শিক্ষা কেনে ভাবৰ হব লাগে ইয়াতে আমি অলপ আহি লোৱা যুগুত। যি শিক্ষাৰ ওপৰত গোটেই জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে, যি শিক্ষাক আলম কৰি ওখ শিক্ষা পাবলৈ দলে দলে ছাতৰ ওলাইছে, সেই শিক্ষাৰ মূল ভেটি যিমানেই দৃঢ় হয় সিমানেই আমাৰ মঙ্গল। গতিকে সেই শিক্ষা দিবলৈ যিসকল মানুহ থিৰ কৰা হয় তেখেতসকলৰ বাছনিত বিশ্ববিদ্যালয়ে বেছি চকু দিয়া আৱশ্যক। তাৰ উপৰিও সেই মানুহসকলে সদায় যাতে উদগনি পায় আৰু জীৱন-যাত্ৰা ভালকৈ চলাব পাৰে সেই কাৰণে তেখেতসকলক সৰহ বেতন দিয়া যুগুত। তাৰ পিছত সেই পঢ়াশালিবিলাকত লৰাবিলাকক আগৰ আশ্ৰমৰ দৰে কঠোৰ ব্ৰহ্মচৰ্য্য শিক্ষা দি প্ৰকৃত মানুহ হবলৈ তেতিয়াই বাট দেখুৱাই দিব লাগে যাতে লৰা যিমানেই ডাঙৰ নওহক সেই সৰু কালৰ কঠোৰ শিক্ষাই এটা জ্বলি থকা চাকিৰ দৰে জীৱনৰ আওবাট, ভালবাট, খলাবমা দেখুৱাই কণাৰ লাখুটিৰ দৰে সহায় হব পাৰে। তাৰ পিছত সেই প্ৰাথমিক পঢ়াশালিবিলাকত আজিকালি যিবিলাক ফল-মূল, নাঙল ইত্যাদি তৈয়াৰ কৰে তাৰ সলনি যঁতৰ আৰু যথাৰ্থ নাঙল ব্যৱহাৰ কৰিবলৈ বিশ্ববিদ্যালয়ে চেষ্টা কৰিব লাগে কিয়নো ইয়াৰ দ্বাৰা লৰাৰ মনত একাগ্ৰতা হয়, লগে লগে এধনিষ্ঠামান হলেও মানৱ জাতিৰ অভাৱ পূৰণ কৰে।

আজি যদি প্ৰত্যেক ব্যক্তিয়ে নিজক ধৰ্ম্মী-কৰ্ম্মী কৰিবলৈ ওলায় তেন্তে বিশ্বজুৰি অচিৰতে ধৰ্ম্ম-কৰ্ম্ম বিৰাজ কৰিব। ইয়াক কোনেও মুই কৰিব নোৱাৰে। গতিকে যদি আমি প্ৰত্যেকে নিজৰ বাতৰি লওঁ, নিজকে নিজে সম্পূৰ্ণ শুধৰাই লওঁ তাৰ দ্বাৰাই আমি বিশ্বৰ মহা উপকাৰ কৰিব পাৰোঁহক। আমি আনক শুধৰাবলৈ যোৱাৰ আগেয়ে প্ৰত্যেকে ভাবি চোৱা যুগুত

আমি সেই ভুলৰ পৰা নিজকে সাৰিব পাৰিছো নে ? যদি পৰা নাই তেন্তে যেনেকৈ নহওক আমি শুধৰাই লব লাগিব। তাৰ পিছতহে অন্যক শুধৰাবলৈ যোৱা যুগুত। নহলে সংসাৰত প্ৰৱঞ্চনা আৰু ভণ্ড ভাবৰ প্ৰচলন দিনে দিনে বাঢ়িব। লগে লগে ইয়াকো মনত ৰাখিব লাগিব যে যি কামৰ দ্বাৰা বিশ্বৰ উন্নতি হয় সেই কামহে ভাল বুলি ধৰিব লাগে ; কিন্তু তাৰ দ্বাৰা এধনিষ্ঠামানো অপকাৰ হলে তাক বেয়া বুলি ততালিকে নেওচা দিব লাগিব। মনত ৰাখিব আমাৰ ভাল বেয়া কামত বিশ্বৰ ভাল বেয়া সম্পূৰ্ণ নিৰ্ভৰ কৰিছে আৰু মনে মনে গমি চাব আমি ছাত্ৰ-সমাজ সঁচাকৈ পূৰ্ণভাবে আনক সহায় কৰিবলৈ শক্তিমান হৈছোঁ নে নাই। যদিহে মনত অলপমানো সন্দেহ আছে তেন্তে আনক সহায় কৰা ভাব ততালিকে দলিয়াই পেলাই আমি সকলো ছাত্ৰই মিলি-জুলি আমাক সকলো প্ৰকাৰে শক্তিৱান কৰোহঁক। মিছাতে ওপৰতে গণ্ডাটোপৰ দৰে ওপন্ডি মুফুৰি আমাৰ প্ৰকৃত দোষ কি তাক বিচাৰি-খোচাৰি উলিয়াই প্ৰত্যেক ছাত্ৰই ভৱিষ্যতে একোজন আদৰ্শলোক হম বুলি মনত দৃঢ়প্ৰতিজ্ঞা লওঁ আহক। আমাৰ ছাত্ৰসমাজক এনে বলী কৰোঁ যে আমাৰ শক্তিৰ আগত জগতৰ আন সকলো শক্তি চেৰ পৰিব। আমাৰ শক্তিৰ দ্বাৰা বিশ্ব আনন্দৰ মোহন মন্দিৰ হব, বিশ্বত শান্তি বিৰাজ কৰিব।

আজিকালিৰ দিনত জাতীয় ভাবৰ কথা নকৈ বক্তৃতা বা ৰচনা পাঠ কৰিলে মানুহে ভাল নাপায়, কিন্তু আমি ইয়াকে কওঁ যে আচল জাতীয় ভাবত হিংসা-দ্বেষ-সঙ্কীৰ্ণতা নাই। তেনেবোৰ থাকিলে তেনে জাতীয়ভাবে একোটা জাতিকে দুদিনৰ কাৰণে ওখ আসন দিব পাৰে কিন্তু ই খিলঞ্জীয়া নহয়। দুদিনৰ কাৰণে প্ৰৱল প্ৰতাপী হৈ জ্বলি থাকি হঠাতে নুমাই যায়। পৃথিৱীৰ ইতিহাসে এনেবোৰ জ্বলন্ত দৃষ্টান্ত অসংখ্য দি গৈছে, কিন্তু কি আচৰিত মানুহৰ তথাপি চকু মুকলি হোৱা নাই। আমি এনে জাতীয় ভাব লব লাগিব যি চিৰকাল সত্যৰ দৰে জিলিকি থাকে, যিহৰ দ্বাৰা শত্ৰুও মিত্ৰ হয়। তেনে জাতীয় ভাব লব পাৰিলে সংসাৰত শান্তি অচিৰতে হব পাৰিব, কিন্তু মুখত শান্তি শান্তিকৈ একোটা একোটা সঙ্কীৰ্ণ জাতীয় ভাব লৈ খোৱা-কামোৰা কৰিলে সংসাৰত শান্তি নহয়। এই জাতীয় ভাবেই হৈছে মানব জাতিৰ আচল ধৰ্ম্ম। এয়ে মানৱক উপকাৰ কৰে, মানুহক দ্বন্দ্ব-খৰিয়ালৰ হাতৰপৰা শান্তিৰ পথলৈ আগবঢ়াই লৈ যায়, কিন্তু এই কথাৰ

দ্বাৰা আপোনালোকে এইটো বুবুজিব যে মই এনে বিশ্ব ভাবত মতলীয়া হৈ সামান্য ব্যক্তিৰ কথা সমূলি পাহৰি গৈছো। বস্তু যিমানেই সামান্য নহওক নিজৰ গুণেৰে বিশ্বৰ উন্নতি সাধিব পাৰি, লগে লগে নিজৰ নিজত্বও খিলঞ্জীয়াকৈ ৰাখিব পাৰি। ইয়াৰ কাৰণে ডাঙৰ প্ৰমাণ নলৈ সামান্য পৰমাণু এটাৰ কামলৈ চালে সহজে বুজিব পাৰি। এই পৰমাণুটো যিমানেই সামান্য নহওক ই কেনে ভাবে নিজত্ব ৰাখিছে, লগে লগে আন আন পৰমাণুৰ লগত মিলি বিশ্ব-ব্ৰহ্মাণ্ডৰ কাম কৰিছে তাকে দেখিলে আমি আচৰিত হব লাগে। মানুহৰ জাতীয় ভাবো ঠিক এনে লেখীয়া হোৱা আৱশ্যক। নিজৰ নিজত্ব বজাই ৰাখি এনে কাম কৰিব লাগে যিহৰ দ্বাৰা বিশ্বৰ উপকাৰ হব পাৰে। তেনে নহলে পৃথিৱী জুৰি হাই-কোঢালৰ অন্ত নপৰে।

(৮) শ্ৰীমতিৰাম বৰা

নগাঁও—১৯২৩ চন

আজি নগাঁৱৰ বাস্তৱতে বৰ শুভ দিন। আপোনালোক মাতৃপূজাৰ মহাযজ্ঞত অঞ্জলি দিবলৈ নগাঁৱত সম্মিলিত হৈছেহি। এই নগাঁৱতে চাৰি শ বছৰৰ আগেয়ে এক বিৰাট মাতৃপূজাৰ মহান সূচনা হৈছিল, যাৰ প্ৰভাৱ এতিয়াও সমগ্ৰ অসমত বিস্তৃত হৈ অসমীয়াৰ অসমীয়াত্ব জিলিকাই ৰাখিছে। অসমীয়াৰ ধৰ্ম্ম-কৰ্ম্ম, জ্ঞান, সাহিত্য, সমাজ সকলো আজি সেই পূজাৰেই প্ৰভাৱ। সেই পূজাৰ পূজাৰী শ্ৰীমন্ত শঙ্কৰদেৱৰ এই নগাঁৱতেই আৱিৰ্ভাব আৰু এই নগাঁৱতেই মাতৃপূজাৰ প্ৰথম আহুতি প্ৰদান কৰা হয়। শ্ৰীমন্ত শঙ্কৰদেৱে জৰাগ্ৰস্ত অসমীয়া জাতিক নতুন প্ৰাণ দি নতুন আদৰ্শৰে গঠন কৰিলে। শঙ্কৰৰ বৈষ্ণৱ আন্দোলনে অসমৰ প্ৰতিভা জগতত প্ৰচাৰ কৰিলে। যদিও আজিৰ দিনত নাগৰত কোনো জীৱন্ত প্ৰেৰণা নাই, আমি আজি চাৰি শ বছৰৰ পিছত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰৰ আদৰ্শত অনুপ্ৰাণিত হবলৈ আপোনালোকক আহ্বান কৰিছোঁ। আমাৰ বিশ্বাস আপোনালোক সকলোৰে অন্তৰত সেই মহাপুৰুষৰ প্ৰেৰণা আছে। আহক, আজিও আমি শঙ্কৰৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ মাতৃপূজাৰ পুনৰ এক অভিনয় কৰোহঁক।

জননী জন্মভূমিৰ সেৱা কৰিবলৈ, মাতৃপূজাৰ সম্ভাৰ গোটাবলৈ, বহুল শক্তিৰ আৱশ্যক। সেই বহুল শক্তি বৰ্ত্তমান আমাৰ নাই, তথাপি শক্তি

চাই ভক্তি কৰাই নিশ্চয় সন্তানৰ কাম। আজি জন্মভূমি অসম আই পদে পদে বঞ্চিতা, লাঞ্ছিতা আৰু অপমানিতা। আজি অসমীয়াৰ নাই সাহ, নাই শক্তি, নাই বিদ্যা, নাই বুদ্ধি, নাই আশা-আকাঙ্ক্ষা। তাহানিৰ হৰ্ষদেৱ আৰু ভাস্কৰবৰ্ম্মা, লাচিত ফুকন আৰু চিলাৰায় আজি নাই। যি অসমীয়াই এদিনাখন মাদ্ৰাজ পৰ্য্যন্ত ৰাজ্য বিস্তাৰ কৰিছিল, যি অসমীয়াৰ সহায়ত কনৌজৰ ৰজাই এদিনাখন বঙ্গদেশ পৰ্য্যন্ত জয় কৰিছিল, যি অসম দুৰ্দ্দান্ত প্ৰতাপী মোগল সম্ৰাটসকলেও জয় কৰিব নোৱাৰিছিল, সেই অসমীয়াৰ সন্তানসকলেই আজি সেই কথা বিশ্বাস কৰিব নোৱাৰাত পৰিছে। অতীতৰ জাতীয় শৌৰ্য্য-বীৰ্য্যৰ কথা ঐতিহাসিক সত্য বুলি বিশ্বাস কৰিব নোৱাৰি সাধুকথা বুলি ভাবিব লগীয়াত পৰিছে। ধৰ্ম্ম-জগতত যি ভক্তি-অৰ্ঘ্য দানত মাতৃৰ চৰণ প্ৰফুল্লিত হৈছিল সেই শঙ্কৰ-মাধৱ-দামোদৰ আৰু অনন্তকন্দলিৰ ধৰ্ম্ম আৰু সাহিত্য অসমীয়াৰ অন্তৰৰ পৰা বিলুপ্ত। দিনে দিনে অসমীয়া জাতি কু-সংস্কাৰাচ্ছন্ন হৈ যাব লাগিছে। জননীৰ আদৰৰ পুত্ৰ-সকলৰ শতাব্দী-সঞ্চিত সাহিত্য-ভঁৰাল উঁই-এন্দুৰৰ বাহ হৈছে। আজি অসমীয়া জাতি সাহিত্যৰ কাৰণেও পৰমুখাপেক্ষী। এইবোৰ যে নায়েই, অসমীয়াৰ আজি ন্যায্য ভোগ অধিকাৰতো কেউফালৰ পৰা বাধা পৰিছে। সুচতুৰ বিদেশীয়ে অসমীয়াৰ কষ্টলব্ধ অৰ্থখিনিকো কেউফালৰ পৰা হৰণ কৰিব লাগিছে, তথাপি অসমীয়া জাতিৰ চৈতন্য হোৱা নাই। অসমীয়াৰ জাতীয় জীৱন-প্ৰৱাহৰ ভেটাবিলাক আপোনালোকৰ চকুত নিশ্চয় পৰিছে। আপোনালোকৰ সকলোৰে সমৱেত চেষ্টা হলে তাৰ সম্পূৰ্ণ প্ৰতিকাৰ নহৈ নেথাকে।

"ছাত্ৰানাং অধ্যয়নং তপঃ" বুলি ওজৰ দেখুৱাই কোনো কোনোৱে আমাৰ এই অনুষ্ঠানক ছাত্ৰৰ উন্নতিৰ পথত ব্যাঘাতকাৰী বুলিও কব পাৰে কিন্তু ব্যক্তিগত আৰু জাতীয় জীৱন চালনা জানো ইমানেই সহজ যে ইয়াক পৰস্পৰৰ লগত সম্বন্ধ নথকা কিছুমান ভাগত বিভক্ত কৰিব পাৰি? আজি যি শ্ৰোতা, কাইলৈ তেওঁ বক্তা। আজি যি দৰ্শক, কাইলৈ তেওঁ দেশনায়ক। এনে স্থলত এই জটিল সমস্যা সমাধানৰ সময়ত শিক্ষাক সৰ্ব্বতোমুখী নকৰি সঙ্কীৰ্ণ সীমাত আৱদ্ধ ৰাখিবলৈ কোন দেশপ্ৰেমিকে দিহা দিব পাৰে? অসম ছাত্ৰ-সম্মেলন এতিয়াও অতি মুমলীয়া অৱস্থাত। এই অনুষ্ঠানৰ গঠনকাৰ্য্য এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই, গতিকেই ইয়াৰ ভৱিষ্যতৰ বিষয়ে নিৰাশ

হোৱাটো যুক্তিসিদ্ধ কথা নহয়। বিশেষতঃ বহল দৃষ্টিপাতৰ পৰা হোৱা জ্ঞানৰ সহায়েৰে ইয়াকেহে কব পাৰি যে মানৱ জীৱনৰ যি কেইটা স্তৰ আছে তাৰে ভিতৰত ছাত্ৰ জীৱনটোৱেই ব্যক্তিগত, জাতীয় আৰু জাগতিক জীৱনৰ বিশেষ পৰিপুষ্টি সাধন কৰে। এই ছাত্ৰ জীৱনৰ শক্তিয়ে সমৱেত হৈ জগতৰ হকে বহুত উল্লেখযোগ্য ঘটনাৰ সূচনা আৰু পৰিণতি কৰা দেখা গৈছে। এনেস্থলত অসমৰ ছাত্ৰমণ্ডলী যে প্ৰাকৃতিক সৃষ্টিৰ এই গুণৰ অধিকাৰী নহয় তাক কোৱা যায় কেনেকৈ! ৰাইজৰ সহানুভূতি আৰু পৰিচালনা পালে ছাত্ৰ-মণ্ডলীয়ে নিশ্চয় দেশত অনেক কল্যাণ সাধিব পাৰিব বুলি আশা কৰা যায়।

আমি নিজেই স্বীকাৰ কৰো যে অসম ছাত্ৰ-সম্মেলনে এতিয়ালৈকে একো ডাঙৰ কাম কৰিব পৰা নাই। ইয়াৰ কাৰণো যথেষ্ট আছে। অসহযোগ মন্ত্ৰই ৰাজনৈতিক দলত আৱদ্ধ নাথাকি কোমলমতি ছাত্ৰসকলকো ঢুকি পোৱাত সম্মেলন বহুত দিন মৃতপ্ৰায় হৈ আছিল। এতিয়াহে ই আকৌ ছাত্ৰ সমাজৰ উপযোগী কৰ্ম্মক্ষেত্ৰ তৈয়াৰ কৰিবলৈ প্ৰয়াস পাইছে। ছাত্ৰসকলৰ সুপ্ত শক্তি বিশৃঙ্খলাত আৰু অনুকূল শিক্ষাৰ অভাৱত মাৰ নগৈ ই নিজৰ কৰ্ম্মক্ষেত্ৰ নিজে বহল কৰি লৈ গলেহে এই অনুষ্ঠানৰ সাফল্য। ছাত্ৰ-সম্মেলনৰ শৈশৱাস্থাতে আৰু সংগঠন কাৰ্য্য অসম্পূৰ্ণ থকাতো সাহিত্য বিষয়ক যি ফেৰা কাম হৈছে, তাৰে পৰাই আমি ইয়াৰ উজ্জ্বল ভৱিষ্যত নিৰ্দ্ধাৰণ কৰিব পাৰোঁহক।

সম্মেলনৰ কৰ্ম্মক্ষেত্ৰ এতিয়াও সীমাৱদ্ধ যদিও ইয়াৰ ভিতৰতে ব্যক্তিগত আৰু জাতীয় জীৱনত সহায় কৰিব পৰা ভালেমান উপাদান সৃষ্টি কৰিব পৰা শক্তি ছাত্ৰ-মণ্ডলীৰ আছে। আশা কৰোঁ আমাৰ ছাত্ৰৰ শক্তি ক্ৰমে সেইবোৰলৈকো ধাবিত হব। বৰ্ত্তমান অসমীয়া সমাজৰ বৰ দুৰ্দ্দিন উপস্থিত হৈছে। বিশেষকৈ অসমীয়াই চাৰিও ফালৰ আক্ৰমণৰ পৰা নিজৰ জাতীয়তা ৰক্ষা কৰাটোৱেই ক্ৰমাৎ টান হৈ আহিছে। অসমীয়াৰ অসম গুচি বাহিৰৰ মানুহৰ অধিকাৰলৈ ক্ৰমাৎ যাব লাগিছে। এতিয়া সময় থাকোঁতে যদি আমি এলাহ কাতি কৰি থৈ কৰ্ত্তব্য পথত আগুৱাই যাব নোৱাৰোঁ তেনেহলে অসমৰ ভৱিষ্যত বৰ আন্ধাৰ। আপোনাসকলে সমৱেত চেষ্টাৰ দ্বাৰা জন্মভূমিৰ কল্যাণ সাধন কৰক। বৰ্ত্তমান দুৰ্দ্দিনৰ সময়ত অসমীয়াৰ জাতীয়তা ৰক্ষা কৰিবলৈ হলে সাহিত্য উন্নত হব লাগিব, সাহিত্যৰ দ্বাৰাই

সুপ্ত অসমীয়াক কৰ্ম্মৰত কৰি তুলিব লাগিব। অসম ছাত্ৰ-সম্মেলনেও কিছু দিনলৈকে সকলো শক্তি আৰু উদ্যম আমাৰ বিবেচনাৰে সাহিত্য-সেৱাতে অৰ্পণ কৰা উচিত।

(১১) শ্ৰীআলোকচন্দ্ৰ ৰাজখোৱা

ডিব্ৰুগড়, ১৯২৬ চন

চাওঁতে চাওঁতে এবছৰ দুবছৰ কৰি ছাত্ৰ-সম্মেলনে আজি একাদশ বছৰত ভৰি দিলেহি। এই কেইবছৰ ছাত্ৰ-সম্মেলনে অনেক অপায়-অমঙ্গল অতিক্ৰম কৰি নিজৰ ক্ষুদ্ৰ শক্তি অনুসাৰে নিজ উদ্দেশ্য সাধনৰ চেষ্টা কৰি নিজৰ কৰ্ত্তব্য পালন কৰি আহিছে। এই সাধনাত ছাত্ৰ-সম্মেলন কিমান কৃতকাৰ্য্য হৈছে তাক ৰাইজকে বিচাৰ কৰিবলৈ গতালোঁ। কিন্তু ছাত্ৰ-সম্মেলনৰ হৈ আমি ইয়াকে ডাঠি কব পাৰোঁ যে এই সম্মেলনে সকলো ৰকমে নিজৰ কৰ্ত্তব্য সাধি নিজৰ অস্তিত্বৰ চিনাকি দিবলৈ অলপো ত্ৰুটী কৰা নাই। বৰঞ্চ সদায় নিজৰ কৰ্ত্তব্য সাধিবলৈ সাজু হৈ নিজৰ গৌৰৱহে চিনাকি দিছে।

এই বাটত আপোনাসকলক বাট দেখুৱাই নিবলৈ আজি আপোনাসকলে যিজনক সভাপতি স্বৰূপে পাইছে তেখেতৰ বিষয়ে মই আপোনাসকলক নকলেও হব। তেখেত বিদেশী নহয়, তেখেত আমাৰ এজন গণ্যমান্য অসমীয়া।

সমূহ অসমীয়া ৰাইজৰ হিতৰ হৈ অসম কাউন্সিলত তেখেতে যিবিলাক কাম সৰল অন্তৰৰ চিনাকি দি কৰিছে আৰু কৰিবলৈ আগবাঢ়িছে সেইবিলাকে তেখেতৰ নাম সকলোতে সুপৰিচিত কৰি তুলিছে। তাৰ ভিতৰত কম পক্ষে দুটি কামৰ অলপ বৰ্ণনা নিদি নোৱাৰিলোঁ, কাৰণ ই ছাত্ৰৰ সম্মেলন। কানিৰূপ বিহে অসম দেশ খালে। এই বৰবিহ আমাৰ দেশৰ পৰা দুঠালে অসমীয়াৰ ভোগ উছন হব। তাকে দেখি কানি সম্পূৰ্ণৰূপে তুলি দিবলৈ তেখেতে যি প্ৰস্তাৱ কাউন্সিলত দিছিল তাৰ পৰাই তেখেত আমাৰ কিমান হিতাকাঙ্ক্ষী আমি বুজিব পাৰিছোঁ।

চুৰট খোৱা প্ৰথাটি অসমীয়া লৰাৰ মাজত বেছি ৰকমে প্ৰচলিত। পানীকেচুৱা লৰাই চুৰট হুপি বা বলায়। এই অভিসম্পাত আঁতৰাবৰ নিমিত্তেই তেখেতে লৰাৰ ধূমপান নিষেধ আইন কাউন্সিলত গৃহীত

কৰোঁতালে। মুঠতে অসমীয়াৰ মাজত ৰাগীয়াল বস্তু নিবাৰণ কৰিবলৈ তেখেতে যত্ন কৰিছে, তাক আমি পাহৰিলে মাথোন অকৃতজ্ঞতাৰ চিনাকি দিয়া হব।

সকলো ডাঙৰ কামৰ সিদ্ধিৰ ভাৰ ছাত্ৰৰ ওপৰতেই নিৰ্ভৰ কৰে। সাধনাত সিদ্ধি লাভ কৰিলে সন্মেলন অকল ছাত্ৰ-সমাজৰেই নহয়, ই সদৌ অসমবাসীৰ গৌৰৱৰ বস্তু হৈ পৰিব। ভাবি চাওক, আজি আমাৰ ছাত্ৰ-সমাজ কিমান ডাঙৰ দায়িত্বৰ ভাগী। সেই দায়িত্বৰ পৰা উদ্ধাৰ পাবলৈ হলে কেৱল দৰ্শন, বিজ্ঞান আদিৰ আলোচনাতে নিজক আৱদ্ধ নাৰাখি শাৰীৰিক, মানসিক আৰু নৈতিক জীৱন সাধন আদি কাম হাতত লব লাগিব। ভাইকাউণ্ট ব্ৰাইচৰ 'Concentration of study upon few topics but taking of interest in the general movements of the world' কথা ফাকি আমি মনত ৰখা উচিত। তাৰ মানে সকলো কামৰে অলপ-অচৰপ শিকি এটাত পৈণত হৈ উঠিব লাগিব।

সুস্থ, সবল আৰু নিৰোগী ডেকাসকল যে নিজেই সুখী তেনে নহয়। তেওঁবিলাক জাতীয় সম্পত্তি। ৰোগী আৰু দুৰ্ব্বল সন্তানৰ পৰা মাতৃভূমিৰ একো বিশেষ আশা কৰিব নোৱাৰি। সেইদৰেই মানসিক, নৈতিক আৰু সামাজিক বলেৰে বলী নহলে একো মহৎ কাম সাধন কৰিব নোৱাৰি। এই সন্মেলনে ছাত্ৰসকলক দৃঢ়ৰূপে সন্মিলিত কৰি প্ৰত্যেক ছাত্ৰকে যাতে একোজন মানৱ সমাজৰ প্ৰকৃত উপযোগী সন্তান কৰি তুলিব পাৰে সেই-বিষয়ে বিশেষকৈ চকু ৰাখি চেষ্টা কৰা উচিত। ঠায়ে ঠায়ে স্কাউট আন্দোলনৰ আৰ্হিৰে সেৱা সমিতি আৰু আন আন স্বেচ্ছাসেৱক দল গঠন কৰি ছাত্ৰসকলক নিঃসহায়ক সহায় আৰু বিপন্নক উদ্ধাৰ কৰা আদি কাম সুগঠিত ভাবে সম্পন্ন কৰিবলৈ শিক্ষা দিয়া উচিত।

ছাত্ৰসকলৰ ওপৰত কৈ অহা নিজ কৰ্ত্তব্যৰ বাহিৰেও মাতৃভূমিৰ অৰ্থে অতি গভীৰ কৰ্ত্তব্য সাধন কৰিবলগীয়া আছে। ব্যক্তিগতভাবে কৰিলেও নিশ্চয় বহুত কৰা হব, কিন্তু সন্মিলিত হৈ কৰিলে অসমীয়াই এটা জাতি বুলি চিনাকি দি নিজৰ জাতীয় গৌৰৱ অক্ষুণ্ণ ৰাখিব পাৰিব।

আজি অসমীয়াই পূৰ্ব্বপুৰুষৰ সকলো বিদ্যা পাহৰিলে। সেইবাবে শিল্প-বাণিজ্য, খেতি-বাতি আদি সকলো কামতে পাছ পৰা। এবাৰ ঘূঁৰি চাওকচোন, অসমীয়াৰ শিল্প এসময়ত অসমীয়াৰ গৌৰৱৰ বস্তু আছিল নে

নাই। বেছি দূৰলৈ যাব নালাগে আহোম ৰজাৰ দিনৰ ৰংপুৰৰ ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰে আজিও অসমীয়া এসময়ত শিল্প-কাৰ্য্যত পটু আছিল বুলি চিনাকি নিদিয়ে নে? সেই দিনৰ খনিকৰ জাতিৰ পো-নাতিয়ে আজি সকলো পাহৰিলে। তাতকৈ দুখৰ বিষয় আৰু কিবা হব পাৰে নে?

এতিয়াও অসমীয়া শিপিনীৰ কাপোৰ অসমীয়াৰ গৌৰৱ। অসমীয়া জাতিৰ কি ধনী, কি দুখীয়া সকলো শ্ৰেণীৰ মানুহৰ তিৰোতাই কাপোৰ বোৱাত একো আপত্তি নাই। অসমীয়া সমাজত এই বিষয়ে একো বন্ধা-ধৰা নিয়ম নাই। ভাবি চাওকচোন ই এটি ডাঙৰ সোণালী সুবিধা নহয় নে? কিন্তু আজি অসমীয়া শিক্ষিত ভদ্ৰলোকৰ ঘৰত কেইখন তাঁতশাল? আনকি এনেকুৱা অসমীয়া ভদ্ৰলোকৰ তিৰোতাও অনেক আছে যি আজি ৰাচ, তোলোঠা, লেটাই-চেৰেকীনো কি বস্তু, খাই নে কাণত পিন্ধে কব নোৱাৰে। তাৰ উপৰি ভদ্ৰলোকসকলৰো তেনে দোষ দেখা যায়। অনেক এনে ভদ্ৰলোকো আছে যি আজি তোমৰ মূৰটোকে বব নাজানে; জাপি, খৰাহি সজাতো সাগৰৰ সিপাৰৰ কথা। কেৱল বিদেশীৰ হেঁচাতে আমাৰ এই কাৰ্য্য-কলাপবোৰ লোপ পাইছে। অসমীয়া বাঢ়ৈ, অসমীয়া খনিকৰ, যাৰ হাতে ফুল বাছি কটা শিলৰ মূৰ্ত্তি, দৌল-দেৱালয় আজিও অসমীয়াৰ শিল্প-গৌৰৱ। কিন্তু হায়! দেশৰ পৰা সেই সকলো লোপ পালে।

এইবিলাক প্ৰশ্ন যদি কোনো অসমীয়া শিক্ষিত ডেকা এজনক সোধা যায় তেন্তে তেওঁ ততালিকে বৰ্ত্তমান শিক্ষাৰ দোষ বুলি কব। ই কিমান দূৰ সঁচা ৰাইজেই যেন তাৰ বিচাৰ কৰে।

আমি যদি আমাৰ খেতি-বাতিৰ ফালে চাওঁ তাতো সেই অৱস্থা। অসমীয়া খেতিয়ক আজি দীন-দৰিদ্ৰ। তেওঁবিলাকৰ ৰাতিপুৱা সাঁজ খাই গধূলিৰ সাঁজলৈ ভাবিব লাগে। মাৰোৱাৰী-মহাজনৰ গোলাত ধাৰত পোত খাই মাটিভেটি কেইডৰাও নিলামত গৈছে। বিৰাট দৈন্য-দৰিদ্ৰতাৰ পৰা মাতৃভূমিক ভৱিষ্যতে উদ্ধাৰ কৰাৰ ভাৰ আজি ছাত্ৰসকলৰ গাত। কেনেকৈ সন্মিলিত হৈ এইবিলাকৰ পৰা পুনৰ উদ্ধাৰ হব পাৰি আজি ছাত্ৰসকলে তাৰ শিক্ষা কৰা উচিত।

কেৱল স্কুল-কলেজৰ কিতাপকেইখনতে আৱদ্ধ নাথাকি নিজ কাণ আৰু কল্পনা শক্তিক গাইগুটীয়া আৰু স্বাধীনভাবে চিন্তা কৰিবলৈ শিক্ষা দিয়াও ছাত্ৰসকলৰ উচিত। তেওঁবিলাকে যাতে আজৰি সময় ডোখৰ

অবাবত নকটায়। প্রকৃতৰূপে কামত লগাবলৈ শিক্ষা দিয়াটোও সম্মেলনৰ এটা প্ৰধান কৰ্ত্তব্য।

আমাৰ দেশৰ প্ৰায় মানুহে গাঁৱে-ভূঞে স্বাস্থ্য ভালে ৰাখিবৰ উপায়বিলাক প্ৰায়ে নেজানে। দেশত মহামাৰী আদি হলে কেনেকৈ তাৰ পৰা নিজক ৰক্ষা কৰিব লাগে এই প্ৰাথমিক শিক্ষাফেৰা গাঁৱলীয়া প্ৰজাক দিবলৈ সম্মেলনে দৃঢ়প্ৰতিজ্ঞ হৈ সম্মেলনৰ সভ্যসকলৰ দ্বাৰাই সেইবিলাক কাম কৰালে দেশৰ নথৈ উপকাৰ হব।

জাতীয়তা হিচাপেও আজি আমাৰ মহা দুৰ্দ্দিন। আজি অসমীয়া জাতি বিদেশী জাতিৰ হেঁচাত এনেভাবে জৰ্জ্জৰিত যে অনেক সময়ত আৰু অনেক কাৰ্য্যত অসমীয়া জাতিৰ গাত প্ৰাণ আছে নে নাই তাকো চাবৰ কাৰণে নাড়ীডাল টিপি চাব লগা হয়। আমি নিজৰ জাতীয় বিশিষ্টতা দিনে দিনে হেৰুৱাব লাগিছোঁ। তাৰ বাহিৰেও হাজাৰ হাজাৰ বিদেশীয়ে আহি কাকতীফৰিঙৰ দৰে দেশ বিয়পি পৰিছে। এনে অৱস্থাত নিজৰ বিশিষ্টতা বজাই ৰাখিবৰ কাৰণে আমাৰ ছাত্ৰসকলৰ শিক্ষা যাতে সৰ্ব্বাঙ্গীন হয় তাৰ কাৰণে যথাসাধ্য চেষ্টা কৰা উচিত। স্ত্ৰী-পুৰুষ দুয়োৰে শিক্ষা যাতে দেশ-কালৰ উপযোগী হয় তাৰ কাৰণে বিশেষ যত্ন লোৱা উচিত। জানিব—"স্ত্ৰীয়ে পুৰুষে হবা একমতি, তেবেসে সিজিব হৰি ভকতি।" স্ত্ৰী-পুৰুষ উভয়ে জাতিৰ অঙ্গ। শৰীৰৰ বিশেষ এটা অঙ্গৰ উৎকৰ্ষ সাধন কৰি আন আন অঙ্গবোৰ আওহেলা কৰিলে যেনেকৈ শাৰীৰিক উন্নতি হব নোৱাৰে, সেইদৰেই স্ত্ৰীশিক্ষা আওহেলা কৰি কেৱল পুৰুষৰ শিক্ষাতে ভৰ দিলে জাতীয় উন্নতি সম্পুৰ্ণাঙ্গ কেতিয়াও নহয়। সেই কাৰণে স্ত্ৰী-পুৰুষ উভয়কে দেশ-কালৰ উপযোগী শিক্ষা দিয়া নিতান্ত উচিত।

(১২) শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

গুৱাহাটী, ১৯২৭ চন

পৱিত্ৰ সম্মেলন বন্তিগছ তেল-শলিতা দি পোনপ্ৰথমে গুৱাহাটীত জ্বলাই দিয়া হৈছিল। যেতিয়া অসহযোগৰ ধুমুহা-বতাহে ইয়াক প্ৰায় নুমাবলগীয়া কৰিছিল তেতিয়া পুনৰ গুৱাহাটীতে ইয়াক নতুন জীৱন দিয়া হৈছিল। আজি আকৌ তেল-শলিতাৰ অভাৱত ই প্ৰায় নুমাও নুমাও হৈ পুনৰ

গুৱাহাটীতে আপোনালোকৰ ওচৰ চাপিছে। পূৰ্ব্বৰ ৰীতি মতে আপোনালোকে আজি নতুন তেল-শলিতা দি জ্বলাই দিয়ক। সম্মিলন-বন্তি কেতিয়াও নুমাব নোৱাৰে। জগতত অসমীয়া ছাত্ৰৰ অস্তিত্ব থাকে মানে অসম ছাত্ৰ-সম্মিলন-বন্তি অখণ্ড প্ৰদীপ হৈ জ্বলি থাকিবই লাগিব।

আপোনালোক কোনো বহি থাকিব নোৱাৰে। নৰনাৰায়ণ, চক্ৰধ্বজ, ৰুদ্ৰসিংহৰ যুগ আনোতা প্ৰবল পৰাক্ৰান্ত জাতি এটাৰ উত্তৰাধিকাৰী অসমীয়া জাতি আমি ছাত্ৰসমাজেই ভৱিষ্যত সুখ-দুখৰ গৰাকী। দুদিন পিছত আমিয়েই শত-সহস্ৰ জটিল সমস্যাৰ সমাধান কৰি মাতৃ-মন্দিৰৰ সোণৰ কলচী উজ্জ্বল কৰি তুলিব লাগিব।

সকলোৱে শক্তি অনুসৰি ভক্তি কৰি মাতৃমন্ত্ৰত দীক্ষিত হৈ মাতৃপূজাত সকলো শক্তি ঢালিব লাগিব। মোৰ আৰু আপোনালোকৰ শত সাধনাৰ জন্মভূমি সোণৰ অসম আই আজি কাঙালিনী, লোকৰ অনুগ্ৰহ ভিখাৰিণী। ধনত আমি দুখীয়া, জনত আমি তাকৰীয়া, স্বাস্থ্যত আমি ৰুগীয়া, সকলোতে কেৱল পাছ পৰা। চাৰিওফালে অভাৱ-অভিযোগ, চাৰিওফালে নাই নাই হাহাকাৰ, চাৰিওফালে, নিৰাশাৰ বিকট মূৰ্ত্তি। বিজ্ঞানত আমি অজ্ঞান, দৰ্শনত আমাৰ অদৰ্শন, সাহিত্যত আমাৰ বায়ু-পিত্তৰ ৰোগ। আজি আমাৰ মূৰত লক্ষ্মী-সৰস্বতীয়ে পুষ্পবৃষ্টি নকৰে। কালৰ অভিশাপত আজি অসমীয়া জাতিয়ে জগতত নিজৰ চিনাকি দিবলৈ কলাজ্বৰ, মেলেৰিয়াৰ নাম নললে কিম্বা কানিৰ টিকিৰাৰ কাষ নেচাপিলে আন উপায় নাই। ঘাইকৈ আমাৰ ছাত্ৰ-সমাজৰ পৃষ্ঠপোষকতাত শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ আকাশ-বতাহ চিগাৰেটৰ ধোঁৱাই বিষাক্ত কৰি পেলালে। শুনি অলপো আচৰিত নহব, এই গুৱাহাটীয়েই হেনো মাহে ৫৫,০০০৲ টকা চিগাৰেটৰ ধোঁৱাৰ লগত উৰাই দিয়ে। আমাৰ অনাদৰত, আমাৰ অৱহেলাত, অসমৰ্থতাত কিম্বা আমাৰ কুম্ভকৰ্ণ টোপনিত আমাৰ কোচবেহাৰ-ৰংপুৰে আমাক এৰি গল, আমাৰ মণিপুৰ-কাছাৰে আমাক পাহৰিলে আৰু আমাক দুখীয়া দেখি আমাৰ গোৱালপাৰাৰ জনচেৰেকে আজি আমাৰ সৈতে সম্বন্ধ ছিঙিবলৈ সাজিপাৰি ওলাইছে। ইয়াতকৈ আৰু পৰিতাপৰ বিষয়, আক্ষেপৰ কথা কিবা হব পাৰে নে?

সেই কাৰণেই দেশ-মাতৃকাৰ পূজাত শতেক ভক্তৰ বৰ আৱশ্যক হৈছে —কৰ্ম্মী লাগে, পূজাৰী লাগে, সাধক লাগে। বন্ধুসকল! আপোনা

সকলেই সেই কৰ্ম্মী, সেই পূজাৰী আৰু সেই সাধক। আপনালোকেই মাতৃৰ যথাসৰ্ব্বস্ব। যি দেশৰ নাৰায়ণ-পুত্ৰ নৰকাসুৰে ত্ৰিলোক কঁপাই তুলিছিল, যি দেশৰ মহাযোদ্ধা ভগদত্তই এক অক্ষৌহিনী সৈন্য লৈ মধ্যম্ পাণ্ডৱ অৰ্জ্জুনক বিতত কৰিছিল, যি দেশৰ ভাস্কৰবৰ্ম্মাই ভাৰতসম্ৰাট শিলাদিত্যৰ ৰাজসভাত মধ্যাহ্ণ ভাস্কৰৰ দৰে জ্বলিছিল আৰু সিদিনা মাথোন যি দেশৰ সৌ শৰাইঘাটত মহাবীৰ লাচিত বৰফুকনে দেশৰ নিমিত্তে নিজৰ মোমায়েকক পৰ্য্যন্ত বলি দিছিল সেই পুণ্যময়ী দেশৰ সন্তান হৈছে আপোনালোক। কমলা-সাৰদাৰ বৰপুত্ৰ হৈ প্ৰাচ্য আৰু পাশ্চাত্য জগতত ভোটা তৰাৰ দৰে জিলিকা পণ্ডিত আনন্দৰাম বৰুৱা আৰু দ্বিতীয় কালিদাস কৱিবৰ ধীৰেশ্বৰাচাৰ্য্যৰ জন্মদাত্ৰী আপোনালোকৰ মহিমান্বিতা মাতৃয়েই। গতিকে ভাবি চাওকচোন, আপোনালোকৰ পৰা কি আশা কৰিব নোৱাৰি! চেষ্টাৰ অসাধ্য একোৱেই নাই। আজি ১০।১১ বছৰে ছাত্ৰ-সম্মিলনে কৰা আন কাম বাদ দিলেও সম্মিলনৰ মুখপত্ৰ 'মিলন' কাকতখনিয়েই অসমীয়া ছাত্ৰশক্তিৰ বিজয় নিচান আৰু গৌৰৱ-স্তম্ভ। এই বছৰ 'মিলনে' আশাতীতৰূপে উন্নতি কৰিছে। বৰ্ত্তমান অসমীয়া পষেকীয়া, মাহেকীয়া, তিনিমহীয়া যিকেইখনি কাকত আছে প্ৰত্যেকতকৈ প্ৰবন্ধ আৰু চিত্ৰ-সম্ভাৰ আদিত 'মিলন' শ্ৰেষ্ঠ বুলি কলে বোধকৰোঁ আত্মশ্লাঘা কৰা নহব; কিয়নো ই কেৱল আমাৰ নিজৰ কথা নহয়, অসমীয়া সাহিত্যত বিশেষজ্ঞসকলৰ অভিমত। এই কাকতে নবীন আৰু প্ৰবীণ সাহিত্যিকসকলক সমানে সম্বৰ্দ্ধনা কৰি জাতীয় গৌৰৱ বঢ়াইছে—ঘাইকৈ তৰুণ অসমীয়া সাহিত্যিক সমাজ গঠন কৰি অসম সাহিত্য সভাৰ সহায়তা কৰিছে। * * * কেৱল সম্মিলনৰ কথাতে নহয়, সকলো কথাতে এইখন দুৰ্ভগীয়া দেশত গুণীৰ গুণৰ পুৰস্কাৰ নাই। কাম কৰোঁতা মানুহ নাই, যদি দুই এজন ওলায়ো তেওঁলোকে কিমান বাধা-বিঘিনি সহিবলগীয়াত পৰে ভুক্তভোগীসকলেহে জানে। এইবোৰ জাতীয় শাওপাতৰ পৰা ভৱিষ্যতলৈ মুক্তি পাবৰ অতি প্ৰয়োজন দেখিহে আপোনাসকলৰ আগত এই দুখৰ বকলা মেলিছোঁ। বন্ধুসকল! আজিৰ ছাত্ৰই কাইলৈৰ অভিভাৱক, দেশনেতা। এতেকে আপোনালোকে যাতে সংসাৰৰ চাকনৈয়াত পৰিও আমাৰ জাতিগত দোষবোৰৰ পৰা মুক্তি লভিবলৈ চেষ্টা কৰে আৰু আমাৰ সম্মিলনৰ ভালেমান পুৰণি কাৰ্য্যকাৰকসকলৰ দৰে এই সুমলীয়া সম্মিলনখনিলৈ একেবাৰে পাহৰি নেযায়, এয়ে মোৰ বিনীত অনুৰোধ।

(খ) · অসম ছাত্র সন্মিলনৰ চমু ইতিবৃত্ত

লিখক—শ্ৰীমোহনচন্দ্ৰ মহন্ত বি. এল

অসম ছাত্র সন্মিলনৰ নিচিনা এখন ডাঙৰ প্ৰাদেশিক সন্মিলন হোৱাৰ আগতে ইয়াৰ জন্মদাতৃ কেইখনমান সন্মিলনৰ উল্লেখ নকৰি নোৱাৰি। সভা-সমিতিৰ সাধাৰণ লক্ষণ এয়ে যে ই ক্ৰমান্বয়ে সৰু অৱস্থাৰ পৰা ডাঙৰ অৱস্থা পায়। জগতৰ ডাঙৰ ডাঙৰ সন্মিলনবিলাকৰ আৰম্ভণি পোনতে নিচেই সৰুকৈহে দেখা যায়, পিছত কৰ্ম্মীসকলৰ অভিজ্ঞতাপূৰ্ণ বহুল ভাৱৰ লগে লগে সন্মিলনো বহল হৈ যাবলৈ ধৰে। আমেৰিকাৰ কংগ্ৰেছ মহাসভা প্ৰভৃতি সকলো ডাঙৰ ডাঙৰ সন্মিলনেই এই নিয়মতেই ক্ৰমোন্নতি কৰি ডাঙৰ হৈ যোৱা দেখা যায়।

অসম ছাত্র সন্মিলন হোৱাৰ ভালেমান দিনৰ আগতে কলিকতা প্ৰৱস্থৱা ছাত্ৰসকলৰ ভিতৰত 'অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভা' (অ-ভা-উ-সা) স্থাপিত হয়। আমাৰ এতিয়াৰ অগ্ৰগণ্য বুঢ়া আৰু আদহীয়া সাহিত্যিক-সকলৰ সৰহ ভাগেই এই সভাৰ সভ্য আছিল। পিছত এই সভাৰ ঠাইত 'এ-এছ-এল ক্লাব' নাম দি কলিকতা, গুৱাহাটী, আৰু (পিছত) ঢাকাৰ কলেজীয়া ছাত্ৰসকলে সাহিত্যচৰ্চ্চা কৰিবলৈ ধৰে। অৱশ্যে এ-এছ-এল ক্লাবৰ জন্ম মহাত্মা আনন্দৰাম বৰুৱাৰ দিনৰ পৰাই হয়। গুৱাহাটীত এই ক্লাব ১৯০৩ চনত স্থাপিত হয়।

গুৱাহাটীৰ উজান বজাৰৰ ছাত্ৰসকলে ১৯০৫ চনত 'একতা সভা' নামে এখন সভা স্থাপিত কৰে। ত্ৰৈমাতৃৰ লক্ষ্মণ-শত্ৰুঘ্নৰ আচল মাক সুমিত্ৰাৰ দৰে এই সভাকেই অসম ছাত্র সন্মিলনৰ আচল মাক বুলিলেও বুলিব পাৰি। মুঠতে কলিকতা এ-এছ-এল ক্লাব, গুৱাহাটী এ-এছ-এল ক্লাব আৰু একতা সভা এই ত্ৰিমাতৃৰ সংযোগ-অমৃতৰ ফলতেই ত্ৰৈমাতৃৰ অসম সন্মিলনে জন্ম পায়। এই তিনিওখন সন্মিলনে সাহিত্য বিষয়ৰহে চৰ্চ্চা কৰে, সেই কাৰণে অসম ছাত্ৰ-সন্মিলনেও প্ৰথমতে অবিকল মাকৰ আৰ্হিকে লৈছিল।

জন্ম-বৃত্তান্ত

১৯১৫ চনৰ ৩ এপ্রিল ইষ্টাৰ বন্ধত বৰ্দ্ধমানৰ মহাৰজাই বহুত টকা খৰচ কৰি ডেৰ হেজাৰমান লোকৰ বঙ্গীয় সাহিত্য সম্মিলনৰ অষ্টম অধিবেশন বহুৱায়। তালৈকে কটন কলেজৰ তেতিয়াৰ অধ্যাপক মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ অধ্যাপক আশুতোষ চট্টোপাধ্যায় এম-এ আৰু অধ্যাপক সুৰেন্দ্ৰনাথ চট্টোপাধ্যায় এম-এছ-ছি প্ৰতিনিধি স্বৰূপে যাবলৈ ওলায় আৰু তেওঁলোকৰ ছাত্ৰসকলৰ ভিতৰতো চন্দ্ৰনাথ শৰ্ম্মা, সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী, হৰমোহন দাস প্ৰভৃতি জনচেৰেকক লগত লয়। বৰ্দ্ধমানত এই বিৰাট সম্মিলন দেখা পাই এই ছাত্ৰ কেইজনে মনে মনে অসমত তেনে এখন সম্মিলন পাতিবলৈ বুলি সঙ্কল্প কৰে। তাতে মহামহোপাধ্যায়দেৱে—"তোমাৰাও তোমাদেৰ দেশে এমন সম্মেলন পাত গিয়া" বুলি উচটাই দিলে। ইয়াৰ আগতে চন্দ্ৰনাথ প্ৰভৃতি জনচেৰেক ছাত্ৰই গৌৰীপুৰ আৰু ১৯১২ চনত কামাখ্যাত হোৱা 'উত্তৰ বঙ্গীয় সাহিত্য সম্মেলন' দেখি শুনি তেনে সম্মিলন অসমীয়াৰ ভিতৰতো পাতিবলৈ হেপাহেৰে ইচ্ছা কৰি আছিল। বৰ্দ্ধমানৰ পৰা আহি তেওঁলোকৰ ইচ্ছা আৰু বলৱতী হৈ উঠিবলৈ ধৰিলে। এনেতে ১৯১৬ চনত গুৱাহাটীত 'অসম এডুকেছনেল কনফাৰেঞ্চ' হয়। তালৈ অসমৰ সকলো ঠাইৰে ডেপুটী ইন্‌স্পেক্টৰ, ছব ইন্‌স্পেক্টৰ আৰু হেডমাষ্টৰসকল আহিছিল। ওপৰোক্ত ছাত্ৰসকল আৰু অধ্যাপক শ্ৰীঅম্বিকানাথ বৰা এম-এ, বি-এল, ধীৰেশ্বৰ ভট্টাচাৰ্য্য, গণেশচন্দ্ৰ হাজৰিকা, শ্ৰীজ্ঞাননাথ বৰা বি-এল প্ৰভৃতি গুৱাহাটীৰ কলেজৰ মুখিয়াল মুখিয়াল ছাত্ৰসকলে এনে এখন সম্মিলন পাতিবলৈ বুলি এই শিক্ষা বিভাগৰ মুখিয়ালসকলৰপৰাই পৰামৰ্শ লবলৈ থিৰ কৰিলে আৰু কৰ্জ্জন হলত (বৰ্ত্তমান নবীন বৰদলৈ হল গ্ৰন্থাগাৰ) এখন সভা পাতি তালৈ তেওঁলোকক নিমন্ত্ৰণ কৰে। অসম উপত্যকাৰ শিক্ষা বিভাগৰ ইন্‌স্পেক্টৰ চাহাব মিঃ স্মল যদিও সভালৈ যাব নোৱাৰিলে তথাপি ছাত্ৰ-সকলক তেওঁলোকৰ উদ্দেশ্যত সহানুভূতি প্ৰকাশ কৰিছিল। এই সভাত এনে এখন সম্মিলন হ'লে ভাল-বেয়া অনেকে অনেক ধৰণে কবলৈ ধৰিলে। অৱশেষত এনে ঠিক হয় যে ছাত্ৰ-সকলে গুৱাহাটীৰ মুখিয়াল লোকসকলৰ পৰামৰ্শতেই যি হয় কৰিব। এইদৰেই এই সভা গল। ইয়াৰ ফলত ছাত্ৰসকলৰ ভিতৰত পক্ষ-বিপক্ষ দুই দলৰেই মত কিছু প্ৰকট হৈ উঠে।

পিছে, ছাত্রসকলে গুৱাহাটীৰ মুৰব্বীসকলৰ ওচৰলৈ গৈ নিৰুৎসাহপূৰ্ণ উপদেশহে পাবলৈ ধৰিলে। কিন্তু তেওঁলোকৰ বলৱতী ইচ্ছাৰ অন্তৰাখৰিৰ জুই চেঁচা পানীৰ ছিটিকনি পৰি খন্তেকলৈ মুমাল যদিও আকৌ টিমিকি-টিমিকি জ্বলি উঠি শেষত দপ্‌দপাবলৈ ধৰিলে। এতিয়া তেওঁলোকে নিশ্চয়কৈ বুজিলে যে ল'ৰাৰ কথামতে বুঢ়া নচলে; গতিকে ল'ৰা নিজেই চলিব লাগিব। তেওঁলোকে এনেকুৱা এখন সভা ছাত্রসকলৰ ভিতৰতে স্থাপন কৰি বতাহ-ধুমুহা আৰু বিজুলী-ঢেৰেকনি পিঠিত লৈ উজনীয়া মাছ ধৰিবলৈ পানীত নামি মাছ ধৰিব নোৱাৰিলেও পুৰুষৰ পুৰুষাৰ্থ কৰি বিলকে ঘোদা কৰি আগলৈ এটা চিন ৰাখিব,— এই বুলি তেওঁলোকে অদম্য উৎসাহেৰে উঠি-পৰি লাগিল। কটন কলেজ হোষ্টেলৰ ৫নং ব্লকৰ এটি কোঠাত এ-এছ-এল ক্লাবৰ সভ্যসকলে এনে এখন অসমীয়া ছাত্রৰ সাহিত্য সম্মিলন পাতিবলৈ থিৰ কৰিবলৈ বুলি এখন সভা পাতে। সভাত সপক্ষে-বিপক্ষে বহুত উত্তৰা-উত্তৰি হোৱাৰ পিছত সম্মিলন পাতিব নোৱাৰা যেন দেখি যাৰ যেনে ভাব সেই ভাবেৰেই দিহা-দিহি গ'ল। তাৰ পিছত একতা সভাত আকৌ এই বিষয়ে আলোচনা হয়। তালৈ কলেজৰো মুখিয়াল মুখিয়াল ছাত্রসকল গৈছিল। এই সভাত এয়ে থিৰ হয় যে সম্মিলন পাতিব পৰা হ'ব নে নহ'ব এই বিষয়ে ভবা-চিন্তা কৰি এটা ৰিপ'ৰ্ট দিবলৈ বছা বছা ছাত্র জনচেৰেকৰে এখন কমিটী নিযুক্ত কৰা হওক। এই কমিটীত আমি যিমানদূৰ জানিব পাৰিছোঁ এইসকল সভ্য আছিল—৺চন্দ্রনাথ শৰ্ম্মা বি. এল. শ্রীযুত জ্ঞাননাথ বৰা বি-এল, ৺সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী, শ্রীযুত সোণাপতি দেৱ শৰ্ম্মা বি-এ, ৺ধাৰেশ্বৰ ভট্টাচাৰ্য্য, ৺ক্ষেত্রধৰ বৰগোহাঁই বি-এ, শ্রীযুত পদ্মধৰ চলিহা এম-এল, বি-এল, শ্রীযুত হেড়ম্বপ্রসাদ বৰুৱা এম-এ, বি-এল ৺চন্দ্র-কান্ত সন্দিকৈ বি-এ, মৌ ৺হেৰাছতউল্লা আৰু শ্রীযুত দৈবচন্দ্র তালুকদাৰ।

এই কমিটীতো সপক্ষ-বিপক্ষৰ মতৰ ভিতৰত বহুত দিন টনা-আজোৰো লাগি থাকিল। এনেতে এদিন কলিকতাৰ এ-এছ-এল ক্লাবৰ পৰা এখন চিঠি আহি পালে। সেই সময়ত কলিকতাৰ বিহাৰী ছাত্রসকলৰ ভিতৰত বিহাৰী ছাত্র সম্মিলনলৈ প্রতিনিধি পঠাবলৈ উখল-মাখল লাগে। ইয়াকে দেখি কলিকতা এ-এছ-এল ক্লাবৰ মনতো এখন প্রাদেশিক ছাত্র সম্মিলন পতা কথা মনত ৰৰকৈ খেলাবলৈ ধৰিলে। তেতিয়া সেই ক্লাবত

শ্ৰীযুত অম্বিকানাথ বৰা এম-এ, বি-এল, ৺ডঃ বাণীকান্ত কাকতি এম-এ, শ্ৰীযুত লক্ষ্মীনাথ দাস এম-এছ-ছি, শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম-এ, শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰুৱা বি-এল প্ৰভৃতি অসমৰ তেতিয়াৰ উজ্জ্বল ছাত্ৰসকল আছিল। তেওঁলোকে গুৱাহটীয়া ছাত্ৰসকলৰ চেষ্টাৰ জুইৰ ফিৰিঙতিৰ ওচৰত উৎসাহপূৰ্ণ চিঠিৰে তুলা চপাই দিলে আৰু সপক্ষবাদী-দলে এই উৎসাহ পাই "অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন" পাতিবলৈকে থিৰ কৰি কমিটীৰ ৰিপ'ৰ্ট দিলে।

প্ৰথম অধিবেশন

সেই বছৰ গুৱাহাটীত স্বদেশপ্ৰেমিক আজোবৃদ্ধ গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াৰ সভাপতিত্বত অসম এছোছিয়েছন বহিছিল। ৺চন্দ্ৰনাথ শৰ্ম্মা প্ৰভৃতি ছাত্ৰসকলে সেই ৰভাৰ তলতে 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন'ৰ প্ৰথম অধিবেশন পাতিবলৈ থিৰ কৰি ওপৰত উল্লেখ কৰা কমিটীৰ সভ্যসকলেৰেই এখন অভ্যৰ্থনা সমিতি পাতিলে আৰু ৺চন্দ্ৰনাথ শৰ্ম্মা তাৰ সম্পাদক নিযুক্ত হৈ কলিকতা এ-এছ-এল ক্লাব আৰু অসমৰ সকলো স্কুললৈকে বৰঙনি আৰু প্ৰতিনিধি পঠাই এই সন্মিলনত যোগ দিবলৈ বুলি চিঠি লিখিলে। সন্মিলনৰ নিমিত্তে বৰ্ত্তমান অসমীয়া সাহিত্য আকাশৰ ধ্ৰুবতৰা লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক সভাপতি বছা হয় আৰু কলিকতাৰ ছাত্ৰসকলে বেজবৰুৱাক হাওৰাৰ পৰা মাতি আহেগৈ। কেউফালৰ পৰা প্ৰতিনিধি আহি গুৱাহাটী যথাসময়ত পালে আৰু বেজবৰুৱা ডাঙৰীয়াও আহি পালে। কিন্তু এনেতে অভ্যৰ্থনা সমিতিলৈ কলেজ হোষ্টেলৰ পৰা ঠিকমতে প্ৰতিনিধি বছা নহ'ল বুলি এদলে গুজৰি গুমৰি উঠি সন্মিলনলৈ বৰঙনিৰ টকা নিদি তাৰ বিৰুদ্ধে মুখ বজাবলৈ ধৰিলে। কিন্তু ইফালে কেউফালৰ পৰা এনেকৈ আশাতীত ভাবে প্ৰতিনিধিসকল আহিছিল যে অভ্যৰ্থনা সমিতিয়ে তোলা টকা-পইচাৰে জোৰা নমৰা হ'ল। তেতিয়া সন্মিলনৰ সপক্ষসকলে বেছিকৈ বৰঙনি তুলিলে। সকলো বাধা অতিক্ৰম কৰি ১৯১৬ চনৰ ২৫ ডিচেম্বৰ তাৰিখে ধুনীয়াকৈ সজোৱা সভামণ্ডপত ত্বদিনীয়াকৈ এই অধিবেশন বহিছিল। সেই সভাত অসমৰ সেই সময়ৰ বেছি ভাগ গণ্যমান্য সাহিত্যিকেই উপস্থিত আছিল। গুৱাহাটীৰ বিশিষ্ট দৰ্শক, ছাত্ৰ-ছাত্ৰীৰে সভাঘৰ উপচি পৰিছিল। প্ৰথম নিশা আৰ্ল-ল-কলেজৰ ছাত্ৰসকলে অতি কৃতকাৰ্য্যতাৰে শ্ৰীযুত চন্দ্ৰধৰ

বৰুৱা ডাঙৰীয়াৰ 'ভাগ্য-পৰীক্ষা' নাটৰ অভিনয় দেখুৱাইছিল। সেই অভিনয়ত আমাৰ সুপ্ৰসিদ্ধ অভিনেতা শ্ৰীযুত জগতচন্দ্ৰ বেজবৰুৱা প্ৰমুখ্যে কৃতী ছাত্ৰসকলে ভাগ লৈছিল। প্ৰথম দিনাৰ অধিবেশনত শ্ৰীমহেন্দ্ৰনাথ ডেকা ফুকনে ৺উমেশচন্দ্ৰ চৌধাৰীদেৱৰ ৰচিত খুহুতীয়া' কৱিতা এটা আবৃত্তি কৰি সভাঘৰত হাঁহিৰ খলকনি তুলিছিল। ৺লোহিতচন্দ্ৰ ভূঞাই তেওঁৰ প্ৰকাশিত কিছুমান কিতাপ ছাতৰসকলৰ মাজত বিনা-মূলীয়াকৈ বিলাই দিছিল।

দেশপ্ৰাণ ৺চন্দ্ৰনাথ শৰ্ম্মাদেৱে অভ্যৰ্থনা সমিতিৰ হৈ তেখেতৰ ওজস্বিনী ভাষাৰে এখনি ৰব বিতোপন অভিভাষণ পাঠ কৰে। সভাপতি বেজবৰুৱা ডাঙৰীয়াৰ অভিভাষণখনিত ছাত্ৰসকলৰ উৎসাহকাৰী আৰু আধ্যাত্মিক শিক্ষা, ঈশ্বৰ বিশ্বাসৰ উপকাৰিতা, সংস্বভাৱ গঠন কৰা, প্ৰাচ্য-পাশ্চাত্য শিক্ষাৰ প্ৰকৃত মিলন, ছাত্ৰৰ ভৱিষ্যৎ জীৱনৰ লক্ষ্য, ছাত্ৰৰ সাহিত্য-চৰ্চ্চাৰ উপকাৰিতা প্ৰভৃতি বিষয়ৰে বৰ সাৰুৱা আৰু দীঘলীয়া উপদেশবোৰ আছিল। এনে উৎসাহপূৰ্ণ কথা শুনি নানা আঘাতত যেনিয়ে তেনিয়ে ওলাই যোৱা উৎসাহ-উদ্যমৰ বাষ্প ছাত্ৰসকলৰ ভিতৰত নতুনকৈ সোমাই দ্বিগুণ বলেৰে ছাত্ৰ সম্মিলনৰ মহাভাৰখন টানি নিবলৈ ধৰিলে।

তাৰ পিছত, সভাৰ নাম সম্পৰ্কে তৰ্কাতৰ্কি হৈ যোৱাৰ পিছত ছাত্ৰ সম্মিলনৰ কাৰ্য্য অকল সাহিত্যতে আৱদ্ধ নাথাকি বহুমুখী হোৱা উচিত ভাবি 'অসম ছাত্ৰ সম্মিলন' নাম দিবলৈ থিৰ হয় আৰু সভাপতি ডাঙৰীয়াই স্বয়ং এই প্ৰস্তাৱ সমৰ্থন কৰিছিল। এখন বিষয় বাছনি সভাৰ দ্বাৰা সেই দিনা গধূলি ৺সত্যনাথ বৰা বি-এল ডাঙৰীয়াৰ চৰাত বিহাৰী ছাত্ৰ সম্মিলনৰ নিয়ম অনুসাৰে নিয়মাৱলী গঠিত কৰা হয় আৰু পিছ দিনাৰ সভাত তাক গৃহীত কৰা হয়।

এই সম্মিলনতেই কাৰ্য্য-নিৰ্ব্বাহক সমিতি স্থাপন কৰি শ্ৰীযুত হেড়ম্ব-প্ৰসাদ বৰুৱাক প্ৰধান সম্পাদক আৰু শ্ৰীযুত জ্ঞাননাথ বৰাক সহকাৰী সম্পাদক পতা হয়। পিছৰ বাৰ যোৰহাটলৈ সম্মিলন নিমন্ত্ৰণ কৰা হয়।

এই সম্মিলনৰ বাবে যিসকলে দেহেকেহে কাম কৰি ইয়াক প্ৰতিষ্ঠা কৰিলে তাৰ ভিতৰত ৺চন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীযুত অম্বিকানাথ বৰা, ৺সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী, শ্ৰীজ্ঞাননাথ বৰা, ৺চন্দ্ৰকান্ত সন্দিকৈ, ৺ধাৰেশ্বৰ ভট্টাচাৰ্য্য প্ৰভৃতিৰ নাম বিশেষ উল্লেখযোগ্য। ৺গণেশচন্দ্ৰ হাজৰিকা, শ্ৰীযুত যতীন্দ্ৰ-নাথ দুৱৰা আৰু শ্ৰীযুত যোগেশচন্দ্ৰ তামুলীয়েও উৎসাহেৰে কাৰ্য্য কৰিছিল।

দ্বিতীয় অধিবেশন

গুৱাহাটীৰ সন্মিলন স্থাপন কৰা ছাত্ৰসকলে প্ৰথমেই ঠিক কৰি লয় যে গুৱাহাটীৰ পিছত যোৰহাট, ডিব্ৰুগড়, তেজপুৰত ক্ৰমান্বয়ে সন্মিলন বহুৱাবই লাগিব। গুৱাহাটীৰ সন্মিলন ইমান কৃতকাৰ্য্যতাৰে হৈ গ'ল যদিও ইয়াৰ বাহিৰে আন ঠাইৰ ৰাইজে ছাত্ৰ সন্মিলনৰ বিষয়ে সিমানদৰে অনুভৱ কৰিব পৰা নাছিল। পিছে জহৰ বন্ধত শ্ৰীযুত জ্ঞাননাথ বৰা ডাঙৰীয়াই যোৰহাটলৈ গৈ শ্ৰীযুত হেড়ম্বপ্ৰসাদ বৰুৱাৰে লগ লাগি তাৰ প্ৰধান প্ৰধান কেউখন স্কুলতে সন্মিলনৰ বিষয়ে প্ৰচাৰ কাৰ্য্য কৰে। ইয়াৰ পৰাই তাত ছাত্ৰ সন্মিলন বহুৱাবলৈ ধুমধাম লাগি গ'ল। শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া অভ্যৰ্থনা সমিতিৰ সম্পাদক হৈ উৎসাহেৰে কাৰ্য্য কৰিবলৈ ধৰিলে। সেই বাৰ সন্মিলনলৈ অসম আৰু অসমীয়া ভাষাৰ হিতৈষী, তেতিয়াৰ অসম উপত্যকাৰ কমিছনাৰ কৰ্ণেল পি-আৰ-টি গৰ্ডন চাহাবক সভাপতি বৰণ কৰিলে আৰু ১৯১৬ চনৰ পূজাৰ বন্ধত যোৰহাটৰ পুৰণা কছাৰী ঘৰত সন্মিলন বহে। সকলো ঠাইৰে প্ৰতিনিধি আহিছিল। অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই ছাত্ৰ সন্মিলনৰ লক্ষ্য, সাহিত্য বিষয়ৰ সভা-সমিতি পতাৰ উপকাৰিতা আদি বিষয়েৰে এখনি সাৰুৱা অভিভাষণ পাঠ কৰে। সভাপতিদেৱে ইংৰাজী বৰ্ণমালাৰে অসমীয়া ভাষাত এখন অভিভাষণ লিখি আনি পাঠ কৰে আৰু তাৰে টাইপ কৰি কেইটিমান কপি সমজুৱাসকলৰ মাজত বিলায়ো দিছিল। তেখেতে আনন্দৰাম ঢেকিয়াল ফুকনৰ দেশৰ নিমিত্তে আত্মত্যাগ, ৺হেমচন্দ্ৰই লেলেতীয়াকৈ মাতৃভাষাৰ কামত লগা, ৺আনন্দৰাম বৰুৱাৰ পাণ্ডিত্য, ৺বিষ্ণুৰাম বৰুৱাৰ দানশীলতা আৰু বাণিজ্য বিষয়ত অগ্ৰসৰতা বি-এ জগন্নাথ, মিঃ আব্দুল মজিদ, বলিনাৰায়ণ বৰা, ডাঃ গোপালচন্দ্ৰ বেজবৰুৱা আদিৰ আদৰ্শেৰে ছাত্ৰসকলৰ জীৱন গঠন কৰিবলৈ উপদেশ দিয়ে। এই বাৰৰ সন্মিলনতে সেৱা সমিতি গঠন কৰা আৰু মহাত্মা আনন্দ বৰুৱাৰ নামে উৎকৃষ্ট মৌলিক ৰচনা লিখা কলিকতা বিশ্ববিদ্যালয়ৰ উপাধিধাৰী ছাত্ৰক এটা বৃত্তি দিবলৈ এই বিশ্ববিদ্যালয়ৰ হাতত টকা জমা দিয়াৰ প্ৰস্তাৱ গৃহীত হয়। এই সন্মিলনত নতুন কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠিত হয় আৰু শ্ৰীযুত জ্ঞাননাথ বৰা সন্মিলনৰ সম্পাদক হয়। পিছৰ বাৰলৈ ডিব্ৰুগড়লৈ সন্মিলন নিমন্ত্ৰণ কৰা হয়।

তৃতীয় অধিবেশন

১৯১৮ চনৰ পূজাৰ বন্ধত সাহিত্যৰথী ৺পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত ডিব্রুগড়ত তৃতীয় অধিবেশন হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত যাদৱেন্দ্ৰনাথ ঠাকুৰ ডাঙৰীয়াই ছাত্ৰ সন্মিলনৰ উদ্দেশ্য, ছাত্ৰৰ সাহিত্য-চৰ্চ্চা, ছাত্ৰসকলে স্বদেশসেৱাত মন লগোৱা, স্ত্ৰী-শিক্ষা আদি বিষয়েৰে এখনি সময়োপযোগী অভিভাষণ পাঠ কৰে।

সভাপতিৰ অভিভাষণ ছাত্ৰ সন্মিলনৰ উদ্দেশ্য আৰু কৃতকাৰ্য্যতা, সেৱা-সমিতিৰ উপকাৰিতা, ছাত্ৰৰ সাহিত্যিক শক্তিৰ ক্ৰমোন্নতি সাধন কৰা, পুৰণি সাহিত্য-সম্পদ প্ৰকাশ কৰা, চৰিত্ৰ গঠন কৰা আদি বিষয়েৰে বৰ সুৱলা হৈছিল। তেখেতে কয় যে "উপস্থিত অসমীয়া ছাত্ৰ শক্তিৰ সংকল্প আৰু কৰ্ত্তব্য আগতকৈ ভালেমান গুণে শকত, আহল-বহল দেখা গৈছে। এই সন্মিলনেই সেই শকত অৱস্থাৰ সাক্ষী আৰু বৰ্ত্তমান ছাত্ৰ সন্মিলনে আগত লোৱা বিবিধ কৰ্ত্তব্যপুঞ্জই সেই বহুলতাৰ ভেটি। সমূহ ৰাইজৰ সহায়সহানুভূতিয়েই ছাত্ৰ সন্মিলনৰ বল।" "ভগৱন্তৰ অসীম কৃপাৰ বলত ৰত্নপ্ৰসূতী অসম জননীৰ ভৰসাৰ স্থল এই অসম ছাত্ৰ সন্মিলন কল্পতৰুৰূপে অচিৰে এজুপি ফুলে-ফলে সুশোভিত গছ হৈ বাঢ়ি উঠে যেন"—এই বুলি আশীৰ্ব্বাদ কৰি তেখেতৰ অভিভাষণৰ মোখনি মাৰে। এই সন্মিলনত যিবিলাক প্ৰস্তাৱ গৃহীত হয় তাৰ ভিতৰত আভিধানিক হেমচন্দ্ৰ বৰুৱাদেৱৰ নামত কিছুমান ভাল ভাল গ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱা প্ৰস্তাৱেই উল্লেখযোগ্য।

এই অধিবেশনত নতুনকৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠিত হয় আৰু ৺ক্ষেত্ৰধৰ বৰগোহাঁই—সম্পাদক, শ্ৰীযুত মহেন্দ্ৰনাথ ডেকাফুকন আৰু ৺বিমলাকান্ত বৰা বি-এল—সহকাৰী সম্পাদক হয়। পিছৰ বাৰ অধিবেশন তেজপুৰত বহুৱাবলৈ ঠিক হয়।

চতুৰ্থ অধিবেশন

সন্মিলনৰ এই সকলো অধিবেশনৰ ভিতৰত তেজপুৰৰ অধিবেশনেই প্ৰধান আছিল। ১৯১৯ চনৰ অক্টোবৰত বিজ্ঞানাচাৰ্য্য ৺প্ৰফুল্লচন্দ্ৰ ৰায়দেৱৰ সভাপতিত্বত এই সন্মিলন হৈ যায়। সন্মিলনৰ পূৰ্ণতা দিবৰ নিমিত্তে

৺চন্দ্রনাথ শৰ্ম্মা, 'অসমীয়া' কাকতৰ সুযোগ্য সম্পাদক শ্ৰীযুত অমিয়কুমাৰ দাস বি-এ, শ্ৰীযুত কালিচৰণ ভট্টাচাৰ্য্য বি-এল, ৺লক্ষ্মীধৰ শৰ্ম্মা এম-এ,বি-এল প্ৰসিদ্ধ 'ৰেঙ্গুন মেইল' কাকতৰ সম্পাদক শ্ৰীযুত সুৰেশচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীযুত বসন্তকুমাৰ বৰুৱা বি-এ, 'টাইমছ অব্ আসাম' কাকতৰ সম্পাদক শ্ৰীযুত তিলকচন্দ্ৰ শৰ্ম্মা প্ৰভৃতি তেজপুৰৰ জনদিয়েক উঠি অহা ডেকাই মৰিমুজি লাগিছিল। তদুপৰি আজীৱন ব্ৰহ্মচাৰী, ভাৰতীয় বৈজ্ঞানিকসকলৰ ভিতৰত অন্যতম অগ্ৰগণ্য স্বদেশী ব্ৰতধাৰী আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়ৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু স্বদেশপ্ৰেমিকতাই এই বাৰ সম্মিলনৰ সৌন্দৰ্য্য দুগুণে বঢ়াইছিল। অসহযোগ আন্দোলনতকৈয়ো আগেয়ে স্বদেশী বস্তু প্ৰচলনৰ প্ৰস্তাৱ এই সম্মিলনত গ্ৰহণ কৰা হৈছিল।

এই সম্মিলনলৈ অসমৰ সকলো ঠাইৰে পৰা দৰ্শক আৰু প্ৰতিনিধিসকল গৈ সভামণ্ডপ নধৰা হৈ পৰিছিল। অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত অমিয়কুমাৰ দাস ডাঙৰীয়াই বৰ্ত্তমান অসমীয়া সমাজৰ প্ৰকৃত অৱস্থা আৰু তাক উন্নত কৰিবৰ উপায় কিছুমানলৈ আঙুলিয়াই এখন সাৰুৱা অভিভাষণেৰে সমজুৱাসকলৰ মনত সন্তোষ দিয়ে। আচাৰ্য্য ৰায়ৰ অভিভাষণখনত অসমৰ পুৰণি গৌৰৱ, বৰ্ত্তমান অসমৰ অভাৱ, চাকৰিয়াল জীৱনতকৈ ব্যৱসায়িক, শিল্পী আৰু খেতিয়ক জীৱনলৈ ছাত্ৰসকলক উৎসাহ দিয়া, অসমীয়া সাহিত্যৰ প্ৰাচীন গৌৰৱ আৰু অসম-বঙ্গৰ সম্পৰ্ক, জাতীয় ভাৱ ভাৰতব্যাপী কৰা, সমাজৰ প্ৰতি ছাত্ৰসকলৰ কৰ্ত্তব্য, একতা সাধন, দেশ ভ্ৰমণ আৰু স্ত্ৰী শিক্ষাৰ উপকাৰিতা আদি বিষয়েৰে মনতলগা হৈছিল। তেখেতৰ অভিভাষণ অকল অসমীয়া ছাত্ৰৰে যে অৱশ্য পাঠ্য এনে নহয়, গোটেই অসমীয়া জাতিৰেই। তেখেতে এই বাৰৰ অধিবেশন সম্পৰ্কে কৈছিল—"Such discipline and activity. I had never experienced outside the Congress Pandal." (এনে নিয়মানুসৰণ আৰু কৰ্ম্মপটুতা মই কংগ্ৰেছ মণ্ডপৰ বাহিৰে আৰু ক'তো দেখা নাই।) তেখেতৰ শেষ আশা "বঙ্গদেশে অৰ্দ্ধশতাব্দীত যিখিনি কৰিব পাৰিলে অসমে দহ বছৰত কৰিলে। অহা দহ বছৰত অসমে অসাধাৰণ উন্নতি কৰিব (will make gigantic strides)। মই অসমৰ সুসমাচাৰ বঙ্গলৈ আৰু ভাৰতৰ আন আন প্ৰান্তলৈ লৈ যাম। ভাৰতৰ পুনৰ্জ্জীৱনৰ নিমিত্তে ই আৱশ্যকীয়। অসম আকৌ উঠিবলৈ আৰু বেছি দূৰ নাই।"

এই বাৰ সম্মিলনত স্বদেশী গ্ৰহণৰ প্ৰস্তাৱেই লেখত ল'বলগীয়া। এই বাৰ ৺উমেশচন্দ্ৰ চৌধাৰী বি-এল প্ৰধান সম্পাদক আৰু ৺মহেশ্বৰ বৰুৱা বি-এল সহকাৰী সম্পাদক নিৰ্ব্বাচিত হয়। পিছৰ বাৰলৈ গোলাঘাটলৈ সম্মিলন নিমন্ত্ৰণ কৰা হয়।

পঞ্চম অধিবেশন

১৯২০ চনৰ পূজাৰ বন্ধত এই অধিবেশন গোলাঘাটত হয়। গোলাঘাটত ছাত্ৰ সংখ্যা নিচেই কম হোৱা সত্ত্বেও ৺মহেশ্বৰ বৰুৱা বি-এল ৺শ্ৰীশচন্দ্ৰ বৰুৱা, ৺গিৰীন্দ্ৰনাথ বৰুৱা, শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰুৱা বি-এল প্ৰভৃতি ডেকাসকলৰ উদ্যোগত সুকলমে হৈ যায়। কেউফালৰ দুশমান প্ৰতিনিধি আৰু অনেক দৰ্শক গোট খাইছিল। এই অধিবেশনত কেইগৰাকীমান ছাত্ৰীয়েও যোগ দিছিলহি। অভ্যৰ্থনা সমিতিৰ সম্পাদক ৺মহেশ্বৰ বৰুৱাদেৱে এখনি সময়োপযোগী অভিভাষণ পাঠ কৰিছিল।

এই সম্মিলনত আশৈশৱ স্বদেশী গ্ৰহণ ব্ৰতধাৰী অসাধাৰণ ঐতিহাসিক আৰু প্ৰত্নতত্ত্ববিদ্ পণ্ডিত, বোম্বাইৰ সুযোগ্য সন্তান আৰু কলিকতা বিশ্ব-বিদ্যালয়ৰ অধ্যাপক ডক্তৰ ভি, আৰ, ভাণ্ডাৰকাৰ সভাপতি আছিল। তেখেতে মানসিক, নৈতিক আৰু শাৰীৰিক সমৱেত শক্তিৰে বলীয়ান হৈ যাতে প্ৰত্যেকে নিজৰ আৰু দেশৰ হিত চিন্তা কৰিব পাৰে তাৰ বাবে বিশেষকৈ কৈ যায়। অসম কলিকতা বিশ্ববিদ্যালয়ত থকাৰ সুগুণৰ বিষয়েও কেইষাৰমান কৈছিল। সামৰণিত মহাৰাষ্ট্ৰ আৰু অসমৰ বহুত সাদৃশ্যৰ কথা কৈ অসমীয়াসকলক উদগনি দিছিল। এই অধিবেশনত তেজপুৰৰ স্বদেশী গ্ৰহণ প্ৰস্তাৱ আকৌ গৃহীত কৰা হয়। মেজিক লেন্টাৰ্ণেৰে সেৱা-সমিতিৰ দ্বাৰা শিক্ষা প্ৰচাৰ কৰিবলৈকো এই অধিবেশনতে প্ৰস্তাৱ গৃহীত হয়।

ৰাধানাথ বৰা ডাঙৰীয়াই প্ৰতিনিধিসকলক জলপান কৰাবলৈ এশ টকা দান কৰিছিল। প্ৰতিনিধিসকলে জলপান কৰি সেই দান পান কৰি পঠিওৱাতকৈ সেই টকা সম্মিলনৰ ভঁৰালত জমা ৰাখি যোৱাটো ভাল বিবেচনা কৰিলে। এই উপলক্ষে স্থানীয় নাটঘৰত শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ ৰচিত 'ৰাধা-ৰুক্মিণী' নাটৰ অভিনয় পাতিছিল। সেই অভিনয়ত তেতিয়াৰ ছাত্ৰ আৰু পিছৰ প্ৰখ্যাত নাট্যশিল্পী ৺বৰদাকান্ত শৰ্ম্মা

৺যোগেশ্বৰ চক্রবর্ত্তী আদিয়ে ভাগ লৈছিলগৈ। এই অধিবেশনত ৺হেমচন্দ্ৰ বৰুৱা (ত্যাগবীৰ)—প্ৰধান সম্পাদক আৰু শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ, শ্ৰীযুত তিলকচন্দ্ৰ শৰ্ম্মা—সহকাৰী সম্পাদক নিৰ্ব্বাচিত হয়। পিছৰ বাৰলৈ নগাঁৱলৈ সন্মিলন নিমন্ত্ৰিত হৈছিল।

ষষ্ঠ বা বিশেষ অধিবেশন

গোলাঘাট সন্মিলনলৈকে ছাত্ৰ সন্মিলনৰ দোপতদোপে উঠি অহা যুগ। ইয়াৰ পিছত অসহযোগৰ ধুমুহাই সন্মিলনক এনেহে হেঁচা দিলে যে ইয়াৰ প্ৰাণবায়ু যাবলগীয়া হৈছিল। এই ধুমুহাই বিশেষকৈ প্ৰবল দেশানুৰাগী ডেকাসকলক স্কুল-কলেজ আৰু চৰকাৰী চাকৰি আদিৰ পৰা উৰুৱাই লৈ গ'ল আৰু তাৰ লগে লগে আন আন সভা-সমিতিৰ বস্তিবোৰবো কিছুমান সুমুৱালে আৰু কিছুমান আধা সুমুৱা কৰিলে। অসহযোগী বন্ধু-বান্ধৱ আৰু দেশৰ গণ্যমান্য নেতাসকল লাঞ্ছিত হোৱা আৰু কঠোৰ কাৰাবাসত দণ্ডিত হোৱা দেখা পাই ছাত্ৰসকলৰ মন কি কৰিম, কি নকৰিম ভাবত উগুলথুগুল লাগিবলৈ ধৰিলে। এনে অৱস্থাত নগাঁৱৰ ৰাইজে সন্মিলন বহুৱাবলৈ অসমৰ্থ বুলি অধিবেশন বহিবলৈ ছমাহমান থাকোঁতে জনালে। ইফালে সন্মিলনৰ প্ৰধান সম্পাদক ৺হেমচন্দ্ৰ বৰুৱা, শ্ৰীতিলকচন্দ্ৰ শৰ্ম্মাকে আদি কৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰায় সকলো সভ্য আৰু প্ৰধান ছাত্ৰৰ সৰহ ভাগেই কাৰাগাৰত সোমাল। যিসকল নানা বিঘিনি অতিক্ৰম কৰিব নোৱাৰি স্কুল-কলেজত মুৰ সুমুৱাই আছিল সিবিলাকৰ মনো উদ্বিগ্ন হৈ পৰিছিল। তেওঁলোকৰ প্ৰায় সকলোৰেই আন সভা-সমিতিত মন নবহা হৈ পৰিছিল। এনে কাৰণৰ নিমিত্তে নিয়মমতে অন্য ঠাইত অধিবেশন নহলে বৰদিনৰ বন্ধত গুৱাহাটীত বহিব লগা সত্ত্বেও নবহিল। এইখিনি সময়তেই সন্মিলনে এটা ভাল বাঘ-ঢকা খাই অচেতন হৈ পৰে। এনে অৱস্থাত সন্মিলনৰ সহকাৰী সম্পাদক শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই শ্ৰীযুত শুকদেৱ গোস্বামী এম-এ, শ্ৰীযুত অঘোৰনাথ ভট্টাচাৰ্য্য এম-এ আৰু আন আন জনদিয়েক ছাত্ৰৰে সৈতে সন্মিলনৰ পুনৰ জীৱন দিবলৈ বুলি ১৯২১ চনৰ ইষ্টাৰ বন্ধত ঠিক কৰিলে। কিন্তু তেওঁলোকে বহুত বাধা-বিঘিনি সহিব লগাত পৰিছিল। সকলোকে পিঠি দি তালুকদাৰ ডাঙৰীয়া প্ৰভৃতিয়ে যেনে তেনে সন্মিলনৰ প্ৰাণ ৰক্ষা কৰিবলৈ দেহে-কেহে

লাগি গ'ল। সকলো ঠাইলৈকে সন্মিলনৰ বাবে বৰঙনি আৰু প্ৰতিনিধি পঠাবলৈ চিঠি লিখিলে। কটন কলেজৰ দাৰ্শনিক অধ্যাপক আৰ, আৰ, টমাছ এম-এ, পি, আৰ-এছক সভাপতি নিৰ্ব্বাচন কৰা হয়।

এতিয়ালৈকে সন্মিলনৰ নিজা কাৰ্য্যালয় নাছিল। সন্মিলনৰ টকা-কড়ি কাগজ-পত্ৰ সম্পাদকৰ হাততে আছিল। তালুকদাৰ ডাঙৰীয়াই তেওঁৰ ঘৰলৈ গৈ টকা-সিকা বিচাৰি যি পালে আৰু তাৰ লগতে বৰঙনি যোগাৰ কৰি মুঠতে ৬৬৲ টকামান গোটাই তাৰেই অধিবেশন পাতিবলৈ থিৰ কৰিলে। গুৱাহাটীৰ হৰিসভাৰ সভাঘৰতে অধিবেশন বহুৱাবলৈ থিৰ হ'ল। যথাসময়ত সভা আৰম্ভ হয় আৰু শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ ডাঙৰীয়াই এখনি সময়োপযোগী সাৰুৱা অভিভাষণ পাঠ কৰে। সভাপতি ডাঙৰীয়াৰ উৎসাহ আৰু বাগ্মিতাপূৰ্ণ অভিভাষণখনি সকলোৰে মনত লগা হৈছিল। এই সন্মিলনে জন্মৰ সময়ত বেজবৰুৱা ডাঙৰীয়াৰ যেনে আশীৰ্ব্বাদ, সান্ত্বনা আৰু উৎসাহ পাইছিল, পুনৰ্জ্জীৱনৰ সময়ত টমাছদেৱৰ পৰাও তেনে বাণী শুনি কঁকাল টঙাবলৈ বল পাইছিল। তেখেতে অসমীয়াৰ জাতীয় সমস্যাৰ বিষয়ে এটি ভাল সমিধান দিয়ে। জাতীয়তা, সুশাসনৰ নআদৰ্শ আৰু আমাৰ ৰাজনৈতিক স্বাৱলম্বিতা, শ্ৰমৰ গৌৰৱ আৰু উপযুক্ত শিক্ষা, স্বাধীন ব্যৱসায়ী জীৱন আৰু কৃষি, শিল্প আৰু বাণিজ্যৰ উন্নতি কৰিবৰ উপায় প্ৰভৃতি বিষয়ৰে তেখেতৰ সাৰুৱা আৰু যুক্তিপূৰ্ণ কথাবিলাক ৰাজনৈতিক ভাবেৰে অভিভূত হৈ থকা মনত বৰ ভাল লাগিছিল।

এই সন্মিলনত কৰ্ম্মচাৰী নতুনকৈ নিযুক্ত কৰাৰ বাহিৰে কোনো লাগতিয়াল প্ৰস্তাৱ গ্ৰহণ কৰা নহৈছিল। শ্ৰীযুত দৈবচন্দ্ৰ তালুকদাৰ— প্ৰধান সম্পাদক, শ্ৰীযুত ডিম্বেশ্বৰ নেওগ আৰু শ্ৰীযুত শুকদেৱ গোস্বামী— সহকাৰী সম্পাদক নিযুক্ত হয়।

সপ্তম অধিবেশন

১৯২২ চনৰ ৩১ ডিচেম্বৰ তাৰিখে গুৱাহাটীত সপ্তম অধিবেশন অসমৰ প্ৰত্নতত্ত্ববিশাৰদ পণ্ডিত হেমচন্দ্ৰ গোস্বামী প্ৰভুৰ সভাপতিত্বত হয়। তেখেতৰ অভিভাষণখনি প্ৰাচ্য-প্ৰতীচ্য শিক্ষাপ্ৰণালী, ছাত্ৰৰ সাহিত্য-চৰ্চ্চা প্ৰভৃতি বিষয়ৰে বৰ সাৰুৱা হৈছিল। এই অধিবেশনত সভাপতিদেৱে সন্মিলনৰ

কাৰ্য্য প্ৰত্যেক ছাত্ৰকে কিদৰে কৰিবলৈ উপদেশ দিছে তাক প্ৰত্যেক ছাত্ৰই মন কৰি চাবলগীয়া। এই অধিবেশনতেই সম্মিলনৰ মুখপত্ৰ এখন উলিয়াব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু তাৰ ফলতেই 'মিলন'ৰ জন্ম হয়। নতুন বছৰৰ বাবে শ্ৰীযুত গৰ্গনাৰায়ণ চৌধাৰী বি-এল—প্ৰধান সম্পাদক, শ্ৰীযুত দুৰ্গা প্ৰসাদ বুজৰবৰুৱা বি, এ আৰু মোঃ আব্দুল গণি বি-এ—সহকাৰী সম্পাদক নিৰ্ব্বাচিত হয়। পিছৰ বছৰলৈ নগাঁৱলৈ সম্মিলন নিমন্ত্ৰণ কৰা হয়।

অষ্টম অধিবেশন

১৯২৩ চনৰ ২২, ২৩ অক্টোবৰ তাৰিখে পূজাৰ বন্ধত নগাঁৱত দীনবন্ধু এণ্ড্ৰুজ চাহাবৰ সভাপতিত্বত এই অধিবেশন হয়। এই বছৰ চাপৰমুখৰ পৰা নগাঁৱলৈ ৰেলৰ আলি নিয়াত অহা-যোৱাৰ সুবিধা হোৱাত কেউফালৰ পৰা দৰ্শক আৰু প্ৰতিনিধিসকল আহি সভামণ্ডপ ভৰি পৰিছিল। ভাৰতীয় ধৰণেৰে খাদৰৰ চুৰিয়া চোলা পিন্ধা ইংৰাজ জাতিৰ লোক হৈয়ো ভাৰতৰ প্ৰজাৰ নিমিত্তে জীৱন উছৰ্গা কৰা এণ্ড্ৰুজ চাহাবক চাবলৈ শিক্ষিত-অশিক্ষিত সকলো মানুহেই উদগ্ৰীৱ হৈ ঢপলিয়াই আহিছিল। সকলোৰে অন্তৰত তেখেতৰ মহৎ ত্যাগী জীৱনৰ প্ৰত্যক্ষ প্ৰমাণে দকৈ চাব মাৰিছিল। গায়ন-বায়ন, ঢুলীয়া আদিৰে সভাপতিক ষ্টেছনৰ পৰা কলপুলি পুতি আগবঢ়াই নিয়া হৈছিল।

অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত মতিৰাম বৰা এম-এ, বি-এল ডাঙৰীয়াই প্ৰথম দিনা এখনি সুৱলা অভিভাষণ পাঠ কৰে। তেখেতে অসমীয়া জাতিৰ সঙ্কটাপন্ন অৱস্থাৰ বিষয়ে কৈ সমজুৱাসকলক উদ্বুদ্ধ কৰিছিল। সভাপতিৰ অভিভাষণখনি ওখ দাৰ্শনিক ভাবৰ আছিল। তেখেতৰ প্ৰতি কথাতে বিশ্বপ্ৰেমৰ ভাব ফুটি উঠিছিল। তেখেতে ছাত্ৰ-সকলক গাঁৱলৈ উলটি গৈ সৰল, আড়ম্বৰহীন জীৱন যাপন কৰিবলৈ আৰু কানি বিহ নিৰ্ম্মূল কৰিবৰ নিমিত্তে চেষ্টা কৰিবলৈ কৈছিল।

এই অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱবোৰৰ ভিতৰত অসম ছাত্ৰ সম্মিলনৰ প্ৰত্যেক সমষ্টিয়েই লাচিত বৰফুকন, চিলাৰায় আৰু জয়মতী উৎসব পাতিবলৈ আৰু অপ্ৰকাশিত নাম সাঁথৰ গীত আদি গোটাবলৈ

প্ৰত্যেক জিলাতে তিনিজন সভ্যৰে একোখন সমিতি পতা প্ৰস্তাৱেই লেখত ল'বলগীয়া।

এই অধিবেশনত শ্ৰীযুত ডিম্বেশ্বৰ নেওগ এম-এ—প্ৰধান সম্পাদক, শ্ৰীযুত চন্দ্ৰমোহন গোস্বামী বি-এল আৰু শ্ৰীযুত আনন্দিৰাম কলিতা এম-এ, বি-এল—সহকাৰী সম্পাদক নিৰ্ব্বাচিত হয়। পিছৰ বাৰলৈ শিৱসাগৰলৈ সম্মিলন নিমন্ত্ৰণ কৰা হয়।

নৱম অধিবেশন

১৯২৪ চনৰ ১০ আৰু ১১ অক্টোবৰ তাৰিখে শিৱসাগৰত এই অধিবেশন হয়। এই অধিবেশনত সৰোজিনী নাইডু সভানেত্ৰী হোৱাৰ কথা আছিল কিন্তু সম্মিলনলৈ আহিবৰ সময়তে কোহাটৰ হিন্দু-মুছলমান বিৰোধৰ প্ৰকৃত প্ৰতিবাদৰূপে মহাত্মা গান্ধীয়ে ২১ দিনীয়া অনশন ব্ৰত ধৰাত তেখেত আহিব নোৱাৰিলে। একে সপ্তাহৰ ভিতৰতে কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াক সভাপতিৰ পদ যচা হয় আৰু তেখেতেও সন্মতি প্ৰকাশ কৰি ছাত্ৰ সম্মিলনক এনে মুৰামুৰি সময়ত ৰক্ষা কৰিলে।

ডক্টৰ মহিদুল ইছলাম বৰাদেৱে অভ্যৰ্থনা সমিতিৰ হৈ এখনি সুদীৰ্ঘ আৰু সাৰুৱা কথাৰ অভিভাষণ পাঠ কৰে। স্বদেশপ্ৰেমিক সভাপতি ডাঙৰীয়াৰ অভিভাষণখনি বৰ হৃদয়গ্ৰাহী হৈছিল। তাত তেখেতে ছাত্ৰসকলৰ বিলাসিতা, পাশ্চাত্য অনুকৰণৰ কুফল আদিৰ বিষয়ে কৈ ছাত্ৰসকলক দেশৰ আহ্বানত কাণসাৰ দিবলৈ কয়। এই অধিবেশনত মহাত্মা গান্ধীৰ ব্ৰতত সহানুভূতি জনোৱা, স্বাস্থ্যনীতি, কৃষি, বাণিজ্য, বিজ্ঞান, সাধাৰণ সাহিত্যৰ বাতৰি এই কেইবিধৰ পাঁচখন পুস্তিকা গাঁৱলীয়াৰ মাজত বিনামূল্যে বিলাই দিবলৈ আৰু সম্মিলনৰ সেৱা-সমিতিৰ বাবে এটা নিজা মেজিক লেণ্টাৰ্ণ কিনিবলৈ কৰা প্ৰস্তাৱেই প্ৰধান। এই বাৰ শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা বি-এ প্ৰধান সম্পাদক, শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱা বি-এ আৰু শ্ৰীযুত ললিতচন্দ্ৰ দাস বি-এ সহকাৰী সম্পাদক নিৰ্ব্বাচিত হয়। পিছৰ বাৰলৈ যোৰহাটত সম্মিলন বহুৱাবলৈ নিমন্ত্ৰণী দিয়া হয়।

দশম অধিবেশন

১৯২৫ চনৰ ৩০ ছেপ্টেম্বৰ আৰু ১ অক্টোবৰৰ দিনা যোৰহাটত দশম অধিবেশন বহে। বিশেষ কাৰণত শিৱসাগৰ অধিবেশনত যোগ দিব নোৱাৰা সভানেত্ৰী সৰোজিনী নাইডু এই অধিবেশনৰ সভানেত্ৰী হ'ব বুলি সকলোৱে আশা কৰিছিল কিন্তু সময়ৰ মূৰত এই বাৰো এবাৰ নোৱাৰা কাৰণত তেখেত আহিব নোৱাৰা হোৱাত জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ পৰামৰ্শ আৰু চেষ্টা অনুসৰি নিচেই মুৰামুৰি সময়ত অনাৰেব্‌ল ছাৰ দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰী ছি, আই, ই, ডি,এল দেৱক সভাপতি হ'বলৈ অনুৰোধ কৰা হয়। তেখেত নানা কামৰ মাজত থকা সত্ত্বেও অসমীয়া ছাত্ৰৰ অনুৰোধ ৰক্ষা কৰি গোটেই সমাজক কৃতজ্ঞতাৰ ডোলেৰে মেৰ খুৱালে। বিষয়-বাছনি সভাত সভাপতিত্ব কৰিছিল শ্ৰীযুত ডিম্বেশ্বৰ নেওগদেৱে।

৩০ তাৰিখে দুপৰীয়া দুই বজাৰ পৰা সম্মিলনৰ কাম আৰম্ভ হয়। দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মাদেৱৰ প্ৰস্তাৱ, ডাক্তৰ ৺ উমেশচন্দ্ৰ বৰদলৈদেৱৰ সমৰ্থন আৰু শ্ৰীযুত দুৰ্গাপ্ৰসাদ বুজৰবৰুৱাদেৱৰ অনুমোদনক্ৰমে সভাপতিয়ে আসন গ্ৰহণ কৰে। তেখেতে দীঘলীয়া অথচ সাৰুৱা অভিভাষণ এখনি পাঠ কৰে। সেই দিনাৰ কাৰ্য্যসূচীৰ ভিতৰত সঙ্গীতকৱি শ্ৰীযুত পাৰ্ব্বতি বৰুৱাদেৱে নিজে ৰচনা কৰি গোৱা অসমীয়া সুৰৰ গীতটি, এটি হিন্দু ছাত্ৰই আবৃত্তি কৰা ফাৰ্চ্চী 'গজল' আৰু এটি মুছলমান ছাত্ৰই গোৱা সংস্কৃত স্তোত্ৰ উল্লেখযোগ্য। ইয়াৰ উপৰিও 'পূজাৰ দিন' নামে কৰা আবৃত্তিটি ঠিক সেই দিনাৰ উপযোগী হৈছিল। ছাৰে পাঁচমান বজাত প্ৰথম দিনৰ কাৰ্য্যাৱলী শেষ হয়। সম্মিলনৰ উপলক্ষে আঢ়ৈ হেজাৰমান দৰ্শক, নিমন্ত্ৰিত ভদ্ৰলোক আৰু ছাত্ৰ উপস্থিত আছিল। যোৰহাটৰ থিয়েটাৰ ঘৰটি সম্পূৰ্ণকৈ মানুহেৰে ভৰি পৰিছিল।

ৰাতি ১১ বজাৰ পৰা দৰ্শক আৰু প্ৰতিনিধিসকলক বিশেষ সুবিধা দি, শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ বি-এ দেৱৰ 'সিংহাসন' আৰু ধেমেলীয়া নাটক 'মহৰি' অভিনয় হয়। এই অভিনয়ত সভাপতিদেৱো উপস্থিত আছিল।

' দিনৰ দুই বজাত এটি আৰম্ভনি গীতেৰে দ্বিতীয় দিনাৰ সভাৰ কাৰ্য্য মুকলি হয়। প্ৰথমতে এটি ইংৰাজী আবৃত্তিৰ পিছত সম্মিলনৰ প্ৰধান

সম্পাদক শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাদেৱে বছেৰেকীয়া কাৰ্য্য-বিৱৰণী পাঠ কৰে। কাৰ্য্য-বিৱৰণী পাঠ হোৱাৰ পিছত শ্ৰীযুত শশীপ্ৰসাদ বৰবৰুৱা বি-এই শ্ৰীযুত বিপিনচন্দ্ৰ বৰুৱা বি-এ ৰচিত 'লগ্নত শনি' নামে এটি খেমেলীয়া কবিতা আবৃত্তি কৰি সকলোকে বিশেষ আনন্দ দিয়ে। নতুন বছৰত সভাৰ কাৰ্য্য চলাবৰ নিমিত্তে ৺সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই বি-এল—প্ৰধান সম্পাদক, শ্ৰীযুত হৰকান্ত দাস এম-এ, বি-এল আৰু মোঃ ছেৰাফুদ্দিন চৌধুৰীক যুটীয়া সহকাৰী সম্পাদক নিৰ্ব্বাচন কৰা হয়। এই অধিবেশনত মুঠতে দহোটি প্ৰস্তাৱ গৃহীত হয়। প্ৰথম প্ৰস্তাৱটি শোক প্ৰকাশ আৰু শেষৰটি খেলত জিকা কলিকতাৰ মোহনবাগানক প্ৰীতি-সম্ভাষণ আৰু ধন্যবাদ জ্ঞাপন। দ্বিতীয় প্ৰস্তাৱ মতে কলিকতা বিশ্ববিদ্যালয়ৰ ছিনেট সভাত অসমৰ সদস্য এজন ল'বলৈ অনুৰোধ জনোৱা হয়। তাৰ ফলত ৺সদানন্দ দুৱৰা বি-এল ছিনেটৰ সভ্য মনোনীত হয়। অষ্টম প্ৰস্তাৱ আছিল কটন কলেজত কিছুমান নিতান্ত লাগতিয়াল বিষয়ৰ আই-এ, বি-এ আৰু এম-এ শ্ৰেণী খুলিবলৈ চৰকাৰক খাটনি ধৰা। তাৰ ফলস্বৰূপে কটন কলেজত উদ্ভিদ বিদ্যাৰ শিক্ষা-ব্যৱস্থা কৰা হয়।

একাদশ অধিবেশন

১৯২৬ চনৰ ১৯ আৰু ২০ অক্টোবৰ তাৰিখে ডিব্ৰুগড়ত একাদশ অধিবেশন বহে। সভাপতি আছিল ৰেভাৰেণ্ড জয়মোহন নিকলচ ৰায়। অসমৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত প্ৰবীণ পুৰুষ নিকলচ ৰায়দেৱৰ বহল পৰিচয় অনাৱশ্যক। মাদক দ্ৰব্য নিষেধ কাৰ্য্যত এখেত বিশেষ অগ্ৰণী আছিল। এনে এজন দেশহিতৈষী পুৰুষক সভাপতিৰ আসনত পাই ছাত্ৰ-সকল বিশেষকৈ ডিব্ৰুগড়ীয়া ৰাইজ আনন্দত উৎফুল্ল হৈ উঠিছিল। ১৮ তাৰিখে গধূলি শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাদেৱৰ সভাপতিত্বত বিষয়-বাছনি সভা বহে। ১৪০ জনমান প্ৰতিনিধিয়ে এই সভাত যোগদান কৰিছিল।

১৯ তাৰিখে দুপৰীয়া ডেৰ বজাৰ পৰা প্ৰথম দিনৰ কাম আৰম্ভ হয়। সন্মিলন উপলক্ষে আঢ়ৈ হেজাৰ মান দৰ্শক, নিমন্ত্ৰিত ভদ্ৰলোক আৰু ছাত্ৰ উপস্থিত আছিল। ভদ্ৰমহিলা আৰু ছাত্ৰীসকলৰ আশাতীত উপস্থিতি এই সন্মিলনৰ এটি আনন্দপূৰ্ণ বিশেষত্ব। শ্ৰীযুত ডুৰ্গানাথ হাজৰিকা বি-এলদেৱৰ

প্রস্তাব, শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱাদেৱৰ সমৰ্থন আৰু শ্ৰীযুত শৰৎকুমাৰ দত্ত বাৰ-এট্-লৰ অনুমোদনত জয়ধ্বনিৰে গৃহীত হোৱা প্ৰস্তাৱমতে নিকলচ্ ৰায়দেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তেখেতৰ অভিভাষণ নৈতিক আৰু আধ্যাত্মিক কথাৰে পৰিপূৰ্ণ আছিল। মূল ইংৰাজী অভিভাষণ পাঠ হোৱাৰ পিছতে তাৰ অসমীয়া অনুবাদ এটিও পাঠ কৰা হয়। সেই দিনাই হাতৰ কাম আদিৰ প্ৰদৰ্শনী এখনিও মুকলি কৰা হয়।

২০ তাৰিখে একমান বজাত আগৰ দিনাৰ নিচিনাকৈ আড়ম্বৰপূৰ্ণ দ্বিতীয় দিনাৰ কাম আৰম্ভ কৰা হয়। ৺সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই বি-এছ্-চি, বি-এল্ ডাঙৰীয়াই বছেৰেকীয়া কাৰ্য্য-বিৱৰণী পাঠ কৰে আৰু গৃহীত হয়। বিবিধ নৃত্য-গীত, আবৃত্তি আদিৰ উপৰিও নতুন বছৰৰ বিষয়ববীয়া নিৰ্ব্বাচন আৰু প্ৰস্তাৱ আদি গ্ৰহণ কৰা হয়। সভাপতি ডাঙৰীয়াই পুনৰ আধ্যাত্মিক ভাৱৰ মন্তব্য প্ৰকাশ কৰে। উপস্থিত ভদ্ৰলোকসকলৰ মাজৰ পৰা বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকন, ৺সদানন্দ দুৱৰা বি-এল, শ্ৰীযুত হেড়ম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়া, এইসকলে একোটি বক্তৃতা দিয়ে। সভা শেষ হোৱাত সভা-মণ্ডপৰ কাষতে মুকলি পথাৰত ৺লবোৰাম দত্তদেৱে সভাপতি, প্ৰতিনিধি আৰু দৰ্শকবৃন্দক সুন্দৰকৈ জলযোগ কৰায়। ৰাতি দহ বজাৰ পৰা এই উপলক্ষে স্থানীয় থিয়েটাৰ ঘৰত ডাক্তৰ শ্ৰীউমেশচন্দ্ৰ শৰ্ম্মা বৰদলৈ ৰচিত 'হামিৰ সিংহ' নাটৰ অভিনয় হয়।

নতুন বছৰৰ কাৰণে শ্ৰীযুত দুৰ্গানাথ হাজৰিকা বি-এল—প্ৰধান সম্পাদক, ৺আনন্দৰাম গোহাঁই বি-এ, শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা—সহকাৰী সম্পাদক আৰু শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা 'মিলন'ৰ সম্পাদক নিৰ্ব্বাচিত হয়।

ডিব্ৰুগড় অধিবেশনত মটি প্ৰস্তাৱ গৃহীত হয়। দ্বিতীয়, তৃতীয় প্ৰস্তাৱ ছাত্ৰৰ মাদক দ্ৰব্য পৰিহাৰ বিষয়ৰ। চতুৰ্থ প্ৰস্তাৱত জ্ঞান-মালিনীৰ কবি মফিজুদ্দিন হাজৰিকা ডাঙৰীয়াক সাহিত্যিক পেঞ্চন পোৱাত আনন্দ প্ৰকাশ কৰা হয়। পঞ্চম প্ৰস্তাৱমতে শিলচৰ নগৰৰ ওচৰত থকা মান-ভগনত পলাই যোৱা অসমীয়া মানুহৰ ল'ৰা-ছোৱালীবিলাকৰ প্ৰাথমিক শিকাৰ ব্যৱস্থা অসমীয়া ভাষাৰ যোগেদি কৰিবলৈ সুবিধা দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হয়। ষষ্ঠ প্ৰস্তাৱ মতে মণিপুৰ আৰু খাছী পৰ্ব্বতত মণিপুৰী আৰু খাছী ছাত্ৰ-সকলৰ ভিতৰত অসমীয়া ভাষা প্ৰচলনৰ ব্যৱস্থা কৰিবলৈ মণিপুৰৰ মহাৰজা, খাছী নেতাসকল আৰু অসম সাহিত্য সভাক খাটনি ধৰা হয়। সপ্তম প্ৰস্তাৱ

মতে ডিব্রুগড় বেৰি হোৱাইট মেডিকেল স্কুলত অসমীয়া ছাত্ৰীকো ভৰ্ত্তি কৰিবলৈ অসম মেডিকেল বোৰ্ডক অনুৰোধ জনোৱা হয়। এইখিনিতে উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীৰ সহশিক্ষা অবাঞ্ছনীয় বুলি কৰ্ত্তৃপক্ষই সম্মিলনৰ সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। অষ্টম প্ৰস্তাৱমতে অসমৰ লোকেল বোৰ্ড আৰু মিউনিচিপালিটীৰ পঢ়াশালিবোৰত বয়ন-শিল্প অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনোৱা হয়।

দ্বাদশ অধিৱেশন

১৯২৭ চনৰ ২৬, ২৭ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ লতাশিল খেলমাটিত অসম ছাত্ৰ সম্মিলনৰ দ্বাদশ অধিবেশন কলিকতাৰ অধ্যাপক চালাউদ্দিন খোদাবক্সৰ সভাপতিত্বত বহে। সভাপতিদেৱ আজীৱন ছাত্ৰ। ঢাকা আইন কলেজৰ ভাইচ্ প্ৰিন্সিপেল আৰু কলিকতা বিশ্ববিদ্যালয়ৰ আইন কলেজ আৰু স্নাতকোত্তৰ বিভাগৰ অধ্যাপক হৈ তেখেতে ছাত্ৰ সমাজৰ মাজতে জীৱনৰ বেছি ভাগ অতিবাহিত কৰে। ২৪ ডিচেম্বৰ তাৰিখে সভাপতি ডাঙৰীয়াই তেখেতৰ সহধৰ্ম্মিণীৰ সৈতে গুৱাহাটীত পদাৰ্পণ কৰে। স্থানীয় ছাত্ৰসকল, প্ৰতিনিধি আৰু গুৱাহাটীৰ ৰাইজে ষ্টেছনতে তেখেতক বিপুল সম্বৰ্দ্ধনা জনায়। ২৫ তাৰিখে শ্ৰীযুত দীননাথ শৰ্ম্মা বি-এ দেৱৰ সভাপতিত্বত বিষয়-বাছনি সভা বহে। প্ৰায় ১২০ জন প্ৰতিনিধিয়ে (৩ গৰাকী ছাত্ৰী সহ) এই সভাত যোগ দিছিল।

২৬ তাৰিখে দুপৰীয়া এক বজাৰ পৰা প্ৰথম দিনৰ কাম আৰম্ভ হয়। ডেৰ হেজাৰমান দৰ্শক, নিমন্ত্ৰিত ভদ্ৰলোক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। ঐক্যতান বাদন, আৰম্ভনি গীত আৰু এটা আবৃত্তিৰ পিছত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ পক্ষৰ পৰা আদৰণি সম্ভাষণ পাঠ কৰা হয়। ৺জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱ, শ্ৰীযুত শশীচন্দ্ৰ বৰকৰাৰ দ্বাৰা সমৰ্থিত আৰু ৺সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁইৰ দ্বাৰা অনুমোদিত হোৱাৰ পিছত খোদাবক্স চাহাবে বিপুল জয়ধ্বনিৰ মাজত সভাপতিৰ আসন গ্ৰহণ কৰে। এটা থাহী গীত গোৱাৰ পিছত সভাপতিদেৱে ইংৰাজীত লিখা তেখেতৰ পাণ্ডিত্যপূৰ্ণ অভিভাষণ পাঠ কৰে। ঘাইকৈ শিক্ষা, ইয়াৰ পৰিসৰ আৰু উদ্দেশ্য সম্পৰ্কে তেখেতে এই ভাষণত আলোচনা কৰিছিল। এই দিনাৰ সভাত আন আন নিয়মতান্ত্ৰিক কামৰ উপৰিও ৺সুৰ্য্যেশ্বৰ

শর্ম্মা কটকীদেৱে লিখা 'তেৰ শতিকাত অসমৰ ভৌগোলিক বিৱৰণ' (প্ৰত্নতত্ত্ব) বিষয়ৰ ৰচনাখন পঠিত হয়।

২৭ তাৰিখে দিনৰ এক বজাৰ পৰা ঐক্যতান বাদন, আৰম্ভনি গীত আৰু এটি আবৃত্তিৰে দ্বিতীয় দিনাৰ কাৰ্য্য আৰম্ভ হয়। প্ৰধান সম্পাদক শ্ৰীযুত দুৰ্গা-নাথ হাজৰিকা বি-এল দেৱে পাঠ কৰা যোৱা বছৰৰ কাৰ্য্য-বিৱৰণী গৃহীত হয়। শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাই স্বৰচিত কৱিতা এটি পাঠ কৰে আৰু শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ দ্বাৰা লিখা 'মাটি আৰু তাৰ ৰসায়ন' নামৰ প্ৰবন্ধ পঠিত হয়। শ্ৰীযুত পাৰ্ব্বতিপ্ৰসাদ বৰুৱাদেৱে নিজে লিখা অসমীয়া সুৰৰ গীত এটি গায়। নতুন বছৰৰ বাবে বাজেট মঞ্জুৰ কৰা হয়। শ্ৰীযুত ৰজনীকান্ত গোস্বামী বি-এল—প্ৰধান সম্পাদক আৰু শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা 'মিলন'ৰ সম্পাদক নিৰ্ব্বাচিত হয়। এই অধিবেশনত সৰ্ব্বমুঠ আঠোটা প্ৰস্তাৱ গৃহীত হয়। তাৰ ভিতৰত কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ ছুড্ মাৰ্চন চাহাবক অসমৰ শিক্ষাৰ্থে কৰা অশেষ যত্নৰ বাবে ধন্যবাদ জ্ঞাপন, ৺চন্দ্ৰনাথ শৰ্ম্মাৰ সোঁৱৰণী সভা, কটন কলেজ আলোচনী 'কটনিয়ান'ত ইংৰাজীৰ লগত একমাত্ৰ অসমীয়া ভাষাৰ প্ৰবন্ধ প্ৰকাশৰ দাবী, কলিকতা বিশ্ববিদ্যালয়ক অসম ছাত্ৰ সম্মিলনে দান দিয়া পুঁজিৰে স্থাপিত আনন্দৰাম বৰুৱা পদকৰ বাবে প্ৰতিযোগিতা আৰু মিছ মেয়োৰ 'মাদাৰ ইণ্ডিয়া' নামৰ কিতাপৰ বাবে গৰিহণা বিষয়ক প্ৰস্তাৱেই উল্লেখযোগ্য। সভাপতি ডাঙৰীয়াই তেখেতৰ সাৰুৱা সামৰণি মন্তব্য দিয়াৰ পিছত মিছেছ কেম্পবেলে মাদক দ্ৰব্য বৰ্জ্জনৰ বিষয়ে এটি বক্তৃতা দিয়ে। তেজপুৰীয়া ছাত্ৰসকলৰ হৈ শ্ৰীযুত পদ্মকান্ত শৰ্ম্মা বি-এলে ইয়াৰ পিছৰ অধিবেশন তেজপুৰলৈ নিমন্ত্ৰণ কৰে।

ত্ৰয়োদশ অধিবেশন

১৯২৮ চনৰ ২৭ আৰু ২৮ অক্টোবৰ তাৰিখে দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ সভাপতিত্বত তৰুণ অসমৰ জাতীয় অনুষ্ঠান অসম ছাত্ৰ সম্মিলনৰ ত্ৰয়োদশ অধিবেশন পুৰাণপ্ৰসিদ্ধ তেজপুৰ নগৰীত মহাসমাৰোহেৰে সম্পন্ন হয়। স্থানীয় সকলো গণ্যমান্য লোকৰ উপৰিও দূৰণিৰ পৰা গৈ কেইবাজনো ভদ্ৰলোকে এই অধিবেশনত যোগ দিছিল। চৰকাৰী বাতৰি যোগনিয়াৰ, ফ্ৰি প্ৰেছ আৰু 'টাইমছ্ অব্ আসাম্' কাকতৰ সম্পাদকো উপস্থিত আছিল।

২৬ তাৰিখে নিশা শ্ৰীযুত উপেন্দ্ৰচন্দ্ৰ লেখাৰুদেৱৰ সভাপতিত্বত বিষয়-বাছনি সভা বহে। এই সভাত ৩৫০ জন প্ৰতিনিধিয়ে যোগদান কৰিছিল।

২৭ তাৰিখে পুৱা ছাবে আঠমান বজাত সহস্ৰ কণ্ঠৰ বন্দে মাতৰম্ ধ্বনিৰে অভিনন্দিত হৈ, দেশভক্ত ফুকন ডাঙৰীয়াই এটি সুৱলা অথচ চুটি বক্তৃতা দি এখনি শিক্ষামূলক প্ৰদৰ্শনী মুকলি কৰে। চাৰ্চ্চ ফিল্ডত প্ৰায় সাত-আঠ হেজাৰ মানুহে ধৰাকৈ সুসজ্জিত বিৰাট সভামণ্ডপ নিৰ্ম্মাণ কৰা হৈছিল। ধাৰাসাৰ বৰষুণ দি থকা সত্বেও নিৰ্দ্দিষ্ট সময়ত পাঁচ-ছয় হেজাৰ দৰ্শক প্ৰতিনিধিৰে সভাঘৰ উপচি পৰিছিল। মণ্ডপৰ ভিতৰখন বিজুলী বন্তিৰে দিন যেন পোহৰ হৈ আছিল। দুপৰীয়া ডেৰমান বজাৰ পৰা সভাৰ কাম আৰম্ভ হয়। সভাপতিয়ে সভাঘৰত প্ৰৱেশ কৰাৰ লগে লগে চাৰিওফালৰ পৰা বন্দে মাতৰম, অসম মাতৃৰ জয়, অসম ছাত্ৰ-সম্মিলনৰ জয়, দেশভক্ত ফুকনৰ জয় আদি জাতীয় ধ্বনিৰ খলকনি উঠে। সভাপতিয়ে আসন গ্ৰহণ কৰোঁতে, নৌ কৰোঁতেই বিবিধ ভাৰতীয়, অসমীয়া আৰু ইংৰাজী বাদ্যৰ ঐক্যতান বাজি উঠে। সুললিত আদৰণি অভিভাষণৰ পিছত তিনিজনী সৰু ছোৱালীয়ে শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰদেৱে লিখা আই-নামসুৰীয়া বৰণ-সঙ্গীত এটি গাই সভাপতিক মালা পিন্ধায়। সভাপতিয়ে আসন গ্ৰহণ কৰাত পুনৰ চাৰিওফালৰ পৰা হোৱা জয়ধ্বনি আৰু চাপৰিৰে সভাঘৰ মুখৰিত হয়। ওপৰৰ পৰা সভাপতিৰ মুৰত পুষ্পবৃষ্টি কৰা হয়। তাৰ পিছত কুঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা-দেৱে বিলাতৰ পৰা লিখি পঠোৱা "কোন কোন আহিছা আইক পূজিবলৈ" নামৰ তেখেতৰ বিখ্যাত গীতটি গাই বালক-বালিকাসকলে সমজুৱাসকলক অতিশয় মুগ্ধ কৰে। এটি সংস্কৃত স্তোত্ৰ পাঠ কৰা হয়। তাৰ পিছতেই দৰ্শকবৃন্দৰ হৰ্ষোৎফুল্ল জয়ধ্বনি গ্ৰহণ কৰি সভাপতিদেৱে জলদগম্ভীৰ স্বৰে তেখেতৰ সুৱলা অভিভাষণৰে সকলোকে আনন্দ দিয়ে। শব্দৰ মধুৰ সমাৱেশ, ভাষাৰ ললিত ঝঙ্কাৰ আৰু গধুৰ ভাৱৰ মধুৰ হেন্দোলনিৰে এই অভিভাষণখনি পৰিপূৰ্ণ আছিল। ইয়াৰ পিছত বিবিধ নৃত্য-গীত, আবৃত্তি, গজল আদি হয়। সুগায়ক শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে সুললিত কণ্ঠেৰে এটি বৰগীত গায়। কৃপাবৰ বৰবৰুৱাৰ আত্মপ্ৰকাশৰ আবৃত্তিটোও বৰ উপাদেয় হৈছিল। ছাবে পাঁচমান বজাত 'অ মোৰ আপোনাৰ দেশ' সঙ্গীতেৰে সেই দিনাৰ কাৰ্য্যৰ সামৰণি মৰা হয়। এই

খিনিতে উল্লেখযোগ্য যে বেজবৰুৱাদেৱৰ 'অ মোৰ আপোনাৰ দেশ' গীতটি অসমীয়া জাতীয় সঙ্গীত স্বৰূপে এই সভাতেই প্ৰথমে গ্ৰহণ কৰা হয়। নিশা সভাপতি, প্ৰতিনিধি আৰু দূৰণিবটীয়া দৰ্শকসকলক নিমন্ত্ৰণ কৰি বাণমঞ্চই শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাদেৱৰ 'চন্দ্ৰকান্তসিংহ' নাটৰ অভিনয় কৰি দেখুৱায়।

২৮ অক্টোবৰৰ দিনা দুপৰীয়া এক বজাৰ পৰা আগৰ দিনাৰ দৰেই আড়ম্বৰেৰে দ্বিতীয় দিনাৰ কাৰ্য্য আৰম্ভ হয়। বতৰ কিছু মুকলি। দৰ্শক আগৰ দিনাতকৈ অলপ বেছি। এই দিনাও শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰদেৱ আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ৰচিত জাতীয় সঙ্গীত শুনি সমজুৱাসকল মুগ্ধ হৈছিল। মাজতে শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে সঙ্গীতকৰি ৺উমেশচন্দ্ৰ চৌধাৰী ৰচিত "নমো ভাৰত জননী" গীতটি গায়। আন আন আবৃত্তিৰ ভিতৰত সংস্কৃত 'শঙ্কৰ স্তোত্ৰ', আগ দিনাৰ সৰু ল'ৰা দুজনে (বৰপেটাৰ শ্ৰীহৃদয়ানন্দ দাস আৰু শ্ৰীধৰ্ম্মানন্দ দাস এম-এ) গোৱা এটি সুমধুৰ বৰগীত, তিনিজনী সৰু ছোৱালীয়ে করুণ সুৰত গোৱা বেজবৰুৱাৰ 'ৰতনীৰ বিলাপ' আৰু 'কৃপাবৰ বৰবৰুৱাৰ বাতৰি কাকতৰ জাননী' বৰ উপভোগ্য হৈছিল। এই বাৰ সম্মিলনত বাৰটা প্ৰস্তাৱ গৃহীত হয়। তাৰ ভিতৰত ছাইমন কমিছনত ভাৰতীয় সদস্য নোলোৱাত দুখ প্ৰকাশ কৰি লোৱা প্ৰস্তাৱ আৰু অসমত এটা সুকীয়া বিশ্ববিদ্যালয় হ'ব লাগে বুলি লোৱা প্ৰস্তাৱ বিশেষভাৱে উল্লেখযোগ্য। বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱ দাঙি ধৰিছিল শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাই, সমৰ্থন কৰিছিল শ্ৰীযুত মোহনচন্দ্ৰ মহন্তই আৰু অনুমোদন কৰিছিল শ্ৰীযুত বেলিৰাম দাসে। উজনি অসমত কলেজ এখন হ'ব লাগে বুলিও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। নতুন বছৰৰ বাবে শ্ৰীযুত ৰজনীকান্ত গোস্বামী বি-এল সম্মিলনৰ প্ৰধান সম্পাদক আৰু শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা 'মিলন'ৰ সম্পাদক নিৰ্ব্বাচিত হয়। শ্ৰীযুত দুৰ্গানাথ হাজৰিকাৰ দ্বাৰা পিছৰ বছৰলৈ এই সভা গোলাঘাটলৈ নিমন্ত্ৰিত হয়। উপস্থিত সমজুৱাৰ হৈ পদ্মনাথ গোহাঞি বৰুৱা আৰু শ্ৰীযুত মহাদেৱ শৰ্ম্মাদেৱে দুটি হৃদয়গ্ৰাহী বক্তৃতা দিছিল। সভাপতিদেৱে আধাঘণ্টাতকৈয়ো বেছি সময় তেখেতৰ ৰামধেনি মন্তব্যত এটি ভাৱাবেগপূৰ্ণ, সুৱলা বক্তৃতাৰে ছাত্ৰসকল, দৰ্শকসকল আৰু আইসকলক কৰ্তব্যৰ বাট দেখুৱাই দি জননী জন্মভূমিক ভাল পাবলৈ দঢ়াই দঢ়াই কৈ সকলোকে তৃপ্তি দিয়ে। প্ৰায় ছয় বজাত আগদিনাৰ দৰে

সমবেত কণ্ঠে 'অ মোৰ আপোনাৰ দেশ' জাতীয় সঙ্গীতটি গোৱাত বন্দে মাতৰম্ ধ্বনিৰ মাজেদি মিলন-যজ্ঞৰ মধুৰেণ সমাপয়েৎ হয়।

চতুৰ্দ্দশ অধিবেশন

১৯২৯ চনৰ ১৪, ১৫ অক্টোবৰ তাৰিখে শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ সভাপতিত্বত তৰুণ অসমৰ জাতীয় সঙ্ঘ অসম ছাত্ৰ সম্মিলনৰ চতুৰ্দ্দশ অধিবেশন গোলাঘাট নগৰীত অতি সুকলমে সম্পন্ন হয়। স্থানীয় ভালেমান গণ্যমান্য ভদ্ৰলোকৰ উপৰিও দূৰণিৰ পৰা কেবাজনো নেতৃস্থানীয় লোকে গৈ এই অধিবেশনত যোগ দিছিল। সেইসকলৰ ভিতৰত দেশভক্ত ফুকন ডাঙৰীয়াৰ নাম বিশেষভাবে উল্লেখযোগ্য। এই বাৰ আন বাৰতকৈ ছাত্ৰ-সকলক উৎসাহ দিবলৈকে হ'ব পায় আইসকলৰ সমাগমো বেছি হৈছিল। এই অধিবেশনৰ অগা-পিছাকৈ একে ঠাইতে নাৰায়ণী সন্দিকৈৰ সভানেত্ৰীত অসম মহিলা সমিতিৰ আৰু 'জ্ঞান-মালিনী'ৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা চাহাবৰ সভাপতিত্বত অসম সাহিত্য-সভাৰ বছেৰেকীয়া অধিবেশন বহিছিল। সেই বাবে গোলাঘাটত এটি বৃহৎ জাতীয় পৰ্ব্ব অনুষ্ঠিত হোৱাত এক মহাআলোড়নৰ সৃষ্টি হৈছিল। ১৩ তাৰিখৰ ৰাতিৰ পৰাই ডক্টৰ শ্ৰীযুত মথুৰানাথ গোস্বামীদেৱৰ সভাপতিত্বত বিষয়-বাছনি সভা বহিছিল। সেই সভাত তিনি শ মান প্ৰতিনিধি উপস্থিত আছিল।

মুকলি পথাৰত প্ৰায় ছয় সাত হেজাৰ মানুহ জোৰাকৈ খেৰৰ সভা-মণ্ডপ সজা হৈছিল। নিৰ্দ্দিষ্ট সময়ত চাৰি পাঁচ হেজাৰ দৰ্শক প্ৰতিনিধিৰে সভাঘৰ উপচি পৰিছিল। সভাপতি সন্দিকৈদেৱে আসন গ্ৰহণ কৰোতে নৌ-কৰোতেই বিবিধ বাদ্যৰ ঐক্যতানবাদন আৰম্ভ হয়। সভাপতিয়ে আসন গ্ৰহণ কৰাত আদৰণি অভিভাষণখন পাঠ কৰা হয়। তাৰ পিছত দৰ্শকসকলৰ জয়ধ্বনি গ্ৰহণ কৰি সভাপতিদেৱে তেখেতৰ গৱেষণাপূৰ্ণ অভিভাষণেৰে সকলোকে মুগ্ধ কৰে। তাৰ পিছত শ্ৰীযুত ডিম্বেশ্বৰ নেওগ দেৱৰ ৰচিত 'মাতৃ স্বৰ্গ' নামৰ কবিতা পাঠ কৰা হয়। সুদৌ শেষত পাঁচমান বজাত "অ মোৰ আপোনাৰ দেশ" জাতীয় সঙ্গীতেৰে সেই দিনাৰ সভাৰ কাৰ্য্যৰ সামৰণি মৰা হয়।

১৫ অক্টোবৰৰ দিনা এবাৰ বজাৰ পৰা আগৰ দিনাৰ দৰেই মহা-সমাৰোহেৰে দ্বিতীয় দিনাৰ কাৰ্য্য আৰম্ভ হয়। দৰ্শক আগৰ দিনাতকৈ

কিছু বেছি আছিল। এই বাৰৰ অধিবেশনত আঠোটা প্ৰস্তাৱ গৃহীত হয়। ৺লালা লাজপৎৰায় আৰু ৺যতীন দাস সম্পৰ্কীয় প্ৰস্তাৱ সকলোৰে জয়ধ্বনিৰ মাজেদি গৃহীত হয়। ন বছৰৰ বাবে শ্ৰীযুত ৰজনীকান্ত গোস্বামী বি-এল পুনৰ প্ৰধান সম্পাদক আৰু শ্ৰীযুত দেবেন্দ্ৰনাথ শৰ্ম্মা 'মিলন'ৰ সম্পাদক নিৰ্ব্বাচিত হয়। সভাপতিদেৱে প্ৰায় আধা ঘণ্টা সময় জোৰা তেখেতৰ সামৰণি মন্তব্যত এটি গৱেষণাপূৰ্ণ সুৱলা বক্তৃতাৰে ছাত্ৰসকলক বৰ্ত্তমান কৰ্ত্তব্যৰ পথ দেখুৱাই দি দৰ্শকমণ্ডলীক তৃপ্তি দিয়ে। তিনিমান বজাত 'অ' মোৰ:আপোনাৰ দেশ' জাতীয় সঙ্গীতেৰে এই অধিবেশনৰ সামৰণি মৰা হয়। পিছৰ বছৰৰ বাবে সভা নগাৱলৈ নিমন্ত্ৰিত হৈছিল।

সন্মিলনে কৰা কামৰ চমু বিৱৰণী

(১) সন্মিলন প্ৰৱন্ধাৱলী

অসম ছাত্ৰ সন্মিলনে যিবোৰ লেখত ল'বলগীয়া কাম কৰিছিল সেইবোৰৰ ভিতৰত 'সন্মিলন প্ৰৱন্ধাৱলী' প্ৰকাশ বিশেষভাৱে উল্লেখযোগ্য। এই প্ৰৱন্ধাৱলীৰ প্ৰথম ভাগৰ ভূমিকাত শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই লিখা কথাখিনি প্ৰণিধানযোগ্য। তেখেতে লিখিছিল—

"সন্মিলন হোৱাৰ কাৰণেই এই কিতাপখন জাতীয় সাহিত্যত যোগ হ'ল। এই নিচিনাকৈ আৰু কিতাপ যে সময়ে সময়ে সন্মিলনৰ প্ৰভাৱত প্ৰকাশিত হৈ জাতীয় সাহিত্যৰ প্ৰসাৰ নকৰিব তাৰ কোনো কাৰণ নাই। অসমীয়া ছাত্ৰৰ পুঞ্জীভূত জ্ঞানৰাশি স্বৰূপ এনে প্ৰৱন্ধসমূহ প্ৰকাশ কৰাটোৱেই সন্মিলনৰ সৰ্ব্বপ্ৰধান সাৰুৱা আৰু দেশহিতকৰ কাৰ্য্য হ'ব। কেতিয়াবাকৈ এই সন্মিলন কাৰ্য্যত এখন প্ৰকাশক সমিতিৰ (Publishing Society) নিচিনা হৈ উঠিলে ইয়াৰ অস্তিত্বৰ সাৰ্থক হ'ব, তেতিয়াহে ছাত্ৰ সন্মিলনৰ কাৰ্য্যকৰী ক্ষমতা প্ৰকাশ পাব। এই প্ৰৱন্ধবিলাক অকল প্ৰকাশ কৰোৱাতে সন্মিলনৰ কৃতিত্বৰ অন্ত নহয়, লিখক নিযুক্ত কৰি লিখোৱা বাবেও সন্মিলনে সুনাম আৰ্জ্জিছে। সন্মিলন নোহোৱা হলে এই কিতাপৰ লিখকসকলে কিজানি এই কেইটা প্ৰৱন্ধ নিলিখিলেইহেঁতেন।

সুলিখিত ৰচনা প্ৰকাশ কৰি সন্মিলনে আমাৰ জ্ঞান-সাধনাত নতুন তেজ দিব পাৰিব, কাৰণ সুলিখিত ৰচনাসমূহ ছাত্ৰই পৰিশ্ৰম কৰি গোটোৱা জ্ঞানৰ আত্মপ্ৰকাশ মাথোন। জ্ঞান-সাধনা ছাত্ৰৰ সৰ্ব্বপ্ৰধান ব্ৰত, এই ব্ৰতত উদগনি দিব পাৰিলেই ছাত্ৰ সন্মিলন আৰু এই প্ৰবন্ধ লিখোঁতে লিখকসকলে নানা কথা সন্ধান কৰি উলিয়াব লগাত পৰিব, কাৰণ সন্মিলনলৈ লিখা প্ৰবন্ধ সাধাৰণতঃ 'বাঁহী' 'আলোচনী'লৈ লিখি পঠোৱা প্ৰবন্ধতকৈ অনেকগুণে গৱেষণাপূৰ্ণ হ'ব লাগিব। এই গৱেষণা কৰাই প্ৰকৃত ছাত্ৰৰ সৰ্ব্বপ্ৰধান কাম। কিমান জানে, কিমান নেজানে তালৈ তেওঁৰ লক্ষ্য নাই; শিক্ষাৰ উদ্দেশ্যই এনে। আমেৰিকাৰ যুক্তৰাজ্যৰ সভাপতি ডক্টৰ ৱিল্‌চনে আচল কথাকে লিখিছে যে No Student knows his Subject. The most he knows is where and how to find out the things he does not know with regard to it. (দি নিউ ফ্ৰীদম, ৯৮ পৃষ্ঠা)

জ্ঞানৰ সাধনাত নবযুগৰ আদৰ্শ মানি চলিব লাগিব। জ্ঞান-জগতত নতুন আদৰ্শ আৰু নতুন আকাঙ্ক্ষা আহি উপস্থিত হৈছে। ১৮৭২ চনৰ মেই মাহত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ছিনেট-হলত ঐতিহাসিক সম্ৰাট্ অধ্যাপক ফ্ৰীমেনে বক্তৃতা দিওঁতে এই নতুন জাগৰণৰ কথা কৈছিল। ইয়াৰ আদৰ্শটো এই মৰা ভাষা জীয়া, প্ৰাচীন ইতিহাস আধুনিক ইতিহাস বুলি কোনো বস্তু নাই ('য়ুনিটি অব্ হিচটী'—১০ পৃষ্ঠা), প্ৰত্যেকটো বিষয় এটা ঐক্যপূৰ্ণ সমষ্টি, তাৰ বিভাগ অসম্ভৱ। উদাহৰণ স্বৰূপে ক'ব পাৰি, ইতিহাসৰ ছাত্ৰই সকলো ইতিহাস আৰু ভাষাৰ ছাত্ৰই সকলো ভাষা জানিব লাগিব অৰ্থাৎ "কোনো কোনো শাখাৰ সকলো কথা জানিব লাগিব, কিন্তু প্ৰত্যেক শাখাৰে অলপ-অচৰপ জানিব লাগিব"—যেনে ভাৰতৰ ইতিহাস আমাৰ পাঠ বা ৰচনাৰ বিশেষ বিষয় হ'ব পাৰে, কিন্তু ভাৰতৰ ইতিহাসৰ সাধাৰণ অভিজ্ঞতা যোগ দিব লাগিব। আকৌ আমাৰ বিশেষ বিষয় 'দৰ্শন' হ'ব পাৰে, কিন্তু ইয়াৰ লগত সকলো বিষয়ৰে জ্ঞানৰ সংযোগ থকিব লাগিব। এই সাৰ্ব্বভৌম জ্ঞান সাধনাৰ সিদ্ধান্তৰ পৰাই পাশ্চাত্য তুলনামূলক প্ৰণালীৰ উৎপত্তি। আজিকালি ইতিহাস, দৰ্শন, বিজ্ঞান আদি মানৱ-চিন্তাৰ সকলো বিষয়তে এই তুলনামূলক প্ৰণালীৰ জয়জয়কাৰ। ফ্ৰীমেনে লিখিছে—"The discovery of the comparative

method in philology, in mythology let me add in politics and history and the whole range of human thought marks a stage in the progress of the human mind at least as great and memorable as the revival of Greek and Latin learning—(৯ পৃষ্ঠা)। ফ্ৰীমেনৰ এই উক্তিয়ে কেতিয়াবা কেতিয়াবা কোনো এটা বিষয় লৈ আমাৰ যি অহঙ্কাৰ হয় আৰু তাৰ লগে লগে আন বিষয়ৰ প্ৰতি যি অনাদৰ হয় তাক ধ্বংস কৰিব পাৰিব। এই নিচিনা সঙ্কীৰ্ণতা নিৰ্ম্মূল কৰাই উচ্চ শিক্ষাৰ উদ্দেশ্য। সম্মিলনে যিবিলাক প্ৰবন্ধ লিখাব সেইবিলাক ওপৰত কোৱা তুলনামূলক প্ৰণালী অনুসৰি লিখা হলেই বুজিব লাগিব যে আমাৰ জ্ঞান-সাধনা বৈজ্ঞানিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। ছাত্ৰ সম্মিলনে এইদৰে প্ৰবন্ধ লিখাই লিখাই এসময়ত এদল লিখক উলিয়াব পাৰিব। এওঁবিলাকৰ ৰচনাসমূহ গোটাই প্ৰকাশ কৰাটোৱেই সম্মিলনৰ সৰ্ব্বপ্ৰধান কাৰ্য্য।"

মুঠতে প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু দশম অধিবেশন এই পাঁচখন অধিবেশনৰ মুঠ পাঁচ ভাগ 'সম্মিলন প্ৰবন্ধাৱলী' ছপা হৈ ওলাইছিল। সভাপতি আৰু অভ্যৰ্থনা সমিতিৰ অভিভাষণৰ উপৰিও এই প্ৰবন্ধাৱলী বোৰত কেনে মূল্যৱান প্ৰবন্ধ ওলাইছিল তাৰ অলপ চানেকি চাওক। প্ৰথম ভাগত ডক্টৰ বাণীকান্ত কাকতিৰ 'সাহিত্যত কৰুণ ৰস', শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ 'ভাৰতীয় চিন্তা', শ্ৰীলক্ষ্মীনাথ দাস এম-এছ-চিৰ 'স্পন্দন', শ্ৰীকামেশ্বৰ দাস এম-এছ-চি, বি-এলৰ 'সৌৰজগতৰ ক্ষীণ আভাস' আৰু ৺ক্ষেত্ৰধৰ বৰগোহাঁইৰ 'ৰাধা-ৰুক্মিণী'।

দ্বিতীয় ভাগত শ্ৰীমহীচন্দ্ৰ বৰা আৰু গেনিমত আলিৰ যথাক্ৰমে 'সতীৰ্থ-সঙ্গম' আৰু 'মিলন' নামৰ কৱিতা, পৰশুৰাম দত্ত বি-এছ-চিৰ 'জড় আৰু শক্তি' আৰু ৺উমেশচন্দ্ৰ চৌধাৰী বি-এলৰ 'ৰসায়ন শাস্ত্ৰত ভুমুকি' নামৰ বৈজ্ঞানিক প্ৰবন্ধ, তদুপৰি ৰাজেন্দ্ৰনাথ বৰুৱাৰ 'ভাৰতত ঋণ সমবায়' আৰু তোলনচন্দ্ৰ দাসৰ 'মুগা খেতি' নামৰ প্ৰবন্ধ।

তৃতীয় ভাগত শ্ৰীহৰেন্দ্ৰকুমাৰ চৌধুৰী এম-এ, বি-এলৰ 'সাহিত্যৰ লগত মানৱ জীৱনৰ সম্পৰ্ক' আৰু শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ 'প্ৰাচীন বেবিলনৰ বেদ' নামৰ গধুৰ প্ৰবন্ধ।

চতুৰ্থ ভাগত শ্ৰীপ্ৰসন্নলাল চৌধুৰীৰ 'শক্তি জাগ' নামৰ ওজস্বিনী কৱিতা,

পণ্ডিত আনন্দৰাম বৰুৱাৰ 'ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ ঠাই' নামৰ ইংৰাজী প্ৰবন্ধৰ অসমীয়া অনুবাদ (অনুবাদক—লক্ষ্মীধৰ শৰ্ম্মা এম-এ, বি-এল) ইয়াৰ উপৰিও পৰশুৰাম দত্তৰ 'ভেট ফুল', 'আত্মাৰ অবিনশ্বৰত্ব', 'হিন্দু ৰসায়ন শাস্ত্ৰৰ প্ৰাচীনত্ব' আদি মূল্যৱান প্ৰবন্ধ ইত্যাদি।

আনন্দৰাম বৰুৱাৰ স্মৃতি-ৰক্ষা

যোৰহাটত বহা অসম ছাত্ৰ সম্মিলনৰ দ্বিতীয় অধিবেশনত পণ্ডিত আনন্দৰাম বৰুৱাদেৱৰ স্মৃতি-ৰক্ষা সম্পৰ্কীয় এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই উদ্দেশ্যে ধন সংগ্ৰহ কৰি সম্মিলনৰ কৰ্ম্মীসকলে কলিকতা বিশ্ববিদ্যালয়ক আনন্দৰাম বৰুৱা স্মৃতি পুঁজি স্থাপন কৰা উদ্দেশ্যে দান কৰিছিল। সেই পুঁজিৰ বাঢ়িৰ পৰা এবছৰ এৰি এবছৰ উৎকৃষ্ট মৌলিক ৰচনা লিখকক 'আনন্দৰাম বৰুৱা স্মৃতি পদক' দিবলৈ ব্যৱস্থা কৰা হৈছিল। ১৯২০ চনত প্ৰথমে প্ৰতিযোগিতাৰ বাবে ৰচনাৰ বিষয় ঘোষণা কৰা হৈছিল। কিন্তু সেই পদক কোনোবাই পালে নে নাই আৰু বৰ্ত্তমানে এই পুঁজি কি অৱস্থাত আছে জনা নাযায়।

হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী গ্ৰন্থাৱলী

অসমীয়া ভাষাৰ ওজা ৺হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ স্মৃতি-ৰক্ষাৰ উদ্দেশ্যেও অসম ছাত্ৰ সম্মিলনে প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু কাৰ্য্যকৰী পন্থা হাতত লৈছিল। এই উদ্দেশ্যে "হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী গ্ৰন্থাৱলী" নাম দি এশ্ৰেণীৰ বাছকবনীয়া অসমীয়া গ্ৰন্থ প্ৰকাশ কৰিবলৈ দিহা কৰিছিল। ইয়াৰ সুফল স্বৰূপে তিনিখন গ্ৰন্থ মাথোন ছপা হৈ ওলায়। প্ৰথমখন হৈছে বিখ্যাত জাৰ্ম্মান নাট্যকাৰ ৱেগনাৰৰ নাটসমূহৰ অসমীয়া সঙ্কলন, সাধুকথাৰ আকাৰত 'ৱেগনাৰৰ সাধুকথা' নাম দি যুগুত কৰিছিল তেজপুৰৰ শ্ৰীবসন্তকুমাৰ বৰুৱাদেৱে। দ্বিতীয়খন হৈছে ছাৰ্লক হ'মছৰ গল্পৰ ভাঙনি—'ৰহস্য কাহিনী' নাম দি যুটীয়াভাবে যুগুত কৰিছিল শ্ৰীগুণাভিৰাম শৰ্ম্মা আৰু শ্ৰীৰত্নধৰ শৰ্ম্মাদেৱে। যি জনাৰ স্মৃতি পূজাৰ বাবে এই গ্ৰন্থাৱলী স্থাপন কৰা হৈছিল ৺সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী ৰচিত হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিতখনিকে তৃতীয় ভাগ স্বৰূপে প্ৰকাশ কৰা হৈছিল। সম্পাদনা কৰিছিল শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই। ইয়াৰ উপৰিও তলত নাম দিয়া গ্ৰন্থবোৰ এই সোঁৱৰণী গ্ৰন্থাৱলীৰ অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল—

(১) ভাৰত গৰিমা (এশজন ভাৰতীয় মনীষীৰ জীৱনী)
(২) আৰবৰ উপন্যাস
(৩) ডিকেন্সৰ গল্প
(৪) হিন্দুস্থানৰ গল্প (৺নন্দনাথ গোস্বামী বি-এল)
(৫) ইলিয়টৰ গল্প
(৬) ভাৰতীয় কংগ্ৰেছৰ বুৰঞ্জী
(৭) Tales from Indian Chivalryৰ ভাঙনি
(৮) চাদিৰ গুলিস্তানৰ ভাঙনি
(৯) ছেক্সপীয়েৰৰ গল্পৰ ভাঙনি
(১০) সংস্কৃত নাটকৰ গল্প
(১১) Seven Wonders of the world কিতাপৰ ভাঙনি
(১২) টলষ্টয়ৰ গল্প

এই গ্ৰন্থবোৰৰ বেছি ভাগেই ছাপাখানাৰ বাবে সাজু কৰা হৈছিল। দুখৰ বিষয় বিশেষকৈ আৰ্থিক কাৰণত প্ৰকাশৰ সুবিধা হৈ নুঠিল। দুই এখন আন প্ৰতিষ্ঠানৰ যোগেদি পিছত ছপা হৈ ওলাইছিল আৰু বেছি ভাগেই নষ্ট হ'ল।

বীৰ-পূজা

অসম ছাত্ৰ সম্মিলনে বীৰ-পূজাৰ প্ৰস্তাৱো গ্ৰহণ কৰি ইয়াক কাৰ্য্যত পালন কৰিবলৈ বিশেষ যত্ন কৰিছিল। লাচিত বৰফুকন, চিলাৰায় আৰু জয়মতীক এই প্ৰস্তাৱৰ বীৰ-বীৰাঙ্গনা হিচাপে অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল। প্ৰতি বছৰ জানুৱাৰী মাহৰ প্ৰথম দেওবাৰে লাচিত উৎসৱ আৰু জুলাই মাহৰ প্ৰথম দেওবাৰে চিলাৰায় উৎসৱৰ দিন নিৰ্দ্দিষ্ট কৰি লোৱা হৈছিল আৰু চতৰ শুক্লা একাদশীত জয়মতী উৎসৱ পাতিবলৈ স্থিৰ কৰা হৈছিল। কেবা বছৰো অসমৰ বিভিন্ন ঠাইত আমাৰ ডেকা-গাভৰুসকলে মহাসমাৰোহেৰে এই উৎসৱবোৰ পালন কৰিছিল আৰু কোনো কোনো উৎসৱ একোখন ঠাইত দলদোপ, হেন্দোলদোপ, কৰি হৈছিল। দুখৰ বিষয় একমাত্ৰ জয়সাগৰৰ পাৰত পতা জয়মতী উৎসৱৰ বাহিৰে বৰ্ত্তমানে আনবোৰ উৎসৱৰ কথা মানুহৰ স্মৃতি-পটৰ পৰাও আঁতৰি গৈছে।

শাখা সভা

অসম ছাত্র সম্মিলনৰ কেবাখনো শাখা সভা বৰ জীৱন্ত আছিল। সেইবোৰৰ ভিতৰত গুৱাহাটী একতা সভা, কলিকতা এছ এল ক্লাব আৰু আৰু গুৱাহাটী এছ এল ক্লাবৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অসমৰ ছাত্ৰ আন্দোলনৰ বুৰঞ্জীত প্ৰতিখনৰেই সুকীয়া ভূমিকা আৰু বিশিষ্ট অৰিহণা আছে। কলিকতা এছ এল ক্লাবে তাৰ প্ৰৱসুৱা অসমীয়া ছাতৰসকলক একমুঠ কৰাৰ উপৰিও সময়ে সময়ে ডাঙৰ সভা পাতি অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা কৰিছিল, বিশিষ্টলোকৰ তিথি আদি পালন কৰিছিল। 'চিন্তাকোষ', 'সাহিত্য আৰু সমালোচনা' নামৰ দুখনি সমালোচনামূলক গ্ৰন্থ এই সভাৰ অসমীয়া সাহিত্য ভঁৰাললৈ লেখত লবলগীয়া দান। অধ্যাপক শ্ৰীযুত অম্বিকানাথ বৰা, কবি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰাদেৱ এই সভাৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত প্ৰধান।

গুৱাহাটী এছ-এল-ক্লাবেও অসমৰ কলেজীয়া ছাত্ৰসকলৰ মাজত সাহিত্য আন্দোলন জীয়াই ৰাখিছিল। এই ক্লাবৰ মুখপত্ৰ ৰূপে 'সেউতী' নামেৰে হাতে লিখা আলোচনী এখন বহু বছৰ সুখ্যাতিৰে চলোৱা হৈছিল। এতিয়াৰ প্ৰখ্যাত অসমীয়া লিখকসকলৰ ভিতৰত ভালেমানৰ 'সেউতী'ৰ লগত সম্পৰ্ক আছিল। মহাপুৰুষসকলৰ আৰু সাহিত্যিকসকলৰ সোঁৱৰণী সভা এই ক্লাবৰ যোগেদি ডাঙৰকৈ পতা হৈছিল। সত্যনাথ বৰা, হেমচন্দ্ৰ গোস্বামী, কমলাকান্ত ভট্টাচাৰ্য্য, নবীন বৰদলৈ, তৰুণ ফুকন প্ৰভৃতি আমাৰ সাহিত্যৰ গুৰিয়ালসকলে এইবোৰ সভাৰ সভাপতিত্ব কৰিছিল। গুৱাহাটীত বেজবৰুৱাৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশন উপলক্ষে গোট খোৱা সদৌ অসমৰে প্ৰসিদ্ধ সাহিত্যিকসকলক এই সভাই সমূহীয়াভাৱে সম্বৰ্দ্ধনা জনাইছিল। সেই সভাত বেজবৰুৱা, গোহাঁই বৰুৱা, হেম গোসাঁই, কমলাকান্ত ভট্টাচাৰ্য্য, জ্ঞানদাভিৰাম বৰুৱা, দণ্ডিনাথ কলিতা, সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী আদি অনেক সাহিত্যিক আৰু ছাত্ৰ উপস্থিত আছিল। এইবোৰৰ উপৰিও পদ্ম-জয়ন্তী পাতি এই সভাই গোহাঁই বৰুৱা ডাঙৰীয়াক মানপত্ৰ দান কৰিছিল।

গুৱাহাটী একতা সভাৰো অসম ছাত্ৰ সম্মিলনলৈ বৰগুনি জাকত জিলিকা। ১৯০৭ চনৰ ৪ মাৰ্চ্চত এই সভাৰ দ্বিতীয় অধিবেশন বহিছিল। প্ৰথম অধিবেশনৰ তাৰিখ জনা নাযায়। শ্ৰীঅম্বিকা বৰা, শ্ৰীজ্ঞাননাথ বৰা,

শ্ৰীনাৰায়ণচন্দ্ৰ গোস্বামী প্ৰভৃতি পাঁচজন ছাত্ৰই এই সভা প্ৰতিষ্ঠা কৰিছিল। ১৯১২ চনৰ পৰা একতা সভাৰ দ্বিতীয় যুগ বা উজ্জ্বল যুগ বুলি ক'ব পাৰি। এই যুগত কেৱল গুৱাহাটীতে নহয় গোটেই অসমতে এই সভাৰ নাম জিলিকি উঠিছিল। এই যুগতে একতা সভাত পঠিত কেবাখনিও ৰচনা 'উষা' 'আলোচনী' আদি কাকতত প্ৰকাশ হৈছিল। প্ৰতি সাপ্তাহিক অধিবেশনতে নিৰ্দ্দিষ্ট বিষয়ৰ বাহিৰেও বেলেগ বেলেগ ৰচনা পাঠ কৰা হৈছিল। সেই সকলোবোৰ ৰচনা গোটাই ৰখা হলে অসমীয়া সাহিত্যৰ এক মূল্যবান সম্পদ হ লহেঁতেন। ১৯০৯ চনত পোনপ্ৰথমে এই সভাই মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ তিথি উপলক্ষে পুৰণি কাৰ্জ্জন হলত এখনি ডাঙৰ ৰাজহুৱা সভা পাতে। এই সভাৰ সভাপতিত্ব কৰিছিল 'এড্‌ভোকেট অব আসাম'ৰ সম্পাদক মথুৰনাথ বৰুৱাদেৱে। সঙ্গীত-ওজা লক্ষ্মীৰাম বৰুৱাই সঙ্গীত পৰিচালনা কৰিছিল। তেতিয়াৰে পৰা অসমত এইদৰে মহাপুৰুষৰ তিথি উপলক্ষে সভা পতা আৰম্ভ হয়। ১৯১২ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে এই সভাই অসমৰ ভিতৰত পোন-প্ৰথমে অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী সভা পাতে। সভাপতি আছিল কৰ্ণেল পি-আৰ-টি গৰ্ডন। সত্যনাথ বৰা, তৰুণৰাম ফুকন এফ, ডবলিউ ছুড্‌মাৰ্ছন চাহাব, হেমচন্দ্ৰ গোস্বামী প্ৰভৃতি লোকসকলে বক্তৃতা দিছিল। ২৮-৬ ১৩ কলিকতা বিশ্ববিদ্যালয়ৰ আই-এ-মহলাত প্ৰথম হোৱা বাবে-বাণীকান্ত কাকতিদেৱক অভ্যৰ্থনা জনোৱা হয়। এইদৰে কেবাখনো উল্লেখযোগ্য সভা পাতি একতা সভাই অসমত আলোড়নৰ সৃষ্টি কৰিছিল।

মিলন

অসম ছাত্ৰ সম্মিলনৰ সেই সময়ৰ তিনিজন প্ৰধান গুৰিয়াল শ্ৰীডিম্বেশ্বৰ নেওগ, শ্ৰীদৈবচন্দ্ৰ তালুকদাৰ আৰু শ্ৰীশুকদেৱ গোস্বামীয়ে লগ লাগি 'জন্মভূমি' নামেৰে এখনি অসমীয়া আলোচনী উলিয়ায়। এই কাকত প্ৰকাশ সম্পৰ্কে শ্ৰীশুকদেৱ গোস্বামীয়ে এইদৰে জনাইছিল—"১৯২১ চনৰ এপ্ৰিল মাহত আৰ, আৰ, টমাছ এম-এ, পি-আৰ-এছ ডাঙৰীয়াৰ সভাপতিত্বত সম্মিলনৰ বিশেষ অধিবেশন হয়। এই অধিবেশনত বেছি প্ৰস্তাৱ গ্ৰহণ কৰা হোৱা নাছিল, কেৱল কৰ্ম্মচাৰীসকলকহে নিযুক্ত কৰা হৈছিল। তেতিয়াৰ পৰা সম্মিলনৰ কাম আকৌ আৰম্ভ হয়। কিন্তু আগৰ সম্পাদক

কাৰাবাসত থকাৰ বাবে টকা-পইচা নাপাই কেৱল নাম ৰক্ষা কৰি থকাৰ বাহিৰে আন কোনো কামেই ভালকৈ কৰিব পৰা ন'হল। অৱশেষত গত বছৰৰ মাহত টকাৰ ভঁৰাল আমাৰ হাতলৈ আহিছে আৰু লগে লগে আমিও কামত ভালকৈ লাগিছোঁ। তাৰ ফল স্বৰূপেই আজি 'জন্মভূমি' কাকত ৰাইজৰ আগত ওলাইছে। এই কাকত হাতত লোৱা অইন একো উদ্দেশ্য নাছিল, কেৱল কিতাপ প্ৰকাশ কৰিলে বহুত টকা লাগে আৰু অনেক কিতাপ বিক্ৰী নহৈ পৰি থাকে। সেই কাৰণে সম্মিলনৰ সকলো প্ৰবন্ধাদি ছপাই উলিয়াবলৈ লগতে টকাৰ অভাৱত ছপাব নোৱাৰি পেলাই থোৱা 'ভাৰত-গৰিমা' গ্ৰন্থমালাৰ জীৱনীখিনিও যাতে উলিয়াব পৰা হয় তাকে মানস কৰি কাকতখনি হাতত লোৱা হৈছে।" উল্লেখযোগ্য সম্মিলনৰ নামত ওলালেও এই 'জন্মভূমি' কাকত নেওগ, তালুকদাৰ আৰু গোস্বামীয়ে নিজাকৈ উলিয়াইছিল।

ইয়াৰ পিছৰ সপ্তম অধিবেশনত সম্মিলনে জন্মভূমিক নিজাকৈ লবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছিল কিন্তু প্ৰকাশক তিনিজনৰ লগত এই বিষয়ে মত নিমিলাত সেই সময়ৰ সম্মিলনৰ কাৰ্য্য-নিৰ্ব্বাহক সভাই শাখা সভাবিলাকৰ মত লৈ 'মিলন' নামেৰে অসম ছাত্ৰ সম্মিলনৰ মুখপত্ৰ তিনিমহীয়া আলোচনী এখনি উলিয়ায়। প্ৰথম বছৰ সম্পাদক শ্ৰীগৰ্গনাৰায়ণ চৌধুৰী বি-এল, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা, ৰামেশ্বৰ শৰ্ম্মা বি-এল, শ্ৰীপাৰ্ব্বতিপ্ৰসাদ বৰুৱা, ডাঃ শ্ৰীপৰেশনাথ বৰুৱা, শ্ৰীউমেশচন্দ্ৰ বৰুৱা বি-এ, শ্ৰীদুৰ্গাপ্ৰসাদ বুজৰ বৰুৱা বি-এ আৰু শ্ৰীঈশ্বৰচন্দ্ৰ মেধি এম-এ, বি-এলক লৈ প্ৰথম প্ৰকাশক সমিতি গঠিত হৈছিল। এই সমিতিয়ে 'মিলন'ৰ প্ৰথম বছৰ ১ম সংখ্যাত এইদৰে নিবেদন জনাইছিল—"সকলো অসমীয়া ছাত্ৰৰ মিলিত আৰু ব্যক্তিগত শক্তিৰ পৰিচায়কৰ বোজা লৈ 'মিলনে' ৰাইজৰ আগত দেখা দিছে। এই 'মিলন' অসম ছাত্ৰ সম্মিলনৰ মুখপত্ৰ। গতিকে ইয়াৰ অস্তিত্বই প্ৰত্যেক অসমীয়া ছাত্ৰৰ আৰু অসমীয়া ৰাইজৰ ওপৰত নিৰ্ভৰ কৰে। ভৱিষ্যত যিসকলে বৰ্ত্তমান অসমৰ কাৰ্য্যকাৰকসকলক কাৰ্য্য-ক্ষেত্ৰৰ পৰা অৱসৰ দি নিজ কাৰ্য্যক্ষেত্ৰত আগবাঢ়িব সেইসকলক উৎসাহ দি কাৰ্য্যত পটু কৰিবলৈ বোধকৰোঁ ৰাইজে পাছ নুহুহকিব আৰু অসমীয়া ছাত্ৰয়ো নিজে ভৱিষ্যতলৈ সাজু হ'বলৈ প্ৰথমতে যেনে আগ্ৰহ কৰি এই কাকত লৈছে সেইদৰেই আগলৈকো চলাই থাকিবলৈ যেন পৰমেশ্বৰে শক্তি

দিয়ে। ছাত্ৰসকলৰ উৎসাহ বাঢ়িলে 'মিলন'ৰ আৰু উন্নতি হ'ব বুলি আশা কৰা যায়।"

শ্ৰীচৌধুৰীৰ পিছত যথাক্ৰমে শ্ৰীডিম্বেশ্বৰ নেওগ, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মাৰ সম্পাদনাত "মিলনে" অসমীয়া আলোচনী জগতত জাকত জিলিকা হৈ উঠিছিল। পিছলৈ এই কাকত সচিত্ৰ আৰু দ্বৈমহীয়া কৰি উলিওৱা হৈছিল। কেৱল ছাত্ৰ লিখকসকলেই নহয়, অসমীয়া সাহিত্যৰ ওজা সাহিত্যিকসকলৰ প্ৰবন্ধ-সম্ভাৰেৰেও মিলন সমৃদ্ধিশালী হৈছিল। সেই সময়ৰ কেবাজনো ছাত্ৰ সাহিত্যিকেই আজিৰ অসমীয়া সাহিত্যিকসকলৰ মাজত আগশাৰীত স্থান ল'ব পাৰিছে। অসমীয়া সাহিত্য বুৰঞ্জীত 'মিলনেও' এটি উজ্জ্বল অধ্যায় ৰচনা কৰিলে বুলি ক'ব পাৰি। মুঠতে 'মিলনক' অসম ছাত্ৰ সন্মিলনৰ বৈজয়ন্তী বুলি কলেও বঢ়াই কোৱা নহব।*

সমাপ্ত

* এই ইতিবৃত্তৰ আগছোৱা অৰ্থাৎ নবম অধিবেশনৰ শেষলৈকে শ্ৰীযুত মোহনচন্দ্ৰ মহন্ত বি-এল দেৱে ৰচনা কৰিছিল আৰু এই ৰচনা লিখি তেখেত ছাত্ৰ সন্মিলনৰ বাবে পুৰস্কৃতো হৈছিল। তাৰ পিছৰ ছোৱা পুৰণি কাকত-পত্ৰত প্ৰকাশ হোৱা সমল আহৰণ কৰি আমি নিজেই যুগুত কৰি দিছোঁ —এই প্ৰবৃত্তি সামৰি লোৱা কাল ছোৱাৰ ইতিবৃত্ত সম্পূৰ্ণ কৰিবৰ বাবে। —সম্পাদক